
মঙলদৈ মহাবিদ্যালয়
আলোচনী
সম্পাদক - ৰঞ্জনজ্যোতি শৰ্মা

মঙলদৈ মহাবিদ্যালয়

# আলোচনী

বার্ষিক প্রকাশ

২০০৮-২০০৯ বর্ষ

তত্বাৱধায়ক
ডক্টৰ বিজয় কুমাৰ শৰ্মা

সম্পাদক
ৰঞ্জনজ্যোতি শৰ্মা

**MAGAZINE :** *The Annual House Journal of MANGALDAI COLLEGE published by the Magazine Department on behalf of Mangaldai College Students' Union, Mangaldai, Darrang. Edited by Ranjanjyoti Sarma, Secretary of Magazine Department, 2008-2009 Academic Session.*

## মঙলদৈ মহাবিদ্যালয় আলোচনী সম্পাদনা সমিতি


| | | |
|---|---|---|
| মুখ্য উপদেষ্টা | ঃ | শ্ৰীবিচিত্ৰ কুমাৰ মেধি |
| উপদেষ্টা | ঃ | শ্ৰীনাৰায়ণ চন্দ্ৰ মুদৈ<br>ডক্টৰ কুমুদ চন্দ্ৰ শৰ্মা<br>জামালুদ্দিন আহমেদ<br>ডক্টৰ বুদ্ধিন চন্দ্ৰ হাজৰিকা<br>আছিৰ উদ্দিন<br>শ্ৰীডিম্বেশ্বৰ বৰুৱা<br>শ্ৰীৰূপজ্যোতি বৰুৱা |
| তত্বাৱধায়ক | ঃ | ডক্টৰ বিজয় কুমাৰ শৰ্মা |
| সম্পাদক | ঃ | শ্ৰীৰঞ্জনজ্যোতি শৰ্মা |
| সদস্য/সদস্যা | ঃ | শ্ৰীযুগব্ৰত বৰুৱা<br>শ্ৰীৰিপুঞ্জয় কুমাৰ বৰুৱা<br>শ্ৰীত্ৰিদীব কলিতা<br>শ্ৰীজয়ন্ত কলিতা<br>শ্ৰীৰাজীৱ শৰ্মা<br>শ্ৰীমৌচুমী কলিতা<br>শ্ৰীজয়শ্ৰী বৰঠাকুৰ |
| বেটুপাত | ঃ | শ্ৰীঋতুপৱন নাথ |
| স্কেচ | ঃ | শ্ৰীকুলদ্বীপ চহৰীয়া<br>শ্ৰীৰঞ্জনজ্যোতি শৰ্মা |
| সামগ্ৰিক পৰিকল্পনা | ঃ | সম্পাদক |
| মুদ্ৰণ | ঃ | পাহি লেজাৰ প্ৰিণ্টচ্<br>চিলাৰায় মাৰ্কেট, মঙলদৈ |


## মোৰ হিয়াভৰা কৃতজ্ঞতা


আলোচনীখন সফলভাৱে সম্পাদনা কৰি উলিয়াবলৈ প্ৰতিটো দিশতে সু দিহা-পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীবিচিত্ৰ কুমাৰ মেধি, তত্বাৱধায়ক ডক্টৰ বিজয় কুমাৰ শৰ্মা ছাৰৰ লগতে পাণ্ডুলিপি সমূহ পৰীক্ষা কৰি দিয়া বাবে শিক্ষাগুৰু আছিৰ উদ্দিন, শ্ৰীডিম্বেশ্বৰ বৰুৱা, শ্ৰীধ্ৰুৱজ্যোতি শৰ্মা আৰু শ্ৰীৰূপজ্যোতি বৰুৱা বাইদেউলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে আলোচনীখনৰ বিষয়ত পৰামৰ্শ আগবঢ়োৱা শিক্ষাগুৰু ডক্টৰ কুমুদ চন্দ্ৰ শৰ্মা, শ্ৰীবুদ্ধিন চন্দ্ৰ হাজৰিকা, শ্ৰীমতিৰাম মেধি আৰু শ্ৰীহৰিমন ডেকালৈও কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সম্পাদনা সমিতিৰ সমূহ উপদেষ্টা, সদস্য-সদস্যাৰ উপৰিও বেটুপাতৰ শিল্পী ঋতুপৱন নাথ তথা স্কেচ শিল্পী কুলদ্বীপ চহৰীয়ালৈ কৃতজ্ঞতা নিবেদিছো।

যিসকল লেখক-লেখিকাৰ দ্বাৰা আলোচনীখন সমৃদ্ধ হ'ল তেওঁলোকলৈ ধন্যবাদ জ্ঞাপন কৰিলো। লগতে প্ৰতিটো দিশতে সহযোগিতা আগবঢ়োৱা ৰাজীৱ শৰ্মা, জয়ন্ত ডেকা, আৰু ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকললৈ ধন্যবাদ জ্ঞাপন কৰিলো।

কাৰ্যালয়ৰ তৰফৰ পৰা সহায় আগবঢ়োৱা শ্ৰীঅচ্যুত চন্দ্ৰ শৰ্মা, শ্ৰীহৰেশ্বৰ শৰ্মা আৰু শ্ৰীসিত্যেশ চহৰীয়াও ধন্যবাদৰ পাত্ৰ।

পাহি লেজাৰ প্ৰিণ্টচ্ৰ স্বত্বাধিকাৰী সমন্বিতে কৰ্মীবৃন্দলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

—সম্পাদক


**বেটুপাতৰ অৰ্থ ঃ** নদীৰ পাৰতেই সভ্যতাৰ সৃষ্টি, মানুহৰ হাতত তুলি লোৱা এই চক্ৰটো মানুহৰ জীৱনৰ কালচক্ৰ। সময়ৰ সোঁতে সোঁতে পলসুৱা মাটিৰ জীপ পাবলৈ ধৰা অংকুৰিত বীজটো ছাত্ৰ সমাজক বুজোৱা হৈছে আৰু লঠঙা গছজোপা মৃত সভ্যতাৰ পৰিচায়ক। সৌন্দৰ্যৰ প্ৰতীক নীলা আকাশখনি যেতিয়া ডাৱৰে মেঘাচ্ছন্ন কৰি বৃষ্টি আনিব (অৰ্থাৎ যেতিয়াই মানুহবোৰ সাহিত্যৰ দিশে অগ্ৰসৰ হ'ব) তেতিয়াই মৃতপ্ৰায় লঠঙা গছজোপাতো কুঁহিপাত মেলিব।

# শ্বহীদ প্ৰণামো তোমাক



"আয়ে দিয়া বিহু গামোচাৰে
গুলি খোৱা তেজ মচি
ৰণ দেৱতাৰ ৰঙা থাপনাত
জ্বলাওঁ শলিতাগছি
পুনৰ সপ্তম সাজু হৈছো আই
দিবলৈ জীৱন দান।"

*—ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা*

# শ্ৰদ্ধাঞ্জলি



## মঙলদৈ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ প্ৰয়াত ছাজাদুৰ ৰহমান

১৯৪৯ চনৰ ১ মাৰ্চত নগাঁও জিলাৰ জাজৰিত ছাজাদুৰ ৰহমানদেৱৰ জন্ম। তেতিয়াৰ জাজৰি হাইস্কুলৰ পৰা তেখেতে সুখ্যাতিৰে মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ নগাঁও কলেজৰ পৰা বিজ্ঞানৰ স্নাতক ডিগ্ৰী লাভ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ৰসায়ন বিজ্ঞান বিভাগত সুখ্যাতিৰে ৰহমানদেৱে স্নাতকোত্তৰ পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৭০ চনৰ ২৬ ছেপ্টেম্বৰ তাৰিখে তেখেতে মঙলদৈ মহাবিদ্যালয়ত ৰসায়ন বিজ্ঞান বিভাগত প্ৰৱক্তা হিচাপে নিযুক্তি লাভ কৰে। পিচলৈ তেওঁ বিভাগটোৰ মুৰব্বী অধ্যাপকৰূপে কাৰ্যনিৰ্বাহ কৰে। ২০০৭ চনৰ ১ ছেপ্টেম্বৰ তাৰিখে ৰহমান ছাৰে মহাবিদ্যালয়ৰ সৰ্বোচ্চ পদ অধ্যক্ষৰ আসন অলংকৃত কৰে। চাকৰি জীৱনৰ এই সুদীৰ্ঘ ৩৬ বছৰত তেখেতে অসংখ্যজনৰ জ্ঞানচক্ষু উজ্জীৱিত কৰিলে। কেৱল ৰসায়ন বিজ্ঞানতে তেখেতৰ জ্ঞানবাজিক সীমাবদ্ধ নাৰাখি জ্ঞানৰ প্ৰায় প্ৰতিটো দিশতে পাৰদৰ্শিতা দেখুৱাব পাৰিছিল। মৃদুভাষী শ্ৰদ্ধাৰ ছাৰৰ ব্যৱহাৰ অতি অমায়িক, মুখত অনবৰতে লাগি আছিল এটি প্ৰাণোচ্ছল হাঁহি। প্ৰায় সকলো সমস্যাৰে তৎকালীন সমাধান দিব পৰা এইগৰাকী শিক্ষানুৰাগী ব্যক্তি শাৰীৰিক অসুস্থতাৰ বাবে কিছুদিন গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ থাকে আৰু যোৱা ইং ১৭/১/২০০৯ তাৰিখ শনিবাৰে নগাঁওৰ নিজা বাসভৱনত জীৱনৰ শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেখেতে পত্নী আৰু দুগৰাকী পুত্ৰ সন্তান ইহ সংসাৰত এৰি থৈ যায়। তেখেতৰ আত্মাই চিৰশান্তি লাভ কৰক— এয়ে আমাৰ নেদেখাজনৰ ওচৰত সৰল মিনতি।

মঞ্জু কলিতা, প্ৰৱক্তা, দৰ্শন বিভাগ



## প্ৰয়াত পৰমানন্দ শৰ্মা

মঙলদৈ চহৰৰ নিকটৱৰ্তী গেলাইডিঙি গাঁৱত ১৯৫৩ চনত পৰমানন্দ শৰ্মাৰ জন্ম। সেই গাঁৱতে প্ৰাথমিক শিক্ষা সাং কৰে। সেই সময়তে তেওঁলোকৰ পৰিয়ালটো আন্ধেৰীঘাটৰ ওচৰৰ বৈনাৰা গাঁৱলৈ গুচি যায়। তাত তেখেতে হাইস্কুলীয়া শিক্ষা আৰম্ভ কৰে। পৰিয়ালৰ আৰ্থিক দুৰৱস্থাৰ বাবে শিক্ষা সাং কৰিব নোৱাৰি জীৱিকা নিৰ্বাহৰ উপায় বিচাৰিবলগীয়া হয়। ২৪/১১/৭৯ তাৰিখে মঙলদৈ মহাবিদ্যালয়ত চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী হিচাপে অনুমোদন নথকা পদত যোগদান কৰে। ৬/৫/২০০৮ তাৰিখৰ পৰা স্থায়ী পদত স্থিৰ বেতনপ্ৰাপ্ত কৰ্মচাৰী হিচাপে নিযুক্তি পায়। নিয়তিৰ পৰিহাস, চৰকাৰী চাকৰিৰ এবছৰ পূৰ্ণ নৌহওঁতেই দুৰাৰোগ্য ৰোগত ভুগি ১৪/১/২০০৯ তাৰিখে পৰলোকগামী হয়। তেখেতৰ আত্মাৰ সদ্‌গতি কামনা কৰিলোঁ।

ববিতা শৰ্মা, মুৰব্বী অধ্যাপিকা, শিক্ষা বিভাগ



## অৱসৰপ্ৰাপ্ত অধ্যাপক শৰৎ চন্দ্ৰ শৰ্মা

ইং ১৯৪১ চনৰ ৩১ আগষ্টত ৰইনাকুছি মৌজাৰ ব্যাসপাৰা গাঁৱত শৰৎ চন্দ্ৰ শৰ্মাদেৱে জন্মগ্ৰহণ কৰে। তেওঁ ইং ১৯৬৯ চনৰ ১ ছেপ্টেম্বৰত মঙলদৈ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ প্ৰৱক্তা হিচাপে যোগদান কৰে। সুদীৰ্ঘ ৩২ বছৰ ৪ মাহ উক্ত বিভাগত অধ্যাপনা কৰি ইং ২০০১ চনৰ ৩১ আগষ্টত তেওঁ বিভাগীয় মুৰব্বী পদত থাকি অৱসৰ গ্ৰহণ কৰে। যোৱা ইং ৫/৭/০৯ তাৰিখে তেখেত পৰলোকগামী হয়। তেখেতৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ।

আলোচনী সম্পাদনা সমিতি

Dr. Goswami worked as Head of the department of Modern Indian Languages and Literacy studies in Delhi University. She has written several short stories and more than twenty novels. Her short stories and novels were translated into several Indian Languages including English. Her novels are prescribed as text books in several Indian Univerties including Univercities abroad. Dr. Goswami has won many National and International Awards, which includes International Prince Claus Award in recognition of her exceptional achievement in the field of culture and development, Jnanpith Award, Sahitya Akademy Award, Bharat Nirman Award, K. K. Foundation National Award, International Tulsi Award, Bankim Chandra Gold Plague from Asiatic Society, Calcuttal, Sati Jaymati Award from Ahom Const. etc. She has awarded Ambassador for Peace Award from Inter Religious and International Federation for World Peace Korea, and she also honoured by Bombay University. She was conferred D. Litt. Degree from Rabindra Bharati University of Calcutta, Indira Gandhi National University of Delhi and Rajiv Gandhi University of Arunachal. Now she runs an Institute founded by herself named as South East Asian Research Institute at Guwahati.


**'RAMANJALI'**
House No. 23
Uma Kanta Goswami Enclace
Gandhi Basti
North Sarania, Bylane - 6
Guwahati-781003
Ph.: 0361 - 2664266
0361 - 2668314
99547 - 11080




## PROF. INDIRA GOSWAMI, M.A., Ph. D.
## (MAMONI RAISOM GOSWAMI)

— শুভেচ্ছা বাণী —

এইবছৰৰ মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীখনলৈ মই মোৰ হিয়া ভৰা শুভেচ্ছা জনালো।

মোৰ দৃঢ় বিশ্বাস এই আলোচনীখনে সকলোকে আকৰ্ষণ কৰিব পাৰিব।

মঙলদৈ অঞ্চলৰ অনেক কথা আমি নিশ্চয় এই আলোচনীত পঢ়িবলৈ পাম।

মই এই আলোচনীখনৰ দীৰ্ঘ জীৱন কামনা কৰিলো।

মামণি ৰয়ছম গোস্বামী
16.7.07

# সূচীপত্ৰ

## প্ৰবন্ধ


* সাম্প্ৰতিক অসমীয়া কবিতাত সাৰ্থক সৃষ্টি হেম বৰুৱাৰ 'মমতাৰ চিঠি': এক অৱলোকন/জয়ন্ত ডেকা/১১
* অসমৰ গ্ৰামাঞ্চলত শিক্ষানুষ্ঠানৰ সমস্যা আৰু সমাধান/মৃদুল কলিতা/১৩
* জনজাতি সমাজত দেৱী পূজাৰ পৰম্পৰা/প্ৰিয়দা ডেকা/১৫
* অসমীয়া লোক বিশ্বাসত তামোল-পাণ/ৰাকেশ শৰ্মা/১৮
* ৰূপহী চৰাই ম'ৰা/লভিতা দেৱী/১৯
* সন্ত্ৰাসবাদ ঃ এক বিশ্বজনীন সমস্যা/ৰীতামণি শৰ্মা/২১
* অসমত সংঘটিত হোৱা কেইটামান বিদ্ৰোহ/হিৰণ্য কুমাৰ বৰদলৈ/২৩
* বিজ্ঞান জগতলৈ ভাৰতবৰ্ষৰ অৱদান ঃ প্ৰাচীন কেইগৰাকীমান বিজ্ঞানী/দেৱ কুমাৰ বড়া/২৫
* ৰাষ্ট্ৰীয় শিক্ষাৰ্থী আৰু চিত্ৰকূটত মই/হিমাক্ষী ডেকা/২৬
* 'নাক' (NAAC) আৰু উচ্চ শিক্ষানুষ্ঠানৰ মূল্যায়ন/মতিৰাম মেধি/২৮
* বিজ্ঞান শিক্ষাৰ প্ৰসাৰ আৰু সমস্যা/শচীন চহৰীয়া/৩১
* সংস্কৃত সাহিত্যত নীতিশিক্ষা/গগেন কাকতি/৩৩
* ভাৰতবৰ্ষৰ এগৰাকী মনীষী ঃ স্বামী বিবেকানন্দ/ভূপেন হালৈ/৩৪
* অসমীয়া ভাষাত আৰবী, উৰ্দ্দু আৰু পাৰ্চী শব্দৰ পয়োভৰ/এম. আবুল কাচিম/৩৭
* সপ্তম শতিকাৰ দৰঙৰ ইতিহাস ঃ জলজলীৰ ভগ্নাৱশেষ/ডক্টৰ নগেন্দ্ৰ নাথ শৰ্মা/৩৯
* শিক্ষাৰ বিভিন্ন পৰ্যায়ত ব্যক্তিগত বিদ্যালয়ৰ ভূমিকা - এটি আলোকপাত/ডক্টৰ হৰিশ চন্দ্ৰ ডেকা/৪১
* অসমীয়া ৰোমাণ্টিক কবিতাত সাহিত্যিক মালিতা/ ডক্টৰ কনক চন্দ্ৰ চহৰীয়া/৪৩
* ২০০৭-০৮ বৰ্ষৰ বাৰ্ষিক প্ৰকাশ 'মঙলদৈ মহাবিদ্যালয় আলোচনী'ৰ এক সমালোচনাত্মক আলোচনা/চন্দ্ৰ চহৰীয়া/১১২


## গল্প


* বিষাদে আৱৰা হৃদয়/সীমান্ত কলিতা/৪৯
* তোমাৰ ওঁঠত ৰূপালী জোনাকৰ পোহৰ/আৰেশ শৰ্মা/৫১
* অব্যক্ত হিয়াৰ উচুপনি/নিকুমণি ডেকা/৫৩
* ব'হাগৰ সেই দিনটো/নলিনীকান্ত ডেকা/৫৬
* মৰীচিকা/গীতাঞ্জলি দেৱী/৫৯
* শেষ সিদ্ধান্ত/ডেইজী শৰ্মা/৬০
* নিসংগতাৰ প্ৰান্তত হাঁহিৰ বিৰঙণি/ফুলমণি কলিতা/৬২
* হোটেল বয়/পাপৰি কৌশিক/৬৪
* অপৰিচিত হৃদয়ৰ ক্ৰন্দন/ধ্ৰুৱজ্যোতি বৰদলৈ/৬৬
* নিয়তিৰ পৰিহাস/বৰ্ণালী ডেকা/৬৭
* হৃদয় বাগিচাত মৰমৰ আপদাল/জোনালী দেৱী/৬৯
* নৈনৰ সিপাৰে/মুন্না ডেকা/৭০
* হৃদয়ৰ বেদনা/তৃষ্ণা হাজৰিকা/৭৩
* বাৰিষাৰ এৰাতি/দীপজ্যোতি শৰ্মা/৭৪
* আনন্দৰ বৰষুণ/মিছ হাফিজা বেগম/৭৫
* অচিনাকি বন্ধু/হিমাদ্ৰী ডেকা/৭৬
* I-COLLEGE (আই কলেজ)/নৱনীতা শৰ্মা/৭৮


## নীলা খামৰ চিঠি


* বিষয় ঃ প্ৰেমৰ প্ৰস্তাৱ/দিগন্ত শৰ্মা/৮০
* এখন অনুভৱী হৃদয়ৰ পৰা/ডেইজী চহৰীয়া/৮০


## কবিতা


* মহাবিদ্যালয় সংগীত/৮৩
* বিজয়া বড়া/৮৩
* কুমুদ শৰ্মা/৮৪
* বিপ্লৱ গোহাঁই/৮৪
* গীতালী শৰ্মা/৮৫
* বন্দনা শৰ্মা/৮৫
* জোনমণি ডেকা/৮৬
* পম্পী শৰ্মা/৮৬
* জাহ্নৱী ভৰদ্বাজ/৮৭
* নমিতা শইকীয়া/৮৭
* ৰশ্মি মহন্ত/৮৮
* ৰেখা দেৱী/৮৮
* মঃ মোচাহিদ ৰেজা/৮৮
* যুগল কুমাৰ/৮৯
* পিনাকী শাণ্ডিল্য/৮৯
* দিশান্ত ৰাজবংশী/৯০
* প্লাৱন চেতিয়া/৯০
* অৰ্পণা ডেকা/৯০
* সংগীতা বৰুৱা/৯১
* দিপালী কলিতা/৯১
* ৰঞ্জনজ্যোতি শৰ্মা/৯২
* ধনদা ডেকা/৯২
* সংগীতা শৰ্মা/৯৩
* পম্পীমণি ডেকা/৯৩
* বনশ্ৰী শৰ্মা/৯৪
* সীমান্ত ডেকা/৯৪
* দীপান্বিতা শৰ্মা/৯৫
* বৰ্ণালী শৰ্মা/৯৫
* কুলদীপ কুমাৰ চহৰীয়া/৯৬
* হিমাংশু শৰ্মা/৯৬
* ৰাহুল কুমাৰ ডেকা/৯৭
* অপূৰ্ব কলিতা/৯৭
* ভাৰ্গৱ কুমাৰ বৰুৱা/৯৮
* ভৱিতা শৰ্মা/৯৮
* শংকৰ ডেকা/৯৯
* মিছ হাফিজা বেগম/৯৯
* জয়ন্ত কুমাৰ ডেকা/১০০
* নাজিয়া চুলতানা/১০০


## *English Section*


* The Conflict of Cultures in Jhumpa Lahiri's Namesake: An Appraisal/Dr. Runjun Devi/103
* Disasters and role of community in its risk reduction/ Dr. Leena Saikia/105
* Mysterious Bermuda/Bankim Baruah/107
* Time Management – A way to success/Swapnil Kalita/108
* Global Economic Crisis: A Brief Analysis/Sri Hemanta Baruah/109
* A smile costs nothing/Mrinal Kalita/111
* A dream of Love/Md. Sabbin Ali/111

* সম্পাদকীয় প্ৰতিবেদনসমূহ/১১৩-১১৮




শ্ৰীবিচিত্ৰ কুমাৰ মেধি, অধ্যক্ষ *(ভাৰপ্ৰাপ্ত)*

## অধ্যক্ষৰ আসনৰ পৰা —

মহাবিদ্যালয়ৰ আলোচনীখন শিক্ষানুষ্ঠানৰ দাপোণস্বৰূপ। ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক চিন্তা, সমাজৰ প্ৰতি তেওঁলোকৰ দায়বদ্ধতা-সচেতনতা আলোচনীখনত প্ৰবন্ধ-পাতিৰ জৰিয়তে প্ৰকাশ পায়।

বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ অভাৱনীয় উন্নতিয়ে যি সময়ত পৃথিৱীৰ পৰা ক্ষুধা-হিংসা-কপটতা নাইকিয়া কৰি মানৱজাতিৰ মঙ্গল সাধন কৰিব লাগিছিল সেই সময়তে ভাষা-ধৰ্ম-সম্প্ৰদায়ৰ নামত যুদ্ধ-হত্যা-লুণ্ঠনৰ নিৰ্লজ্জ প্ৰতিযোগিতাই মানৱ সভ্যতালৈকে সংকট আনিছে। সম্পদ আহৰণৰ নামত বিনন্দীয়া ধৰাখনক তিলতিলকৈ মৃত্যুৰ মুখলৈ ঠেলি দিছে এচাম স্বাৰ্থান্বেষী মানুহেই। বিজ্ঞান-প্ৰযুক্তিবিদ্যাই সমাজলৈ অনা দ্ৰুতগতিৰ পৰিৱৰ্তনৰ মাজতে আজিৰ নতুন চাম যুৱক-যুৱতীৰ বহুতেই দিশহাৰা হৈ পৰিছে।

সুখৰ কথা, ধন-ক্ষমতা-প্ৰতিহিংসাৰ ৰাগীয়ে মতলীয়া কৰা এই লোকসকলৰ কু-চিন্তাৰ প্ৰভাৱৰ পৰা আজিও সৰহ সংখ্যক যুৱক-যুৱতী সৎ চিন্তা, সৎ কৰ্মৰ প্ৰতি শ্ৰদ্ধাশীল। এইসকল উদ্যমী, উৎসাহী যুৱক-যুৱতীয়েই ভাৰতবৰ্ষৰ পাঁচ হেজাৰ বছৰীয়া প্ৰাচীন সভ্যতা-সংস্কৃতিক জীয়াই ৰাখিবলৈ সংকল্পবদ্ধ। তেনে উদ্যমী, সৎ, সমাজৰ প্ৰতি দায়বদ্ধ ছাত্ৰ-ছাত্ৰীৰ লিখনিৰেই মঙলদৈ মহাবিদ্যালয়ৰ দৰে ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানৰ আলোচনীখন প্ৰকাশ পাইছে। ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক চেতনাই সমাজৰ সকলো শ্ৰেণীৰ লোকলৈ আশাৰ পোহৰ বিলাওক— তাকেই কামনা কৰিছো।

বিচিত্ৰ কুমাৰ মেধি



# সম্পাদকীয়

**মনত** কিবা এটা কৰি দেখুওৱাৰ হেঁপাহ থকা বাবে সকলোৰে আশিস শিৰত লৈ আলোচনী সম্পাদনাৰ দায়িত্ব ল'লো। ছাত্ৰ-ছাত্ৰীসকলে মনত সৃষ্টি হোৱা ভাবনাবোৰক গল্প, প্ৰবন্ধ, কবিতা আদি ৰূপ দিছে আৰু সেইবোৰকে আলোচনীৰ পাতত খোদিত কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক উৎকৰ্ষ সাধনৰ বাবে ই নিশ্চয় অলপ হ'লেও সহায় কৰিব।

আজিৰ এই সমাজখনক আগবঢ়াই নিবলৈ ধৰিছে বিজ্ঞানৰ ন-ন উদ্ভাৱনে। বিশ্বৰ সকলোতে বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ জয়যাত্ৰা। কিন্তু ক্ৰমান্বয়ে আমি যেন হেৰুৱাই আহিছো কিবা এটা কৰাৰ মানসিকতা। এতিয়া সময়ৰ নাটনি; কিবা লিখিবলৈ, পঢ়িবলৈ। এতিয়া যেন মানুহ যন্ত্ৰৰ ক্ষুদ্ৰ সংস্কৰণৰ দৰে হৈ পৰিছে। পৃথিৱীৰ প্ৰাণীজগতৰ ভিতৰত অকল মানৱ জাতিৰহে সাহিত্যৰ সৃষ্টি আৰু সাধনা আছে। সেয়েহে সাহিত্যৰ প্ৰাসংগিকতাৰ লগত সম্পৰ্ক ৰক্ষা কৰি পণ্ডিত ভৰ্ত্তৃহৰিয়ে আগতেই কৈ গৈছে যে— *সাহিত্য, সঙ্গীত, কলাবিহীন সাক্ষাৎপশুঃ* ... (সাহিত্য, সংগীত, কলাবিহীন লোকসকল পশুৰ নিচিনা)।

সাহিত্যৰ লক্ষ্য হ'ল অনুসন্ধান। এই মহৎ উদ্দেশ্য আগত ৰাখি সৃষ্টি হোৱা কৰ্মই হয়গৈ ৰসোত্তীৰ্ণ, কালোত্তীৰ্ণ। মানৱতাৰ পবিত্ৰ ভূমিত কৰ্ষিত হোৱা সাৰ্বজনীন ৰূপ পৰিগ্ৰহণ কৰি মানুহৰ অন্তৰ সাহিত্যই জয় কৰি আছে আৰু নিশ্চয় পিচতো কৰিব।

মহাবিদ্যালয়ৰ আলোচনী সম্পাদক হিচাপে মোক নিৰ্বাচিত কৰা বাবে মই ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত চিৰ কৃতজ্ঞ। আলোচনীখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে সহায় কৰা সকলৰ ওচৰত মই কৃতজ্ঞতা প্ৰকাশ কৰিলো। ইয়াত ৰৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰিছোঁ।

শেষত কবি নৱকান্ত বৰুৱাদেৱৰ ভাষাৰে মোৰ ভাব প্ৰকাশ কৰিলো, আশাকৰো পাঠক সমাজেও একেদৰেই ভাবিব—

*হে পৃথিৱী, ভালপাওঁ তোমাক সঁচায়ে*
*তাৰ বেছি একো নাই,*
*সন্দেহৰ বহু মেঘ পাৰ হৈ দুখৰ নিশাত*
*আজি মই এটি কথা কওঁ*
*সহজ-সৰল সঁচা*
*ভালপাওঁ তোমাক পৃথিৱী।।*

**ৰঞ্জনজ্যোতি শৰ্মা**
আলোচনী সম্পাদক (২০০৮-০৯ বৰ্ষ)
মঙলদৈ মহাবিদ্যালয়

# প্ৰাৰম্ভ কথনি

*এটা জাতিয়ে যেতিয়া নিজৰ সামৰ্থ্যৰ ওপৰত বিশ্বাস কৰিব নোৱাৰা অৱস্থা পায়গৈ বা অৱস্থাৰ ফেৰত বিশ্বাস হেৰুৱায়, তেতিয়াই সেই জাতিক লাগে কিছুমান ব্যক্তি— যি সেই জাতিয়ে কৰিব নোৱাৰো বুলি ভবা কামবোৰ কৃতিত্বৰে কৰি দেখুৱাব পাৰে। তেতিয়াহ'লেই সেই জাতিৰ মাজত আত্মবিশ্বাস আৰু আত্মনিৰ্ভৰতা জাগি উঠে, নিজৰ সামৰ্থ্যৰ ওপৰত দকৈ বিশ্বাস জন্মে।*

*—জ্যোতিপ্ৰসাদৰ ৰচনাৱলী, পৃ. ৮৪৭, দ্বিতীয় সংস্কৰণ*

# সাম্প্ৰতিক অসমীয়া কবিতাত সাৰ্থক সৃষ্টি হেম বৰুৱাৰ 'মমতাৰ চিঠি' ঃ এক অৱলোকন

জয়ন্ত ডেকা
স্নাতক দ্বিতীয় বৰ্ষ

অসমীয়া সাহিত্যৰ ভঁৰাল পূৰ্ব ভাৰতীয় ভাষিক সাহিত্যতকৈ এখোপ চৰা। ক'বলৈ গ'লে চৰ্যাপদৰ নিদৰ্শনৰ পৰা বৰ্তমান (একবিংশ শতিকালৈ) চিৰ প্ৰৱাহমান গতিৰে নান্দনিকতাৰ সোঁত বৈ আছে। জাতীয় সাহিত্যৰ ভঁৰাললৈ প্ৰধানতঃ ভিন্ন ৰসৰ সাহিত্যৰ উপাদানে প্ৰভূত বৰঙণি যোগাই আহিছে। সাহিত্য সৃষ্টিৰ অন্তৰালত থকা ভিন্ন উপাদানসমূহৰ ভিতৰত কাব্য সাহিত্যৰ ভাগটো অন্যতম। আমি যদি ইতিহাসৰ পৃষ্ঠা লুটিয়াই চাওঁ তেতিয়াহ'লে দেখিবলৈ পাম যে সাহিত্যৰ আদিতে 'কাব্য' শীৰ্ষক কিছুমান গীত-পদৰ সৃষ্টি হৈছিল। কালক্ৰমত সেইবোৰে লিখিত সাহিত্যৰ ৰূপ পৰিগ্ৰহ কৰি কবিতা বা কাব্যলৈ ৰূপান্তৰিত হৈছিল। যিয়েই নহওক, ক'বলৈ গ'লে সমগ্ৰ ভাৰতীয় সাহিত্যই বেদ-উপনিষদৰ যুগৰ পৰাই বৰ্তমানলৈ বিভিন্ন কাব্য সাহিত্যত নদন-বদন হৈ আছে।

প্ৰসংগক্ৰমে আমাৰ আলোচ্য বিষয়ৰ ওপৰত দৃষ্টি নিক্ষেপ কৰিলে পোন প্ৰথমে আলোচনা কৰিব লাগিব অসমীয়া কবিতাৰ ধাৰাটোৰ ওপৰত। প্ৰাক্ শংকৰী যুগৰ পৰা অসমীয়া কাব্য সাহিত্যত বিভিন্ন কাব্য পুথি ৰচনা হয়। তাৰ পিছত বৈষ্ণৱ আদৰ্শসম্পন্ন কিছুমান কাব্য সৃষ্টি হোৱাৰ লগতে গীত-পদৰো সৃষ্টি হৈছিল সেই সময়ৰ লেখকসকলৰ দ্বাৰা। এই সকলোবোৰ গীত-পদ-কবিতা আছিল ভক্তি মাৰ্গ সম্পন্ন। গতিকে এইবোৰ পুৰণি কাব্য সাহিত্যৰ ধাৰাটোৰ অন্তৰ্ভুক্ত বুলি ক'ব পৰা যায়।

পৰ্যায়ক্ৰমে জোনাকী যুগত অসমীয়া সাহিত্যলৈ যি নৱন্যাসিক ধাৰণা আহিছিল তাৰ প্ৰভাৱ সেই সময়ৰ সকলোবোৰ সাহিত্যৰ বিভাগতে সোমাই পৰিছিল। জোনাকী যুগৰ ৰমন্যাসিক ধাৰণা সৃষ্ট সাহিত্যবোৰ আছিল অসমীয়া সাহিত্যৰ উত্তৰণৰ অন্য এটা গুৰুত্বপূৰ্ণ দিশ। ৰমন্যাসিক ধাৰণা পুষ্ট সাহিত্যত বহু কেইগৰাকীমান নবীন সাহিত্য-সাধকৰ জন্ম হৈছিল। এই ধাৰাটোৰ পিছতে অসমীয়া কাব্য সাহিত্যলৈ আমূল পৰিবৰ্তন অনা অন্য এটি ধাৰা হ'ল সাম্প্ৰতিকতাবাদ। সাম্প্ৰতিক কবিসকলৰ সাহিত্য চেতনা ৰোমান্টিক কবি সকলতকৈ বেলেগ। সাম্প্ৰতিক কবিতাসমূহত বিষয়বস্তু আৰু আংগিকৰ নতুনত্বই এটি নতুন ৰূপ পাইছিল। এই যুগৰ কবিসকলৰ কাব্য চেতনাত প্ৰতিফলিত হৈছিল অবিৰাম প্ৰণয়ৰ হা-হুমুনিয়াহ, অকাল বিচ্ছেদৰ কৰুণ ৰূপ, অন্তৰৰ উচ্ছাসপূৰ্ণ ভাব। সেয়েহে ৰোমান্টিকতাৰ চিত্ৰখন বাদ দি এখন বাস্তৱ চিত্ৰ কবিতাসমূহৰ মাজেৰে প্ৰকাশ কৰিছিল। এই যুগৰ কবিসকলৰ অন্তৰত উপলব্ধ কিছুমান চিৰন্তন সত্য কথা, নিষ্ঠুৰ বাস্তৱৰ কঠিন সমস্যাসমূহৰ লগতে নগ্ন সত্যসমূহেও স্থান পাইছিল। ৰোমান্টিক কবিসকলৰ দৰে পলায়নবাদী মনোভাৱ গ্ৰহণ নকৰি এই যুগৰ কবিসকলে বিশেষকৈ মাৰ্ক্সীয় আৰু ফ্ৰয়েডীয় মনস্তত্বৰ দ্বাৰা আকৃষ্ট হৈ কাব্য চৰ্চা কৰিছিল। সাম্প্ৰতিক যুগৰ কবিতাসমূহৰ অৰ্থব্যঞ্জনা বঢ়াই তুলিছে— মুক্তক ছন্দ আৰু স্পন্দিত গদ্যৰ প্ৰয়োগ, চিত্ৰকল্পৰ প্ৰয়োগ আৰু প্ৰতীক আৰু ব্যঞ্জনাসমৃদ্ধ ভাষাই। অনন্য লক্ষণ ৰীতিৰে সমৃদ্ধ সাম্প্ৰতিক কবিতাসমূহক কবিয়ে অনুপম বৰ্ণনাৰে ৰসোত্তীৰ্ণ কৰিছে।

এই যুগৰ অন্যতম প্ৰভাৱশালী কবি হেম বৰুৱা। একেধাৰে এজন শিক্ষাবিদ, সাহিত্যিক, বিজ্ঞ ৰাজনীতিবিদৰূপে পৰিচিত হেম বৰুৱা সাম্প্ৰতিক যুগৰ এগৰাকী সাৰ্থক কবিৰূপে স্থান দখল কৰিছে। হেম বৰুৱাদেৱৰ অনুপম কাব্য কীৰ্তি হ'ল 'মমতাৰ চিঠি'। 'মমতাৰ চিঠি' শীৰ্ষক কবিতাটোৰ মাজেৰে বোৱাই আনিছে কবি বৰুৱাদেৱৰ কাব্য চেতন মনত প্ৰকাশ পোৱা এখন বাস্তৱ অথচ নিষ্ঠুৰ ছবিৰ চিৰন্তন প্ৰকাশ। কবিয়ে সাৰস্বত সাধনা তথা সমাজৰ প্ৰতি থকা দায়িত্বৰ নজিৰ স্থাপন কৰিছে কবিতাটোৰ মাজেৰে। মাৰ্ক্সীয় ভাব আৰু দৰ্শনে আকৃষ্ট কৰা কবি হেম বৰুৱাৰ কলমৰ খোচনিত ওলাই আহিছিল 'মমতাৰ চিঠি'ৰ দৰে হৃদয় ব্যথাভৰা ভাবৰ চানেকি। কবিতাটোৰ আৰম্ভণিতে কবিয়ে উপস্থাপন কৰা এজৰা পাউণ্ডৰ (Ezra Pound) উদ্ধৃতিটোৱে কবিতাটোক সোণত সুৱগা চৰাইছে—

"If you are coming down through the narrows of the river Kiang
Please let me know beforehand.
And I will come out to meet you
As far as Cho-fu-sa."

–Ezra Pound

এই উদ্ধৃতিৰ চানেকিয়ে কবিতাটোক সাম্প্ৰতিক কবিতাৰ শাৰীলৈ এখোপ উধাই নিছে।

কবিতাটোৰ বিষয়বস্তুলৈ চকু দিলে ক'ব পাৰি যে, এগৰাকী অকাল বৈধব্য যাতনাত ভোগা নাৰীয়ে মৃত স্বামীলৈ চিঠি লিখিছে। চিঠিখনৰ মাজেৰে প্ৰকাশ পাইছে নাৰী মনৰ পুৰুষৰ প্ৰতি থকা অকৃত্ৰিম মৰম, প্ৰেম আৰু দুৰ্বলতা। কবিয়ে নাৰী চৰিত্ৰটোক মমতাৰ ৰূপত অংকিত কৰিছে। মমতাৰ স্বামী বিয়োগৰ পিছত তাইৰ গাভৰু মনৰ বসন্তত সৃষ্টি হোৱা সংঘাত আৰু মানসিক দ্বন্দ্বৰ লগতে স্বামীৰ স'তে অপূৰণ কামনা-বাসনা চৰিতাৰ্থৰ এক অঘোষিত দ্বন্দ্বৰ বৰ্ণনা পোৱা যায়। কবিয়ে ফ্ৰয়েডীয় মনোবৈজ্ঞানিক দৰ্শনৰ প্ৰভাৱ মমতাৰ মাজেৰে প্ৰকাশ কৰিছে। গতিকে মমতাৰ চৰিত্ৰটোৰ মাজত ফ্ৰয়েডীয় মনস্বত্বঃৰ

প্ৰভাৱ সুস্পষ্ট। কবিৰ সমাজৰ প্ৰতি থকা দায়বদ্ধতাৰ কথাও প্ৰতীকি অৰ্থত বৰ্ণিত কৰিছে—

*"সাত বছৰ আগৰ কথাবোৰ তোমাৰ বাৰু মনত আছেনে? আমি যে নতুন জীৱনটোৰ পাতনি মেলিছিলোঁ।"*

মৃত স্বামীক মমতাই চিঠিৰ মাজেৰে প্ৰশ্ন কৰি সুধিছে সাত বছৰ আগৰ যুগ্ম জীৱনৰ পাতনি মেলা কথাবোৰ। মমতাৰ ভাবত প্ৰকাশ পাইছিল এগৰাকী নাৰীৰ স্বামীৰ স'তে কৰা বিভিন্ন কল্পনাৰ চিন্তা। দুয়ো একাত্ম হৈ থকাৰ হাবিয়াসেৰে কৰা মৰমৰ সংসাৰখন কল্পনাৰ সুন্দৰ চিত্ৰণৰ বৰ্ণালী আভা বিচ্ছুৰিত হৈছে মমতাৰ অৱচেতন মানসিক অৱস্থাৰ পৰা।

*"আৰু মই তোমালোকৰ ঘৰলৈ নকৈ আহিবৰ দিনা, আকাশৰ মেঘৰ মোহনাত হালধীয়া জোনটো নাওখন হৈ আমাক যে ৰিঙিয়াই মাতিছিল তৰাৰ দেশলৈ।"*

সাম্প্ৰতিক যুগৰ কবিসকলৰ অন্যতম বৈশিষ্ট্য চিত্ৰকল্পৰ প্ৰয়োগ। সেইদৰে কবিয়ে অৰ্থঘন শব্দ প্ৰাচুৰ্য আৰু চিত্ৰকল্পৰে অংকিত কৰা কবিতাটোত মমতাৰ দ্বাৰা প্ৰকাশ কৰিছে সকলোকেইটা দিশ। সেয়ে মমতাৰ সংসাৰখনৰো ক্ষণস্থায়িত্ব বুজাইছিল চিত্ৰকল্পৰ দ্বাৰাই। মমতাৰ বিয়া হৈ আহিবৰ দিনা দূৰৈৰ নীলিম আকাশত জোনটো হালধীয়া হৈছিল আৰু মেঘৰ মোহনাত নাওখন যেন হৈ দূৰৈৰ দেশলৈ সিহঁতক ৰিঙিয়াই মাতিছিল। এই কথাষাৰৰ দ্বাৰা মমতাৰ সুখৰ সংসাৰখন যে অতি সোনকালে ভাঙিব তাৰ আভাস দিছে। চিত্ৰকল্পৰ প্ৰয়োগে কবিতাটোক অধিক আকৰ্ষণীয় কৰি তুলিছে—

*"তুমি যেন কোনোবা দূৰ*
*বিদেশৰ স্বপ্নাতুৰ আলোকৰ মানুহ। আৰু মই? মই যেন*
*তলসৰা এপাহ শেৱালি।"*

কবিতাটোৰ সাধাৰণ বৰ্ণনাইও চিত্ৰধৰ্মী ৰূপ ধাৰণ কৰাত আবেদনময়ী হৈ পৰিছে। মমতাই স্বামীক দূৰ-দূৰণিৰ সপোন বিচাৰি ফুৰা আলোকৰ মানুহৰূপে প্ৰকাশ কৰিছে আৰু নিজকে এপাহ তলসৰা শেৱালি ৰূপে গণ্য কৰিছে। কবিৰ এই শব্দ প্ৰয়োগৰ মাধুৰ্যই কবিতাটোক অধিকতৰ উচ্চ পৰ্যায়লৈ লৈ গৈছে।

মমতাৰ দেউতাকৰ প্ৰতি থকা শ্ৰদ্ধা আৰু ভক্তি লগতে বিবাহৰ পিছত নতুন ঘৰখনক কেনেকৈ নিজৰ কৰি ল'ব লাগে তাৰ উপদেশবোৰ অতি বেদনাদায়ক ৰসেৰে সিক্ত কৰিছে—

*"তোমাৰ জানো এইবোৰ কথা মনত নাই?*
*আমাৰ দেউতাই যে চিঠিত লিখিছিল ঃ আই, তই নতুন*
*ঘৰখনত হাঁহি-মাতি থাকিবি।"*

এই কথাবোৰে মমতাৰ হৃদয়খনক এতিয়া বৰকৈ আমনি কৰিছে। তাইৰ অতীত আৰু বৰ্তমানৰ সকলো মনত পৰিব ধৰিছে। শোকেৰে আৱৰ্তিত অন্তৰ উপলব্ধ কথা কিছুমান নতুনকৈ মমতাই উনুকিয়াইছে। এই ভাবৰ ব্যঞ্জনাই কবিতাটোক অধিক প্ৰাণ চঞ্চলতাৰ উদয় কৰিছে। মমতাৰ উকা বুকুত বৰ্তমানে মাথোন ওপৰ পাৰিত এধানিমান ডালিম গুটি যেন দাঁত গজিব ধৰা বাবুলৰ উপস্থিতি। 'বাবুল'ৰ উপস্থিতিত মমতাৰ ৰিক্ত হৃদয়খন অলপ শাঁত পৰিছে।

সঁচা প্ৰেমৰ প্ৰিয়তমাই প্ৰেমিকক পুনৰ বিচাৰি আশাৰে চাকি জ্বলাই বাট চাই থকাৰ দৰে মমতাইও প্ৰিয়তমক বিচাৰিছে—

*"মোৰে শপত*
*তুমি যিদিনা উলটি আহিবা, মোক আগতীয়াকৈ জনাবা*
*দেই, মই ভোগদৈয়েদি ভটিয়াই গৈ বুঢ়া লুইতৰ*
*বুকুৰ পৰা তোমাক ৰিঙিয়াই মাতিম।"*

অধীৰ আগ্ৰহেৰে প্ৰিয়তমক অনুৰোধ জনাইছে। অন্তৰৰ কাতৰ আহ্বানত তেওঁৰ হৃদয়ৰ লগৰীজন আকৌ ঘূৰি আহে। সেয়ে কৈছে তুমি উলটি আহিবৰ দিনা মোক আগতীয়াকৈ জনাবা। ইয়াৰ পৰাই বুজা যায় যে এগৰাকী সঁচা প্ৰাণৰ নাৰীৰ মনত সৃষ্টি হোৱা প্ৰেম সিক্ততাৰ করুণ আবেদন।

অকালতে বৈধব্য যাতনাক বুকুত সাৱটি নিসংগতাৰে ভাৰাক্ৰান্ত হোৱা মমতাৰ বুকুত যেন স্বামী হীনতাৰ জুইকুৰা দপদপকৈ জ্বলি উঠিছে তাক এনেদৰে কবিয়ে প্ৰতীকি অৰ্থত বৰ্ণনা কৰিছে—

*"পুনঃ এইবাৰ বুজিছা, মাঘৰ বিহুৰ মেজিৰ জুইকুৰা বৰ ৰঙাকৈ জ্বলিছিল। আমাৰ আইতাৰ ক'লী ছাগলীজনীৰ দুটা পোৱালি জাগিছে। এটা শুধ বগা আৰু আনটো পখৰা।"*

মমতাৰ প্ৰাত্যহিক জীৱনৰ হৃদয়ৰ জুইকুৰাক মাঘৰ বিহুৰ মেজিৰ জুইকুৰাৰ লগত তুলনা কৰিছে। আনহাতে আইতাৰ ক'লী ছাগলীজনীৰ দুটা পোৱালি 'জগা'ৰ কথাষাৰে নিৰাশাৰ মাজতো মমতাৰ জীৱনলৈ অহা 'বাবুল'ৰ উপস্থিতিৰ কথাৰে আশাৰ সঞ্চাৰ কৰিছে।

মমতাৰ হৃদয়ত মৃত স্বামীৰ স্মৃতিয়ে তাইক বাৰে বাৰে অৱশ কৰি তোলা চিত্ৰই অনুভূতিপ্ৰৱণ পাঠকক ভাবিবলৈ বাধ্য কৰে। কবিতাটোৰ মাজে মাজে কিছুমান জটিল আংগিকৰ প্ৰয়োগেও কবিতাটোক অধিক সুষমা দান কৰিছে। মুঠৰ ওপৰত ক'বলৈ গ'লে মমতা নামাংকৃত চৰিত্ৰটোৰ মাজেৰে এগৰাকী নাৰীৰ স্বামী হেৰুওৱা বেদনা বিধুৰ যন্ত্ৰণা কাতৰ চিত্ৰ এখনৰ সম্যক প্ৰতিফলন কবিতাটোৰ মাজেৰে প্ৰকাশ পাইছে।

সাম্প্ৰতিক অসমীয়া কাব্য সাহিত্যৰ আটাইকেইটা লক্ষণৰ পৰিপুষ্ঠতাৰে কবিতাটোক সাৰ্থক কৰি তুলিছে। নিঃসন্দেহে হেম বৰুৱাৰ দ্বাৰা ৰচিত 'মমতাৰ চিঠি' শীৰ্ষক কবিতাটো সাৰ্থক সাম্প্ৰতিক কবিতা। কবিতাটোৰ মাজেৰে মমতাৰূপী নাৰীগৰাকীৰ স্বামীৰ মৃত্যুৱে অত্যন্ত বেদনা দিছে। মাত্ৰ সাত বছৰ আগতে বহুতো সপোন বুকুত বান্ধি সংসাৰ বৈতৰণীত নাও মেলা মমতাই জীৱনটোত সুখৰ ৰেখা দেখাই নাপালে। প্ৰিয়তমৰ সৈতে যুগ্ম জীৱনৰ পাতনি মেলাৰ পিছতেই তাইৰ জীৱনত বহু ঘটনাই ঘটিল।

কবি হেম বৰুৱাদেৱে সাম্প্ৰতিক কবিতাৰ আটাইকেইটা দিশ মমতাৰ মাজেৰে প্ৰকাশ কৰি কবিতাটোক অন্য এটা ৰূপ দিছে। আলোচনা চমুৱাই ক'ব পাৰো যে অসমীয়া কাব্য সাহিত্যৰ জগতত হেম বৰুৱাৰ 'মমতাৰ চিঠি' শীৰ্ষক কবিতাটি অন্যতম শ্ৰেষ্ঠ সাম্প্ৰতিক কবিতা। ❒

# অসমৰ গ্ৰামাঞ্চলত শিক্ষানুষ্ঠানৰ সমস্যা আৰু সমাধান

মৃদুল কলিতা
স্নাতক দ্বিতীয় বৰ্ষ

শাস্ত্ৰত কৈছে— *"সা বিদ্যায়ো বিমুক্তয়ে।"* ইয়াৰ বহল অৰ্থ হৈছে শিক্ষাই মানুহক সংকীৰ্ণতা তথা বন্ধনৰ পৰা মুক্ত কৰে। শিক্ষা লাভৰ যোগেদি মানুহৰ মনত থকা সংকোচ অসচেতন ভাব আঁতৰ হয়। ইয়াক আমি লাভ কৰিব লাগিলে লাগিব সকলো শ্ৰেণীৰ লোকৰ সহযোগিতা। প্ৰাচীন কালৰপৰাই জনশিক্ষাৰ বাবে বিভিন্ন প্ৰচেষ্টা চলি আহিছে। আদিতে শিক্ষাৰ ক্ষেত্ৰসমূহ যদিও গ্ৰামাঞ্চলত গঢ় লৈ উঠিছিল ১৮০০ শতিকাৰ পৰাহে চহৰ অঞ্চলত গঢ় লৈ উঠা বুলি ক'ব পাৰি। গ্ৰামাঞ্চলৰ শিক্ষা ব্যৱস্থাই সদায়ে বিভিন্ন সমস্যাৰ সন্মুখীন হৈ আহিছে। আমি তাৰ এটা উদাহৰণ দাঙি ধৰিব পাৰো। ব্যাকৰণবিদ পাণিনিয়ে ছাত্ৰ-ছাত্ৰীক 'ব্যাঘ্ৰ'ৰ ব্যাকৰণিক ব্যাখ্যা দি থাকোঁতে বনৰীয়া বাঘে দাঙি লৈ গৈছিল। এয়া মাথোঁ বিভিন্ন সমস্যাৰ এটি।

স্বাধীনোত্তৰ কালত ভাৰতৰ সংবিধানত ৪৫ অনুসূচীত শিক্ষাক সংশ্লিষ্ট কৰি শিক্ষাৰ প্ৰতি বিভিন্ন প্ৰচেষ্টা হাতত লোৱা পৰিলক্ষিত হয় যদিও গ্ৰামাঞ্চলৰ শিক্ষানুষ্ঠানৰ আজিও উন্নতি হোৱা পৰিলক্ষিত নহয়। শিক্ষাৰ প্ৰথম ঢাপ হৈছে প্ৰাথমিক বিদ্যালয়। আমাৰ দেশৰ গ্ৰামাঞ্চলৰ প্ৰাথমিক বিদ্যালয়ৰ দুখলগা অৱস্থা। প্ৰাদেশিকীকৃত আৰু অ-প্ৰাদেশিকীকৃত দুয়ো শ্ৰেণীৰ বিদ্যালয়ৰ কথাকে আমি ইয়াত উল্লেখ কৰিব লাগিব। কিয়নো দুয়ো শ্ৰেণীৰ বিদ্যালয়ে শিক্ষা প্ৰসাৰৰ কাম কৰি আহিছে। অ-প্ৰাদেশিকীকৃত বিদ্যালয়ত শতকৰা দুখনমানৰহে পকা ঘৰ। আনবোৰৰ বেৰ নাই, কিছুমানৰ বেৰ আছে চাল নাই— এনে ধৰণৰ। প্ৰাদেশিকীকৃত বিদ্যালয়ৰো শতকৰা ২৫ ভাগ মানৰহে পকা ঘৰ আছে। প্ৰাদেশিকীকৃত বিদ্যালয়ৰ ৯৩ শতাংশৰে স্কুলৰ নথি-পত্ৰ ৰখাৰ বাবে আলমাৰি আদি নাই। অ-প্ৰাদেশিকীকৃত বিদ্যালয় ১০০ শতাংশৰে আলমাৰিও নাই আৰু পুথিভঁৰালো নাই। প্ৰাদেশিকীকৃত বিদ্যালয়ৰ ৪০ শতাংশৰে খেল-ধেমালিৰ সঁজুলি নাই আৰু খেলপথাৰো নাই।

আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হৈছে গ্ৰামাঞ্চলত শিক্ষিত মানুহচাম থাকিব নিবিচাৰে। প্ৰায়ে চহৰমুখী হোৱা দেখা যায়। শিক্ষা বিভাগৰ বৰমূৰীয়া বিষয়া আদিও গাঁও অঞ্চলত আহি কাম কৰিব নোখোজে। ইয়াৰ ফলত গাঁও অঞ্চলৰ শিক্ষানুষ্ঠানৰ নিয়মীয়া পৰ্যবেক্ষন, পৰিদৰ্শন আদিৰ অভাৱত বিদ্যালয়ৰ সমস্যা আদি সমস্যা হৈয়ে ৰয়।

এটা কথা আমি মন কৰি আহিছো যে, দেশত চৰকাৰৰ সাল-সলনিৰ লগে লগে শিক্ষা আয়োগৰ মতামত অনুযায়ী শিক্ষা ব্যৱস্থা, পাঠ্যক্ৰম, বিষয় আৰু সময়সূচী আদিৰো পৰিবৰ্তন কৰা দেখা যায়। ছাত্ৰ-ছাত্ৰীসকল যেন গৱেষণাগাৰৰ কেঁচা সামগ্ৰীহে; যাৰ ওপৰত বিভিন্ন ধৰণৰ পৰীক্ষা-নিৰীক্ষা কৰি থকা হৈছে। এনে ধৰণৰ আঁচনিসমূহ গ্ৰামাঞ্চললৈ সম্প্ৰসাৰিত নৌহওঁতেই পুনঃ আঁচনিৰ পৰিবৰ্তন হয় কিম্বা বহুত দেৰিকৈ হয় যাৰ ফলত গ্ৰামাঞ্চলে পাব লগা সুবিধাৰ পৰা বঞ্চিত হয়। উদাহৰণস্বৰূপে ১৯৯৬ চনত ৰাজ্যৰ শিক্ষামন্ত্ৰীসকলৰ অভিবৰ্তনৰ সিদ্ধান্তমতে দেশৰ শিক্ষা ব্যৱস্থাৰ আমূল পৰিবৰ্তনৰ সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰাথমিক শিক্ষাক সহজলভ্য কৰাৰ বাবে ৯৪.৬% জনসংখ্যাক সামৰি প্ৰতি এক কিঃমিঃ ব্যৱধানত একোখনকৈ প্ৰাথমিক বিদ্যালয় স্থাপন আৰু ৮৫.৪% জনসংখ্যাক সামৰি প্ৰতি তিনি কিঃমিঃ ব্যৱধানত মজলীয়া বিদ্যালয় স্থাপনৰ লক্ষ্য লোৱা হৈছিল যদিও গ্ৰামাঞ্চলত বৰ্তমানো বহুতো বিদ্যালয় বিহীন গাঁও পৰিলক্ষিত হয়। তাতোকৈ পৰিতাপৰ কথা বিদ্যালয় বিহীন গাঁও অঞ্চলত ৰাইজৰ দ্বাৰা প্ৰতিষ্ঠিত আৰু পৰিচালিত বিদ্যালয়সমূহ চৰকাৰী মঞ্জুৰীৰ অভাৱ হেতু ৰাইজ আৰু শিক্ষকৰ হতাশগ্ৰস্ততাই ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট অনগ্ৰসৰতাই দেখা দিছে। এই বেচৰকাৰী বিদ্যালয়ে ১০ লাখ শিশুক সামৰি লৈছে। এই দহ লাখ শিশুৰ ভাগ্য চৰকাৰৰ অনীহাৰ বলি। এইবোৰ চৰকাৰৰ গাঁও অঞ্চলৰ শিক্ষাৰ প্ৰতি থকা দায়বদ্ধতাৰ নমুনা।

ভাৰতবৰ্ষই প্ৰাথমিক শিক্ষাক সাৰ্বজনীন আৰু বাধ্যতামূলক কৰাৰ সিদ্ধান্তৰে সংবিধানৰ ৪৫ নং অনুসূচীৰ ৮৬ তম সংশোধনী যোগে শিক্ষাক মৌলিক অধিকাৰৰূপে সন্নিৱিষ্ট কৰিছে। দেশত সকলো শ্ৰেণীৰ লোকৰে ৬-১৪ বছৰৰ ল'ৰা-ছোৱালীক বাধ্যতামূলক আৰু বিনামূলীয়া পাঠদানৰ ব্যৱস্থাকৰণৰ লক্ষ্য হৈছে। কাৰ্যতঃ ইয়াৰ প্ৰয়োগ গ্ৰামাঞ্চলত কিমান সুদূৰপ্ৰসাৰী হ'ব সেইটোহে লক্ষ্য কৰিবলগীয়া হ'ব। ইয়াৰ উপৰিও ২০০০ চনৰ এপ্ৰিলত অনুষ্ঠিত World Education Forum ৰ অধিৱেশনত ১৮১ খন দেশৰ লগতে ভাৰতৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰী ডক্টৰ মুৰুলী মনোহৰ যোশী ডাঙৰীয়াই পুনঃ বুনিয়াদী শিক্ষাৰ পোষকতা কৰিছে।

গ্ৰামাঞ্চলৰ শিক্ষাৰ সমস্যা অকল যে ভাৰতবৰ্ষৰে আছে তেনে হয়। সমগ্ৰ বিশ্বৰে ক্ৰমোন্নয়নশীল আৰু অনুন্নত দেশসমূহৰে প্ৰধান সমস্যাৰূপে পৰিগণিত হৈ আহিছে। এই সমস্যাসমূহৰ আলোচনা বিভিন্ন ৰাষ্ট্ৰই UNESCO ৰ মজিয়াত কৰাৰ বাহিৰেও অন্যান্য শিক্ষা সংগঠনৰ যোগেদি বিভিন্ন পদক্ষেপ আদি লৈ আহিছে। ইয়াৰ আন এটা উদাহৰণ ১৯৯০ চনত থাইলেণ্ডত অনুষ্ঠিত হোৱা EFA (ইফা)ৰ সিদ্ধান্তমতে সকলোৰে বাবে শিক্ষা (Education for all) ৰ নিচিনা অভিলাসী ব্যৱস্থা প্ৰৱৰ্তনৰ সিদ্ধান্ত গ্ৰহণ কৰে।

গ্ৰামাঞ্চলৰ শিক্ষা অনুষ্ঠানৰ সকলোবোৰ দিশ ফঁহিয়াই চাই তলত উল্লেখ কৰা সমস্যাৰ কথা উনুকিয়াব পাৰি।

(১) ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক আৰু স্বাস্থ্যজনিত ঃ

(ক) শাৰীৰিক অসুস্থতা (খ) পৰিপুষ্টিৰ অভাৱ (গ) মানসিক অস্থিৰতা আৰু হীনমন্যতা (ঘ) ঘৰুৱা সংসাৰত কৰিবলগা শ্ৰম।

চহৰ অঞ্চলৰ তুলনাত গাঁও অঞ্চল সকলো দিশতে পিছপৰা।

চিকিৎসালয় আদিৰ অভাৱ। কোনো ঠাইত চিকিৎসালয় থাকিলেও ডাক্তৰ আৰু ঔষধ নাই। এনে পৰিস্থিতিত ছাত্ৰ-ছাত্ৰী তথা অভিভাৱক আদি ৰুগ্ন স্বাস্থ্যৰ হোৱাটো স্বাভাৱিক। ৰুগ্ন স্বাস্থ্যই ছাত্ৰ-ছাত্ৰীক শিক্ষা গ্ৰহণত বাধাৰ প্ৰাচীৰৰূপে থিয় দিয়া পৰিলক্ষিত হয়। এনে ক্ষেত্ৰত পুষ্টিহীনতা আদিৰ ফলত শিশুসকল হীনমন্যতাত ভোগা দেখা যায়। সেয়ে শিক্ষাৰ ক্ষেত্ৰত বাধাৰ প্ৰাচীৰ ৰূপে থিয় দিয়ে।

**(২) সামাজিক আৰু সাংস্কৃতিক পৰিৱেশৰ সমস্যা ঃ**

(ক) পুৰণি বদ্ধমূল ধাৰণা আৰু অন্ধবিশ্বাস (খ) শিক্ষাৰ প্ৰতি থাকিবলগা দৃষ্টিভংগীৰ অভাৱ (গ) পৰনিৰ্ভৰশীলতা (ঘ) সামাজিক সচেতনতাৰ অভাৱ (ঙ) শিক্ষাৰ ক্ষেত্ৰত থাকিবলগীয়া সামাজিক পৰিৱেশৰ অভাৱ।

প্ৰায়বোৰ গাঁৱতে সামাজিক আৰু সাংস্কৃতিক পৰিৱেশৰ অভাৱ পৰিলক্ষিত হয়। কিছুমান অঞ্চলত এতিয়াও পৌৰাণিক ৰীতি বা সংস্কাৰক খামোচি থকা দেখা যায় যিটো শিক্ষাৰ পৰিপন্থী। শিক্ষা গ্ৰহণৰ আৱশ্যকতা আদিৰ প্ৰতি সচেতন হোৱাও দেখা নাযায়। তাৰোপৰি গাঁৱত বাস কৰা অধিকাংশ লোকেই গাঁৱতে এক শ্ৰেণীৰ লোকৰ ওপৰত নিৰ্ভৰ কৰি চলিব লাগে যাৰ ফলত সেই ব্যক্তিৰ মতে চলিবলগা হয়। ইয়ে কেতিয়াবা বাধাৰ প্ৰাচীৰ ৰূপে থিয় দিয়ে। একো একোটা অঞ্চলৰ শিক্ষাৰ পৰিৱেশৰ অভাৱ।

**(৩) মনস্তাত্ত্বিক কাৰণ ঃ**

(ক) মূল্যবোধৰ অভাৱ (খ) আত্মীয়তা বৃদ্ধিৰ আগ্ৰহৰ অভাৱ (গ) মানসিক উৎকণ্ঠা আৰু আত্মবিশ্বাসৰ অভাৱ।

একোটা অঞ্চলৰ লোকে শিক্ষা গ্ৰহণ কৰাতকৈ তেওঁলোকৰ ল'ৰা-ছোৱালী ঘৰুৱা কাম-কাজত পৈণত হোৱা বা উপাৰ্জনমুখী কামত নিয়োগ কৰাটোহে বিচাৰে। শিক্ষাৰ প্ৰতি মূল্যবোধৰ অভাৱ শিক্ষা গ্ৰহণৰ পৰা যে ভৱিষ্যতে কিবা উপকাৰ হ'ব এই আত্মবিশ্বাসৰ অভাৱ আদি গ্ৰামাঞ্চলৰ শিক্ষাৰ ক্ষেত্ৰত বাধাৰূপে পৰিগণিত হৈ আহিছে।

**(৪) প্ৰাসংগিক কাৰণ ঃ**

(ক) খাদ্য আৰু পুষ্টিৰ অভাৱ (খ) পৰিয়ালৰ পৰা পাব লগা সহযোগিতাৰ অভাৱ (গ) জীৱিকাৰ বাবে হ'ব লগা ব্যস্ততা (ঘ) মাদক দ্ৰব্য আদিৰ প্ৰচলন (ঙ) প্ৰতিকূল বতৰ। কেতিয়াবা কেতিয়াবা গ্ৰামাঞ্চলত হঠাৎ উদ্ভৱ হোৱা সাময়িক কাৰণত শিক্ষাৰ ক্ষেত্ৰত বাধাৰূপে থিয় দিয়ে। সাময়িকভাৱে সৃষ্টি হোৱা খাদ্য বা পুষ্টিৰ অভাৱ, সেই সময়ত ছাত্ৰ-ছাত্ৰীয়ে পৰিয়ালৰ পৰা পোৱা অসহযোগিতা অথবা জীৱিকাৰ বাবে ছাত্ৰ-ছাত্ৰীসকল নিয়োজিত হ'ব লগা ব্যস্ততাই সাময়িকভাৱে তেওঁলোকক শিক্ষাৰ পৰা আঁতৰাই আনে। একোটা অঞ্চল মাদক দ্ৰব্য অধ্যুষিত অঞ্চলৰূপে চিহ্নিত হ'লে সেই অঞ্চলত শিক্ষাৰ পৰিৱেশ বিনষ্ট হোৱাটো স্বাভাৱিক। এইবোৰ কাৰণতে গ্ৰামাঞ্চলৰ শিক্ষা বাধাগ্ৰস্ত হয়।

**(৫) শৈক্ষিক পৰিৱেশৰ অভাৱ ঃ**

(ক) পাঠদানৰ সা-সঁজুলিৰ অভাৱ (খ) বিজুলী বাতি আদি আধুনিক সা-সৰঞ্জামৰ অভাৱ (গ) পাঠ্যপুথিৰ অভাৱ (ঘ) উপযুক্ত শিক্ষকৰ অভাৱ (ঙ) পাঠদান ব্যৱস্থা আচহুৱা আৰু মনঃপূত নোহোৱা (চ) শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত স-হৃদয়তাৰ অভাৱ (ছ) পৰ্যবেক্ষণৰ অভাৱ (জ) গ্ৰামাঞ্চলৰ বেয়া পথ যোগাযোগ (ঝ) নতুন কৌশলৰ অভাৱ। গ্ৰামাঞ্চলৰ বিদ্যালয় সমূহৰ সমস্যাৰাজিৰ ভিতৰত আটাইতকৈ ডাঙৰ সমস্যা শৈক্ষিক পৰিৱেশৰ অভাৱৰ বাবে হোৱা সমস্যাসমূহ। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ যুগত গ্ৰামাঞ্চলৰ বিদ্যালয়সমূহে চহৰৰ বিদ্যালয়তকৈ পিছ পৰি থকা পৰিলক্ষিত হয়। অসমৰ প্ৰায়বোৰ গাঁৱতে বিজুলী বাতিৰ অভাৱ। যিকেইখন গাঁৱত বিজুলীবাতি আছে, বেছিভাগ সময় বিজুলী প্ৰবাহ নাথাকে। সেয়ে গাঁও অঞ্চলৰ বিদ্যালয়সমূহত বিজুলী সৰবৰাহ সম্ভৱ নহয়। যাৰ ফলত কম্পিউটাৰ আদি ব্যৱহাৰ কৰিব নোৱাৰি। গাঁও অঞ্চলৰ প্ৰায়বোৰ বিদ্যালয়তে পাঠদানৰ সা-সঁজুলি, বিদ্যালয়ৰ সা-সামগ্ৰী আদিৰ নিয়মীয়া যোগান আদি নাই আৰু পোৱাবোৰৰো বিভাগীয় পৰ্যবেক্ষণ আৰু সংৰক্ষণৰ অভাৱ হেতু বিনষ্ট আৰু অপ প্ৰয়োগ আদি হোৱা দেখা যায়। পাঠদানৰ ক্ষেত্ৰত ছাত্ৰ-শিক্ষকৰ মাজত স-হৃদয়তা আদিৰ অভাৱ দেখা যায়। বিদ্যালয়সমূহত পাঠ দানত নতুন নতুন কৌশলৰ প্ৰয়োগহীনতাই পাঠৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ ৰুচি কমি যোৱা পৰিলক্ষিত হয়। গ্ৰামাঞ্চলৰ পথ যোগাযোগ আদি বেয়া। যাৰ ফলত কৰ্তৃপক্ষই সহজতে ঢুকি নাপায়গৈ। পথৰ দুৰৱস্থাৰ হেতু বহু সময়ত বহু আঁচনি আদি সময়ত নাপায়গৈ।

**(৬) সামগ্ৰিক অসুবিধা ঃ**

(ক) শিক্ষাদানৰ কঠিনতাই অনা নৈৰাশ্যতা (খ) উপযুক্ত শিক্ষকৰ অভাৱ। শিক্ষা ব্যৱস্থাৰ ওপৰত সঘনাই সলনি হৈ থকা নীতি নিৰ্দেশনা আদিৰ প্ৰয়োগৰ ক্ষেত্ৰত গ্ৰামাঞ্চলৰ শিক্ষকসকল উপযুক্ত প্ৰশিক্ষণ আদিৰ পৰা বঞ্চিত হয়। যাৰ ফলত শ্ৰেণীকক্ষৰ কঠিনতাই নৈৰাশ্যতা আনি নিয়ে। পাঠদান প্ৰক্ৰিয়াটো সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে উপযুক্ত শিক্ষকৰ অভাৱ দেখা যায়। কিয়নো ভাল শিক্ষক গ্ৰামাঞ্চলত থাকিব নিবিচাৰে, থাকিলেও বেছিদিন থাকিব নোখোজে।

**সমাধান ঃ**

গাঁও অঞ্চলৰ বিদ্যালয়সমূহ যে সকলো দিশতে পিছপৰা আৰু নানা সমস্যাৰে জৰ্জৰিত তাক নুই কৰিব নোৱাৰি। এই সমস্যাসমূহৰ পৰা হাত সাৰিবলৈ হ'লে সকলো শ্ৰেণীৰ লোকৰে পূৰ্ণ সহযোগিতাৰ দৰকাৰ। প্ৰাচীন শিক্ষা ব্যৱস্থাৰ গুৰু আৰু শিষ্যৰ একাত্মবোধ থকাৰ দৰে বৰ্তমান শিক্ষক-ছাত্ৰৰ মাজত পৰিৱেশ ৰচনা কৰি এক শ্ৰেণীহীন সমাজ গঠনৰ লক্ষ্যত উপনীত হ'ব লাগিব।

চহৰৰ স্কুলৰ দৰে গ্ৰামাঞ্চলৰ স্কুলসমূহলৈ কৰ্তৃপক্ষই গুৰুত্ব আৰোপ কৰিব লাগিব। সকলোবোৰ সা-সুবিধা যেনে— বিজুলী বাতি যোগান আৰু সৰবৰাহ নিয়মীয়া কৰাৰ লগতে আধুনিক শিক্ষাৰ সামগ্ৰী আদি যোগান ধৰিব লাগে। সেইবোৰ ৰক্ষণাবেক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে।

চহৰৰ দৰে গাঁও অঞ্চলৰ শিক্ষানুষ্ঠানৰ ৰাস্তা-পদূলিসমূহ উন্নত কৰিব লাগিব, তেতিয়া হ'লেহে চহৰৰ শিক্ষা বিভাগৰ বৰমূৰীয়া সকলে পৰিদৰ্শন, পৰ্যবেক্ষণ কৰিব আহিব। যান-বাহন আদিৰে শিক্ষাৰ সামগ্ৰী আদি সৰবৰাহ কৰাত সুবিধা হ'ব। পথ সংযোগে সকলোকে বিদ্যালয়ৰ ওচৰ চপাব।

স্কুলৰ সুন্দৰ পৰিৱেশে স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ লগতে জনসাধাৰণকো

আকর্ষিত কৰে। গাঁও অঞ্চলৰ শতকৰা ৯৫ খন বিদ্যালয়ৰে স্কুলৰ পৰিৱেশ নাই। স্কুলঘৰ, খেলপথাৰ, পানী খোৱাৰ ব্যৱস্থা, ছাত্ৰ-ছাত্ৰীসকলৰ মুখ-হাত ধোৱাৰ ব্যৱস্থা, প্ৰস্ৰাৱগাৰ-পায়খানা, গছ-গছনি, ফুলনি আদিৰে পৰিপূৰ্ণ পৰিৱেশ থকাটো দৰকাৰ। তেতিয়া ছাত্ৰ-ছাত্ৰীসকলেও বিদ্যালয়লৈ আহিবলৈ উৎসাহ পাব আৰু অভিভাৱকসকলেও ল'ৰা-ছোৱালীৰ স্কুলীয়া নিৰাপত্তা অনুভৱ কৰিব।

আগতেই উল্লেখ কৰা হৈছে যে বেচৰকাৰী বিদ্যালয়সমূহে শিক্ষাৰ ক্ষেত্ৰত সিংহভাগ দায়িত্ব লৈ আহিছে। কিন্তু এই বেচৰকাৰী বিদ্যালয়সমূহৰ অৱস্থা পুতৌলগা। চৰকাৰীকৰণ আদিৰ ক্ষেত্ৰত দলীয় ৰাজনীতিৰ বলি হৈ একাংশ বিদ্যালয় চৰকাৰীকৰণৰ পৰা বঞ্চিত হয়। ফলত বিদ্যালয়সমূহত হতাশগ্ৰস্ততাই দেখা দিয়ে। চৰকাৰে বিদ্যালয়সমূহ চৰকাৰীকৰণৰ ক্ষেত্ৰত বিদ্যালয়ৰ ফলাফল, জ্যেষ্ঠতা, প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দি চৰকাৰীকৰণ কৰিলে ভাল হয়।

গ্ৰামাঞ্চলৰ শতকৰা ৭০ ভাগ লোকেই দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে। সেয়ে ল'ৰা-ছোৱালীৰ ভৰণ-পোষণতকৈ তেওঁলোকৰ মাজত শিক্ষা ডাঙৰ হ'ব নোৱাৰে। সেয়ে বিদ্যালয়ৰ পৰা ছাত্ৰ-ছাত্ৰীক আধাতে এৰুৱায় নতুবা একেবাৰে নপঠিয়ায়। যদিও চৰকাৰে মধ্যাহ্ন ভোজনৰ নামত চাউলৰ যোগান ধৰিছে, ইও যথেষ্ট নহয়। বিদ্যালয়ত ৰন্ধা-বঢ়া কৰি শিশুসকলক খুওৱাৰ ব্যৱস্থা কৰিলে বেছি ফলদায়ক হ'ব আৰু ইয়াক হাইস্কুল পৰ্যায়তো প্ৰৱৰ্তন কৰিব লাগে। বিদ্যালয়সমূহত দুখীয়া ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সাহায্য পুঁজি আদি গঠন কৰিব লাগিব।

এই সকলোবোৰ প্ৰচেষ্টা ল'লেও যদি দেশৰ সকলো শ্ৰেণীৰ লোকৰে সদিচ্ছা আৰু সততা নাথাকে, আমি কেতিয়াও ইয়াৰ সুফল নাপাওঁ। চৰকাৰে শিক্ষাক মৌলিক অধিকাৰ ৰূপে স্বীকৃতি প্ৰদান কৰিছে। অকল প্ৰাথমিক শিক্ষাৰ ওপৰতে গুৰুত্ব নিদি গোটেই শিক্ষা ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰিলে ভাৰতবৰ্ষ সু-নাগৰিকৰ লগতে এখন সমৃদ্ধিশালী দেশ হিচাপে নিশ্চয় গঢ় ল'ব বুলি আশা ৰাখিছোঁ।❑

# জনজাতি সমাজত দেৱী পূজাৰ পৰম্পৰা

প্ৰিয়দা ডেকা
স্নাতক চূড়ান্ত বৰ্ষ, অসমীয়া বিভাগ

সৃষ্টিৰ আৰম্ভণিৰে পৰা শক্তিৰ প্ৰতীকৰূপে দেৱীক অগ্ৰাধিকাৰ দিয়া হৈছে। পশ্চিম এছিয়া, ইজিপ্ত, ছিৰিয়া, ভাৰতবৰ্ষৰ হিন্দু উপত্যকা আৰু দক্ষিণ পূব ইউৰোপৰ বহু স্থানত দেৱী মূৰ্ত্তিৰ আৱিষ্কাৰে এই ধাৰণাকে দিয়ে। হৰপ্পাত আৱিষ্কৃত ভগ্নাৱশেষৰ মাজত *ছাৰজন মাৰ্ছল* নামৰ পণ্ডিত এজনে পৰম আশ্চৰ্যকৰ এক শিলাখণ্ডৰ কথা লিখি থৈ গৈছে। এই শিলাখণ্ডৰ এফালে এগৰাকী নগ্ন নাৰী মূৰ্ত্তি আছে। মূৰ্ত্তিটোৰ ভৰি দুখন দুয়োফালে মেলি থোৱা আছে আৰু গৰ্ভৰ পৰা এডাল লতা বাহিৰলৈ ওলাই আহিছে। মূৰ্ত্তি থকা শিলাখণ্ডৰ আনটো পিঠিত দুৰ্বোধ্য হৰফেৰে লিখা দেখিবলৈ পোৱা যায়। নাৰীক প্ৰজননৰ প্ৰতীক আৰু আদ্যাশক্তিৰূপে পৃথিৱীৰ বিভিন্ন জাতি-জনজাতিৰ লোকে পূজা-অৰ্চনা কৰি আহিছে।

অসমত আৰ্য ধৰ্ম বিস্তাৰৰ লগে লগে সমসাময়িক আন আৰ্য সংস্কৃতিৰ সৈতে মিশ্ৰিত হৈ এটি সমন্বিত ৰূপত দেৱী পূজাৰ প্ৰচলন হোৱাৰ প্ৰমাণ পোৱা যায়।

*সৰ্বশ্ৰেষ্ঠা যথা বিষ্ণুলক্ষ্মী*
*সৰ্বোত্তমা যথা।*
*দেৱী পূজা তথ্য শস্তা কামৰূপে*
*সুৰালয়ে।।*
*দেৱীক্ষেত্ৰং কামৰূপং বিদ্যতেহনান্ন*
*তৎসমম্।*
*অন্যত্ৰ বিৰলা দেৱী কামৰূপে*
*গৃহে গৃহে।।* *(৫৮/৩৯-৪২ কালিকা পুৰাণ)*

*ফাৰ্কুহাৰ চাহাব*-ৰ মতে সম্ভৱতঃ ষষ্ঠ শতিকাৰ পৰা সপ্তম শতিকাৰ ভিতৰত ভাৰতবৰ্ষত উদ্ভৱ হোৱা শাক্ত ধৰ্মই প্ৰাচীন কামৰূপতো প্ৰৱেশ কৰিছিল। ভাৰতবৰ্ষত থকা ৫১ খন পীঠৰ ভিতৰত কামাখ্যা পীঠক বুকুত লৈ অসম শক্তি পূজাৰ এক দুৰ্গলৈ ৰূপান্তৰিত হৈছিল। *দেৱী ভাগৱত*-ত আছে—

*শ্ৰীমৎ ত্ৰিপুৰা ভৈৰব্যাঃ কামাখ্যা*
*যোনিমণ্ডলম্।*
*ভূমণ্ডলে ক্ষেত্ৰৰত্নং মহামায়াধিৱা*
*সিতম্।।*
*নাতঃ পৰতৰংস্থানং ক্কচি দাস্তি*
*ধৰাতলে।*
*প্ৰতিমামং ভবেদ্দেৱী যত্ৰসাক্ষা*
*দ্ৰজস্বলা।।*
*তত্ৰতা দেৱতাঃ সৰ্বা, পৰ্বতা*
*অকতাং গতাঃ।*
*পৰ্বতেষু বসন্তেৱ মহতো দেৱতা*
*অপি।।*
*তত্ৰতা পৃথিৱী সৰ্বা দেৱীৰূপা*

*স্মৃতি বুধৈঃ।*
*নাতঃ পৰতৰং স্থানং কামাখ্যা*
*যোনী মণ্ডলাৎ।।*

দ্বাদশ শতিকাত কামৰূপত দেৱী পূজাই প্ৰাধান্য লাভ কৰিছিল। নৱম-দশম শতিকাত ৰচিত হৈছিল দেৱী উপাসনাৰ মূল শাস্ত্ৰ *কালিকা পুৰাণ*। *কালিকা পুৰাণ*-ৰ মতে 'সতী'ৰ যোনিমণ্ডল পৰিছিল বাবেই নীলাচল তীৰ্থক্ষেত্ৰ আৰু পুণ্যভূমি—

*কামাখ্যা বৰদে দেৱী নীল পৰ্বতবাসিনী*
*ত্বমদেৱী জগতাংমাত যোনি মুদ্ৰে নমোহস্তুতে।*

অসমৰ জনজাতিসকলৰ মাতৃশক্তি বা আদ্যশক্তিকেই তেওঁলোকৰ উপাসনাৰ দেৱীৰূপে গ্ৰহণ কৰি আহিছে। এই মাতৃশক্তিকেই তেওঁলোকে নিজস্ব ধ্যান-ধাৰণা, জনবিশ্বাস, আসুৰিক শক্তি নিধন, আই বসুমতীৰ উৰ্বৰা শক্তি বৃদ্ধিৰ বাবে দেৱী পূজাৰ আয়োজন কৰে।

অসমত বাস কৰা অন্যান্য জনজাতিৰ ভিতৰত কাৰ্বিসকল অন্যতম। কাৰ্বিসকলৰ কোনো মঠ-মন্দিৰ নাই। তেওঁলোকে নানা দেৱ-দেৱীৰ উপাসক। জোন, বেলি, গছ, শিল, সাপ, নদী, গিৰি-গুহা আদিক অলৌকিক শক্তিসম্পন্ন দেৱী বুলি বিশ্বাস কৰে। তেওঁলোকে *ৰাম্ভিজা*-ক উপাস্য দেৱীৰূপে পূজা উপাসনা কৰে। বৰষুণৰ দেৱী *হাইমু*-ক কাৰ্বিসকলে বিশেষভাৱে পূজা আগবঢ়ায়। কাৰ্বিসকলে বিশ্বাস কৰে যে *হাইমু* দেৱীয়ে মৰ্ত্যৰ প্ৰেমিক লাভৰ ব্যৰ্থ প্ৰেমৰ কথা সুঁৱৰি চকুপানী টোকে। তেতিয়াই চকুলো বৰষুণ হৈ মাটিত পৰে। *ৰাম্ভিজা*-ক শক্তিৰূপিনী দেৱীৰূপে কাৰ্বিসকলে বিশ্বাস কৰে। এই গৰাকী দেৱীক কাৰ্বিসকলে ৰ'দ- বৰষুণ, যুদ্ধ-বিগ্ৰহৰ দেৱী বুলি পূজা-অৰ্চনা কৰে। এওঁক *মুৰাঙ*-ৰ ভগ্নী আৰু *হেমুক* দেৱতাৰ পত্নী হিচাপে তেওঁলোকে বিশ্বাস কৰে। কাৰ্বিসকল সেই *হেমুক* আৰু *ৰাম্ভিজাৰ* সতি-সন্ততি বুলিয়ে কল্পনা কৰে। *ৰাম্ভিজাক* নতুন বছৰৰ প্ৰথম দিনাই ৰঙা কুকুৰা, মদ আৰু চুঙা ভাত উপহাৰ হিচাপে আগবঢ়োৱা হয়।

ভৈয়ামৰ কাৰ্বিসকলে ঠাইবিশেষে জেঠ মাহৰ প্ৰথম মঙলবাৰে আইৰ পূজাৰ আয়োজন কৰে। আই পূজা ৰাজহুৱাভাৱে কৰাৰ উপৰিও ব্যক্তিগতভাৱেও কৰা দেখা যায়। প্ৰথমতে ৰাজহুৱা পূজা কৰাৰ পিছতহে ব্যক্তিগতভাৱে পূজা কৰাৰ নিয়ম। আগদিনা বৰ আইৰ পূজা কৰাৰ পিছত দ্বিতীয় দিনা সৰু আইৰ পূজা কৰা হয়। পূজাৰ নৈবেদ্যৰ ভিতৰত প্ৰসাদ, ফল-মূল, পিঠাগুড়ি, সান্দহগুড়ি, হৰবং (মদৰ লাও), মাকৈ, মুৰ্গী, পাৰ চৰাই আদি। আই পূজাত কল-ঢকুৱাৰে এখন ভেল সজা হয়। আই পূজাৰ শেষত পূজাৰ সামগ্ৰীবোৰৰ লগতে ক'লা পাৰ দুযোৰ ভেলত ভৰাই নীতি-নিয়ম সহকাৰে উটুৱাই দিয়া হয়। আই পূজা কৰিলে দেশত মহামাৰী আদি ৰোগে দেখা নিদিয়ে বুলি ভৈয়ামৰ কাৰ্বিসকলৰ মাজত জনশ্ৰুতি প্ৰচলিত হৈ আছে।

বাভা জনজাতি লোকসকলে কালীক *হাছং*, কামাখ্যাক *কেঁচাইখাতী*, লক্ষ্মীক *গ্ৰিমবুড়া* আদিৰূপে কল্পনা কৰি আৰাধনা কৰে। বিভিন্ন সময়ত এই স্থানবোৰত হাঁহ, কুকুৰা, ছাগলী, ম'হ আদি আগবঢ়ায়।

গোৱালপাৰা জিলাৰ *ৰংদানী* বাভা সমাজত বহুলভাৱে প্ৰচলিত এবিধ পূজা হ'ল *ময়ৰা দেৱী*-ৰ পূজা। ধনুষ্টংকাৰ বা সেই জাতীয় বেমাৰ যেনে- হঠাতে সংজ্ঞাহীন হোৱা, মাত-বোল ৰুদ্ধ হৈ যোৱা আৰু কিবা কাৰণত চক খালে ময়ৰা বায়ৰ পূজা কৰা হয়। মন্ত্ৰ পাঠেৰে পূজা আৰম্ভ হোৱাৰ লগে লগেই পূজাৰীয়ে ময়ৰা বায়লৈ এটি পাৰ চৰাই আগবঢ়ায়; পাৰ চৰাই যদি মায়ে নলয় বা গ্ৰহণ কৰিবলৈ অনিচ্ছুক হয় তেতিয়া এটা হাঁহ অৰ্পণ কৰে। হাঁহটো যদি ময়ৰা মায়ে গ্ৰহণ নকৰে তেনেহ'লে এটি পঠা আগবঢ়োৱা হয়। দেৱীলৈ আগবঢ়োৱা বস্তু মায়ে গ্ৰহণ নকৰা কথাটোৰ সংকেতো পায় দেউৰী আৰু পূজাস্থলীত উপস্থিত থকা অভিজ্ঞ লোকসকলে।

তিৱা বা লালুংসকলৰ উপাস্য দেৱী *বাউসী* (পাৰ্বতী) য়ে হ'ল শক্তিৰূপিনী দুৰ্গাৰ অন্য ৰূপ। এই দেৱী যিহেতু পশু-পক্ষী, জীৱ-জন্তুৰ গৰাকী সেয়েহে চিকাৰলৈ যোৱাৰ আগতে গভীৰ শ্ৰদ্ধা-ভক্তিৰে বাউসীৰ পূজাৰ আয়োজন কৰে। বাউসী পূজাৰ বাবে শৰৎ কালত শস্য পথাৰৰ এমূৰে এখন সৰু বেদী স্থাপন কৰি ধৰ্মীয় স্তুতি পৰিৱেশন কৰে। তেওঁলোকে পালন কৰা অন্যান্য দেৱী পূজাৰ ভিতৰত *বৰত পূজা* বিশেষভাৱে উল্লেখযোগ্য। *বৰত পূজা*-ত বিশেষকৈ সৰস্বতীৰ অৰ্চনা কৰা হয়। পূজাৰ নীতি-নিময় লক্ষ্য কৰিলে দেখা যায় যে *বৰত পূজা* কুমাৰী পূজাৰ লগত যথেষ্ট সাদৃশ্য আছে। পূজাৰ কাম নিয়মীয়াকৈ চলোৱাৰ দায়িত্বত থাকে দলৈ, দেউৰী, হাদাৰী, চাংদলৈ, চাংমাজি, ঢুলীয়া, কালীয়া, তামুলী, বাৰিক ইত্যাদি। এই পূজা কৰিলে ৰাইজৰ কোনো অপায়-অমংগল, মাৰি-মৰক নহয় বুলি তিৱাসকলে বিশ্বাস কৰে। *বৰত পূজা*-ত এজনী কুমাৰীক কুঁৱৰী অৰ্থাৎ বৰতানী বা ব্ৰতশ্বৰী ৰূপত লৈ সপ্তাহৰ মূৰে মূৰে নোৱাই-ধোৱাই যথা ৰীতি-নীতিৰ মাজেৰে পূজা পালন কৰে। কুঁৱৰী নোৱাবৰ বাবে সাতোটা কুঁৱাৰ পৰা সাত কলহ পানী সাদিনৰ মূৰে মূৰে তুলি আনিব লাগে। কুঁৱৰীৰ লগত আৰু চাৰিগৰাকী আয়তীয়েও ব্ৰত কৰে। তিৱাসকলে পালন কৰা এই বৰত ৰজাদিনীয়া পূজা। তেতেলীয়া পথাৰৰ দাঁতিত অৱস্থিত *কালিকা থান* আৰু *বংশীবদন* থানত যথাক্ৰমে কালী আৰু সৰস্বতীক পূজা দিয়াৰ পিছত বৰত উৎসৱ আনুষ্ঠানিকভাৱে আৰম্ভ কৰে।

১৮৯৫ চনত *ব্ৰাউন* চাহাবে লিখা *দেউৰী-চুতীয়া ব্যাকৰণ*-ত কোৱা হৈছে— *শদিয়াৰ সিপাৰে দেউৰীসকলৰ মূল বাসস্থান আছিল। প্ৰায় এক শতিকাৰ আগতে তেওঁলোক তাৰ পৰা বৰ্তমান থকা ঠাইলৈ আহে। দেউৰীসকল পূজা-সেৱা কৰা প্ৰধান পুৰোহিত জাতৰ লোক।* এগৰাকী সমালোচকে মন্তব্য কৰিছে যে— *দেউৰীসকলে নিজকে তিৰোতাৰ (প্ৰকৃতি) বংশজাত বুলি ক'ব বিচাৰে। তেওঁলোকৰ আৰাধ্য দেৱী স্বয়ং আদ্যশক্তি। তেওঁলোকে গোসাঁই থানত পূজা দিওঁতে হেনো ক্ৰমান্বয়ে আদ্যশক্তি, পিচাচি, পিচাদেমা আৰু গিৰা-গিৰাচিৰ আহ্বান জনায়। পিচাচিক তাম্ৰেশ্বৰী বা কেঁচাইখাতী, পিচাদেমাক বলিয়াবাবা আৰু গিৰা-গিৰাচিক বুঢ়া-বুঢ়ী বুলি কোৱা হয়।* কৰ্ণেল ডেল্টন চাহাবে উল্লেখ কৰিছে— *শদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰৰ দেউৰীসকলে নৰবলি দিছিল।* কৰ্ণেল ডেল্টন চাহাবে লিখিছে— *মন্দিৰৰ পশ্চিমৰ বেৰখনৰ ওচৰত তিনিঠেঙীয়া সৰু শিল এডোখৰ আছে। তাতে নৰবলি দিয়া হয়। বলি দিয়া লোক প্ৰথমাৱস্থাত এটা বিশেষ (শ্ৰেণী) খেলৰ মানুহৰ পৰা*

*সংগ্ৰহ কৰা হৈছিল। সেই খেলটোৱে কিছুমান সুবিধাও লাভ কৰিছিল। পিছত আহোম ৰজাই প্ৰাণদণ্ড দিয়া লোকসকলক বলি ৰূপে মন্দিৰলৈ পঠিয়াইছিল। বলি দিয়া লোকসকল শুদ্ধজাত আৰু নিখুঁত হ'ব লাগিছিল। আনকি কাণত কিবা এটা থাকিলেও তেওঁক অনুপযুক্ত বুলি গণ্য কৰা হৈছিল। ব্ৰাহ্মণ আৰু ৰাজ পৰিয়ালৰ লোকসকলক বলিৰ পৰা ৰেহাই দিয়া হৈছিল। বলিৰ কেইদিনমান আগৰ পৰা বলিৰ মানুহটোক আৱদ্ধ কৰি ৰখা হয় আৰু তাক উদৰ পূৰাই খুৱাই-বুৱাই দেৱীৰ জিভাৰ সোৱাদ লগাবলৈ বুলি শকত-আৱত কৰা হয়। নিৰ্ধাৰিত দিনত বলিটোক সোণ-ৰূপৰ অলংকাৰ-পাতি পিন্ধাই জাকত জিলিকাকৈ সজাই পৰাই দৰ্শক মণ্ডলীৰ সন্মুখলৈ অনা হয়। স্বৰ্গদেউ গৌৰীনাথ সিংহৰ দিনত (১৭৮০-১৭৯৫) নৰবলি প্ৰথা বন্ধ কৰা হয়।*

কাছাৰ জিলাৰ মাইবঙত অৱস্থিত প্ৰাচীন দেৱী মন্দিৰ, ডিমাপুৰত উদ্ধাৰ হোৱা শিলৰ মূৰ্ত্তি, শিলচৰ কুৰিগ্ৰামত থকা কেঁচাইখাতী গোসাঁনী পীঠ আদি কীৰ্তি চিহ্নবোৰে প্ৰমাণ কৰে যে ডিমাছা-কছাৰীসকল শাক্তধৰ্মী আছিল। ডিমাছা-কছাৰীসকলে অতি উলহ-মালহেৰে *গেবেৰা পূজা*-ৰ আয়োজন কৰে। *মাওই হেৰেমঙী* বা *আই হেড়ম্বেশ্বৰী* এই পূজাৰ অধিষ্ঠাত্ৰী দেৱী। *গেবেৰা পূজা* ফাগুনৰ জোনাক ৰাতি পাতে। পুৰোহিতে পূজাৰ আগৰ দিনাই আন্তঃগাঁৱৰ পৰা পূজা অনুষ্ঠিত কৰা গাঁৱলৈ বাট-পথ বন্ধ কৰি দিয়ে। বিশেষ মন কৰিবলগা কথা যে, এই পূজাৰ আগদিনা ৰাজ্যৰ অধিষ্ঠাত্ৰী দেৱী *ৰাজিনী গবাৰ*-ৰ পূজা আড়ম্বৰেৰে অনুষ্ঠিত কৰিব লাগে। অতীতত হেৰম্ব ৰাজ্যৰ মহাৰজাসকলৰ কুল বিগ্ৰহ আছিল ৰণচণ্ডী দেৱী। সেয়ে তেওঁলোকে য'তে ৰাজ্য স্থাপন কৰিছিল তাতেই ৰণচণ্ডী দেৱীৰ মন্দিৰ সজাইছিল। খাচপুৰত এনে ধৰণৰ মন্দিৰ আজিও দেখিবলৈ পোৱা যায়। *হেড়েমডী* আই *হৈড়িম্বেশ্বৰী* নামেও জনাজাত। ডিমাছাই *হেড়েমডী* আইক *ব্ৰাই-শি-ব্ৰাই*-ৰ পত্নী *লাইবিডী* (বিধাতা) আৰু *গামাডী* (দুৰ্গা-পাৰ্বতী) বুলি মানে। দেশত অপায়-অমংগল হ'লে নাইবা মহামাৰীয়ে দেখা দিলে *হেড়েমডী* আইক পূজা অৰ্চনা কৰে।

চিকিমৰ *লেপচা*-সকলে মূল বা *মাই লি মোলা ওজালি* নামৰ এগৰাকী দেৱীক পূজা কৰে। এই গৰাকী দেৱী *চিনডুন* নামেৰে জনাজাত।

নেপালৰ *কিৰাজি* বা *কিৰান্তি* বুলি পৰিচিত লিম্বুসকলে *বড়ি বজু* বা *থুমাছান* নামৰ দেৱীক পূজা কৰে। এইগৰাকী দেৱী উমা দেৱীৰ সমানেই ক্ষমতাসম্পন্ন বুলি বিশ্বাস কৰে।

বড়ো-কছাৰীসকলৰ মাজত জন প্ৰবাদ চলি আছে ৰজা *খাৰুংফাই* প্ৰথমে বড়ো-কছাৰীৰ মাজত শক্তি পূজাৰ প্ৰচলন কৰে। বড়ো-কছাৰীসকলৰ মাজত অতীতৰে পৰা প্ৰচলিত পূজা হ'ল *মাৰাই* (মাৰৈ) দেৱী পূজা। *মাৰাই* পূজা সাধাৰণতে ব'হাগ মাহৰ পৰা শাওণ মাহৰ ভিতৰত যিকোনো কৃষ্ণপক্ষৰ ৰাতি পতা হয়। পূজাত ম'হ বলি দিয়াৰ বাহিৰেও মাগুৰ মাছ এহাল, ফৰিং এহাল, কুকুৰা চৰাই এহাল, বছৰৰ ভিতৰত উৎপন্ন হোৱা ফল-মূল, চিৰা-পিঠা, ভোগ, তামোল-পাণ আগবঢ়োৱা হয়।

বড়ো-কছাৰীৰ মতে মাৰৈ পূজা ল'ৰা-ছোৱালীবোৰে চোৱা নিষেধ। সমূহীয়াকৈ মাৰৈ পূজা কৰাৰ বাহিৰেও কোনো কোনো পৰিয়ালে ব্যক্তিগতভাৱে পূজা কৰে। প্ৰথম বছৰ পূজা দিয়াৰ পিছত বাকী দুবছৰ পূজা দিব নোৱাৰিলে এটা গাহৰি নাইবা ক'লা পঠা ছাগলী অমাৱস্যাৰ মাজৰাতি দেৱীৰ কাৰণে বলি দি নৈবেদ্য দিব লাগে। ইয়াৰ ফলত ঐশ্বৰ্য বাঢ়ে, যুঁজত জয় হয়, পশু-পক্ষীক হিংস্ৰ জন্তুৰ পৰা দেৱীয়ে ৰক্ষা কৰে।

বড়োসকলৰ মাজত বহুলভাৱে প্ৰচলিত পূজা হ'ল *খেৰাই পূজা।* খেৰাই পূজাত ৰঙা কুকুৰা চৰাই বলি দি পূজা কৰে। দেওধনিয়ে নৃত্য প্ৰদৰ্শনেৰে পূজাৰ কাম সাধনা কৰে। খেৰাই পূজাৰ শেষত পৃথিৱীৰ বুকুৰ পৰা লক্ষ্মী আইক উদ্ধাৰ কৰি বৰঘৰৰ ইঙ্গিত থাপনা কৰা হয়। *খেৰাই পূজা* বড়ো-কছাৰীৰ জাতীয় জীৱন, বড়ো-কছাৰীৰ পূৰ্বপুৰুষ, ৰজা-মহাৰজাৰ যুদ্ধ বিজয় আৰু তেওঁলোকৰ ব্যক্তিগত পৰিয়ালৰ জীৱনৰ মংগলা-মংগলকে আদি কৰি সৰ্বতো প্ৰকাৰৰ আশা-আকাংক্ষাৰ প্ৰতীক। ই বড়ো-কছাৰীৰ সংস্কৃতিৰ মেৰুদণ্ড। খেৰাই পূজাৰ দেৱ-দেৱীক আহ্বান কৰা মন্ত্ৰবোৰে বড়ো-কছাৰীৰ লোক-সাহিত্যৰ জেউতি চৰাইছে।

*যোগিনী তন্ত্ৰ* আৰু *কালিকা পুৰাণ*-ত প্ৰাচীন কামৰূপৰ *ধৰ্ম কৈৰাতজ* বুলি উল্লেখ কৰিছে। *সৰ্বেশ্যে যোগিনী পীঠে ধৰ্ম।* ডক্টৰ বাণীকান্ত কাকতিৰ পুৰণি কামৰূপৰ ধৰ্ম সম্পৰ্কীয় গ্ৰন্থত বিতংভাৱে আলোচনা কৰিছে। অসমৰ জনজাতিৰ অধিকসংখ্যক লোক মংগোলয়ড জাতিৰ বুলি পণ্ডিতসকলে মত দিছে। এই জনগোষ্ঠীৰ লোকসকল শক্তিৰ উপাসক। এই শক্তি উপাসনাৰ ভিত্তি হ'ল— চিৰ কল্যাণময়ী মাতৃক সন্তুষ্ট কৰা আৰু নিৰৱচ্ছিন্ন তন্ত্ৰ সাধনা। মাতৃ সন্তুষ্ট হ'লেই পৃথিৱী উৰ্বৰা হ'ব, শস্য বৃদ্ধি হ'ব আৰু মাৰি-মৰক আঁতৰিব। এনে বিশ্বাসৰ ভেটিতেই জনজাতি লোকসকলে নিজস্ব ধ্যান-ধাৰণাৰে তেওঁলোকৰ উপাস্য দেৱীক উপাসনা কৰি আহিছে। ডক্টৰ বাণীকান্ত কাকতিয়ে *কালিকা পুৰাণ*-ৰ আধাৰতে অসমৰ প্ৰাচীন জনগোষ্ঠীসমূহৰ দেৱীক চাৰিটা ৰূপত বিভক্ত কৰিছে। মাতৃ দেৱী কামাখ্যা, পত্নীৰূপী পাৰ্বতী, কুমাৰী ত্ৰিপুৰাসুন্দৰী আৰু সংহাৰৰূপিনী কেঁচাইখাতী। ❒

প্ৰসংগ পুথি ঃ ১. দেৱী - ডক্টৰ নিৰ্মলপ্ৰভা বৰদলৈ।
২. প্ৰসংগ ঃ দেৱী দুৰ্গা - কনক চন্দ্ৰ শৰ্মা।
৩. বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি - ভবেন নাৰ্জি।
৪. ডিমাছা সংস্কৃতিৰ ৰূপৰেখা - লোকেশ্বৰ গগৈ।
৫. বাবে ৰহণীয়া কাৰ্বি আংলং - দিলীপ শৰ্মা।
৬. অসমীয়া আৰু ৰাভা সমাজ-সংস্কৃতিৰ স্বৰূপ - মলিনা দেৱী ৰাভা।
৭. দেৱী পূজা - বাণী ফুকন।

# অসমীয়া লোক বিশ্বাসত তামোল-পাণ

ৰাকেশ শৰ্মা
স্নাতক দ্বিতীয় বৰ্ষ

অসমীয়া সমাজত পুৰণি কালৰেপৰা তামোল-পাণৰ প্ৰচলন হৈ আহিছে। আহাৰ গ্ৰহণৰ পাছত মুখ শুদ্ধিৰ বাবে ব্যৱহাৰ কৰাৰ উপৰিও বিভিন্ন ধৰ্মানুষ্ঠান আৰু ক্ৰিয়া-কাণ্ডতো তামোল-পাণৰ প্ৰয়োজন হয়। অসমীয়া সমাজৰ বিভিন্ন পূজা-পাৰ্বণ আৰু সামাজিক উৎসৱত তামোল-পাণৰ প্ৰয়োজন অসীম।

**তামোলৰ উৎপত্তি আৰু তামোল-পাণ খোৱা প্ৰথাৰ প্ৰচলন ঃ**

তামোল-পাণ অষ্ট্ৰিকসকলৰ দান বুলি কোৱা হয়। অষ্ট্ৰিকসকলেই ভাৰতবৰ্ষত সভ্যতাৰ খুঁটি পুতি পৰ্বত-ভৈয়াম সকলো ঠাইতে বিয়পি পৰে। মধ্য ভাৰতৰ গভীৰ অৰণ্যাঞ্চল, হিমালয়ৰ পাদদেশ, ব্ৰহ্মপুত্ৰ-গংগা উপত্যকাৰ সাৰুৱা পথাৰবোৰতো তেওঁলোকেই প্ৰথমে গাঁও পাতি বসবাস কৰে। গতিকে অষ্ট্ৰিকসকলেই তামোলৰ ব্যৱহাৰ অসমীয়া সমাজত প্ৰচলন কৰা বুলি ধাৰণা কৰিব পাৰি। জ্যঁ পুছিলুস্কিয়ে 'বুল্' ধাতুৰ লগত 'তম' উপসৰ্গ সংযোগ হৈ 'তাম্বুল' শব্দৰ উৎপত্তি হোৱা বুলি মত প্ৰকাশ কৰিছে।

আনহাতে আন এচাম পণ্ডিতৰ মতে তামোল খোৱা প্ৰথাটো হৈছে দ্ৰাবিড়ীয় প্ৰথা। কাৰণ 'Betel' (তামোল) শব্দটো মালায়ালম্ ভাষাৰ 'ৱেটিল্লা' শব্দৰ পৰা অহা। পশ্চিম উপকূললৈ অহা পৰ্তুগীজ ব্যৱসায়ীসকলে এই দ্ৰাবিড়ীয় শব্দটো সকলোতে প্ৰচাৰ কৰে।

অসমত দশম শতিকাতে ৰচিত হোৱা 'কালিকা পুৰাণ'ত তামোলৰ উল্লেখ দেখা যায়। অসমত যে তামোল-পাণৰ বাৰী আছিল তাৰ প্ৰমাণ পুৰণি তাম্ৰলিপিবোৰত পোৱা যায়। সপ্তম শতিকাৰ আদিত্য সেনৰ অপ্সদ লিপিত ব্ৰহ্মপুত্ৰৰ পাৰৰ মনোৰম তামোল-পাণৰ বাৰীৰ ছাঁত সিদ্ধসকলে শয়ন কৰা বুলি উল্লেখ আছে।

অসমত তামোল খোৱা প্ৰথাৰ ব্যাপক প্ৰচলনৰ বিষয়ে যোগিনী তন্ত্ৰৰ শ্লোক এটাৰ পৰাই বুজিব পাৰি। শ্লোকটোত অসমীয়া তিৰোতাই সকলো সময়তে তামোল চোবোৱাৰ কথা উল্লেখ কৰা হৈছে *(তাম্বুলাসা সদা ভৱেৎ)*। আহোম ৰজাৰ দিনত ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ তামোল-পাণ যতনাবলৈ তামুলী বিষয়া আছিল। সেই সময়ত বাৰীত তামোল-পাণ ৰোৱাটো অসমীয়া মানুহৰ এটা ধৰাবন্ধা ৰীতি আছিল।

**ধৰ্মীয় আৰু সামাজিক উৎসৱত তামোল-পাণ ঃ**

বিভিন্ন ধৰ্মীয় অনুষ্ঠান আৰু সামাজিক উৎসৱত তামোল-পাণ বা গুৱা-পাণে গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। পূজাৰ নৈবেদ্যত তামোল-পাণ এক অপৰিহাৰ্য উপাচাৰ। উৎসৱ-অনুষ্ঠানতো অথবা অপায়-অমংগলৰ সময়ত গুৰুঘৰলৈ, নামঘৰলৈ, দেৱতা বা অপদেৱতালৈ তামোল-পাণ আগবঢ়োৱা হয়। আলহী-অতিথিক পোন প্ৰথমে তামোল-পাণ দিয়েই অভ্যৰ্থনা কৰা হয়। ৰাজহুৱা দায়-জগৰত পৰিলেও তামোল-পাণৰ দণ্ড এভাগ দি দোষ খণ্ডন কৰিব পাৰি।

অসমীয়া বিবাহ অনুষ্ঠানত তামোল-পাণ অতি প্ৰয়োজনীয় সামগ্ৰী। বিয়াৰ বাবে ছোৱালী খোজাৰ পৰা আৰম্ভ কৰি ছোৱালী উলিয়াই দিয়ালৈকে প্ৰতিটো ক্ষেত্ৰতে তামোল-পাণ অপৰিহাৰ্য। বিয়াৰ কেইদিন দৰা-কইনাই এযোৰ পাণ-তামোল আৰু এখন কটাৰী লগত ৰাখিব লাগে। বিবাহ অনুষ্ঠানৰ শেষত দৰা-কইনাই এই তামোল-কটাৰী সলনা-সলনি কৰে। একেদৰে দৈয়ন দিওঁতেও পাণৰ প্ৰয়োজন হয়। আহোম সকলৰ চকলং বিবাহ পদ্ধতিটো তামোল-পাণৰ প্ৰয়োজন হয়। দেওধাই অসম বুৰঞ্জীত এই বিষয়ে বিস্তৃত বৰ্ণনা আছে। অসমৰ ছোৱালীৰ তোলনী হ'লে কোনো কোনো সমাজত 'জননী' বন্ধা হয়। জননীৰ সামগ্ৰীখিনিৰ ভিতৰত যুৰীয়া তামোল অপৰিহাৰ্য।

**ডাকৰ বচন আৰু ফকৰাত তামোল-পাণ ঃ**

বিভিন্ন অসমীয়া ফকৰা-যোজনাসমূহ আৰু ডাকৰ বচনত তামোল-পাণৰ বিষয়ে উল্লেখ আছে। বাৰীৰ চাৰিটাপ মাৰি জেওৰা-জপনা দি বিধিসন্মতভাবে বিভিন্ন খেতি কৰাৰ উপৰিও শাৰী-শাৰীকৈ তামোল-পাণৰ খেতি কৰাটো অসমীয়া সমাজৰ এক লোক-সংস্কৃতি। তামোল ৰোৱাৰ পদ্ধতি সম্পৰ্কে ডাকৰ বচনত পোৱা যায়—

*"সাতত পাতল পাঁচত ঘন।*
*ছয়ত তামোল নদন বদন।"*

অসমীয়া সংস্কৃতিত তামোলৰ লগত চূণ আৰু ধঁপাত মিহলাই খোৱাটো প্ৰাচীন নিয়ম। তামোল-পাণ, চূণ আৰু ধঁপাত এই চাৰিওবিধ একেলগে খালেহে তামোলখনে সম্পূৰ্ণ পাগ লয়। অসমীয়া ফকৰাত ইয়াৰ উল্লেখ আছে এনেদৰে—

*"তামোল এখন দিয়া ভকত*
*চূণ পাণ তাৰ লগত*
*ধঁপাত অকণ দিবা পাছে*
*বাকীবোৰ মোৰ লগত আছে।"*

**বিহুনামত তামোল-পাণ ঃ**

তামোল-পাণ বিহুৰ লগত ওতপ্ৰোতভাবে জড়িত। ব'হাগ বিহুত বিহুৱাসকলে গৃহস্থৰ ঘৰে ঘৰে হুঁচৰি নাম গায় আৰু গৃহস্থই তামোল-পাণ, পইচা আদি আগবঢ়াই তেওঁলোকৰ পৰা আশীৰ্বাদ লয়। আগতে ডেকা-গাভৰুৱে তামোলৰ বিনিময়েৰে ইজনে-সিজনক প্ৰেম নিবেদন কৰাৰ ৰীতি প্ৰচলিত আছিল। বিহুগীতত এনে প্ৰেম-প্ৰীতিৰ আবেগময় চিত্ৰ আছে।

*"কিনো তামোলখনি দিলা মোৰ মইনা*
*অতি চেনেহৰে খালোঁ।*
*সেইনো তামোলখনি খাবৰে পৰা*
*তোমাৰ লগত চিনাকি হ'লো।"*

**ৰোগ চিকিৎসা আৰু মন্ত্ৰ সাধনাত তামোল-পাণ ঃ**

তামোল-পাণ গাঁৱলীয়া দৰৱ জাতিৰ অন্যতম উপাদান। অসমীয়া নিদানমতে তামোল খালে পেটৰ অসুখ, দাঁতৰ ৰোগ আৰু বিষ ভাল হয়। আহাৰ গ্ৰহণ কৰাৰ পাছত তামোল-পাণ খালে হজম শক্তি বৃদ্ধি হয়। বসন্ত ৰোগৰ পৰা হাত সাৰিবলৈ আই সবাহ পাতি অন্যান্য নৈবেদ্যৰ লগতে তামোল-পাণ আগবঢ়োৱাৰ নিয়ম আছে। গৰুৰ কাণ ছিগা, খুৰা ফটা আদি ৰোগত তামোল-পাণৰ পিক ব্যৱহাৰ কৰাটো মন কৰিবলগীয়া।

তামোল-পাণৰ অলৌকিক শক্তিত বিশ্বাস কৰি মন্ত্ৰ সাধনাত ইয়াক ব্যৱহাৰ কৰা হয়। কামৰত্ন তন্ত্ৰত তামোল-পাণ সম্পৰ্কীয় বহু মন্ত্ৰ আছে। যেনে— *"কলীয়া অপৰাজিতাৰ মূল তাম্বুলে সহিতে চাৰি অক্ষৰীয়া মন্ত্ৰ জপি যেই নাৰীক খুৱায় সেই নাৰী বশ হয়।"*

*"চামুণ্ডা মন্ত্ৰক তাম্বুলত সাতবাৰ জপি যি নাৰীক খুৱায় সেয়ে বশ হয়।"*

*"কালিকা মন্ত্ৰ তাম্বুলত জপি খাব। চোবাৰ গুৰি জাম্প দি বাৰীত পেলালে নিদ্ৰা ভাঙ্গে।"*

**কৃষক সমাজত তামোল-পাণ ঃ**

ভূঁই থলীত কঠীয়া ৰুব পৰা হৈছে নে নাই পৰীক্ষা কৰিবৰ বাবে তামোলৰ পিক্ পেলাই চোৱা হয়। পথাৰলৈ যোৱা খেতিয়কৰ গাঁঠিত এটোপোলা তামোল-পাণ থকাটো অপৰিহাৰ্য।

**সামৰণি ঃ**

মুঠতে 'তামোল শব্দৰ উৎপত্তি আৰু তামোল-পাণ খোৱা প্ৰথা প্ৰথম ক'ত প্ৰচলন হৈছিল সেই সম্পৰ্কে এখন স্পষ্ট ছবি পোৱা নাযায় যদিও দেখা গৈছে যে অসমীয়া সমাজ আৰু সংস্কৃতিত ই অতীজৰে পৰা সমাদৰ লাভ কৰি আহিছে। তামোল-পাণক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বিভিন্ন বিহুগীত আদি অসমীয়া লোক-সাহিত্যৰ অমূল্য সম্পদ। গতিকে ক'ব পাৰি যে তামোল-পাণ অসমীয়া লোক-সংস্কৃতিৰ এক অপৰিহাৰ্য উপাদান। ❒

**সহায়ক গ্ৰন্থপঞ্জী ঃ** (ক) অসমৰ লোক সংস্কৃতি ঃ ডক্টৰ বিৰিঞ্চি কুমাৰ বৰুৱা।
(খ) অসমৰ সংস্কৃতি ঃ ডক্টৰ লীলা গগৈ।

# ৰূপহী চৰাই ম'ৰা

**লভিতা দেৱী**
স্নাতক দ্বিতীয় বৰ্ষ

"ৰূপে কি কৰে, গুণেহে সংসাৰ তৰে"— এই বিলাক কোৱা কথাহে। গুণক পূজা কৰাজনো ভিতৰি ভিতৰি ৰূপতহে পাগল। পিছে দুখৰ বিষয় যে আমাৰ সমাজতেই হওক বা প্ৰাণীৰ সমাজতেই হওক ৰূপৱান বা ৰূপৱতীৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা।

গুণৱান বা গুণৱতীৰ ক্ষেত্ৰতো একেই কথা। এই দুয়োবিধ মানুহ বা প্ৰাণীয়েই সমাজৰ বাকী সকলোৰে ঈৰ্ষাৰ পাত্ৰ। চৰাই জগতৰ আটাইতকৈ ৰূপহী চৰাইজাতেই হ'ল ম'ৰা। ম'ৰাৰ আদৰ ক'ত নাই? ভগৱান শ্ৰীকৃষ্ণৰ মুকুটটোৰ ওপৰত ম'ৰা পাখিকেইডাল থাকিবই লাগিব। সুন্দৰ চেহেৰাৰ কাৰ্তিকে বাহন হিচাপে বাচি ল'লে ম'ৰা চৰাই।

ময়ূৰ ভাৰতবৰ্ষৰ প্ৰায় সকলো ঠাইতেই পোৱা যায়। অৱশ্যে য'ত জোপোহা হাবিৰ মাজে মাজে পাহাৰ, টিলা, নদ-নদী, জান-জুৰি ইত্যাদি থাকে তেনে ঠাইতহে ম'ৰা চৰাই থাকিবলৈ ভাল পায়। ম'ৰাৰ আদিম জন্ম ঠায়ো এই ভাৰতবৰ্ষই।

হাবিৰ কাষত যদি খেতিৰ পথাৰ থাকে তেন্তে চৰাইয়ে ৰাতিপুৱা-আবেলি তেনে ঠাইত শস্য খাই থকা প্ৰায়েই দেখা যায়। ম'ৰাৰ উৎপত্তি স্থল ভাৰতবৰ্ষ। ম'ৰা চৰায়ে দল পাতি থাকে। ম'ৰাৰ একো একোটা পৰিয়ালত এটা মতা আৰু দুজনীৰ পৰা পাঁচজনীলৈকে মাইকী থাকে। মতাটোৱেই হ'ল দলপতি। কেতিয়াবা হাবিৰ মাজত থকা মুকলি ঠাইত আৰু কেতিয়াবা গছৰ তলে তলে গোটেই জাকটোৱেই খাদ্য বিচাৰি ঘূৰি ফুৰা দেখা যায়।

ম'ৰা চৰাই সৰ্বভোজী। ইহঁতে নোখোৱা বস্তু নাই। পোক, পতংগ, মকৰা, ভেকুলী, জেঠী আনকি সাপৰ পোৱালিও আহাৰ হিচাপে খায়। আনহাতে শাক-পাচলি, পকা ফল-মূল আদিও ইহঁতৰ প্ৰিয় খাদ্য। মাজে মাজে গছৰ ডালত বহি খন্তেক জিৰণি লয় আৰু মন গলে উচ্ছাংগ সংগীত আৰম্ভ কৰি দিয়ে— ক্যা-ও-ক্যঁাও। বনৰীয়া ম'ৰা চৰায়ে দিনৰ বেছিভাগ সময় মাটিতেই ঘূৰি-পকি কটালেও ৰাতি শোৱেগৈ, কিন্তু গছৰ ডালতহে। অৱশ্যে শোৱাৰ কাৰণে চাপৰত ডাল একোটাহে সাধাৰণতে বাচি লয়।

ম'ৰা অতি গহীন-গম্ভীৰ চৰাই। চাৰিওফালে সতৰ্ক দৃষ্টি ৰাখিহে ইহঁতে ফুৰা-চকা কৰে। কেনিবাদি বিপদৰ সম্ভাৱনা যেন দেখিলেই-ফিয়াউ, ফিয়াউকৈ ৰাউচি জুৰি সকলোকে সতৰ্ক কৰি দিয়ে। এনে চিএৰ শুনা মাত্ৰকে দলৰ সকলোটি দৌৰ মাৰি জোপোহাৰ মাজত সোমায়গৈ। ম'ৰাই সহজে উৰিবলৈ নিবিচাৰে। অৱশ্যে বাধ্যত পৰি উৰিব লগা হ'লে উৰি যাবও পাৰে।

ম'ৰা চৰায়ে নখেৰে মাটিত গাঁত খান্দি তাৰ ওপৰত শুকান ঘাঁহ, পাত, খেৰ-কুটা আদি পাৰি বাহ সাজে। অৱশ্যে প্ৰতিকূল অৱস্থাত কেতিয়াবা ডাঙৰ গছত থকা ধোন্দ বা শগুনে এৰি থৈ যোৱা বাহতো ম'ৰাই কণী পাৰে। ৰ'দ-বৰষুণত উৰুখি পচি যোৱা খেৰৰ চালতো ম'ৰাই কণী পৰা দেখা যায়। একোবাৰত দুটাৰ পৰা পাঁচোটালৈ আৰু কেতিয়াবা দহোটা পৰ্যন্ত কণী পাৰে। ডাঠ বাদামী ৰঙৰ মিহি কণীবিলাক

দেখাত বৰ ধুনীয়া। আকাৰত হাঁহৰ কণীতকৈ কিছু ডাঙৰ। জুনৰ শেষৰ পৰা অক্টোবৰৰ প্ৰথম ভাগৰ ভিতৰত ইহঁতে কণী পাৰে আৰু পোৱালি জগায়। মতা ম'ৰাই কেতিয়াও উমনি নিদিয়ে। উমনি দিয়াৰ দায়িত্ব কেৱল মাইকীজনীয়েহে ল'ব লাগে। পোৱালিবিলাক সম্পূৰ্ণ ডাঙৰ আৰু নিজে খুটি খাব পৰা নোহোৱালৈকে হাঁহৰ পোৱালিৰ দৰে মাকৰ পাছে পাছে ঘূৰি ফুৰে।

প্ৰথম অৱস্থাত পোৱালিবিলাকৰ কোনটো মতা কোনজনী মাইকী ধৰা বৰ টান। কাৰণ ডাঙৰ অৱস্থাত মতা আৰু মাইকী ম'ৰাৰ মাজত থকা পাৰ্থক্যসমূহ এই অৱস্থাত স্পষ্ট নহয়। অৱশ্যে ম'ৰাৰ মূল শাৰীৰিক লক্ষণসমূহ দুয়োটা অৱস্থাতে থাকে।

ম'ৰা চৰাইৰ মূৰৰ ওপৰত কেইটামান দিয়চলাইৰ কাঠিৰ আকৃতিৰ থিয় থিয়কৈ এশাৰী হৈ দুই ইঞ্চিমান দীঘলৰ এটা জঁ থাকে। জঁটোৰ ৰং নীলা বৰণীয়া।

ডিঙিৰ বৰণো নীলা। ডেউকাৰ পাখি পাতল বাদামী ৰঙৰ। চকু উজ্জ্বল আৰু বাদামী ৰঙৰ। চকুৰ ওপৰে তলে ধেনুভেৰীয়া একোটা বগা দাগ থাকে। ঠোঁটৰ আগটো জোঙা আৰু হালধীয়া বৰণৰ। ঠোঁটৰ গুৰিত থকা নাকৰ ফুটা দুটা স্পষ্ট। নখবোৰ বেঁকা আৰু জোঙা। পোৱালিবিলাকৰ তিনি বছৰমান বয়স হ'লে মতা-মাইকীৰ পাৰ্থক্য স্পষ্ট হৈ উঠে।

মতা ম'ৰাৰ নেজৰ ওপৰত দীঘলয়ী ৰংচঙীয়া পাখি গজে। এই ৰংচঙীয়া সাজটোৰ গৰাকী কেৱল মতাটোহে। অৱশ্যে আন চৰাই দৰে মতা-মাইকী দুয়োটাৰে চুটি নেজ পাখি থাকে। কিন্তু মতাটোৰ ক্ষেত্ৰত তাৰ ওপৰত দীঘল দীঘল আন কিছুমান ৰঙীণ পাখি গজি উঠে। ঠোঁটৰ পৰা নেজলৈকে ম'ৰা চৰাই দীঘলে তিনি-চাৰি ফুটমান হ'ব। ৰঙীণ নেজৰ পাখিবিলাকৰ দীঘো তিনি-চাৰিফুটমানেই হব।

ডাঙৰ ম'ৰা চৰাইৰ নেজ পাখি বিলাক গৰম কালিৰ শেষৰ পিনে খহি পৰে। শীতকাল হোৱাৰ লগে লগে পুনৰ গজিবলৈ লয়। ম'ৰাৰ ৰঙীণ পাখি একোটা হাতেৰে চুলে দেখা যায় যে ই তেনেই কোমল। পাখিটোৰ সোঁমাজত দীঘে দীঘে বগা ৰঙৰ একোটা কাঠি থাকে। কাঠিটোৰ দুই কাষে নীলা আৰু সেউজীয়া ৰঙৰ সংমিশ্ৰণেৰে ধুনীয়া ধুনীয়া ৰঙীণ পাখিবিলাক এটাৰ পাছত আনটো খাজ খাই থাকে। কাঠিৰ মূৰটোত থকা পাখিবিলাক সেউজীয়া। এই ৰংচঙীয়া পাখিবিলাকৰ মাজে মাজে চকুৰ দৰে অসংখ্য নীলা ৰঙৰ চকৰি থাকে। চকৰিটোৰ চাৰিওকাষে সোণালী ৰঙৰ একোটা মেৰ থাকে। ম'ৰাই যেতিয়া ইফালে-সিফালে অহা-যোৱা কৰে বা গছৰ ডালত বহি থাকে তেতিয়া ৰ'দ পৰিলে নেজ পাখিবিলাক জিকমিকাই উঠে। ভাৱৰীয়া বতৰত বা কেতিয়াবা মনৰ আনন্দত মতা ম'ৰাই নেজৰ ৰংচঙীয়া পাখিবোৰ ঘূৰণীয়াকৈ থিয় কৰি মেলি দিয়ে, যেন জাপানী বিচনী এখনহে। ইয়াকে ম'ৰাৰ চালি ধৰা বা পেখম ধৰা বুলি কোৱা হয়। এনেকৈ চালি ধৰি ম'ৰাই ঘূৰি ঘূৰি নাচি থাকে। নাচ শেষ হ'লে পাখিবিলাক কঁপাই ঝৰ-ঝৰকৈ এটা ডাঙৰ শব্দৰ সৃষ্টি কৰে। যেন কোনোবা নৃত্য পটীয়সীৰ ভৰিৰ জুনুকাহে বাজিছে। পাখিবোৰ মেলোতে-জপাওঁতে টিক্-টিক্কৈ এক প্ৰকাৰ শব্দ হয়। ম'ৰাৰ চালি ধৰি নচা দৃশ্য সঁচাকৈয়ে বৰ মনোমোহা। কেতিয়াবা মতাটোৱে চালি ধৰি ডেউকা দুখনেৰে মাইকীজনীক আবৰি ধৰে। এয়া বোধহয় প্ৰেম নিবেদনৰে এক আহিলা। ম'ৰাৰ পাখিৰ জিকমিকনিত ভোল নোযোৱা মানুহ বোধহয় নোলাব। মেলি দিয়া পাখিবিলাক চাই থাকিলে আপোনাৰ এনেহে ভাব হ'ব যেন সহস্ৰ চকুৰে আপোনাক একেথৰে যেন চাইহে আছে। ৰূপ-লাৱণ্যৰ কাৰণেই চৰাইৰ সমাজত ম'ৰাৰ এক বিশেষ আসন আছে। ম'ৰা চৰাইৰ এই সৌন্দৰ্যৰ কাৰণেই ইয়াক ভাৰতৰ ৰাষ্ট্ৰীয় চৰাই হিচাপে স্বীকৃতি দিয়া হৈছে। ম'ৰা চৰাই কুৰি বছৰমান জীয়াই থাকে। ম'ৰাৰ ৰূপত ভোল গৈ কাউৰী এজনী বিপদত পৰাৰ কিংবদন্তী এটা আছে। আপচু কাউৰী এজনীয়ে এবাৰ ম'ৰাৰ দৰে ধুনীয়া হোৱাৰ কথা ভাবিলে। ম'ৰা চৰাইৰ সৰি পৰা পাখি তাইৰ গাত গুজি ল'লে। কিন্তু বেচেৰীৰ পাখিখনেই কাল হ'ল। ম'ৰাৰ পাখি পিন্ধিলেও ম'ৰা চৰাইয়ে তাইক সিহঁতৰ লগ নিদিলে। আনহাতে লগৰ কাউৰীয়েও তাইক এঘৰীয়া কৰিলে। ম'ৰাৰ পাখি পিন্ধিলেও যে ম'ৰা চৰাই হ'ব নোৱাৰে তাৰ প্ৰমাণ কাউৰীজনীয়ে হাতে হাতে পালে।

মোগল সম্ৰাট ছাহজাহানে হীৰা, মণি-মুকুতাৰে যি সিংহাসন তৈয়াৰ কৰিছিল তাত ম'ৰা চৰাইৰ চালি ধৰা অৱস্থাটো খোদিত কৰা হৈছিল। সেয়া হ'ল বুৰঞ্জীপ্ৰসিদ্ধ ময়ূৰ সিংহাসন। ম'ৰা চৰাই পবিত্ৰ বস্তু বুলি ভাবিয়েই যেয়ে সেয়ে পুহিব নাপায় বুলি কয়। তথাপি বহুতো লোকে সৌন্দৰ্যৰ মোহ এৰিব নোৱাৰি ম'ৰা চৰাই পোহে। দুই এক সত্ৰতো ম'ৰা চৰাই পোহা দেখা যায়।

সত্ৰসমূহৰ চালি নাচ ম'ৰা চৰাইৰ চালি নাচৰে অনুকৰণ যেন লাগে। আগৰ দিনত ভাৰতবৰ্ষৰ ৰজা-মহাৰজাসকলে আন দেশৰ ৰজালৈ কিবা উপহাৰ দিলে বা পঠাওঁতে লগতে একোটা ম'ৰা চৰায়ো পঠাইছিল। ম'ৰাৰ পাখিৰ বিচনী তৈয়াৰ কৰাৰ উপৰিও নানান ৰং-বিৰঙৰ বস্তু তৈয়াৰ কৰিব পাৰি। বহুলোকে ম'ৰাৰ মাংসও খায়। পাখি আৰু মঙহ দুয়োটাৰে লোভত বহুতো চিকাৰীয়ে বছৰি যথেষ্ট সংখ্যক ম'ৰা চৰাই মাৰে। এই আপুৰুগীয়া চৰাই জাত মৰাৰ আইনগত বাধা আছে। পাছে এই আইন বলবৎ কৰিবলৈ চৰাইপ্ৰেমী মন এটাও নালাগিব জানো?

এসময়ত অসমৰ বহুতো হাবি-জংঘল বিশেষকৈ দৰং জিলাৰ বৌতা, ওদালগুৰি আদি ঠাইত যথেষ্ট সংখ্যক ম'ৰা চৰাই আছিল। এতিয়া সেইবিলাক অঞ্চলতো ম'ৰা চৰাই নোহোৱা হৈ পৰিছে। অৱশ্যে অসম আৰু অৰুণাচলৰ সীমামূৰীয়া অঞ্চল ডিমাচাঙত এতিয়াও কিছুসংখ্যক ম'ৰা চৰাই আছে। উপযুক্ত ৰক্ষণাবেক্ষণ দিলে এই চৰাই জাতৰ সংখ্যা নিশ্চয় কিছু বাঢ়িব আৰু অসমৰ এবিধ আপুৰুগীয়া সম্পদ উদ্ধাৰ কৰিব পৰা যাব।

*ময়ূৰৰ নৰ্তনত*
*মন্ত্ৰমুগ্ধ মণিৰাজ*
*মূৰত জিলিকি উঠে*
*মণি মনোমোহা সাজ।*

*(ৰঘুনাথ চৌধাৰী)*

❏❏❏

# সন্ত্রাসবাদ ঃ এক বিশ্বজনীন সমস্যা

ৰীতামণি শৰ্মা
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

সাম্প্ৰতিক সময়ত বিশ্বই সন্মুখীন হোৱা এটা অতি ভয়াবহ সমস্যা হৈছে সন্ত্রাসবাদ। হিংসাত্মক কাৰ্যাৱলীৰ জৰিয়তে জনসাধাৰণ আৰু চৰকাৰৰ মাজত আতংকৰ সৃষ্টি কৰা এই সন্ত্রাসবাদৰ কৰাল হাতে সমগ্ৰ বিশ্ব তথা ভাৰতবৰ্ষকে নিষ্ঠুৰভাৱে জোকাৰি গৈছে। অসংখ্য নিৰীহ জনতাই সন্ত্রাসৰ আঘাতত প্ৰাণ আহুতি দিছে, পৃথিৱীৰ গৌৰৱ বহনকাৰী ঐতিহ্যপূৰ্ণ বহুতো সম্পদ বিনষ্ট হৈছে। সন্ত্রাসে মানুহৰ তেজেৰে ধ্বংসৰ ইতিহাস ৰচিছে, যাক সোঁৱৰণ কৰিবলৈ যাওঁতে প্ৰতিজন মানুহৰে হৃদয়ত ত্ৰাসৰ সৃষ্টি হয়।

অষ্টাদশ শতিকাত ফৰাচী বিপ্লৱৰ সময়ত যিসকল লোকে হিংসা আৰু উৎপীড়নৰ জৰিয়তে গণতান্ত্ৰিক অধিকাৰ আৰু সমতা স্থাপন কৰিব বিচাৰিছিল, তেওঁলোকক বুজাবলৈ পোনপ্ৰথমে 'Terrorist' বা 'সন্ত্রাসবাদী' শব্দটো ব্যৱহাৰ কৰা হৈছিল। অৰ্থাৎ হিংসা আৰু অত্যাচাৰৰ আলমত ৰাজনৈতিক স্বাৰ্থ পূৰণ কৰিবলৈ বিচৰা শক্তিসমূহক সন্ত্রাসবাদী বুলি কোৱা হৈছিল। লাহে লাহে সন্ত্রাসবাদৰ সমস্যাটো পৃথিৱীৰ প্ৰায় সকলো দেশতেই বিয়পি পৰে। বৰ্তমান সময়ত এই সমস্যাই সমগ্ৰ পৃথিৱীতে প্ৰবলভাৱে মূৰ দাঙি উঠিছে। আগতে সন্ত্রাসবাদৰ পৰিসৰ একোখন ৰাষ্ট্ৰৰ ভিতৰতেই সীমাবদ্ধ হৈ আছিল। কিন্তু বৰ্তমান ইয়াৰ কাৰ্যক্ষেত্ৰ সমগ্ৰ বিশ্বতে এডাল শিকলিৰে বান্ধ খাইছে, অৰ্থাৎ ৰাষ্ট্ৰভিত্তিক সন্ত্রাসবাদ বৰ্তমান বিশ্ব সন্ত্রাসবাদলৈ ৰূপান্তৰিত হৈছে। বৰ্তমান সময়ত সন্ত্রাসবাদ ইমানেই সুপৰিকল্পিত, সুসংগঠিত আৰু শক্তিশালী হৈ উঠিছে যে কোনো শক্তি বা প্ৰচেষ্টাই ইয়াক দমন কৰাত অসফল হৈছে।

প্ৰাচীন সন্ত্রাসবাদৰ মূল লক্ষ্য আছিল ৰাজনৈতিক উদ্দেশ্য সাধন কৰা। হিংসাত্মক কাৰ্যৰ জৰিয়তে চৰকাৰ আৰু জনসাধাৰণ সকলোৰে মনত ভয় আৰু সন্ত্রাসৰ সৃষ্টি কৰা যাতে সকলোৱে সন্ত্রাসবাদীসকলৰ দাবী মানি লয়। উদাহৰণস্বৰূপে ভাৰতবৰ্ষক ব্ৰিটিছ উপনিবেশৰ পৰা মুক্ত কৰিবলৈ ভাৰতীয় জনসাধাৰণে ব্ৰিটিছ চৰকাৰৰ বিৰুদ্ধে নানা সন্ত্রাসবাদী কাৰ্য সংঘটিত কৰিছিল। অৱশ্যে সেয়া আছিল ইতিবাচক সন্ত্রাসবাদ, উদ্দেশ্যমূলক সন্ত্রাসবাদ— যাৰ ফলত ভাৰতবৰ্ষ পৰাধীনতাৰ শিকলিমুক্ত হ'বলৈ সক্ষম হৈছিল। কিন্তু আধুনিক সন্ত্রাসবাদ এটা মতবাদত পৰিণত হৈছে, যিয়ে যিকোনো উদ্দেশ্য সাধনৰ বাবেই হিংসাত্মক কাৰ্যত লিপ্ত হয়। বিশ্ব সন্ত্রাসবাদত এখন ৰাষ্ট্ৰত ঘটোৱা সন্ত্রাসবাদী কাৰ্যকলাপত আন এখন ৰাষ্ট্ৰৰ কূটিল ৰাজনীতিৰ প্ৰভাৱ পৰে। ফলত সন্ত্রাসবাদ সমগ্ৰ বিশ্বৰ বাবেই এক জটিল সমস্যা হৈ পৰিছে। সন্ত্রাসবাদীসকলৰ কাৰ্যকলাপে তেওঁলোকক সমাজৰ মূল সুঁতিৰ পৰা বিচ্ছিন্ন কৰি পেলাইছে।

সন্ত্রাসবাদ বিভিন্ন প্ৰকাৰৰ হোৱা দেখা যায়। যেনে— গোষ্ঠীভিত্তিক সন্ত্রাসবাদ, অঞ্চলভিত্তিক সন্ত্রাসবাদ, ধৰ্মীয় বা মৌলবাদী সন্ত্রাসবাদ, সীমা অতিক্ৰমী সন্ত্রাসবাদ (Cross Boarder Terrorism) ইত্যাদি। প্ৰাচীন কালত একনায়কত্ববাদী শাসকে জনতাৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰিবলৈ হিংসাত্মক অত্যাচাৰ চলাইছিল। কিন্তু বৰ্তমান সময়ত পৃথিৱীৰ প্ৰায় সকলো ৰাষ্ট্ৰই কল্যাণকামী গণতন্ত্ৰৰ ৰাজনৈতিক নীতি অৱলম্বন কৰাৰ বাবেই এই সমস্যা প্ৰায় নাইকিয়া হৈ আহিছে। তথাপিও সন্ত্রাসবাদী কাৰ্যকলাপ শ্ৰীলংকাত এল.টি.টি.ই. নামৰ সন্ত্রাসবাদী সংগঠনটোৱে চলাই আছে। ভাৰততো এনে ধৰণৰ সন্ত্রাসবাদী গোট আছে।

বৰ্তমান সময়ত পৃথিৱীৰ চৰকাৰ, জনসাধাৰণ সকলোৰে মূৰৰ কামোৰণি হৈ পৰিছে মৌলবাদী সন্ত্রাসবাদ আৰু সীমা অতিক্ৰমী সন্ত্রাসবাদ। সমগ্ৰ বিশ্বৰ ৰাজনীতি, অৰ্থনীতিত ই অতি কুপ্ৰভাৱ পেলাইছে। মৌলবাদী সংগঠনসমূহে ধৰ্মৰ দোহাই দি জনগণক একগোট কৰি সন্ত্রাসবাদী কাৰ্যকলাপত লিপ্ত কৰায়। প্ৰধানতঃ মুছলিম মৌলবাদী সংগঠন কিছুমানে সমগ্ৰ বিশ্বতে কিছুমান নিজা নিজা উদ্দেশ্য আগত লৈ সন্ত্রাসবাদী সংগঠন কিছুমানৰ জন্ম দিছে। পাকিস্তান, ইৰাক, ইৰাণ, আফগানিস্তান আদি ইছলামিক ৰাষ্ট্ৰসমূহে বিশ্বব্যাপি সন্ত্রাসৰ সৃষ্টি কৰিছে। আনকি নিজ দেশৰ চৰকাৰকো নিয়ন্ত্ৰণ কৰি আছে এনে সন্ত্রাসবাদী সংগঠনসমূহে।

সীমা অতিক্ৰমী সন্ত্রাসবাদৰ পৰাও সমগ্ৰ বিশ্বৰ লগতে ভাৰতবৰ্ষও জৰ্জৰিত হৈছে। এখন ৰাষ্ট্ৰৰ সীমাৰ বাহিৰৰ পৰা বিদেশী ৰাষ্ট্ৰই ৰাষ্ট্ৰখনত চলাই থকা সন্ত্রাসবাদেই হ'ল সীমা অতিক্ৰমী সন্ত্রাসবাদ। ভাৰতৰ চুবুৰীয়া ৰাষ্ট্ৰ পাকিস্তান, বাংলাদেশ আদিয়ে যোৱা কেইবা দশকো ধৰি ভাৰতত এনে ধৰণৰ সন্ত্রাসবাদ চলাই আহিছে। বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলত ভাৰত ৰাষ্ট্ৰৰ বাহিৰৰ পৰা নিয়ন্ত্ৰিত মৌলবাদী সংগঠনসমূহৰ সৰৱ উপস্থিতি পৰিলক্ষিত হৈছে। ভাৰতৰ সন্ত্রাসবাদী সংগঠনসমূহক আশ্ৰয় দিয়া, অস্ত্ৰ-শস্ত্ৰ যোগান ধৰা আদি কাৰ্যত ভাৰতৰ চুবুৰীয়া ৰাষ্ট্ৰসমূহে সহায় কৰিছে। সীমা অতিক্ৰমী সন্ত্রাসবাদৰ ক্ষেত্ৰত উত্তৰ পূব ভাৰতবৰ্ষ উৰ্বৰ ক্ষেত্ৰ হিচাপে পৰিগণিত হৈছে। ঘাইকৈ অঞ্চলটোৰ ভৌগোলিক অৱস্থান, উন্মুক্ত সীমান্ত, আৰ্থিক দৈন্য আদি কাৰকে অঞ্চলটোত উগ্ৰবাদী কাৰ্যকলাপ বৃদ্ধি কৰাত অৰিহণা যোগাইছে। ফলত অঞ্চলটোত শান্তি-শৃংখলা বিঘ্নিত হৈছে। যোৱা ৩০ অক্টোবৰত উত্তৰ পূবৰ দুৱাৰমুখ গুৱাহাটী, বৰপেটা আৰু কোকৰাঝাৰত সংঘটিত বোমা বিস্ফোৰণৰ দুৰ্বিসহ স্মৃতি সমগ্ৰ অসমবাসীৰ মনত কেঁচা হৈয়েই আছে। এই সন্ত্রাসত ভাৰতবৰ্ষৰ বাহিৰৰ সন্ত্রাসবাদী শক্তি জড়িত থকাৰ প্ৰমাণ পোৱা গৈছে। একেদৰে যোৱা ২৬ নৱেম্বৰত মুম্বাইত সংঘটিত সন্ত্রাসবাদী আক্ৰমণ— যিয়ে মহাৰাষ্ট্ৰৰ ৰাজনৈতিক পটভূমিৰ ব্যাপক পৰিবৰ্তন ঘটাইছিল, ইয়াতেই সীমা অতিক্ৰমী সন্ত্রাসবাদীয়ে প্ৰত্যক্ষভাৱে আক্ৰমণ চলাইছিল।

আধুনিক যুগৰ যি সন্ত্ৰাসবাদ— ই কোনোদিন কাৰো বাবে ভাল অৰ্থ বহন কৰা নাই। ই কেৱল নিৰীহৰ তেজৰ নৈ বোৱাইছে, য'ত জাহ গৈছে একোখন ৰাষ্ট্ৰৰ অসংখ্য মূল্যবান সম্পদ। সন্ত্ৰাসবাদৰ কবলত পৰি বহু নিৰীহ লোকে প্ৰাণ হেৰুৱাইছে, দেশৰ অৰ্থনীতিৰ হাৰ নিম্নগামী হৈছে, ৰাজনীতি বাধাপ্ৰাপ্ত হৈছে, সম্পদৰ ক্ষয়ক্ষতি হৈছে আৰু সৰ্বসাধাৰণ জনতাই এক অনিশ্চয়তা, অস্থিৰতাত জীৱন নিৰ্বাহ কৰিবলগীয়া হৈছে। শেহতীয়াকৈ ভাৰতবৰ্ষত সংঘটিত হোৱা সন্ত্ৰাসবাদী কাৰ্যকলাপ সমূহৰ বাবে আন্তৰ্জাতিক সম্পৰ্কৰ ক্ষেত্ৰত কুপ্ৰভাৱ পৰিছে। বৰ্ধিত সন্ত্ৰাসবাদী কাৰ্যকলাপৰ বাবে আন্তঃৰাষ্ট্ৰীয় স্তৰত ভাৰতবৰ্ষৰ মৰ্যাদা খৰ্ব হৈছে। মুম্বাইত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত ব্ৰিটিছ প্ৰতিবেদনত ভাৰতে বিশ্বৰ বিপদজনক দেশসমূহৰ ভিতৰত বিশ নম্বৰ স্থান দখল কৰিছে য'ত মৌলবাদী সন্ত্ৰাসবাদী সংগঠনৰ জন্মদাতা পাকিস্তান শীৰ্ষ স্থানত আছে।

সাম্প্ৰতিক সময়ত পৃথিৱীৰ প্ৰতিজন মানুহৰে কৰ্তব্য হৈছে সন্ত্ৰাসবাদৰ আগ্ৰাসনক ৰোধ কৰা। সন্ত্ৰাসবাদে ইতিমধ্যেই বহুত দ'লৈ শিপাইছে। গতিকে বিশ্ব সন্ত্ৰাসবাদৰ বিৰুদ্ধে বিশ্বব্যাপী প্ৰবল জনমত গঠন কৰিব লাগিব। যিবিলাক ৰাষ্ট্ৰই বিশ্ব সন্ত্ৰাসবাদৰ প্ৰতি সহায় আৰু সমৰ্থন আগবঢ়ায় সেইবিলাক ৰাষ্ট্ৰৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। কি সমস্যাৰ বাবে তেনে ৰাষ্ট্ৰসমূহে সন্ত্ৰাসবাদক সমৰ্থন কৰিছে তাক বিচাৰি উলিয়াই তেনে সমস্যাৰ উচিত সমাধানৰ ব্যৱস্থা কৰিব লাগিব। কোনো ৰাষ্ট্ৰই যাতে সন্ত্ৰাসবাদীসকলক আশ্ৰয় প্ৰদান নকৰে আৰু অস্ত্ৰ-শস্ত্ৰ সৰবৰাহ নকৰে তাৰ বাবে সমগ্ৰ বিশ্বৰাষ্ট্ৰসমূহৰ মাজত কিছুমান নীতি-নিয়ম ৰচনা কৰি তাক কাৰ্যকৰী কৰিব লাগে আৰু এনে কাৰ্যৰ বিৰুদ্ধে ৰাষ্ট্ৰসমূহৰ ওপৰত কূটনৈতিক হেঁচা প্ৰয়োগ কৰিব লাগে। ধৃত সন্ত্ৰাসবাদীসকলক কোনো আইনী মেৰপেচৰ অবিহনেই নিশ্চিতভাৱে ফাঁচীৰ দৰে চৰম শাস্তি প্ৰদান কৰা উচিত। সন্ত্ৰাসবাদৰ সমস্যাই কেইবাদশক ধৰি ভাৰতবৰ্ষক জ্বলাকলা কৰি আহিছে যদিও সংসদ ভৱন আক্ৰমণ, ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধী হত্যাৰ লগত জড়িত সন্ত্ৰাসবাদীহঁতৰ আজিও ফাঁচী হোৱা নাই। অথচ সন্ত্ৰাসবাদীৰ ঘাটি বুলি ভাৰতে দাবী কৰি অহা পাকিস্তান আৰু বাংলাদেশত সন্ত্ৰাসবাদীক ফাঁচী দিয়া বা গুলীয়াই হত্যা কৰাৰ অলেখ উদাহৰণ আছে। আজি কেইদিনমানৰ আগতে ২০০২ চনৰ ইণ্ডোনেছিয়াৰ বালিত বোমা বিস্ফোৰণত জড়িত তিনিজন সন্ত্ৰাসবাদীক ইণ্ডোনেছিয়া চৰকাৰে গুলীয়াই হত্যা কৰে। আৰু আমাৰ ভাৰতবৰ্ষত ধৃত সন্ত্ৰাসবাদীকো আদালতত উপযুক্ত প্ৰমাণৰ অভাৱত মুকলি কৰি দিয়া হয়। হয়তো এই লোকসকলেই এদিন কোনো ৰাজনৈতিক দলৰ লগত মিত্ৰতা স্থাপন কৰি দেশৰ শাসনভাৰ হস্তগত কৰিব। দোষীক কঠোৰ শাস্তি দিব নোৱাৰাটোও এক অন্যায়েই। গতিকে এই ক্ষেত্ৰত ৰাজনৈতিক মহলে কঠোৰ স্থিতি গ্ৰহণ কৰিব লাগে। সকলোতকৈ গুৰুত্বপূৰ্ণ কথা হ'ল সন্ত্ৰাসবাদী সমস্যাটোক প্ৰতিজন মানুহে ব্যক্তিগত সমস্যা হিচাপে অনুভৱ কৰি ইয়াক উৎখাত কৰাৰ বাবে নৈতিকভাৱে কাম কৰিব লাগিব। এখন দেশৰ ৰাজনৈতিক আইনৰ গণ্ডীৰ ভিতৰত নৈতিক দায়বদ্ধতাৰে সন্ত্ৰাসৰ বিৰুদ্ধে অভিযান চলোৱাই হৈছে সন্ত্ৰাসবাদ ৰোধৰ সবাতোকৈ সফলকাম উপায়।

বিশ্ব শান্তি আৰু প্ৰগতিৰ বাবে সন্ত্ৰাসবাদ এক বাধাস্বৰূপ। এফালে পৃথিৱীৰ মুঠ ধনৰ এক ট্ৰিলিয়ন ডলাৰ সন্ত্ৰাসবাদীৰ অস্ত্ৰ-শস্ত্ৰৰ নামত খৰচ কৰা হয়, আনফালে অনাহাৰ, দাৰিদ্ৰ্য, অশিক্ষা, শিশুৰ মৃত্যু আদি পৃথিৱীৰ সমগ্ৰ জনসাধাৰণৰ কৰুণ দিনলিপি। এই বাধা অতিক্ৰম কৰিবলৈ পৃথিৱীৰ সকলো ৰাষ্ট্ৰ আৰু জনসাধাৰণ আগবাঢ়ি আহিব লাগিব, কাৰণ সন্ত্ৰাসবাদীসকল সমগ্ৰ বিশ্বৰে শত্ৰু। ই এনে এক ব্যাধি যি সুবিধা পালেই সকলোকে আক্ৰমণ কৰিব পাৰে। সেয়ে সন্ত্ৰাসবাদৰ বিৰুদ্ধে দিবলগীয়া যুঁজত জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোৱে যোগ দিয়া উচিত, কাৰণ সন্ত্ৰাসবাদীৰ কোনো জাতি-ধৰ্ম-বৰ্ণ নাথাকে। পৃথিৱীৰ সমস্ত জনসাধাৰণ একগোট হৈ সন্ত্ৰাসবাদৰ ৰণাগ্নি নুমাব লাগিব, তেতিয়াহে সন্ত্ৰাসবাদ বিৰোধী যুদ্ধ সফল হ'ব।

**সন্ত্ৰাসবাদ আৰু জেহাদ ঃ**

সাম্প্ৰতিক সময়ত বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ উন্নতিয়ে সমগ্ৰ বিশ্বতে এক আমূল পৰিবৰ্তন আনি দিছে। সমগ্ৰ পৃথিৱী এখন গাঁৱৰ পৰিসৰলৈ সংকুচিত হৈছে। কিন্তু এই আধুনিক যুগতো কিছুমান ৰাষ্ট্ৰত এতিয়াও ধৰ্মক লৈ সন্ত্ৰাস আৰু সংঘৰ্ষ বৃদ্ধি পাই আহিছে। পাকিস্তান, আফগানিস্তান, ইৰাক, ইৰাণ আদি ইছলামিক ৰাষ্ট্ৰসমূহত ধৰ্মীয় সন্ত্ৰাসবাদী সংগঠন কিছুমানৰ জন্ম হৈছে যিবোৰে নিজকে জেহাদী বা ধৰ্মযুদ্ধকাৰী বুলি পৰিচয় দিয়ে।

'৮০ৰ দশকতে আফগানিস্তানত ছোভিয়েট দেশৰ আগ্ৰাসন ৰোধ কৰিবলৈ পাকিস্তানৰ একনায়কত্ববাদী সামৰিক শাসক জিয়াউল হকে 'জেহাদ' আৰম্ভ কৰিছিল। ২০০১ চনৰ ১১ ছেপ্টেম্বৰত ওচামা বিন লাডেনৰ সমৰ্থনপুষ্ট আল-কায়দা নামৰ সংগঠনটোৱে 'বিশ্ব বাণিজ্য কেন্দ্ৰ' আৰু 'পেণ্টাগণ'ত ভয়াবহ আক্ৰমণ চলাই বহুতো লোকক নিহত কৰিছিল। ইয়াৰ পিছৰ পৰাই নিজকে জেহাদী বা ধৰ্মযুদ্ধকাৰী বুলি পৰিচয় দিয়া মুছলিম সন্ত্ৰাসবাদীসকলৰ কূটাঘাতমূলক কাৰ্যকলাপ বৃদ্ধি পাবলৈ ধৰে। কূটাঘাতৰ লক্ষ্য হৈ পৰে সাধাৰণ জনতা। শেহতীয়াকৈ মৌলবাদী উগ্ৰপন্থীয়ে ভাৰতৰ নতুন দিল্লী, বাংগালোৰ, হায়দৰাবাদ, মুম্বাই, আহমেদাবাদ, জয়পুৰ আদি ঠাইত বিস্ফোৰণ ঘটাই বহু নিৰীহ লোকক হত্যা কৰিছে। কূটাঘাতমূলক কাৰ্য সংঘটিত কৰাৰ বাবে ব্যৱহাৰ কৰিছে কম বয়সীয়া অনভিজ্ঞ কিশোৰ-যুৱকসকলক যিসকলে অতি কম সময়তে উত্তেজিত হৈ উঠিব পাৰে। অত্যন্ত চতুৰ আৰু দক্ষ প্ৰশিক্ষকসকলে এই কম বয়সীয়া যুৱকসকলক ধৰ্মীয় উন্মাদনাৰ বশৱৰ্তী কৰাই মানুহৰ তেজেৰে নৈ বোৱাবলৈ অনুপ্ৰাণিত কৰায়।

তথাকথিত জেহাদৰ নামত চলোৱা এনে ধৰণৰ সন্ত্ৰাসবাদী কাৰ্যৰ দ্বাৰা উগ্ৰপন্থীসকলে নিজ ধৰ্মৰ বিষয়ে এক ভুল মতাদৰ্শ বিশ্ববাসীৰ সন্মুখত দাঙি ধৰিছে। অকাৰণতে নিৰীহ জনতাৰ প্ৰাণ কাঢ়ি লোৱাৰ অধিকাৰ কোনো ধৰ্মই কাকো প্ৰদান কৰা নাই। পবিত্ৰ ইছলাম ধৰ্মত সকলো ধৰণৰ হিংসাকে পৰিহাৰ কৰিবলৈ কোৱা হৈছে আৰু এই ধৰ্ম আত্মহত্যাৰ পৰিপন্থী। কিন্তু সন্ত্ৰাসবাদী সংগঠনবোৰে 'জেহাদী'ৰ নামত সৃষ্টি কৰিছে কিছুমান আত্মঘাতী বোমাৰু— যিয়ে নিজে মৰি আনকো মাৰি নিয়াৰ অশুভ পৰম্পৰা সৃষ্টি কৰিছে।

সিহঁতৰ কাৰ্যকলাপবোৰ মানুহৰ অধিকাৰ, প্ৰগতি আৰু ইছলামৰ

পৰিপন্থী। পৱিত্ৰ কোৰানে শিক্ষা দিছে যে, যিজনে এজন নিৰীহ মানুহক হত্যা কৰিলে, তেওঁ যেন সমগ্ৰ মানৱ জাতিক হত্যা কৰিলে আৰু যিজনে এজন মানুহক বচালে তেওঁ যেন সমগ্ৰ মানৱ জাতিক বচালে।

ধৰ্মই মানুহক প্ৰেম, দয়া, করুণাৰে সমাজত আনৰ অনিষ্ট নকৰাকৈ শান্তিপূৰ্ণভাৱে জীয়াই থাকিবলৈ শিকায়। কেৱল নিজ ধৰ্মৰ মানুহখিনিহে মিত্ৰ, বাকী সকলো শত্ৰু— এনে অদ্ভুত ব্যাখ্যা কোনো ধৰ্মৰ বাণী হ'ব নোৱাৰে। পৱিত্ৰ কোৰানতো এনে ব্যাখ্যা নাই। মুছলমান সন্ত্ৰাসবাদীসকলে পৱিত্ৰ কোৰানৰ বাণী কিছুমানৰ অপ-ব্যৱহাৰ তথা অপব্যাখ্যা কৰি সন্ত্ৰাসৰ পাতনি মেলিছে। ফলত কেইজনমান সন্ত্ৰাসবাদীয়ে কৰা অপকৰ্মৰ বাবে সমগ্ৰ মুছলমান জাতিয়েই অপবাদৰ বোজা মূৰ পাতি ল'বলগীয়া হৈছে।

অতীতৰ মহান ইছলাম ধৰ্মগুৰুসকলে পৱিত্ৰ কোৰানৰ বাণী আৰু একতাৰ ডোলেৰে সমগ্ৰ মানৱ জাতিকে বান্ধি শান্তিৰ সমাজ গঢ়াৰ কথা কৈছিল। কোৰানৰ কোনো অংশতে নিৰীহ, শান্তিপ্ৰিয়, সাধাৰণ জনতাৰ ওপৰত অপ্ৰৰোচিত অন্যায়-আক্ৰমণৰ নিৰ্দেশ দিয়া হোৱা নাই। ইছলামত কেৱল আত্মৰক্ষাৰ বাবেহে যুদ্ধ কৰাৰ অনুমোদন আছে। কিন্তু সন্ত্ৰাসবাদীসকলৰ আক্ৰমণত যেতিয়া একোজন নিৰীহ, শিশু, যুৱক অথবা বৃদ্ধৰ দেহ ৰক্তাক্ত হৈ নিমিষতে বাগৰি পৰে, সেয়া কেতিয়াও যুদ্ধ হ'ব নোৱাৰে— সেয়া হ'ব আক্ৰমণ আৰু অত্যাচাৰ। এনে অত্যাচাৰ কেৱল সন্ত্ৰাসবাদীৰ দ্বাৰাহে সম্ভৱ হয়, এয়া প্ৰকৃত জেহাদীৰ কাম নহয়। নিৰপৰাধী সাধাৰণ জনতাৰ ৰক্তেৰে ফাকু খেলা সন্ত্ৰাসবাদীসকল কোনো ধৰ্ম, সম্প্ৰদায়ৰ হ'ব নোৱাৰে। কাৰণ ইহঁতে কোনো ধৰ্মৰে শুদ্ধ অনুসৰণ নকৰে। প্ৰকৃততে উগ্ৰ মৌলবাদী সংগঠনসমূহে ধৰ্মক সন্ত্ৰাসবাদৰ আহিলা হিচাপে লৈ ইছলাম ধৰ্ম আৰু সমগ্ৰ মুছলিম জাতিকে অপমান কৰিছে, যাক কেৱল ইছলামধৰ্মী সকলেই নহয় পৃথিৱীৰ আন ধৰ্মৰ লোকেও সহ্য কৰিব নোৱাৰে। কোনো সন্ত্ৰাসবাদী সংগঠনে নিজকে জেহাদী বুলি অভিহিত কৰিলেও ইহঁত কোনো প্ৰকাৰেই জেহাদী হ'ব নোৱাৰে। ইছলামে মানৱ জাতিক নিৰ্বিচাৰে হত্যা কৰিবলৈ শিক্ষা দিয়া নাই। গতিকে এই কথা দৃঢ়তাৰে ক'ব পাৰি যে কোনো সন্ত্ৰাসবাদীয়েই জেহাদী নহয়, কোনো ধৰ্মৰ অনুগামী নহয়, ইহঁত হ'ল জঘন্য দুষ্কৃতিকাৰী অপৰাধীহে। ধৰ্ম হ'ল এক পৱিত্ৰ বিশ্বাস য'ত সকলোৰে শান্তি কামনা কৰা হয়। গতিকে পৃথিৱীত অশান্তি আৰু হিংসাৰ বিষবাষ্প বিয়পোৱা সন্ত্ৰাসবাদীহঁত কেতিয়াও কোনো ধৰ্মৰ অনুগামী নহয়। পৃথিৱীৰ প্ৰতিখন ৰাষ্ট্ৰই, প্ৰতিজন লোকেই ধৰ্মৰ অপমানকাৰী এই সন্ত্ৰাসবাদী শক্তিক উৎখাত কৰি নিজ দেশ আৰু বিশ্ব সম্প্ৰদায়ৰ বিকাশত অৰিহণা যোগোৱা উচিত। □

# অসমত সংঘটিত হোৱা কেইটামান বিদ্ৰোহ

**হিৰণ্য কুমাৰ বৰদলৈ**
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

অসম ইংৰাজৰ অধীনলৈ অহাৰ পাছৰ পৰাই বিভিন্ন ধৰণৰ অন্যায়সূচক নীতি অসমৰ জনসাধাৰণৰ ওপৰত জাপি দিয়া হৈছিল। যি নীতি অসমৰ জনসাধাৰণে পালন কৰোঁতে বহুত অসুবিধাৰ সৃষ্টি হৈছিল। অসমীয়া জনসাধাৰণৰ এনে আলৈ-আহুকাল দেখিও ইংৰাজবোৰৰ হিয়া গলা নাছিল। ইংৰাজ চৰকাৰে অসমীয়া জনসাধাৰণক হাৰ মনাব খুজিছিল; যি অসমীয়াক প্ৰবল প্ৰতাপী মোগলসকলেও হাৰ মনাব পৰা নাছিল। সেই অসমীয়াৰ বংশধৰ সকলেও ইংৰাজৰ অধীনত থাকিবলৈ ইচ্ছা কৰা নাছিল। অসমীয়া জনসাধাৰণৰ লগত কৰা এনে অন্যায়সূচক নীতিৰ বিৰুদ্ধে অসমীয়াই প্ৰতিবাদ কৰিছিল যদিও কোনো কাম হোৱা নাছিল আৰু ইয়াৰ ফলতেই অসমত বিভিন্ন ধৰণৰ বিদ্ৰোহ সংঘটিত হৈছিল।

**(১) গোমধৰ কোঁৱৰৰ বিদ্ৰোহ ঃ**

অসমক ইংৰাজৰ কবলৰ পৰা মুক্ত কৰিবৰ কাৰণে গোমধৰ **কোঁৱৰে** প্ৰথমে ইংৰাজৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰে। গোমধৰ **কোঁৱৰে** নিজকে স্বৰ্গদেউ বুলি ঘোষণা কৰি উজনি অসমৰ ৰাজ বিষয়াসকলক বিদ্ৰোহত অংশ গ্ৰহণ কৰিবলৈ কয়। এই বিদ্ৰোহত **কোঁৱৰৰ** সহযোগী আছিল— ধনঞ্জয় বুঢ়াগোহাঁই আৰু তেওঁৰ পুত্ৰ হৰনাথ, পিয়লি ফুকন, দহা ফুকন, ধৰ্মধৰ ৰাজগুৰু আদি।

১৮২৮ চনত গোমধৰে ইংৰাজক অসম ত্যাগ কৰিবলৈ দাবী জনায়। কিন্তু ইংৰাজৰ পৰা কোনো সঁহাৰি নোপোৱাত তেওঁৰ সহযোগীসকলে বিদ্ৰোহৰ সিদ্ধান্ত ল'লে। সেই চনৰে নবেম্বৰ মাহত ৪০০ বিদ্ৰোহীৰ লগত গোমধৰে মৰিয়নিৰ ফালে প্ৰস্থান কৰে। কিন্তু মাকৰ প্ৰচেষ্টাত লেফ্‌টেনেন্ট ৰ'জাৰফ'ৰ্ডৰ হাতত আত্ম সমৰ্পণ কৰে। ডেভিড স্কটে তেওঁক সাত বছৰ কাৰাদণ্ড বিহি ৰংপুৰ জে'লত ৰাখে আৰু সহযোগীসকলকো কঠোৰ শাস্তি প্ৰদান কৰে।

**(২) ফুলগুৰি বিদ্ৰোহ বা ধেৱা ঃ**

ইংৰাজৰ অৰ্থনৈতিক নীতিৰ বিৰুদ্ধে ১৮৬১ চনত বৰ্তমান নগাঁও চহৰৰ পৰা ১২ কিঃ মিঃ অন্তৰত ফুলগুৰি অঞ্চলত কৃষক বিদ্ৰোহৰ সূচনা হয়। ১৮৬০ খ্ৰীঃ চৰকাৰে আফু খেতিৰ প্ৰচলন বন্ধ কৰে। এই খেতিৰ অধিক প্ৰচলন আছিল নগাঁও অঞ্চলত। ফলত নগাঁৱৰ খেতিয়ক সকলৰ বিশেষকৈ ক্ষতি সাধন হয়। তদুপৰি তামোল-পাণৰ ওপৰত কৰ বহুওৱাৰ প্ৰস্তুতি চলোৱা বাবে লালুং সম্প্ৰদায়ৰ ক্ষোভ বাঢ়িল। এই সকলো সমস্যা সমাধানকল্পে প্ৰায় ১৫০০ কৃষকে ১৮৬১ চনত অক্টোবৰ মাহত নগাঁৱৰ ডেপুটি কমিচনাৰৰ ওচৰত এক আবেদন দাখিল কৰে।

কিন্তু কোনো সঁহাৰি নজনোৱাত ফুলগুৰি ৰাইজে মেল পাতি প্ৰায় পাঁচদিন ধৰি চৰকাৰী নীতিৰ প্ৰতিবাদ জনায়। এনেদৰে ক্ৰমান্বয়ে পৰিস্থিতি বৰ জটিল হৈ আহে আৰু শেষত কৃষক আৰু পুলিচৰ মাজত সংঘৰ্ষ হয়। এনে সংঘৰ্ষত অনেক কৃষক প্ৰজাৰ লগতে এজন ইংৰাজ বিষয়াও মৃত্যু মুখত পৰে। এই ঘটনাকে ফুলগুৰিৰ বিদ্ৰোহ বা ধেৱা বুলি জনা যায়।

**(৩) পথৰুঘাটৰ ৰণ বা কৃষক বিদ্ৰোহ ঃ**

ইংৰাজ চৰকাৰৰ শোষণ নীতিৰ বিৰুদ্ধে ১৮৯৪ চনৰ ২৮ জানুৱাৰীৰ দিনা দৰং জিলাৰ মঙলদৈ মহকুমাৰ অন্তৰ্গত পথৰুঘাট নামে ঠাইত এক কৃষক বিদ্ৰোহৰ সূচনা হয়। মাটিৰ খাজনা বৃদ্ধিৰ প্ৰতিবাদত এই বিদ্ৰোহ সংঘটিত হৈছিল। এই সময়ত দৰং জিলাৰ ডেপুটি কমিচনাৰ আছিল এণ্ডাৰচন। সাধাৰণ প্ৰজাৰ সীমাহীন দুখ উপশম বিচাৰি হাজাৰ হাজাৰ জনতাই শোভাযাত্ৰা কৰি পাথৰিঘাট পৰিদৰ্শন বাংলাৰ সন্মুখত মিলিত হয়। উপায়ুক্তই আবেদনকাৰী জনতাক আঁতৰি যাবলৈ আদেশ দিলে যদিও জনতাই সেই আদেশ নামানিলে। উপায়ন্তৰ হৈ জনতাৰ ওপৰত পুলিচ মেলিলে। কিন্তু তালৈকো জনতাই ভ্ৰূক্ষেপ নকৰিল। তাৰ পিছত পুলিচে প্ৰথমে লাঠী চালনা আৰু পিছত গুলী বৰ্ষণ কৰিলে। এই গুলী বৰ্ষণত ১৪০ জন লোক নিহত আৰু ১৫০ জনৰো অধিক লোক আহত হয়।

ইয়েই অসমৰ ইতিহাসত পথৰুঘাটৰ ৰণ নামে জনাজাত।

**(৪) ১৮৫৭ চনত অসমত সংঘটিত হোৱা চিপাহী বিদ্ৰোহ ঃ**

১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ চৰ্ত অনুসৰি অসম দেশ ইংৰাজৰ অধীন হয় আৰু অসমত ইংৰাজ শাসন প্ৰতিষ্ঠা হয়। কিন্তু ইংৰাজৰ নতুন শাসন ব্যৱস্থাই অতি কম সময়ৰ ভিতৰত ভাৰতীয় জনসাধাৰণৰ লগতে অসমৰ জনসাধাৰণকো অসন্তুষ্ট কৰি তোলে। মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ আক্ৰমণৰ দ্বাৰা পীড়িত অসমীয়া জনসাধাৰণে ইংৰাজৰ পৰা ভাল শাসন আশা কৰিছিল। কিন্তু ইয়াৰ বিপৰীতে ইংৰাজসকলে অসমীয়া জনসাধাৰণৰ ওপৰত ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আদি সকলো দিশৰ ফালৰ পৰা নতুন শোষণ নীতি আৰম্ভ কৰি অসমীয়া জনসাধাৰণক দুগুণে অতীষ্ঠ কৰে। ইয়াৰ ফলত ইংৰাজৰ প্ৰতি অসমীয়া মানুহৰ মন বিদ্ৰোহী হৈ উঠে। সেয়ে ভাৰতৰ আন আন ঠাইত সংঘটিত হোৱা ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহত অসমৰ জনসাধাৰণেও অংশ গ্ৰহণ কৰিছিল। অৱশ্যে অসমত সংঘটিত হোৱা চিপাহী বিদ্ৰোহৰ কাৰণসমূহ ভাৰতীয় পটভূমিতকৈ অলপ বেলেগ ধৰণে আলোচনা কৰিব পাৰি।

ইংৰাজসকলৰ অৰ্থনৈতিক শোষণে অসমৰ সাধাৰণ শ্ৰেণীৰ লোকক অতি ক্ষোভিত কৰি তুলিছিল। ইংৰাজ সকলৰ ছত্ৰছায়াত শাসন ভাৰ চলোৱা পুৰন্দৰ সিংহ এজন দুৰ্বল ৰজা আছিল। পুৰন্দৰ সিংহই যাতে স্বেচ্ছাই শাসন ভাৰ ত্যাগ কৰে তাৰ কাৰণে তেওঁ বহন কৰিব নোৱাৰা পৰিমাণৰ কৰৰ বোজা জাপি দিছিল। আনহাতে এই কৰৰ বোজা সাধাৰণ শ্ৰেণী বা খেতিয়ক শ্ৰেণীৰ ওপৰত পৰিছিল। নতুন নতুন কৰৰ বোজা সহিব নোৱাৰি আনকি বহুতো কৃষকে ৰাজ্য ত্যাগ কৰি পলায়ন কৰিছিল। সেয়ে পিছলৈ এই বিক্ষুব্ধ লোকসকলে অসমৰ পৰা ইংৰাজক খেদাৰ উদ্দেশ্যে চিপাহী বিদ্ৰোহত অংশ গ্ৰহণ কৰিছিল।

অসমৰ মধ্যবিত্ত আৰু অভিজাত শ্ৰেণীও ইংৰাজ শাসনৰ ওপৰত অসন্তুষ্ট হয়। আহোমৰ শাসন কালত এইসকল লোকে সকলো কৰৰ পৰা মুক্ত হৈ জীৱন যাপন কৰাৰ সুবিধা লাভ কৰিছিল। কিন্তু নতুন শাসনৰ ফলত সাধাৰণ শ্ৰেণীৰ লগতে তেওঁলোকেও চৰকাৰক বিভিন্ন কৰ দিব লগা হৈছিল। ইয়াৰ উপৰিও চৰকাৰে জাতি, বৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোককে এনে কৰিব বুলি এই দুই শ্ৰেণীয়ে ভয় কৰিছিল। ইয়াৰ ফলত তেওঁলোকৰ সামাজিক মৰ্যাদাও বিনষ্ট হ'ব বুলি ভাবিছিল। সেয়ে মধ্যবিত্ত আৰু অভিজাত শ্ৰেণীয়েও ইংৰাজ বিদ্বেষ মনোভাব পোষণ কৰিছিল।

আহোম স্বৰ্গদেউসকলে পৃষ্ঠপোষকতা কৰাৰ দৰে কামাখ্যা মন্দিৰ আৰু তেনে ধৰ্মীয় অনুষ্ঠানলৈ ইংৰাজসকলে অনুদান আদি আগবঢ়োৱাত ব্ৰাহ্মণ পুৰোহিত আদি অনেক লোকসকলৰ প্ৰভাৱ হ্ৰাস পাই দেশত ধৰ্মৰ প্ৰভাৱ কমি যাব বুলিও সকলো প্ৰজাৰ মনত ইংৰাজ বিৰোধী ভাব জাগি উঠিছিল।

সেই সময়ত ইংৰাজৰ নিয়োগ নীতিও অভিজাত শ্ৰেণীৰ স্বাৰ্থ বিৰোধী আছিল। লিখা-পঢ়াৰ ক্ষেত্ৰত আগবঢ়া যিকোনো শ্ৰেণীৰ লোকক বিশেষকৈ অনা অসমীয়া বঙালী লোকক কামত নিয়োগ কৰিছিল। তাৰ ফলত স্বাভাৱিকতে স্থানীয় অভিজাত শ্ৰেণীৰ লোকসকল ক্ষুণ্ণ হয়। এনে এক পৰিস্থিতিৰ অন্ত পেলোৱাৰ কাৰণে ৰজা চন্দ্ৰকান্ত সিংহ আৰু পুৰন্দৰ সিংহই উভয়েই চিন্তা কৰিছিল। কিন্তু দুয়োজনৰ মৃত্যু হোৱাত তেওঁলোকৰ আশা পূৰণ নহ'ল। পুৰন্দৰ সিংহৰ নাতিয়েক কন্দৰ্পেশ্বৰ সিংহ সেই সময়ত সৰু আছিল যদিও আগৰ পৰা অভিজাত শ্ৰেণীৰ সা-সুবিধাতে জীৱন নিৰ্বাহ কৰা ৰাজবিষয়া মণিৰাম বৰভাণ্ডাৰ বৰুৱাৰ জৰিয়তে তেওঁ অসমত ইন্দ্ৰবংশীয় ৰাজত্বৰ পুনৰ সপোন দেখিছিল।

ভাৰতৰ আন আন ঠাইৰ দৰে অসমতো ১৮৫৭ খ্ৰীঃৰ বিদ্ৰোহে সফলতা লাভ কৰিব নোৱাৰিলে। ইংৰাজে এই বিদ্ৰোহ সহজে দমন কৰিবলৈ সক্ষম হৈছিল।

**(৫) নামনি অসমৰ কৃষক বিদ্ৰোহ ঃ**

১৮৯২ চনত ইংৰাজ চৰকাৰে প্ৰচলিত ভূমি ৰাজহতকৈ শতকৰা ৭০ ভাগৰ পৰা ১০০ ভাগ পৰ্যন্ত ৰাজহ বৃদ্ধিৰ প্ৰস্তাৱ লয়। এই প্ৰস্তাৱৰ প্ৰতিবাদকল্পে ১৮৯৪ খ্ৰীঃৰ ১০ জানুৱাৰীৰ দিনা ৰঙিয়া থানাৰ ওচৰত হাজাৰ হাজাৰ কৃষক জনতাই প্ৰতিবাদ জনায়। ইয়াতো পুলিচে গুলীচালনা কৰে আৰু বহুতো কৃষকে প্ৰাণ হেৰুৱাব লগা হয়। এইদৰে সেই একে চনতে সৰুক্ষেত্ৰীৰ লাচিমা গাঁওতো বৰ্ধিত কৰৰ প্ৰতিবাদ জনোৱাৰ ফলত অনেক কৃষকে ইংৰাজৰ হাতত প্ৰাণ বিসৰ্জন দিব লগা হয়।

আমাৰ অসম ৰাজ্যত যিসকল বিদ্ৰোহীয়ে ব্ৰিটিছৰ বিৰুদ্ধে যুঁজ দিছিল বা যুঁজ দি মৃত্যু বৰণ কৰিছিল তেওঁলোকক আমি কাহানিও পাহৰিব নোৱাৰিমি। অসমৰে নহয়, গোটেই ভাৰতবৰ্ষৰ পৰা যে ইংৰাজ সকল গুচি যাব লগা হ'ল, ভাৰতবৰ্ষৰ পৰা ব্ৰিটিছসকলৰ বিতাড়নৰ এই সংগ্ৰামত অসমৰ বিদ্ৰোহবোৰৰ অৰিহণা অতুলনীয়। তেওঁলোকৰ ওচৰত আমি সদায় ঋণী হৈ ৰ'ম। ❒

# বিজ্ঞান জগতলৈ ভাৰতবৰ্ষৰ অৱদান

## প্ৰাচীন কেইগৰাকীমান বিজ্ঞানী

**দেৱ কুমাৰ বড়া**
উঃ মাঃ দ্বিতীয় বৰ্ষ

জ্ঞানভূমি-তপোভূমি-পুণ্যভূমি এই ভাৰতবৰ্ষ। এসময়ত সমগ্ৰ পৃথিৱীৰে জ্ঞান-বিজ্ঞানৰ প্ৰাণকেন্দ্ৰ আছিল এই ভাৰতবৰ্ষ। অসমৰ প্ৰাক্তন ৰাজ্যপাল মাননীয় এচ.কে. সিন্হা ডাঙৰীয়াই হেনো কৈছিল যে— ভগৱানে যেতিয়া এই পৃথিৱীখন নিৰ্মাণ কৰিছিল তেতিয়া ভাৰতবৰ্ষক পাতিছিল জ্ঞানৰ ৰাজধানী। সঁচাকৈ ভাৰতবৰ্ষৰ অতীত দৰ্শন কৰিলে আমি দেখা পাওঁ যে অৰ্থনীতি, ৰাজনীতি, ধৰ্ম, বিজ্ঞান আদি সকলো বিষয়ৰ ওপৰত ভাৰতবৰ্ষৰ আছিল অভূতপূৰ্ব পাৰদৰ্শিতা। কিন্তু, বৰ্তমান সময়ত আমাৰ মাজত পশ্চিমৰ অন্ধ অনুকৰণ আৰু শিক্ষানীতিৰ ভুল প্ৰসাৰে ভাৰতবৰ্ষৰ যি গৌৰৱ তাক অক্ষুণ্ণ ৰখাত অসফল হৈছে। বিবেকানন্দই কৈছিল— "অতীতৰ ভেটিতেই ভৱিষ্যত গঢ় লৈ উঠে। সেয়ে যিমান দূৰলৈ পাৰা সিমান পিছলৈ ঘূৰি চোৱা, তোমাৰ অতীতত এৰি অহা সেই শাশ্বত নিজৰাৰ পৰা আকণ্ঠ পান কৰা, আৰু তাৰ পাছত তুমি আগলৈ চোৱা, আগুৱাই যোৱা আৰু ভাৰতক পূৰ্বৰ স্থিতিতকৈ উজ্জ্বলতৰ মহত্ত্বৰ আৰু উন্নততৰ কৰি গঢ়ি তোলা। সৰ্বপ্ৰথম আমি মনত পেলাব লাগিব যে আমাৰ পূৰ্বপুৰুষসকল মহান আছিল। আমি আমাৰ অস্তিত্বৰ উপাদানসমূহক জানিব লাগিব। আমাৰ শিৰাইদি বৈ যোৱা ৰক্তধাৰাক চিনিব লাগিব। আৰু পূৰ্বতে ভাৰতৰ যি স্থিতি আছিল তাতকৈ মহত্ত্বৰ ৰূপত ভাৰতক গঢ় দিব লাগিব। সেয়ে আমি আমাৰ পূৰ্বলৈ ঘূৰি চোৱাৰ সময়। বিজ্ঞানৰ জগতলৈ ভাৰতৰ যি অৱদান সেয়া আমি জনা উচিত। এই বিষয়ে ভাৰতৰ কেইগৰাকীমান মহান মনীষী তথা বিজ্ঞানীৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

**আৰ্যভট্ট ঃ** আৰ্যভট্টক বিজ্ঞানৰ পিতৃ বুলি ক'লেও সম্ভৱ ভুল নহয়। এইজনা ভাৰতীয় বিজ্ঞানীয়েই সৰ্বপ্ৰথমে 'শূন্য' (০)ৰ ব্যৱহাৰ কৰিছিল। শূন্য অবিহনে বিজ্ঞানে গতি কৰা অসম্ভৱ আছিল। ত্ৰিকোণমিতিৰ আৱিষ্কাৰক আছিল আৰ্যভট্ট। তেওঁ গণিতত 'পাই' ($\pi$) ৰ প্ৰথম প্ৰয়োগ কৰিছিল। *"পৃথিৱী গোলাকাৰ আৰু ই নিজৰ কক্ষত চাৰিওফালে ঘূৰে"* এই কথাটো আৰ্যভট্টই পোন প্ৰথমে বিশ্বক জনাইছিল। সূৰ্যগ্ৰহণ আৰু চন্দ্ৰগ্ৰহণ যে চন্দ্ৰ আৰু পৃথিৱীৰ ছাঁয়াৰ পৰিনাম তাক তেওঁ *সূৰ্যসিদ্ধান্ত* গ্ৰন্থত বিশ্লেষণ কৰিছে। যদিও আমি মাধ্যাকৰ্ষণ শক্তিৰ জনক হিচাপে নিউটনকহে জানো, কিন্তু এই বিষয়ে প্ৰথম আৰ্যভট্টইহে ব্যাখ্যা আগবঢ়াইছিল।

**চৰক ঃ** আয়ুৰ্বেদ চিকিৎসা বিজ্ঞানৰ মহান সম্ৰাট হ'ল চৰক। তেওঁ *চৰক সংহিতা* ৰচনা কৰিছিল। ইয়াত আঠটা খণ্ড আছে— সূত্ৰস্থান, নিদানস্থান, বিমানস্থান, শৰীৰস্থান, ইন্দ্ৰিয়স্থান, চিকিৎসাস্থান, কল্পস্থান আৰু সিদ্ধিস্থান।

**নাগাৰ্জুন ঃ** পাৰা শুদ্ধৰূপত তৈয়াৰ কৰি ভস্ম কৰা পদ্ধতিৰ জনক হ'ল নাগাৰ্জুন। ৰসায়ন বিদ্যাৰ প্ৰভাৱত তেওঁ বহুতো হীন ধাতু সোণলৈ পৰিবৰ্তন কৰিছিল। এই বিষয়ে তেওঁ *ৰস হৃদয়* নামৰ গ্ৰন্থত বহুলভাৱে ব্যাখ্যা কৰিছে। চিকিৎসাৰ ক্ষেত্ৰতো তেওঁৰ অৱদান উল্লেখযোগ্য। এই ক্ষেত্ৰত ৰচিত তেওঁৰ গ্ৰন্থৰাজি হ'ল— *আৰোগ্য মঞ্জৰী, কৃষ্ণপুত্ৰ তন্ত্ৰ, যোগসাৰ* আৰু *যোগাষ্টক*। তেওঁৰ নামেৰেই অন্ধ্ৰ প্ৰদেশৰ কৃষ্ণা নদীত সজোৱা বিশাল বান্ধটোৰ নাম *নাগাৰ্জুন সাগৰ বান্ধ* ৰখা হৈছে।

**চাণক্য ঃ** তক্ষশীলা বিশ্ববিদ্যালয়ৰ প্ৰথম আচাৰ্য হ'ল চাণক্য। চাণক্যৰ *অৰ্থশাস্ত্ৰ* পৃথিৱীৰ সকলো ঠাইতে সমাদৃত। নীতি শাস্ত্ৰতো চাণক্যৰ আছিল অগাধ পাণ্ডিত্য। তেওঁৰ আন দুটি নাম হ'ল 'বিষ্ণুগুপ্ত' আৰু 'কৌটিল্য'।

**বৰাহ মিহিৰ ঃ** প্ৰাচীন ভাৰতৰ যিসকল মহান মহান বিজ্ঞানীয়ে জ্যোতিৰ্বিদ্যাৰ ওপৰত গৱেষণা কৰিছিল তাৰে এজন হ'ল বৰাহ মিহিৰ। মহাকাশ বিজ্ঞানৰ ওপৰতো তেওঁ গভীৰ চৰ্চা কৰিছিল। তেওঁৰ ৰচিত *পঞ্চসিদ্ধান্ত* গ্ৰন্থখনক আজিকালি *এষ্ট্ৰ'ন'মি* বুলি কোৱা হয়। তেওঁৰ *ব্ৰতসংহিতা* নামৰ গ্ৰন্থখন মূলতঃ জ্যোতিৰ্বিজ্ঞানৰ হ'লেও তাত সেই সময়ৰ ভূগোল, উদ্ভিদ আৰু প্ৰাণী, সামাজিক আৰু অৰ্থনৈতিক অৱস্থা, স্থাপত্যবিদ্যা আৰু চিত্ৰশিল্প, ধৰ্ম, শিক্ষা, সাহিত্য, বতৰ বিজ্ঞান, নীতি-নিয়ম আৰু অন্ধবিশ্বাসৰ লগতে আন বহুতো বিষয় অন্তৰ্ভুক্ত হৈছে। তেওঁৰ *বৃহৎ সংহিতা* আৰু *ভোজকৃত যুক্তিকল্পতৰু* গ্ৰন্থত জাহাজ নিৰ্মাণৰ বিষয়ে উল্লেখ আছে।

**ঋষি অগস্ত্য ঃ** ঋষি অগস্ত্যই তেওঁৰ নিজৰ গ্ৰন্থ *অগস্ত্য সংহিতা*-ত বিদ্যুৎ শক্তিৰ বিষয়ে লিখি থৈ গৈছে। তেওঁৰ আন এখন গ্ৰন্থ হ'ল *শিল্প শাস্ত্ৰসাৰ।*

**মহৰ্ষি ভৰদ্বাজ ঃ** বিমান নিৰ্মাণ সম্পৰ্কে ভৰদ্বাজ ঋষিয়ে *যন্ত্ৰ সৰ্বস্ব* নামৰ গ্ৰন্থত আলোচনা কৰিছে। উক্ত গ্ৰন্থৰ এটা ভাগ 'বৈমানিক শাস্ত্ৰ'। তেওঁৰ আগেয়েও বিমান নিৰ্মাণ সম্পৰ্কে এইসকল লোকে গ্ৰন্থ ৰচনা কৰিছিল— (ক) নাৰায়ণ- *বিমান চন্দ্ৰিকা* (খ) শৌণক- *ব্যোমযানতন্ত্ৰ* (গ) গৰ্গমুনি- *যন্ত্ৰকল্প* (ঘ) বাচস্পতি- *যানবিন্দু* (ঙ) চক্ৰায়নী- *খেটযান প্ৰদীপিকা* (চ) ধুণ্ডীনাথ- *ব্যোমযানামং প্ৰকাশ।*

**পৰাশৰ ঃ** উদ্ভিদ বিজ্ঞানৰ ক্ষেত্ৰতো ভাৰতবৰ্ষৰ অৱিহণা যথেষ্ট। পৰাশৰ ঋষি আছিল উদ্ভিদ বিজ্ঞানৰ স্ৰষ্টা। পৰাশৰ ঋষিয়ে এই বিষয়ৰ ওপৰত *বৃক্ষ আয়ুৰ্বেদ* নামৰ এখন গ্ৰন্থ ৰচনা কৰিছিল। এই গ্ৰন্থতেই উদ্ভিদে পাতৰ সহায়ত সূৰ্যৰ পৰা শক্তি আহৰণ কৰাৰ বিষয়ে উল্লেখ আছে। ইয়াৰোপৰি বিষ্ণুগুপ্তৰ *চৰক সংহিতা*-তো উদ্ভিদ বিজ্ঞানৰ ওপৰত

চৰ্চা হৈছে।

ওপৰত উল্লেখ কৰা লোকসকলৰ উপৰিও আৰু বহুতো মনীষীয়ে ভাৰতবৰ্ষত বিভিন্ন বিষয়ৰ ওপৰত গৱেষণা কৰিছিল। যেনে— পাণিনিৰ *অষ্টাধ্যায়ী*-ত প্ৰাণী বিজ্ঞানৰ ওপৰত চৰ্চা হৈছে। পতঞ্জলিৰ *মহাভাষ্য*, অমৰ সিংহৰ *অমৰকোষ*, *দৰ্শনৰ প্ৰশস্ত পাদভাষ্য* আদি গ্ৰন্থসমূহতো প্ৰাণী বিজ্ঞানৰ ওপৰত বিস্তৃত বিৱৰণ আছে। *ঋগ্বেদ*-ত কৃষি বিজ্ঞানৰ ওপৰত বৰ্ণনা আছে। চৰক, সুশ্ৰুত, নাগাৰ্জুন আদি ৰসায়নবিদসকলে তেওঁলোকৰ গ্ৰন্থসমূহত সোণ, ৰূপ, তাম, লো, অভ্ৰ, পাৰা আদি ধাতুসমূহৰ পৰা ঔষধ তৈয়াৰ কৰাৰ প্ৰণালী বিস্তৃত ৰূপত বৰ্ণনা কৰিছে। তাৰোপৰি *ৰামায়ণ, মহাভাৰত, ৰঘুবংশ, কুমাৰসম্ভৱ* আদি গ্ৰন্থত সোণ-ৰূপৰ উল্লেখ পোৱা যায়। স্বৰ্ণভস্মৰ পৰা ঔষধ তৈয়াৰ কৰাৰ প্ৰথা ভাৰতবৰ্ষত অতীতৰ পৰাই চলি আহিছে।

ভাৰতবৰ্ষৰ যি অতীত গৌৰৱ গাঁথা সেয়া বিভিন্ন সময়ত হোৱা আক্ৰমণবিলাকৰ প্ৰভাৱত নষ্ট হ'বলৈ ধৰিছে। ভাৰতবৰ্ষত বিভিন্ন সময়ত চৰ্চা হোৱা এই বিষয়বস্তুবোৰৰ গ্ৰন্থসমূহ মন্দিৰ, দেৱালয়, আশ্ৰম, বিশ্ববিদ্যালয় আদিত সংগৃহীত কৰি ৰখা হৈছিল। কিন্তু বিভন্ন সময়ত হোৱা বহিঃ আক্ৰমণ আৰু যুদ্ধ-বিগ্ৰহৰ ফলত এই সম্পদসমূহ ধ্বংস হয়। উল্লেখ্য যে, প্ৰাচীন ভাৰতৰ নালন্দা বিশ্ববিদ্যালয়, তক্ষশীলা বিশ্ববিদ্যালয় আৰু বিক্ৰমশীলা বিশ্ববিদ্যালয় আদিয়ে জ্ঞান-বিজ্ঞানৰ বন্তি প্ৰজ্বলিত কৰি বিশ্ববাসীক জ্ঞানৰ আলোক বিলাইছিল।

যিহেতু অতীতৰ ভেটিতেই আমাৰ ভৱিষ্যত গঢ় লৈ উঠিছে, গতিকে স্বামী বিবেকানন্দৰ সেই বাণীৰে আমি আমাৰ এৰি অহা সেই মহান লোকসকলৰ জীৱন গাঁথা তথা তেওঁলোকৰ গৱেষণাৰাজিক পুনৰ আগবঢ়াই দেশমাতৃৰ মহান সেৱাত ব্ৰতী হ'ব পাৰো। ❒

*(প্ৰবন্ধটি বিভিন্ন গ্ৰন্থ আৰু আলোচনীৰ সহায় লৈ লিখা হৈছে।)*

# ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী আৰু চিত্ৰকূটত মই

হিমাক্ষী ডেকা
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (এন.চি.চি.) বুলিলেই স্বাৱলম্বনৰ শিক্ষাক বুজো। কিছুমানৰ অনুষ্ঠানৰ আৰম্ভণিতে বা শেষত দেশৰ বীৰ ছহিদ সৈনিকসকলক সশ্ৰদ্ধাৰে স্মৰণ কৰোঁ, কিন্তু দেশৰ বীৰ সৈনিকসকলৰ কঠোৰ পৰিশ্ৰম, শৃংখলাবদ্ধ, দৈনন্দিন ৰুটিন, সাহস, দেশপ্ৰেম আৰু কৰ্তব্যনিষ্ঠা গুণবোৰ অন্তৰেৰে উপলব্ধি কৰিবলৈ পালে নিশ্চয় সুখী অনুভৱ হয়। দেশমাতৃৰ ৰক্ষাৰ বাবেই কৰ্তব্য পালনৰ মূল লক্ষ্যই হ'ল ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ উদ্দেশ্য।

ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ প্ৰশিক্ষণীয় শিবিৰসমূহ হ'ল—

1. Combined Annaual Training Camp (CATC)
2. Annual Training Camp (ATC)
3. National Integration Camp (NIC)
4. Basic Leadership Camp (BLC)
5. Army Attachment Camp (AATC) with Regular Army
6. Thall Sainik Camp (TSC)
7. Rock Climbing Training Camp (RCTC)
8. Republic Day Camp (RDC)
9. Mountainuring Training Camp (MTC)
10. Officers Training Academy (OTC)
11. Para Sailing Training Camp (PSTC)
12. Cycle Expedition
12. Sailing Expedition etc.

ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীত অংশগ্ৰহণ কৰা সকলো ছাত্ৰ-ছাত্ৰীয়ে Combined Annual Training Camp (CATC) প্ৰশিক্ষণলৈ যোৱাটো বাধ্যতামূলক। এই প্ৰশিক্ষণ বাৰ দিন হয়। ৰাতিপুৱাই ৫ বজাত এক ঘণ্টা P.T. হয়। সময়ৰ সদ্ ব্যৱহাৰ, নিয়মানুৱৰ্তিতা, শৃংখলা, প্ৰতিযোগিতা, চাফ-চিকুণতা আদিৰ গোন্ধ এই প্ৰশিক্ষণত পোৱা যায়। সকলোৱে খোৱা লোৱাৰ পিছত নিজৰ বাচন-বৰ্তন, কাপোৰ-কানি নিজে ধুব লাগে। জোতা সদায় চাফা কৰি পলিচ কৰিব লাগে। ঘৰত অৱশ্যে ছোৱালীবোৰেহে কাম কৰে, এইবোৰ ল'ৰাবোৰক শিকোৱা নহয় বা নকৰে। ল'ৰা-ছোৱালীৰ মাজত এই বৈষম্য থকাটো অনুচিত।

এই শিক্ষাত তিনিটা (A, B, C) পৰীক্ষা হয়। ইয়াত সকলো ধৰণৰ জ্ঞানৰ প্ৰশ্ন আহে। A আৰু B চাৰ্টিফিকেটখনে Army, Air, Navy যোগ দিয়াত সহায়ৰ লগতে C চাৰ্টিফিকেটখনত 60% আৰু স্নাতক মহলাত 50% থাকিলে আমি Officer Training Academy, Gowalior ত তিনিমহীয়া প্ৰশিক্ষণটো ল'ব পাৰো। এই শিক্ষাই আমাক বিভিন্ন ঠাইৰ সামাজিক পৰম্পৰা, ৰীতি-নীতি, ভাষা-সাহিত্য, কলা-কৃষ্টি-সভ্যতা লগতে বিভিন্ন প্ৰাকৃতিক সৌন্দৰ্য, নিজৰ দেশৰ গৌৰৱ, বিভিন্ন ধৰণৰ খাদ্যৰ সোৱাদ অনুভৱ কৰিব পাৰো।

National Integration Camp (NIC) ৰ বাবে আমি মধ্য প্ৰদেশৰ চিত্ৰকূটলৈ যোৱাৰ সুযোগ এটা পালো। ১ ডিচেম্বৰ/২০০৭ তাৰিখে অসমৰ পৰা ১৭ জনীয়া দলটো ৰে'লেৰে ৰাওনা হ'লো মধ্য প্ৰদেশলৈ বুলি। মঙলদৈ মহাবিদ্যালয়ৰ ছোৱালী দুজনী আছিলো। তেজপুৰ কলেজ, দৰং কলেজ (তেজপুৰ), ছয়দুৱাৰ কলেজ,

ঢেকীয়াজুলিৰ LOKD কলেজ, চাবিদুৱাৰ কলেজ, নাৰায়ণপুৰ কলেজৰ ছোৱালী আছিল। ছয়দুৱাৰ কলেজৰ N.O. এজন গৈছিল।

১ তাৰিখে ৰাতিপুৱা ৮ বজাত গুৱাহাটীৰ পৰা ৰে'লেৰে যাত্ৰা কৰিলো। তৃতীয় দিনা ৰাতিপুৱা আমি লক্ষৌত নামি দিনৰ ২ বজাত আকৌ যাত্ৰা কৰিলো। ৰাতিপুৱা ৪ বজাত মধ্য প্ৰদেশৰ ষ্টেচন এটাত নামিলো, পোহৰ হোৱাৰ অপেক্ষাত জিৰণি ঘৰত আশ্ৰয় ল'লো। তাতেই বহুতো ঠাইৰ— পঞ্জাৱ, গোৱালিয়ৰ, শক্তি, জয়পুৰ, জব্বলপুৰ আৰু ঝাৰখণ্ডৰ এন.চি.চি.ৰ কেডেট সকলক লগ পালো। ৰাতিপুৱা ৭ বজাত চিত্ৰকূটৰ পৰা গাড়ীৰে নিবলৈ আহিল।

মধ্যপ্ৰদেশখন দেখোন সৌন্দৰ্যময়ী, তাতোকৈ চিত্ৰকূট প্ৰকৃতিৰ ৰাণী। এই ৰাজ্যত প্ৰৱেশ কৰোতেই আমাৰে দুজনমানে চিঞৰি দিছিল প্ৰকৃতিৰ ৰূপ দেখি। মুক্ত মনে বিচৰণ কৰিছিল চৰাই-চিৰিকতিবোৰে, ময়ূৰবোৰে চালি ধৰি নাচিছিল। মনতে ভাবিলো মাধৱ কন্দলিয়ে ৰামায়ণৰ কিষ্কিন্ধা কাণ্ডৰ চিত্ৰকূটৰ চিত্ৰৰ প্ৰাকৃতিক বৰ্ণনাৰ কথা কিতাপত পঢ়ি অনুভৱ কৰিছিলো। কবিসকলে কল্পনাৰ জগতখন বাস্তৱ ৰূপ দিবলৈ নিজস্ব সত্তাৰে প্ৰকৃতিক কবিতাৰ ৰূপত সৌন্দৰ্যময়ী কৰিব বিচাৰে। কিন্তু এয়া ধ্ৰুৱ সত্য, ভাল লাগিল বাস্তৱ জগতত চিত্ৰকূট মোৰ চকুৰ আগত দেখি, নিচেই কাষতে পায়। হ'লেও কিন্তু ভাব এটা উপজিল, এয়া সপোন নহয়তো! নিজৰ গাতে চিকুটি চালো— বাস্তৱ ...। কিতাপত থকাৰ দৰেই অপৰূপ চিত্ৰকূট, প্ৰকৃতি, কবিৰ কল্পনাৰ জগতখনৰ বাস্তৱ ৰূপ দেখি। চিত্ৰকূট বৰ্ণনাত প্ৰাকৃতিক শোভা মূৰ্তমান হৈ কেনেদৰে অযোধ্যাৰ কথা পাহৰাই ৰাম-সীতাৰ মন ৰঙীণ কৰি প্ৰকৃতিৰ লগত সুৰ মিলাই দিছিল—

*জাই, জুতি বকুল বন্দুলি কৰ্ণিকাৰ*
*কাঞ্চন, তগৰ, কুন্দ শেৱালি মন্দাৰ।।*
*আশোক পলাশ ফুলি গৈল হিসা-হিসি*
*নাগেশ্বৰ চম্পক ফুলিল অহৰ্নিশি।।*

এই কবিতা ফাঁকিৰ জৰিয়তে বিভিন্ন ফুলৰ কথা কোৱা হৈছে। ঠিক তেনেদৰে কবিৰ মনৰ ভাব বাস্তৱ ৰূপত ধৰা দিছিল। আকৌ—

*দেখ দেখ সীতা আম জাম পণিয়াল*
*তাম্বুল কণ্ঠাল নাৰিকল নানা ফল।।*

ফলবোৰো গছত ডাল ভৰি লাগি আছিল।

চিত্ৰকূটৰ সকলোবোৰ মন্দিৰ ভগৱান ৰাম-সীতাৰ। ইয়াৰ পৌৰাণিক চিহ্নবোৰ আজিও যেন জীৱন্ত। ৰাম-সীতাৰ বনবাসৰ আশ্ৰমখন এতিয়া সংৰক্ষণ কৰি থোৱা হৈছে। জীৱন্ত হৰিণ এটা দেখা পালো। দৰ্শকক দেখুৱাবলৈ আশ্ৰমখন সুন্দৰকৈ ৰখা হৈছে। শিলত খোদিত হৈ আছে, বনবাসত ধ্যান কৰা চিত্ৰবোৰ। ৰামে সদায় বহা ঠাইখিনি বহা প্ৰতীকৰ ৰূপ লৈছে, লগতে সীতা, লক্ষ্মণ, হনুমানেও সদায় ব্যৱহাৰ কৰাৰ দৰে বহা, ভৰিৰ চিন আদিৰ গঢ় লৈছে। মন্দিৰবোৰত আজিও অসংখ্য ধৰণৰ বান্দৰ আছে। কাকো অনিষ্ট নকৰে যদিও মানুহক ভয় নকৰে, হাতৰ বস্তু কাঢ়ি লৈ যায়। আমি গুৰুকুল প্ৰাথমিক বিদ্যালয় এখনত আছিলো। প্ৰথমতে ৰুমত মহাৰাষ্ট্ৰৰ ছোৱালী সকলৰ লগত আছিলো। সিহঁতে অসমৰ কুশল বাৰ্তা সুধিছিল, আমিও সিহঁতৰ খবৰ লৈছিলো। সিহঁতৰ ঘৰত সাজি অনা প্ৰিয় মিঠাই আমাক খাবলৈ দিলে, তাৰ বিনিময়ত আমাৰ লগত থকা টেকেলী পিঠা সিহঁতক যাচিলোঁ। কালীৰ ৰূপ ধৰি মুম্বাইবাসীৰ বিখ্যাত নাচটো (উদয় কি আম্বাই উদয়) শিকাইছিল, আমি সিহঁতক বিহু শিকাইছিলো। সিহঁতৰ মাৰোৱাৰী শাৰী আমাক সিহঁতৰ নিয়মেৰে পিন্ধাইছিল, আমিও মুগাৰ সাজযোৰ পিন্ধাইছিলো।

চিত্ৰকূটত বাৰ দিন থাকি, চিত্ৰকূটৰ সকলো ঠাই দৰ্শন কৰিছো। দ্বিতীয় দিনৰ পৰাই ৰাম-সীতাৰ মন্দিৰবোৰ দৰ্শন কৰিছো। NIC কেম্পত আমি আমাৰ কলা-সংস্কৃতি আনক দেখুৱাই আৰু আনৰ কলা-কৃষ্টি, ভাষা-সাহিত্য আহৰণ কৰাই ইয়াৰ মূল উদ্দেশ্য। আমি কোৰাচ, একক নৃত্য, একক সংগীত, দলীয় বিহুৰ আখৰা কৰি অনুষ্ঠানত অংশ লৈছিলো। পঞ্জাৱৰ ল'ৰা-ছোৱালীসকলৰ পৰা 'ভাংৰা' নাচ শিকিছিলো। মহাৰাষ্ট্ৰ, উৰিষ্যা, ৰাজস্থান, দিল্লী, ভূপাল, কেৰেলা, তামিলনাডু, গুজৰাট, বিহাৰ আদিৰ এন.চি.চি. কেডেটসকলৰ পৰা কলা-সংস্কৃতি, ভাষা-কৃষ্টি, সাহিত্য-সভ্যতাৰ আদান-প্ৰদান হৈছিল।

গুৰুকুল বিদ্যালয়খনত এখন উদ্যান দেখিলো। ইয়াত সকলো ঠাইৰ মূল্যবান সম্পদ সংৰক্ষণ কৰি ৰাখিছিল। বাঁহগছৰ তলত এশিঙীয়া গড়টো দেখি আমি দুটামানে চিঞৰ মাৰিলো (সৰুকৈ)। সঁচাই মনতে ভাবিলো কিমান সন্মান এই দুৰ্লভ সম্পদবোৰলৈ। ভাল লাগিল আৰু দুখও লাগিল, আমি অসমৰ সম্পদবোৰ ভালদৰে ৰাখিছোনে? মধ্যপ্ৰদেশত Kanha National Park খন দেখিলো লগতে খাজাৰা আৰু ইলাহবাদলৈ যোৱাৰ সুবিধা পালো। এটা মজাৰ কথা হ'ল, আমি অসমীয়া আৰু বঙালী লগ হৈ আন ৰাজ্যৰ ল'ৰা-ছোৱালীক অসমীয়া আৰু বঙালী ভাষাত গালি পাৰি হাঁহিৰ লহৰ তুলিছিলো।

সময় চমু চাপি আহিল, আমিও আনন্দৰ মুহূৰ্তবোৰ পাৰ কৰি এদিন সুখ মনেৰে অসম অভিমুখে যাত্ৰা কৰিলো।

২০ ডিচেম্বৰ, ২০০৭। মঙলদৈ ভেবাৰঘাট পালো। সেই সময়ত সকলোৰে মনবোৰ সেমেকি আছিল। আমাৰ আটাইবোৰ বন্ধু-বান্ধৱীয়ে আমাক এৰি যাবলৈ সময় আহি পালে। এই NIC কেম্বৰ অভিজ্ঞতাৰ কথা শেষ কেতিয়াও নহয়, কেৱল কৈয়ে থাকিবৰ মন যায়।

ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ শিক্ষাৰে শিক্ষা লাভ কৰি, আন ৰাজ্যৰ উন্নতি দেখি-শুনি আগুৱাই যোৱাৰ সুবিধা পাওঁ। ভালটো সকলোৱে গ্ৰহণ কৰে, কোনো মুহূৰ্ততে আত্মাভিমান, অহংকাৰ, লজ্জা, সংকোচ, দ্বিধাবোধ, ভয়, মান-অপমান মনলৈ নানে। সকলো সময়তে পৰিৱেশৰ সৈতে মিলি যাবলৈ শিকায়। ব্যক্তিগত স্বাৰ্থৰ মূল্য নাই, সৰুকৈ হ'লেও দেশৰ, ৰাজ্যৰ, জিলাৰ নতুবা নিজে বাস কৰা সমাজখনতে কিবা এটা ভাল কাম কৰি নিজৰ লগতে আনকো সহায় কৰিবলৈ শিকায়।

শেষত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ শিক্ষাৰ্থীয়ে সকলো পৰিস্থিতিতে দোপতদোপে আগুৱাই যাওক। ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ দীৰ্ঘায়ু কামনা কৰিলোঁ। ❐

# 'নাক' (NAAC) আৰু উচ্চ শিক্ষানুষ্ঠানৰ মূল্যায়ন

মতিৰাম মেধি
বাছনি মানৰ প্ৰবক্তা (ভূগোল বিভাগ)

আমাৰ দেশৰ উচ্চ শিক্ষাৰ অনুষ্ঠানবোৰৰ মূল্যায়ন আৰু কৃতিত্ব নিৰ্ণয়ৰ বাবে কেন্দ্ৰীয় চৰকাৰে প্ৰধান তিনিটা সংস্থা গঠন কৰি দিছে। এই সংস্থা তিনিটা ক্ৰমে বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC) ৰ সহযোগত গঠিত 'ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদ' NAAC (National Assessment and Accreditation Council), 'সৰ্বভাৰতীয় কাৰিকৰী শিক্ষা সংসদ' AICTE (All India Council of Technical Education) ৰ সহযোগত গঠিত 'ৰাষ্ট্ৰীয় প্ৰত্যায়ন পৰিষদ' NBA (National Board of Accreditation) আৰু 'ভাৰতীয় কৃষি গৱেষণা পৰিষদ' ICAR (Indian Council of Agricultural Research) ৰ সহযোগত গঠিত হোৱা প্ৰত্যায়ন পৰিষদ AB (Accreditation Board)। এই সংস্থাসমূহৰ ভিতৰত 'ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদে (NAAC) ভাৰতবৰ্ষত থকা কলেজ আৰু বিশ্ববিদ্যালয়বোৰত উচ্চ শিক্ষাৰ মান সময়ে সময়ে অনুসন্ধান কৰি মূল্যায়নৰ ভিত্তিত একোটা গ্ৰেড প্ৰদান কৰে। আন্তৰ্জাতিক স্তৰতো ১৯৯১ চনতে উচ্চ শিক্ষাৰ কৃতিত্ব নিৰ্ণয়ৰ বাবে INQAAHE (International Network of Quality Assurance Agencies in Higher Education) নামৰ এটা সংস্থা গঠিত হৈছে। ভাৰতবৰ্ষৰ 'নাক'ৰ উপৰিও বিশ্বৰ শতাধিক সংস্থা ইয়াৰ সদস্যভুক্ত হৈছে।

১৯৯৪ চনতে UGC ৰ সহযোগত গঠিত 'নাকে' কলেজ আৰু বিশ্ববিদ্যালয়সমূহৰ শিক্ষা আৰু গৱেষণাৰ গুণগত মান বাহাল ৰখাৰ বাবে এটি উচ্চ পৰ্যায়ৰ গোট হিচাপে কাম কৰি আহিছে। সেয়ে উচ্চ শিক্ষাৰ মূল্যায়ন আৰু প্ৰত্যায়নৰ বাবে 'নাকে' তলত উল্লেখ কৰাৰ দৰে তিনিটা প্ৰধান কাম হাতত লয়।

● 'নাকে' নিৰ্ধাৰণ কৰা মতে কলেজসমূহে (বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰত প্ৰতিটো বিভাগে) আত্ম মূল্যায়ন প্ৰতিবেদন (Self-Study Report) প্ৰস্তুত কৰিব লাগে।

● 'নাক'ৰ প্ৰতিনিধিয়ে আত্ম মূল্যায়ন প্ৰতিবেদনৰ যুক্তিযুক্ততা পৰীক্ষা কৰি একোখন অনুষ্ঠানৰ প্ৰতিবেদন প্ৰেৰণ কৰে।

● প্ৰতিনিধিয়ে প্ৰস্তুত কৰা অনুষ্ঠানৰ প্ৰতিবেদন নাকে অনুমোদন কৰি 'গ্ৰেড' প্ৰদান কৰে।

মূল্যায়নৰ বাবে যদি এখন কলেজৰ কথা ধৰা হয়, তেতিয়া 'নাকে' উক্ত অনুষ্ঠানখন প্ৰতি পাঁচ বছৰৰ অন্তৰত মূল্যায়ন কৰিব। এই মূল্যায়নত প্ৰধানকৈ সেই কলেজখনৰ উন্নয়নৰ দিশ জড়িত হৈ থাকে। উক্ত মূল্যায়নত কোন কলেজে কি 'গ্ৰেড' পালে তাৰ লগত ইউ.জি.চি.ৰ অনুদানৰ সম্পৰ্ক থাকিব। কাৰণ কলেজ এখনৰ বিল্ডিং, লাইব্ৰেৰী, লেবৰেটৰী, শিক্ষক-কৰ্মচাৰীৰ দৰমহা, 'গৱেষণা গ্ৰেণ্ট' আদি প্ৰায় সকলোবোৰ খৰচৰ সিংহভাগ ইউ.জি.চি. অনুদানৰ পৰাই কলেজলৈ আহে। উপযুক্ত গ্ৰেডৰ অভাৱত ইউ.জি.চি.ৰ অনুদান বন্ধ হ'লে কলেজ চলোৱাত একেবাৰে অসুবিধা হ'ব।

উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহত 'নাকে' প্ৰথম পৰ্যায়ৰ মূল্যায়নৰ পিছত বিধিসন্মতভাৱে "আভ্যন্তৰীণ মান নিৰ্ধাৰণ কোষ" (IQAC : Internal Quality Assurance Cell) গঠনৰ পৰামৰ্শ দিছে। এই কোষে একোখন অনুষ্ঠানৰ প্ৰধান চালিকা শক্তি হিচাপে থাকি অনুষ্ঠানখনৰ গুণগত মান নিৰ্ধাৰণ, মান নিশ্চিতকৰণ, অভাৱ আদি পূৰণৰ আঁচনি প্ৰস্তুত কৰে আৰু নাকৰ নিৰ্দেশ বিধি অনুসৰি অনুষ্ঠানখনৰ উন্নয়নৰ ক্ষীপ্ৰ ব্যৱস্থাৰ বাবে কাম-কাজ হাতত লয়। অনুষ্ঠানখনৰ লগত জড়িত সকলোৰে সহযোগত অনুষ্ঠানখনিৰ উন্নয়নকল্পে 'নাকে' IQAC ক দহটা কৰ্মসূচী (Action point) লৈ কাম কৰাৰ পৰামৰ্শ দিছে; সেইকেইটা তলত উল্লেখ কৰা হ'ল ঃ

● অনুষ্ঠানখনৰ গুণগত মান উন্নয়নৰ বাবে বছৰেকীয়া আঁচনি প্ৰস্তুত কৰা,

● নিৰ্ধাৰিত বিষয়ত ছাত্ৰ-ছাত্ৰীৰ পৰা অনুষ্ঠানৰ বিভিন্ন কাম-কাজ সম্পৰ্কে মতামত (feedback) লোৱা,

● শৈক্ষিক আৰু প্ৰশাসনিক দিশত উন্নয়ন সাধন কৰা,

● উচ্চ শিক্ষাৰ বিভিন্ন দিশ পৰ্যালোচনা কৰা আৰু অন্যান্য উচ্চ শিক্ষানুষ্ঠানৰ লেখিয়া 'ভাল অনুশীলন' (Best Practice) অভ্যাস কৰা,

● বিভিন্ন বিষয়ত 'কৰ্মশালা আৰু আলোচনা চক্ৰ' অনুষ্ঠিত কৰি সেইবোৰৰ পৰামৰ্শৱলী প্ৰচাৰ কৰা,

● গুণগত মানৰ বাবে বিভিন্ন নতুন অনুশীলন আৰম্ভ কৰা,

● শিক্ষাকেন্দ্ৰিক পৰিৱেশ গঢ়ি তোলা,

● অনুষ্ঠানৰ আভ্যন্তৰীণ উন্নয়নৰ বাবে নীতি আৰু অনুশীলন প্ৰস্তুত কৰা আৰু সকলোকে অংশীদাৰ কৰা

● অনুষ্ঠানৰ মুখ্য গোট হিচাপে সকলো কামত অংশ লোৱা আৰু

● অনুষ্ঠানখনৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণৰ প্ৰতিবেদন AQAR (Annual Quality Assurance Report) প্ৰস্তুত কৰা।

উচ্চ শিক্ষাৰ গুণগত মান বৰ্তাই ৰখাৰ বাবে 'নাকে' ইতিমধ্যে কলেজ আৰু বিশ্ববিদ্যালয়সমূহক সাতটা মূল বিষয় (Criteria) নিৰ্দিষ্ট কৰি দিছে আৰু 'নাক'ৰ বিধিমতে সেই বিষয়কেইটাৰ আত্ম মূল্যায়ন শিক্ষানুষ্ঠানে কৰিব লাগে। সেই সাতটা বিষয় যেনে- (১) পাঠ্যক্ৰমৰ ব্যৱস্থা (Curricular Aspects) (২) শিক্ষাদান, শিক্ষা গ্ৰহণ আৰু মূল্যায়ন (Teaching-Learning and Evaluation) (৩) গৱেষণা, পৰামৰ্শ আৰু সম্প্ৰসাৰণ (Research Consultancy and Extension) (৪) বুনিয়াদী সুবিধা আৰু শিক্ষণ সম্পদ (Infrastructure

and Learning Resources) (৫) ছাত্ৰ-ছাত্ৰীৰ সহায়ক আৰু অগ্ৰগতি (Student support and progression) (৬) শাসন আৰু পৰিচালনা (Governance and Leadership) (৭) নতুন ব্যৱহাৰিক অনুশীলন (Innovative Practices)।

'নাকে' উক্ত বিষয়সমূহৰ লগত প্ৰতিটোতে কিছুমান প্ৰধান ভাগ নিৰ্ধাৰণ কৰি মূল্যায়নৰ বাবে নিৰ্দিষ্ট নম্বৰো ঠিক কৰি দিছে। তলত বিষয়সমূহ চমুকৈ আলোচনা কৰা হ'ল।

পাঠ্যক্ৰম ব্যৱস্থাৰ জৰিয়তে অনুষ্ঠানখনৰ লক্ষ্য আৰু উদ্দেশ্য সাধনৰ বাবে অনুষ্ঠানখনে গ্ৰহণ কৰা পাঠ্যক্ৰম কিমান উপযোগী হৈছে, পাঠ্যক্ৰম উন্নয়নৰ দিহা, নতুন পাঠ্যক্ৰম সংযোগ আদিৰ লগত উক্ত বিষয়ৰ 'ভাল অনুশীলন' (Best practice) এটিও ল'ব লাগে। এই অংশত মূল পাঁচটা বিষয়ৰ মূল্যায়নৰ বাবে সৰ্বমুঠ ৫০ নম্বৰ থাকে।

শিক্ষাদান, শিক্ষাগ্ৰহণ আৰু মূল্যায়ন— এই অংশ উল্লিখিত সাতটা বিষয়ৰ ভিতৰতে আটাইতকৈ গুৰুত্বপূৰ্ণ; কাৰণ ইয়াত 'নাক'ৰ বিধিমতে মূল্যায়নৰ বাবে মুঠ ৪৫০ নম্বৰ আছে। ইয়াৰ অন্তৰ্গত মূল বিষয়সমূহ এখন কলেজৰ বাবে ধৰিলে কলেজখনত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্ত্তি প্ৰক্ৰিয়া, ছাত্ৰ-ছাত্ৰীৰ মূল প্ৰয়োজনীয়তা, শিক্ষাদান পদ্ধতি, শিক্ষকসকলৰ অৰ্হতা, পৰীক্ষা পদ্ধতি আদিৰ লগতে 'ভাল অনুশীলন' এটিও ল'ব লাগে আৰু ইয়াৰ মূল্যায়ন কিমান সুচাৰুভাৱে কৰা হয় তাৰেই পৰ্যালোচনা হয়।

তৃতীয় অংশ- গৱেষণা, পৰামৰ্শ আৰু সম্প্ৰসাৰণ। ইয়াত কলেজখনত চলা গৱেষণা কাৰ্য, শিক্ষকসকলে পাৰদৰ্শী ব্যক্তি হিচাপে আনৰ বাবে বিভিন্ন বিষয়ত আগবঢ়োৱা পৰামৰ্শ, সেৱা আৰু সমাজ তথা জনসাধাৰণৰ কল্যাণৰ বাবে শিক্ষাদানৰ উপৰিও আগবঢ়োৱা অন্যান্য সেৱাৰ লগতে এই বিষয়ৰ 'ভাল অনুশীলন' এটিৰো মূল্যায়ন কৰিব লাগে। এই বিষয়ত মুঠ ১০০ নম্বৰ আছে।

বুনিয়াদী সুবিধা আৰু শিক্ষণ সম্পদ হৈছে- কলেজখনৰ ছাত্ৰ-ছাত্ৰীৰ বাবে থকা শ্ৰেণীকোঠা, আলোচনা কক্ষ, বিজ্ঞানাগাৰ, হোষ্টেল, ব্যায়ামশালা, খেল-ধেমালিৰ সুবিধা, কেণ্টিন আদিৰ সা-সুবিধা আৰু শিক্ষাৰ সম্পদ হিচাপে মূলতঃ লাইব্ৰেৰীৰ বিষয়ে পৰ্যালোচনাৰ বিষয় অন্তৰ্ভুক্ত হৈছে। এই শিতানত শিক্ষক-ছাত্ৰ-ছাত্ৰীৰ বাবে Information and Communication Technology (ICT) সুবিধা প্ৰদান কৰা আৰু মূল বিষয়টিৰ লগতে লাইব্ৰেৰীটো এটি 'ভাল অনুশীলন' ল'ব লাগে। এই শিতানত মূল্যায়নৰ বাবে মুঠ ১০০ নম্বৰ থাকে।

ছাত্ৰ-ছাত্ৰীৰ সহায়ক আৰু অগ্ৰগতি মূল্যায়নৰ পঞ্চম অংশ। কলেজখনত থকা সময়ছোৱাত অনুষ্ঠানখনে ইয়াৰ ছাত্ৰ-ছাত্ৰীসকললৈ সকলো ধৰণৰ সা-সুবিধা আগবঢ়াই তেওঁলোকৰ উন্নয়নত কিমান মনোনিবেশ কৰিছে- এই শিতানত তাৰ পৰ্যালোচনা কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলৰ অনুষ্ঠানখনিৰ প্ৰায় সকলো বিষয়তে মতামত (feedback) লোৱাৰ ব্যৱস্থা থাকে লগতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ সংস্থা আৰু অনুষ্ঠানখনিৰ উন্নতিকল্পে তেওঁলোকৰ অৰিহণাকো এই অংশত সামৰি লোৱা হৈছে। এই শিতানতো এটি 'ভাল অনুশীলন' ল'ব লাগে। এই শিতানত সৰ্বমুঠ নম্বৰ ১০০।

শাসন আৰু পৰিচালনা হ'ল মূল্যায়নৰ ষষ্ঠ অংশ। ইয়াত শিক্ষানুষ্ঠানখনৰ পৰিচালনা, শাসন পদ্ধতি, অধ্যক্ষৰ নেতৃত্ব, শিক্ষক তথা কৰ্মচাৰীসকলৰ নিয়োগ ব্যৱস্থা আৰু তেওঁলোকৰ কাৰ্যদক্ষতা উন্নয়নৰ পদ্ধতি, শিক্ষানুষ্ঠানখনৰ আৰ্থিক ব্যৱস্থাপনা, সম্পদ আহৰণ, বাজেট আদিৰ লগতে এটি 'ভাল অনুশীলন' এই শিতানত সামৰি লোৱা হৈছে; ইয়াত সৰ্বমুঠ নম্বৰ ১৫০ থাকে।

নতুন ব্যৱহাৰিক অনুশীলন মূল্যায়নৰ শেষ তথা সপ্তম অংশ। শিক্ষা প্ৰদান, শিক্ষা গ্ৰহণ আদিৰ উপৰিও এখন সামাজিক অনুষ্ঠান হিচাপে সমাজৰ উন্নতিৰ হকে শিক্ষানুষ্ঠানখনৰ অৰিহণা, ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যতৰ বাবে দেখুওৱা দায়বদ্ধতা, অনুষ্ঠানখনিৰ গুণগত মান প্ৰদৰ্শনৰ লগতে অনুষ্ঠাখনিৰ বিদ্যায়তনিক পৰিৱেশ উন্নয়নৰ বাবে এই শিতানত নতুন অনুশীলন লোৱাৰ উপৰিও বৰ্তমান ব্যৱস্থাৰ পৰ্যালোচনা কৰা হয়।

উপৰোক্ত এই সাতটা মূল বিষয়ৰ মূল্যায়ন আৰু প্ৰত্যায়নৰ বাবে শিক্ষানুষ্ঠানখনে পাঁচ বছৰৰ মূৰত 'নাক'ৰ পৰিদৰ্শনৰ বাবে অনুমতি বিচাৰি আবেদন জনাব লাগে। 'নাক'ৰ 'ফৰমেট'মতে কলেজখনৰ সকলো কথা ভৰাই দি এখন 'আত্ম বিশ্লেষণ ৰিপৰ্ট' লিখিব লাগে। 'নাক'ৰ অনুমতি সাপেক্ষে বিধিমতে প্ৰয়োজনীয় ফিজ আদি দি ইতিমধ্যে প্ৰস্তুত কৰা 'আত্ম বিশ্লেষণ ৰিপৰ্ট' 'নাক'ৰ বাংগালোৰত থকা কাৰ্যালয়লৈ পঠিয়াব লাগে। 'নাকে' এই ৰিপৰ্ট অধ্যয়ন কৰি অনুষ্ঠানখনলৈ এটি বিশেষ দল (Peer Team) গঠন কৰি পঠিয়াব। তেওঁলোকে অনুষ্ঠানখনৰ পৰিচালনা সমিতি, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী, পিতৃ-মাতৃ, অভিভাৱক, সমাজৰ বিশিষ্ট ব্যক্তিসকলৰ সৈতে সকলো বিষয় পৰীক্ষা আৰু পৰ্যালোচনা কৰি ৰিপৰ্ট প্ৰস্তুত কৰে আৰু 'নাকে' উক্ত ৰিপৰ্ট গ্ৰহণ কৰি অনুষ্ঠানখনলৈ 'গ্ৰেড' প্ৰদান কৰে।

'নাকে' বৰ্তমানে পূৰ্বৰ মূল্যায়ন প্ৰক্ৰিয়া সলনি কৰি ২০০৭ চনৰ ১ লা এপ্ৰিলৰ পৰা প্ৰযোজ্য হোৱাকৈ উচ্চ শিক্ষানুষ্ঠানসমূহৰ মূল্যায়নৰ নতুন ব্যৱস্থা লৈছে। এই ব্যৱস্থাত 'নাকে' একোখন উচ্চ শিক্ষানুষ্ঠানৰ গুণগত মান, মূল লক্ষ্য আৰু মান বাহাল ৰখাৰ বাবে কিছু নতুন দিশ তলত দিয়াৰ দৰে সন্নিবিষ্ট কৰিছে।

- প্ৰতিটো মূল বিষয়ৰ প্ৰধান দিশ চিনাক্ত কৰি মূল্যায়নৰ বাবে বিষয়সমূহৰ সূচক প্ৰয়োগ কৰা,
- প্ৰতিটো বিষয়তে Key aspectwise Weightage দিয়া,
- মূল্যায়নৰ পূৰ্বৰ পইণ্ট স্কেল সলনি কৰি letters 'গ্ৰেড' 'A', 'B', 'C' আৰু 'D' প্ৰদান কৰা আৰু
- শিক্ষানুষ্ঠানখনৰ পূৰ্বৰ Scoring Pattern শতাংশ সলনি কৰি Cumulative Grade Point Average (CGPA) 4 পইণ্ট স্কেলত প্ৰবৰ্তন কৰা।

এই নতুন প্ৰক্ৰিয়াৰ দ্বাৰা একোখন শিক্ষানুষ্ঠানত সাতটা মূল মূল্যায়ন বিষয়ৰ Key aspect বোৰত মূল্যায়নসূচক ব্যৱহাৰ কৰি 'নাকে' নিৰ্ধাৰিত সূচীমতে মূল্যায়ন কৰি ক্ৰমে A→Very Good, B→Good, C→ Satisfactory আৰু D→ Unsatisfactory 'গ্ৰেড' দিয়াৰ ব্যৱস্থা কৰিছে। সেই মৰ্মে এখন শিক্ষানুষ্ঠানে 'A' গ্ৰেড পাব লাগিছে CGPA ৰ ন্যূনতম 3.01 পাব লাগিব আৰু CGPA

ৰ মূল্যাংকৰ ক্ৰম 3.01-4.00 ভিতৰত পৰিব। 'B' গ্ৰেড পাব লাগিলে CGPA ৰ ন্যূনতম 2.01 পাব লাগিব CGPA ৰ মূল্যাংক 2.01-3.00 ভিতৰত থাকিব। সেইদৰে 'C' গ্ৰেড পালে CGPA ৰ ন্যূনতম 1.51 পাব লাগিব আৰু মূল্যাংক 1.51-2.00 ৰ ভিতৰত পৰিব। কোনো শিক্ষানুষ্ঠানে 'D' গ্ৰেড পালে CGPA 1.50 বা তাৰ কম হ'ব আৰু অনুষ্ঠানখনে মূল্যায়ন মূল্য হেৰুৱাব আৰু Unsatisfactory ঘোষণা হ'ব।

'নাক'ৰ মূল্যায়নে এখন উচ্চ শিক্ষাৰ অনুষ্ঠানৰ আভ্যন্তৰীণ মান পৰ্যালোচনা কৰি কেনে ধৰণৰ অৱস্থানত আছে তাক নিৰ্ণয় কৰে আৰু সেই বাবে অনুষ্ঠানখনৰ SWOT (Stength, Weakness, Opportunity and Threat) পৰ্যালোচনা কৰি উন্নয়ন ব্যৱস্থা লোৱা হয়। আমাৰ মঙলদৈ মহাবিদ্যালয়ো বৰ্তমানে 'নাক'ৰ দ্বিতীয় পৰ্যায়ৰ মূল্যায়নৰ সময় সমাগত। সেয়ে অনুষ্ঠানখনিৰ SWOT পৰ্যালোচনা কৰি থুলমূল আভাস এটি দাঙি ধৰা হ'ল।

আমাৰ মঙলদৈ মহাবিদ্যালয় ২০০৪ চনৰ ফেব্ৰুৱাৰী মাহত 'নাকে' পৰিদৰ্শন আৰু মূল্যায়ন কৰি $C^{++}$ 'গ্ৰেড' প্ৰদান কৰে; লগতে অনুষ্ঠানখনৰ আভ্যন্তৰীণ উন্নয়নৰ ভালেমান পৰামৰ্শ আগবঢ়ায়। প্ৰথম পৰ্যায়ৰ মূল্যায়নৰ পিচত 'নাকে' উচ্চ শিক্ষাৰ গুণগত মান নিশ্চিতকৰণৰ বাবে বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহত "আভ্যন্তৰীণ মান নিৰ্ধাৰণ কোষ" IQAC (Internal Quality Assurance Cell) গঠন কৰাৰ পৰামৰ্শ আগবঢ়ায়। সেই মৰ্মে আমাৰ মহাবিদ্যালয়তো 'নাক'ৰ বিধি অনুযায়ী ২০০৫ চনৰ জুন মাহত IQAC গঠিত হৈছে; মহাবিদ্যালয়ৰ অধ্যক্ষগৰাকী এই কোষৰ সভাপতি আৰু এগৰাকী জ্যেষ্ঠ শিক্ষক সমন্বয়ক (Co-ordinator) হিচাপে থাকি IQAC ৰ সকলো সদস্যৰ লগত কাম-কাজত জড়িত হৈ আছে। 'নাক'ৰ পৰামৰ্শৰ ভিত্তিত আগতে উল্লেখ কৰা সাতটা মূল বিষয়ৰ বাবে IQAC ৰ সাতটা কোষ মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীৰে গঠন কৰা হৈছে আৰু প্ৰতিটো কোষতে দুজনকৈ শিক্ষক-শিক্ষয়িত্ৰী আহ্বায়ক হিচাপে থাকি কাম-কাজ চলাই আছে। মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান উন্নয়নৰ বাবে IQAC ৰ লগতে প্ৰধানকৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ মাননীয় সদস্যসকল, সকলো শিক্ষক-শিক্ষয়িত্ৰী-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকল জড়িত হৈ কামত অগ্ৰসৰ হৈছে। মহাবিদ্যালয়খনৰ আন কে'বাটাও IQAC ৰ অংশীদাৰ কোষে কাম কৰি আছে— তাৰে ভিতৰত স্বাস্থ্য সেৱা কোষ, কেৰিয়াৰ কাউন্সেলিং কোষ, গ্ৰীভন্সে ৰিড্ৰেচেন চেল, উইমেন ষ্টাডি আৰু ৰিচাৰ্চ চেল, এন.চি.চি., এন.এচ.এচ., লোকেল আৰ্ট এণ্ড কালচাৰ চেল আদি উল্লেখযোগ্য। মহাবিদ্যালয়ৰ শিক্ষক গোট, কৰ্মচাৰী গোট, ছাত্ৰ একতা সভাইও সততে IQAC ৰ কাম কাজ চলোৱাত সকলো প্ৰকাৰে সহায় কৰি আহিছে।

আমাৰ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ধাৰণ কোষে সকলোৰে সহযোগত অনুষ্ঠানখনিৰ গুণগত মান উন্নয়নৰ বাবে তলত দিয়া ধৰণে তিনিটা স্তৰত কামসমূহ পৰ্যালোচনা কৰিছে আৰু আভ্যন্তৰীণ মান উন্নয়নৰ বাবে আঁচনি লৈছে।

● প্ৰথম পৰ্যায়ত ঃ সাতটা মূল বিষয়ৰ পৰ্যালোচনা আৰু উন্নয়ন কৰা।

● দ্বিতীয় স্তৰত ঃ মহাবিদ্যালয়ৰ মূল লক্ষ্য আৰু উদ্দেশ্য সাধনৰ বাবে সকলোৰে পৰামৰ্শ মতে কাৰ্যাৱলীৰ আঁচনি লোৱা।

● তৃতীয় স্তৰত ঃ আঁচনিসমূহ কাৰ্যকৰী কৰাৰ ব্যৱস্থা কৰা আদি।

ইয়াৰ প্ৰথম পৰ্যায়ৰ SWOT পৰ্যালোচনাৰ কিয়দংশ উল্লেখ কৰা হ'ল।

(১) মহাবিদ্যালয়ৰ বৰ্তমান শক্তি (Strength) ঃ মঙলদৈ মহাবিদ্যালয় ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথৰ দক্ষিণপাৰে সুন্দৰ পৰিৱেশেৰে মঙলদৈ নগৰৰ পশ্চিম সীমাত অৱস্থিত। অনুষ্ঠানখনত প্ৰায় ২২০০ ছাত্ৰ-ছাত্ৰীৰে কলা আৰু বিজ্ঞান শাখাত মেজৰসহ স্নাতক পৰ্যায়লৈ আৰু অসমীয়া বিভাগত স্নাতকোত্তৰ শ্ৰেণীৰে ১৮ টা বিভাগ আছে। পাঠদানৰ সুন্দৰ পৰিৱেশৰ লগতে নতুনকৈ কম্পিউটাৰ চায়েন্স, DOEACC 'O' Level পাঠ্যক্ৰম, PGDCA আদি পাঠ্যক্ৰম আছে। তদুপৰি ইন্দিৰা গান্ধী মুক্ত বিশ্ববিদ্যালয়ৰ (IGNOU) ভালেমান বিষয়ৰ পাঠদানৰো ব্যৱস্থা আছে। মহাবিদ্যালয়ত উন্নত মানৰ কম্পিউটাৰ লেবৰেটৰী, ওৱেবচাইট, ব্যায়ামশালা, ছাত্ৰী নিবাস, প্ৰায় ৫০,০০০ৰ অধিক মূল্যৱান গ্ৰন্থেৰে 'চেণ্ট্ৰেল লাইব্ৰেৰী' আৰু পাঠদানৰ বাবে LCD, Laptop, OHP, Television set আদিও আছে। ইতিমধ্যে মহাবিদ্যালয়ত 'Internet' ব্যৱস্থা আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে 'ইডুচেট'ৰ ব্যৱস্থা হৈছে। খোৱা পানীৰ বাবে অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগে কলেজ চৌহদত 'মঙলা নগৰ পানী যোগান আঁচনি'ৰ যোগেদি বিশুদ্ধ খোৱাপানী যোগানৰ ব্যৱস্থা কৰিছে।

বৰ্তমানে মহাবিদ্যালয়ত ৭৪ জন অৰ্হতাসম্পন্ন শিক্ষক-শিক্ষয়িত্ৰী আছে তাৰ ভিতৰত প্ৰবক্তা, জ্যেষ্ঠ প্ৰবক্তা আৰু বাছনি মানৰ প্ৰবক্তাসকলে নিয়মিতভাৱে পাঠদান কৰি আহিছে। শিক্ষক-শিক্ষয়িত্ৰীসকলৰ ১৬ জন ডক্টৰেট, ১৮ জন এম.ফিল ডিগ্ৰীধাৰী, তিনিজন শিক্ষক (ৰসায়ন বিজ্ঞানৰ এজন, ভূগোল বিজ্ঞানৰ এজন আৰু উদ্ভিদ বিজ্ঞানৰ এজন) এম.ফিল. গাইড, অসমীয়া বিভাগৰ এজন শিক্ষক আৰু অৰ্থনীতি বিভাগৰ এজনী শিক্ষয়িত্ৰী Ph.D. গাইড আৰু আন ৮ জন শিক্ষকে গৱেষণাত ব্যস্ত হৈ আছে। প্ৰবক্তাসকলৰ বেছিভাগেই পাৰদৰ্শী ব্যক্তি হিচাপে আলোচনা চক্ৰ, ৰাজহুৱা সভা-সমিতি, বিজ্ঞান সমিতি, ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ আদিতো ভাগ লৈ আহিছে আৰু কে'বাজনে ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত গৱেষণা পত্ৰও লেখিছে। ইউ.জি.চি.ৰ আৰ্থিক অনুদানেৰে উদ্ভিদ বিজ্ঞান বিভাগত এটা Major Research Project, ভূগোল বিজ্ঞান বিভাগ, উদ্ভিদ বিজ্ঞান বিভাগ, অসমীয়া আৰু অৰ্থনীতি বিভাগত একোজন শিক্ষকে একোটাকৈ Minor Research Project চলাই আছে।

মহাবিদ্যালয়ৰ শৈক্ষিক দিশো যথেষ্ট উন্নত। বিগত সময়ছোৱাত ছাত্ৰ-ছাত্ৰীসকলে চূড়ান্ত পৰীক্ষাত ভাল ফল দেখুওৱাৰ উপৰিও ভূগোল, শিক্ষা, প্ৰাণবিজ্ঞান, উদ্ভিদ বিজ্ঞান, অসমীয়া, বুৰঞ্জী, গণিত, পৰিসংখ্যা, সংস্কৃত আদি বিষয়ত প্ৰথম শ্ৰেণী লাভ কৰিবলৈ সক্ষম হৈছে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে তৰ্ক প্ৰতিযোগিতা, নাট প্ৰতিযোগিতা, এন.চি.চি. আদিত অংশ গ্ৰহণ কৰি ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ সন্মান

বুটলি আনিবলৈও সক্ষম হৈছে। ইতিমধ্যে মহাবিদ্যালয় চৌহদত সৌৰশক্তিৰ সহায়ত পোহৰৰ ব্যৱস্থাও আৰম্ভ হৈছে।

(২) দুৰ্বলতা (Weakness) ঃ আমাৰ মহাবিদ্যালয় ওপৰোক্ত বিষয়সমূহত শক্তিশালী যদিও ভালেমান দিশত দুৰ্বল। এইবোৰৰ ভিতৰত শ্ৰেণীকোঠাৰ অভাৱ, হোষ্টেলৰ অভাৱ, কিছুমান Income generating course নাই, কিছুমান বিভাগত শিক্ষকৰ অভাৱ, ICT ৰ ব্যৱস্থা, অটোমেচন, প্ৰয়োজনীয় গৱেষণাৰ বাবে লেববেটৰী আৰু কলেজৰ প্ৰয়োজনীয় বিজুলী যোগানৰ বাবে এটা Transformer ৰ দৰকাৰ।

(৩) অসুবিধা (Threat) ঃ শ্ৰেণীকোঠাৰ অভাৱত প্ৰয়োজনীয় ভালেমান বিষয় নতুনকৈ আৰম্ভ কৰিবৰ অসুবিধা হৈছে। তেনেদৰে ক্ৰমাগতভাৱে শিক্ষাৰ খৰচ বাঢ়ি অহা আৰু স্নাতক ডিগ্ৰী লোৱাৰ পাছত নিযুক্তিৰ স্থান নোহোৱা বাবেও ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ক্ৰমাগতভাৱে কমি যোৱা দেখা গৈছে। কিছুমান বিভাগত কম্পিউটাৰৰ ব্যৱস্থা নোহোৱাত শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ বাবে অসুবিধাও হৈছে।

(৪) সুবিধা (Opportunity) ঃ মঙ্গলদৈ মহাবিদ্যালয়ে আভ্যন্তৰীণ উন্নয়নৰ বাবে ইতিমধ্যে ইউ.জি.চি., নাক, চৰকাৰ, এম.এল.এ., এম.পি., কিছুসংখ্যক প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু ৰাইজৰ সহায় আৰু আৰ্থিক অনুদান পাইছে। তদুপৰি ছাত্ৰ-ছাত্ৰীৰ বিকাশৰ বাবে কেইবাটাও বেচৰকাৰী সংগঠনৰ লগত বিভিন্ন শৈক্ষিক বিষয়ৰ আলোচনা চক্ৰ, কৰ্মশালা আদি অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ উন্নয়ন সাধিছে— তাৰে ভিতৰত 'অসম বিজ্ঞান সমিতি', 'ৰাষ্ট্ৰীয় শিশু বিজ্ঞান কংগ্ৰেছ', 'আৰণ্যক', 'নেচাৰ' আদিয়েই প্ৰধান। উল্লেখযোগ্য যে, মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলৰ সহযোগত গঠিত 'ELOFRD' নামৰ NGO টিৰ উদ্যোগত 'কৃষি বিভাগ'ৰ কিছু আৰ্থিক সাহায্যত 'Herbal Garden' এখন পতা হৈছে; আৰু ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলৰ সহায়ক হোৱাৰ উপৰিও উদ্যানখনৰ ঔষধি আৰু সুগন্ধি উদ্ভিদে নিশ্চয় সমাজখনকো উপকৃত কৰিব। উদ্যানখনৰ সামগ্ৰিক উন্নয়নৰ বাবে সকলোৰে সহায় বিচাৰিলোঁ। মঙলদৈ মহাবিদ্যালয় দেশৰ ভিতৰতে জিলিকি উঠক, এই কামনাৰে।

জয়তু মঙলদৈ মহাবিদ্যালয়। ❑

# বিজ্ঞান শিক্ষাৰ প্ৰসাৰ আৰু সমস্যা

**শচীন চহৰীয়া**
জ্যেষ্ঠ প্ৰবক্তা (উদ্ভিদ বিজ্ঞান বিভাগ)

বিজ্ঞান মানে সত্য। কোনো এটা দিশৰ ওপৰত শুদ্ধভাৱে বিশ্লেষণ কৰি নিৰূপণ কৰাই হ'ল বিজ্ঞানৰ মূল উদ্দেশ্য। বিজ্ঞানৰ নতুন আৱিষ্কাৰৰ ফলত পৰিবৰ্তনৰ মাজেৰে সমাজত ন-ন দিশৰ সূচনা হয় আৰু সমাজৰ মঙ্গল সাধিত হয়, সমাজত সুখ আৰু শান্তি প্ৰতিষ্ঠিত হয়, সমাজ প্ৰগতিশীল হয়।

কলা বিষয়ৰ দৰে বিজ্ঞান শিক্ষা আমাৰ শিক্ষানুষ্ঠানসমূহত প্ৰাথমিক স্তৰৰ পৰা বিশ্ববিদ্যালয়লৈ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্তিৰে পাঠদানৰ ব্যৱস্থা কৰি অহা হৈছে। প্ৰাথমিক আৰু মাধ্যমিক স্তৰত বৰ্ণনাধৰ্মী তথা বক্তৃতা ধৰ্মী বিজ্ঞান শিক্ষা পদ্ধতিৰ পৰিৱৰ্তে উচ্চতৰ আৰু তাৰ ওপৰ স্তৰত তাত্ত্বিক আৰু ব্যৱহাৰিক এই দুয়োটা দিশেৰে পাঠদান কৰা হয় আৰু ছাত্ৰ-ছাত্ৰীক প্ৰায়োগিক দিশৰ প্ৰতি আগবঢ়াই দিয়া হয়। গৱেষণা কাৰ্যৰ জৰিয়তেও বিজ্ঞানৰ ন-ন বস্তু আৱিষ্কাৰৰ প্ৰচেষ্টা চলাই আহিছে। গৱেষণাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক চৰকাৰীভাৱেও যথেষ্ট সুবিধা বা অনুদান আগবঢ়াই বিজ্ঞানৰ লগতে আন আন ক্ষেত্ৰতো প্ৰগতিশীল বাস্তৱ দিশৰ ব্যৱস্থা কৰি অহা হৈছে। ভাৰতৰ সকলো বিশ্ববিদ্যালয়তে কলা/বণিজ্য আৰু আন আন শাখাৰ লগতে বিজ্ঞান শিক্ষাৰ পাঠ্যক্ৰমো প্ৰৱৰ্তন কৰা হয়। অসমতো দুখন কেন্দ্ৰীয় বিশ্ববিদ্যালয়কে ধৰি পাঁচখন বিশ্ববিদ্যালয়ত বিজ্ঞান শিক্ষা আৰু ১৮৯ খন প্ৰাদেশীকৃত মহাবিদ্যালয়ৰ লগতে প্ৰায় ৫৭ খন তদৰ্থ আৰু ভেনচাৰ মহাবিদ্যালয়ৰ বেছি সংখ্যক মহাবিদ্যালয়তে বিজ্ঞান শাখাত পাঠদান কাৰ্য প্ৰৱৰ্তন কৰা হৈছে আৰু বিভিন্ন ধৰণে ছাত্ৰ-ছাত্ৰীক সুবিধা প্ৰদান কৰি অহা হৈছে।

কিন্তু বিজ্ঞান শিক্ষাৰ প্ৰসাৰত যোৱা দশকৰ আগৰে পৰাই বিভিন্ন সমস্যাই গা কৰি উঠিছে। অসমৰ সকলো মহাবিদ্যালয়তে বিজ্ঞান শাখাত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দ্ৰুত গতিত হ্ৰাস পাইছে। বহু মহাবিদ্যালয়ত স্নাতক পৰ্যায়ত কেতবোৰ মুখ্য বিষয়ত বিজ্ঞান শাখাত ছাত্ৰ-ছাত্ৰী পোৱাই নাযায়। বিজ্ঞান শিক্ষাৰ ছাত্ৰ-ছাত্ৰীৰ অভাৱনীয় হ্ৰাসে কেইটিমান বছৰৰ ভিতৰতে সমাজত এক প্ৰত্যাহ্বান হৈ নিশ্চয় থিয় দিব। এক বৃহৎ এলেকা পৰ্যন্ত বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰী পাবলৈ নোহোৱা হৈছে। অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীৰ মনৰ যি পৰিবৰ্তন, বিজ্ঞান শিক্ষাৰ প্ৰতি অমনোযোগিতা, ছাত্ৰ-ছাত্ৰীৰ অনাহক বিজ্ঞান শিক্ষাৰ প্ৰতি ভয়, সংশয় আঁতৰ কৰিব নোৱাৰিলে অসমৰ শিক্ষা জগতত এক মাধমাৰ দিশ হিচাপে নিশ্চয় প্ৰতিফলিত হ'ব। স্নাতক পৰ্যায়ত বিজ্ঞান শাখাত ছাত্ৰ-ছাত্ৰীৰ দ্ৰুত হ্ৰাস পোৱাৰ কাৰণ হিচাপে বিভিন্ন বিশ্ববিদ্যালয়লৈ বিজ্ঞানৰ পাঠ্যক্ৰম, বিজ্ঞানৰ ব্যৱহাৰিক আৰু প্ৰায়োগিক দিশৰ ওপৰত প্ৰতিটো স্তৰতে প্ৰত্যাহ্বানমূলক শিক্ষা আঁচনিৰ যি প্ৰতিফলন হ'ব লাগিছিল সেইখিনি হৈ নুঠা পৰ্যন্ত আমি একো পৰিবৰ্তন আশা কৰিব নোৱাৰো। প্ৰাথমিক, মাধ্যমিক স্তৰৰ পৰা ওপৰ পৰ্যায়লৈ বিজ্ঞান শিক্ষাৰ প্ৰণালীবদ্ধ আৰু ছাত্ৰ-ছাত্ৰীৰ উপযোগী হোৱাকৈ পাঠ্যক্ৰম প্ৰৱৰ্তন এতিয়াও হৈ উঠা

নাই। বহুতো অলাগতিয়াল বিষয়-বস্তুৰে পাঠ্যক্ৰম অপ্ৰায়োগিক আৰু বাস্তৱ জীৱনৰ লগত খাপ নোখোৱা বাবে শিক্ষাৰ প্ৰতি ধাউতিৰ পৰিবৰ্তে বাধ্যত পৰিহে পঢ়া যেন লাগে।

দেশৰ ভয়ংকৰ নিবনুৱা সমস্যাও বিজ্ঞান শিক্ষাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ অনীহা হোৱাৰ আন এক কাৰণ। বিজ্ঞানৰ স্নাতক হ'লে আজি কিছু বছৰ আগলৈ চৰকাৰী চাকৰিৰ যিকোনো বিভাগত সুবিধা বা অগ্ৰাধিকাৰ পাইছিল। প্ৰাথমিক পৰ্যায়ৰ পৰা বিশ্ববিদ্যালয়ৰ উচ্চ ডিগ্ৰীলৈ বিজ্ঞান বিষয়ত তুলনামূলকভাৱে আন আন শাখাতকৈ অধিক ব্যয়বহুল হোৱা বাবে সেই অনুপাতে চৰকাৰীভাৱে বৰ্তমান বিজ্ঞানৰ ছাত্ৰগৰাকীলৈ বিশেষ সুবিধা নথকাত বৰ্তমান ভয়াবহ নিবনুৱা সমস্যাৰে জৰ্জৰিত সমাজত অধিক কষ্ট আৰু অধিক ধন ব্যয় কৰি অভিভাৱক সকলৰো বিজ্ঞান শিক্ষাৰ প্ৰতি আগৰ তুলনাত মনোযোগ হ্ৰাস পাইছে। চৰকাৰী চাকৰি বা উপযুক্ত কৰ্মসংস্থানৰ বাবে উচ্চ শিক্ষিত যুৱক-যুৱতীয়ে কলা-বিজ্ঞান-বাণিজ্য যি শাখাতেই নহওক কিয় কঠিন প্ৰতিযোগিতাত নামিবলৈ বাধ্য হৈছে। ছাত্ৰ-ছাত্ৰীসকলে জ্ঞান অৰ্জনৰ লগতে চাকৰি, নিযুক্তি নাইবা কেৰিয়াৰ প্ৰতিযোগিতাত নামিবলৈ নিজকে প্ৰস্তুত কৰিবলৈ বাধ্য হৈছে।

ব্যক্তিগত খণ্ডত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু বহুজাতিক অনুষ্ঠানসমূহেও প্ৰতিযোগিতাৰ ক্ষেত্ৰখন আৰু বেছি জটিল কৰি তোলা বাবে শিক্ষিত যুৱক-যুৱতী প্ৰৱল প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়াত পৰিছে।

বৰ্তমান দেশৰ ক্ৰটিপূৰ্ণ শিক্ষা ব্যৱস্থাই গুণগত শিক্ষানুষ্ঠান গঢ় দিয়াত বাধাৰ সৃষ্টি কৰিছে। বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়বিলাকৰ মাজত সুশৃংখল আৰ্থিক, প্ৰশাসনিক, শৈক্ষিক আৰু পৰীক্ষা সংক্ৰান্তীয় সমস্যা, উপযুক্ত বিজ্ঞানাগাৰৰ নাটনি, পাঠ্যপুথিৰ অভাৱ, উপযুক্ত পৰিৱেশ আৰু সা-সুবিধাৰে পুথিভঁৰাল অভাৱ, সময়মতে শিক্ষক, কৰ্মচাৰী নিযুক্তিৰ বাধা, শিক্ষকৰ অভাৱ, ছাত্ৰ-ছাত্ৰীৰ মাজত বৈজ্ঞানিক মানসিকতাৰ অভাৱ আদি সঠিকভাৱে ৰূপায়ণ অবিহনে "Quality Institute" গঢ়ি তোলাটো সম্ভৱপৰ নহয়। এইবোৰেও বিজ্ঞান শিক্ষাৰ প্ৰতি ধাউতি ছাত্ৰ-ছাত্ৰীৰ বাবে বহু হ্ৰাস কৰিছে।

বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহত গৰমৰ বন্ধ আৰু পূজাৰ বন্ধৰ অপ্ৰয়োজনীয় বৃদ্ধি, চৰকাৰী, বেচৰকাৰী বন্ধ, হৰতাল, শ্ৰেণী বৰ্জন, মহাবিদ্যালয়সমূহৰ অঘোষিত বন্ধ আদিৰ ফলত কলা-বাণিজ্য আদি শাখাৰ লগতে বিজ্ঞান বিষয়ৰ দীঘলীয়া বছৰেকীয়া সমুদায় পাঠ্যক্ৰম ৰুটিন নাইবা শ্ৰেণী ডায়েৰী মৰ্মে সমাপ্ত কৰিবলৈ শিক্ষকসকলৰ কোনো উপায় নাথাকে যাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ আশানুৰূপ ফলাফল নহয় আৰু উচ্চ শিক্ষাক নিম্নমুখী কৰি তুলিছে। ভৱিষ্যত ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাৰ অন্তত কৰ্মসংস্থানৰ পথ বৰ্তমান সময়ত সুগম নোহোৱা হেতু বহু ছাত্ৰ-ছাত্ৰী শ্ৰেণীকোঠাত অমনোযোগী হোৱাও পৰিলক্ষিত হৈছে। কেতবোৰে আকৌ বিজ্ঞানৰ পাঠ্যক্ৰম বোধগম্য নোহোৱা বাবে নাইবা ঘৰুৱা আৰ্থিক দুৰৱস্থাৰ বাবে আধাতে ছাত্ৰ জীৱন ত্যাগ কৰাৰ বাবেও শিক্ষাক নিম্নমুখী কৰি তুলিছে।

গুণগত আৰু বিজ্ঞানভিত্তিক উচ্চ শিক্ষাৰে শিক্ষিত হোৱাৰ মানসিকতা গঢ়াৰ বাবে আমাৰ শিক্ষা ব্যৱস্থা আৰু শিক্ষানীতিৰ আমূল পৰিবৰ্তন হ'ব লাগিব। পৰম্পৰাগত, গতানুগতিক আৰু অপ্ৰয়োজনীয় পাঠ্যক্ৰমৰ বিলুপ্তি সাধন কৰি নিম্নস্তৰৰ পৰাই বিজ্ঞানৰ লগতে সামগ্ৰিক শিক্ষা ব্যৱস্থাটি বাস্তৱমুখী আৰু উপযুক্তভাৱে প্ৰায়োগিক দিশেৰে সুদ্ধিৰ পৰিকল্পনাৰে আগুৱাই নিয়াৰ ওপৰতে নিৰ্ভৰ কৰিছে নতুন বিজ্ঞানীৰ সন্ধান আৰু মানৱ সম্পদৰ বিকাশ। আকৌ গ্ৰামাঞ্চলৰ পটভূমিত বিজ্ঞান শিক্ষাৰ প্ৰসাৰ বৰ্তমান ইলেক্ট্ৰনিকচ্, কম্পিউটাৰ আৰ প্ৰযুক্তিবিদ্যাৰ যুগত অতিকৈ প্ৰয়োজনীয় হৈ পৰিছে। দেশৰ শতকৰা ৭০ ভাগ লোকেই বাস কৰা এই গ্ৰামাঞ্চলৰ প্ৰতিকূলধৰ্মী পৰম্পৰাগত কিছুমান চিন্তা-চৰ্চা দূৰ কৰিবলৈ গ্ৰামাঞ্চলত প্ৰতিষ্ঠিত বিদ্যালয় আৰু মহাবিদ্যালয় সমূহৰ জৰিয়তে শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ মাজত বিজ্ঞান শিক্ষাৰ ওপৰত বিস্তৃতভাৱে বিশ্লেষণ হোৱা বাঞ্ছনীয়।

প্ৰয়োজন সাপেক্ষে বিজ্ঞানৰ বিভিন্ন দিশৰ ওপৰত কৰ্মশালা, বক্তৃতা, প্ৰকল্পসূচী আদি অনুষ্ঠিত কৰি সমাজ সংস্কৰণত, সমাজ হিতকৰ কামত বিজ্ঞানৰ প্ৰয়োগৰ লগতে বিজ্ঞান শিক্ষাক অধিক জনমুখী কৰিবলৈ বাস্তৱ পদক্ষেপ লোৱাৰ প্ৰয়োজন আহি পৰিছে।

বিজ্ঞান শিক্ষাৰ গতিধাৰাৰ আমূল পৰিবৰ্তন সাধিবলৈ ছাত্ৰ-ছাত্ৰী শিক্ষক সমাজৰ লগতে আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা আছে চৰকাৰৰ। বিশ্ববিদ্যালয়, মহাবিদ্যালয় নাইবা বিদ্যালয়সমূহত বিজ্ঞান শিক্ষাৰ আন্তঃগাঁথনি সুস্থিৰভাৱে গঢ় দিয়াৰ দায়িত্ব শিক্ষক সমাজৰ লগতে চৰকাৰৰো। বিজ্ঞানৰ ন-ন পাঠ্যক্ৰম অধ্যয়নৰ বাবে প্ৰতিবছৰে শ শ ছাত্ৰ-ছাত্ৰী অসমৰ বাহিৰৰ শিক্ষানুষ্ঠানলৈ যাবলগীয়া হৈছে। প্ৰৱল ইচ্ছা আৰু ভৱিষ্যত সম্পৰ্কে ধাৰণা থকা ৰাজনীতিবিদ হোৱা বাবে বিজ্ঞানৰ ছাত্ৰ নহ'লেও আধুনিক যুগৰ লগত ফেৰ মাৰিব পৰা ইনফৰমেশ্যন প্ৰযুক্তিৰে কম্পিউটাৰ ভিত্তিত দেশৰ ভিতৰতে অন্যতম মালটিমেডিয়াৰ সুন্দৰ ব্যৱহাৰ কৰি অন্ধ্ৰপ্ৰদেশৰ ভৱিষ্যত ঈৰ্ষণীয় কৰি তুলিছে সেই ৰাজ্যৰ চৰকাৰে। সেই আদৰ্শ আমাৰ চৰকাৰে ল'ব নোৱাৰেনে? ❐

**বস্ত্ৰেণ বপুষাবাচা বিদ্যয়া বিভৱেন চ। পঞ্চভিঃ বকাৰৈৰ্যুক্তো নৰঃ পূজ্যত্বমৰ্হতি।।**

*(সুন্দৰ বেশ-ভূষা, সুন্দৰ শৰীৰ, বাক্ পটুতা, অৰ্থকৰী বিদ্যা, আৰু সম্পত্তি — এই পাঁচটা ব-আখৰেৰে গঠিত শব্দেৰে বিভূষিতজন পূজনীয়)*

**উদ্যোগিনং পুৰুষসিংহমুপৈতি লক্ষ্মীঃ। দৈবেন দেয়মিতি কাপুৰুষাঃ বদন্তি।।**

*(উদ্যোগী পুৰুষসকলক লক্ষ্মীয়ে অনুগ্ৰহ কৰে, দৈবই দিয়ে বুলি কাপুৰুষসকলৰহে ধাৰণা।)*

# সংস্কৃত সাহিত্যত নীতিশিক্ষা

**গগেন কাকতি**
প্ৰবক্তা, সংস্কৃত বিভাগ

সংস্কৃত ভাষা বিশ্বৰ ভাষাবিলাকৰ ভিতৰত এটি প্ৰাচীন আৰু অন্যতম ভাষা। ইয়াৰ সাহিত্যিক মূল্য অত্যন্ত সমুজ্জ্বল, সমৃদ্ধ আৰু বিশাল। এই ভাষাৰ সাহিত্যত ভাৰতীয় সংস্কৃতিৰ চিত্ৰ সুন্দৰৰূপে প্ৰকাশ পোৱাৰ লগতে বিভিন্ন ধৰণৰ নীতিশিক্ষাও থকা দেখা যায়। বেদ, বেদাঙ্গ, *ৰামায়ণ, মহাভাৰত, পুৰাণ,* ধৰ্মশাস্ত্ৰ, বৃহৎ কথাৰ সংস্কৃত সংস্কৰণবোৰ, *পঞ্চতন্ত্ৰ,* হিতোপদেশ জৈন আদাম, *বৌদ্ধ ত্ৰিপিটক* আদিৰ মাজত নীতিশিক্ষাৰ প্ৰাচুৰ্য পোৱা যায়। যিবোৰ ধৰ্ম, দৰ্শন, সামাজিক সদ্‌ভাৱ, লোক ব্যৱহাৰ, সদাচাৰ, ৰাজনীতি আদি গম্ভীৰ বিষয়ৰ সৰল কাব্যময়ী ভাষাত ৰচিত হৈছে। বেদসমূহৰ আদি পুথি *ঋগ্‌বেদ*-ত নীতিমূলক যুক্তি থকাৰ উপৰিও তাত সংগৃহীত সহস্ৰাধিক সূক্তৰ বিভিন্ন স্থানত অনেক নীতি বচন থকা দৃষ্টিত পৰে। যেনে— *ঋগ্‌বেদ*-ৰ দশম মণ্ডলৰ ৩৪ নং সূক্তটোক অক্ষসূক্ত বুলি জনা যায় আৰু এই সূক্তটোত জুৱা বা পাশা খেলে আনি দিয়া বিপৰ্যয়ৰ কথা কৈ কৈছে যে— *অক্ষৈৰ্মাদীব্যং কৃষিমিৎ কৃযস্ব কুৰু, বিত্তে ৰমস্ব বহু মন্যমানঃ।* অৰ্থাৎ— অক্ষৰে (পাশাৰে) খেল নেখেলিবা, খেতিৰ মাটি চহাবা। নিজৰ হাতত থকা ধন-বিতকে বহু বুলি ভাবি তাতে সন্তোষ লভিবা।

বৈদিক সাহিত্যৰ চতুৰ্থ পাদ হিচাপে পৰিগণিত উপনিষদ সমূহত নৈতিক শিক্ষাৰ উদাহৰণ পোৱা যায়। যেনে— নীতি শিক্ষাৰ দিশত *তৈত্তিৰীয় উপনিষদ* শিক্ষাবল্লীত আচাৰ্যই ছাত্ৰক অনুশাসন দি কৈছে— *সত্যং বদ, ধৰ্মং চৰ, স্বাধ্যায়াৎ ন প্ৰমদিতব্যম্, দেৱপিতৃকাৰ্য্যাভ্যাং ন প্ৰমদিতব্যম্, মাতৃদেবো ভব, পিতৃদেবো ভব, আচাৰ্যদেবো ভব।* অৰ্থাৎ— সত্য কথা ক'বা, ধৰ্ম আচৰণ কৰিবা, বেদ পাঠৰ পৰা বিৰত নহ'বা, দেৱকাৰ্য আৰু পিতৃকাৰ্যৰ পৰা আঁতৰি নাযাবা, মাতৃক দেৱী জ্ঞান কৰিবা, পিতৃক দেৱতা জ্ঞান কৰিবা, আচাৰ্যক দেৱতা জ্ঞান কৰিবা। এইদৰে *ঈশাবাস্যোপনিষদ*-ত আছে— *তেন ত্যক্তেন ভুঞ্জীথাঃ মা গৃধঃ কস্যস্বিদ্ধনম্*। অৰ্থাৎ— ত্যাগপূৰ্বক অনাসক্ত ভাবেৰে ভোগ কৰিব লাগে; অন্য লোকৰ ধনৰ প্ৰতি লোভ কৰিব নালাগে।

ভৰ্তৃহৰিৰ দ্বাৰা বচিত *নীতিশতক* নামৰ কাব্যত বিদ্যা লাভৰ প্ৰয়োজনীয়তাৰ বিষয়ে এইদৰে উল্লেখ আছে—

*বিদ্যানাম নৰস্য ৰূপমধিকং প্ৰচ্ছন্নগুপ্তং ধনম্*
*বিদ্যা ভোগকৰী যশঃসুখকৰী বিদ্যাগুৰুণাং গুৰুঃ।*
*বিদ্যা বন্ধুজনে বিদেশগমনে বিদ্যাপৰা দেৱতা*
*বিদ্যা ৰাজসু পূজ্যতে ন তু ধনং বিদ্যাবিহীনঃ পশুঃ।।*

অৰ্থাৎ বিদ্যাই মানুহৰ সৰ্বশ্ৰেষ্ঠ ৰূপ। লুকাই ৰাখিব পৰা সুৰক্ষিত ধন নহয়। বিদ্যাই ভোগ সম্পদ, যশ আৰু সুখ দিয়ে। বিদ্যা গুৰুৰো গুৰু। বিদেশত বিদ্যাই বন্ধু, বিদ্যা সকলোতকৈ শ্ৰেষ্ঠ দেৱতা, ৰজাৰ ওচৰতো বিদ্বানজনহে পূজিত হয়, ধনীজন নহয়। গতিকে বিদ্যাহীনজন পশুতুল্য। এইদৰে সাধুসঙ্গ লাভৰ প্ৰশংসা কৰি কৈছে— *জাড্যং ধিয়ো হৰতি সিঞ্চতি বাচি সত্যং মানোন্নতিং দিশতি পাপমপাকৰোতি। চেতঃ প্ৰসাদয়তি দিক্ষু তনোতি কীৰ্তিং সৎসঙ্গতিঃ কথয় কিং ন কৰোতি পুংসাম্।। ইতি*

অৰ্থাৎ— সৎসঙ্গই বুদ্ধিৰ জড়তা দূৰ কৰে, কথাত সত্যৰ সঞ্চাৰ কৰে, প্ৰতিষ্ঠাক উন্নতি কৰে। পাপ দূৰ কৰে। চিত্তক প্ৰসন্ন কৰি ৰাখে আৰু চাৰিওফালে যশস্যা বিস্তাৰ কৰে। হে মনুষ্য! কোৱা সৎসঙ্গই মানুহৰ কি উপকাৰ নকৰে? আকৌ মহাকবি কালিদাসৰ দ্বাৰা ৰচিত *অভিজ্ঞান শকুন্তলম্* নাটকৰ চতুৰ্থ অঙ্কত কন্বমুনিয়ে গাৰ্হস্থ্য জীৱনৰ দায়িত্ব গ্ৰহণ কৰিবলৈ ওলোৱা শকুন্তলাক যি ব্যৱহাৰিক উপদেশ দিছে তাৰ পৰাও নীতিশিক্ষা প্ৰকাশ পোৱা দেখা যায়। যেনে—

*শুশ্ৰূষস্ব গুৰুণ্ কুৰু প্ৰিয়সখীবৃত্তিং সপত্নীজচ্য ভৰ্তুঃ বিপ্ৰকৃতাপি ৰোষশতয়া মা স্ম প্ৰতীপং গমঃ। ভূয়িস্থা ভৱ দক্ষিণা পৰিজনে ভোগেস্ব নুৎসেকিনী যান্ত্যেবং গৃহিণীপদং যুৱতয়ো বামা কুলস্যাধয়ঃ।।* ইতি

অৰ্থাৎ গুৰুস্থানীয়সকলক তুমি সেৱা-শুশ্ৰূষা কৰিবা, সপত্নী সকলক প্ৰিয় সখীৰ দৰে ব্যৱহাৰ কৰিবা। স্বামীৰ দ্বাৰা অপমানিতা হ'লেও খঙতে তেওঁৰ বিৰোধ আচৰণ নকৰিবা। পৰিজনসকলক উদাৰ ব্যৱহাৰ কৰিবা। নিজৰ সৌভাগ্যৰ কাৰণে গৰ্বিতা নহ'বা। এনেদৰে আচৰণ কৰা যুৱতীসকলেই গৃহিণীৰ পদ লাভ কৰে; অন্যথা তেওঁলোক কুলৰ মানসিক যন্ত্ৰণাস্বৰূপ হয়। *(শকু ৪/১৮)*

নাৰায়ণ মিশ্ৰৰ দ্বাৰা ৰচিত *হিতোপদেশ*-ৰ মিত্ৰলাভ প্ৰকৰণত বহুতো নীতিশিক্ষামূলক শ্লোক পোৱা যায়। যেনে—

*যড়্‌দোষাঃ পুৰুষেনেহহাতব্যা ভূতিমিচ্ছতা।*
*নিদ্ৰা তন্দ্ৰা ভয়ং ক্ৰোধং আলস্যং দীৰ্ঘসূত্ৰতা।।*

অৰ্থাৎ— ঐশ্বৰ্য, সম্পদ বিচৰা পুৰুষসকলে নিদ্ৰা, তন্দ্ৰা, ভয়, ক্ৰোধ, আলস্য আৰু দীৰ্ঘসূত্ৰতা- এই ছয়টি দোষ পৰিত্যাগ কৰা উচিত। আকৌ—

*পৰোক্ষে কাৰ্যহন্তাৰং প্ৰত্যক্ষে প্ৰিয়বাদিনম্।*
*বৰ্জয়েৎ তাদৃশং মিত্ৰং বিষকুম্ভং পয়োমুখম্।।*

অৰ্থাৎ— যিয়ে সন্মুখত সুমধুৰ কথা কয় কিন্তু পিছত অহিতকৰ কাৰ্য কৰে, "মুখত মৌ পেটত গৰল" থকা তেনে বন্ধুক ত্যাগ কৰা উচিত।

*শ্ৰীমদ্‌ভগৱদগীতা*-ত জ্ঞানৰ সদৃশ যে পৱিত্ৰ আৰু একো নাই সেই বিষয়ে এইদৰে উল্লেখ কৰিছে— *ন হি জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে।* আৰু গুৰুৰ উপদেশ, বিশ্বাস কৰা জনেহে জ্ঞান লাভ কৰে-

*শ্ৰদ্ধাবান্ লভ্যতে জ্ঞানম্।* ধৰ্মশাস্ত্ৰত উল্লেখ আছে—

*একমপ্যক্ষৰং যঃ তু গুৰুঃ শিষ্যং প্ৰবোধয়েৎ।*
*পৃথিব্যাংনাস্তি তদ্‌দ্ৰব্যং যদ্‌দত্বা সোহনৃনী ভবেৎ।।*

অৰ্থাৎ- যিজন গুৰুৱে শিষ্যক মাত্ৰ এটি আখৰো শিকায়; পৃথিৱীত এনে বস্তু নাই যাৰ বিনিময়ত গুৰুৰ ধাৰ পৰিশোধ কৰিব পাৰি। আকৌ- *পিত্ৰোৰ্নিত্যং প্ৰিয়ং কুৰ্য্যাদাচাৰ্য্যস্য চ সৰ্বদা। তেষু হি ত্ৰিষু তুষ্টেসু জীৱনং সফলং ভৱেৎ।।*

অৰ্থাৎ- পিতৃ, মাতৃ আৰু আচাৰ্যৰ সদায় প্ৰিয় কাৰ্য কৰা উচিত। এই তিনিজন সন্তুষ্ট হ'লেহে জীৱন সফল হয়। ঠিক এইদৰে বিষ্ণু শৰ্মাইয়ো *পঞ্চতন্ত্ৰ*-ত বহুতো শ্লোক ৰচনা কৰিছে।

*মন্ত্ৰে তীৰ্থে দ্বিজে দেবে দৈবজ্ঞে ভেষজে গুৰৌ।*
*যাদৃশী ভাৱনা যস্য সিদ্ধিৰ্ভবতি তাদৃশী।।*

অৰ্থাৎ- মন্ত্ৰ, তীৰ্থ, ব্ৰাহ্মণ, দেৱতা, জ্যোতিষ, ঔষধি তথা গুৰুৰ প্ৰতি মানুহে যেনেকুৱা ভাৱনা কৰে তেনেকুৱা ফলেই লাভ কৰে। ❑

# ভাৰতবৰ্ষৰ এগৰাকী মনীষী ঃ স্বামী বিবেকানন্দ

**ভূপেন হালৈ**
জ্যেষ্ঠ প্ৰবক্তা, দৰ্শন বিভাগ

প্ৰখ্যাত বিজ্ঞানী তথা ভাৰতবৰ্ষৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ডক্টৰ এ.পি.জে. আব্দুল কালামে ২০২০ চনৰ ভিতৰত ভাৰতবৰ্ষক এখন উন্নত ৰাষ্টৰূপে গঢ়ি তুলিবলৈ আহ্বান জনাইছিল। তেনে এটা উদ্দেশ্য লৈয়ে বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰখনে 'ভাৰত নিৰ্মাণ' আঁচনিৰে এখন সমৃদ্ধিশালী ৰাষ্ট্ৰ গঢ়াৰ বাবে বিভিন্ন কাৰ্যসূচী হাতত লৈছে। অৱশ্যে ইয়াত মানৱীয় প্ৰমূল্য তথা নৈতিকতাৰ দিশটো কেনে ধৰণৰ হ'ব সেইটো এতিয়াও স্পষ্ট নহয়। এখন উন্নত দেশ গঢ়াৰ লক্ষ্যৰে বৰ্তমান যিবোৰ কাৰ্যসূচী লোৱা হৈছে তাৰ বীজ কিন্তু অংকুৰিত হৈছিল ঊনৈশ শতিকাৰ প্ৰায় আৰম্ভণিতে। দেশ পৰাধীন হৈ থাকোঁতেই ভাৰত মাতৃৰ কিছুমান মহান সন্তানে মানৱীয় প্ৰমূল্যক অগ্ৰাধিকাৰ দি এখন উন্নত, স্বাধীন ভাৰত গঢ়াৰ পৰিকল্পনা লৈছিল। তেনে এটা উদ্দেশ্য লৈয়ে তেওঁলোকে, ৰাজনৈতিকভাৱে নহ'লেও, নিজকে দেশসেৱাত নিয়োজিত কৰিছিল। বিশেষকৈ ৰাজা ৰামমোহন ৰায়ে ইংৰাজ শাসকৰ কঠোৰ দমন নীতি সত্বেও এখন শক্তিশালী, উন্নত ভাৰত গঢ়াৰ পৰিকল্পনা লৈছিল। তেওঁৰ দৰে স্বামী বিবেকানন্দইও তেনে এটা লক্ষ্য আগত লৈয়ে নিজৰ কাম কৰি গৈছিল। বিবেকানন্দই ইংৰাজ শাসকৰ পৰা ভাৰতীয় সভ্যতা সংস্কৃতিৰ হৃত মৰ্যাদা উদ্ধাৰ কৰিবলৈ প্ৰথমে জনসাধাৰণক সজাগ কৰিবলৈ চেষ্টা কৰিছিল।

বিদেশী শাসকৰ কঠোৰ হাতোৰাৰ চেপাত সাময়িকভাৱে ভাৰতৰ পুৰণি সভ্যতাৰ ঐশ্বৰ্য ম্লান হ'লেও ইয়াক নিশ্চিহ্ন হৈ যোৱাটো বিবেকানন্দই বিচৰা নাছিল। অৱশ্যে এইটো স্বাভাৱিক যে কোনো এখন দেশ বা এটা জাতিৰ সভ্যতা-সংস্কৃতি সদায় একে নাথাকে। সময়ে সময়ে ইয়াৰ উত্থান-পতন হৈয়ে থাকে। ভাৰতবৰ্ষও ইয়াৰ ব্যতিক্ৰম নহয়। বিদেশী শাসকৰ অবিৰ্ভাৱে ভাৰতীয় সভ্যতা-সংস্কৃতিৰ লগতে জনমানসত কঠোৰ আঘাত হানে। ফলস্বৰূপে দেশ দুৰ্যোগৰ সন্মুখীন হয়। অৱশ্যে তাৎপৰ্যপূৰ্ণ এই যে তেনে দুৰ্যোগৰ সময়তো দেশ মাতৃক সেৱা কৰিবলৈ; দেশৰ জনগণক মাৰ্গ দৰ্শন কৰাবলৈ কিছুমান মহান পুৰুষৰ জন্ম হয়। স্বামী বিবেকানন্দ দেশ মাতৃৰ তেনে এজন সুযোগ্য সন্তান। যিটো সময়ত দেশৰ সকলো নাগৰিক পৰাধীনতাৰ গ্লানি বুকুত লৈ তিক্ততাভৰা জীৱন অতিবাহিত কৰিব লগা হৈছিল; বিভাজনৰ বীজ সিঁচি বিদেশী শাসকে দেশৰ নাগৰিকৰ আত্মবিশ্বাস ভাঙি পেলাইছিল; সাধাৰণ জনতাক শোষণ, নিষ্পেষণ কৰি নিজৰ অভীষ্ট সিদ্ধি কৰিছিল; তেনে এটা সময়তে বিবেকানন্দৰ জন্ম হৈছিল। প্ৰথমতে তেওঁৰ নাম আছিল নৰেন্দ্ৰ নাথ দত্ত।

১৮৬৩ চনৰ ১২ জানুৱাৰীত কলিকতাৰ (বৰ্তমান কলকাতা) চিমুলিয়াত বিশ্বনাথ দত্তৰ ঘৰত নৰেন্দ্ৰ নাথৰ জন্ম হয়। নৰেন্দ্ৰৰ মাক ভুবনেশ্বৰী দেৱী অতি ধৰ্মপৰায়ণা মহিলা আছিল। নৰেন্দ্ৰই সৰু কালতে মাকৰ পৰা *ৰামায়ণ, মহাভাৰত*-ৰ আখ্যানবোৰ শুনি হিন্দু ধৰ্মৰ প্ৰতি আকৃষ্ট হৈছিল। বাল্যকালৰ পৰা তেওঁ তীক্ষ্ণ বুদ্ধি আৰু অসাধাৰণ স্মৃতিশক্তিৰ অধিকাৰী আছিল। সেয়েহে তেওঁ খেল, ব্যায়াম, সংগীত, নৃত্য, অভিনয় আদি সকলোতে আগৰণুৱা আছিল। এটা আঢ্যৱন্ত পৰিয়ালত পাব পৰা সকলো সুখ, আনন্দৰ সুবিধা নৰেন্দ্ৰই পাইছিল। তথাপি তেওঁ অতি আত্ম সংযমী আছিল আৰু লাহ-বিলাসৰ ঘোৰ বিৰোধী আছিল। ইয়াৰ বিপৰীতে তেওঁ অধ্যয়ন আৰু সৎ চৰিত্ৰ গঠনতহে অধিক মনোনিবেশ কৰিছিল। সাত বছৰ বয়সতে আনুষ্ঠানিক শিক্ষাৰ বাবে তেওঁক নাম ভৰ্ত্তি কৰি দিয়া হৈছিল। প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ প্ৰথমে প্ৰেচিডেন্সি কলেজ আৰু পাছত এচেম্‌ব্লী কলেজত পঢ়িবলৈ লয়। কলেজীয়া জীৱনতে তেওঁ দৰ্শনৰ শাস্ত্ৰবোৰ অধ্যয়ন কৰিবলৈ লয়। প্ৰথমে তেওঁক ভাৰতীয় আধ্যাত্মিক দৰ্শনতকৈ পাশ্চাত্য দৰ্শনেহে অধিক আকৰ্ষণ কৰে। হেগেল, মিল, কাণ্ট আদি দাৰ্শনিকে তেওঁক প্ৰভাৱিত কৰে। হিন্দু ধৰ্মত থকা অন্ধবিশ্বাস, কু-সংস্কাৰ আৰু ঈশ্বৰৰ ধাৰণাই নৰেন্দ্ৰৰ মনত সংশয়ৰ সৃষ্টি কৰে। ইয়াৰ উপৰিও পুৰোহিত শ্ৰেণীৰ সংকীৰ্ণ মনোভাৱ আৰু এক শ্ৰেণী লোকৰ ধৰ্মৰ নামত নিৰীহ জনগণৰ ওপৰত আধিপত্য খটোৱা দেখি তেওঁ হিন্দু ধৰ্মৰ

প্ৰতি বীতশ্ৰদ্ধ হৈ পৰে। অৱশ্যে ৰামকৃষ্ণৰ সান্নিধ্য পোৱাৰ পাছত তেওঁৰ এই মনোভাৱ সলনি হয়।

ৰামকৃষ্ণ পৰমহংসই এদিন তেখেতৰ এজন শিষ্যৰ ঘৰত নৰেন্দ্ৰ নাথক লগ পায়। নৰেন্দ্ৰক দেখিয়েই তেখেতে বুজি উঠিছিল যে এই ল'ৰাজন দেশমাতৃৰ সেৱাৰ বাবেই জন্ম গ্ৰহণ কৰিছে। প্ৰথম অৱস্থাত ৰামকৃষ্ণৰ দৰ্শনৰ প্ৰতি নৰেন্দ্ৰ নাথৰ কোনো শ্ৰদ্ধা নাছিল। তথাপি তেখেতৰ প্ৰতি প্ৰথম সাক্ষাতৰ পৰাই এক আকৰ্ষণ অনুভৱ কৰিছিল। সম্পূৰ্ণ বিশ্বাস নকৰিলেও, কিছুমান তাত্বিক সমস্যা লৈ নৰেন্দ্ৰই দক্ষিণেশ্বৰৰ এই পূজাৰীজনৰ ওচৰলৈ যোৱা কৰিলে। এদিন তেওঁ ৰামকৃষ্ণক সুধিলে— "আপুনি ঈশ্বৰ দেখিছেনে?" ৰামকৃষ্ণইও হাঁহিমুখে উত্তৰ দিলে— "দেখিছোঁ, তোমাক যেনেদৰে দেখিছোঁ তাতকৈও অধিক স্পষ্টকৈ দৰ্শন কৰিছোঁ।" নৰেন্দ্ৰ নাথে লাহে লাহে অনুভৱ কৰিলে যে তেওঁৰ হৃদয়ত আলোড়ন তোলা প্ৰশ্নবোৰৰ উত্তৰ হয়তো এই মহামানৱজনৰ ওচৰত পোৱা যাব। সেয়েহে তেওঁ নিজৰ অজ্ঞাতেই ৰামকৃষ্ণৰ ওচৰত নিজকে সমৰ্পণ কৰি সম্পূৰ্ণ সন্ন্যাস গ্ৰহণ কৰিলে। সকলো দৈহিক সুখ বিসৰ্জন দি তেওঁ কঠোৰ সাধনাত ব্ৰতী হয় আৰু ৰামকৃষ্ণৰ পথ অনুসৰণ কৰি কৰ্ম কৰি যাবলৈ ধৰে।

১৮৮৬ চনৰ ১৫ আগষ্টত ৰামকৃষ্ণই ইহ সংসাৰ ত্যাগ কৰাৰ পাছত নৰেন্দ্ৰ নাথে তেওঁৰ আশ্ৰমৰ সম্পূৰ্ণ দায়িত্ব গ্ৰহণ কৰি গুৰুদেৱে গ্ৰহণ কৰা বেদান্ত দৰ্শনৰ মূল আদৰ্শ আৰু তত্ত্ববোৰ প্ৰচাৰ কৰিব ধৰে। সেই সময়ৰ পৰা নৰেন্দ্ৰনাথ স্বামী বিবেকানন্দ নামেৰে পৰিচিত হৈ পৰে। বিবেকানন্দৰ প্ৰধান লক্ষ্য আছিল বেদান্তৰ আদৰ্শবোৰ বাস্তৱ জীৱনত প্ৰয়োগ কৰি জনসাধাৰণক আচল মানুহ ৰূপে গঢ়ি তোলাৰ লগতে আত্মা আৰু ঈশ্বৰৰ প্ৰকৃত স্বৰূপ উপলব্ধি কৰোৱা। ১৮৮৮ চনত বিবেকানন্দই দেশৰ জনগণৰ বুজ ল'বৰ কাৰণে ভাৰত ভ্ৰমণ কৰি বিভিন্ন প্ৰান্তত থকা ভিন ভিন জাতি, ধৰ্ম, ভাষা আদিৰ লগত পৰিচিত হয়। সৰ্বোপৰি ইয়াৰ দ্বাৰা তেওঁ ভাৰতৰ এখন বাস্তৱ ছবি নিজ চকুৰে প্ৰত্যক্ষ কৰিলে। বিভিন্ন প্ৰান্তত থকা দুখীয়া, শোষিত, নিষ্পেষিত জনতাৰ দুখ-যন্ত্ৰণা তেখেতে ওচৰৰ পৰা দেখিলে। সাধাৰণ মানুহৰ এনে দুৰ্দশা দেখি তেখেত শংকিত হৈ পৰে আৰু ইয়াৰ মূল কাৰণ সম্পৰ্কে জানিবলৈ উৎসুক হৈ পৰে। অনুসন্ধান কৰি তেখেতে পালে যে বিদেশীৰ শোষণ নীতিয়েই ইয়াৰ মূল কাৰণ। ভাৰতীয় সভ্যতা, সংস্কৃতি আৰু সমাজ ব্যৱস্থাৰ বিপক্ষে ইংৰাজৰ কৌশলগত প্ৰচাৰ আৰু ভাৰতীয় জনগণৰ সম্প্ৰীতিৰ বান্ধোন ভাঙিবলৈ কৰা অপচেষ্টাৰ বিষয়ে বিবেকানন্দই বুজি পালে। ইংৰাজৰ এনে নীতিৰ উপৰিও এক শ্ৰেণী ভাৰতীয়ৰ (আঢ্যৱন্ত শ্ৰেণীটোৰ এটা অংশই) ইংৰাজ প্ৰীতি দেখিও তেখেতে মৰ্মাহত হৈ পৰে। এই শ্ৰেণীটোৰ মতে ইংৰাজে যিটো ভাল বুলি কয় সেইটো ভাল আৰু যিটো ইংৰাজে বেয়া পায় সেইটো বেয়া। ইংৰাজে যিটো কৰে তাকেই অনুকৰ কৰি তেওঁলোকে আত্মতৃপ্তি লভে। এটা সৰু উদাহৰণেই ইয়াৰ বাবে যথেষ্ট হ'ব— এদিন এজন বিশিষ্ট ভাৰতীয়ই ৰামকৃষ্ণৰ ওচৰলৈ গৈ বেদান্ত শাস্ত্ৰবোৰৰ প্ৰশংসা কৰিব ধৰিলে। ৰামকৃষ্ণই কিন্তু আগৰে পৰা জানে যে সেই লোকজন ইংৰাজৰ ভক্ত আৰু হিন্দু শাস্ত্ৰৰ ঘোৰ বিৰোধী। হঠাৎ কিয় মানুহজনৰ এনে বেদান্ত প্ৰীতি? অনুসন্ধান কৰি জানিব পাৰিলে যে কিছুদিন আগতে দুজন ইংৰাজ পণ্ডিতে ভাগৱত গীতাৰ প্ৰশংসা কৰি অভিমত দিছিল। সেয়েহে হঠাৎ এনে হিন্দু শাস্ত্ৰৰ প্ৰতি আকৰ্ষণ *(মডাৰ্ণ ইণ্ডিয়া)*।

বিবেকানন্দই বুজি উঠিছিল যে দেশৰ সাধাৰণ জনতাক সীমাহীন দুখ-যন্ত্ৰণাৰ পৰা উদ্ধাৰ কৰিব নোৱাৰিলে শিক্ষা, ধৰ্ম, নৈতিকতা আদিৰ জ্ঞান দিবলৈ যোৱাটো অৰ্থহীন হ'ব। তাৰোপৰি এই মানুহখিনিৰ অৱস্থা উন্নত নহ'লে পৰাধীনতাৰ গ্লানি তথা বিদেশীৰ হাতত হেৰুওৱা মৰ্যাদাৰ পুনৰুদ্ধাৰ সম্ভৱ নহ'ব। তেখেতে এইটোও বুজিছিল যে সাধাৰণ নাগৰিকৰ এনে দুৰ্দশাগ্ৰস্ত অৱস্থাৰ অৱসান ঘটাবলৈ হ'লে প্ৰথমে তেওঁলোকৰ নিজৰ আত্মবিশ্বাস ঘূৰাই আনিব লাগিব আৰু আটাইকে একত্ৰিত কৰিব লাগিব। দৰিদ্ৰ পীড়িত জনতাৰ অৱস্থাৰ উন্নতি হ'লেহে ধৰ্ম, শিক্ষা, দৰ্শন, আধ্যাত্মিকতা আদিৰ জ্ঞান প্ৰচাৰ কৰা সমীচিত হ'ব। বিবেকানন্দই নিজৰ ভাষাৰে কৈছিল যে— I have travelled all over India. But alas! It was agony to me, my brother, to see with my own eyes to terrible poverty and misery of the masses, and I could not restrain my tears. It is my conviction that it is futile to preach religion to them without first trying to remove their poverty and their sufferings. ***(Complete Works - Vivekananda)***

ইতিমধ্যে কোৱা হৈছে যে এখন শক্তিশালী আধুনিক ভাৰত গঠন কৰিবলৈ দেশৰ জনগণৰ আত্মবিশ্বাস যে অতি প্ৰয়োজন সেইটো বিবেকানন্দই বুজি উঠিছিল। সেয়েহে তেখেতে দেশৰ দৰিদ্ৰ জনগণৰ মাজত আত্মবিশ্বাস জগাই তুলিবলৈ বিশেষ ভূমিকা লৈছিল। মাতৃভূমিৰ প্ৰতি থকা অকৃত্ৰিম প্ৰেম আৰু জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো নাগৰিকৰ প্ৰতি থকা শ্ৰদ্ধা আৰু ভালপোৱাৰ বাবে তেখেতক এনে কৰ্মত ব্ৰতী হ'বলৈ অন্তৰাত্মাই অনুপ্ৰেৰণা যোগাইছিল। বিবেকানন্দই অৱশ্যে আত্মবিশ্বাসৰ লগতে একতা আৰু ভাতৃত্ববোধৰ মংগল বাণীও অতি আন্তৰিকতাৰে প্ৰচাৰ কৰিছিল। তেখেতে এই বাণী অকল দেশৰ মাজতে সীমাবদ্ধ নাৰাখি সমগ্ৰ মানৱ জাতিৰ উদ্দেশ্যে প্ৰচাৰ কৰিছিল। বিবেকানন্দৰ এই মহৎ বাণী কোনো ধৰ্ম বা দৰ্শনৰ অংগ নাছিল; ই আছিল সমন্বিত প্ৰচেষ্টাৰে কৰ্মৰ মাধ্যমেৰে দুখীয়া জনগণক দৰিদ্ৰতাৰ কবলৰ পৰা উদ্ধাৰ কৰাৰ প্ৰচেষ্টা। দৰিদ্ৰতা নিৰ্মূল আছিল বিবেকানন্দৰ প্ৰথম অগ্ৰাধিকাৰ। ইয়াক নিৰ্মূল কৰিব নোৱাৰিলে দেশৰ উন্নতি অসম্ভৱ।

আজিকালি নিজৰ সুবিধাৰ বাবে ৰাজনৈতিক নেতাবোৰে প্ৰায়ে দেশৰ সকলো নাগৰিকৰ সম অধিকাৰৰ বিষয়টো উত্থাপন কৰে। তেওঁলোকে শোষণ, নিষ্পেষণ ৰহিত এখন কল্যাণকামী ৰাষ্ট্ৰ গঢ়াৰ কথা কয়, য'ত সকলো নাগৰিকে সম মৰ্যাদাৰে জীৱন নিৰ্বাহ কৰিব পাৰে। তেনে এখন সমাজ গঢ়াৰ পৰিকল্পনা কৰি বিবেকানন্দইহে প্ৰকৃত অৰ্থত বহু আগতেই কাৰ্য ব্যৱস্থা হাতত লৈছিল। অকল সেয়ে নহয়, বৰ্তমান ধৰ্মক লৈ সমগ্ৰ বিশ্বতে এক অস্থিৰ অৱস্থা পৰিলক্ষিত হৈছে। বহু ক্ষেত্ৰত ধৰ্মৰ নামত ৰাজনীতিও সোমাই পৰা দেখা যায়। ইয়াৰ তুলনাত বিবেকানন্দহে প্ৰকৃত অৰ্থত ধৰ্ম নিৰপেক্ষ আছিল। কাৰণ সকলো ধৰ্মৰ

প্ৰতি তেখেতৰ সন্মান, ভক্তি আৰু প্ৰেম আছিল অকৃত্ৰিম। সকলো ধৰ্ম তেখেতৰ মতে সমানে মৰ্যাদাপূৰ্ণ আৰু প্ৰত্যেক ধৰ্মাৱলম্বী নাগৰিক পবিত্ৰ আৰু পৰিষ্কাৰ। অৱশ্যে প্ৰত্যেকৰে মাজত আত্মবিশ্বাস আৰু সৎ সাহস থাকিব লাগিব। ধৰ্ম ভীৰুতা আৰু দুৰ্বল মানসিকতাক বিবেকানন্দই প্ৰশ্ৰয় নিদিয়ে। ভীৰুতা, অন্ধবিশ্বাস আদি হ'ল, বিবেকানন্দৰ মতে, অনগ্ৰসৰতাৰ মূল কাৰণ। এইবোৰ সমাজৰ পৰা দূৰ কৰিবলৈ তেখেতে আপ্ৰাণ চেষ্টা কৰিছিল। গতিকে নিঃসন্দেহে ক'ব পাৰি যে বিবেকানন্দ আছিল প্ৰকৃত অৰ্থত আধুনিক ভাৰতবৰ্ষৰ বাটকটীয়া। ধৰ্মান্ধতা, আঞ্চলিকতাবাদী মানসিকতা আৰু নিৰ্বিচাৰবাদী ধ্যান-ধাৰণাৰ প্ৰভাৱৰ পৰা মুক্ত এখন শক্তিশালী ভাৰতবৰ্ষ গঢ়িবলৈ চেষ্টা কৰিছিল বিবেকানন্দই। এইখন ভাৰতবৰ্ষত অন্ধবিশ্বাস আৰু ধৰ্মান্ধতাৰ স্থান নাই; ই হ'ব সম্পূৰ্ণ নিৰপেক্ষ আৰু যুক্তিনিষ্ঠ। তেখেতে কৈছিল যে— "It is better that mankind should become atheist by following reasons than blindly believe in two hundred millions of God on the authority of anybody sitting in the helm of affairs ... man could be free to choose his destiny free from all chains." ***(Swami Vivekananda Works, Vol-II, P. 324)***

সাধাৰণ অৰ্থত স্বামী বিবেকানন্দক বিষয় সুখ ত্যাগী এজন সন্ন্যাসী যেন লাগে। প্ৰকৃতাৰ্থত তেখেতৰ কৰ্মক্ষেত্ৰ হ'ল সমগ্ৰ মানৱ সমাজ। অদ্বৈত বেদান্তৰ পূৰ্ণ জ্ঞানৰ বলতহে বিবেকানন্দই সাধাৰণ জনতাৰ সুপ্ত মনুষ্যত্ব জগাই তোলাৰ লক্ষ্যৰে আগবাঢ়িছিল যাতে সকলোৱে একতা, মানৱতাবোধ, ভাতৃত্ববোধ আদিৰ তাৎপৰ্য উপলব্ধি কৰিব পাৰে। ইয়াৰ উপৰিও সকলোৱে যাতে বেদান্তৰ তাত্বিক দিশবোৰ ব্যৱহাৰিক দিশত প্ৰয়োগ কৰি দৈনন্দিন জীৱনৰ অংগ ৰূপে গ্ৰহণ কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিছিল। বিবেকানন্দই গুৰু ৰামকৃষ্ণক অনুসৰণ কৰি কৈছিল যে পৰমপিতা পৰমব্ৰহ্ম হ'ল একমাত্ৰ সত্য আৰু প্ৰতিটো আত্মা ইয়াৰ অংগ। গতিকে উভয়ৰে একাত্মতা আছে। এই একাত্মতাই বেদান্তৰ বিশেষত্ব আৰু ইয়াতেই মানৱ জাতিৰ একতা (unity) নিহিত আছে। দৈহিকভাৱে যাক বেলেগ বুলি ভবা হয় সেয়া প্ৰকৃততে বেলেগ নহয়। সেয়াও আত্মিক দিশত নিজৰেই প্ৰকাশ। তলৰ ঘটনাটোৱে ইয়াৰ উৎকৃষ্ট উদাহৰণ। চেপই (Sepoy) বিপ্লৱৰ সময়ত এজন হিন্দু সন্ন্যাসীক এজন মুছলিম সেনাই বৰকৈ মাৰপিট কৰি মৃতপ্ৰায় অৱস্থা কৰিলে। তেনেতে কিছুমান হিন্দু সৈন্যই মুছলিম সেনাজনক ধৰি তেওঁক শাস্তি দিবলৈ সন্ন্যাসীজনৰ পৰা অনুমতি বিচাৰিলে। সন্ন্যাসীজনে তেতিয়া ক'লে যে সেই সেনাজনৰ আত্মা আৰু তেওঁৰ নিজৰ আত্মা একেটাই। একেই পৰম ব্ৰহ্মাৰ অংগ, আত্মাক কোনেও হত্যা কৰিব নোৱাৰে। আত্মা অমৰ আৰু সৰ্বব্যাপ্ত। গতিকে তেওঁক শাস্তি দিয়াৰ প্ৰয়োজন নাই। বিবেকানন্দই দৈনন্দিন জীৱনৰ সাধাৰণ অভিজ্ঞতাৰ পৰাই বেদান্তৰ তত্ব জ্ঞানৰ চূড়ান্ত পৰ্যায়লৈ নিজকে উত্তৰণ ঘটাই আত্মা আৰু পৰমব্ৰহ্মাৰ একত্ব প্ৰত্যক্ষ কৰিব পাৰিছিল। বাস্তৱ অভিজ্ঞতাৰ পৰাই অতিন্দ্ৰীয় পৰম ব্ৰহ্মাৰ বিশুদ্ধ জ্ঞান লাভ কৰিছিল তেখেতে।

গুৰুদেৱৰ অদ্বৈত বেদান্তৰ আদৰ্শক প্ৰশ্ৰয় কৰিয়েই বিবেকানন্দই ১৮৯৩ চনৰ ৩১ মে' তাৰিখে চিকাগোলৈ ৰাওনা হৈছিল বিশ্ব ধৰ্ম মহাসন্মিলনত যোগদান কৰিবলৈ। এই মহাসভাত প্ৰাচ্য আৰু পাশ্চাত্যৰ বিভিন্ন ধৰ্ম সম্প্ৰদায়ৰ প্ৰতিনিধি সমবেত হৈছিল। ১৮৯৩ চনৰ ১১ ছেপ্টেম্বৰত বিবেকানন্দই বেদান্ত দৰ্শনৰ প্ৰকৃত স্বৰূপটোৰ ব্যাখ্যা কৰি বিশ্ব মানৱতা আৰু শ্ৰেয় প্ৰাপ্তিৰ পথসমূহ উল্লেখ কৰি নিজৰ স্থিতি স্পষ্ট কৰিছিল। তেখেতে কোনো বিশেষ সম্প্ৰদায়ৰ কথা কোৱা নাছিল। কৈছিল এক সনাতন ধৰ্মৰ কথা, যি এক পৰম সত্যত বিশ্বাসী। লগতে এইটোও উল্লেখ কৰিছিল যে কেৱল ধৰ্মীয় কৃতকৰ্মৰ দ্বাৰা সত্য উদ্‌ঘাটন কৰিব নোৱাৰি; সত্য ব্যক্তি মনৰ অন্তৰ স্থলত অৱস্থিত। কোনো এটা নিৰ্দিষ্ট ধৰ্মকে একমাত্ৰ ধৰ্ম বা ঈশ্বৰ প্ৰাপ্তিৰ একমাত্ৰ পথ বুলি ভবাটো অনুচিত। এনে এটা ধাৰণা লৈ ধৰ্মান্তৰকৰণৰো প্ৰয়োজন নাই। ঈশ্বৰ প্ৰাপ্তিৰ বাবে হিন্দু খ্ৰীষ্টান হোৱাৰ প্ৰয়োজন নাই; একেদৰে খ্ৰীষ্টানো হিন্দু হোৱাৰ প্ৰয়োজন নাই। প্ৰত্যেকে নিজৰ বৈশিষ্ট্য অক্ষুণ্ণ ৰাখি পৰস্পৰৰ ভাব বুজিব চেষ্টা কৰিব লাগে আৰু নিজৰ অন্তৰ্নিহিত শক্তিৰ প্ৰকাশ আৰু বিকাশৰ চেষ্টা কৰিব লাগে।

নিজৰ অভিভাষণৰ দ্বাৰা বিশ্বক চমক লগাই বিবেকানন্দই চিকাগোৰ পৰা মাতৃভূমিলৈ ৰাওনা হয়। তেওঁ চিকাগো অধিৱেশনৰ পাছত কেৱল নিজ দেশৰ জনগণৰে নহয়, বৰং সমগ্ৰ বিশ্ব সম্প্ৰদায়ৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰে। জনসাধাৰণে প্ৰশংসাৰে উপচাই দিলেও বিবেকানন্দ কিন্তু আৱেগিক হোৱা নাছিল। কাৰণ দেশৰ প্ৰতি তেখেতৰ কৰিবলগীয়া বহুত কাম আছে। সেয়েহে সামান্যও বিচলিত নহৈ দেশৰ জনগণৰ সেৱাত ব্ৰতী হৈ শেষত ১৯০২ চনৰ ৪ জুলাই তাৰিখে এই মহান সিদ্ধ পুৰুষজনে ইহ সংসাৰৰ পৰা বিদায় লয়। ❐

*কিতাপৰ মাজত কোনোবাই বিচাৰে কেৱল আত্ম-বিস্মৰণৰ নিচা; কোনোবাই বিচাৰে পাৰ্থিৱ উন্নতি আৰু কৃতকাৰ্যতাৰ মন্ত্ৰ, আন কোনোবাই বিচাৰে ভগা জীৱন জোৰা লগাব পৰা মহৌষধ বা জীৱনৰ সঞ্জীৱনী সুধা। হাজাৰ হাজাৰ বছৰৰ সাধনাৰে মানুহে কিতাপৰ মাজত যি বিশাল জ্ঞান-ভাণ্ডাৰ গঢ়ি তুলিছে, সি কল্পতৰুৰ দৰে মানুহৰ প্ৰায় সকলো প্ৰাৰ্থনাই পূৰণ কৰিব পাৰে।*

*— হোমেন বৰগোহাঞি*

*অদাতা বংশদোষেণ, পিতৃদোষেণ মূৰ্খতা; মাতৃদোষেণ ৰুগ্নতা, আত্মদোষেণ দৰিদ্ৰতা।।*

# অসমীয়া ভাষাত আৰবী, উৰ্দ্দু আৰু পাৰ্চী শব্দৰ পয়োভৰ

**এম. আবুল কাচিম**
প্ৰবক্তা, আৰবী বিভাগ

ভাষা সংস্কৃতিৰ এক অংগ। অসম ভাষা বিচিত্ৰতাৰ দেশ। অতীজৰে পৰা ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চলত প্ৰচলিত হৈ অহা বিভিন্ন ভাষা-উপভাষাই অপূৰ্ব সমন্বয় আৰু সমাহাৰৰ স্বাক্ষৰ বহন কৰি আহিছে। ফলত অসমীয়া ভাষাই সাৰ্বজনীনতা লাভ কৰিছে। সময়ৰ অগ্ৰগতিৰ লগে লগে ভিন ভিন কাৰণত অসমীয়া ভাষাৰ ওপৰত অন্য ভাষাৰ প্ৰভাৱ পৰা পৰিলক্ষিত হৈছে। এনে প্ৰক্ৰিয়াৰ ফলত অসমীয়া ভাষাৰ ভঁৰাল চহকী হৈছে। কিন্তু এই প্ৰবন্ধটিৰ বিষয়বস্তু "অসমীয়া ভাষাত আৰবী, উৰ্দ্দু আৰু পাৰ্চী শব্দৰ পয়োভৰ" হোৱাৰ বাবে আমাৰ আলোচনা এই ক্ষেত্ৰতেই সীমাবদ্ধ থাকিব।

অসমীয়া ভাষাত আৰবী, উৰ্দ্দু আৰু পাৰ্চী ভাষাৰ গুৰুত্বপূৰ্ণ অৱদান আছে। ভাষা বিজ্ঞানীসকলৰ মতে অসমীয়া ভাষাত দুহেজাৰতকৈও অধিক আৰবী, উৰ্দ্দু আৰু পাৰ্চী শব্দৰ প্ৰৱেশ ঘটিছে। ইয়াৰ মূল কাৰণসমূহ হ'ল— (ক) মুছলমানসকলৰ জনসংখ্যা বৃদ্ধি (খ) উত্তৰ ভাৰতৰ পৰা অসমলৈ অহা পৰিব্ৰাজক, চুফী-সাধক আদি (গ) অসমৰ ৰজা আৰু মুছলিম সম্ৰাটসকলৰ মাজত হোৱা যুদ্ধ-বিগ্ৰহ আৰু কূটনৈতিক সম্বন্ধ (ঘ) অসমীয়া মুছলমানসকলৰ মাজত প্ৰচলিত জিকিৰ আৰু জাৰীৰ নিচিনা ধৰ্মীয় গীত আৰু (ঙ) আহোম ৰাজত্বৰ শেষৰ পিনে মুছলমান ৰজাসকলৰ লগত চলা সাংস্কৃতিক বিনিময় আদিয়েই উল্লেখযোগ্য।

খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰ প্ৰথম ভাগৰে পৰা অসমলৈ মুছলমান লোক অহাৰ কথা বুৰঞ্জীয়ে কয়। এই সময়ছোৱাৰ অসমীয়া কবি হেমসৰস্বতীয়ে তেওঁ *প্ৰহ্লাদ চৰিত* গ্ৰন্থত 'নাফৰ' শব্দৰ ব্যৱহাৰ আৰু চতুৰ্দশ শতিকাত মাধৱ কন্দলিৰ *ৰামায়ণ*-ত বা'দাল, দোকান-বাজাৰ, হাজাৰ আদি উৰ্দ্দু শব্দৰ ব্যৱহাৰ কৰা দেখা যায়। ইয়াৰ উপৰিও মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে তেওঁলোকৰ বৰগীতত মুলুক, জিঞ্জিৰ, দেৱাল, তালাব, ফৰমান আদি উৰ্দ্দু শব্দ প্ৰয়োগ কৰা পৰিলক্ষিত হৈছে। বুৰঞ্জীবিদ চিহাবুদ্দিন তালিছৰ মতে— "১৬৬২ *চনত মিৰজুমলাই অসম আক্ৰমণ কৰাৰ পিছত বাহিৰৰ মুছলমানসকলে অসমীয়া থলুৱা মুছলিম-অমুছলিম লোকৰ লগত গঢ়া সংস্পৰ্শৰ ফলত বহুতো আৰবী, উৰ্দ্দু আৰু পাৰ্চী শব্দ অসমীয়া ভাষাত প্ৰৱেশ কৰি এক মধুৰ মিলনৰ সৃষ্টি কৰে।*" ডক্টৰ সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ মতে— বংগত মোগলসকলে খ্ৰীষ্টীয় ষষ্ঠদশ শতিকাত আধিপত্য লাভ কৰাৰ পিছত বংগত বহু ৰজাই গৌড় ৰজাৰ আচাৰ-ব্যৱহাৰ, নীতি-নিয়ম আদি ৰাজ-দৰবাৰত প্ৰচলন কৰিবলৈ আৰম্ভ কৰে। কোচ ৰাজবংশীয় ৰজা বিশ্বসিংহই (১৫২৩-১৫৪৬) মোগলসকলৰ আৰ্হিৰে তেওঁৰ সৈন্য-সামন্তসকলক সু-সংগঠিত কৰে। আনকি তেওঁৰ পুত্ৰ চিলাৰয়ক 'দেৱান' উপাধি প্ৰদান কৰে। ৰজা বিশ্বসিংহৰ পূৰ্বে অসমত বাস কৰা ভূঞা উপাধিধাৰী কিছুমান ব্যক্তিয়ে 'খান' আৰু আন কিছুমানে 'চিকদাৰ' উপাধি ধাৰণ কৰাৰ প্ৰমাণো ইতিহাসত পোৱা যায়। ইয়াৰ দ্বাৰা এই কথাটো প্ৰতীয়মান হয় যে, মুছলমান প্ৰশাসনৰ কিছুমান পদ্ধতি অসমীয়া শাসক কিছুমানে প্ৰচলন কৰিছিল। খ্ৰীষ্টীয় চতুৰ্দশ শতিকাৰ প্ৰথম ভাগত কামৰূপ জিলাৰ হাজোত 'পোৱামক্কা' দৰগাহ প্ৰতিষ্ঠাৰ লগে লগে কিছুমান আৰবী, উৰ্দ্দু, পাৰ্চী শব্দৰ ব্যৱহাৰ বেছি পৰিমাণে হ'বলৈ ধৰে। খ্ৰীষ্টীয় সপ্তম শতিকাৰ প্ৰথমাৰ্ধত আহোম আৰু কোচ ৰজাসকলৰ মোগলসকলৰ লগত হোৱা প্ৰত্যক্ষ সম্পৰ্কৰ ফলত আৰবী, উৰ্দ্দু আৰু পাৰ্চী শব্দসমূহৰ সোঁত দ্ৰুত হয়। ইটাখুলি যুদ্ধত আহোমসকলৰ হাতত মোগলৰ পৰাজয় হয়। কিন্তু কোচ আৰু আহোমৰ লগত কূটনৈতিক সম্পৰ্ক, প্ৰতিনিধি প্ৰেৰণ, চিঠি-পত্ৰৰ আদান-প্ৰদান ইত্যাদি চলি থকাৰ সময়ত 'দিল্লী' আৰু 'ঢাকা'ৰ মাজত এনে কূটনৈতিক সম্পৰ্ক অব্যাহত থাকে। ফলত ৰাজ দৰবাৰত ব্যৱহৃত আৰবী, উৰ্দ্দু আৰু পাৰ্চী সংস্কৃতিৰ কিছুমান শব্দ আহোম আৰু কোচ ৰাজ-দৰবাৰতো সোমাই পৰে। সূৰ্য কুমাৰ ভূঞা সম্পাদিত *কামৰূপৰ বুৰঞ্জী*-ত এনেকুৱা ২৬ (ছাব্বিশ)খন চিঠি দেখিবলৈ পোৱা যায়— যিবোৰ আহোম ৰজা প্ৰতাপ সিংহ, জয়ধ্বজ সিংহ, চক্ৰধ্বজ সিংহ আৰু মোগল ৰজাসকলৰ মাজত যোগাযোগ পত্ৰ। কোচ ৰাজকুমাৰ পূৰ্ণানন্দ আৰু সমসাময়িক আহোম ৰজা জয়ধ্বজ সিংহ আৰু চক্ৰধ্বজ সিংহৰ মাজৰ বিনিময় পত্ৰ। ইয়াৰে প্ৰথম ভাগত থকা ২০ (কুৰি) খন চিঠিৰ ১৪ (চৈধ্য) খন মোগলসকলে আহোম সকললৈ প্ৰেৰণ কৰা আৰু ৬ (ছয়) খন আহোমসকলে মোগল সকললৈ প্ৰেৰণ কৰা চিঠি। মোগলসকলে প্ৰেৰণ কৰা ২০ (কুৰি)খন পত্ৰত প্ৰায় ২১১ (দুশ এঘাৰ) টা আৰবী, উৰ্দ্দু আৰু পাৰ্চী শব্দ আৰু আহোমসকলে প্ৰেৰণ কৰা চিঠিত প্ৰায় ৩৮ (আঠত্ৰিশ) টা তেনেকুৱা শব্দ পোৱা যায়। তদুপৰি স্থানীয়ভাৱে আহোম, কছাৰী, জয়ন্তীয়া আৰু খাছীসকলৰ মাজত প্ৰেৰিত পত্ৰসমূহত প্ৰায় ১৬ (ষোল্ল) টা তেনেকুৱা শব্দ পোৱা যায়। বুৰঞ্জীত ব্যৱহৃত এই শব্দসমূহ যুদ্ধ-বিগ্ৰহ, ৰাজহ, সংস্কৃতি, ব্যৱসায়, কলা, ধৰ্মশিক্ষা, সাহিত্য আদিৰ লগত জড়িত।

পীৰ চুফি সাধকসকলে ৰচনা কৰা জিকিৰ আৰু জাৰীবোৰ অসমীয়া আপুৰুগীয়া সম্পদ। চতুৰ্দশ শতিকাৰ প্ৰচলিত অসমীয়া ভাষাক শ্ৰীমন্ত শংকৰদেৱে প্ৰদান কৰিছিল উন্মুক্ত জীৱনৰ সান্নিধ্য। আজান-পীৰে দিছিল তাৰ সৰলতাৰ মাধুৰ্য। উৰ্দ্দু ভাষা হ'ল আৰবী আৰু পাৰ্চী মিশ্ৰিত ভাৰতীয় মূলৰ সৃষ্টি। আনহাতে উৰ্দ্দুৰ লগত হিন্দীৰ নিকট সম্বন্ধ থকাৰ বাবে উৰ্দ্দুৰ মাজেৰেও অসমীয়া ভাষা-সংস্কৃতিত আজিও বহুতো আৰবী-পাৰ্চী শব্দৰ অনুপ্ৰৱেশ ঘটিছে।

অসমীয়া ভাষাত ব্যৱহৃত কিছুমান আৰবী, উৰ্দ্দু আৰু পাৰ্চী শব্দ আৰু খণ্ডবাক্য তলত দিয়া হ'ল—

**খণ্ডবাক্য ঃ**

কাগজে-কলমে, গোলমাল, গোলা-বাৰুদ, তউবা-তউবা, দস্তুৰমত, ধন-দৌলত, নিকাহ, হাৰাম, তালাক দিয়া, গড়বড়, মান-ইজ্জত, হাট-বজাৰ, ৰুটি-পিঠা, হজ্ব কৰা, হাৰামৰ নেগুৰ, জোৰ-জুলুম, জবৰদস্তি, জবানবন্দী ইত্যাদি।

**শব্দ ঃ**

| শব্দ | অৰ্থ |
|---|---|
| অচিলা | জৰিয়তে |
| আচমান | আকাশ |
| আজান | আহ্বান কৰা |
| আকবৰ | ডাঙৰ |
| আদত | অভ্যাস |
| ইমান | বিশ্বাস |
| ইশ্বাৰা | ইংগিত, নিৰ্দেশ |
| ইস্তাহাৰ | ইস্তাহাৰ |
| ইজ্জত | সন্মান |
| ইমাৰত | স্তম্ভ, খুঁটি |
| ওৱাপচ্ | উভতি অহা |
| কফুৰ | কৰ্পূৰ |
| কেৰামতি | অলৌকিকতা |
| কিচ্ছা | গল্প, কাহিনী |
| কচম | শপত |
| কোৰবানী | ত্যাগ, উৎসৰ্গ |
| কবুল | সন্মত, গ্ৰহণ |
| খুল্লম-খুল্লা | প্ৰকাশ্যে |
| খবিচ | নিকৃষ্ট, অশৰীৰী জীৱ |
| খাদিম | চাকৰ, সেৱক |
| খোচামৎ | অনুসন্ধান, ফুচলোৱা |
| খুচ | আনন্দ |

| শব্দ | অৰ্থ |
|---|---|
| গুণাহ | পাপ |
| গোচল | গা-ধোৱা, স্নান কৰা |
| চবুৰ | ধৈৰ্য, সহ্য |
| চয়তান | অহংকাৰী জীৱ, চয়তান |
| চাবিত | সাব্যস্ত |
| চোভা | সন্দেহ |
| চৰিয়ৎ | ধৰ্মীয় সংবিধান |
| চুকুৰ | কৃতজ্ঞতা |
| চামিল | একলগ হোৱা |
| জামানা | যুগ, সময় কাল |
| জিম্বাদাৰ | দায়িত্ব লোৱা |
| জুলুম | অত্যাচাৰ |
| জেব | জেপ |
| জোনাব | ডাঙৰীয়া |
| তাবিজ, তুলাজ | মাদুলী |
| তলব | বিচৰা |
| তাকত | শক্তি |
| তালাক | ত্যাগ কৰা, এৰি দিয়া |
| তচলীম | প্ৰণাম কৰা |
| দাৱাত | নিমন্ত্ৰণ কৰা |
| দাৱাই | ঔষধ |
| দৌলত | ধন-সম্পত্তি |
| দিগ্‌দাৰী | আমনি কৰা |
| দোস্ত | বন্ধু |
| দিল | অন্তৰ, হিয়া |
| নজৰৎ | পৰ্যবেক্ষণ |
| নাস্তা | জলপান |
| পঁচা | বৰঙণি |
| পুলচিৰাৎ | সাঁকো |
| পাক | পবিত্ৰ |

| শব্দ | অৰ্থ |
|---|---|
| পস্তা | অনুতাপ কৰা |
| ফজল | কৃপা |
| ফাচাদ | সমস্যা, কাজিয়া |
| ফয়চালা | সমাধান কৰা |
| বদজাত | বেয়া মানুহ |
| বান্দা | দাস |
| বেইজ্জত | অপমানিত কৰা |
| বন্দেগী | আৰাধনা, প্ৰাৰ্থনা |
| বেহেস্ত | স্বৰ্গ |
| মক্তব | প্ৰাথমিক বিদ্যালয় |
| মামলা | আচাৰ-বিচাৰ |
| মেহফিল | বৈঠক, সভা |
| মুলতবী | স্থগিত ৰখা |
| মুকাম | ঠাই স্থান |
| মেহনত | শ্ৰম |
| মগৰিব | সন্ধিয়া |
| মাফ | মাৰ্জনা, ক্ষমা |
| মিনাৰ | গম্বুজ, চূড়া |
| মেৱা | ফল-মূল |
| ৰচুল | প্ৰেৰিত পুৰুষ, দূত |
| ৰহমত | দয়া |
| লায়েক | উপযুক্ত |
| ৱাদা | প্ৰতিশ্ৰুতি, প্ৰতিজ্ঞা |
| শ্বহীদ | দেশৰ মংগলৰ হকে প্ৰাণ উছৰ্গা কৰা ব্যক্তি |
| হাৱা | বতাহ, বায়ু |
| হিফাজত | তত্বাৱধান লোৱা |
| হাৰাম | নিষিদ্ধ, অবৈধ |
| হালকা | দুৰ্বল, ক্ষীণ |
| হালাল | বৈধ। — ইত্যাদি। ❑ |

প্ৰসংগ পুথি ঃ


১. Arabic-English Doctionary - Cowan
২. Assam- Muslim Relation and its cultural significance - Dr. Mohini Saikia
৩. আমাৰ জাতীয় জীৱনত সংহতি আৰু সংঘাত ঃ হীৰেণ গগৈ
৪. অসমৰ সংস্কৃতি সমীক্ষা ঃ ডক্টৰ নবীন শৰ্মা
৫. অসমীয়া উপন্যাসত মুছলমান জন-জীৱনৰ চিত্ৰ ঃ ডক্টৰ আব্দুল মালিক
৬. প্ৰান্তিক, জুলাই-২০০০


❑❑❑

# সপ্তম শতিকাৰ দৰঙৰ ইতিহাস ঃ জলজলীৰ ভগ্নাৱশেষ

**ডক্টৰ নগেন্দ্ৰ নাথ শৰ্মা**
অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক
ৰাজনীতি বিজ্ঞান বিভাগ



উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰত্নতাত্ত্বিক সমলৰ ওপৰত, বিশেষকৈ প্ৰাক্ আহোম-কোচ যুগৰ ইতিহাস সম্পৰ্কে নিশ্চিত পৰ্যায়ৰ অধ্যয়ন কৰিব পৰা হোৱা নাই। দৰঙৰ ডাঁহী মৌজাৰ প্ৰাচীন কালৰ পুখুৰীৰ প্ৰথমবাৰৰ বাবে পানী নিষ্কাশন কৰি ২০০৮ চনৰ ফেব্ৰুৱাৰীৰ প্ৰথম সপ্তাহৰ পৰা আপেক্ষিকভাৱে গভীৰ কৰাৰ পৰিকল্পনাৰে বোকা আৰু মাটিবোৰ উঠোৱাৰ কাম আৰম্ভ হৈছে। পুখুৰীটোৰ উত্তৰ পাৰৰ কাষত প্ৰচুৰ পৰিমাণৰ শিলাখণ্ড, মূৰ্তি, শিলাখণ্ড জোৰা দিয়া প্ৰায় চাৰে তিনি ইঞ্চি দীঘল লোহাৰ মাদলী সদৃশ টুকুৰা, শিলৰ বেৰ, কেইবাটাও শিৱ লিংগ আৰু নাতিদূৰত ইটাৰে সজা বিভিন্ন অংশৰ ভগ্নাৱশেষ পোৱা গৈছে।

লোকবিশ্বাস, লোককথা আৰু মানুহৰ মাজত প্ৰচলিত অলৌকিক কাহিনীৰ বাহিৰে জলজলী পুখুৰী আৰু প্ৰাপ্ত ভগ্নাৱশেষ সম্পৰ্কে বৈজ্ঞানিক তথ্যভিত্তিক কোনো দস্তাবেজ পোৱা হোৱা নাই। এতিয়ালৈ উদ্ধাৰ হোৱা সামগ্ৰীসমূহত অতি সূক্ষ্ম ভাস্কৰ্য খোদিত অৱস্থাত পোৱা হৈছে। অতি উচ্চখাপৰ নিৰ্মাণ প্ৰযুক্তি ভগ্নাৱশেষবোৰ চালেই সহজে ধৰিব পাৰি। দীঘ, প্ৰস্থ, ঘনত্বৰ জোখ-মাখ, কোণ, চতুৰ্ভুজ, আয়তক্ষেত্ৰ, বৃত্ত, নিখুঁতভাৱে গোলাকাৰ ইত্যাদি জ্যামিতি আৰু পৰিমিতিৰ জ্ঞান বিভিন্ন অংশত লগাকৈ কাটি উলিওৱা শিলবোৰত অতি স্পষ্ট হৈ পৰিছে। গৃহ নিৰ্মাণৰ ক্ষেত্ৰত শৈল নিৰ্মিত ভেটি, দেৱগৃহৰ মূল দ্বাৰৰ চৌকাঠত লগোৱা শিলাখণ্ডৰ জোখ-মাপ, তেনে শিলাখণ্ডত অংকিত অতি নিখুঁত ফুল আৰু লতাৰ অংকন, তেনে শিলত প্ৰয়োজন সাপেক্ষিক অলংকৃত খাজ, স্থায়ীভাৱে জোৰা লগাব পৰাকৈ শিলতে কৰা প্ৰায় এক-ডেৰ ইঞ্চি গভীৰ গাঁত, খুঁটা আৰু বেৰৰ কাম কৰা শিলবোৰ বহুৱাবলৈ বিভিন্ন স্থানৰ বাবে কটা অলংকৃত শিলাখণ্ড, ডাঙৰ শিলবোৰৰ মাজত চাবিজোৱা হিচাপে ব্যৱহাৰ কৰিববলৈ আপেক্ষিকভাৱে ঘূৰণীয়া শিলৰ মাজত ফুটা বা পোখলি (খুবলি) সদৃশ গাঁতেৰে কটা অলংকৃত শিল, বেৰ, খুঁটা আৰু বিম হিচাপে ব্যৱহাৰ কৰা বিভিন্ন জোখৰ শিল এতিয়ালৈকে কিছু পৰিমাণে পোৱাৰ উপৰি বহুতো সামগ্ৰী উদ্ধাৰ কৰিববলৈ বাকী আছে। এই পৰ্যন্ত তিনিটা শিৱ লিংগ, এটা বিশেষ ধৰণৰ মূৰ্তি আৰু দুটা কলা-ভাস্কৰ্যৰ ক্ষেত্ৰত অতি উন্নত পৰ্যায়ৰ মূৰ্তিৰে ওপৰত উল্লেখ কৰা শিলৰ ভগ্নাৱশেষবোৰ বহু দেৱতাৰ মূৰ্তি থকা এটা মন্দিৰৰ ভগ্নাৱশেষ বুলি নিশ্চিতভাৱে ঠাৱৰ কৰিব পাৰি।

স্থানীয় ৰাইজে পুখুৰীত উদ্ধাৰ হোৱা এটা বিশেষ শৈলবেদীৰ মাজত কটা ফুটাৰ ওপৰত সবাতোকৈ বৃহৎ আকৃতিৰ শিৱ লিংগটো স্থাপন কৰি ৰাইজক ভক্তি অৰ্চনা কৰিবৰ বাবে সুযোগ দি আছে। কিন্তু











যিখন শিলৰ বেদীৰ ওপৰত শিৱ লিংগটো ৰখা হৈছে, তাৰ মধ্যস্থলত থকা ফুটাটোত শিৱলিংগটো খাজ খোৱা নাই। এই আৱিষ্কৃত পীঠখনত কোনো বিশেষ ধৰণৰ দেৱমূৰ্তি বা বৰ্তমানৰ মূৰ্তিটোতকৈ ডাঙৰ বিগ্ৰহ থকাটো অনুমান কৰিব পাৰি। বৈজ্ঞানিক পদ্ধতিৰে খনন কাৰ্য চলাই সকলো সামগ্ৰী উদ্ধাৰ নোহোৱালৈকে এই শিলৰ দেৱমন্দিৰটোৰ মূল দেৱতা কি আছিল ঠাৱৰ কৰাটো এতিয়াও কঠিন হৈ আছে। প্ৰাপ্ত মূৰ্তিবোৰৰ ভিতৰত এখন বিশেষ আসনত বহি থকা, মূৰত বিশেষ ধৰণৰ পাগুৰি আৰু গলত এছটা অলংকাৰ থকা শিলৰ মূৰ্তি বিশেষভাৱে চাবলগীয়া। কোনো কোনো চৰকাৰী আৰু বেচৰকাৰী বিদ্বতে এই মূৰ্তিটো তান্ত্ৰিক তাৰা তথা বজ্ৰযানৰ অৱলোকিতেশ্বৰৰ নাৰী-ৰূপৰ দ্ৰোলমা বুলি ক'ব খোজে। আমাৰ দৃষ্টিত এই মূৰ্তিটো নাৰী মূৰ্তি হ'ব নোৱাৰে। বিশেষকৈ বুকুৰ অংশই নাৰী মূৰ্তিৰ সূচনা নকৰে। এতিয়ালৈকে পোৱা তাৰা বা দ্ৰোলমা মূৰ্তিসমূহৰ পেট আপেক্ষিকভাৱে গোলাকাৰ, কিন্তু জলজলীত উদ্ধাৰ হোৱা মূৰ্তিটো তেনে নহয়। অৱশ্যে মূৰ্তিটোৰ আসন আৰু চাক্ষুস দৃষ্টিৰ পৰা তান্ত্ৰিক বজ্ৰ ভৈৰবা বুলি ঠাৱৰ কৰাৰ থল আছে। আনহাতে সৰ্প আৰু মূৰত গংগা চিহ্ন আৰু কাঁচি জোন নোহোৱা বাবে হয়তো শিৱ ভৈৰৱৰ লগত সংগতি ৰাখিবলৈ বহুতো পণ্ডিতে টান পাব। কিন্তু বজ্ৰযানীসকলৰ প্ৰভাৱত অনেক পৌৰাণিক দেৱ-দেৱীৰ আকৃতি আৰু প্ৰকৃতি সুকীয়া হৈ পৰিছিল। বজ্ৰ ভৈৰৱক যমান্তক আৰু তিব্বতী ভাষাত দৰ্জী জিগ্‌জে বুলিও কোৱা হয়। অৱশ্যে আমি এই বিষয়টো পণ্ডিতসকলৰ অনুসন্ধান আৰু অধ্যয়নৰ বাবে এৰিলোঁ।

জলজলীত উদ্ধাৰ হোৱা আন দুটি নিখুঁত মূৰ্তিও অনন্য বুলি ক'ব লাগিব। দৰঙৰ আৰু অসমৰ বিভিন্ন ঠাইত আৱিষ্কৃত বিষ্ণু মূৰ্তিসমূহ সাধাৰণতে চাৰি হাত বিশিষ্ট হয়। জলজলীৰ দুয়োটা মূৰ্তিতেই দুখনকৈ হাত আছে। আনহাতে মূল মূৰ্তিৰ সোঁ আৰু বাওঁফালে খোদিত পৰিচাৰিকাসদৃশ দুগৰাকীকৈ নাৰী মূৰ্তি আছে। বিষ্ণুৰ কাষত সাধাৰণতে পুৰুষ মূৰ্তি দেখা যায় আৰু সেইসকলক জয়-বিজয় বুলি কোৱা। দুয়োটা মূল আৰু চাৰিওটা গৌণ শিলা খোদিত মূৰ্তি কেৱল অতি নিখুঁতেই নহয়, শিল্প-ভাস্কৰ্য আৰু কলাৰ ক্ষেত্ৰত অতি উচ্চমানৰ। শাৰীৰিক গঠন অনুপাত আৰু শৰীৰৰ অংগ-প্ৰত্যংগই প্ৰকাশ কৰা ভাষাই শান্ত-সমাহিত, এক প্ৰশান্ত ৰূপ অভিব্যক্তি হিচাপে প্ৰকাশ কৰিব পাৰিছে। সেই ফালৰ পৰা জনজীৱনক শান্তিৰ বাবে পথ প্ৰদৰ্শন কৰিব খোজা এক বিশেষ বিগ্ৰহ বুলি অনুমান কৰিব পাৰি। পালক বিষ্ণুৰ বিশেষ ৰূপ বুলি কোৱাৰ যদিও থল আছে, এই মূৰ্তি দুটাৰ অনন্য ভাস্কৰ্যশৈলী আৰু আপেক্ষিকভাৱে নতুন ৰূপৰ বাবে বিস্তৃত আৰু গভীৰ অধ্যয়নৰ প্ৰয়োজন। বিভিন্ন বিগ্ৰহৰ ওপৰত শিলত খোদিত ষোল্লটা পাহিযুক্ত পদুম ফুল কেইবাটাও পোৱা গৈছে। গোটেইকেইটা আপেক্ষিকভাৱে নিখুঁত। কিন্তু আমাৰ মতে খনন কাৰ্য চলি থাকিলে এটা বৃহৎ আকৃতিৰ শৈল খোদিত পদুম উদ্ধাৰ হোৱাৰ আশা আছে। মূল বিগ্ৰহৰ ওপৰত স্থাপিত বৃহৎ আকৃতিৰ পদুমটো এতিয়াও পোৱা হোৱা নাই। আনহাতে বৰ্তমানে যিটো শিৱ লিংগক এখন বিশেষ শিলৰ বেদীৰ ওপৰত থোৱা হৈছে সেই বেদীখনত খাজ খোৱাকৈ মন্দিৰৰ মূল বৃহৎ শিৱ লিংগৰো আন কোনো বিগ্ৰহ উদ্ধাৰ হোৱাৰ সম্ভাৱনাও আছে।





ঐতিহাসিকভাৱে দৰঙৰ ভগ্নাৱশেষবোৰ ষষ্ঠদশ শতিকাৰ আগৰ বুলি প্ৰায় প্ৰতিষ্ঠিত হৈছে। গুপ্ত যুগতকৈও দীঘলীয়া বৰ্মনসকলৰ ৰাজত্ব কাল উত্তৰ-পূৱ ভাৰতবৰ্ষ আৰু হিমালয়ৰ এটা অঞ্চলৰ বাবে সোণালী যুগ আছিল। কৃষি-কুটীৰ শিল্পভিত্তিক সামগ্ৰীৰ ব্যৱসায়েৰে ৰজাঘৰ-প্ৰজাঘৰ অতি সমৃদ্ধ যে হৈছিল বুৰঞ্জীৰ পাতত ই প্ৰমাণিত হৈছে। তেনে এটা সমৃদ্ধ কালতেই তথা প্ৰাচুৰ্যৰে ভৰা সমাজত শিলৰ মন্দিৰৰ সামগ্ৰী আৰু তেনে মন্দিৰ নিৰ্মাণ কৰাটো ব্যৱসায়িক ভিত্তিত যে ইতিপূৰ্বে চলিছিল তাকো আজি ঠাৱৰ কৰিব পাৰি। জলজলী, তাম্ৰেশ্বৰ, খাম্পাহোলা, খান্দাজান ইত্যাদি স্থানৰ ওচৰত কোনো শিলাময় পাহাৰ বা পৰ্বত নাই। এতেকে এই ভগ্নাৱশেষবোৰৰ শিলবোৰ বহু দূৰৰ পৰা অনা হৈছিল বুলি নিশ্চিতভাৱে ক'ব পাৰি। নিৰ্মাণকাৰ্যত লগোৱা শিলবোৰ কটাৰ নমুনা, জোখ-মাপ, জোৰা দিয়া পদ্ধতি, খোজন পদ্ধতি ইত্যাদিৰ পৰা প্ৰতিষ্ঠিত হয় যে সেই সময়ত শিলৰ মন্দিৰ বা গৃহ নিৰ্মাণৰ তাত্ত্বিক প্ৰযুক্তিবিদ্যাই নহয়, নিখুঁতভাৱে বাস্তৱ ৰূপ দিব পৰা কাৰিকৰী বাটে প্ৰশিক্ষণ দিয়া বা গঢ়ি তোলাৰ ব্যাপক প্ৰক্ৰিয়া চলিছিল।

জলজলীৰ আৱিষ্কাৰে আমাক হয়তো দৰঙৰ ইতিহাসত ষষ্ঠ-সপ্তম দশকৰ বৰ্মনসকলৰ সোণালী যুগলৈ লৈ যাব।❑

# শিক্ষাৰ বিভিন্ন পৰ্যায়ত ব্যক্তিগত বিদ্যালয়ৰ ভূমিকা ঃ এটি আলোকপাত

**ডক্টৰ হৰিশ চন্দ্ৰ ডেকা**
অৱসৰপ্ৰাপ্ত অধ্যাপক (শিক্ষা বিভাগ)

বৰ্তমান ভাৰতবৰ্ষত শিক্ষাৰ বিভিন্ন পৰ্যায়ত ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰ কাঠফুলাৰ দৰে ৰাজ্যৰ বিভিন্ন প্ৰান্তত গাঁৱে-ভূঁৱে চহৰে-নগৰে গজি উঠা সকলোৰে দৃষ্টিগোচৰ হৈছে। প্ৰাথমিক, মাধ্যমিক, স্নাতক, বিশ্ববিদ্যালয়, কাৰিকৰী, বৃত্তিমুখী আৰু ব্যৱসায়িক দিশৰ সকলো স্তৰতে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ে গা কৰি উঠিছে আৰু দেশৰ সৰহসংখ্যক জনসাধাৰণৰ আস্থাভাজন হ'বলৈ সক্ষম হৈছে। এই ক্ষেত্ৰত নানাজনে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ক চোকা ভাষাৰে সমালোচনা কৰিছে আৰু কোনোৰে প্ৰশংসাৰ ঢাক-ঢোল বজোৱাও পৰিলক্ষিত হৈছে। তৰ্কৰ খাতিৰত সপক্ষে বা বিপক্ষে, হকে-বিহকে আমি নানা ধৰণৰ মন্তব্য যুগুতাই উলিয়াব পাৰিম। কিন্তু তৰ্কলৈ যোৱাৰ আগতে আমি এটা মূল কথালৈ আহোহঁক যে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ জন্ম কিয় হ'ব লগা হ'ল? জীৱ শ্ৰেষ্ঠ মানৱৰ জীয়াই থাকিবলৈ ভাত, কাপোৰ আৰু বাসস্থানৰ প্ৰয়োজন যদিও এইকেইটা প্ৰয়োজনেই যথেষ্ট নহয়। ইংৰাজীত এযাৰ কথা আছে যে 'Whether we eat to live or live to eat' অকল পৃথিৱীত খাবলৈহে আহিলে এই তিনিটাই যথেষ্ট। কিন্তু যদিহে জীয়াই থাকিবৰ বাবে খাওঁ তেনেহ'লে মানুহৰ প্ৰয়োজনৰ সীমা-সংখ্যা নাই। আধুনিক যুগত শিক্ষাৰ প্ৰয়োজনীয়তা বাৰুকৈয়ে অনুভৱ কৰা হৈছে। শিক্ষা অবিহনে মানুহক অন্ধ বা পশুতুল্য বুলি গণ্য কৰা হয়। অৱশ্যে এই ধাৰণা অকল আজিৰেই নহয়, ভাৰতীয় সংস্কৃত সাহিত্যত এইদৰে লিখা আছে।

পৃথিৱী গোলকীকৰণ হোৱাৰ লগে লগে বৈজ্ঞানিক media ৰ যোগেদি মানুহে কোন বিষয়ৰ গুৰুত্ব কিমান বেছি, কোনবোৰ প্ৰয়োজনীয় অধ্যয়নৰ বিষয় এই বিষয়ত সন্দেহ ইতিমধ্যে পাইছে। এনেবোৰ প্ৰয়োজনীয় বিষয় আমাৰ দেশৰ চৰকাৰী শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰিব পৰা নাই। সেয়েহে এচাম সচেতন শিক্ষাবিদে ব্যক্তিগত খণ্ডৰ বিভিন্ন স্তৰত বিদ্যালয় প্ৰতিষ্ঠা কৰিবলৈ আৰম্ভ কৰিছে।

ব্ৰিটিছসকলে ভাৰতত প্ৰায় ২০০ বছৰ শাসন কৰাৰ ফলত তেওঁলোকৰ ভাষা-সাহিত্যৰ সোৱাদে ভাৰতৰ অধিকাংশ মানুহৰ মন জয় কৰিবলৈ সক্ষম হৈছে। সেই সুবিধা গ্ৰহণ কৰি আমাৰ দেশত মিছনেৰীসকলে ব্যক্তিগত খণ্ডত ইংৰাজী মাধ্যমৰ (প্ৰাথমিকৰ পৰা মাধ্যমিক স্তৰলৈ) বিদ্যালয় প্ৰায়বোৰ ৰাজ্যতে স্থাপন কৰিবলৈ ল'লে। ভাৰতৰ মানুহে অইনৰ বেশ-ভূষা অতি সোনকালে গ্ৰহণ কৰে। মিছনেৰীসকলৰ ব্যক্তিগত বিদ্যালয়ত ভাৰতীয় মূলৰ আঢ্যৱন্ত মানুহেও নিজৰ ল'ৰা-ছোৱালীক ভৰ্তি কৰাবলৈ উঠি-পৰি লাগিল। কালক্ৰমত এই বিদ্যালয়বোৰ জনপ্ৰিয় হৈ উঠিল আৰু এইবোৰ অনুকৰণ কৰি আমাৰ দেশৰ মানুহেও ব্যৱসায়িক দিশৰ চিন্তা কৰিয়েই হওক নাইবা শৈক্ষিক কাৰণতেই হওক ব্যক্তিগত খণ্ডৰ বিদ্যালয় স্থাপন কৰিবলৈ ধৰিলে। অৱশ্যে এই কথা নুই কৰিব নোৱাৰি যে এনে ধৰণৰ ইংৰাজী মাধ্যমৰ বিদ্যালয়বোৰৰ আন্তঃগাঁথনি, অনুশাসন পদ্ধতি আৰু নিয়মানুবৰ্তিতা আমাৰ চৰকাৰী বিদ্যালয়বোৰতকৈ অতি উন্নত মানৰ। সচেতন অভিভাৱকসকলে নিজৰ ল'ৰা-ছোৱালীক গুণগত শিক্ষা দিবৰ বাবে উৎসুক হোৱাটো স্বাভাৱিক কথা। মানুহে সদায় সকলো কথাৰে ভালটো বিচাৰে। কালক্ৰমত অন্ততঃ মাধ্যমিক পৰ্যায়লৈ মিছনেৰী আৰু আমাৰ দেশীয় ব্যক্তিৰ দ্বাৰা ব্যক্তিগত খণ্ডত সহজতে টেঁকীয়া শাক গজাৰ দৰে বিদ্যালয় স্থাপন হ'বলৈ ধৰিলে। বৰ্তমান কালত এই খণ্ডৰ শিক্ষা অনুষ্ঠানৰ সীমা সংখ্যা নোহোৱা হৈছে।

আন এটি দিশ আমাৰ চকুত পৰে যে স্নাতক পৰ্যায়ত কলা, বিজ্ঞান, কাৰিকৰী আৰু বৃত্তিমুখী শিক্ষাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীবোৰ মেধাৱী হোৱা সত্বেও যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে কাৰিকৰী স্নাতক শিক্ষা, উন্নত চিকিৎসা শিক্ষা আৰু কম্পিউটাৰৰ উন্নত শিক্ষাত নামভৰ্তি কৰিব নোৱাৰে। কাৰণ চৰকাৰী চিকিৎসা মহাবিদ্যালয় আৰু কাৰিকৰী মহাবিদ্যালয়ৰ সংখ্যা আমাৰ দেশত তেনেই নগণ্য। সেই কাৰণেই উদ্যোগপতিসকলে কিছুমান শিক্ষাবিদৰ লগ লাগি বিশেষকৈ কৰ্ণাটক, মহাৰাষ্ট্ৰ, দিল্লী, মুম্বাই আৰু কলিকতাৰ দৰে ঠাইত উচ্চ শিক্ষাৰ বিভিন্ন পৰ্যায়ত অত্যাধুনিক সুবিধা প্ৰদান কৰি বহুতো শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰিলে।

এনেকি বিশ্ববিদ্যালয়ৰ দিশতো বহুতো ঠাইত সাম্ভাব্য বিশ্ববিদ্যালয় স্থাপন হ'ল। অৰ্থাৎ এইটো আমাৰ জ্ঞান হ'ল যে আমাৰ দেশৰ চৰকাৰী যন্ত্ৰই উন্নত মানৰ বিভিন্ন দিশত শিক্ষা প্ৰদান কৰিব নোৱাৰাৰ ফলতেই ব্যক্তিগত খণ্ডই শিক্ষাৰ বিভিন্ন পৰ্যায়ত শিক্ষানুষ্ঠান পাতিব লগা হ'ল।

বৰ্তমান সময়ত চৰকাৰী বিদ্যালয়বোৰ যেন অশিষ্ট আৰু ব্যক্তিগত বিদ্যালয়বোৰ উৎকৃষ্ট— এনে ধাৰণাই সাধাৰণ ৰাইজৰ মনত বিৰাজ কৰা দেখা হৈছে। কিন্তু আমি পৰ্যালোচনা কৰিলে দেখো যে চৰকাৰী খণ্ডৰ বিদ্যালয়বোৰৰ শিক্ষকসকল (উচ্চমানৰ) অভিজ্ঞ আৰু উন্নত দৰমহাকে ধৰি নানা ধৰণৰ সুবিধাভোগী। তেনেহ'লে তেনে বিদ্যালয়বোৰে কিয় ৰাইজৰ জনপ্ৰিয়তা হেৰুৱাইছে? ইয়াৰ প্ৰধান কাৰণ হ'ল যে, বৰ্তমান আমাৰ দেশত কোনো চৰকাৰী কাৰ্যালয়, কৰ্ট-কাছাৰী, বিদ্যালয়-মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত কঠোৰ নিয়ন্ত্ৰণৰ ব্যৱস্থা নাই। আনহাতে ব্যক্তিগত কাৰ্যালয় বা আন অনুষ্ঠান বা প্ৰতিষ্ঠানত কঠোৰ নিয়ম-নীতি বিৰাজমান। চৰকাৰী মানেই পালমৰা, ব্যক্তিগত মানেই মনোযোগেৰে কাম কৰা। আমেৰিকাত প্ৰায়বোৰ অনুষ্ঠান-প্ৰতিষ্ঠান ব্যক্তিগত খণ্ডৰ হোৱা কাৰণেই বোধহয় তেওঁলোকৰ সকলো দিশত বিকাশৰ সম্ভাৱনা উজ্জ্বল হৈ উঠিছে। আমাৰ দেশত বাতৰি কাকত মেলিলেই পঢ়িব পোৱা যায় বহুতো শিক্ষকে বছৰত এদিনো পাঠদান নকৰাকৈ উন্নত দৰমহা ভোগ কৰাৰ উপৰিও ৰাজ্যিক বা ৰাষ্ট্ৰীয় বঁটাৰ বাবে নিৰ্বাচিত হ'ব পাৰে। এনেকি বিদ্যালয় নথকাকৈয়ো কোনোৰে নিয়মীয়া দৰমহা

ভোগ কৰিবলৈ সক্ষম হৈ বাতৰি কাকতৰ শিৰোনাম দখল কৰিছে ৰাজহুৱা খণ্ডৰ বিদ্যালয়ত।

আমি এই কথা কোৱা উচিত নহ'ব যে, সকলো ব্যক্তিগত খণ্ডৰ শিক্ষা অনুষ্ঠানে উৎকৃষ্ট আন্তঃগাঁথনি প্ৰদান কৰি বিভিন্ন বিষয়ত উচ্চ মানৰ শিক্ষা প্ৰদান কৰিছে। পৰ্যালোচনা কৰিলে দেখা যায় যে খুউব কম সংখ্যক প্ৰতিষ্ঠানৰহে ভাল আন্তঃগাঁথনি আছে। বাকীবোৰ ব্যৱসায়িক ভিত্তিতে চলি আছে। সি যি কি নহওক, অৰ্থনৈতিক দিশত টনকিয়াল আৰু সচেতন অভিভাৱক সকলে ব্যক্তিগত খণ্ডৰ শিক্ষা ব্যৱস্থালৈ নিজৰ ল'ৰা-ছোৱালীবোৰক টানি-আঁজুৰি হ'লেও নামভৰ্ত্তি কৰোৱা দেখা গৈছে। ব্যক্তিগত খণ্ডৰ শিক্ষা অনুষ্ঠানবোৰত নামভৰ্ত্তিৰ ফিজ, মাহেকীয়া মাছুল, যান-বাহনৰ মাছুল আৰু যিবিলাকত চেমিষ্টাৰ পদ্ধতি আছে সেইবোৰত ফিজৰ হাৰ অত্যন্ত বেছি। তাৰোপৰি কিছুমান অনুষ্ঠান যেনে, কাৰিকৰী আৰু চিকিৎসা মহাবিদ্যালয়বোৰত লাখৰ ঘৰত। আগতীয়া মাননিৰো ব্যৱস্থা থকা বুলি ৰাইজ জ্ঞাত নোহোৱাকৈ থকা নাই। এনে ধৰণৰ উৎকোচৰ পৰিমাণ বিশেষকৈ চৰকাৰী চিকিৎসা মহাবিদ্যালয়ত ২০ ৰ পৰা ২২/২৩ লাখ পৰ্যন্ত বুলি জনা যায়। ভাৰতৰ দৰে অৰ্থনৈতিকভাৱে পিছপৰা দেশৰ অভিভাৱকসকলে লাখৰ ঘৰত উৎকোচ দি নিজৰ ল'ৰা-ছোৱালীক কাৰিকৰী আৰু চিকিৎসা মহাবিদ্যালয়ত নামভৰ্ত্তি কৰাত যি হেতা-ওপৰা লগাইছে তাকে দেখি কোনে ক'ব যে আমাৰ দেশৰ লোকসকল অভাৱগ্ৰস্ত। এনেকি উৎকোচ দি নামভৰ্ত্তি কৰাবলৈকেও বিদ্যালয়বোৰত আসনৰ অভাৱ। আমি আগতেই কৈ আহিছো যে বৰ্তমান সময়ত ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানসমূহে ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশ কৰাতকৈ নিয়মীয়া পাঠদানখিনি সমাপ্ত কৰি ব্যৱসায়িক দিশটোৰ প্ৰতি বেছি গুৰুত্ব দিছে। এখন ব্যক্তিগত বিদ্যালয়ৰ অৰ্থনৈতিক স্বচ্ছলতা দেখি প্ৰতিযোগিতামূলকভাবে কাঠফুলাৰ দৰে অনুষ্ঠানৰ জন্ম হৈছে। এনে ধৰণৰ বিদ্যালয়বোৰে মেধাবী শিক্ষক নিয়োগকে ধৰি সহপাঠ্যক্ৰমিক কাৰ্যৱলীৰ অন্তঃগাঁথনি প্ৰস্তুত কৰিব পৰা নাই। শতকৰা ৯০% ব্যক্তিগত অনুষ্ঠানতে কোনো মানৰ কথা চিন্তা নকৰি কিমান কম দৰমহাত শিক্ষক নিযুক্তি দিব পাৰি তাৰেই প্ৰতিযোগিতা হোৱা দেখা গৈছে। বিদ্যালয়বোৰৰ যিমান আয় তাৰ তুলনাত শিক্ষক-শিক্ষয়িত্ৰীসকলক তেনেই নগণ্য বেতন দিয়া হয়। এনেদৰেই হাজাৰজন যুৱক-যুৱতীক কম পাৰিতোষিক দি এনে ধৰণৰ বিদ্যালয়বোৰত গাধ খটুওৱাৰ দৰে খটুৱাইছে। তেওঁলোকৰ জীৱন মাত্ৰ ছাত্ৰ-ছাত্ৰীৰ পৰা পোৱা 'ছাৰ', 'মেম' সদৃশ শব্দকেইটাই কিছু ৰসাল কৰি ৰাখিছে। ব্যক্তিগত খণ্ডৰ শিক্ষা অনুষ্ঠানবোৰত শিক্ষকসকলে তেওঁলোকে কৰা কষ্টৰ বিনিময়ত একেবাৰেই কম পাৰিতোষিক পায়। আনহাতে ৰাজহুৱা খণ্ডৰ বিদ্যালয়বোৰত শিক্ষকসকলে চৰকাৰী হাৰত দা-দৰমহা পোৱাৰ উপৰিও চৰকাৰী বন্ধ আৰু ছুটী উপভোগ কৰে। শিক্ষকসকলো গুণগত অৰ্হতাৰ ভিত্তিত নিযুক্তি লাভ কৰে। তথাপিও ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ ফলাফলতকৈ ৰাজহুৱা খণ্ডৰ বিদ্যালয়ৰ ফলাফল নিম্নগামী কিয়? কি যাদু বা মন্ত্ৰ ব্যৱহাৰ কৰিছে তেওঁলোকৰ উন্নত ফলাফলত। এই বিষয়টো পৰ্যালোচনা কৰিলে তলৰ দিশকেইটা সকলোৰে চকুত ধৰা পৰে—

(১) অৰ্থনৈতিকভাৱে সবল, সচেতন আৰু শিক্ষিত বক্তিৰ ল'ৰা-ছোৱালীক বৰ্তমান ব্যক্তিগত শিক্ষানুষ্ঠানত নামভৰ্ত্তি কৰোৱা হয় ভাল শিক্ষাৰ বাবে। ফলত ৰাজহুৱা খণ্ডৰ বিদ্যালয়বোৰ ক্ৰমান্বয়ে এলাগী হৈ পৰাৰ দৰে হৈছে। (২) ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰত কঠোৰ প্ৰশাসন, শৃংখলাবদ্ধতা আৰু নিয়মানুৱৰ্তিতা বজাই ৰখা হয়। আনহাতে ৰাজহুৱা খণ্ডৰ শিক্ষা অনুষ্ঠানত এই দিশটোৰ প্ৰতি যৎকিঞ্চিতো গুৰুত্ব দিয়া নোহোৱাৰ ফলত বিদ্যালয়বোৰৰ অৱস্থা এৰাবাৰীৰ দৰে হ'বলৈ ধৰিছে। (৩) ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ ঘৰৰ কাম (Home Work) এটি উল্লেখনীয় দিশ। প্ৰতিদিনে ঘৰত কৰি আনিব দিয়া কামবোৰ তাগিদা অনুযায়ী নিজেই কৰক বা অভিভাৱকৰ সহায়তেই কৰক ছাত্ৰ-ছাত্ৰীয়ে কামবোৰ কৰি অনাটো বাধ্যতামূলক। শিক্ষকে ঘৰৰ কামবোৰ কিমান ভালদৰে চাব পাৰিছে সেইটো ডাঙৰ কথা নহয়। এইটো এটা অভ্যাস গঠনৰ প্ৰক্ৰিয়া মাথোন। এনে ব্যৱস্থাত ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীত হৈ যোৱা পাঠৰ লগত চেগা-চোৰোকাকৈ হ'লেও এটি সম্পৰ্ক ৰক্ষা কৰিব পাৰে। কিন্তু ৰাজহুৱা খণ্ডৰ বিদ্যালয়ত এই ব্যৱস্থা অচল টকাত পৰিণত হৈছে। শিক্ষকসকলেও ঘৰুৱা কাম বহী নিৰীক্ষণ কৰা মূৰৰ কামোৰণিৰ পৰা নিৰ্দিষ্ট দূৰত্বত থাকিবলৈ অহৰহ প্ৰয়াস কৰি আহিছে। অৰ্থাৎ বৰ্তমান সময়ত ব্যক্তিগত খণ্ডৰ শিক্ষা অনুষ্ঠানৰ বাহিৰে কোনো অনুষ্ঠানতে ঘৰৰ কামৰ ব্যৱস্থা নাই। ঘৰৰ কাম নথকা কাৰণে ৰাজহুৱা খণ্ডৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে আজৰি সময়ত কিতাপৰ লগত বন্ধুত্ব পতা প্ৰায় বাদেই দিছে। (৪) আন এটি উল্লেখনীয় দিশৰ বিষয়ে ক'ব পাৰি যে ইংৰাজীত এষাৰ কথা আছে যে, Writing makes a man perfect. তদ্ৰূপ আন এষাৰ কথা আছে Repetation is the Sinequa non of memorising a thing. অৰ্থাৎ বাৰম্বাৰ অনুশীলন কৰিলে ছাত্ৰ-ছাত্ৰীয়ে সহজতে সকলো কথা মনত ৰাখিব পাৰে। হাইস্কুলীয়া স্তৰত সাধাৰণতে ল'ৰা-ছোৱালীয়ে বুজাতকৈ মুখস্থ কৰাত বেছি পাৰ্গত। ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত শ্ৰেণীৰ বছৰেকীয়া পাঠ্যক্ৰম ৩/৪ বাৰকৈ পুনঃ চৰ্চা কৰা হয়। তাৰোপৰি পৰীক্ষাত আহিব পৰা সম্ভাব্য প্ৰশ্নসমূহৰো পুনৰ অনুশীলন কৰা হয়। এই প্ৰক্ৰিয়াত অধ্যয়নৰ পাঠসমূহ ছাত্ৰ-ছাত্ৰীৰ কণ্ঠস্থ হয়। আনহাতে ৰাজহুৱা খণ্ডৰ বিদ্যালয়বোৰত পাঠ্যক্ৰম পুনৰ আলোচনা হোৱা বাদেই কিছুমান পাঠ্যক্ৰমৰ লগত ছাত্ৰ-ছাত্ৰীৰ পৰিচয়েই নহয়। মেধাৱী ছাত্ৰ-ছাত্ৰীৰ বাহিৰে সাধাৰণ বুদ্ধিৰ ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ত এটি পাঠ আলোচনা নোহোৱা পৰ্যন্ত নিজে নিজে নপঢ়ে। ফলত তেনে পাঠবোৰ চৰ্চা নকৰাকৈয়ে পৰীক্ষাত বহে। পৰীক্ষাৰ সময়ত নিৰ্বাচিত সম্ভাব্য কিছুমান প্ৰশ্ন নুবুজাকৈয়ে মুখস্থ কৰি পৰীক্ষাত বহে যদিও সেইসকলে সন্তোষজনক ফলাফল নাপায়। মেধাবী ছাত্ৰ-ছাত্ৰীৰ লগতে সাধাৰণ বুদ্ধিৰ ছাত্ৰ-ছাত্ৰীয়েও ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত সন্তোষজনক ফলাফল দেখুৱাবলৈ সমৰ্থবান হয়।

গতিকে দেখা গৈছে, কড়া প্ৰশাসন, অনুশাসন, পাঠ্যক্ৰমৰ পুনঃ অনুশীলনেই ব্যক্তিগত শিক্ষানুষ্ঠানৰ ভাল ফলাফলৰ প্ৰকৃত যাদু, যিকেইটা প্ৰয়োজনীয় বৈশিষ্ট্য ৰাজহুৱা খণ্ডৰ বিদ্যালয়ত পৰিলক্ষিত নহয়।

ব্যক্তিগত খণ্ডৰ উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহক বাদ দিলে দেখা যায় যে হাইস্কুলীয়া স্তৰলৈ ৰাজহুৱা খণ্ডৰ বিদ্যালয়বোৰৰ শতকৰা ৮০ ভাগৰে আন্তঃগাঁথনি ব্যক্তিগত খণ্ডৰ বিদ্যালয়তকৈ ভাল। তথাপিও ওপৰত উল্লেখ কৰা বৈশিষ্ট্য কেইটাৰ অভাৱৰ কাৰণেই ৰাজহুৱা খণ্ডৰ বিদ্যালয়বোৰৰ ফলাফল সন্তোষজনক নহয় বুলি ক'ব পাৰি। ❐

# অসমীয়া ৰোমাণ্টিক কবিতাত সাহিত্যিক মালিতা

**ডক্টৰ কনক চন্দ্ৰ চহৰীয়া**
অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

'ৰোমাণ্টিচিজম' বা ৰমন্যাসবাদ পাশ্চাত্যত গঢ় লৈ উঠা এক বিশেষ ভাৱধাৰা। এই ভাৱধাৰাক লৈয়েই ইংৰাজী সাহিত্যত অষ্টাদশ শতিকাৰ শেষৰ ফালে এদল সাহিত্যিকে ৰোমাণ্টিক সাহিত্যৰ উন্মেষ ঘটায়। এই ক্ষেত্ৰত অৱশ্যে ১৭৮৯ চনত সংঘটিত ফৰাচী বিপ্লৱৰ ভূমিকাৰ কথা স্বীকাৰ কৰিবই লাগিব। তদুপৰি জাৰ্মানৰ দাৰ্শনিকসকলৰ চিন্তাধাৰায়ো ইয়াক গতি প্ৰদান কৰে। অষ্টাদশ শতিকাৰ শেষৰ পৰা ঊনবিংশ শতিকাৰ চতুৰ্থ দশকলৈ ইংৰাজী সাহিত্যত চলি থকা এই নব্য প্ৰৱাহটোকে 'ৰোমাণ্টিচিজম' আখ্যা দিয়া হয়।[১] উল্লেখ কৰা ভাল, 'ৰোমাণ্টিক' শব্দটো মূলতঃ ইংৰাজী হ'লেও ফৰাচী আৰু জাৰ্মানী সাহিত্যিকৰ সংস্পৰ্শতহে ই ৰমনীয়তাৰো অৰ্থজ্ঞাপক হৈ বহুল প্ৰচলিত হয়। এই 'ৰোমাণ্টিক' বা 'ৰোমাণ্টিচিজম' বুজাবলৈ ভালেমান সংজ্ঞা দাঙি ধৰা হৈছে। পেটাৰৰ মতে ৰোমাণ্টিচিজম হ'ল— "সৌন্দৰ্যৰ লগত অপৰিচিতৰ সংযোগ" (Addition of Strangeness to beauty) আকৌ ডাল্টনৰ মতে ই "বিস্ময়ৰ পুনজাগৰণ" (Renaissance of Wonder)। এই ক্ষেত্ৰত এবাৰক্ৰম্বিয়ে আগবঢ়োৱা সংজ্ঞাটো বিশেষ উল্লেখযোগ্য। তেওঁৰ মতে "বাহ্যিক অভিজ্ঞতাৰ পৰা আঁতৰি গৈ অন্তলোকৰ ওপৰত দৃষ্টি নিবদ্ধ কৰাটোৱেই ৰোমাণ্টিচিজম বা ৰমন্যসবাদ।" (Romanticism is a withdrawal from outer experience to concentrate upon the inner)।

**ৰোমাণ্টিক কবিতা ঃ**

ইংৰাজী সাহিত্যত এই ৰোমাণ্টিক ধ্যান-ধাৰণাই প্ৰাধান্য লাভ কৰিছিল প্ৰধানকৈ কবিতাত। সেয়ে এই ৰোমাণ্টিক শ্ৰেণীৰ কবিতাৰ বৈশিষ্ট্য হিচাপে মন্ময়ধৰ্মিতা, বিস্ময় বিমুগ্ধ দৃষ্টি, মধ্যযুগীয় প্ৰীতি আৰু প্ৰকৃতি প্ৰীতি— এই চাৰিটাকে প্ৰধানকৈ আঙুলিওৱা হয়। মন্ময়ধৰ্মিতাত বস্তুৰ নিজৰ অস্তিত্বতকৈ কবিৰ অন্তৰ্লোকৰ অভিজ্ঞতাই প্ৰাধান্য লাভ কৰে। বিস্ময় বিমুগ্ধ দৃষ্টি হ'ল সাধাৰণ বস্তুতে অসাধাৰণত্ব আৰোপ। এই বিস্ময় ভাৱক লৈয়েই কবিৰ অন্তৰ্জগত অপৰূপ অনিৰ্বচনীয় হৈ উঠে। আনহাতে মধ্যযুগীয় প্ৰীতিত ফুটি উটে অতীতৰ পৰম্পৰাগত কাহিনীকলা তথা গীত-পদ আৰু নানান স্মৃতিচিহ্নৰ প্ৰতি সপোনসনা অনুৰাগ। আনহাতে প্ৰকৃতি প্ৰীতিয়ে দেখুৱাই দিয়ে শক্তিৰ বাবে কৰা অন্বেষণ আৰু তাৰ মাজত থকা প্ৰাণময় সত্তাৰ উদ্‌ঘাটন। তদুপৰি এই প্ৰকৃতি প্ৰীতিৰ লগতে হাতত ধৰাধৰিকৈ ব্যঞ্জিত হৈছে চহা জীৱনৰ প্ৰতি থকা অনুৰাগ-আকৰ্ষণ।

ইংৰাজী ৰোমাণ্টিক কবিতাৰ এই ধাৰণাবোৰ কিন্তু সকলো কবিৰ ৰচনাত সমানে ফুটি ওলোৱা নাই। ৱৰ্ডচৱৰ্থৰ কবিতাত যদি আবেগ চঞ্চল প্ৰকৃতি, কলেৰিজৰ কবিতাত বিস্ময়-বিমুগ্ধ প্ৰহেলিকাময় অতিপ্ৰকৃতি। ঠিক তেনেকৈ শ্যেলী যদি স্বপ্নাতুৰ আদৰ্শত আবদ্ধ, কীট্‌ছ সুন্দৰৰ ৰাজ্যত বিমোহিত। ভাৱধাৰা বিচিত্ৰ হ'লেও তাৰ মাজতে কিন্তু এক ঐক্যসূত্ৰও বিদ্যমান। সেয়া বহু ক্ষেত্ৰত কবিসকলৰ ৰমণীয় ভাব-ভাষা। তদুপৰি মানুহক মানুহৰ মৰ্যাদাত প্ৰতিষ্ঠা কৰাটো প্ৰায়বিলাক ৰোমাণ্টিক কবিৰে আছিল এক অনন্য সুন্দৰ আদৰ্শ।

**সাহিত্যিক মালিতা ঃ**

ৰোমাণ্টিক কাব্যধাৰাৰ ক্ষেত্ৰত মধ্যযুগীয় প্ৰীতি বৈশিষ্ট্যটোৰ কিন্তু এক বিশেষ প্ৰাধান্য লক্ষ্য কৰা যায়। দুই একে এই দিশটোকে ৰোমাণ্টিচিজমৰ কেন্দ্ৰীয় ধাৰণা বুলিও ক'ব বিচাৰে। এই মধ্যযুগীয় প্ৰীতিত আকৃষ্ট হৈয়েই কলেৰিজ, কীট্‌ছ আদি কবিয়ে পৰম্পৰাগত মালিতা বা লোকগীতৰ আধাৰত কিছু সংখ্যক কৃত্ৰিম মালিতা বা কাহিনী গীত ৰচনা কৰে। এইবোৰকেই সমালোচকসকলে সাহিত্যিক মলিতা (LiteraryBallad) আখ্যা দিছে। এই সাহিত্যিক মালিতাসমূহৰ কাহিনীকলা মূল কথা নহয়। সমালোচক ডক্টৰ মহেন্দ্ৰ বৰাৰ ভাষাত *"ই কাহিনীও নহয়, গীতো নহয়; ছন্দৰ উৰ্মিলহৰ, ভাৱনাৰ ৰমন্যাসিকতা আৰু বাচকবনীয়া শব্দাৱলীৰ আলফুলীয়া ৰূপৰ বিস্তাৰহে এই কবিতাৰ উপকৰণ।"*[২] সাহিত্যিক মালিতাবোৰ গীতি কবিতাৰ দৰে ব্যক্তিগত অনুভূতিপবন হোৱাৰ বিপৰীতে নৈব্যক্তিক বৰ্ণনাৰে সমুজ্জ্বল; অৱশ্যে এই নৈব্যক্তিকতাই শেষ কথা নহয়। পৰম্পৰাগত গীত-পদৰ পৰা আহৰণ কৰা ছন্দ আৰু সুৰটোত ইয়াৰ আনুষংগিক বৈশিষ্ট্য। এনে বৈশিষ্ট্য সম্বলিত ইংৰাজী সাহিত্যৰ সাহিত্যিক মালিতা বিলাকৰ ভিতৰত কলেজিৰ *এনচিয়েণ্ট মেৰিণাৰ*, কীটছ্‌ৰ *লা-বেল্যে (উম চেন্স মাৰ্চি)* আদি বিশেষভাৱে উল্লেখযোগ্য।

**অসমীয়া সাহিত্যিক মালিতা ঃ**

ইংৰাজী সাহিত্যিক মালিতাৰ আদৰ্শত ৰচিত অসমীয়া সাহিত্যিক মালিতা বুলিলে প্ৰধানকৈ চন্দ্ৰ কুমাৰ আগৰৱালাৰ *তেজীমলা, জলকুঁৱৰী;* লক্ষ্মীনাথ বেজবৰুৱাৰ *ধনবৰ আৰু ৰতনী, ৰতনীৰ বেজাৰ;* আনন্দ চন্দ্ৰ আগৰৱালাৰ *পানেশই, ফুলকোঁৱৰ* আদিলৈ আঙুলিয়াব পাৰি। ইয়াৰ বাহিৰেও অৱশ্যে দুৰ্গেশ্বৰ শৰ্মাৰ *প্ৰণয়-বাতৰি, ৰঙিলা;* নকুল চন্দ্ৰ ভূঞাৰ *জয়মতী,* সিংহ দত্তদেৱ অধিকাৰীৰ *ঠুনুকী,* শৈলধৰ ৰাজখোৱাৰ *পাষাণ প্ৰতিমা,* বিনন্দ চন্দ্ৰ বৰুৱাৰ *ৰঙামুৰা বীৰ* আদিতো মালিতাৰ লক্ষণ ফুটি ওলোৱা পৰিলক্ষিত হয়। অসমীয়া সাহিত্যৰ আলোচকসকলে কিন্তু এতিয়ালৈ কেৱল চন্দ্ৰ কুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু আনন্দ চন্দ্ৰ আগৰৱালাৰ সাহিত্যিক মালিতা কেইটাৰ ওপৰতে প্ৰধানকৈ গুৰুত্ব দিয়া দেখা গৈছে। আমাৰ আলোচনাও অৱশ্যে এই বিশেষ মালিতাকেইটাৰ ওপৰতে সীমাবদ্ধ থাকিব।

**চন্দ্ৰ কুমাৰ আগৰৱালাৰ সাহিত্যিক মালিতা ঃ**

ইংৰাজ কবি কলেৰিজৰ দৰে চন্দ্ৰ কুমাৰ আগৰৱালাৰ *তেজীমলা*

আৰু *জলকুঁৱৰী* মালিতা দুটাও অতিপ্ৰাকৃত বৰ্ণনাৰে সমৃদ্ধ। *তেজীমলা*-ৰ কাহিনীটো অসমীয়া লোক সাহিত্যত সাধু আৰু গীত আকাৰেও পোৱা যায়। এই পৰম্পৰাগত কলাশৈলীক লৈয়েই পাশ্চাত্যৰ আৰ্হিত *তেজীমলা* নামৰ কবিতাটো ৰচনা কৰি উলিয়াইছে। সাধু বা লোকগীতত পোৱাৰ দৰে কবিতাটোত কিন্তু সম্পূৰ্ণ কাহিনীটো নাই। কবিতাটোত ব্যঞ্জনাৰ মাজেৰে কাহিনীৰ আভাস দিয়াৰ লগতে মানুহৰ নিষ্ঠুৰতা আৰু প্ৰকৃতিৰ সহৃদয়তাৰ ছবি এখনহে দাঙি ধৰা হৈছে। দৰাচলতে *তেজীমলা*-ৰ কাহিনীবস্তু মূল কথা নহয়, আচল কথাটো হ'ল চন্দ্ৰ কুমাৰ আগৰৱালাৰ আন্তৰিক অনুভূতিয়ে কাহিনীভাগক কেনেদৰে লৈছে আৰু কি নতুন দৃষ্টিভংগীৰে তাক ব্যাখ্যা কৰিব বিচাৰিছে— সেইটোহে। কবিৰ দৃষ্টিভংগীত কাহিনী কলাই ব্যঞ্জনাৰ মাজেৰে এক নৱ ৰূপ লাভ কৰিছে। ক'বলৈ গ'লে কোনো সাহিত্যিক মালিতাৰেই কাহিনী কোৱা উদ্দেশ্য নহয়। পৰম্পৰাগত কাহিনীৰ ওপৰত আশ্ৰয় কৰি এক ৰমন্যাসিক ভাৱনাৰ উন্মেষ ঘটোৱাটোহে ইয়াৰ অভিপ্ৰেত উদ্দেশ্য। যিটো চন্দ্ৰ কুমাৰ আগৰৱালাৰ *তেজীমলা*-তো ধৰা পৰিছে।

মানৱ প্ৰেমৰ অভাৱৰ বাবেই যে তেজীমলাৰ জীৱনলৈ দুখ নামি আহিল তাত সন্দেহ নাই। কিন্তু মানৱ প্ৰেমৰ পৰা বঞ্চিতা হ'লেও প্ৰকৃতি ৰাজ্যত যে তাইৰ বাবে প্ৰেমৰ অভাৱ নাই, সেই কথা কবিয়ে অভিনৱ ধৰণে ফুটাই তুলিছে। *তেজীমলা-ই* সাহিত্যিক মালিতা আখ্যা পোৱাৰ এইটো এটা বিশেষ লক্ষণ। কবিয়ে মৰম বেথাৰে প্ৰকৃতিৰ লগতেই গঢ়ি তুলিলে তেজীমলাৰ নিবিড় সম্পৰ্ক। তেজীমলাৰ বাবে এতিয়া প্ৰকৃতিয়েই সকলো আত্মীয় কুটুম। নৈত ফুল হৈ ফুলি থকা তেজীমলাক পুৱাৰ মলয়াই জগায়, নৈৰ ৰঙা হাঁহি সনা পানীয়ে তাইৰ ভৰি পখালি দিয়ে; সোণ-ৰূপৰ মাছ তাইৰ যেন ঘৰচীয়া-পোহনীয়া।

*পুৱাৰ মলয়া　　উঠি ছুঁয়া-ময়া*
*বোলে উঠা তেজীমলা।*
*উত্ৰাৱল পানী　　ৰঙা হাঁহি সানি*
*খলকিছে চুই ভৰি।*
*সোণ-ৰূপ মাছ　　আহিছে গইছে*
*ঘৰ পোহনীয়া তোৰে।*

প্ৰকৃতিৰ মতে এনে সহৃদয় সম্পৰ্ক দেখি কবিয়ে তাৰ মাজতে এবাৰ তেজীমলাক সুধিও চাইছে— *মনত পৰেনে পাৰযুৰি তোৰ/মাতিলে হাতত পৰে? আৰু ক'ব পাৰেনে সখীৰ বাতৰি?* মানুহৰ সমাজৰ এইবোৰৰ প্ৰতি যেন তেজীমলাৰ ভ্ৰূক্ষেপ নাই। মানুহৰ শঠতা, প্ৰৱঞ্চনাৰ বাবেই তাই এই আটাইবোৰ হেৰুৱাবলগীয়া হ'ল। কবিয়ে সেয়ে খেদ কৰিছে—

*মানুহৰ চোতালত　　মাধুৰী ফুটিলে*
*মানুহে নিচিনে হায়,*
*সাৰি তুলি ছিঙি　　মোহাৰি পেলালে*
*মানুহৰ মৰমো নাই।*

ফুল হৈ ফুলা তেজীমলাৰ বাবে এতিয়া নৈৰ পানীয়েই বিশ্বাসৰ তথা মৰমৰ। যি তেজীমলা মানুহৰ মাজত ফুলিব নাপালে সেই তেজীমলা বিশ্বাসৰ পানীত ফুল হৈ ফুলিল। তাইৰ বিশ্বাসৰ শিপা সেয়ে প্ৰকৃতিৰ লগত এনেভাৱে বান্ধ খাইছে— ধুমুহা-বতাহৰ খং-ৰাগেও একো কৰিব নোৱাৰে। প্ৰকৃতিৰ পৰা পোৱা এই প্ৰগাঢ় বিশ্বাসৰ মাজতে কিন্তু এদিন পুৱা তেজীমলাই দেখিলে উজাই অহা এখনি নাও। নাৱৰ ভিতৰত আছে মৰমেৰে সনা তাইৰ কুমাৰী জীৱনৰ হৃদয় দেৱতা। প্ৰকৃতিৰ অনাবিল সুখৰ মাজতো তাই তেতিয়া ক্ষণিকৰ বাবে হ'লেও দুৰ্বল হৈ পৰিছিল— তেজ-মঙহৰ মানুহৰ দৰে। কিন্তু সেই নাৱৰীয়াই ফুল ছিঙিবলৈ হাত মেলোতেই তাই সংযত হ'ল। স্বাৰ্থপৰ মানুহৰ বাহু বন্ধনত সোমাই পৰিব খোজা মুহূৰ্তত পূৰ্বৰ অভিজ্ঞতাই শিকোৱা এক আতঙ্কত তাই চিঞৰি উঠিল—

*হাতো নেমেলিবি　　ফুলো নিছিঙিবি*
*ক'বে নাৱৰীয়া তই?*
*মানুহে ফুলৰ　　কিজানে আদৰ*
*তেজীমলাহে মই।*

মন কৰিবলগীয়া কথা, সাধু কথাত বৰ্ণিত কাহিনীৰ দৰে 'তেজীমলা' পুনৰবাৰ মানুহৰ জীয়ৰীলৈ ৰূপান্তৰো হোৱা নাই। প্ৰকৃতিৰ আশ্ৰয়কে মানুহৰ দুমুখীয়া অনিশ্চিত স্নেহ-অস্নেহক ভাল বুলি ভবা বাবেই বোধকৰো চন্দ্ৰ কুমাৰ আগৰৱালাৰ তেজীমলাই এইটো কৰা নাই।[৩]

স্বীকাৰ কৰিব লাগিব চন্দ্ৰ কুমাৰ আগৰৱালাৰ কবিতাৰ মূল সুৰ-মানৱপ্ৰেম। তেজীমলা কিন্তু সেই মানৱপ্ৰেমৰ পৰা বঞ্চিতা। তাৰ বিপৰীতে তাই প্ৰকৃতি প্ৰেমত ফুলি উঠিল। কবিয়ে সেয়ে প্ৰকৃতি প্ৰেমৰ মহানতাৰেই মানুহকো প্ৰভাৱান্বিত কৰিব বিচাৰিছে। কবিৰ দৃষ্টিত প্ৰকৃতি মানুহতকৈও অধিক প্ৰাণময় সত্তা। য'ত জীৱনে প্ৰেম, বিশ্বাস সকলো পাব পাৰে। সন্দেহ নাই, চন্দ্ৰ কুমাৰ আগৰৱালাই এই কবিতাটিৰ মাজেৰে তেজীমলাৰ আখ্যানটোক এক নতুন মাত্ৰা প্ৰদান কৰাৰ। লগতে মানৱীয় মৰ্যাদাৰ তুলাচনীৰে মানুহ আৰু প্ৰকৃতিৰ হিচাপ-নিকাচো কৰিছে।

প্ৰকৃতি যে মানুহৰ বাবে এক সহৃদয় সত্তা সেই কথা আগৰৱালাৰ *জলকুঁৱৰী* কবিতাটোত ধৰা পৰিছে। *তেজীমলা* আৰু *জলকুঁৱৰী* দুয়োটা কবিতাই কলেৰিজৰ কবিতাৰ দৰে অলৌকিক মায়াজালেৰে সম্মোহিত।

**লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যিক মালিতা ঃ**

লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰধান সাহিত্যিক মালিতা দুটা হ'ল— *ধনবৰ আৰু ৰতনী, ৰতনীৰ বেজাৰ* । এহাল মিৰি ডেকা-গাভৰুৰ প্ৰণয়ক লৈ ৰচিত এই কবিতা দুটাৰ কাহিনীভাগ চন্দ্ৰ কুমাৰ আগৰৱালাৰ *তেজীমলা*-ৰ দৰে পৰম্পৰাগত সাধু বা মালিতা আধাৰিত নহয়। কিন্তু দুয়োটা কবিতাই লোকগীতৰ ছন্দ আৰু সুৰত বন্ধা গ্ৰামীণ সৰলতাৰে ভৰা। কবিতা দুটাত কাহিনী বুলিবলৈও বিশেষ একো নাই; আছে কেৱল কাহিনীৰ ৰূপৰেখাৰ ব্যঞ্জনা। ধনশিৰিমুখৰ ষোল্ল বছৰীয়া মিৰি জীয়ৰী ৰতনীয়ে বাপেক-মাকৰ সৈতে উজাই গৈ দিখৌমুখৰ মিৰি ডেকা ধনবৰহঁতৰ ঘৰত দিনচেৰেক থাকিছিলহি, ধনবৰো ৰতনীৰ দৰেই ষোল্ল বছৰীয়া। তাৰ মনত ৰতনীৰ প্ৰতি মোহ জন্মিছিল; হয়তো ৰতনীৰো। কিন্তু সিহঁতৰ মিলন হ'বলৈ নাপালে। ৰতনীয়ে মাক-বাপেকৰ সৈতে ভটিয়াই নিজৰ ঘৰলৈ যাবৰ দিনা মনৰ দুখতে ধনবৰে ব্ৰহ্মপুত্ৰৰ পাৰত ইনাই-বিনাই কান্দি থাকি শেষত ব্ৰহ্মপুত্ৰত নিজকে বিসৰ্জন দিলে।

সাহিত্যিক মালিতাত কাহিনীৰ স্থান যে মুখ্য নহয় ইতিপূৰ্বে কোৱাই হৈছে। ইয়াত কাহিনীৰ ৰূপৰেখাই যথেষ্ট। *ধনবৰ আৰু ৰতনী* চহা সৰলতাৰ প্ৰতিভূ। ৰোমাণ্টিক কবিসকল যেনেকৈ প্ৰকৃতিৰ প্ৰতি আকৃষ্ট হৈছিল তেনেকৈ নগৰীয়া জীৱনৰ পৰা আঁতৰত থকা গ্ৰাম্য সৰলতাৰ প্ৰতিও তেওঁলোক ধাৱমান হৈছিল। *ধনবৰ আৰু ৰতনী*-ৰ মাজেৰে বেজবৰুৱাৰ সেই ৰোমাণ্টিক চেতনাই প্ৰকাশিত হৈছে। অকল এয়েই নহয়, ষোড়শী গাভৰু ৰতনী আৰু ডেকা ধনবৰৰ প্ৰণয়ক বনগীতৰ ছন্দ আৰু সুৰত বান্ধি এক ৰমণীয় কাহিনী ব্যঞ্জনাও ফুটাই তোলা হৈছে; যিয়ে কবিতাটোক সাহিত্যিক মালিতাৰ মৰ্যাদা প্ৰদান কৰিছে। কাহিনীৰ বক্তব্য অনুযায়ী ধনবৰ আৰু ৰতনীৰ মিলনৰ বাধা হ'ল ৰতনীৰ মাক। ধনবৰে নিজেই কৈছে—

*ৰতনী সোনাইকে বৰাব পাৰো মই*
*মাকক বুজাববৈলে টান।*

ধনবৰে ৰতনীৰ মাকক বুজাব নোৱাৰাৰ কাৰণটো তাৰ আৰ্থিক দৈন্যতা। ধনবৰ দুখীয়া। দুখীয়া বাবেই সি ৰতনীৰ মাকৰ যে পছন্দ প্ৰাৰ্থী নহয় সেই কবিতটোত ব্যঞ্জিত হৈছে। এই প্ৰসংগতে কবিয়ে প্ৰকৃতিৰ উদাৰ-সৰল-সুন্দৰতা দাঙি ধৰি মানুহৰ তথাকথিত ধন-বিতক ধিক্কাৰ দিছে।

*বগাকৈ বগলী উৰে কেনেকৰি*
*পাখিতে পাখি লগাই;*
*কাৰেনো উৰিব ধনবৰ দুখীয়া*
*ৰতনী লগতে নাই।*

মিলন বাসনাৰে মন পাখি লগাই উৰিব বিচাৰিলেও মানুহ-সমাজৰ এনে অবিচাৰে যে জীৱনক কোঙা কৰি পেলায় তাৰে ইংগিত আছে ধনবৰৰ বিননিত। প্ৰকাৰন্তৰে বেজবৰুৱায়ো মানুহৰ সমাজত মানৱীয় মৰ্যাদা প্ৰতিষ্ঠা হোৱাটোকে বিচাৰিছে।

বেজবৰুৱাৰ *ৰতনীৰ বেজাৰ* কবিতাটো *ধনবৰ আৰু ৰতনী* কবিতাটোৰেই পৰিপূৰক। ধনবৰ ঢুকুৱাৰ পাঁচ দিনৰ মূৰত ৰতনীয়ে খবৰটো পাই অন্তৰৰ বেদনাত ছট্‌ফটাই মাজ ৰাতি উঠি যি বিননি তুলিছিল সেয়াই কবিতাটোৰ বিষয়বস্তু। ৰতনীৰ বেজাৰত যি বিলাপৰ সুৰ *ধনবৰ আৰু ৰতনী*-ত সেই সুৰ কিছু সুকীয়া। ধনবৰৰ বিলাপত আছে অনুশোচনাৰ সুৰ। *ৰতনীৰ বেজাৰ*-ৰ প্ৰতিটো স্তৱকৰ দ্বিতীয় শাৰী তৃতীয় শাৰীত আৰু পঞ্চম শাৰী ষষ্ঠ শাৰীত পুনৰ উল্লেখে ইয়াক এটি নিজস্ব সাংগীতিক গত দিছে। উদাহৰণ স্বৰূপে—

*পুৰি গ'ল বৃন্দাবন উৰি গ'ল ছাই*
*হে উৰি গ'ল ছাই;*
*ৰতনীৰ ধনাই আৰু এই পৃথিৱীত নাই*
*হে, এই পৃথিৱীত নাই।*

মন কৰিবলগীয়া কথা, ভালেমান পৰম্পৰাগত মালিতাতো ছন্দৰ শাৰী মিলাববৈলে এনে ধৰণে পুনৰোক্তি লক্ষ্য কৰা যায়। *ৰতনীৰ বেজাৰ*-ত ধৰা পৰা এনে ধৰণৰ পুনৰোক্তিয়ে কবিতাটোৰ গায়ন শৈলীৰো ইংগিত বহন কৰিছে। কবিতাটোত উল্লেখ থকা 'পুৰি গ'ল বৃন্দাবন' কথাষাৰ যেনেকৈ ৰূপকাত্মক তেনেকৈ ধনবৰৰ চকুপানীক কপৌফুল আখ্যা দিয়াও কবিত্বৰ পৰিচায়ক। ৰতনীৰ বিলাপত প্ৰকৃতি জীয়ৰী এগৰাকীৰ সৰল মনৰ প্ৰকাশ স্পষ্ট। চন্দ্ৰ কুমাৰ আগৰৱালাৰ তেজীমলাৰ দৰেই ৰতনীয়েও তাইৰ চাৰিওফালৰ প্ৰকৃতিখনৰ লগত আত্মীয়তা গঢ়ি তুলিছে। পখীটিয়ে ৰতনীক উঠ বুলি মাতা, তাইৰ বেজাৰত জোনবাই শুকাই-খীনাই যোৱা আদি কথাবোৰ তাৰেই পৰিচায়ক। *ৰতনীৰ বেজাৰ* কবিতাটোত অসম্পূৰ্ণ যদিও বিষাদৰ প্ৰকাশ অসম্পূৰ্ণ হৈ ৰোৱা নাই। নিভাঁজ অসমীয়া শব্দ চয়নেৰে সংগীতালেখ্য স্বৰূপ এই কবিতাটো অনুভূতিসৰ্বস্ব। বিষাদৰ মলিন কৰুণতা ইয়াৰ বৈশিষ্ট্য।[৪] এই কবিতা দুটাৰ প্ৰসংগত ডক্টৰ মহেশ্বৰ নেওগে কৰা মন্তব্য এটিও প্ৰণিধানযোগ্য। তেখেতে কবিতা দুটাৰ আংগিক সম্বন্ধে আলোচনা কৰিবলৈ গৈ কৈছে— বেজবৰুৱাৰ *ধনবৰ আৰু ৰতনী* আৰু *ৰতনীৰ বেজাৰ* নামৰ মিঠা কবিতা দুটিৰ পুৰণি মালিতাৰ ভংগীৰ উপৰিও এটি নাটকীয় গুণ বৰ্তমান। এই কাহিনীটি নেপালীৰ এঠা দৈ খাই গৰু বিছৰ দিনাখন হোৰোৱা বোকাজানৰ পাৰৰ মনাই মাজি গাঁৱৰ সেন্দূৰীৰ বেলাডৰ কৌশলৰ লগত তুলীয়।[৫]

বেজৰৰুৱাৰ এই দুটি কবিতাৰ উপৰিও *নিমাতী কন্যা* আৰু *তিলকা*-তো সাহিত্যিক মালিতাৰ ধৰ্ম লক্ষণীয়। নেওগৰ ভাষাত ক'বৰ দৰে "বেজবৰুৱাৰ নিমাতী কন্যাতো সাধুকথাৰ জলবায়ু আৰু মালিতাৰ সুৰৰ সমাবেশ। তিলকাতো সেই একেই কথা।"

**আনন্দ চন্দ্ৰ আগৰৱালাৰ সাহিত্যিক মালিতা ঃ**

আনন্দ চন্দ্ৰ আগৰৱালাৰ সাহিত্যিক মালিতা বুলিলেই মনলৈ আহে তেওঁৰ সেই বিখ্যাত কবিতা *পানেশই* আৰু তাৰ লগে লগে *ফুলকোঁৱৰ*। ডক্টৰ মহেন্দ্ৰ বৰাৰ ভাষাত "আনন্দ চন্দ্ৰ আগৰৱালাৰ এই পানেশই কবিতাটো চন্দ্ৰ কুমাৰ আগৰৱালাৰ তেজীমলা আৰু বেজবৰুৱাৰ ধনবৰ আৰু ৰতনীৰ দোমোজাৰ সৃষ্টি। পানেশইৰ কাহিনীটো তেজীমলাৰ দৰেই প্ৰাচীন; কিন্তু তাৰ ক'তোৱেই অলৌকিকতাৰ সামান্য পৰশো নাই। ইতিহাসৰ কোনোবা পুৱতি ক্ষণত নাৰী যেতিয়া ব্যক্তিগত সম্পত্তি ৰূপেই পৰিগণিত হৈছিল আৰু সম্পত্তিৰ সংৰক্ষণেই যেতিয়া সকলোৰে কাৰণে শুভ বুদ্ধিৰ একমাত্ৰ প্ৰেৰণা স্বৰূপ আছিল তেতিয়াৰ পৰিপ্ৰেক্ষিতত এই কাহিনীটোৰ ঘটনাৱলীৰ কোনো অস্বাভাৱিকতা নাই। সেই বাস্তৱ জগতখনতে এজনী ছোৱালী হঠাৎ সাৰ পাই উঠিছে। সপোনৰ উম সনা দীঘলীয়া টোপনিৰ কোলাৰ পৰা হঠাৎ তাই আৱিষ্কাৰ কৰিলে, তাই যিখন ঘৰৰ মানুহক আপোন বুলি ভাবি আহিছিল সেই সকলোবোৰেই ভাবিব নোৱাৰাকৈ পৰ। এতিয়াহে সিহঁত এটা সামাজিক সম্পৰ্কৰ চোতালত আপোন হৈ উঠিব। সেই আপোন হ'ব খোজা সম্পৰ্কটো তাইৰ পৰিশীলিত মনৰ দৃষ্টিত অশ্লীল যেন লাগিল। তাইৰ যি বিষাদ তাৰ লগত তেজীমলাৰ বিষাদৰ এটা গভীৰ সাদৃশ্য আছে।[৬]

মন কৰিবলগীয়া, তেজীমলা যেনেকৈ শেষ আশ্ৰয়থলী প্ৰকৃতিৰ মাজত বিলীন হৈ গ'ল ঠিক তেনেকৈ *পানেশ*-য়ো প্ৰকৃতিৰ মাজতেই মিলি গ'ল। প্ৰকৃতিৰ প্ৰতি জীৱনৰ এই আকৰ্ষণ যেন চিৰন্তন। ৰোমাণ্টিক কবি মানসে যেন তাকেই নৱৰূপত দৃষ্টিপাত কৰিলে।

আনন্দ চন্দ্ৰ আগৰৱালাৰ *ফুলকোঁৱৰ* কবিতাটোৰ মুঠ খণ্ড দহোটা। কবিতাটোৰ দুটি খণ্ডত ছন্দই উজুটি খাইছে যদিও গোটেই কবিতাটোৰ

কল্পনাৰ আধাৰ নাটকীয় ৰূপৰ। সাহিত্যিক মালিতা হিচাপে ইয়াৰ সৌন্দৰ্য *পানেশই*-তকৈও চৰা। *ফুলকোঁৱৰ*-ৰ ভাষা কিন্তু বহুক্ষেত্ৰত চহা জীৱনৰ মুখৰ ভাষা। ডক্টৰ মহেন্দ্ৰ বৰাৰ ভাষাত "এই চহামুখৰ প্ৰকাশভংগীয়ে সুযোগ পালেই মাৰ্জিত সাহিত্যিক ভাষাক সিঞ্চাৰিবলৈ পাহৰা নাই।" *ফুলকোঁৱৰ*-ত পৰম্পৰাগত মালিতাৰ সুৰো ধ্বনিত হৈছে। গুৰুত্বপূৰ্ণ কথাটো হ'ল *ফুলকোঁৱৰ*-তো প্ৰকৃতিৰেই বিজয় বতৰা। প্ৰকৃতি সুন্দৰী ফুলৰ সহায়তে ফুলকোঁৱৰে কেনেকৈ নিজৰ বাসনাক প্ৰাপ্তিৰ পথলৈ নমাই আনিব পাৰিলে তাৰেই জয়গান কবিতাটোৰ বিষয়। আলফুলীয়া শব্দ আৰু মায়াসনা ঘটনাচক্ৰই কাহিনীৰ আকৰ্ষণ বৃদ্ধি কৰাৰ লগতে বিস্ময় বিমুগ্ধও কৰি তোলে।

অসমীয়া সাহিত্যিক মালিনাৰ শিতানত প্ৰাধান্য লাভ কৰা উল্লিখিত আটাইকেইটা মালিতাৰেই সাদৃশ্য প্ৰকৃতিৰ আকৰ্ষণ আৰু মানৱীয় শঠতা প্ৰৱঞ্চনাৰ বৰ্ণ ৰঙীণ চিত্ৰকেইখনত। কাহিনী কলাৰ বিস্তৃতি কোনোটোৰেই নাই যদিও কাহিনীৰ ব্যঞ্জনাময় ৰূপ স্পষ্ট। পাশ্চাত্যৰ ইংৰাজী কবিতাৰ আদৰ্শত সৃষ্ট হ'লেও প্ৰতিটোৰে কাহিনীৰ চিনাকি ৰূপ-ৰস আৰু গন্ধৰ আবেদনে ক'তোৰেই বিদেশী গন্ধ অনুভূত কৰোৱা নাই। বৰঞ্চ অসমীয়া গীত-পদৰ সুৰ আৰু শব্দ চয়নে ইয়াক অসমীয়া ৰোমাণ্টিক কবিতাৰ ভিতৰতে এক সুকীয়া আয়তনহে দান কৰিছে। ❐

**পাদটীকা ঃ**

১. মহেন্দ্ৰ বৰা ঃ *ৰমন্যাসবাদ*, বনলতা, প্ৰকাশ, ১৯৩৫, পৃ. ১৫
২. মহেন্দ্ৰ বৰা ঃ *সাহিত্য উপক্ৰমণিকা*, ষ্টুডেণ্ট ষ্ট'ৰচ, ১৯৮৮, পৃ. ১৫
৩. কবীন ফুকন ঃ *চন্দ্ৰ কুমাৰ আগৰৱালা*, সাহিত্য অকাডেমী, ২০০৩, পৃ. ৭৬
৪. প্ৰফুল্ল কটকী ঃ *সাহিত্যৰথী*, জ্যোতি প্ৰকাশন, ২০০৬, পৃ. ১৬-১৭
৫. নগেন শইকীয়া (সংকলিত) ঃ *মহেশ্বৰ নেওগ ৰচনাৱলী*, তৃতীয় খণ্ড, চন্দ্ৰ প্ৰকাশ, ১৯৯৬, পৃ. ৪২৩
৬. মহেন্দ্ৰ বৰা আৰু যতীন্দ্ৰ নাথ গোস্বামী (সম্পা.) ঃ *আনন্দ চন্দ্ৰ আগৰৱালা ৰচনাৱলী*, অসম সাহিত্য সভা, যোৰহাট, ১৯৯৪

*কিতাপৰ মৃত্যু নাই। কিতাপ স্থায়ী সম্পদ, শব্দ হ'ল ব্ৰহ্ম। কিতাপে আমাক শব্দ-ব্ৰহ্মৰ লগত, জীৱনৰ লগত, বিখ্যাত লেখকসকলৰ মনোজগতৰ লগত আত্মিক সম্পৰ্ক এটা গঢ়ি তোলাত সহায় কৰে। কিতাপ নিকিনিলেও, নপঢ়িলেও গ্ৰন্থৰ লগত থাকিলে স্বাভাৱিকতে মানসিকভাৱে উদ্বুদ্ধ হ'ব পৰা যায়।*

***—চন্দ্ৰপ্ৰসাদ শইকীয়া***

*কিতাপ শব্দৰ শেষহীন সমষ্টি। মানুহ শব্দৰ সাধক। সংখ্যাতীত বিন্যাসৰ জৰিয়তে শব্দক সংখ্যাতীত ৰূপত অৰ্থক্ষম কৰিব পৰা মানুহৰ ক্ষমতা কিতাপে সৰ্বোজ্জ্বল ৰূপত বহন কৰি আহিছে।*

***— ডক্টৰ হীৰেন্দ্ৰ নাথ দত্ত***

*পৃথিৱীত ভাল মানুহৰ আকাল কোনোদিনেই নহ'লহেঁতেন কিয়নো প্ৰতিজন ব্যক্তিৰ জীৱনটো একোখন সুন্দৰ কিতাপ। কিন্তু দুখৰ কথা, সকলোৰে কিতাপখন ধুনীয়াকৈ লিখি উলিয়াব নাজানে।*

***— জৰ্জ বাৰ্ণাড শ্ব'***

*এখন কিতাপ পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ মূৰেল, এখন সৰ্বশ্ৰেষ্ঠ পেইণ্টিঙৰ নিচিনা। গতিকে এটা ড্ৰয়িং ৰুম সজাবৰ বাবে কিতাপতকৈ ভাল সামগ্ৰী একো হ'ব নোৱাৰে।*

***— ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী***

# চুটিগল্প

*উপন্যাস এটি তৃপ্তি, চুটি গল্প এটি প্ৰেৰণা।*

*—বেৰি পেইন*

# বিষাদে আবৰা হৃদয়



**সীমান্ত কলিতা**
স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান)

*"Love is like a war*
*Easy to begin, hard to end."*

যোৱা কেইদিনমানৰ পৰা সুবাসে অকলশৰীয়াকৈ থাকিবলৈ লৈছে। নাজানো কি হৈছে তাৰ। মাথোঁ খিৰিকীৰ সন্মুখত বৈ নীৰৱে চাই থাকে বাহিৰলৈ। মাজে মাজে উচুপি উঠে, দু নয়নেৰে নিগৰি পৰে মাথোঁ চকুলো। কাকো নকয় তাৰ হৃদয়ৰ বতৰাবোৰ। পঢ়িবলৈ গৈয়ো সি যেন হৈ পৰে বজ্ৰ পৰা মানুহৰ দৰে। সি তাৰ জীৱনৰ দুখবোৰৰ কথা লিপিবদ্ধ কৰিছিল এখন সৰু ডায়েৰীত।

৩১ ডিচেম্বৰ। সঁচাকৈ দুখ লগা দিন। মনত পৰিলেই সুবাসে কান্দি উঠে সেই দিনটো। ৩১ ডিচেম্বৰ তাৰ বাবে আছিল যেন এটি ভয়াবহ দিন। বছৰৰ শেষ দিন, বিদায় লয় এটি বছৰ। ঢাপলি মেলে এটি নতুন দিনলৈ। সকলোকে কন্দুৱাই যায় সেই দিনটোৱে।

সেইদিনা আছিল ৩১ ডিচেম্বৰ, ২০০৩ চন। সেই দিনটোতে সুবাসে থিয় দিছিল এটি চিতাৰ কাষত। য'ত আছিল তাৰ নিচেই ওচৰৰ আপোন কোনোবাজন। শোকাগ্ৰস্ত সুবাসে কান্দিব পৰা নাছিল। কোনোবাজনে লৈ আহিছিল তাক জ্বলি থকা চিতাটোৰ ওচৰৰ পৰা। ৩১ ডিচেম্বৰৰ সেই দিনটো আজিও স্পষ্টকৈ ভাঁহি উঠে সুবাসৰ চকুত।

দিনবোৰ গৈ থাকিল। সুবাসৰ আপোন বুলিবলৈ থাকিল মাথোঁ তাৰ বিধবা মাক। সুবাস প্ৰাপ্তবয়স্ক হ'ল। নিজৰ ঘৰখন চলাবলৈ কিবা এটা উপায় বিচাৰিলে। পঢ়া-শুনাত সিমান ভাল নহ'লেও সি ডিগ্ৰীত নাম লগাইছিল। মাকক দেখি সুবাসৰ বৰ দুখ লাগে। কিমান যে কষ্ট কৰি তাক এইখিনি পোৱালেগৈ।

কলেজীয়া জীৱনত সুবাসে বহুতো বন্ধু-বান্ধৱীক লগ পালে। অনবৰত দুখত থকা সুবাসে হাঁহিবলৈ শিকিছিল হঠাৎ কাৰোবাক লগ পাই। হয়, সুবাস প্ৰেমত পৰিছিল এজনী ধুনীয়া পৰীৰ। নীলাভ চকুযুৰিৰ সৈতে মেঘালী চুলিকোচাৰ প্ৰেমত পৰিছিল। সহজ-সৰল মাতষাৰৰ বাবে হয়তো এদিন সুবাসে নিজেই প্ৰেমৰ প্ৰস্তাৱ আগবঢ়াইছিল তাইক। কিন্তু তাই একো নোকোৱাকৈ গুচি গৈছিল লগৰীয়াবোৰৰ লগত। দীঘল দুপাট্টাখনেও হয়তো ঢাকিব পৰা নাছিল তাইৰ যৌৱন। মিচিকিয়া হাঁহিৰ লাজুক চাৱনিয়ে সুবাসক বলিয়া কৰি তুলিছিল।

ভালপোৱা আহে মানুহৰ জীৱনলৈ অজানিতে। খন্তেকৰ বাবেও দেখি আমি প্ৰেমত পৰো কেতিয়াবা কোনোবাজনৰ। প্ৰেম কৰাটো অথবা প্ৰেমত পৰাটো কেতিয়াও ভুল হ'ব নোৱাৰে। প্ৰেমে মানুহক মহীয়ান কৰে। জীৱনত প্ৰেম নকৰাটোহে ভুল। কেৱল ভুলেই নহয়, তেওঁৰ জীৱনৰ বাবে এয়া এক চৰম দুৰ্ভাগ্য।

সুবাসে তাইক চাবলৈ সদায়ে কলেজৰ সোণাৰু জোপাৰ তলত বৈ থাকে। তাইক এবাৰ দেখিলেই তাৰ ভাল লাগি যায়। এদিন-দুদিনকৈ

তায়ো সুবাসৰ প্ৰস্তাৱটি হয়তো আকোঁৱালি লৈছিল। এদিন তাই সুবাসক কৈছিল তাইৰ মনৰ কথাবোৰ। সুবাসেও যেন তাইক আপোন কৰি লৈছিল ... বহুত ...।

স্মিতা, সুবাসৰ সপোন কুঁৱৰীজনী। তাইক লৈ সুবাস বহুত আনন্দিত। দুখবোৰ পাহৰি পেলাইছিল। হাঁহিবলৈ শিকিছিল। প্ৰেৰণা পাইছিল। জীৱন পথত আগবাঢ়ি যোৱাৰ উৎসাহ পাইছিল। মনতে বহুতো সপোন ৰচিছিল তাইক লৈ।

*সপোনবোৰে যেতিয়া লুকাভাকু খেলে*
*ভয় লাগে জানোচা হেৰাই যায়।*
*সাগৰ নীলা দুচকুত ৰচিছিলো সপোন*
*চকুৰ পানীয়ে যাতে ধুই নিব নোৱাৰে।*

অমাৱস্যাৰ আন্ধাৰৰ দৰে সুবাসৰ জীৱনলৈ নামি আহিল ঘোপমৰা আন্ধাৰ। সুখৰ বাগিছাত দুখৰ ফুলবোৰে কলি মেলিলে। জীৱনৰ প্ৰতিটো মুহূৰ্ততে তোমাৰ লগত থাকিম বুলি কোৱা স্মিতা আজি ক'লৈ গ'ল? সপোন দেখিব নোখোজা সুবাসক সপোন ৰচিবলৈ দি ক'লৈ গ'ল তাই? জীৱন নামৰ সাগৰখনৰ মাজবাটতে এৰি থৈ গুচি গ'ল নেকি বাৰু তাই?

আজি কিছুদিন ধৰি সুবাসক লগ কৰা নাই স্মিতাই। সুবাসে ফোন কৰিলেও ৰিচিভ নকৰে তাই। দেখিলেও নেদেখাৰ ভাও ধৰি যাব খোজে। কি হৈছে তাইৰ? কিয় বাৰু এনেকুৱা কৰিছে? প্ৰতিপল প্ৰতিক্ষণ জীৱনৰ লগৰী হোৱাৰ প্ৰতিশ্ৰুতি দিয়া সেই স্মিতাজনী বাৰু হয়নে এতিয়াৰ স্মিতাজনী। কিয় বাৰু পাহৰি যাব খুজিছে তাই সুবাসক। কি দোষ কৰিছিল সি। হয়তো সুবাসে তাইক বহুত ভাল পাইছিল সেইটোৱে তাৰ ভুল। বতাহে ধূলিৰ লগত উৰুৱাই লৈ গৈছিল তাৰ সপোনবোৰ। চুনামিয়ে উটুৱাই নিছিল তাৰ হেঁপাহবোৰক, আশাবোৰক।

বহুত দিনৰ পৰা মনত পুহি ৰাখিছিল এইবাৰ নতুন বৰ্ষত সি স্মিতাক এটি Gift দিব। কেনেকুৱা ধৰণৰ Gift বা কি কাৰ্ড দিব সি ভাবি পোৱা নাই। এনেদৰেই এদিন নিচেই ওচৰ চাপিছিল নতুন বছৰৰ।

সেইদিনা ৩১ ডিচেম্বৰ। এখন ধুনীয়া কাৰ্ড আৰু এটি Gift দিবলৈ সি স্মিতাক লগ ধৰিছিল। মনৰ কথাবোৰ লিখিছিল। বহুত আশাৰে সি স্মিতাক লগ ধৰিবলৈ গৈছিল। স্মিতা আহিছিল তাক লগ ধৰিবলৈ কিন্তু ... ...

হয়, স্মিতাই সুবাসক বহুত কিবা কিবি ক'লে। যাৰ বাবে সুবাসে স্মিতাক পাহৰি পেলাব লগা হ'ল আৰু তাইক এনেদৰে আমনি নকৰিবলৈ সুবাসক সকিয়াই দিলে।

ঃ তুমি মোক পাহৰি যোৱা। মই তোমাক ভাল নাপাওঁ। এনেদৰে কৈ স্মিতা গুচি গ'ল সুবাসৰ জীৱনৰ পৰা। হয়তো স্মিতা আন কাৰোবাৰ হৈ গ'ল। সুখত থাকিব লৈছে তাই। কিন্তু...

কিন্তু সুবাসে জানো পাহৰিব পাৰিলে তাইক। সেই দিনবোৰৰ কথা। যিদিনা সি চিনাকি হৈছিল তাইৰ লগত। তাই দিয়া সেই গোলাপ পাহি আজিও সযতনে ৰাখিছে সুবাসে। পাহৰিব পৰা নাই তাই কোৱা প্ৰতিটো কথা। নৈৰ পাৰৰ কহুৱা বনবোৰেও হয়তো এতিয়া অকলশৰীয়া



অনুভৱ কৰিছে। কলেজৰ সোণাৰু গছজোপাৰ ছাঁবোৰ যেন এতিয়া অথলে গৈছে।

'প্ৰেম' সকলোৰে জীৱনলৈ আহে। প্ৰেমে কাৰোবাক কৰি তোলে সৃষ্টিশীল। ঠিক এনেদৰে আন কাৰোবাৰ বাবে হয়তো হৈ থাকে দুখৰ বোজা। হৃদয়ে আন কাৰোবাক বিচাৰিলেও হয়তো পাহৰিব নোৱাৰি হিয়াত গোপনে বাহ সজা প্ৰথম প্ৰেমৰ দুখ, নষ্টালজিয়া। প্ৰেমত প্ৰতাৰিত হোৱাজনেহে ক'ব পাৰে ইয়াৰ গভীৰতা। ৰুমালত জুবিনে কোৱাৰ দৰে— "কিদৰে পাহৰো মনটো যায় তোমালৈ ...।"

অনুশোচনাই হৈছে মানৱ জীৱনৰ চৰম শাস্তি। শুদ্ধ অন্তৰেৰে নিজে কৰা ভুলৰ অনুশোচনাৰ সমান কোনো শাস্তিয়েই ডাঙৰ হ'ব নোৱাৰে।

কি ভুল কৰিছিল সি। যাৰ কাৰণে স্মিতাই তাক পাহৰি গ'ল। প্ৰথমে কৰা ভুলৰ হেনো শুধৰণি থাকে। সেয়া সুবাসৰ প্ৰথম ভুল বুলি স্মিতাই বাৰু তাক ক্ষমা কৰি দিব নোৱাৰেনে? সি বহুত ভাগৰি পৰিছিল।

অমাৱস্যাৰ পিছতো হেনো জোনাক আহে। সেই জোনৰ পোহৰলৈ বৈ আছিল সুবাস। কিন্তু সুবাসৰ জীৱনলৈ জানো উভতি আহিব স্নিগ্ধতাৰ সেই জোনাক। বিষাদে আৱৰা মনটোৱে পাহৰিবলৈ দিয়া নাই সেই অতীতৰ সপোন সপোন লগা দিঠকবোৰ। যাৰ কাৰণে মাজে মাজে সি উচুপি উঠে হৃদয়ত সঞ্জীৱিত হৈ থকা দুখবোৰৰ বাবে। ❐

# তোমাৰ ওঁঠত ৰূপালী জোনাকৰ পোহৰ

আৰেশ শৰ্মা
স্নাতক তৃতীয় বৰ্ষ




সন্ধিয়াৰ আকাশখন ডাৱৰে ছানি ধৰিছিল। তৰাবোৰে সিহঁতৰ উজ্জ্বল মুখবোৰ দেখুৱাব পৰা নাছিল। তাৰ পাছত ধাৰাসাৰে বৰষুণ নামি আহিল। জুপ্...জুপ্...জাপ্...জাপ্...। আঁহত জোপাৰ গুৰিত বহি মদ খাই থকা ল'ৰাটোৰ যেন এইবাৰ গাত হুচ আহিল। বিজুলীৰ পোহৰ চকামকাঁকে মাৰিব ধৰিছে। তাৰ পোহৰতেই তেওঁ হাতত লৈ থকা মদৰ বটলটোৰ আৰু কেইটোকমান খাব পৰা যাব ভালদৰে চাই ল'লে। বেছি আৰু পলম নকৰি ঘৰ অভিমুখে যাত্ৰা কৰিলে।

"তোমাৰ জেতুকাবুলীয়া হাতৰ পৰশ
মোৰ বুকুত থকা বাবেই হয়তো
মই জীয়াই থকাৰ প্ৰেৰণা পাইছোঁ।"

* * *

মঙলদৈৰ বাছ আস্থান ভেবাৰঘাটৰ পৰা টাউনলৈ বুলি খোজকাঢ়ি গৈ থকা মহিলাজনীক ৰিক্সা এখনে খুন্দা মৰাৰ পৰা কথমপিহে ৰক্ষা পৰিল যদিও মহিলা গৰাকীৰ হাতত থকা বজাৰৰ মোনাটো কিছু দূৰলৈ ছিটিকি গ'ল।

ঃ হেই! ৰিক্সা চলাবলৈ আহিছা, নাজানা যদি কিয় চলাইছা? — মহিলাগৰাকীয়ে প্ৰায় চিঞৰিয়ে ক'লে। ওচৰত থকা মানুহবোৰ আগুৱাই আহিল। বেছি আৰু গণ্ডগোল নকৰি মানুহবোৰে ৰিক্সাখন যাবলৈ দিলে। খঙত কঁপি থকা মানুহজনীও এইবাৰ শান্ত হ'বলৈ চেষ্টা কৰি মোনাৰ পৰা ছিটিকি পৰা বস্তুবোৰ বুটলিবলৈ ধৰিলে। এনেতে টাউনৰ পৰা আহি থকা ল'ৰা এটাই চাইকেলৰ পৰা নামি তেওঁৰ চাবোন এক পিচ আৰু ধূপৰ পেকেট এটা বুটলি সহায় কৰি দিলে। তিৰোতাগৰাকীয়ে এটা মিঠা হাঁহি মাৰিলে।

ঃ তোমাৰ নাম?

ঃ হয়, আৰেশ শৰ্মা।

ঃ ঘৰ ইয়াতনে?

ঃ নহয়, ইয়ালৈ মাজে-সময়ে চিনেমা চাবলৈ আহোঁ। ঘৰ অৱশ্যে শাইথাবাৰীত।

তিৰোতাগৰাকীয়ে হৈ যোৱা ঘটনাবোৰ ক'বলৈ ধৰিলে আৰু শেষত 'লাৱণী'ত একাপ চাহ খাই যাবলৈ অনুৰোধ কৰিলে। হোটেল লাৱণীৰ সন্মুখতে তেওঁৰ ল'ৰা আৰু জীয়ৰী বৈ আছিল মাকৰ অপেক্ষাত। তেওঁ চিনাকি কৰি দিলে— এয়া মোৰ ল'ৰা বিকাশ। ছোৱালীজনীৰ ফালে দেখুৱাই দিয়াৰ লগে লগেই তাই কৈ উঠিল—

ঃ I am Saya Bordoloi

আৰেশে লাজ লাজকৈ নমস্কাৰটো দিবলৈ নাপাহৰিলে যদিও ছোৱালীজনী তেওঁতকৈ সৰু। কওঁ-নকওঁকৈয়ে ক'লে— "মই আৰেশ শৰ্মা।" তেওঁলোকৰ সৈতে আৰেশে পৰম আনন্দেৰে চাহ একাপ খালে। ছায়াৰ পৰাই গম পালে যে তেওঁলোকৰ ঘৰ শোণিতপুৰত। বৰ্তমান মঙলদৈত থকা মোমায়েকৰ ঘৰলৈ আহিছে। কিছু সময় পাছত আৰেশ যাবলৈ ওলাল আৰু ক'লে— "খুৰীদেউ, আহো দিয়ক। নিশ্চয় পিছত আকৌ লগ পাম।"

ঃ নিশ্চয়। খবৰ-খাতিৰ লৈ থাকিবা, চিনাকি হ'লোৱেই যেতিয়া।

ঃ দাদা, আমাৰ খবৰ ৰাখিব কিন্তু। ৰ'ব, মই আপোনাক অকণমান আগুৱাই থৈ আহিম। —হঠাৎ ছায়াই কৈ উঠিল কথাষাৰ।

ঃ যোৱা কিন্তু সোনকালে ...। —মাকে ক'লে

আৰেশে চাইকেলখন আগুৱাই ঠেলি লৈ গ'ল আৰু দুয়ো খোজ কাঢ়ি কিছু সময় নিমাতে গ'ল।

ঃ আপোনাৰ পঢ়া কিমান পাইছে?

ঃ অহঃ, হায়াৰ ছেকেণ্ডাৰী ফাইনেল দিম, আৰু তুমি?

ঃ মেট্ৰিক (তাই মুখখন কিছু ক'লা কৰিলে)।

ঃ ঠিকে আছে। কিন্তু পৰীক্ষা ভালদৰে দিবা।

ঃ আৰেশ দা, আপোনাক আকৌ কেতিয়াকৈ লগ পাম?

ঃ কিয়?

ঃ আপোনাকচোন মোৰ এৰিবৰ মন নাই।

ঃ কাইলৈ হয়তো আকৌ আহিম, কিছু কাম আছে।

ঃ বৰ ভাল কথা, আহিবই কিন্তু। দাদালৈ ফোন কৰি কৈ দিলেই হ'ল। দাদা আৰু মই আপোনাক লগ কৰিম; যেতিয়াই নহওক।

*"তোমাৰ পৰিচয় নোপোৱাহেঁতেন*
*হয়তো ইমান দুখ ভুঞ্জিব নালাগিলহেঁতেন।"*

* * *

ঢলং-ঢপংকৈ আহি থকা আৰেশে নিজৰ ৰুমৰ তলাটো কোনো ৰকমেহে খুলিলে আৰু হাতত লৈ থকা বটলটোৰ অৱশিষ্টখিনি মুখত বাকি দি খালী বটলটো খঙতে ৰুমৰ পকী বেৰখনলৈ সজোৰে মাৰি পঠিয়ালে। থেকেচ্ ...।

ঃ হুঃ কি বুলি ভাবিছা? সবকে 'শ্বুট' কৰি দিব পাৰো। আৰেশক চিনি পোৱা নাই।

বৰষুণ তেতিয়াও কমা নাই। আৰেশে তিতা গাৰেই বিচনাৰ কাষলৈ গ'ল আৰু যেনেকৈ আছিল তেনেকৈয়ে বাগৰ দিলে। মুখতে কিবা ভোৰভোৰালে— মা কালী, এইবাৰলৈ মাফ কৰি দিবি।

*"তোমাৰ প্ৰেমত নপৰাকৈ ক'ব পৰা নাছিলো*
*শেষ ৰাতিৰ বৰষুণত*
*কিদৰে তিতি উঠে শিতানৰ গাৰু*
*কিদৰে গিলিপ মাৰি ধৰে*
*হৃদয়ৰ নিভাঁজ কোণত ৰাখি থোৱা*
*মোৰ মৰমৰ বোজাবোৰ।"*

অতীতৰ কথাবোৰে আৰেশক হয়তো বৰকৈয়ে আমনি কৰিছিল। সেয়ে সময়ে সময়ে সি তেনেদৰে মদ খাই বাগৰি বাগৰি আলিৰ কাষে কাষে চুচৰি ফুৰিছিল। ছায়া-বিকাশহঁতৰ লগত চিনাকি হোৱাৰ পাছত দ্বিতীয় দিনা আৰেশে ছায়াক লগ কৰিছিল। সেই একেই চিনাকি স্থান-ভেবাৰঘাট বাছ আস্থান।

ঃ আৰেশ দা, I have an important piece of work with you.

ঃ তুমি ইংৰাজীত ভাল বুলি জানিলো। এতিয়া অসমীয়াত কোৱা।

ঃ (ছায়াৰ চকুত সামান্য হাঁহি) ডাঙৰ কথা এটা আছে আপোনাৰ লগত।

ঃ কি?

ঃ আজিৰ সৈতে দুদিনৰ আমাৰ দেখা-দেখি। কথা হ'ল যে এই দুদিনতে আপুনি মোৰ সঁচাকৈয়ে বহু আপোন হৈ পৰিছে। আৰেশদা, মই আপোনাক বুজাব নোৱাৰো প্ৰথম দেখাৰ পৰাই মই আপোনাক ভাল পাবলৈ লৈছো।

ঃ ... ...।

ঃ হেই! I want to love you Aresh Da, you kindly accept me.

ঃ ... ...।

ঃ কিবা কওক আৰেশদা! আপুনি বেয়া নাপাব। মই মোৰ হৃদয়ৰ কথা কৈছো। মোৰ অনুৰোধ, আপুনি যেন মোৰ কথা নেপেলায়। — ছায়াই এইবাৰ আৰেশৰ বাওঁহাতখন তুলি ল'লে আৰু হাতৰ তলুৱাত তাইৰ হাতত থকা কলমটোৰে লিখি পেলালে 9864 ......।

ঃ আমাৰ ঘৰৰ নম্বৰটো দি দিছো। ফোন কৰি জনাই দিব।

ঃ ছায়া

ঃ হু ...

ঃ মোৰ চিনাকি দুদিনৰ আৰু মোক মাফ কৰি দিবা ছায়া। তুমি মোৰ ভনীৰ দৰে।

* * *

জীৱনত প্ৰথম বাৰৰ বাবে আৰেশে হয়তো তেনেকুৱা এক কঠোৰ সিদ্ধান্ত লৈছিল। ছায়াই অপেক্ষা কৰিছিল বহু দিনলৈ। আৰেশে ছায়াক আশা দিছিল— "তুমি ভালকৈ পঢ়া। তোমাৰ ৰিজাল্ট যদি ভাল হয় মোৰো উত্তৰ 'yes' বুলিয়েই ধৰি ল'ব পাৰা।"

তেতিয়াও বৰষুণ দিয়েই আছিল। চাৰিওদিশে আন্ধাৰ। জুপ্...জুপ্...জাপ...জাপ... শব্দৰ বাহিৰে একো নুশুনি। আৰেশৰ মূৰটো আচন্দ্ৰাই কৰিব ধৰিলে। দুচকুৰে বৈ অহা চকুলো বিচনাৰ গাৰুটোৰে মচি পেলালে।

*"তোমাৰ ভুবন ভুলোৱা হাঁহিৰ স'তে*
*যদি এবাৰ হাঁহিৰ সুৰ মিলালোহেঁতেন*
*হয়তো এবাৰৰ বাবেও সুখী হ'লোহেঁতেন।"*

ঃ আৰেশ শুনা, মোৰ এজনীয়েই ছোৱালী। তুমি তাইক বিপথে পৰিচালিত নকৰিবা। নিজৰ ভনীৰ দৰেই ব্যৱহাৰ কৰিবা আৰু ছায়া, তুমি পাগলী হোৱা নাইতো? সোনকালে আহা, গাড়ী বৈ আছে। — ছায়াৰ মাকে খঙতেই কথাষাৰ কৈ গুচি গ'ল। আজি সিহঁত নিজৰ ঘৰলৈ যাব, শোণিতপুৰলৈ। ৰিপোজত বহি আছিল আটাইবোৰে। ছায়াৰ মাক, বিকাশ, আৰেশ আৰু ছায়া। বিকাশ হোটেলৰ পৰা ওলাই যোৱাৰ পূৰ্ণ সুযোগ পায়েই যেন মাকে কথাষাৰ কৈ বিল পৰিশোধ কৰি গুচি গ'ল; যেন সিহঁতক শেষবাৰৰ বাবে কথা পতাৰ সুযোগকণহে দিলে।

ঃ আৰেশ দা!

ঃ হু!

ঃ বেয়া পাইছা? (ছায়াৰ মুখত দুখৰ ছাঁ)।

ঃ ক'তা, নাইতো। — ছায়াই এইবাৰ আৰেশৰ সোঁহাতত ধৰিলে আৰু প্ৰায় কান্দিয়েই দিলে—

ঃ মোক তোমাৰ কাষৰ পৰা দূৰত নথবা আৰেশ দা। মই যে তোমাক ভালপাওঁ। কোৱা তুমিও মোক ভালপোৱা।

ঃ হু ...

ঃ ... ...।

ঃ কিয় বিশ্বাস হোৱা নাই? পৰীক্ষা দি লোৱা। নহ'লে ...

ঃ দিম, ভালকৈয়ে দিম। কিন্তু ...

ঃ কোনো কিন্তু নাই। মোক চকুপানীৰে দুৰ্বল নকৰিবা। বাৰু তোমাৰ পৰীক্ষাৰ ৰিজাল্টৰ দিনা ফোন কৰিম।

ঃ কিন্তু পৰীক্ষালৈ এতিয়াও ছমাহ বাকী।

ঃ বাদ দিয়া সেইবোৰ। —আৰেশে এইবাৰ ধমকিৰ সুৰতেই কথাখিনি ক'লে।

তৃতীয় দিনৰ সাক্ষাৎ এনেকৈয়ে শেষ হৈছিল আৰু তাৰ পাছৰ পৰাই আৰেশ ভীষণ অহংকাৰী আৰু জেদী হৈ পৰিছিল। বাৰে বাৰে ছায়াৰ মাকে কোৱা কথাষাৰ তাৰ মনত ভাঁহি উঠিছিল— "আৰেশ, শুনা মোৰ এজনীয়েই ছোৱালী। তাইক তুমি বিপথে পৰিচালিত নকৰিবা। নিজৰ ভনীৰ দৰে জ্ঞান কৰিবা।"

এনেকৈয়ে দিনবোৰ পাৰ হ'ল। পৰীক্ষাবোৰ হৈ গ'ল আৰু এদিন

পৰীক্ষাৰ ৰিজাল্টো আহিল। এদিন অগাপিছাকৈ। আৰেশৰ মনটো বৰ সুখী। ভবামতেই ৰিজাল্ট অৰ্থবিজ্ঞানত লেটাৰসহ প্ৰথম বিভাগ আৰু ছায়াৰ ... ...।

আৰেশে ভাবিলে নিশ্চয় তাই অভিমান কৰিব। বহুদিন ফোন নকৰাৰ বাবে। ৰিজাল্ট নিশ্চয় ভালেই হ'ব। সদায় পঢ়াত মন থকা ছোৱালী। মনতে আৰেশে বহু কিবা-কিবি ভাবিলে। ঘৰত ফোন নথকা বাবে পি.চি.অ'লৈ গ'ল আৰু নাম্বাৰ ডায়েল কৰিলে ... 9864 ...

ঃ হেল্ল' (ছায়াৰ মাকৰ কণ্ঠস্বৰ ভাঁহি উঠিল)

ঃ হয়, মই আৰেশে কৈছো।

ঃ ইমান দিনৰ মূৰত! খবৰ-চবৰ কিয় নোলোৱা, আৰু তোমাৰ ৰিজাল্ট কি হ'ল?

ঃ ভালেই, প্ৰথম বিভাগ; ছায়াৰ কি হ'ল? আজিতো ছায়াৰ ৰিজাল্ট দিছে।

ঃ ছায়া ... (নাম কোৱা মাত্ৰেই মাক কিছুপৰ মৌন হৈ থাকিল আৰু ক্ৰন্দনৰ সুৰত কৈ উঠিল।) ছায়া আজি তিনি মাহ আগতেই আমাক এৰি গুচি গ'ল। তাইৰ জণ্ডিছ হৈ আছিল। আৰেশৰ মূৰটো তাতেই ঘূৰিবলৈ আৰম্ভ কৰিলে আৰু মাকে কোৱা কথাবোৰ যেন ক্ৰমাৎ নুশুনা হৈ আহিল। বুকুখনত যেন প্ৰচণ্ড খুন্দা এটাহে লাগিল। আৰেশৰ সেই পুৰণি বেমাৰটোৱে আকৌ উক্ দি উঠিল। আৰেশ শালগছ বাগৰাৰ দৰে ধাচ্‌কৈ বাগৰি পৰিল। নাকেৰে তেজ ব'বলৈ ধৰিলে— "ছায়া, মোক মাফ কৰি দিবা, তুমি জানি লোৱা; অবাঞ্ছিত ভুলৰ বাবে ভগৱানে নিশ্চয় মোক শাস্তি দিব।"

*"সিদিনাখন মোৰ হাতত ধৰি*
*তুমি কন্দাৰ বিপৰীতে*
*মই এবাৰো ভবা নাছিলো*
*তুমি যে মোক গোটেই জীৱনৰ বাবে*
*এৰি গুচি যাবলৈ লৈছা।"*

গোটেই ৰাতিটো আৰেশে অনিদ্ৰাই পাৰ কৰিলে। তেতিয়াও বৰষুণ দিয়েই আছে, বিজুলীৰ চকা-মকা পোহৰ কোঠাটোতো যেন প্ৰৱেশ কৰিব খুজিছিল। হয়, ঠিকেই। ঘড়ীটোৱে বাৰ বজাৰ ইংগিত দি শব্দ কৰিছে টং...টং...টং...।

ৰাতিপুৱা ন-বাজি দহ মিনিট যোৱাত আৰেশে সাৰ পালে। বিচনা ত্যাগ কৰি বাহিৰলৈ ওলাই আহিল আৰু আকাশলৈ চালে— হয়, এতিয়া আৰু আকাশত ডাৱৰ নাই। ৰ'দৰ কোমল পোহৰ ওলাইছে আৰু উত্তৰ-পূব কোণত এলানি ৰামধেনু। আৰেশে বহু সময়লৈ তালৈ লক্ষ্য কৰি থাকিল। তাৰ পাছত চকু মুখ ধুই নঙলা মুখলৈ ওলাই আহিল। শাইথাবাৰী চ'কতেই তেতিয়া মঙলদৈ মহাবিদ্যালয়লৈ যাবৰ বাবে কেইজনীমান ছোৱালী বাছৰ বাবে অপেক্ষা কৰি আছিল। আৰেশে মনটো পাতলাবৰ বাবে ছোৱালীকেইজনীক উদ্দেশ্য কৰি এটা সুঁহুৰি মাৰিলে। ছোৱালীকেইজনীৰ মাজৰে 'দীপাঞ্জলি' নামৰ ছোৱালীজনীয়ে তেওঁৰ পিনে চাই মিঠা হাঁহি এটা উপহাৰ দিলে। ❐

# অব্যক্ত হৃদয়ৰ উচুপনি

নিকুমণি ডেকা
স্নাতক দ্বিতীয় বৰ্ষ

ৰমেন ঠিকাদাৰৰ ঘৰৰ ধানৰ মৰণা সামৰি-সুতৰি সাজে-এন্ধাৰে ঘৰলৈ আহি পোনে পোনে কুঁৱাৰ পাৰলৈ খৰধৰকৈ খোজ ল'লে তাই। পানী এবাল্টি তুলি দুমগমান পানী ভৰিত ঢালি দিলে। কামৰ হেঁচাত আৰু ভৰি দুখনৰ কোনো যতন নোলোৱা বাবে শুকান পথাৰ ফটাৰ দৰে ফটা তাইৰ ভৰিৰ গোৰোহা দুটা পানী লাগি চেকচেকাই উঠিল। যন্ত্ৰণাখিনিৰ বাবে তাইৰ মুখখন অলপ বেঁকা হৈ গ'ল। আৰু দুমগমান পানী খৰখেদাকৈ ঢালি তাই দৌৱাদৌৰিকৈ ঘৰ সোমালহি।

চাকিৰ কাযত মূৰ হলাই হলাই পঢ়ি থকা ছোৱালীহালৰ ওচৰতে বস্তাত তাই বহিলগৈ। চাকিটোৰ পোহৰখিনিয়ে ঘৰটোৰ চুক-কোণকেইটা পোহৰ কৰিবলৈ আপ্ৰাণ চেষ্টা চলাইছে যদিও এন্ধাৰখিনি চুক-কোণকেইটাৰ পৰা আঁতৰাবলৈ সমৰ্থ হোৱা নাই। পোহৰৰ শিখা কঁপি কঁপি গৈ এন্ধাৰখিনিত মিলিত হোৱা চুক-কোণকেইটাৰ এন্ধাৰখিনিৰ লগত তাই তাইৰ জীৱনটো ৰিজাই চালে। তাইৰ জীৱনটোও সেই এন্ধাৰখিনিৰ দৰেই। তাই যিমানেই কঠোৰ মানসিক-শাৰীৰিক কষ্ট কৰিছে সিমানখিনিয়েই মুখ থেকেচা খাই বিফল হৈছে জীৱন সুখ লাভৰ কঠোৰ সংগ্ৰামৰ পৰা।

কাবোবাৰ মুখৰ পৰা পিছত তাই গম পাইছিল সামান্য পানী লগা জ্বৰ দুদিন হৈয়েই তাইৰ মাকৰ মৃত্যু হৈছিল। তেতিয়া তাই ভালদৰে সকলো কথা জনা হোৱাই নাছিল। খুব সম্ভৱ মাক যে আৰু উভতি নাহে এই কথা অলপহে বুজি পাইছিল। তেতিয়াৰে পৰা তাইৰ ওপৰত খহি পৰিছিল এখন দুখৰ পাহাৰ। মাকৰ মৃত্যুৰ এবছৰ পিছতেই তাইৰ জীৱনৰ প্ৰথম দুৰ্ভাগ্যৰ দুৱাৰ খুলি সোমাই আহিল মাহীমাক। যিয়ে কাঢ়ি নিলে তাইৰ শিশুকালৰ সকলোবোৰ সপোন। তাইৰ আঠ কি ন-বছৰ বয়সত মাহীমাকৰ ল'ৰাটো জন্ম পাইছিল। তেতিয়াৰে পৰাই তাই ঘৰৰ প্ৰায় সকলো কাম কৰিবলগা হ'ল। মাকৰ মৃত্যুৰ পিছত দেউতাকৰো ঘৰলৈ মন-কাণ দিয়াটো কমি গৈছিল আৰু দিনটো ঘৰৰ বাহিৰতেই



কটোৱা কৰিছিল। তাৰেই সম্পূৰ্ণ সৎ ব্যৱহাৰ কৰিছিল মাহীমাকে। কাপোৰ ধোৱা, বাহী বাচন ধোৱাৰে পৰা ঘৰ মচালৈকে সমস্ত দায়িত্ব তাইৰ ওপৰত সামৰি মাহীমাক ৰাজৰাণী হৈছিল।

ঃ মাজনী ভৰিখন বৰ চেকচেকাইছে। মিঠাতেল অলপ আনগৈচোন। - মৰণা মৰা ভৰি দুখনত ধানৰ খেৰে চেকচেকাইছিল তাইৰ। পঢ়ি থকা ছোৱালীহালৰ ডাঙৰজনী ছোৱালীক মাতিলে তাই।

ঃ চাওঁ, মই তোৰ ভৰি দুখন পিটিকি দিওঁ। - তেল ঘঁহি দি ভৰি পিটিকি থকা মাজনীৰ মুখলৈ চাই চকুহাল ভৰি আহিল তাইৰ। অন্ততঃ নিজৰ ছোৱালীয়ে তাইৰ দুখ বুজিব পৰা হৈছেগৈ। ভাবিলে তাই।

বহুতো কষ্ট, কাম-বনৰ হেঁচাৰ মাজতো পঢ়াৰ প্ৰতি ধাউতি থকা বাবেই পঢ়ি দ্বিতীয় বিভাগত মেট্ৰিক পাছ কৰি ওচৰৰ কলেজখনত নাম ভৰ্ত্তি কৰাইছিল তাই। দেউতাকৰ সেইবিলাকত মন দিবলৈ সময় নাছিল। তেওঁ মাত্ৰ নামভৰ্ত্তিৰ পইচাখিনি দিয়েই দায়িত্ব সামৰিছিল। কলেজৰ প্ৰথম বাৰ্ষিকৰ পৰীক্ষা হোৱাৰ আগতেই ল'ৰা এজনে চাবলৈ আহিছিল তাইক। সেই সোণালী সুযোগতে মাহীমাকে দেউতাকক ভাল ল'ৰা বুলি উচটাই বিয়া দি সোনকালে আজৰি হৈছিল। এইদৰে বিয়াৰ বাবে শাৰীৰিক-মানসিকভাবে সাজু নহওঁতেই পঢ়া আধৰুৱাকৈ এৰি বিয়াত বহিবলগা হ'ল তাই।

বিয়াৰ সময়তো হোমৰ জুইৰ ওচৰত আঁঠু লওঁতেও এটাই প্ৰাৰ্থনা কৰিছিল তাই নতুন ঘৰখনত যেন অলপমান শান্তি পায়, মৰম পায়। কিন্তু মৰম আকলুৱা তাইৰ বাবে আন এখন কঠোৰ বাস্তৱে অপেক্ষা কৰি আছিল। বিয়াৰ পিছৰ দিনাখন আবেলি সময়ৰ পৰা মাজৰাতিলৈ তাই দৰাক দেখা পোৱা নাছিল। পিছত ঘৰৰ মানুহৰ আলোচনাৰ পৰা তাই গম পাইছিল ক'ৰবাত মদ খাই পৰি থকা বুলি। ঘৰৰ কোনোবা এজন গৈ উঠাই আনি বাৰমান বজাত শুৱাই থৈ গৈছিলহি। এনেকৈয়ে আৰম্ভ হৈছিল চকুৰ পানীখিনি মচি হাঁহিবলৈ বিচৰা তাইৰ বৈবাহিক জীৱন। প্ৰত্যেকটো কথাতে সন্দেহ কৰিবলৈ লৈছিল গিৰিয়েকে তাইক। মাজৰাতি মদ খাই আহি ঠাণ্ডা ভাত খোৱাৰ কাৰণে, ভালকৈ ৰান্ধিব নজনা আদি বিভিন্ন কথা উলিয়াই বা সামান্য কথাতে মাৰপিট কৰিবলৈ লৈছিল তাইক। কেতিয়াবা জোতা নোখোলাকৈয়ে শুই পৰিছিলহি আৰু বমি কৰিছিল।

ডাঙৰ জাক, শাহুৱেকেও তাইক ককৰ্থনা কৰিবলৈ লৈছিল। শাহুৱেকৰ মত আছিল— ল'ৰাটোৰ স্বভাৱ শুদ্ধ কৰি ভাল পথলৈকে আনিবলৈ বিয়াখন পাতি দিলো। কুলক্ষণীজনী আহি তাক ভাল পথলৈ অনাতকৈ বেছিকৈ মদপী-জুৱাৰীহে কৰিলে। তিনিসাঁজ হ'লে ঠিকমতেই খাব আৰু কামৰ নামত একো নাই। অথচ বেলি নুঠোতেই উঠি ঘৰৰ মানুহ শোৱাৰ পিছলৈকে তাই ঘৰুৱা কামৰ পৰা আজৰি নাপাইছিল। ডাঙৰ জাকেও তাইক কথা শুনাবলৈ লৈছিল- গিৰিয়েকটো মদাহী-জুৱাৰীয়েই, ঘৰৰ খৰি দুচটা ফালি দিবও সময় নাই। দিনৰ দিনটো জোত-মোজা মাৰি অলৌ-তলৌকৈ ঘূৰিব আৰু মাজৰাতি মদ খাই ঘৰ সোমাব। ঘৈণীয়েকক কি চাবা। সময়মতে ভাতকেইটাও ৰান্ধিব নোৱাৰে। খোৱাৰ সময়ত এপাল। মইহে জানো কিমান খৰচ। আমাৰ এওঁৰ দৰমহাকেইটাৰ ওপৰতেই ঘৰখনৰ সকলো খৰচ। পিন্ধো বুলি, পূজাই-বিহুৱে নতুন কিবা এসাজ লওঁ বুলিও ল'ব নোৱাৰো। ফুৰিবলৈ অহা কোনো ওচৰ-চুবুৰীয়াৰ আগত তেনেকৈ কৈ থকা প্ৰায়েই শুনিছিল তাই। বুকু ফাটি ওলাই অহা দুখখিনিয়ে চকু দুটা চলচলীয়া কৰিছিল তাইৰ। মদাহী গিৰিয়েক, সকলোৱে অৱজ্ঞা এইবোৰে তাইৰ জীৱনটোৰ প্ৰতি বিতৃষ্ণা বঢ়াইছিল। আত্মহত্যা কৰিবলৈকে ঠিৰাং কৰিও তাই সেই বিষয়টো বাদ দিছিল। কাৰণ ইমানবোৰ দুখ-কষ্টৰ মাজতো তাই অকণমান সুখ পাইছিল যে তাই মা হ'বলৈ ওলাইছে।

ঃ তুমিনো কিয় ইমান মদ খাব লাগে? অকণমান সোনকালে উভতি আহিবাচোন। অন্ততঃ ভাতকেইটা একেলগে খাবলৈ পালে ভাল লাগে। — গধূলি ক'ৰবালৈ যাবলৈ ওলোৱা গিৰিয়েকক তাই কাষতে বহি অতি মৰমেৰে বুজাবলৈ যত্ন কৰিছিল। একো উত্তৰ নিদিয়াকৈ গুচি গৈছিল গিৰিয়েক আৰু সেইদিনা ৰাতি গুৰিয়াই-ভুকুৱাই তাইক ঘৰৰ পৰা বাহিৰ উলিয়াই দি দৰ্জা বন্ধ কৰি শুইছিলি গিৰিয়েকে। আঘোণ মাহৰ কুঁৱলীৰে আবৰা সেই ৰাতিটো পঞ্চমীৰ জোনটোৰ পোহৰখিনিলৈ চাই চকুপানীৰে বাট নেদেখা হৈ ঠাণ্ডাত কঁপি কঁপি কুঁচি-মুচিকৈ বহি কটাইছিল তাই। সেইদিনা ৰাতিও ঠাণ্ডাত তাই বহি থকা অৱস্থাতেই মৰিবলৈ কামনা কৰিছিল। ইমান সোনকালে মৰিব পাৰিলেও কিজানি তাইৰ যাতনাৰ অন্তই পৰিল হয়। সকলোৱে যেতিয়া নিদ্ৰাৰ কোলাত সুখৰ এঘুমটি মাৰিছিল তেতিয়া তাই অনুভৱ কৰিছিল এটা ৰাতিৰ যন্ত্ৰণা। ঘৰৰ সকলোৱে গম পায়ো উঠি নাহিল। তাই ভাবিছিল অন্ততঃ শাহুৱেকে তাইক নিজৰ কোঠাত শুবলৈ মাতিব। কিন্তু তাইৰ আশা নিৰৰ্থক আছিল।

জাক, শাহুৱেকৰ খেচখেচনি, গিৰিয়েকৰ মাৰপিট— এয়েই আছিল তাইৰ দৈনন্দিন জীৱন। তাৰ মাজতো তাই অলপ সুখৰ ৰেঙণি দেখিছিল সেইদিনা যিদিনা তাইৰ প্ৰথম ছোৱালীজনী জন্ম পাইছিল। অথচ তেতিয়াও ছোৱালীহে জন্ম দিয়াৰ বাবে গিৰিয়েক-শাহুৱেকৰ পৰা তাই ককৰ্থনাহে পাইছিল। এইবোৰৰ মাজতো গিৰিয়েকক সৎ পথলৈ আনিবলৈ তাই আপ্ৰাণ চেষ্টা কৰিছিল। কিন্তু গিৰিয়েকক সৎ পথলৈ আনিবলৈ তাই যি চেষ্টা অব্যাহত ৰাখিছিল সকলোখিনি ধূলিস্যাৎ কৰিছিল সেই খবৰটোৱে। গাঁৱৰ ইমূৰৰ পৰা সিমূৰলৈ বিয়পি পৰিছিলৰ

খবৰটো যে তাইৰ গিৰিয়েকে ওচৰৰে নদীৰ সিটো পাৰৰ গাঁওখনৰ বিধৱা এজনীৰ লগত সম্পৰ্ক ৰাখি আছে। তেতিয়ালৈ তাইৰ পেটত দ্বিতীয়টো সন্তানে থিতাপি লৈছিল। কথাটো বিশ্বাস কৰা নাছিল যদিও এদিন ভাল ভাবেই গিৰিয়েকক কথাটো সুধিছিল সঁচা নেকি? সেইদিনা ৰাতিও আবেলি ওচৰৰে ঘৰৰ ল'ৰাজনৰ লগত তাই কথা পাতি থকাৰ চেলু উলিয়াই তাইক কোবাইছিল। "তই নিজে আনৰ লগত লেটি-পেটি কৰিছ। পেটত নিজে কাৰ কেঁচুৱা জন্মাবলৈ লৈছ। মোক হাঁহ।" — এনেদৰে কৈ গিৰিয়েকে তাইক দাঁত কৰচি গোৰ মাৰি দিছিল। চিটিকি গৈ তাই বিচনাত খুন্দা খোৱাত কপালত কটা গৈছিল। সেইদিনাও ঘৰৰ কোনো ওলাই নাহিল।

ইমানবোৰ দুখ-যাতনাৰ মাজতো যেন ভগৱানে তাইক আৰু দুখ দিবলৈ বিচাৰিছিল। দুখৰ এই দিনবোৰতেই আৰু এটা কথাই তাইক বোবা কৰি দিলে। মদ খাই কাৰোবাৰ লগত মাৰ-পিট কৰি মানুহ এজনক হত্যা কৰাৰ বাবে তাইৰ গিৰিয়েকৰ আজীৱন কাৰাদণ্ড হ'ল। তেনেকুৱা দিনবোৰতেই তাইৰ আকৌ দ্বিতীয়জনী ছোৱালী জন্ম পোৱাত ঘৰৰ শাহুৱেক, জাকে তাইক দেখিব নোৱাৰা হ'ল। শাহুৱেকেও পুতেকৰ জে'ল হোৱাৰ বাবে তাইকহে মূল দোষী সজালে। গোটেই ঘৰখনৰ কামৰ হেঁচাও লাহে লাহে তাইৰ ওপৰতেই পৰিল।

ঃ ল'ৰাটোক কণী এটা, মাছ অলপো বেছিকৈ খুৱাব নোৱাৰো। সেইজনীৰ দুটাৰ কাৰণে ইমান অসুবিধা। —হঠাৎ এদিন জাকৰ কোঠাটোৰ ওচৰেদি কিবা আনিবলৈ যাওঁতে দুদিন আগতে জীয়েকৰ ঘৰলৈ অহা মাকৰ আগত জাকে তেনেকৈ কৈ থকা শুনিবলৈ পালে তাই। তাই অলপ সময় বাহিৰত থিয় দি ৰ'ল। "সেইটোৰ কেইটাৰ লগত একেলগে খাবলৈ নিদিলেই হ'ল।" —মাকৰ মাতটো শুনিবলৈ পালে।

ঃ কেনেকৈনো দিও। আগৰে পৰা একেলগে ভাত খায়।"

ঃ এটা কাম কৰ। তোৰ সোণৰ চেইনডাল আৰু টকা দুহেজাৰমান হেৰোৱা বুলি জোঁৱাই আৰু শাহুৱেৰক কৈ দে আৰু এদিন সুযোগ চাই তাইৰ কোঠাত সোমাই তাৰ পৰা পোৱা বুলি সকলোকে কৈ তাইক ঘৰৰ পৰা বেলেগ কৰি দে।

ঃ পাৰিম জানো?

ঃ সদায়ে সেইকেইটাক খুৱাই থাকিবিনে?

তাইৰ আৰু ইমানখিনি শুনাৰ পিছত তাত ৰ'বলৈ শক্তি নোহোৱা হৈ আহিল। সেই ঠাইৰ পৰা উভতি আহি ছোৱালীহালক বুকুত সাৱটি তাই চকুলোৰে বাট নেদেখা হ'ল। তাইৰ সেইদিনা চিঞৰি চিঞৰি জাকক গালি পাৰিবৰ মন গৈছিল। কিন্তু ছোৱালী দুজনীৰ ভৱিষ্যতৰ কথা ভাবিয়েই তাই মনে মনে থাকিল। সকলো আশা শেষ হোৱাৰ পিছতো অন্ততঃ তাই সিহঁত দুজনীলৈয়ে চায়েইটো জীয়াই আছে।

তেনে অঘটন হোৱাৰ আগতেই এদিন তাই শাহুৱেকক কৈ বেলেগে খাবলৈ ধৰিলে। সম্পত্তিৰ নামত তাইক কিবা অলপহে দিয়া হ'ল; যিহেতু তাইয়েই প্ৰথমে বেলেগ হোৱাৰ কথা উলিয়ালে। সেইখিনিৰে তাই বছৰটোৰ ছমাহমানহে চলিব পাৰে। শেষত উপায় নাপাই তাই বাকী ছমাহমানৰ বাবে ওচৰে-পাজৰে গাঁৱত হাজিৰা কৰিবলৈ ওলাব লগা হ'ল। তথাপিও শাৰীৰিক কষ্ট হৈছে যদিও তাই অন্ততঃ অলপ হ'লেও মানসিক শান্তি পাইছে। অন্ততঃ তাইক শাসন কৰা, তাইক গালি পৰা এতিয়া কোনো নাই। নিজৰ ছোৱালীহালক তাই কষ্ট কৰি হ'লেও পঢ়ুৱাইছে। ওঠৰ বছৰৰ সাংসাৰিক জীৱনত তাই যিমানখিনি তিক্ততা পালে সেইখিনিয়ে তাইক জীৱনটো কি ভালদৰেই শিকাইছে। ইমানবোৰ দুখৰ মাজতো তাইক দুখে যেন নেৰিবই। এতিয়া আকৌ এটা নতুন সমস্যাৰ সন্মুখীন হৈছে তাই। দুটামান অসৎ অথচ তেওঁলোকৰ সমাজখনত সৎ হৈ থকা মানুহে তাইক কাম কৰিবলৈ গ'লে বেয়া ইংগিত দিবলৈ লৈছে। তাই কোনোমতে সেইবিলাক আওকাণ কৰি কাম কৰে।

ঃ কালি ৰাতি আহিবি? ৫০০ টকা দিম। বাইদেৱেৰে নাথাকে কালি। —গধূলি ধানৰ মৰণা মাৰি উভতি আহিব খোজোতে ৰমেন ঠিকাদাৰে দিয়া ইংগিতটোৱে তাইক শেলে বিন্ধাদি বিন্ধি আছে। কি কৰিব তাই? সিহঁতক একো কৰিব নোৱাৰে। সিহঁতক কিবা ক'বলৈ গ'লে তাইৰ কাম কৰা ঠাইহে নোহোৱা হ'ব। আচলতে দুখীয়াসকলৰ বাবে ন্যায় কথাত মাত দিওঁতা কোনো নাই। তাই দুখীয়া নোহোৱা হ'লে ৰমেন ঠিকাদাৰে তাইক এনেকৈ ক'ব পাৰিলে হয়নে?

ঃ মা, বৰ ভোগ লাগিছে। — সৰু ছোৱালীজনীয়ে পঢ়া এৰি উঠি আহি মতাতহে তাই দুখ-অপমানৰ জীৱনটোৰ পৰা মনটো আঁতৰ কৰি আনিলে।

ঃ মাজনী, ভাতকেইটা তয়েই ৰান্ধগৈচোন। মোৰ আজি বৰ ভাগৰ লাগিছে। — ডাঙৰজনী ছোৱালীক ভাতকেইটা ৰান্ধিবলৈ কৈ তাই আঁঠুত মূৰটো গুজি ভাবিবলৈ ধৰিলে, ৰমেন ঠিকাদাৰৰ ঘৰত তাই আগলৈ কাম কৰিব যাবনে নাযায়। ❒

*মানুহে যিমান পঢ়িবলৈ শিকে, সিমান ভাবিবলৈও শিকে।* — *জৱাহৰলাল নেহৰু*

*শৰীৰৰ কাৰণে ব্যায়াম যেনেকৈ দৰকাৰী, ঠিক তেনেকৈ*
*মনৰ কাৰণে দৰকাৰী কিতাপ পঢ়াৰ অভ্যাস।* — *চাৰ ৰিচাৰ্ড ষ্টিলি*

# ৰ'ছাগাৰ সেই দিনটো



নলিনীকান্ত ডেকা
ভূগোল বিভাগ (কলা)

জুবিৰ ফালৰ পৰা এজাক ফেৰফেৰীয়া বতাহ বৈ আহিছে। পিছফালৰ আঁহতজোপাত কুলি এটাই কু...কু... কৈ বসন্তৰ সুৰ তুলিছে। খিৰিকীখনৰ সামান্য ফাঁকেৰে ৰাতিপুৱাৰ কোমল ৰ'দ এজাক আহি ৰুমটো পোহৰাই তুলিছে। ভঁৰালঘৰৰ মুধচত পৰি পাৰ চৰাইটোৱে ৰুণ দিছে। ওচৰৰ গাঁওখনৰ পৰা বিহুগীতৰ ৰিনিকি ৰিনিকি সুৰ এটা ভাঁহি আহিছে। লগুৱা ৰামলালে বাকৰিত হাল জুৰিছে। বসন্তৰ মধুৰ আলিংগন পাই আঁহত গছৰ কপৌফুলজোপা নতুনকৈ যৌৱনপ্ৰাপ্ত গাভৰুৰ দৰে লহপহকৈ বাঢ়ি আহিছে। শালিকাহালে পাৰকেইটাৰ বাবে দিয়া খুদকণৰ ওপৰত নিজৰ ক্ষমতা প্ৰয়োগ কৰি আধাৰ খাইছে। টং টংকৈ শব্দ কৰি কেঁচা ৰাস্তাটোৱে গৰু গাড়ী এখন ঢলং-পলংকৈ মদ খোৱা মানুহৰ দৰে আহি আছে। বোধহয় ম'হৰ খুঁটিৰ পৰা গাখীৰ কঢ়িয়াই আনিছে, কোনোবা হাটৰ বাবে।

সি তেতিয়াও সাৰ পোৱা নাই। বহু ৰাতিলৈ তাৰ টোপনি অহা নাছিল। নতুন পৰিৱেশত নিজকে আচহুৱা যেন লাগিছিল। পুৱাৰ সময়তহে অলপমান টোপনি আহিছে। কালি বাছত আহোঁতে কমখন কষ্ট হোৱা নাছিল তাৰ। যদিও শিখাই পথাৰৰ লুং-লুঙীয়া বাটটোৱে 'চৰ্টকাট' কৰি খোজকঢ়াই লৈ আহোঁতে "ৰাজ, তোমাৰ কষ্ট হৈছে" বুলি সোধাত সি সুন্দৰ অভিনয় কৰি মূৰটো লৰাই 'নাই' বুলি কৈছিল।

"ৰাজ, অ' ৰাজ উঠা। দোঙৰ পাৰলৈ ফুৰিবলৈ যাম বুলি কৈছিলা, নোযোৱা নেকি?" শিখাৰ মাতত তাৰ টোপনি ভাঙিল যদিও তাৰ কোনোমতে উঠিবলৈ মন যোৱা নাই। কিন্তু নুঠিলে জানো তাই এৰিব।

শিখা সহজ-সৰল ছোৱালী। বাইছটা বসন্তৰ তিতা-কেঁহা তাইৰ দেহৰ ওপৰেৰে পাৰ হৈছে। সিহঁতৰ ঘৰ এখন ভিতৰুৱা গাঁৱত। দেউতাক আৰু ভায়েকৰ বাহিৰে তাইৰ আপোন বুলিবলৈ আছে এজনী মাক। একৈশ শতিকাৰ 'বিশ্বায়ন'ৰ দিনতো বিজুলী চাকি সিহঁতৰ গাঁৱৰ মানুহৰ বাবে এক সপোন। কেঁচা পথেই বৰ্তমানো হৈছে সিহঁতৰ বাবে অতি আপোন।

শিখাহঁতৰ ঘৰত বিহু খাবলৈ প্ৰথমবাৰৰ বাবে ৰাজ সিহঁতৰ গাঁৱলৈ আহিছে। দীঘল নঙলাটোৰে সোমাই আহোঁতে মোমায়েকৰ গাঁৱৰ ঘৰলৈ মনত পৰিছিল তাৰ। গোটেই পৰিৱেশটো ডাঠ সেউজীয়া হৈ আছিল। নঙলামুখত থকা বকুল দুডাল চিৰ প্ৰহৰীৰ দৰে লাগিছিল তাৰ। দুয়োকাষে শাৰীকৈ তামোল গছ। মাজত দুডাল নে তিনিডাল নাৰিকল, চ'ৰাঘৰটোৰ মুখত এডাল লিচু। পাত সলাই ফুলিবলৈ ওলোৱা লিচুডাল এইমাত্ৰ গা ধুই অহা বোৱাৰীৰ দৰে লাগিছিল তাৰ। সঁচাকৈ কালি আহিয়েই বৰ আপোন আপোন যেন লাগিছিল তাৰ গাঁৱৰ পৰিৱেশটো।

শিখাৰ ভায়েক ঋতুৰাজে কাটি দিয়া 'সৰুৱা' ডালেৰে দাঁত ঘঁহি ঘঁহি সিহঁত কেতিয়া ঘৰৰ পূবফালে থকা দোঙৰ পাৰ পালেগৈ গমকে নাপালে।

"এই দোংটোৰ পানীৰেই গাঁৱৰ খেতিয়কসকলে খেতি কৰে" শিখাই তাক ক'লে। দোংটোৰ পাৰত দুই এডাল কোৰোচ আৰু আমৰ গছ। দোঙৰ পাৰৰ পৰা আকাশ ফালি ওলাই অহা বেলিটো ডাঙৰ ডলা এখনৰ দৰে দেখা গৈছিল। ৰ' লাগি চাই থাকিব মন গৈছিল তাৰ এই দৃশ্য।

এনেকৈ কিমান সময় থিয় হৈ আছিল সি গমকে নাপালে। এজাক শীতল বতাহ তাৰ মুখত লগাতহে সি বাস্তৱলৈ ঘূৰি আহিল আৰু দেখিলে শিখাই পাত এটাৰে তাৰ মুখৰ ওচৰত বিচি আছে।

"বন্ধুবৰ, ঘৰলৈ যাওঁ ব'লা। এনেকৈ ইয়াত থিয় হৈ থাকি তুমি প্ৰকৃতিৰ প্ৰেমত পৰিব লাগিলে মোৰ কিন্তু অসুবিধা হ'ব বুলি" কৈ খিলখিলকৈ হাঁহি দিলে তাই।

সি অলপ লাজত পৰিছিল। কিন্তু সঁচাকৈ বৰ ভাল লাগিছিল তাৰ। নগৰীয়া ব্যস্ততাৰ পৰা আহি এই শান্ত গাঁৱলীয়া পৰিৱেশ।

University ৰ দৰ্শন বিভাগৰ প্ৰথম ষাণ্মাষিকৰ ছাত্ৰ ৰাজে মাজে মাজে ভাবে, শিখাজনীৰ বাৰু এনে কি দুখ আছে, যি দুখ তাই ঢাকি ৰাখিব খোজে তাইৰ খিলখিলীয়া হাঁহিটোৰে, সি অভিনয় কৰি হাঁহি থকাৰ দৰে। কাৰণ সেইদিনা তাইৰ অসাৱধানতাৰ বাবে সি তাইৰ আধা লিখা কবিতা এটি পঢ়িব পাইছিল—

*"বিষাদৰ মৰুভূমিৰ*
*দুখৰ উপত্যকাত*
*এজন অকলশৰীয়া*
*বাসিন্দা মই*
*সুখৰ অপেক্ষাত ... ।"*

দেখিলে ভাবিব নোৱাৰি তাইৰ দৰে চঞ্চলা এজনীৰ হৃদয়তো থাকিব পাৰে বিষাদৰ এজাক ধুমুহা। সেইদিনাই সি ঠিক কৰিছিল সি তাইক সুধিব। কিন্তু সুবিধা পোৱা নাছিল। আজি চাহৰ টেবুলত কোনো নোহোৱাৰ সুযোগত সি সুধি পেলালে— "শিখা, কথা এষাৰ সুধিম, ক'বানে?"

"নকলে জানো তুমি মানিবা?"

"তোৰ বাৰু কিবা দুখ আছে নেকি?" —তাই এনেকুৱা এটা প্ৰশ্নৰ বাবে একেবাৰে প্ৰস্তুত নাছিল। সেয়েহে বাচিবৰ বাবে লাহেকৈ ক'লে— "নাইতো ... ।" কিন্তু তাই বাচিব নোৱাৰিলে, ধৰা পৰি গ'ল, ৰাজৰ পৰা লুকুৱাব নোৱাৰিলে তাইৰ চকুলো।

"শিখা, মই জানো যে তোৰ অন্তৰত বহুত দুখ আছে।"

"তই কেনেকৈ জানিলি?" তাই থোকাথুকি মাতেৰে সুধিলে।

"জানা শিখা, মই এতিয়ালৈ লগ পোৱা মানুহৰ ভিতৰত যিমানৰ মুখত এনেকুৱা হাঁহি দেখিছোঁ প্ৰত্যেকেই একো একোটা ডাঙৰ দুখৰ অধিকাৰী। আৰু তোৰ সেই আধা লিখা কবিতাটো?"

"ৰাজ, মোৰ বহুত দুখ জানা। আজিলৈকে কাকো কোৱা নাই। আচলতে মোক কোনোৱে সোধাও নাই। শৈশৱতে মোৰ সকলো সপোন শেষ হৈ গৈছিল। হেৰাই গৈছিল মোৰ মনৰ কপৌটো। আমাৰ মা বহুত ভাল আছিল। দেখনিয়াৰ আৰু মৰমিয়াল আছিল। কিন্তু কিয় জানো মা আৰু দেউতাৰ প্ৰায়ে সৰু-সৰু কথাতে এখন ডাঙৰ কাজিয়া লাগিছিল। যেতিয়াই তেতিয়াই মাক মাৰিছিল। মোৰ মৰমৰ সেই মৰমিয়াল মা-জনীয়ে মোক ছয় বছৰ বয়সতে এৰি থৈ গুচি গ'ল নেদেখা এখন দেশলৈ। তাৰ পিছত দেউতাই পুনৰ বিয়া কৰালে। ঋতুৰাজ নতুন মা-ৰ সন্তান। কিন্তু নিজৰ মা-ৰ সমান জানো আন কোনোবা হ'ব পাৰে। দেউতাৰ আগৰ স্বভাৱটো এতিয়াও ভাল হোৱা নাই। মদ খাই আহি এতিয়াও মা-ৰ লগত কাজিয়া কৰে, মাৰপিট কৰে। জানা ৰাজ, মোৰ দৰে দুখ যেন ভগৱানে আন কাকোকে নিদিয়ে, বঞ্চিত নকৰে মাতৃৰ মৰমৰ পৰা।"

"শিখা, মানুহৰ জীৱনটো বৰ জটিল। ক'ব নোৱাৰো ভাল মানুহবোৰক কিয় তেওঁ ইমান সোনকালে আমাৰ মাজৰ পৰা লৈ যায়। মোৰ এজনী খুড়ী আছিল। বৰ ভাল আছিল, কিন্তু ভগৱানে তেওঁক বেছিদিন থাকিব নিদি আমাৰ মাজৰ পৰা লৈ গ'ল।"

"ৰাজ, তয়োতো অনবৰতে এজাক হাঁহিৰ বৰষুণ সিঁচি থাক। তোৰ কি দুখ আছে বাৰু ... ..?"

"মোক ভগৱানে বহুত টকা-পইচা দিছে। কিন্তু শিখা, মই সুখী নহয়। আচলতে টকা-পইচাই সকলো নহয়। মানুহক সুখী হ'বৰ বাবে মানসিক শান্তি লাগে। আমাৰ ঘৰৰ পৰিৱেশত সেইটো নাই। তোৰ দৰে আমাৰ ঘৰতো অনবৰতে এক অশান্তিৰ পৰিৱেশ বিৰাজ কৰে। ধিক্ এই বিবাহ।"

"মাজনী (শিখাৰ ঘৰত মতা নাম), ভাত হৈছে। ৰাজক গা-ধোৱা কাপোৰ, পানীবোৰ ঠিক কৰি দে।" কথা পাতি থাকোঁতে কিমান সময় পাৰ হৈ গৈছিল সিহঁতে গমকে পোৱা নাছিল। মাকে বাহিৰৰ পৰা মাত দিয়াতহে হুচ আহিল।

পৰিৱেশটো যেন মিঠা হৈ উঠিছে। নদীৰ পৰা গাভৰু কেইজনীমানে কলহত পানী আনিছে। কঁহুৱা বনকেইডালে যেন হালি-জালি সিহঁতৰ তিতি থকা কলাফুলকেইটা ৰ' লাগি চাই আছে। ৰাজ আৰু শিখা মথাউৰিত বহি আছে। তাৰ পৰা সিহঁতৰ পশ্চিমৰ ঘৰটোৰ পিচফালে দেখা যায়। বহু সময় ধৰি কাৰো মুখত মাত নাই। বিৰাজ কৰিছে এক নিৰৱতা। আবেলিটো যেন চঞ্চল হৈ পৰিছে।

প্ৰথমে তাইয়ে আৰম্ভ কৰিলে— "ৰাজ, তেতিয়া যে তই 'ধিক এই বিবাহ' বুলি কৈছিলি, কিয় বাৰু?"

"শুন শিখা, আমাৰ সমাজ ব্যৱস্থাটো মই সমৰ্থন নকৰো। সেইদৰে নকৰো বিবাহ পদ্ধতিও। কাৰণ বিবাহ হৈছে এনে এক পদ্ধতি যাৰ বাবে এগৰাকী নাৰী পুৰুষৰ ওচৰত হৈ পৰে এটা পুতলা।"

"বিবাহ এটা পবিত্ৰ সম্বন্ধ। তই তাৰ বিষয়ে তেনেকৈ ক'ব নোৱাৰ।" —শিখাই প্ৰতিবাদ কৰি উঠিল।

"তুমি মোক ক'ব পাৰিবা, বিবাহৰ পবিত্ৰতা ক'ত ...? যদি ইয়াৰ মাজত বিন্দু মাত্ৰও পৱিত্ৰতা থাকিল হয়, তেন্তে খবৰ কাগজত 'তিনিটা সন্তানৰ মাতৃৰ যুৱকৰ লগত পলায়ন', 'গাত কেৰাচিন ঢালি পত্নীক পতিৰ অত্যাচাৰ', 'নৱ বিবাহিতা পত্নীৰ শাহু-শহুৰৰ অত্যাচাৰত ৰ'ব নোৱাৰি আত্মহত্যা'— এই বাতৰিবোৰ পঢ়িব নালাগিল হয়। তোৰ দেউতাৰাই মদ খাই আহি মাৰক নামাৰিলে হয়, আমাৰ ঘৰত অনবৰতে কাজিয়া লাগি নাথাকিল হয়।"

"তাৰমানে তই ক'ব খোজ নেকি যে বিবাহ এক স্বাৰ্থ পূৰণৰ আহিলা।"

"অ। মোৰ মতে বিবাহ হৈছে স্বাৰ্থ পূৰণৰ এক সবল অংক। বিবাহৰ জৰিয়তে পুৰুষে বিচাৰে নাৰীৰ দেহ। নাৰীয়ে বিচাৰে নিৰাপত্তা আৰু শাহুৱেক, শহুৰেকে বিচাৰে বংশ ৰক্ষাৰ বাবে এটা সন্তান- আৰু একো নাই।" ৰাজ অলপ উত্তেজিত হৈছিল। তেনেকুৱা এক শীতল পৰিৱেশতো বিন্দু বিন্দুকৈ ঘামিছিল সি।

"কিন্তু ৰাজ, সমাজখনতো এনেকৈয়ে চলি আছে, আমিও চলিব লাগিব।"

সঁচাকৈ, আমি এখন সমাজকেন্দ্ৰিক দেশত বাস কৰিছোঁ য'ত ৰীতি-নীতিবোৰ বহুত বেলেগ। সেয়েহে মই প্ৰায়ে এক সপোন দেখো, এখন দূৰ দেশলৈ যোৱাৰ ...

*"কেতিয়া আহিব সেইটো দিন*
*আহিব এখন*
*পাল তৰা নাও*
*দুজন দূত*
*লৈ যাব মোক*
*এক নেদেখা পৃথিৱীলৈ।*



*য'ত নাথাকিব কোনো*
*প্ৰেম, ভালপোৱা*
*দুখ, সুখ ...।"*

"শিখা, তই সপোন দেখনে?"

'সপোন' বুলি কৈ তাই এটি হুমুনিয়াহ এৰিলে। "বহু সপোন দেখিছিলো জানা। সৰু-ডাঙৰ বহু সপোন। যদিও মই জানো, সপোনবোৰ পাম দিয়া বেলুনৰ দৰে। ফুলি থাকিলে ভাল লাগে। ফুটি গ'লেই একো নাই। সৰুতে ভাবিছিলো মাৰ বহুত মৰম পাম, স্কুললৈ যোৱাৰ সময়ত মৰম কৰি মোৰ বেণী গুঠি দিব, বেমাৰ হ'লে গোটেই ৰাতি উজাগৰে থাকি মোৰ মূৰ মালিচ কৰি দিব। কিন্তু সেইটো নহ'ল। জানা ৰাজ, মোৰ যে ৰুমমেট আশা, তাইৰ বেমাৰ হ'লে মাকে এতিয়াও আহি কিমানযে শুশ্ৰূষা কৰে, সেইবোৰ দেখিলে মোৰ বহুত বেয়া লাগে। অলপ ডাঙৰ হোৱাত ভাবিছিলো গান শিকিম, সৰুৰ পৰাই মই গান বহুত ভালকৈ গাইছিলো। কিন্তু কণা বিধাতাই মোৰ সেইটো সপোন পূৰণ নকৰিলে। এতিয়া মই বিকাশক লৈ সপোন দেখিছো। সৰুতে নোপোৱা মৰমবোৰ যেন এতিয়া বিকাশৰ পৰা পাম। বিকাশক মই বহুত ভাল পাওঁ। সিও মোক বহুত বেছি ভাল পায়। ক'ব নোৱাৰে মোৰ এই সপোন পূৰ হ'ব নে নহয়।"

"শিখা, তই যে এদিন মোক এজন ল'ৰাৰ কথা কৈছিলি, সি এতিয়া ক'ত আছে বাৰু?"

"মোৰ দুখ লাগে জানা, তাৰ কথা মনত পৰিলে। সি বহুত ভাল আছিল। কিন্তু বৰ লাজকুৰীয়া আছিল। সিয়ো তোৰ দৰে বৰ ভাল কবিতা লিখিছিল। সি মোক জীৱনত মাত্ৰ এটা বস্তু খুজিছিল, মোৰ 'প্ৰেম'। কিন্তু কি কৰিম কোৱা, মই অপাৰগ আছিলো। যদিও মই জানিছিলো সি মোক পাগলৰ দৰে ভাল পাইছিল। যদি সি মোক আন যিকোনো বস্তু খুজিলে হয় তেতিয়া মই বিনা দ্বিধাই দি দিলো হয়। কিন্তু মোৰ 'প্ৰেম' মই তাক দিব নোৱাৰিলো। কাৰণ সি মোক কোৱাৰ বহু আগৰ পৰাই মই বিকাশক ভাল পাইছিলো।"

"শিখা, সেইবাবেই বোধহয় সি তোক সেই কবিতাটো দিছিল—

*"সেমেকা জানুৱাৰীৰ*
*কোমল এটি আবেলিত*
*শীতৰ এজাক মিঠা অনুভৱ হৈ*
*এদিন কিয় তুমি আহিছিলা*
*মোৰ মনৰ*
*সেউজীয়াখিনিত জিৰাবলৈ*
*হাঁহিৰ এজাক বৰষুণ সিঁচি।"*

"এদিন সি মোক তাৰ সপোনৰ কথা কৈছিল। তাৰ হেনো প্ৰফেচাৰ হ'বৰ মন। আৰু যদি পাৰে তাৰ কবিতাবোৰ কিতাপৰ আকাৰত ছপা কৰিব। উলিয়াব এখন কবিতা সংকলন। নাম দিব 'জ্যোতিৰ শিখা'।"

"শিখা, সপোন সকলোৱে ৰচে। কেতিয়াবা গঢ় লয়, কেতিয়াবা ভাঙি টুকুৰা-টুকুৰ হয়। তোৰ, তাৰ সকলোৰে সপোনবোৰ দিঠক হওক, তাৰে কামনা কৰিলোঁ। অহা মাহত তোৰ বিয়া। কিন্তু তোৰ বিয়াত মই থাকিব নোৱাৰিম।"

"তই মোৰ Best Friend। তই নাথাকিলে কেনেকৈ হ'ব। তই নাথাকিলে মই বিয়াত নবহো।" দুখ মিশ্ৰিত ভাব এটাৰে ক'লে তাই।

"তইতো জানই। মই বিয়া-বাৰু, এই সামাজিক বান্ধোনবোৰ ভাল নাপাওঁ। গতিকে তই দুখ নকৰিবি। কিন্তু মই য'তে নাথাকো তোৰ বাবেই লিখিম—

*"মোৰ শুভ-কামনা*
*তোৰ বাবে*
*আশীৰ্বাদ নহয়*
*স্বাৰ্থলোভী পণ্ডিতৰ*
*মংগল বাক্যও নহয়*
*তথাপিও কওঁ ...*
*সুখী হ' ... তই ...*
*তোৰ যুগ্ম জীৱন।"*

ৰাতিপুৱা ৰঙা পোহৰ এটা দি টোপনিৰ পৰা সাৰ পোৱা বেলিটো পুনৰ ৰঙা পোহৰ এটা বিলাই শুবৰ বাবে সাজু হৈছিল। দূৰৰ পৰা বিহুৰ এটা মিঠা সুৰ ভাঁহি আহিছিল। ❒

*❋ পঢ়াই পঢ়ে ৰোৱে পাণ, এই তিনিয়ে নিচিন্তে আন।*

*❋ ভাল কাপোৰ নষ্ট হৰেই যদি লৰেই ঝাপত, ভাল পো নষ্ট হৰেই নুসুধিলে বাপত।*

# মৰীচিকা



গীতাঞ্জলি দেৱী
স্নাতক প্ৰথম বৰ্ষ (কলা)

আঘোণৰ নিয়ৰে পকাধানৰ ৰঙত সুৱগা সনা ধাননি পথাৰখনে মেঘাক হাত বাউলি মাতে। তাই পথাৰৰ আলিয়ে আলিয়ে জঁপিয়াই জঁপিয়াই দেউতাকলৈ চাহ-জলপান লৈ যায়। মেঘা এজনী সহজ-সৰল মেধাসম্পন্ন আৰু কামে-কাজেও অতিকৈ পাকৈত ছোৱালী। মেঘা এইবাৰ উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ ছাত্ৰী। তাই এইবাৰ চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হ'ব। তাই পঢ়া-শুনাত ভালেই আছিল যদিও ঘৰৰ আৰ্থিক অৱস্থা সিমান ভাল নাছিল। সেইবাবে অইনৰ তুলনাত দেউতাকে পঢ়া-শুনাত সিমান সুবিধা দিব পৰা নাছিল। খেতি মাটি চাৰি বিঘাৰে পাঁচজনীয়া পৰিয়ালটো পোহ-পাল দি আছে। ইফালে ল'ৰা-ছোৱালীকেইটাৰ ভিতৰত মেঘাই ডাঙৰ। তাই মাক-দেউতাকৰ কথাত ইটো-সিটো সহায় কৰাৰ লগতে তাইৰ তলৰ ভাই-ভনীকেইটাকো চোৱা-চিতা কৰিব লাগে। তাৰ মাজতে মেঘাই পঢ়া-শুনাখিনি মনপুতি কৰে। মেঘাই দেউতাকক কৈ থাকে— "এইবাৰ পাছ কৰিলে চহৰৰ কলেজত পঢ়ুৱাব লাগিব।" দেউতাকে কয়— "আগতে ভাল ৰিজাল্ট দেচোন। সময়ত কিবা এটা কৰিব লাগিব। আমি দুখীয়া মানুহ। চহৰত পঢ়ুওৱাটো জানো মুখৰ কথা?"

এনেকৈয়ে দিনবোৰ পাৰ হ'ল। এদিন ৰিজাল্ট ওলাল। মেঘাই প্ৰথম বিভাগত পাছ কৰিলে। লাহে লাহে নামভৰ্ত্তিৰো সময় আহি পালে। মেঘাৰ আঁকোৰ-গোজ স্বভাৱটো এবাৰ নোৱাৰি ভঁৰালৰ ধান কেইমোনমানকে বেচি চহৰৰ কলেজত নামভৰ্ত্তি কৰাই দিলে। কলেজৰ ওচৰতে থকা সম্বন্ধীয় মাহীয়েকৰ ঘৰতে থকাৰ ব্যৱস্থাও কৰি দিলে। মেঘা মনে মনে বহুত সুখী। তাইৰ মনৰ আশা পূৰণ হ'ল। মনতে তাই দেউতাকক ধন্যবাদ জনালে। মেঘাৰ আজি কলেজত প্ৰথম দিন। তাই লাজে-ভয়ে প্ৰথম দিনটো কটালে। এদিন-দুদিনকৈ পাৰ হ'ল আৰু নতুন নতুন বন্ধু-বান্ধৱীৰ লগত চিনাকি হৈ মেঘাৰ লাহে লাহে ভাল লাগিব ধৰিলে। দিনে দিনে আঘোণৰ সোণালী ধাননি পথাৰখন আৰু গাঁৱৰ বোকা-পানীৰ আলিবাটবোৰ মেঘাৰ বাবে হৈ পৰিল এক অতীত স্মৃতি। মাজে মাজে পূজা-বিহুত ঘৰলৈ যায় যদিও বেছিদিন নাথাকে। মাক-দেউতাকে বেছি কষ্ট কৰি উপাৰ্জন কৰিব লগা হৈছে। মেঘাই নগৰীয়া জাক-জমকতাৰ মাজত সোমাই পৰিব ধৰিলে। মাক-দেউতাকে তাইৰ মনৰ আশা-আকাংক্ষাবোৰ পূৰাবলৈ পাৰে মানে চেষ্টা কৰিছিল।

দিন বাগৰিল। মেঘাই স্নাতক দ্বিতীয় বাৰ্ষিক উত্তীৰ্ণ হ'ল। তেনেতে এদিন তৃতীয় বাৰ্ষিকত পঢ়ি থকা আকাশৰ লগত চিনাকি হ'ল আৰু সেই চিনাকিয়ে এদিন যৌৱনৰ প্ৰথম প্ৰেমৰ ৰূপত 'আকাশে' তাইৰ হৃদয়ৰ মাজত ভুমুকি মাৰিলে। মেঘা যেন আকাশৰ ওচৰত আহিনৰ তলসৰা শেৱালি ফুলপাহহে। আকাশ হৈছে সম্ভ্ৰান্ত ধনী ঘৰৰ একমাত্ৰ ল'ৰা। হাতত ম'বাইল, বাইক আৰু মানিবেগত জোখতকৈ বহুত টকা। গাঁৱৰ পৰা অহা মেঘাৰ পঢ়া-শুনা, মাক-দেউতাকৰ কষ্ট আদি সকলো আকাশৰ ওচৰত হেৰাই যাব ধৰিলে। মেঘা হৈ পৰিল আকাশৰ পিছৰ চিটৰ নিয়মীয়া যাত্ৰী। আজি যদি ৰেষ্টুৰেণ্টত, কাইলৈ পাৰ্কত। মেঘাৰ পৰিৱৰ্তনবোৰ সম্বন্ধীয় মাহীয়েকৰ চকুত নপৰাকৈ থকা নাছিল। কিন্তু মেঘাৰ চলাহী কথাই মাহীয়েকক প্ৰশ্নহীন কৰি পেলায়। সকলোৰে দৃষ্টিগোচৰ হ'বলৈ ধৰিলে মেঘা আৰু আকাশৰ চৰিত্ৰ। প্ৰেমৰ আঁৰত সিহঁত বহুত তললৈ নামিব ধৰিলে। এদিন মেঘাই অনুভৱ কৰিলে তাই আকাশৰ অবৈধ সন্তানৰ মাক হ'বলৈ ওলাইছে। ভয়ত তাইৰ সৰ্বশৰীৰ কঁপি উঠিল। বাংঢালী মেঘাৰ মুখত হাঁহি নাইকিয়া হ'ল। তাই আকাশৰ আগত কথাটো ক'লে। আকাশৰো যেন মূৰত সৰগহে ভাগি পৰিল। সি এতিয়া কি কৰিব? আকাশৰ মাক-দেউতাকে দুখীয়া মেঘাক জানো নিজৰ বোৱাৰী হিচাপে গ্ৰহণ কৰিব। আৰু মাক-দেউতাকৰ অবাধ্য হৈও মেঘাক আনি সি কেনেকৈ খুৱাব-পিন্ধাব? আহিবলগীয়া সন্তানটিৰ কি হ'ব? এনেকুৱা বহুত প্ৰশ্নই তাৰ মনটো আৱৰি ধৰিছে। তাকে ভাবি ভাবি বাইকখন লৈ যাবলৈ ওলাল। হয়তো কিবা পথৰ সন্ধানত। যিয়ে তাৰ সমস্যাৰ সমাধান দিব পাৰে। সমস্যা সমাধানৰ অন্বেষণত সি হৈ পৰিছিল যাত্ৰাত অমনোযোগী। যাৰ পৰিণতিত সি মাতি আনিলে বিপদ। সন্মুখেৰে আহি থকা ট্ৰাকখনলৈ মন নকৰাত সি ট্ৰাকখনত খুন্দা মাৰি দিয়াত বহু দূৰৈত ছিটিকি পৰিল। মানুহৰ হুৱা-দুৱা লাগিল। কোনোবাই নি হস্পিতেলত ভৰ্ত্তি কৰালে। তাৰ ঘৰত খবৰ দিলে। মাক-দেউতাক আহি পাই মানে সি আৰু এই পৃথিৱীত জীয়াই নাথাকিল। আকাশৰ বন্ধু এজনে গৈ মেঘাক আকাশৰ দুৰ্ঘটনাৰ কথাটো জনালে আৰু লগতে জনালে আকাশৰ মৃত্যুৰ বতৰা।❑



# শেষ সিদ্ধান্ত

ডেইজী শৰ্মা
স্নাতক প্ৰথম বৰ্ষ

"বিদিশা, আজি তোক চাবলৈ ডিব্ৰুগড়ৰ পৰা ল'ৰা এজন আহিব। ল'ৰা ইঞ্জিনিয়াৰ। তোক আৰু কিমান চকুৰ আগত ৰাখি থ'ম কচোন। পঢ়াই-শুনাই তয়োতো এজনী উপযুক্ত ছোৱালী, তথাপি তই বিয়া বুলি হাত-ভৰিয়ে নাপাতচোন, কিয়? আজি অলপ ভালদৰে ওলাই মেলি থাকিবি, নহ'লে দেউতাৰাই বৰ লাজ পাব।"

এইখিনি কথা কৈ আলোচনীৰ পাতত নিমগ্ন হৈ থকা বিদিশাৰ মুখলৈ চাই মাক ওলাই গ'ল। মাক যোৱাৰ পিছত তাইৰ মুখৰ পৰা আপোনা-আপুনি এটা শব্দ ওলাই আহিল। বিয়া ...? মোৰ ...? নহ'ব এই জনমত। উশাহে-নিশাহে য'তে খেপিয়াই চালেও তাইৰ যে হৃদয়ৰ নিভৃত কোণত এখনেই ছবি স্পষ্ট হৈ আছে। তাই জানো পাৰিব সেই ছবি মচি পেলাব? পাৰিব জানো হৃদয়ত আনক ঠাই দিব? নোৱাৰে।

বিদিশাৰ মনত পৰিল এটি গীতৰ কলি ...

*অহাৰ দৰে,*
*উভতি আঁতৰি গ'লা*
*বাটে বাটে ফুল সিঁচি থৈ*
*ৰ'দৰ তাপত*
*মৰহি শুকালেও*
*তোমাৰ কথাকে আছো কৈ ...*

বিদিশাৰ মনটো দূৰ অতীতলৈ গুচি গ'ল।

*শৰতৰ তলসৰা শেৱালিৰে*
*যিদৰে ভৰি পৰে চোতাল*
*ঠিক তেনেকৈয়ে কঁহুৱাবোৰৰ দৰে*
*মানুহৰো ভৰি পৰে*
*হৃদয়ৰ ভঁৰাল।।*

দুৰ্গা পূজালৈ এমাহমান বাকী। প্ৰত্যেক বছৰে বিদিশাহঁতৰ খাৰঘুলি গাঁৱত দুৰ্গা পূজাথলীত নাটক পাতে। সেইবাৰ সিহঁতৰ নাটকৰ বাবে গাঁৱৰ বাবলুহঁতে হিৰোইন হিচাপে বিদিশাক বিচাৰি আহিল আৰু সন্ধিয়া আখৰা কৰিবলৈ সিহঁতৰ 'কৃষ্টি সংঘ'লৈ যাবলৈ ক'লে। তাইয়ো নাটক কৰি, গান গাই খুব ভাল পায়। তাইক আৰু পায় কোনে? সন্ধিয়াই তাই আখৰা গৃহলৈ ঢাপলি মেলিলে। নাটকখনত তাইৰ বিপৰীতে আন এখন গাঁৱৰ ল'ৰা প্ৰদ্যুৎ। সুন্দৰ অভিনয়ত পুষ্ট ল'ৰা সি। তাই গৈ পোৱাৰ পিছতেই আখৰা আৰম্ভ হ'ল। প্ৰদ্যুতে খুব সুন্দৰভাৱে, অতি মনোযোগেৰে অভিনয় কৰিছে। কিন্তু বিদিশা ...। তাইচোন একো কৰিব পৰা নাই। ইমানদিনে তাই বিচাৰি ফুৰা সপোন কোঁৱৰজনক দেখোন প্ৰদ্যুতৰ চকুযুৰিত বিচাৰি পাইছে।

"ঐ বিদিশা, কি কৰি আছ? ভালদৰে মনোযোগ দে। নহ'লে পূজাত নাটক ফেদেলা হ'ব।" হঠাৎ তাই চক্ খাই উঠিল, খাৰাংখাচ বাবলুৰ মাতত। তাই নাৰ্ভাচ হৈ কান্দিয়ে পেলালে। ঘৰৰ আদৰুৱা কাৰণেই নেকি, কোনোবাই টানকৈ এষাৰ ক'লেই সহ্য কৰিব নোৱাৰে। তেতিয়া প্ৰদ্যুতে বৰ মৰমেৰে বুজাইছিল— "তুমি নাৰ্ভাচ নহৈ নিজকে সংযত কৰাচোন। তেতিয়া নিশ্চয় পাৰিবা।"

তাই আখৰাৰ পৰা ঘৰলৈ আহিল। বাৰে বাৰে প্ৰদ্যুতৰ সেই চকুযুৰি আৰু সি কোৱা কথাকেইষাৰি তাইৰ মনত ভাঁহি থাকিল। মনত তাইৰ সাহস বাঢ়িল প্ৰদ্যুতৰ আকুলতাভৰা কথাবোৰত। পিছদিনা তাই আখৰা গৃহত সুন্দৰ অভিনয় কৰিলে।

অষ্টমী পূজাৰ দিনা নাটক আৰম্ভ হ'ল। সকলোৱে সিহঁতক শুভেচ্ছা দিলে। বিদিশা, প্ৰদ্যুতে সুন্দৰ অভিনয়েৰে মানুহৰ হিয়া পূৰ্ণ কৰি দিলে। জাউৰিয়ে জাউৰিয়ে হাত চাপৰিৰে ৰাইজৰ সমৰ্থন আৰু উৎসাহ পালে সিহঁতে। নাটক শেষ হোৱাৰ পিছত প্ৰদ্যুতে সকলোৰে আগত বিদিশাক সাৱটি ধৰি কৈছিল— "বিদিশা, তোমাৰ অভিনয় বহুত, ব...হু...ত ধুনীয়া হৈছে।" তাই কিন্তু বৰ লাজ পাইছিল, যেতিয়া সি তাইক সকলোৰে আগত টপাটপে উষ্ম অধৰৰ পৰশ দিছিল।

লাহে লাহে দুয়ো ক'ব নোৱাৰাকৈয়ে হৃদয়ৰ গভীৰতাত কুৰুকি কুৰুকি সোমাই গৈছিল।

*"কোনোবাই যেন মোক কাণে কাণে সোধে ...*
*আটাইতকৈ কি ভালপোৱা তুমি*
*আকাশ, বতাহ, বায়ু, মাটি নে কি?*
*দুচকুলৈ চাই দুহাত মেলি*
*আকুলতাৰে মই কওঁ ...*
*এই সকলোবোৰ মিলিয়েইতো তুমি।"*

দুয়ো দুয়োৰে অবিহনে থাকিব নোৱাৰা হৈছিল। কিন্তু সিহঁতৰ প্ৰেমৰ মাজতো ধুমুহা নহাকৈ নাথাকিল। ভগৱান নিষ্ঠুৰ হ'ল সিহঁতৰ প্ৰতি। সিহঁত দুয়ো জনা নাছিল যে প্ৰদ্যুতৰ মাক-দেউতাকে সিহঁতৰ একালৰ বন্ধু অৰ্থাৎ বিদিশাৰ খুড়াকৰ ছোৱালীজনী প্ৰদ্যুতৰ কাৰণে সৰুতেই ঠিক কৰি থৈছিল। প্ৰদ্যুতৰ বিয়াৰ দিন ঠিক কৰাতহে এই নিৰ্ঘাত সত্য ওলাই পৰিছিল। ভাঙি পৰিছিল বিদিশা, অন্তৰ থকা-সৰকা হৈ পৰিছিল। প্ৰদ্যুতে কিন্তু তাইক বাৰে বাৰে কৈছিল— "এই বিয়া হ'ব নোৱাৰে বিদিশা। তোমাৰ পৰা মই অভিন্ন হ'ব নোৱাৰিম। মই আমাৰ কথা মা-দেউতাক ক'ম।" কিন্তু বিদিশা কিয় জানো কঠোৰ হৈ পৰিল, হয়তো পাই হেৰুওৱাৰ বেদনাত। তাই কৈছিল— "প্ৰদ্যুত দা, তুমি মোক পাহৰি যোৱা। হয়তো তোমাৰ অনুপস্থিতি মোৰ চকুপানী হ'ব, কিন্তু আমাৰ কাৰণে তুমি তোমাৰ মা-দেউতাক মোৰ খুৰাৰ আগত সৰু কৰি নিদিবা। তুমি যোৱা বিয়াৰ বাবে প্ৰস্তুত হোৱা, মোৰ কথা চিন্তা নকৰিবা আৰু ভয় নাখাবা যে মই আত্মহত্যা কৰিম। তোমাৰ প্ৰেমেৰে পুষ্ট হৈ মই জীয়াই থাকিম, প্ৰদ্যুৎ দা।" প্ৰদ্যুতৰ মুখৰ মাত নোহোৱা হৈ গৈছিল বিদিশাৰ কথাৰ বাণত।

প্ৰদ্যুতৰ বিয়া হৈ গ'ল, কইনাৰ লগত তাইও গ'ল দৰাৰ ঘৰলৈ। হয়তো ঘৰৰ কোনোবাই গম পাব সিহঁতৰ প্ৰেমৰ কথা এই ভাবিয়ে তাই অকণো দুখ প্ৰকাশ কৰা নাছিল। দমকলৰ পাৰত তাই মুখ ধুবলৈ যাওঁতে প্ৰদ্যুতো আছিল তাত। সি এখোজ আগুৱাই আহি তাইক ক'লে— "মই মানুহক দেখুৱাই বিয়া কৰালো সঁচা কথা, কিন্তু অন্তৰখন থ'লো তোমাৰ তাত। মোৰ মৰুময় উদং বুকুত তোমাৰ প্ৰেমৰ কঠীয়া সিঁচি কিয় আঁতৰি গ'লা অ' বিদিশা? কিয় জনাব নিদিলা মা-দেউতাক আমাৰ প্ৰেমৰ কথা, হা!" তাই আৰু ৰ'ব নোৱাৰিলে। হুকহুকাই কান্দি কান্দি তাক ক'লে— "মই যদি এবাৰ জানিলো হয় মোৰ খুৰাৰ ছোৱালীজনীৰ লগত তোমাৰ বিয়া সৰুতেই ঠিক হৈ থকা বুলি কেতিয়াও তোমাৰ ওচৰ নাচাপিলো হয়। তাইক মই বহুত ভাল পাওঁ। একমাত্ৰ ভনীজনীৰ অন্তৰত দুখ দিবলৈ মই ইমান কঠোৰ নহয়। তুমি তাইক সুখত ৰাখিবা আৰু মই এটা নিষ্ঠুৰ অতীত আছিলো বুলি ভাবি পাহৰি যোৱা।" এইখিনি কথা কওঁতে তাইৰ বুকুখনত বৰ কষ্ট অনুভৱ হৈছিল।

* * * * *

বাহিৰত গাড়ীৰ হৰ্ণ। মাকে কৈছে— "বিদিশা, তই ওলাইছনে?" বিদিশা জাপ মাৰি উঠিল। ইমানপৰে ক'লৈ উৰি গৈছিল তাইৰ মন। গাৰুটোওচোন তিতি গৈছিল, তাই তেতিয়াহে গম পালে। অ', ইতিমধ্যে তাৰমানে ল'ৰা আহি পালে। তাই অইন ছোৱালীবোৰৰ দৰে নোৱাৰে সকলো সহি যাব। বৰ্তমান তাই অৰ্থনীতিৰ অধ্যাপিকা হিচাপে এখন মহাবিদ্যালয়ত সোমাইছে। গতিকে তাইৰ নিৰাপত্তা তাই নিজে ল'ব। ৰুমতে তাই সিদ্ধান্ত ল'লে যে যদি তাইৰ হৃদয়ত আনক ঠাই দিবই নোৱাৰে তেন্তে জানো গোটেই জীৱন আনৰ লগত অভিনয় কৰি কটাই দিব পাৰিব? নিজৰ লগতে তাইৰ আনক কষ্ট দিব নোৱাৰে। নিজৰ ইচ্ছা অবিহনে বিয়াত বহি তাই বাৰু কি পূৰ্ণতা পাব? তাইৰ যদি অকলশৰীয়াকৈ থাকিব পৰা মানসিক সবলতা আছে তেন্তে তাই পাৰিব অকলে জীয়াই থাকিবলৈ। তাইৰ নিজৰ সিদ্ধান্তত অটল যে তাই বিয়াত নবহে। মাক-দেউতাক লগতে চাব অহা ল'ৰাজনকো তাই এই শেষ সিদ্ধান্ত জনাব বুলি লাহে লাহে ড্ৰয়িং ৰুমলৈ খোজ ল'লে ...।

তাইৰ মনত যেন বাজিল সেই গীতৰ কলিটি ...

*অনুৰাগ তোমাৰ বাবে*
*অনুভূতি তোমাৰ বাবে*
*তোমাৰ দুবাহুতে*
*সুখ মোৰ জীৱনৰে*
*শৰীৰৰ সিৰে সিৰে*
*বৈ আছা তুমিয়ে ... ...।* ❐

*গ্ৰন্থ অধ্যয়নে মানুহৰ জীৱনৰ জীয়াই থকাৰ এটা সচ্ছল, সুগম আৰু সোণালী পথ ৰচনা কৰে। জ্ঞান উন্নয়নৰ প্ৰক্ৰিয়াত গ্ৰন্থ হ'ল জ্ঞান আহৰণ আৰু বিকাশৰ প্ৰধান মাধ্যম।* —**বাৰ্ট্ৰাণ্ড ৰাচেল**

# নিসংগতাৰ প্ৰান্তত হাঁহিৰ ৰিৰিঙনি

ফুলমণি কলিতা
স্নাতক দ্বিতীয় বৰ্ষ



ঃ জানা পল, সেই জুইকুৰা যে ইমান বিশাল মই জনা নাছিলো। কিন্তু এতিয়া জানিছো, এতিয়া বুজিছো। এতিয়া মোৰ কোনো আশা নাই, কোনা ভৰসা নাই। মই এনেদৰেই জীয়াই থাকিব বিচাৰো, অকলশৰে, গতানুগতিকভাৱে। মোৰ ওচৰলৈ কোনোবা অহাটো মই আৰু সহ্য কৰিব নোৱাৰো। কাৰণ সেই জুইকুৰালৈ বৰকৈ মনত পৰে। যি মোক গোপনে দহে, মাথোঁ গোপনে। তাক কোনেও নেদেখে। সেয়ে কৈছো, তুমি মোৰ ওচৰলৈ অহাটো মই নিবিচাৰো। যোৱা, তুমি মোৰ পৰা আঁতৰি যোৱা, বহু দূৰলৈ ...।

ঃ মণি, ৰ'বাচোন। তুমি ইমান অধৈৰ্য হৈছা কিয়? তুমি মোৰ কথাটো শুনা।

ঃ নাই, মই আৰু কোনো কথা শুনিব নিবিচাৰো।

ঃ তেনেকৈ নক'বা। আন কাৰোবাক ক'লেও মোক কোৱাটো নিবিচাৰো। কাৰণ মই তোমাৰ যিকোনো কথা শুনিবলৈ অপেক্ষা কৰি আছো। সঁচা মণি, তুমি যদি তোমাৰ সকলোবোৰ কথা খুলি কোৱা, তেনেহ'লে মই ভগৱানক ধন্যবাদ জনাম। কাৰণ মই জানো যে মই তোমাৰ সমস্যাবোৰৰ সমাধান কৰিব নোৱাৰিলেও তুমি মোক কথাবোৰ ক'লে তোমাৰ মনৰ দুখবোৰ কিছু পাতলিব। মই তোমাৰ মুখত দুখৰ ছাঁ থকাটো চাব নোৱাৰো। সেয়ে কৈছো, তুমি মোক কথাবোৰ কোৱা।

ঃ কিন্তু তুমি মোৰ সেই কথাবোৰ শুনিলে মোক বেয়া ছোৱালী বুলি ভাবিবলৈ বাধ্য হ'বা। মোৰ ওপৰত ঘিণ উপজিব।

ঃ আৰু যদি মই সঁচাকৈয়ে ভাবিবলৈ বাধ্য নহওঁ, তেতিয়াহ'লে ...। শুনা মণি, মানুহ পৰিস্থিতিৰ দাস। গতিকে কোনোৱে পৰিস্থিতি অনুসৰি ভুল কৰাটো স্বাভাৱিক। সেইবুলি মানুহে মানুহক ক্ষমা নকৰিব, ই এক অমানৱীয় গুণ। কিন্তু মই এই গুণত গুণী হ'ব নিবিচাৰো।

ঃ পল, তুমি মোক কি ক'ব বিচাৰিছা?

ঃ মণি, তোমাৰ কথাবোৰ মোক খুলি কোৱাটো মই বিচাৰো।

ঃ শুনা তেন্তে। মইও এদিন সকলোবোৰ ল'ৰা-ছোৱালীৰ দৰে গাভৰু কালৰ ভৰ যৌৱনত ভৰি দিছিলো আৰু সেইবাবেই নেকি মোৰ জীৱনলৈও প্ৰেম নামিছিল। কিন্তু এটি হিংসুক প্ৰাণীৰ স'তে। মোৰ প্ৰেমে ভুল পথত ভৰি দিলে, যাৰ বাবে মই হয়তো সৰু মানৱক পৰিত্যাগ কৰিছিলো আৰু জঘন্য ব্যক্তিৰ স'তে সম্পৰ্ক স্থাপন কৰিছিলো। তাক লৈয়েই যেন মই নানা আশা, নানা সপোনত হাবু-ডুবু খাই পৰিছিলো। মোৰ যে মানুহ চিনাত ভুল হৈছিল মই গম পোৱা নাছিলো। কাৰণ মোক প্ৰেমে অন্ধ কৰি পেলাইছিল। তাৰ স'তে মোৰ সম্পৰ্ক থকা অৱস্থাতেই আমাৰ ঘৰলৈ বহুতো লোকৰ আগমণ ঘটিছিল মোক বিয়া কৰোৱাৰ উদ্দেশ্যেৰে। মা-দেউতাৰ ময়েই আছিলো একমাত্ৰ সন্তান। সেইবাবে তেওঁলোকে হয়তো মোৰ ভৱিষ্যত চিন্তা কৰিয়েই তাৰ মাজৰে এজনক পছন্দ কৰি মোৰ বিয়া ঠিক কৰি পেলাইছিল। কিন্তু মোৰ মনে সেই বিয়াক মানিবলৈ প্ৰস্তুত নাছিল। কেৱল জঘন্য ব্যক্তিজনহে যেন মোৰ পছন্দ আৰু মোৰ বাবে সকলো। যাৰ কথা এতিয়া মোৰ ভাবিলে নিজকেই ঘিণ লাগে। মই কোনো উপায় নাপাই মোৰ যে ঘৰে বিয়া ঠিক কৰি পেলালে সেই কথা মই তাক ক'লো আৰু মোৰ সেইবোৰ পছন্দ হোৱা নাই বুলিও ক'লো। তেনেদৰে কোৱাত সি মোক পলুৱাই নিব বুলি ক'লে আৰু মোৰ মনটোৱেও যেন না কৰিব নোৱাৰিলে। অৱশেষত মই বিয়াৰ কেইদিনমান আগতেই কোনেও নজনাকৈ তাৰ লগত সিহঁতৰ ঘৰলৈ গুচি আহিলোঁ। সেই সময়ত হয়তো মোৰ বিবেকে অলপো বাধা দিয়া নাছিল বাবেই নেকি মা-দেউতাৰ মান-সন্মান, আশা-আকাংক্ষাক যে মই জলাঞ্জলি দিবলৈ ওলাইছো, সেই বিষয়ে মনলৈ চিন্তাই নাহিল। মই তাৰ লগত গুচি আহি দেখিলো যে সিহঁতৰ ঘৰৰ পৰিয়ালবিলাক মানুহ নহয়, একো একোটা নৰপশু। আৰু সি ...। তাৰ সেই আচৰণ আগতে মই দেখা নাছিলো। সি মোক অতদিনে বাহিৰৰ ৰূপটোহে যেন দেখুৱাই আছিল। লাহে লাহে সি মোক তাৰ আচল ৰূপটো দেখুৱাব ধৰিলে। এদিন সি ক'লে যে, মোক আৰু পুহিব নোৱাৰে। কাৰণ তাৰ টকা নাই আৰু যদি পুহিব লাগে তেনেহ'লে ঘৰৰ পৰা এক লাখ টকা আনি দিব লাগে, তাকো এক সপ্তাহৰ ভিতৰত। মই হতভম্ব হ'লো। ঘৰৰ বাকীবোৰ সদস্যও আছিল একোটা দস্যুৰ দৰে। সিহঁতেও মোক নানা অত্যাচাৰ কৰিবলৈ ধৰিলে। এনেদৰেই এক সপ্তাহ পাৰ হৈ গ'ল। কিন্তু মই টকা আনি দিব

নোৱাৰিলো। কাৰণ মই কি বুলি ঘৰলৈ যাম। মা-দেউতাৰ আগত কেনেদৰে মুখ দেখুৱাম, কি বুলি মই টকাৰ কথা ক'ম। মই টকা আদি দিব নোৱাৰাৰ বাবে সি মোক মাৰ-ধৰ কৰিবলৈ ধৰিলে। কেইদিনমান পিছত দেউতাৰ মৃত্যু হোৱা বুলি শুনিলো, কিন্তু সিহঁতৰ কোনেও ঘৰলৈ যাবলৈ নিদিলে। মই মা-দেউতাৰ একমাত্ৰ সন্তান হৈ একোৱেই কৰ্তব্য পালন কৰিব নোৱাৰিলো। গাঁৱৰ মানুহেই লাগি-ভাগি দেউতাক সংস্কাৰ কৰি কাম-কাজ খেদালে। দেউতাৰ মৃত্যুৰ পাছৰেপৰা মাৰো অসুখ-বিসুখ হ'বলৈ ধৰিলে। মা অকলশৰীয়া হোৱা বাবে কাষৰ মানুহেই চাই-মেলি থাকে। এদিন 'মই ঘৰলৈ যামেই' বুলি কোৱাত সি মোক ৰাতি মদ খাই আহি বহুত মাৰ-ধৰ কৰিলে। মই কোনো উপায় নোপোৱা হ'লো। মা-দেউতালৈ বৰকৈ মনত পৰিছিল। নিজৰ ওপৰত ধিক্কাৰ উপজিছিল। কিহে পাইছিল মোক এইবোৰ অপকৰ্ম কৰিবলৈ। মা-দেউতাইটো মোৰ বেয়া চিন্তা কৰা নাছিল। কিন্তু মই কিয় মানিব নোৱাৰিলো, কি মা-দেউতাক ঠগাবলৈ চেষ্টা কৰিছিলো। সেইটো যেন মই বহুত ডাঙৰ ভুল কৰি পেলালো। কিন্তু এতিয়া আৰু সেই ভুলৰ শুধৰণি নাই। আগতে যদি মোৰ এইবোৰ কথা মনলৈ আহিলহেঁতেন। তেতিয়াই নাহি এতিয়া কিয় আহিল। এনেদৰে মোৰ মনতো দুখে হেঁচি ধৰিলে। ঘৰত মাৰ-ধৰ বেছি হ'ল। এদিন কোৱা শুনিলো সিহঁতে মোক সঁচাকৈয়ে মাৰি পেলাব আৰু গছত ওলমাই থৈ নিজে মৰা বুলি প্ৰচাৰ কৰিব। মোৰ বৰ ভয় লাগিল আৰু মনে মনে তাৰ পৰা পলাই আহিবলৈ সিদ্ধান্ত ল'লো। এদিন সন্ধিয়া সময়ত কোনেও নজনাকৈ পলাই আহিলো। কিন্তু ক'লৈ যাম বুলি ভাবি ঘৰলৈ যোৱাটোকে স্থিৰ কৰিলো। মোৰ মান-সন্মান যেন সকলোবোৰ শেষ হৈ গৈছিল। গাঁৱৰ কোনো মানুহে মোক মুখেৰে মতা নাছিল। দেখিলেই সকলোৱে তলমূৰ কৰিছিল। ঘৰৰ দুৱাৰমুখ পোৱাত ভিতৰ সোমাবলৈ মই কুণ্ঠাবোধ কৰিলো। তথাপি অকলশৰীয়া আৰু অসুখীয়া মাৰ ওচৰ চাপিলো। কিন্তু মাই মোক চিনি নাপাই 'কোন আহিছে', 'কিয় আহিছে' বুলি কৈ তাৰ পৰা আঁতৰি আহিবলৈ ক'লে। মই তেতিয়া হিয়া ঢাকুৰি কান্দিছিলো। মাই মোৰ ফালে পিছ দি শুলে। কোনেও সান্ত্বনা দিবলৈ আগবাঢ়ি নাহিল। মই মাক মোৰ ভুলৰ বাবে বহুবাৰ ক্ষমা বিচাৰিছিলো যদিও মোক ক্ষমা কৰি দিবলৈ ৰাজী নহ'ল। ইয়াৰ বিপৰীতে তেওঁ ক'লে যে মোৰ নিচিনা সন্তান জন্ম দিবলৈ পাই তেওঁলোকৰ নিজৰেই মনত ধিক্কাৰ উপজিছে। হাজাৰ হ'লেও পেটৰ পো- সেইবাবেই নেকি মাৰ এদিন মোলৈ পুতৌ উপজিল আৰু মোক ওচৰলৈ মাতিলে। মোৰ মনত নিজকে আৰু বেছিকৈ দোষী দোষী অনুভৱ হ'ল। কাৰণ মাৰ এই মানৱীয় গুণ থকাৰ দৰে মোৰ কিয় নহ'ল? মই যেন মাৰ ওচৰত আগৰ দৰে সহজ হ'ব নোৱাৰিলো আৰু মায়ো ...।

ইমানবোৰ ঘটি গ'ল, তথাপি যেন মই জীয়াই আছো। কিন্তু কিয়, কাৰবাবে, কিহৰ বাবে?

ঃ তুমি জীয়াই থাকিব লাগিব মণি। তুমি মোৰ বাবে, মোক প্ৰেৰণা দিবলৈ জীয়াই থাকিব লাগিব।

ঃ তুমি এইবোৰ কি কৈছা? মোৰ লগতে তুমিও বেয়া হ'ব বিচাৰিছা। সেইবাবেই তোমাক কৈছো, তুমি মোৰ পৰা আঁতৰি যোৱা। তোমাক মানুহে হাঁহিব, ইতিকিং কৰিব। যোৱা তুমি।

ঃ নাই মণি, মই যাব নোৱাৰো। মই তোমাৰ নিসংগ জীৱনৰ প্ৰকৃত লগৰী হ'ব বিচাৰো, চিৰ যুগমীয়া হৈ।

ঃ পল, তুমি পগলা হৈছা নেকি? গম পাইছানে তুমি এইবোৰ কি বকিছা?

ঃ অ', মই গম পাইছো বাবেই কৈছো। কোৱা তুমি মোক সঁহাৰি দিবানে নিদিয়া? যদি নিদিয়া তেনেহ'লে শুনা, মই জীয়াই থাকিলেও মোৰ জীৱন আধৰুৱা হৈ ৰ'ব। তুমি নাভাবিবা যে মই কাৰোবাৰ দৰে স্বাৰ্থ পূৰণৰ উদ্দেশ্যে তোমাৰ ওচৰলৈ আহিছো। তুমি তোমাৰ বিবেকক সুধি চোৱা তোমাৰ নিসংগ জীৱনৰ কথা আৰু মোৰ কথা। তোমাৰ জীৱনত ইমানবোৰ ঘটি গ'ল, তথাপি তোমাক জীয়াই থাকিবলৈ ভগৱানে মন দিছে, কেৱল মোৰ বাবে আৰু সেই কাৰণে মই ভগৱানৰ ওচৰত চিৰ কৃতজ্ঞ।

ঃ কিন্তু, মই যে ৰাইজৰ চকুত ...।

ঃ মণি, মই সেইবোৰ নাজানো। ৰাইজৰ চকুত তুমি যিয়েই নোহোৱা তুমি মোৰ বাবে অনন্যা। এবাৰ মাত্ৰ তুমি মোৰ কথাত সঁহাৰি দিয়া। যদি তুমি মোক সঁহাৰি দিয়া তেনেহ'লে এতিয়াই মই তোমাক মন্দিৰলৈ লৈ গৈ তোমাৰ মাক সাক্ষী কৰি আমাৰ দুয়োৰে বিয়া পাতিম আৰু দুয়ো-দুয়োৰে লগৰী হ'ম। সেয়া সুখৰেই হওক বা দুখৰেই হওক। মণি, তোমাৰ অন্তৰ ইমান কঠিন হ'ব নোৱাৰে যে তুমি মোক দুখ দিবা। মোৰ বিশ্বাস তুমি মোক নিৰাশ নকৰা, সঁহাৰি দিবা, মাথোঁ সঁহাৰি।

ঃ পল।

ঃ কি হ'ল, তুমি মনে মনে ৰ'লা যে? মোৰ ওপৰত তোমাৰ বিশ্বাস নাই নহয়। কিন্তু অন্তৰৰ সঁচা কথা সহজে বুজিব পাৰি। মণি, মই তোমাৰ মুখলৈ হাঁহি আনিব বিচাৰো। তুমি ইমান নিষ্ঠুৰ নহ'বা। এজনে ঠগিলে বুলিয়েই সকলোৱে ঠগিবলৈ চেষ্টা নকৰে। ভগৱানে হয়তো এই বৈচিত্ৰ্যপূৰ্ণ পৃথিৱীখনত কাৰোবাক ঠগিবলৈ পঠালেও আন কাৰোবাক আকৌ তৰাবলৈ পঠিয়ায়। তাৰ ভিতৰত তুমি মোক তেনে এজন বুলি ভাবিব পাৰা।

ঃ পল, মই আৰু নোৱাৰো। মই মনে মনে থকাটো তুমি ধৰিব পৰা নাই?

ঃ তুমি কি কৈছা মণি। ভালদৰে খুলি কোৱা।

ঃ ই হয়তো সন্মতি নতুবা অসন্মতি।

ঃ নিশ্চয় সন্মতি। মণি, তুমি মোক সঁচাকৈয়ে সঁহাৰি দিলা। আজি মই এই পৃথিৱীৰ সকলোতকৈ যেন সুখী। ব'লা মণি, এতিয়া আমি তোমাৰ মাৰ ওচৰলৈ যাওঁ।

ঃ যদি মাই এইবোৰ শুনিবলৈ নিবিচাৰে। আকৌ মোৰ ভুল হ'ব। মাই কিন্তু আৰু মোক ক্ষমা নকৰে।

ঃ তুমি সেইবোৰ চিন্তা কৰিব নালাগে মণি। মই সকলোবোৰ ঠিক কৰিম।

ঃ কিন্তু মাৰ বাবে বহুত কৰিবলগীয়া আছে পল।

ঃ মই কৈছো নহয়। তুমি এইবোৰ চিন্তা কৰিব নালাগে। মাত্ৰ মোৰ লগত এতিয়া ব'লা। ❐

# হোটেল বয়

পাপৰি কৌশিক
স্নাতক প্ৰথম বৰ্ষ (কলা)



"অ'ই ল'ৰা, ইমান দেৰি কি কৰিছ? চাহ দিয়াই নাই।" উগ্ৰতাৰে কথাখিনি কৈ হোটেলৰ মালিকে যদুৰ মুখলৈ চালে। সি তাৰ চৈধ্য বছৰীয়া কৰ্মক্ষেত্ৰখনিত মালিকৰ কথামতে দুকাপ গৰম চাহ আনি গ্ৰাহক দুজনৰ সন্মুখত থ'লে।

"ইমান দেৰি লাগেনে দুকাপ চাহ দিওঁতে, গৰম চিঙৰা দুটাও লৈ আহ।" —গ্ৰাহক দুজনৰ এজনে কৈ উঠিল।

সি ভয়ে ভয়ে মালিকৰ মুখলৈ চালে। সেই কটাক্ষ চাৱনিটো সি নৰক কি বস্তু বুজি নাপাওঁতেই নৰকৰ কোনোবা অসুৰৰ লগত তুলনা কৰি চালে। কিমানজনৰ গালিৰে, কিমানজনৰ কটাক্ষ চাৱনিৰে আৰম্ভ হয় তাৰ প্ৰতিটো দিন, ভাবে যদুৱে। কিন্তু অসহায় সি। বাপেকটোৱে যে তাক সমস্ত ঘৰখনৰে দায়িত্ব দি গুচি গ'লগৈ। বেমাৰী মাকজনীৰ সৈতে তাৰ ভায়েক আৰু ভনীয়েক দুজনীৰ কাৰণে সি আজি বহুত ডাঙৰ ল'ৰা। ঘৰলৈ যাওঁতে তাৰ হাতত থকা মিঠাইৰ সেই টোপোলাকেইটা দেখি সিহঁতৰ যি আনন্দ, হাঁহি সেইবোৰে তাৰ নৰকখনক মুহূৰ্ততে স্বৰ্গলৈ ৰূপান্তৰিত কৰি পেলায়। মুহূৰ্ততে সি তাৰ মালিকজনক অসুৰৰ পৰা দেৱতালৈ ৰূপান্তৰিত কৰে। মৰমৰ ভায়েক-ভনীয়েককেইটাৰ চকুতেই দেখে তাৰ আধৰুৱা সপোনবোৰ। প্ৰাণ পাই উঠে তাৰ প্ৰতিটো সপোনে। সেইবাবেই সি ওলাই যায় পিছদিনাখন দুগুণ উৎসাহেৰে তাৰ কৰ্মক্ষেত্ৰ তিনিআলিৰ চাহ-মিঠাইৰ হোটেল 'চিত্ৰলেখা'লৈ। গৈয়েই সি তাত বৈ নাথাকে, কৰি যায় তাৰ কামবোৰ একান্ত নিষ্ঠাৰে। তাৰ লগৰকেইজনে যেতিয়া আজৰি সময় পায়, তেতিয়াই সিহঁতে আৰম্ভ কৰে সিহঁতৰ সস্তীয়া আলাপবোৰ। কিন্তু সি কোনোদিনে সেইবোৰত ভাগ নলয়, তেতিয়া সি ভিতৰত বিনুমাহীহঁতক দুই-এটা কামত সহায় কৰি দিয়ে।

বাপেকে সিহঁতক এৰি থৈ যাবৰ দুবছৰে হ'ল। বাপেকে কাম কৰিছিল হোটেল চিত্ৰলেখাত। সেইবাবেই সি তাত কাম কৰাৰ সুযোগ পাইছিল। বাপেকেতো কোনোদিনেই ভবা নাছিল যে সিও বাপেকৰ দৰেই এদিন হোটেল চিত্ৰলেখাৰেই এজন কৰ্মচাৰী হ'ব। যদু বাপেকৰ বহু মৰমৰ আৰু বহু হেঁপাহৰ আছিল। হৰেণ মাষ্টৰৰ স্কুলখনতে তাক পঢ়ুৱাইছিল বাপেকে। হোটেললৈ যাবলৈ যাওঁতে একেলগে বাপেকৰ লগতে গৈছিল সি। ভালকৈ পঢ়িছিল যদুৱে বাপেকৰ আশাবোৰৰ কাৰণে। মাজে মাজে বাপেকে হৰেণ মাষ্টৰক সুধিছিল— "ছাৰ, মোৰ ল'ৰা যদু পঢ়াত কেনেকুৱা? ডাঙৰ মানুহ হ'ব পাৰিবনে?" ইত্যাদি বহু প্ৰশ্ন। আৰু হৰেণ মাষ্টৰে একেষাৰতে কৈ দিছিল— "তই চিন্তাই নকৰিবি। তোৰ ল'ৰাটো পঢ়া-শুনাত বৰ ভাল। এদিন সি ভাল মানুহ হ'ব পাৰিব।" খুব ভাল পাইছিল সি হৰেণ মাষ্টৰক। কিন্তু বাপেকটোৱে ইমান আশা দি কিয় গুচি গ'লগৈ একেটা ৰাতিৰ ভিতৰতে সেই অজান পৃথিৱীলৈ? সেইকাৰণে তাৰ ভয় লাগে আশা কৰিবলৈ। জানোচা তাৰ আশাৰ সপোনটোও একেটা ৰাতিৰ ভিতৰতে ভাঙি চূৰমাৰ হৈ যায়।

সঁচাকৈয়ে মানুহৰ একমাত্ৰ বৰ্তমান মুহূৰ্তটোৰ বাহিৰে গোটেই জীৱনটোৱেই মাত্ৰ স্মৃতিৰ সমষ্টি। তাৰ চকুপানীবোৰ সেই ৰাতি বৰফৰ দৰেই টান হৈ পৰিছিল।

"ঐ ল'ৰা, ক'ত গলিগৈ? বাহিৰলৈ আহ।" —হঠাৎ হোটেল মালিকৰ চিঞৰটো শুনি যদুৰ চিন্তাত বিজুতি ঘটিল। সি লৰালৰিকৈ পানীৰ গিলাচদুটা হাতত লৈ ওলাই আহিল। সিহঁতৰ হোটেলৰ সন্মুখতে এখন গাড়ী ৰখিছিল আৰু তাৰ পৰা মাক-দেউতাকৰ সৈতে তাৰ বয়সৰে বৰ ধুনীয়া সাজ-পাৰ পিন্ধা ল'ৰা এজন। তেওঁলোকে আহি সন্মুখৰ টেবুলখনতে বহিছিলহি। হোটেলৰ মালিকে তেওঁলোকক খাবৰ বাবে কি দিব সুধি তাৰ ফালে বেঁকাকৈ চাই— "যা, চাহ-মিঠাই লৈ আহ" বুলি কৈছিল। সি চাহ-মিঠাই আনি তেওঁলোকৰ সন্মুখত দিলেহি। ল'ৰাটোৱে তাৰ ভাগৰ মিঠাইটো খাব লৈছিলেই। ল'ৰাটোলৈ চাই যদুৱে ভাবিলে, সি চাগে চহৰৰ কোনোবা ভাল স্কুলত পঢ়ে। কোন শ্ৰেণীত



পঢ়ে সি? সিহঁতৰ স্কুলখন যদুহঁতৰ স্কুলখনৰ দৰেইনে .... আদি বিভিন্ন প্ৰশ্নই তাৰ সুধিবৰ মন গ'ল। হঠাতে সি ভাবিলে— তাৰ বাপেকে সোধেনে স্কুলৰ মাষ্টৰক যদুৰ বাপেকে সোধাৰ দৰে।

"ঐ ল'ৰা, কি চাই আছ? যা কাক কি লাগে দেগৈ। এনেকৈ বৈ থাকিলে কেনেকৈ হ'ব?" —যদুৰ খং উঠি গ'ল। ল'ৰাটোৰ আগতে মালিকে তাক গালি পাৰিলে। সি আৰু তাত বৈ নাথাকিল। তাৰ মনত বিভিন্ন কথাই ঢৌ খেলি গ'ল। তাৰ সমবয়সীয়া ল'ৰাটোৰ আগত গালি খাই তাৰ বৰ দুখ লাগিল। তাৰ চৈধ্য বছৰীয়া জীৱনত যেন আজি বৰ ডাঙৰ অপমান পালে।

সন্ধিয়াৰ আগে আগে সি ঘৰলৈ উভতিল, হাতত আগৰ দৰে হোটেলৰ অৱশিষ্ট মিঠাইৰ টোপোলাটো লৈ। সি মনতে এটা জোখ কৰি চালে— সিহঁতৰ ঘৰৰ পৰা হোটেলখনলৈ প্ৰায় এক কিঃ মিঃ হ'ব। আহিবৰ সময়ত হোটেলৰ মালিকে তাক পইচা দিছিল। সি হিচাপ কৰি চোৱা নাই কিমান আছে তাত। সি তাৰ চৈধ্য বছৰীয়া কৰ্মক্ষেত্ৰখনত উপাৰ্জন কৰা এটা টকাও অবাবত খৰচ নকৰে। তাৰ লগৰবোৰৰ দৰে সি চাধাও নাখায়, চিনেমা চাবলৈও নাযায়। ঘৰখনৰ প্ৰতিটো অভাৱেই সি তাৰ সেই উপাৰ্জনেৰেই পূৰাই আহিছে। মাকৰ বেমাৰৰো চিকিৎসা কৰোৱাইছে। কিন্তু এটা অভাৱে তাক বাৰে বাৰে জুমুৰি দি ধৰে। ভাবে সি পঢ়াৰ কথা, ঘৰখনৰ কথা ...।

এইবোৰ ভাবি ভাবি কেতিয়ানো সি ঘৰ আহি পালে গমেই নাপালে। ভায়েক-ভনীয়েককেইটাই তালৈ বৈ আছিল। সি টোপোলাকেইটা সিহঁতক দি হাত-ভৰিবোৰ ধুই ল'লে। বৰ ভাগৰ লাগিছিল তাৰ, সেয়ে সি ভাত হোৱালৈ অলপ শুবলৈ বুলি বিচনালৈ গ'ল। মাকে আহি তাৰ কাষত বহি ক'লে— "যদু কি হ'ল? তোৰ গা বেয়া নেকি?" দিনটোৰ পৰিশ্ৰমৰ পিছত হোটেল মালিকৰ বেঁকা চাৱনি এৰি এইকণ সময়েই তাৰ একমাত্ৰ নিজৰ সময়। মাকৰ মুখৰ এই মাততেই দিনটোৰ সকলো কথা পাহৰি সি স্বৰ্গীয় সুখ বিচাৰি পায়। সি ক'লে— "নাই মা, এনেই শুইছো। তোৰ গা ভাল পাইছনে? ঔষধবোৰ শেষ হ'লে ক'বি।"

মাকে বেছি সময় তাৰ ওচৰত থাকিব নোৱাৰিলে। উঠি গৈ আকৌ ভাত বনোৱাত লাগিল। বৰ বেয়া লাগিল মাকৰ। কম আশা কৰিছিলনে মাকে তাক লৈ। সদায় কৈছিল— "যদু, তই ভালকৈ পঢ়িবিদেই সোণ। তই ডাঙৰ মানুহ হ'ব লাগিব। আমি তোক লৈ বহুত সপোন দেখো, চাবি আমাৰ সপোনবোৰ ভাঙি যাবলৈ নিদিবি।" কিন্তু একো কথাই ৰাখিব নোৱাৰিলে সি। সেয়ে কেতিয়াবা মাকৰ ওচৰত নিজকে তাৰ দোষী দোষী লাগে। কিন্তু তাৰ যে উপায় নাই। ভবাই নাছিল সি তাৰ কৰ্মক্ষেত্ৰখন চাৰিবেৰৰ মাজত আবদ্ধ হ'ব বুলি। বিচাৰিছিল সি তাৰ কৰ্মক্ষেত্ৰখন বিশাল হোৱা। কিন্তু নিষ্ঠুৰ নিয়তিয়ে যেন যদুৰ সপোনবোৰ সহ্য কৰিব নোৱাৰিলে। সঁচাকৈ ভৱিষ্যতৰ ৰঙীণ চিলাখন সি উৰুৱাই দিছিল বহল আকাশৰ তলত।

সি ভাবিলে তাৰ আধৰুৱা সপোনবোৰ সি তাৰ ভায়েকৰ দ্বাৰাই পূৰ্ণ কৰাব। ভনীয়েক দুজনীকো সি পঢ়ুৱাব। উৰুৱাব দিব সিহঁতৰ ৰঙীণ চিলাবোৰ। কিন্তু ভয় লাগে তাৰ। তাৰ কাৰণে 'আশা' শব্দটোৱেই নিৰাশা আৰু আন্ধাৰৰ দৰে।

চকামকাকৈ ৰ'দৰ পোহৰে তাৰ মুখখনত হেঙুলীয়া বোল সানি দিলে। সাৰ পালে সি। সিহঁতৰ ঘৰৰ কাষৰ ৰাস্তাটোৰে বিনুমাহীহঁত যোৱাৰ শব্দ কাণত পৰিল তাৰ। বিনুমাহী হোটেল চিত্ৰলেখাৰেই কৰ্মী। বিনুমাহীহঁত সিহঁতৰ ঘৰৰ ওচৰতে থাকে। আহোঁতে-যাওঁতে সদায় এবাৰ যদুৰ মাকক মাত লগাই থৈ যায়। ৰাতিপুৱা বিনুমাহীয়ে মাকক বাহিৰৰ পৰাই মাত দিয়ে আৰু বিনুমাহীৰ মাততেই যদুৱে সাৰ পায়। সি তাৰ লাগতিয়াল কামবোৰ কৰি ভায়েকে স্কুললৈ যোৱাৰ আগতে মাকে ৰান্ধি দিয়া গৰম ভাত খাই দুয়ো ওলাই যায়। সি ভায়েকক স্কুলৰ ওচৰত থৈ যায়গৈ। আনদিনাখন যোৱাৰ দৰে সেইদিনাও সিহঁত একেলগে ওলাই গ'ল। স্কুলখন দেখিলেই তাৰ আগৰ বহু কথাৰ স্মৃতিয়ে তাক বৰকৈ আমনি কৰে। সেইবাবে সি তাত বৈ নাথাকে। সি ভায়েকক স্কুলত থৈ যাবলৈ ওলাওতেই তাৰ সন্মুখত হৰেণ ছাৰক দেখা পালে। হৰেণ ছাৰৰ সৈতে মুখামুখি হোৱাৰ সাহস তাৰ নাই, সেইবাবে সি আঁতৰি আছিল হৰেণ ছাৰৰ পৰা। কিন্তু আজি নোৱাৰিলে। ছাৰ বুঢ়া হৈছে যদিও আগৰদৰেই গহীন মুখখনি, সি চাও-নাচাওকৈ এবাৰ মনে মনে চাই ল'লে তাৰ শ্ৰদ্ধাৰ ছাৰজনক। ছাৰেও এবাৰ মূৰ তুলি চালে তাক বিভিন্ন চিন্তাই বয়সতকৈ ডাঙৰ কৰি তোলা গহীন মুখখনক। যদু বাকৰুদ্ধ হৈ গ'ল। সি চাৰক কি ক'ব, কি সুধিব ভাবি উলিয়াব নোৱাৰিলে। হৰেণ ছাৰেও যেন কথা ক'ব নোৱাৰে। ছাৰো মনে মনে থকা দেখি হঠাতে এবাৰ যদুৱে সুধি পেলালে ছাৰক সেই প্ৰশ্নটো— "ছাৰ মোৰ ভাইটি ৰতন পঢ়াত কেনেকুৱা? পাৰিবনে সি ডাঙৰ মানুহ হ'ব।"

বাপেকক কোৱাৰ দৰেই উত্তৰৰ আশাত সি ছাৰৰ মুখলৈ চাই ৰ'ল। কিন্তু ছাৰৰ মুখৰ পৰা কোনো শব্দ নোলাল। মাথোঁ দুটোপাল তপত অশ্ৰু ছাৰৰ ৫৮ বছৰীয়া গাল দুখন তিয়াই যদুৰ প্ৰশ্নৰ উত্তৰ হিচাপে ওলাই আহিল। ❐

# অপৰিচিত হৃদয়ৰ ক্ৰন্দন



**ধ্ৰুৱজ্যোতি বৰদলৈ**
স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান)

টিক্ টিক্ টিক ... ... ঘড়ীটোৱে ইতিমধ্যে ছয় বজাৰ সংকেত দিলে। পৰাণে বিচনাৰ পৰা খপজপকৈ উঠি বহিল আৰু মুখত ব্ৰাছডাল লৈ বাহিৰলৈ আহি এঙামূৰি দি ৰাস্তালৈ চালে। ঘড়ীৰ এলাৰ্মত সাৰ নেপালেও ৰাতিপুৱাই টিউচনলৈ অহা ছোৱালীজাকৰ চাইকেলৰ টিলিঙাৰ শব্দত সাৰ পাই খপজপকৈ উঠি ৰুমৰ বাহিৰলৈ দৌৰ দিয়াটো তাৰ অভ্যাস।

পৰাণ, ৰাজীৱ, অলকেশ, জিত— একেখন ঘৰতেই ভাড়া থাকি চহৰখনৰ একমাত্ৰ কলেজখনত পঢ়ে। সিহঁতৰ সেই সৰু ভাড়া ৰুমকেইটা হোষ্টেলৰ দৰে য'ত প্ৰত্যেকেই ইজনে-সিজনৰ সুখ-দুখৰ সমভাগী, ইটোৱে-সিটোৰ আৱেগ-অনুভূতি বুজি পায় আৰু সদায় গধূলি হ'লেই হোষ্টেলৰ দৰে আৰম্ভ হয় সিহঁতৰ গধূলিৰ আড্ডা। য'ত উন্মোচিত হয় প্ৰত্যেকৰে হৃদয়ৰ কোঠাত সাঁচি ৰখা গোপন কথা আৰু নিতৌ আলোচিত হয় নতুন বিষয়-বস্তু।

মাক-দেউতাকৰ একমাত্ৰ সন্তান পৰাণ। অতি পিছপৰা ঠাই এখনৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ চহৰখনৰ একমাত্ৰ কলেজখনত নামভৰ্ত্তি কৰিছে। সকৰে পৰাই মনত পুহি ৰখা আশা 'ডাক্তৰ' বা 'ইঞ্জিনিয়াৰ' হোৱাৰ। কিন্তু আশা আশা হৈয়েই থাকিল। একমাত্ৰ দেউতাকৰ মুখখনিলৈ চায়েই চহৰখনৰ কলেজখনতেই নামভৰ্ত্তি কৰিছিল। দেউতাকৰ একমাত্ৰ উপাৰ্জনৰ পথ গাঁৱৰ খেতিডৰাৰ ওপৰত নিৰ্ভৰ কৰি সিহঁত চলি আছে।

পৰাণৰ শুই উঠিয়েই বাচন-বৰ্তন ধোৱাৰ পৰত সদায় মাকলৈ মনত পৰে। কিয়নো ঘৰত থাকিলে মাকে দিনটোৰ দুখ-ভাগৰ, যন্ত্ৰণাকো নেওচি মুখত এক তৃপ্তিৰ হাঁহিৰে ভাতৰ কাঁহীখন সন্মুখত তুলি দিয়ে।

পৰাণ ল'ৰাজন আদৰ্শবান আৰু সকলোৰে হৃদয় জয় কৰিব পৰা বিশেষ গুণৰ অধিকাৰী। তথাপিও আজি সি নিজকে বৰ অসহায়, সংগীবিহীন উদাসীন ক্লান্ত পথিক যেন অনুভৱ কৰিছে। কিয়নো আজি সিহঁতৰ কলেজৰ নৱাগত আদৰণি সভা আৰু এই দিনটোতেই বহুতো স্মৃতি জড়িত হৈ আছে। ঠিক এবছৰৰ আগতে এই অপৰিচিত কলেজখনত আহি প্ৰথমে অকলশৰীয়া অনুভৱ কৰিছিল আৰু ইয়াতেই দেখি ভাবিবলৈ বাধ্য হৈছিল যে কলেজত প্ৰেমিকাবিহীন জীৱন মৰুভূমিৰ দৰে শুকান আৰু বৰ বেদনাদায়ক। কলেজৰ আন আন ল'ৰা-ছোৱালীৰ প্ৰণয় মধুৰ জীৱনবোৰৰ দৃশ্য দেখি পৰাণৰো প্ৰেমত পৰিবৰ মন গ'ল আৰু নৱাগত আদৰণি সভাৰ দিনাখন পূজা নামৰ এজনী ছোৱালীৰ আগমন ঘটিল পৰাণৰ জীৱনত, যাৰ মৰমৰ লাৱণ্যত সি উটি গ'ল বহু দূৰ-দূৰণিলৈ। পূজাৰ হৃদয়ৰ আকুল মৰমত থাকি পৃথিৱীৰ সমস্ত দুখ-বেদনাবোৰ পাহৰি পেলাইছিল আৰু তাইয়ো তাক হৃদয়ৰ গোপন মন্দিৰত বন্ধুত্বৰ বাবে অকণো ত্ৰুটি কৰা নাছিল। ইতিমধ্যে কলেজ কেন্টিন, পাৰ্ক আদিত বহু সময় কটোৱা সিহঁতৰ বাবে সহজ হৈ পৰিল আৰু গভীৰ প্ৰত্যয়েৰে সাৱটি ধৰিলে পৰস্পৰে পৰস্পৰক। আৱেগৰ ভৰ সহিব নোৱাৰি দুয়োৰে চকুত জলমলাই উঠিছিল অৱধাৰিত অশ্ৰুৰ মুকুতা আৰু তাৰ সংস্পৰ্শত তাইৰ হৃদয়ৰ মণিকোঠাৰ পৰা অহা প্ৰতিটো শব্দই এটা কোমল সুৰ হৈ কণ্ঠৰ পৰা নিগৰি আহিছিল এটি-দুটি বহুতো গীত আৰু এনেকৈয়ে দুখন হৃদয়ে মিলনৰ অপেক্ষাত সময়ৰ বোকোচাত উঠি যাত্ৰা কৰিছিল বহু দূৰলৈ।

কিন্তু সময়ৰ কুটিল আহ্বানত এই মিলনত চিৰাল ফাট মেলিছিল আৰু পূজাই পৰাণক এৰি গুচি গৈছিল দূৰ-দূৰণিলৈ। তাই তাক প্ৰতাৰণা কৰি নিজৰ দেউতাকৰ কথামতে নিজৰ 'ষ্টেণ্ডাৰ্ড' মিলাই আন এজনৰ লগত বিয়া হৈ গৈছিল। যাবৰ সময়ত এবাৰো তাই মৰমৰ পৰাণৰ কথা ভবা নাছিল। পৰাণে যেতিয়া নিজকে আৱিষ্কাৰ কৰিলে নিসংগভাৱে তেতিয়া হয়তো তাৰ বহুখিনি পলম হৈছিল। ভাল পাইছিল তাইৰ অমায়িকতা, স্থিৰতা- যাৰ বাবে আজি সি অনুতপ্ত হৈ জীৱন কটাবলগীয়া হৈছে। সময়ৰ লগে লগে পৰাণৰ জীৱনৰো পৰিবৰ্তন ঘটিল। যিজনী তাৰ মাজৰ পৰা চিৰদিনৰ বাবে আঁতৰি গ'ল, যাক হেজাৰ চেষ্টা কৰিও নিজৰ জীৱনলৈ ঘূৰাই আনিব নোৱাৰিলে, সেইজনীৰ কথা ভাবি সময়বোৰ অপচয় কৰাৰ প্ৰয়াস নকৰিলে। সময়ৰ গতিত খোজ মিলাই আকৌ সি আগবাঢ়িল শৈক্ষিক দিশটোলৈ, যিহেতু তাৰ পৰীক্ষালৈ মাজত মাথোঁ এমাহ আছিল।

কিন্তু হায়! নিয়তিৰ কু-চক্ৰৰ পৰা যেন মানুহে কেতিয়াও সাৰি যাব পৰা নাই। পৰাণে শৈক্ষিক দিশটোত গুৰুত্ব দি থাকোঁতেই হঠাৎ হোৱা গোষ্ঠীগত সংঘৰ্ষই তলকিব নোৱাৰাৰ আগতেই সিহঁতৰ গাঁৱখনতো ছানি ধৰিলে। সেই সংঘৰ্ষ ইমানেই ভয়ানক হ'ল যে গাঁৱখনৰ আধা সংখ্যকৰে মৃত্যু হ'ল। জীয়াই থকাকেইটা যেনি-তেনি পলাল। কিন্তু বিধিৰ বিপাক, পৰাণৰো ঘৰখন এই ধ্বংসলীলাৰ পৰা সাৰি যাব নোৱাৰিলে। ঘৰৰ ভিতৰতেই দুষ্কৃতিকাৰীৰ হাতত তাৰ মাক-দেউতাকেও

প্ৰাণ হেৰুৱালে। এই বাতৰি গাঁৱখনত সান্ধ্য আইন চলি থকাৰ বাবে সম্পূৰ্ণ দুদিনৰ মূৰতহে পৰাণে গম পালে। বাতৰি পায়েই তাৰ মূৰত আকাশী সৰগখন ভাঙি পৰিল। সি চাৰিওফালে অন্ধকাৰ দেখিলে। কেৱল ছাই আৰু ছাই। নিজৰ মাক-দেউতাকৰ অন্তিম সংকাৰত উপস্থিত থাকিব নাপাই তাৰ হৃদয়ে হিয়া ঢাকুৰি কান্দিছিল, কিন্তু মুখেৰে প্ৰকাশ কৰিব পৰা নাছিল। মানুহৰ বাহ্যিক দুখতকৈ অন্তৰৰ দুখে বেছি কষ্ট দিয়ে আৰু পৰাণৰ ক্ষেত্ৰতো সেই একেই অৱস্থা হৈছিল। অন্তৰৰ দুখ প্ৰকাশ কৰিবলৈ কাকো বিচাৰি পোৱা নাছিল। গাঁওখনত জীয়াই থকাকেইটাই সমূহীয়া আদ্যশ্ৰাদ্ধ পাতিলে। এফালে নিজৰ মাক-দেউতাক আনফালে নিজৰ প্ৰেমাস্পদক হেৰুওৱাৰ বেদনা সহ্য কৰিব নোৱাৰি সি মনৰ ভাৰসাম্য হেৰুৱাই মানসিক বিকাৰগ্ৰস্ত হৈ পৰিল। সি কেৱল মাজে মাজে কিবা কয়, হাঁহে আকৌ হিয়া ঢাকুৰি কান্দে। এনেকৈয়ে নিষ্ঠুৰ নিয়তিৰ কবলত পৰি পৰাণৰ দেউতাকে গঢ়া সুখৰ সংসাৰখনো এদিন ভাঙি থানবান হৈ পৰিল। জীৱনৰ কাল ধুমুহাই আহি উৰুৱাই লৈ গ'ল তাৰ দেউতাকৰ তেজক পানী কৰি তোলা সোণৰ সংসাৰখন। পৰাণৰ প্ৰতিভা প্ৰস্ফুটিত হোৱাৰ আগতেই বাস্তৱৰ কঠোৰ আঘাত আৰু নিয়তিৰ নিদাৰুণ যন্ত্ৰণাই জীৱনটোক এক অটব্য আন্ধাৰ গহ্বৰলৈ লৈ গ'ল, য'ত নাই পোহৰৰ তিলমানো অস্তিত্ব।

সি সদায় গাঁৱৰ কাষৰ নিজৰাটিৰ পাৰলৈ যায়। অকলে বহি কিবা কৈ কৈ কান্দে আৰু উজাগৰী নিশা কটায় মুক্ত আকাশৰ তলত। ঠিক তেনেকৈয়ে তাৰ জীৱন নিয়তিৰ নিষ্ঠুৰ গহ্বৰলৈ গতি কৰিছিল।

এদিনাখন সি আহি থাকোঁতে হঠাৎ পিছফালৰ পৰা অহা দ্ৰুতবেগী ট্ৰাক এখনৰ খুন্দাত চিৰদিনৰ বাবে এই ধৰাৰ পৰা আঁতৰি গ'ল আৰু সমাপ্তি ঘটিল এখন দুৰ্ভগীয়া হৃদয়ৰ। সাগৰৰ বুকুত ভাহি অহা বৃহৎ হিমবাহচটাৰ দৰে বহল হৃদয়ৰ এজন পৰাণ এই পৃথিৱীৰ পৰা উন্মুক্ত তাপত গলি হেৰাই গ'ল। বিদায় বেলিকাত লুইতৰ বুকুৰ তৰংগবোৰেও যেন তাৰ চিতাৰ জুইৰ ফালে চাই শোকত ম্ৰিয়মান হৈ কান্দি কান্দি বিদায় মাগিছিল।❑

# নিয়তিৰ পৰিহাস

বৰ্ণালী ডেকা
স্নাতক দ্বিতীয় বৰ্ষ



বাহিৰলৈ চাই কেতেকীয়ে ভাবিলে আজিও চাগে বৰষুণ দিয়েই থাকিব। আজি সাতদিন ধৰি একেৰাহে বৰষুণ দিয়েই আছে। কেতেকীয়ে ভাবিলে- আজিও পৰিয়ালটো অনাহাৰে থাকিব লাগিব। আজি তিনিদিন ধৰি তেওঁলোকে এগৰাহ খাবলৈ পোৱা নাই, কিয়নো বৰষুণৰ বাবে তেওঁলোকে ভিক্ষা মাগিবলৈ যাব পৰা নাই। পংগু ল'ৰাটোনো কেনেকৈ বাহিৰলৈ যাব? ইফালে বাট-পথৰ যিহে অৱস্থা হৈছেগৈ, তেওঁলোকৰ গাঁৱৰ ৰাস্তাটোক একাঁঠু বোকা হৈছে। যোৱাকালি তেওঁলোকে কলগছ এডাল আনি তাকে সিজাই খাইছিল। আগৰ দিনাখন ওচৰৰ এঘৰৰ পৰা কেইটামান কেঁচা কল আনি সিজাই খাইছিল। কেতেকীয়ে ভাবিলে, এনেকৈনো আৰু কিমান দিন জীয়াই থাকিব। বাহিৰৰ বৰষুণজাকলৈ চাই চাই কেতেকী উভতি গ'ল ত্ৰিছ বছৰৰ আগৰ দিনবোৰলৈ।

ত্ৰিছ বছৰ আগতে কেতেকীয়ে এইখন ঘৰলৈ ন-কইনা হৈ আহিছিল। সেই সময়ত ঘৰখনৰ অৱস্থা ভালেই আছিল। তেতিয়া পৰিয়ালত আছিল কেতেকীৰ গিৰিয়েক বসন্ত আৰু তেওঁৰ বৃদ্ধ মাক-দেউতাক। দুবছৰৰ পিছত তেওঁলোকৰ মাজলৈ প্ৰদীপৰ আগমন হ'ল।

প্ৰদীপৰ ঠুনুক-ঠানাক মাতে ঘৰখনলৈ আনন্দৰ বন্যা কঢ়িয়াই আনিলে। ইয়াৰ পিছত ক্ৰমে অবিনাশ আৰু স্বপ্নাৰ জন্ম হয়। কেতেকী আৰু বসন্তই এই তিনিটা সন্তানক লৈ সুখী জীৱন কটাবলৈ ধৰিলে। ল'ৰা-ছোৱালীকেইটা দিনে দিনে ডাঙৰ হৈ আহিল। বসন্তই আটাইকে স্কুলত নামভৰ্ত্তি কৰি দিলে। প্ৰদীপ তেতিয়া অষ্টম শ্ৰেণীৰ ছাত্ৰ, সেই বছৰতে অগা-পিছাকৈ বসন্তৰ মাক-দেউতাক স্বৰ্গগামী হয়। ইয়াৰ পিছতে যেন বসন্তৰ ঘৰখনক এচমকা ক'লা ডাৱৰে আৱৰি পেলালে। সেই বছৰতে নৈনে নদীৰ বাঢ়নী পানীয়ে বসন্তৰ আটাইখিনি খেতিৰ মাটিকে মৰুভূমিলৈ ৰূপান্তৰিত কৰি থৈ গ'ল। ইয়াৰ পিছত বসন্তই আনৰ মাটিত আধিকৈ খেতি কৰিবলৈ ল'লে। ইফালে বানপানীৰ বাবে তেওঁৰ ধানখেতিও ভাল নহ'ল। তেওঁ উপায় নাপাই হাজিৰা কৰিবলৈ ল'লে। হাজিৰাৰ পইচাৰে তেওঁৰ ঘৰখন নচলে। বাপেকৰ কষ্ট দেখা পাই প্ৰদীপে নৱম শ্ৰেণীৰ পৰা পঢ়িবলৈ এৰি দিলে। সি বলো মহাজনৰ ঘৰত গৰুৰখীয়া হৈ থাকিল। প্ৰদীপে ভাবিলে আনৰ ঘৰত চাকৰ থাকি হ'লেও সি অবিনাশ আৰু স্বপ্নাক পঢ়ুৱাব। ঘৰখনত মাত্ৰ এজনী ছোৱালী বাবে ঘৰৰ আটায়ে স্বপ্নাক বৰ মৰম কৰে।

ইফালে বহুতো দুখ-কষ্টৰ মাজেৰে অবিনাশে ইংৰাজী বিষয়ত অনাৰ্চসহ প্ৰথম শ্ৰেণী লৈ বি.এ. পাছ কৰিলে। কলেজীয়া দিনতে অবিনাশে কাবেৰী নামৰ ছোৱালী এজনীৰ প্ৰেমত পৰে। সি ভাবিলে ঘৰখন চলাবলৈ সকৰকৈ হ'লেও এটা চাকৰিৰ বৰ প্ৰয়োজন। সি বহুতো সাক্ষাৎকাৰো দিলে, কিন্তু তাতকৈ বহুতো কম জনা, কম নম্বৰ পোৱা ল'ৰাই চাকৰি পালে; অথচ তাৰ নহ'ল। ইয়াৰ পিছত সি বুজি পালে যে, চাকৰি পাবলৈ হ'লে অকল শিক্ষাগত অৰ্হতা থাকিলেই নহ'ব, লগতে এক-ডেৰলাখ টকা ঘোচ দিব লাগিব। সি চাকৰিৰ আশা এৰি দিলে। এদিন সি ঘৰৰ পৰা নিৰুদ্দেশ হ'ল। অবিনাশ নিৰুদ্দেশ হোৱাৰ পিছত ঘৰখনত হাহাকাৰ লাগিল। বহুতো বিচাৰ-খোচাৰ কৰিলে, কিন্তু কোনো কামত নাহিল। এদিন বসন্তই কাৰোবাৰ মুখত শুনিলে অবিনাশে হেনো এটা মুক্তি বাহিনীত যোগ দিছে। ইয়াৰ কিছুদিন পিছত এদিন ৰাতি বসন্তৰ ঘৰলৈ বহুতো আৰ্মি আহিল। সিহঁতে আহিয়ে অবিনাশ ক'ত আছে বুলি বসন্তক প্ৰশ্ন কৰিলে। বসন্তই নাজানো বুলি কোৱাত সিহঁতে "তোৰ ল'ৰাক উগ্ৰপন্থী বনাইছা" বুলি কৈ বৰ বেয়াকৈ মাৰধৰ কৰাৰ উপৰিও গোটেই শৰীৰটো বুট জোতাৰে গচকিলে। কেতেকীয়ে বাধা দিবলৈ যোৱাত তেওঁকো কেইবালাঠি মাৰি মাটিত বগৰাই দিলে। ইয়াৰ দুদিনমান পিছত প্ৰদীপকো মহাজনৰ ঘৰৰ পৰা ধৰি আনি আৰ্মি কেম্পলৈ নি বেয়াকৈ মাৰধৰ কৰিলে। যাৰ ফলত প্ৰদীপে চিৰদিনৰ কাৰণে এখন ভৰি হেৰুৱাব লগা হ'ল। এনেকৈ বসন্তৰ ঘৰখন থান-বান হৈ গ'ল। এদিনাখন ৰাতি দুইমান বজাত বসন্তৰ ঘৰলৈ আৰ্মিৰ পোছাক পিন্ধা এদল যুৱক আহি ভগা ভগা হিন্দীত বসন্তক দৰ্জাখন খুলি দিবলৈ ক'লে। সিহঁত হেনো আৰ্মিৰ মানুহ।

তেওঁ দৰ্জাখন খুলি দিয়াৰ লগে লগে কেইবাজনো যুৱক ঘৰৰ ভিতৰলৈ সোমাই গৈ বসন্ত-কেতেকীক হাতে-ভৰিয়ে বান্ধিলে আৰু স্বপ্নাক ঘৰৰ বাহিৰলৈ নি দলবদ্ধভাৱে ধৰ্ষণ কৰি মৃতপ্ৰায় অৱস্থাত পেলাই থৈ গ'ল। বসন্তহঁতে সহায়ৰ বাবে বহুতো চিঞৰ-বাখৰ কৰিলে, কিন্তু ওচৰ-চুবুৰীয়া কোনো মানুহে তেওঁলোকক সহায় কৰিবলৈ আগবাঢ়ি নাহিল। ইয়াৰ কিছুদিন পিছত চাৰি মাহৰ অন্তঃসত্বা হৈ স্বপ্নাই আত্মহত্যা কৰিলে।

ঘৰৰ পৰা গৈয়ে অবিনাশে মুক্তি বাহিনীত যোগ দিলে। সংগঠনৰ কাম-কাজ ভাল দেখা পাই অবিনাশৰ উচ্চ পদবীলৈ পদোন্নতি হয়। দুবছৰৰ ভিতৰতে অবিনাশ এজন দুৰ্ধৰ্ষ গেৰিলা হৈ পৰে। কম দিনৰ ভিতৰতে অবিনাশে আৰ্মি-পুলিচৰ নিদ্ৰা হৰণ কৰিব ধৰিলে। সেয়েহে অবিনাশক বিচাৰি নাপাই ঘৰৰ আন পৰিয়ালৰ ওপৰতে অত্যাচাৰ কৰি থাকিল। ইয়াৰ কিছুদিন পিছত এদিন সেনা বাহিনীৰ লগত অবিনাশৰ সংঘৰ্ষ হয়। এই সংঘৰ্ষত পাঁচ-ছয়জনমান সেনাৰ মৃত্যু হয়। অৱশেষত অবিনাশো মৃত্যুমুখত পৰে। অবিনাশৰ মৃতদেহ যেতিয়া বসন্তৰ চোতালত নমাই দিলে, সেই দৃশ্য দেখাৰ লগে লগে বসন্তৰ মৃত্যু হয়। বেচেৰী কেতেকীজনীও পাগলীৰ দৰে হৈ পৰিল। কেতেকীয়ে ভাবে ভাৱতে অসমক শোষণ কৰাটো সত্য। কিন্তু এমুঠিমান যুৱকে হাতত বন্দুক লৈ এই শোষণ বন্ধ কৰিব নোৱাৰে। আজিলৈকে শ শ অসমীয়া তেজাল যুৱকৰ তেজেৰে অসম ৰাঙলী হ'ল, বহুতো মাতৃ পুত্ৰহাৰা হ'ল, বহুতো শিশু মাতৃহাৰা হ'ল, কত বোৱাৰীৰ শিৰৰ সেন্দূৰ মচ গ'ল; কিন্তু অসমৰ পৰিস্থিতি দিনকদিনে বেয়ালৈহে গতি কৰিছে।

কেতেকীয়ে এইবোৰ ভাবি থাকোতেই হঠাৎ প্ৰদীপে এগিলাচ পানী খুজি দুই-তিনিবাৰ মা-মাকে চিঞৰাতহে তাই বাস্তৱলৈ ঘূৰি আহিল। কেতেকীয়ে বাহিৰলৈ চাই দেখিলে, বৰষুণ এৰিছে; ৰ'দো অকণমান ওলাইছে। তেওঁৰ মনটো ভাল লাগিল, কাৰণ বতৰ ভাল হ'লে ভিক্ষা মাগিবলৈ যাব পাৰিব। ☐

- মই ঈশ্বৰলৈ ভয় কৰো; ঈশ্বৰৰ পিছতেই মই মুখ্যত সেই জনলৈ ভয় কৰো যিজনে ঈশ্বৰলৈ ভয় নকৰে। - চাঁদি
- ভুল স্বীকাৰ কৰাটো পৰাজয় নহয়, স্বীকাৰোক্তিয়ে জয়ী হোৱা বুজায়। - মহাত্মা গান্ধী
- তুমি যি দান কৰা সেয়া তোমাৰ, যিবোৰ সামৰি থোৱা সেইবোৰ তোমাৰ নহয়। - গুৰু নানক
- এটা চাকিয়ে যিমান পোহৰকে নিদিয়ক ই ডাল; একেদৰে যেনেকুৱা বাগিছাতে নুফুলক লাগিলে গোলাপ সুন্দৰ। - ড. এচ. ৰাধাকৃষ্ণন

# হৃদয় ৰাগিছাত মৰমৰ আপডাল

জোনালী চহৰীয়া
স্নাতক দ্বিতীয় বৰ্ষ




হয়!! ঠিক তেনেকৈয়ে খুব নীৰৱে সুশান্ত তাইৰ ওচৰৰ পৰা গুচি গ'ল। সুশান্ত হেৰাই গ'ল চিৰ দিনৰ বাবে। এখন বাঁহৰ বিচনাত বগা কাপোৰৰ আঁৰত ফুলৰ আকাশৰ তলত সুশান্ত খুব শান্তভাৱে শুই আছে। জঠৰ হৈ পৰা মানুহজনীৰ পৰা অলপ নিলগতেই খুব শান্তভাৱে শুই আছে সি ...।

হৃদয়ত কিমান মৰম, ভালপোৱা থাকিলে বাৰু কোনোবা এজনে কাৰোবাৰ বাবে গোটেই জীৱনটো দি দিব বিচাৰে? আজিও এই প্ৰশ্নটোৱে দোলা দি থাকে তাইৰ মনত। ভাগৰি পৰিছে তাই কিছুমান উত্তৰ নোহোৱা প্ৰশ্নৰ পিছত হাবাথুৰি খাই ঘূৰি ফুৰি।

সুশান্ত আৰু সুদীপ্তা- একেখন গাঁৱৰে। সুশান্তহঁতৰ ঘৰৰ পৰা মাত্ৰ ৰিং এটাৰ বাট সুদীপ্তাহঁতৰ ঘৰ পাবলৈ। মেট্ৰিকত সুখ্যাতিৰে পাছ কৰি ওচৰৰ কলেজ এখনতে কলা বিভাগত নাম লগাইছে সুশান্তই। বিধবা মাকজনীৰ বুকুৰ ধন সুশান্ত। পঢ়াই-পাতিয়ে, স্বভাৱ-চৰিত্ৰই ভাল, খুব মৰমিয়াল ল'ৰা সুশান্ত। গাঁৱৰ সকলোৰে আদৰৰ সুশান্ত। সুদীপ্তাৰ মাক-দেউতাকেও ভাল পায় তাক। সুদীপ্তাৰ ঘৰলৈ গ'লে মাকে তাক ভাত খাইহে যাবলৈ দিয়ে। সুশান্তয়ো ওজৰ-আপত্তি নকৰে। কৰিবই বা কিয়? সুদীপ্তাক খুব সৰুৰে পৰা সি পঢ়ায়। তাইৰ নোৱাৰা, নুবুজা কিবা থাকিলে সি চাই দিয়ে। এইদৰে বহুত সৰুৰে পৰা সিহঁত দুয়োৰে মাজত এডাল মৰমৰ সাকোঁ গঢ় লৈ উঠিছে কোনোৱে নজনাকৈয়ে।

সময়ৰ সোঁতত মৰমৰ সাকোঁডাল দৃঢ় হ'ব ধৰিছে লাহে লাহে। দুয়ো দুয়োকে বহুত ভাল পায়। সময়ৰ সোঁতত সিহঁতৰ বয়সবোৰো বৈ থকা নাছিল। সুশান্তই সুখ্যাতিৰে অৰ্থনীতি বিভাগত এম.এ. পাছ কৰিলে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা। এবছৰমান পিছত সিহঁতৰ কলেজ এখনত প্ৰবক্তা হিচাপে যোগদান কৰিলে। ইফালে গাভৰু সুদীপ্তাও ওচৰৰ কলেজ এখনত এদিন উচ্চতৰ মাধ্যমিকৰ বিজ্ঞান শাখাত নামভৰ্তি কৰিলে। ইমান বছৰে সিহঁত দুয়োৰে মাজত থকা ভালপোৱাখিনি গাঢ় হৈ আছিল। কিন্তু লাহে লাহে সুশান্ত যেন অলপ অলপকৈ সলনি হ'ব ধৰিলে। সুশান্তই যেন তাইৰ ওচৰৰ পৰা আঁতৰি আহিব ধৰিছে। কিন্তু কিয়? তাই পাগলীৰ দৰে হৈ পৰিছে। সুশান্তৰ কিছুমান নীচ ব্যৱহাৰে তাইক বলিয়াৰ দৰে কৰি পেলাইছে। তাই বহুত ভাবিও তাৰ কোনো উত্তৰ বিচাৰি নাপায়। যি সুশান্তই এদিন তাইক এবাৰ নেদেখিলে থাকিব নোৱাৰিছিল, সেই সুশান্তই আজিকালি তাইক দেখিলেও নমতা হৈছে। তাৰ বাইকৰ পিছত চহৰৰ ধনী ঘৰৰ ছোৱালী বহি যোৱা তাই দেখিছে। লাহে লাহে তাৰ স্বভাৱৰ আৰু অধঃপতন হ'ব ধৰিলে। চিগাৰেট, মদ নহ'লে সুশান্তৰ দিনটো নোযোৱা হ'ল। কিয় সুশান্ত ইমান সলনি হৈছে। সুশান্তৰ চিন্তাত তাইৰো অৱস্থা নোহোৱা হ'ল। সুশান্তক বহুত বুজাই-বঢ়াইও একো পৰিবৰ্তন আনিব পৰা নাই তাই। চহৰলৈ গৈ কু-সংগত পৰি তাৰ এনে পৰিবৰ্তন হ'ল বুলিয়েই সুদীপ্তাই গম পালে। লাহে লাহে সুশান্তৰ তাইৰ প্ৰতি থকা মৰম-ভালপোৱাবোৰ কমি যাব ধৰিলে। আৰু এনেকৈয়ে এদিন সি তাইৰ কাষৰ পৰা গুচি গ'ল।

কিন্তু নিয়তিয়ে সুশান্তৰ ওপৰত এক ডাঙৰ প্ৰতিশোধ ল'লে। ৰাগিয়াল বস্তুৰ সেৱনেই হওক বা অন্য বদ অভ্যাসৰ বাবেই হওক, তাৰ এক ভয়ানক ৰোগ হ'ল। জ্বৰ, বমিয়ে তাৰ গাটো একেবাৰে অৱশ কৰি পেলালে। নামী-দামী ডাক্তৰৰ পৰা চিকিৎসা কৰাইও একো সুফল নাপালে। লাহে লাহে খাব নোৱাৰা হৈ আহিছে সি। লিভাৰৰ কাৰ্যক্ষমতা লাহে লাহে কমি আহিছে। বিধৱা মাকজনীয়ে চকুলোৰে বাট নেদেখা হৈছে। হ'লেও চিকিৎসাৰ ত্ৰুটি কৰা নাই। সুদীপ্তাৰ ঘৰৰ পৰাও সহায় কৰিছে। সুদীপ্তা বেচেৰীজনী এইকেইদিন সদায় তাৰ ওচৰতে। ঔষধ খুওৱা-মেলাত তাই ব্যস্ত। লাহে লাহে সুশান্ত যেন সলনি হৈছে। সি অনুশোচনা কৰিব ধৰিছে আগতে তাইক কৰা নীচ ব্যৱহাৰৰ বাবে। এতিয়াহে সি সুদীপ্তাৰ অভাৱ অনুভৱ কৰিব ধৰিছে। সি ক্ষমা খুজিছে তাইৰ ওচৰত তাৰ কু-কৰ্মৰ বাবে। সুদীপ্তাই ক্ষমা কৰিব খুজিলেও কিন্তু নিয়তিয়ে সুবিধাকণ নিদিলে তাইক। নিয়তিয়ে মাৰাত্মক ব্যাধিৰূপেৰে তাক গ্ৰাস কৰিলে। সুদীপ্তাৰ হাজাৰ চকুপানীকো আওকাণ কৰি, তাই কৰা সঁচা মৰমবোৰক নেওচি নিয়তিয়ে সুশান্তক তাইৰ ওচৰৰ পৰা কাঢ়ি নিলে চিৰ দিনৰ বাবে।

সময়ৰ সোঁতত এই ঘটনাটো এদিন অতীত হ'ল। এম.এ. পঢ়িবলৈ সুদীপ্তা এদিন চহৰলৈ আহিল। কিন্তু সেই অতীতটোৰ আঁচোৰবোৰ তাইৰ বুকুৰ কলিজাত বহি ৰ'ল। কোনোৱে মচি দিব পৰা নাই। তাই ভাবে, যদি তাইৰ তাৰ প্ৰতি থকা ভালপোৱাবোৰ সঁচা, নিভাঁজ আছিলেই তেন্তে সি কিয় তাইক বিশ্বাসঘাতকতা কৰিলে। এদিন নেদেখিলে থাকিব নোৱাৰা সুশান্তই কিয় তাইক ৰাস্তাত দেখিও নমতা হৈছিল। কিয়? কিয়? এই কিয়বোৰৰ উত্তৰ তাই যিমান বিচাৰিলেও নাপায়। আৰু নাপায় কেতিয়াও ...। কিন্তু তাৰ হাঁহিভৰা মৰমিয়াল মুখখনিয়ে তাইক বাৰুকদ্ধ কৰে প্ৰতিপলে। তাৰ প্ৰতি থকা নিভাঁজ নিস্বাৰ্থ মৰমবোৰ কাহানিও হেৰাই যাব দিয়া নাই। মৰমবোৰৰ আপডাল কৰিব বিচাৰে তাইৰ জীৱন থাকে মানে। হ'লেও তাইৰ অদৃষ্টৰ ওচৰত এটাই বিনম্ৰ অনুৰোধ— সি য'তেই নাথাকক, যেনেদৰেই নাথাকক কিয়; সি যেন সুখত থাকে।❐

# নৈনৰ সিপাৰে

মুন্না ডেকা
স্নাতক তৃতীয় বৰ্ষ (অৰ্থনীতি)



কেঁচা বাটৰ ধূলি উৰুৱাই ৰাতিপুৱাৰ বাছখন নৈনৰ ওখ মথাউৰিটোৰে আগবাঢ়িল। মথাউৰিৰ একাষে বিয়পি থকা বৃহৎ পথাৰখন। দাওদাওকৈ বাঢ়ি অহা ইয়াৰ প্ৰতিজোপা ধানে একোজনী চঞ্চলা গাভৰুৰ চৰিত্ৰ ৰূপায়ণ কৰিছে। বতাহৰ সোঁতে সোঁতে যেন সিঁহতে কোনোবা অচিন গীতৰ সুমধুৰ কলিকে এটি জুৰিছে। পথাৰৰ কেঁচা আলিটোৰে কান্ধত দল ঘাঁহৰ ভাৰখন লৈ এজনে গুজুং গুজুংকৈ আহি আছে। মথাউৰিৰ এফালে কিছু দূৰত নৈনৈ নদী। তাৰ ওপৰত এখন কাঠৰ দলং। দলংখন বহু পুৰণি। সিটোপাৰে দুই এঠাইত ভাঙিছে। আন্ধাৰ ৰাতি দলঙৰ ওপৰেৰে খোজকাঢ়ি আহিলে কাৰোবাৰ চেণ্ডেল সৰকি পানীত পৰেগৈ; কাৰোবাৰ ভৰি মোচোকা খায় ইত্যাদি ইত্যাদি। এতিয়া তাৰ কাষতেই এখন পকী দলং মজবুতকৈ সজাবলৈ আৰম্ভ কৰিছে। নতুনখন সজোৱা হ'লেই হয়তো পুৰণিখন ভাঙি পেলাব।

নৈনৰ পাৰৰ কৰৈ জোপাৰ তলত অৰূপ গুম হৈ বহি আছে। মুখমণ্ডল তাৰ মলিন, বিষাদে আবৰা। বতাহজাকে কৰৈৰ পাতত ঠেকা খাই সো-সোৱনি শব্দৰ সৃষ্টি কৰিছে। তাৰ সৈতে বাছৰ হোৰহোৰনি শব্দটোৰ সংমিশ্ৰণ ঘটিছে। নৈনৈত এতিয়া হাতীয়ে-মাউতে তল যোৱা পানী। মাছমৰীয়া এজনে হাতত খেৱলি জালখন লৈ পকনিয়া এটাৰ ওচৰত খুপি আছ। "এই থাউনি নোপোৱা পানীত কি মাছ পাবাহে"— বাটৰ মানুহৰ মন্তব্য। জালুৱৈৰ খালৈটো ক্ৰমে ওজন হৈ আহিছে। অৰূপৰ দুচকুৰ উদাস চাৱনিবোৰে নৈনৰ সীপাৰত তন্নতন্নকৈ কিবা বিচাৰি ফুৰিছে। সিপাৰৰ বেণ্ডপাৰ্টীৰ পেঁপা-ড্ৰামৰ সুৰবোৰে তাৰ বুকুত তোলপাৰ লগাইছে। মুহূৰ্ত চেৰেকতে সি চিৎকাৰ কৰি উঠিল। কলিজাখন চিঙি-ফাটি যোৱাৰ উপক্ৰম হৈছে। আজি তাৰ প্ৰিয়তমাৰ বিয়া। যাক সি নিজৰ জীৱনটোতকৈও অধিক ভাল পাইছিল আজি তাইৰ বিয়া। নৈনৰ সিপাৰে তাৰ ৰূপালীমহঁতৰ ঘৰত বেণ্ডৰ শব্দবোৰ ক্ৰমাৎ বাঢ়িছে। তাৰ প্ৰতিটো সুৰে অৰূপৰ বুকুৰ ৰক্তজবা পাহত সজোৰে আক্ৰমণ কৰিছেহি। বুকুখন যেন মৰক মৰক শব্দ কৰি ভাঙিছে। মাজে মাজে আয়তীৰ উৰুলিৰ শব্দ, জোৰা নামৰ শব্দ, আতচবাজিৰ শব্দ। অৰূপ কৰৈজোপাৰ তলত সুস্থিৰে বহি থাকিব পৰা নাই। মনৰ মাজত আৰম্ভ হৈছে নৈনৰ বান বিধ্বংসী তাণ্ডৱ। আজিও বাৰু তাইৰ ওঁঠত পাহাৰী ঝৰ্ণাৰ দৰে হাঁহিটো জীয়াই আছেনে? ৰূপালীমৰ খোপাৰ তগৰমালাৰ সুগন্ধ, দেহৰ মাহ-হালধিৰ গোন্ধবোৰ যেন সিপাৰৰ পৰা অহা বতাহজাকে উৰুৱাই আনিছে। লাহি-পাহি দেহৰ ছোৱালীজনী, জেতুকা বোলোৱা দুহাত, লৱণু কোমল দেহৰ কইনাৰ সাজযোৰ, কপালৰ সেন্দূৰকণৰ সৈতে ৰূপালীমৰ দুগ্ধ সেন্দূৰীয়া মুখখনৰ কল্পনা অৰূপৰ মনৰ পুখুৰীত পদুমৰ পাত হৈ ভাহি আছে। তাইৰ চুলিৰ দামী সুঘ্ৰাণৰ সুগন্ধি হয়তো ৰভাতলী মলমলাই আছে। আজি নিশাৰ পৰা তাই আনৰ হ'ব। ফুলশয্যাৰ নিশা আন এজনক আকোঁৱালি ল'ব। বিচ্ছেদিত হ'ব দুখন প্ৰেমৰ হৃদয়। সিওতো এতিয়া একো কৰিব নোৱাৰে। দিঠকে তাৰ সপোনবোৰ কেতিয়াবাতে আকুঁহি-আকুৰি নিঃশেষ কৰি পেলাইছে। আচম্বিতে অহা এজাউৰি ধুমুহাই থেৰো-গেৰো কৰি পেলাইছে জীৱনৰ গতি।

অৰূপ, এতিয়া এখন ভৰিৰ ওপৰত খোজকাঢ়ি জীয়াই আছে। এটা কালসন্ধ্যাৰ অন্তত তাৰ এখন ভৰি কাটি পেলাবলগীয়া হৈছিল। এতিয়া হাতৰ পেংডালেই তাৰ সহায়। আগৰদৰে য'লৈ মন যায় তালৈ যাব নোৱাৰে। দলংখনৰ ইটো পাৰে তাৰ এটা পাণ দোকানৰ গুমটি আছে। দিনটো তাতেই বহে। নাইবা কেতিয়াবা ঘণ্টাৰ পিছত ঘণ্টা নৈৰ পাৰৰ কৰৈজোপাৰ তলত বহি ৰয়, নিঃসাৰে।

ওখ মথাউৰিটোৰ পৰা মাটিমাহৰ খেতিডৰাৰ মাজৰ দূৱৰি ভৰা সৰু আলিটোৰে বৰ্ণালী আহি অৰূপৰ ওচৰ পাইছিলহি। তাই কেতিয়া আহি অৰূপৰ কাষত থকা বিৰিণাৰ মূঢ়াটোত বহিছিলহি সি গমেই পোৱা নাছিল। তাই মাতষাৰ দিয়াতহে তাৰ সম্বিৎ ঘূৰি আহিল।

ঃ অ' অৰূপদা, এনেকৈ মন মাৰি বহি থাকিলে জানো কিবা হ'ব? ব'ল ঘৰলৈ যাওঁগৈ।

অৰূপ নিৰুত্তৰ হৈ ৰ'ল। ইহঁত দুয়ো সৰুৰে পৰা বৰ আপোন। দুয়োৰে ঘৰৰ এখনে চোতাল বুলিব পাৰি। বৰ্ণালী তাৰ আপোন ভনীৰ দৰে। অৰূপতকৈ তাই দুবছৰমান সৰু। এইবাৰ তাই হায়াৰ চেকেণ্ডাৰীৰ ফাইনেল দিছে। তেজৰ সম্পৰ্ক নাথাকিলেও বৰ্ণালীয়ে তাক আপোন দাদাৰ দৰে ভাবে। ইয়াৰোপৰি দুয়ো-দুয়োৰে ভাল বন্ধুৰ চৰিত্ৰও ৰূপায়ণ কৰে।

দীঘল গড় এটাৰ দৰে থিয় দি থকা মথাউৰিটোৰে বাছখন ক্ৰমাৎ ওচৰ চাপি আহিল। বাটৰ গৰুকেইটাই বাট আগচি ধৰা বাবে ড্ৰাইভাৰে বাছৰ গতি সামান্য কমাইছে। ইফালে বাছত মানুহ পাণ জপাদি জাপি

আনিছে। কেইজনমান বাছৰ ওপৰত, কেইটামান দুৱাৰত ওলমিয়ে আহিছে। জোকাৰি জোকাৰি টেমা এটাত ভৰাই থোৱা চেনিৰ দৰে বাছৰ ভিতৰৰ মানুহবোৰে ইটোৰ গাত সিটো লাগি আছে। এনেকৈ মানুহ নিতৌ আহে, নিতৌ যায়। মানুহ ইমান হোৱাৰ একমাত্ৰ কাৰণ- এই অঞ্চললৈ অহা একমাত্ৰ এইখনেই গাড়ী। দলংকেইখনৰ লগতে বাট-পথবোৰো বেয়া বাবে আন গাড়ী আহিব নোখোজে। বাছৰ ওপৰত বহি অহা ডেকা কেইজনেতো সন্ধিয়া হ'লে তিনিআলি চ'কত নাইবা নঙলা মুখত আড্ডা মাৰি থকা গাভৰুজাক দেখিলেই দীঘলকৈ উকি মাৰে, জোকায়। গাভৰুজাকেও সিহঁতলৈ বুলি হাত লৰাই কেতিয়াবা 'বাই বাই' দিয়ে। সিহঁতবোৰৰ মাজত সম্পৰ্ক সেইখিনিয়েই। কেইজনমানে এনেকৈ সদায় অহা-যোৱা কৰে। চহৰত গৈ বেপাৰ কৰে। গাড়ীৰ হেণ্ডিমেন নৰেনে বাটৰ মানুহতো বাদেই যেন বাটৰ এটা এটা গৰু-ছাগলীকো চিনি পায়। পথাৰত হালৰ মুঠিত ধৰি থকা, ধান কাটি থকা মানুহজন, গৰুকেইটাৰ পিছে পিছে অহা গৰখীয়াজন নাইবা বাটৰ দোকানীকেইজনক দেখিলেই দীঘলকৈ চিঞৰে— "আৰে গজেন্দ্ৰ, কি পিলিক-পালাক কৰি আছ'? আহ, শহুৰৰ ঘৰলৈ যাওঁ"; "অ' ঘটেশ্বৰকাই ..." ইত্যাদি ইত্যাদি বহুতো। দোকানৰ আগত বহি তাচপাত খেলি থকা মানুহকেইটা দেখিলেতো তাৰ চিঞৰৰ দুগুণ চৰে।

গছৰ মূঢ়া এটাৰ দৰে নৈৰ পাৰত বহি থকা অৰূপক দেখি নৰেনে চিঞৰি মাতিলে। আগতে এনেকৈ তাক বাটত দেখিলে নানা খুহুতীয়া কথাৰে জোকাইছিল। আজিকালি নোজোকায়। সি দলঙৰ ইটোপাৰে থকা গেলামাল দোকানী বাপন ওজালৈ উদ্দেশ্য কৰি চিঞৰিলে— "ঐ বাপন, এইবাৰ বিহু নামাৰ' নেকি? নে বিয়া পাতিবি ...??" উত্তৰলৈ অপেক্ষা কৰাৰ সময় তাৰ নাই। গাড়ীখনে ঘৰং-ঘৰং শব্দ কৰি দলংখন পাৰ হৈ নৈৰ সিপাৰৰ চাৰিআলিৰ সৰু চ'কটোত ৰ'লগৈ। বিভিন্ন ৰংচঙীয়া পোছাক পিন্ধি ৰূপালীমৰ বিয়ালৈ বুলি অহা মানুহবোৰে এটা এটাকৈ চ'কটোৰ বকুলজোপাৰ তলত নামি সিহঁতৰ ঘৰৰ পিনে খোজ দিলে। তাৰো ৰূপাক এবাৰ কইনা সাজত চাবলৈ বৰ হেঁপাহ জাগিছে। কিন্তু সিতো তালৈ যাব নোৱাৰে। বাছখন সিপাৰৰ মথাউৰিটোৰে ক্ৰমাৎ আঁতৰি গ'ল।

ঃ দাদা উঠচোন। বেলি এদাঁৰ উঠিল। সংঘৰ ৰুমত আমাৰ বিহুৰ ৰিহাৰ্চেল হৈ আছে, তাকে চাবিগৈ ব'ল। সেই জনকে ঢোলৰ চাপৰ খৰকৈ ভুল কৰে। তই এবাৰ শিকাই দিবিগৈ ব'ল। তাৰ পিছত আমি আটাইয়ে ৰূপালীম বাৰ বিয়ালৈ যাম। —বৰ্ণালীয়ে অৰূপৰ হাতত ধৰি নিবিড়ভাবে কথাখিনি ক'লে।

ঃ বিয়ালৈ মই নাযাওঁ। তহঁতে যাবিগৈ। মোক দেখিলে ৰূপাই কান্দি দিব। —অৰূপ কিবা এটা ভাবত তন্ময় হৈ পৰিল। মুখখন তাৰ মোলান পৰিল।

ঃ আজি বিয়াৰ দিনাখন তোক তাই এবাৰ নেদেখিলে আৰু বেছি কান্দিব। তইয়ো জানো আজি তাইক এবাৰ নেদেখি সুস্থিৰে থাকিব পাৰিবি? —বৰ্ণালীৰ চকুহাল সেমেকি উঠিল।

ঃ বিয়াত মোৰ উপস্থিতি সিহঁতৰ ঘৰৰ মানুহে কামনা নকৰে। সিহঁতৰ ঘৰৰ মানুহে আগতে মোক বৰ আপোন বুলি ভাবিছিল। এতিয়া পুতৌ কৰে, অৱহেলা কৰে। কাৰণ মই খোৰা। — অৰূপ কিছুপৰ নিঃসাৰে বহি থাকিল। মনটো বিমৰ্ষ হৈ পৰিল। সি কিছু আতংকিত হৈ পৰিল।

অজানিতে ৰূপালীম অৰূপৰ বুকুৰ ওচৰ চাপি আহিছিল। দুয়ো হৃদয়ত হৃদয় গাঁঠি জীয়াই থাকিবলৈ শিকিছিল। কেতিয়া সিহঁতৰ দুয়োৰে মাজত প্ৰেমৰ অনুভূতিয়ে আকৰ্ষণ কৰিছিলহি সেইটো সিহঁতৰ কোনেও নাজানে। হাফপেণ্ট পিন্ধাৰ বয়সৰ পৰাই দুয়ো-দুয়োৰে হাতত হাত ধৰি দৌৰি উমলি নৈত সাঁতুৰি-নাদুৰি ডাঙৰ হোৱা। ধূলিয়ৰি শৈশৱৰ প্ৰতিটো পল দুয়ো একেলগে কটাইছিল। দুয়ো একেখন স্কুলৰ একেটা শ্ৰেণীতেই পঢ়িছিল। কিয় জানো যিদিনা ৰূপালীম স্কুললৈ নাযায়, সেইদিনা অৰূপে চুৰেণ চাৰৰ অংকৰ ক্লাছত মন বহুৱাব নোৱাৰি হাতত 'চেতেং চেতেং' বেতৰ কোব খাইছিল। তাই কাষত থাকিলে দুখৰ এটা দিনো তাৰ বাবে আনন্দত উৰুলীকৃত হৈ পৰিছিল। স্কুলৰ ফুটবল খেলত ৰূপালীম দৰ্শকৰ শাৰীত থিয় হৈ চাই থাকিলে অৰূপৰ ভৰিৰে বিপক্ষ দলক কেইটা গ'ল শোধাইছিল তাৰ হিচাপ নাই। কিমান উত্তাপ আছিল সেই চকুহালত। গাঁৱৰ বিহু দলটোত অৰূপে ঢোল বজালে ৰূপাই শ্ৰেষ্ঠ নাচনীৰ পুৰস্কাৰ আঁজুৰি আনিছিল। ৰূপাই নানাচিলে তাৰ ঢোলত 'তাক-ধিনি-তা ধিন-ধিন তা'ৰ ঠাইত অদ্ভুত স্বৰ বাহিৰ হৈছিল। ৰূপালীমৰতো খোপাৰ কপৌপাহ সি পিন্ধাই দিলেহে তাইৰ মনৰ আখেজ মৰিছিল। সৰুৰে পৰা এক অদৃশ্য নিবিড় বান্ধোনেৰে বান্ধ খাই আছিল দুয়ো। গাঁৱৰ কোনেও সিহঁতৰ নিষ্প্ৰভ বান্ধোনক কু-দৃষ্টিৰে চোৱা নাছিল। ইহঁত দুয়োৰে সৰুৰে পৰা বৰ মিল বুলি কথা সামৰি থৈছিল।

ঃ দাদা, তই ৰূপাবাক দোষ দিব নোৱাৰা। শয্যাগত মাকৰ কথা পেলাব নোৱাৰিহে তাই বিয়াত বহিছে। ইফালে তোৰো এই অৱস্থা। —বৰ্ণালীয়ে খন্তেকৰ মৌনতা ভংগ কৰি ক'লে।

ঃ মইনো তাইক কি দোষ দিম? ময়েই দুৰ্ভগীয়া। মই আজি বোকাত পৰি বোকা নোচোৱাৰ ভাও জুৰিব নোৱাৰো। তাইৰ ভালপোৱাৰ নামত মইতো তাইক এটা জুইত দহা পংগু জীৱন উপহাৰ দিব নোৱাৰো। তাইক সুখত নেদেখিলে মোৰ জীয়াই থকাটো সহজ নহ'ব। ইফালেতো তাইৰ মাক-দেউতাকে মোৰ ছাঁটোকে চাব নিবিচাৰে। মোৰ এই অৱস্থাৰ পিছত তাইক মোৰ সৈতে কথা পতাও বন্ধ কৰি দিছিল। তালৈ মোৰ কোনো খেদ নাই। মই বুজিব পাৰো কোনজনীনো মাকে নিজৰ পেটৰ জী এজনীক এজন পংগুৰ হাতত সঁপি দিবলৈ সাঁচি থ'ব? ৰূপাৰ দৰাটো বৰ ভাল ল'ৰা। বহুদিন আগতে তেওঁক এদিন লগ পাইছিলো। তেওঁৰ লগত তাই সুখী হ'ব পাৰিব। তাই মাত্ৰ য'তেই থাকে, যাৰ লগতেই থাকে কুশলে থাকক। মই হৃদয়ত লোহাৰ বৰ্ম আঁৰিবলৈ শিকিছো বৰ্ণালী।

এই একৈশ-বাইছ বছৰীয়া ল'ৰাটোৰ মুখৰ কথাবোৰ বৰ গহীনভাৱে ওলাই আহিল। মনটোক সি প্ৰবোধ দিলে। কিছুপৰ সি স্থানুৰ দৰে বৈ থাকিল। এক মানসিক অন্তঃদ্বন্দ্বৰ প্ৰচ্ছায়া এটা তাৰ মুখত মূৰ্ত হৈ উঠিল। জীৱনৰ আৰম্ভণিতেই কোঙা কৰি পেলোৱা দেহাটো লৈ জীয়াই আছে সি। এটা বীভৎস আবেলিত শেষ হৈ গৈছে যাৰ সপোনৰ দৌৰাত্ম্য। ঘৰত সিহঁতৰ চাৰিটায়ে জীৱ আছিল। মাক-দেউতাকৰ সৈতে

সি আৰু তাৰ ককায়েক। ককায়েকে পঢ়ি-শুনি চাকৰিৰ সন্ধানত ঘুৰি ঘূৰি অৱশেষত মহানগৰীৰ চিমেণ্ট কোম্পানী এটাত কাম কৰিছিলগৈ। অৰূপে হায়াৰ চেকেণ্ডেৰী পাছ কৰি আৰু পঢ়াৰ বাবে টকাই নাটিলে। মাৰ্কশ্বিটখনতো ঠাহ খাই নম্বৰ আহিছিল। চাৰ্টিফিকেট কেইখনকে বুকুত সাৰট মাৰি লৈ ইণ্টাৰভিউ দি দি ইমুৰ-সিমুৰ ঘূৰিলে। দৰিদ্ৰৰ ঘৰৰ বহুসোপা টকা পানী হ'ল। সেইদিনা সি এয়াৰফৰ্চৰ টেকনিকেল পোষ্টৰ বাবে ইণ্টাৰভিউটো দি আহি ককায়েকৰ সৈতে গণেশগুৰিৰ বাছ ষ্টপেজত চিটিবাছ ৰখি আছিল। ৰাতিটো ককায়েকৰ সৈতে ৰুমত গুৱাহাটীতেই কটাব। তাতেই তাৰ জীৱনৰ যতি পৰিছিল। আন্ধাৰবোৰ যেন নাকে-মুখে সোমাই আহিছিল। সৰু সৰু সপোনবোৰ, আশাবোৰ সমাধিস্থ হৈছিল। এটা যন্ত্ৰণাময় ভৱিষ্যতে তাৰ ফালে কেৰাহিকৈ চাইছিল। মনৰ সপোনৰ ব্যঞ্জনসোপা টেঙা-মেকা হৈছিল। এটা কাণ ফাটি যোৱা শব্দৰ মাজত সি গোটেই মানুহটো বাগৰি পৰিছিল। সেই ক্ষণত দেহৰ স্নায়ুৱে মগজুলৈ সংকেত পঠোৱা বন্ধ কৰি দিছিল। মানুহৰ গগণফলা চিঞৰবোৰ বতাহত চনচনাই উৰি ফুৰিছিল। গণেশগুৰিত সেইদিনা বোমা ফুটিছিল। তাৰ সোঁ ভৰিখন দুটুকুৰা হৈছিল। লগতে এডোঙা তেজ, ৰঙা ৰঙা, তপত তপত। দেহৰ অ'ত-ত'ত ছালবোৰ দহি গৈছিল। সেই বিস্ফোৰণতে ককায়েকৰ থিতাতে মৃত্যু ঘটিছিল। মৃতদেহৰ নামত শ্মশানলৈ নিবলৈ মাত্ৰ এখন আধাপোৰা হাত আৰু দেহৰ আধাপোৰা কাপোৰযোৰৰ সৈতে কঁপকঁপাই থকা কেইটুকুৰমান মঙহ ৰৈছিলগৈ। কেৱল তেজ, খমলা-খমল তেজ। চেদেলি-ভেদেলি হৈ পৰি আছিল মৃতদেহবোৰ। বহুজনে তাৰ সন্মুখতে আসন্ন মৃত্যুৰ প্ৰাক্‌ক্ষণত কেলঢোপ-কেলঢোপকৈ জীয়াই আছিল। মাক-দেউতাকে বুকুত চপৰিয়াই চপৰিয়াই হুৱাওৱাৰে কান্দিছিল। সেই কান্দোনবোৰ এতিয়াও সিহঁতৰ ঘৰখনত সেই একেদৰেই জীৱিত হৈ আছে। এতিয়াও মাকে নৈনৰ ইপাৰ-সিপাৰ শুনাকৈ কান্দে। অৰূপৰ মনত ঘনাই ভাহি থাকে সেই দিনটোৰ বীভৎস দৃশ্যবোৰ। য'ত টুকুৰা-টুকুৰে নৰমাংস ক'লা ছাইৰ মাজত পৰি ৰৈছিল। য'ত তাৰ বাবে পংগু খোৰা, কোঙা উপাধিবোৰ সহজলভ্য কৰা হৈছিল। য'ত এটা অৰূপৰ মৃত্যু ঘটিছিল। এতিয়া লাখুটিডালৰ অবিহনে সি অসহায়। হস্পিতালত থকা দিনকেইটাত ৰূপালীম তাৰ সৈতে দেহৰ ছাঁটোৰ দৰে লাগি আছিল। কোনেও নেদেখাকৈ তাই উচুপি দিন কটাইছিল। উচুপনিবোৰ এতিয়াও তাৰ বুকুত বাজি থাকে।

ইয়াৰ পিছৰ পৰা সি ৰূপালীমক হাতৰ আঙুলিৰ মূৰত গণিব পৰাকৈ লগ পাইছে। তাইৰ ঘৰৰ ফালৰ পৰা অৰূপক লগ ধৰাটো সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়া হৈছিল। তেতিয়াহে তাৰ উপলব্ধি হৈছিল দুয়োখন ঘৰৰ মাজত ফেনে-ফোটোকাৰে কলকলকৈ বৈ যোৱা নৈখনৰ অস্তিত্বৰ কথা।

ৰভাতলী এতিয়া আনন্দত উৰুলীকৃত। কুকুৰ কেইটামানে তাৰ কাষতেই ৰাউচি জুৰিছে। কেৰেখিয়া ল'ৰাকেইটাই ডেক্‌টো এবাৰ জোৰে দিয়ে, এবাৰ চাউণ্ড কমায়। উৰুলিৰ শব্দবোৰ ক্ৰমাৎ বাঢ়ি আহিল। হাতত ঘট, আমপাত লৈ নৈনৰ ঘাটলৈ তিৰোতাবোৰে পানী তুলিবলৈ আহিছে। পিছে পিছে ৰং-ৰিঙৰ পোছাক পিন্ধা কেইজনীমান পুৰঠ গাভৰু। তাৰ লগতে বেণ্ডৰ শব্দ, ফট্‌কাৰ শব্দ। সেইয়া যেন বিয়া নাম নহয়। যেন কোনোবা ক্ৰুদ্ধ দানৱৰ ৰণহুংকাৰ। নৈনৰ ইপাৰে মাছুৱৈ এজনে মাছবোৰ ধৰি খলৈত ভৰাইছে। আসন্ন মৃত্যুৰ তাড়ণাত মাছবোৰে খালৈৰ ভিতৰত ছটফটাইছে। পানী তুলি আয়তী উভতি গ'লগৈ। নৈনৰ পাৰ আকৌ নিজম পৰি ৰ'ল। বেলি হালি লাহে লাহে পশ্চিম আকাশত ৰঙা হ'ল।

ঃ বৰ্ণালী, ব'লচোন। —অৰূপে বৰ্ণালীৰ কান্ধত ভৰ দি ফংকৈ থিয় হ'ল।

ঃ ক'লৈ?

ঃ বলেনকাইৰ পি.চি.অ'লৈ যাওঁ।

ঃ কিয়?

অৰূপে উত্তৰ নিদিলে। তাই দেখিলে ট-টকৈ জ্বলি থকা তাৰ নিষ্পলক চকুহাল সেমেকিছে। হাতৰ পেংডাল নিকপ্‌কপীয়াকৈ ধৰি লৈ পথাৰৰ আলিটোৰে সি গৈ দলংখনৰ ইটোমূৰে থকা বলেনকাইৰ গুমটিৰ ওচৰ পালেগৈ। বৰ্ণালীয়ে তাক আৰু একো সুধিবলৈ সুবিধা নাপালে। অৰূপে তাৰ পেণ্টৰ জেপত হাতখন ভৰাই চালে- পাঁচটা এটকীয়া মুদ্ৰা। মাকে তাক গোসাঁইঘৰত শলাখৰ জ্বলাবলৈ পঞ্চাশ গ্ৰাম মিঠাতেল নিবলৈ কৈছিল। ৰিচিভাৰটো তুলি লৈ তাৰে এটা সি ফোনৰ সৰু ফুটাটোৰে সুমুৱাই দিলে। তাৰ পিছত বুটামকেইটাত তাৰ আঙুলি এটাৰে কেইবাৰমান হেঁচিলে। বৰ্ণালীয়ে ফোনৰ মণিটৰলৈ একেথৰে চাই থাকিল। ফোনৰ সিটোমূৰে ৰিং কৰাৰ শব্দ। সিপাৰৰ ৰভাতলীত বজা বেণ্ডৰ শব্দবোৰ তাতোকৈ কিছু বেছি। সিটো মূৰে ফোন উঠায়।

ঃ ৰূপা ...।

সিটো মূৰৰ পৰা কোনো শব্দ নাই।

ঃ হেল্ল' ...

সিটো মূৰৰ পৰা কেইটামান উচুপনিৰ শব্দ ভাহি আহে। অৰূপৰ বুকুত চেটেংকৈ লাগিল। মানুহটো সি এক লহমাৰ বাবে থৰ লাগি ৰ'ল। সেইয়া ৰূপালীমৰ উচুপনি। অৰূপ নিশ্চিত হয়। সি দ্বিতীয়টো মুদ্ৰা সুমুৱাই দিয়ে।

ঃ ৰূপা ...

সিপাৰে উচুপনি। অৰূপৰ বুকুত যন্ত্ৰণাৰ পাহাৰ।

ঃ তোক এবাৰ কইনাৰ সাজত চাবলৈ বৰ মন গৈছে।

—ৰূপাই হিকটিয়াই হিকটিয়াই কান্দে।

ঃ তই কান্দি থাকিলে মই নৈনত জঁপিয়াই আপোনঘাতী হ'ম।

—অৰূপৰ মুখত স্বতস্ফূৰ্তভাৱে কথাষাৰ ওলাই আহিল। মনটো তাৰ পকনীয়াৰ দৰে পকাই আছে। সিপাৰৰ উচুপনি সামান্য শাম কাটে।

ঃ তেনেকৈ নক'বি। এতিয়াও তোৰ মুখখনলৈ মনত পেলালে মই জীয়াই থাকিবলৈ সাহস বিচাৰি পাওঁ। তই আজি নৈ পাৰ হৈ নাহিবি। ইয়াৰ কেইজনমানে মদৰ নিচাত ডুবি তোলৈ গুজৰি-গুমৰি আছে। আজি তোক এবাৰ চাবলৈ বৰ মন থাকিল।

—তাই অস্ফুট স্বৰেৰে কথাখিনি ক'লে। উচুপনি বাঢ়িল। ফোনৰ লাইনটো কটা গ'ল। পইচা ভৰাবলৈ পাহৰিলে। অৰূপে নিজৰ বাওঁহাতখনলৈ চালে। দুটকা ৰৈছে। মিঠাতেলৰ বাবে। ❐

# হৃদয়ৰ বেদনা



তৃষ্ণা হাজৰিকা
স্নাতক দ্বিতীয় বৰ্ষ

অঞ্জন বৰুৱা গুৱাহাটীৰ এজন ভাল ব্যৱসায়ী। তেওঁৰ পত্নী ৰীমাও এগৰাকী শিক্ষয়িত্ৰী। তেওঁলোকৰ একমাত্ৰ পুত্ৰ মৌচম। মৌচম মাক-দেউতাকৰ অতি মৰমৰ।

মৌচম সৰুৰে পৰা পঢ়া-শুনাত বহুত চোকা আছিল। সি পঢ়া-শুনাত যিমান চোকা আছিল, সমাজসেৱাৰ কামতো সিমানেই আগ্ৰহী আছিল। মৌচম এতিয়া মহাবিদ্যালয় এখনৰ স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ। তেওঁ জড়িত আছিল মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ লগত।

এদিনাখন মৌচমহঁতৰ N.S.S. ৰ পৰা কেম্পৰ বাবে তেওঁলোকক লৈ গৈছিল অৰুণাচলৰ এখন পাহাৰীয়া অঞ্চললৈ। মৌচমহঁতৰ লগত কেইবাগৰাকী ছোৱালীও গৈছিল। তাৰ মাজত আছিল অতি মৰম লগা ছোৱালী নীলাক্ষি।

মৌচমহঁত অৰুণাচললৈ এসপ্তাহৰ কাৰণে গৈছিল। সিহঁতৰ দলটো ক্ৰমান্বয়ে আগবাঢ়িছে সন্মুখলৈ অজান-অচিনাকি এক আচহুৱা পৰিৱেশৰ পিনে। দুয়োকাষৰ সেউজীয়া পাহাৰবোৰে সিহঁতক যেন ৰিঙিয়াই ৰিঙিয়াই মাতি আছে। গন্তব্যস্থলৰ পৰা দহ কিঃ মিঃ মান নিলগত থকা সৰু চহৰখনত সিহঁতৰ থকা-খোৱাৰ ব্যৱস্থা হ'ল। পৰ্বতৰ শিলৰ ফাঁকে ফাঁকে বৈ অহা নিজৰাৰ অপৰূপ ধ্বনিয়ে মন হৃদয়ত নিৰ্মল শান্তিৰ সুধা বিলাই দিলে। সকলোৰে মনত আনন্দৰ হেন্দোলনিয়ে হৃদয় তোলপাৰ লগাইছে।

সন্ধিয়া মৌচমহঁত ৰাস্তালৈ ওলাই যায় আৰু লগত নীলাক্ষিও। নীলাক্ষিক প্ৰথম লগ পাওঁতেই মৌচম তাইৰ প্ৰেমত পৰে। মৌচমৰ হৃদয়ৰ বাবে প্ৰয়োজনীয় সেই দুৰ্লভ মৰমকণ যে নীলাক্ষিৰ মাজতেই বিচাৰি পাব সেই আশা লৈ মৌচমে নীলাক্ষিৰ কাষ চাপিছিল। আৰু অতি সোনকালেই সিহঁতৰ মাজত ভাল বন্ধুত্বও গঢ়ি উঠিছিল।

পাহাৰৰ নামনিত থকা ডাঙৰ শিল এচটাত বহি সিহঁতে নানা ধৰণৰ কথা পাতিছিল। মৌচমে ভাবিলে, এনেকুৱা এটা নিজান পৰিৱেশত নীলাক্ষিৰ স'তে একান্তভাবে কিছুপৰ কটাব পৰাটো এক মধুৰ স্মৃতি হ'ব। সি ক্ৰমান্বয়ে তাইৰ কাষলৈ আগবাঢ়ি যাবলৈ ধৰিলে। তাইৰ হৃদয়ত তাৰ বাবে কিমানখিনি অনুকম্পা আছে তাক জনাৰ হেঁপাহেৰে সি আগবাঢ়িল। মৌচমে তাইৰ ওচৰত প্ৰেমৰ প্ৰস্তাৱ আগবঢ়ালে। নীলাক্ষিয়েও সেই প্ৰস্তাৱ অতি সহজে গ্ৰহণ কৰিলে। এনেকৈয়ে সিহঁতৰ মাজত এক গভীৰ প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠিছিল।

এসপ্তাহ পিছত সিহঁতৰ দলটো অৰুণাচলৰ পৰা গুৱাহাটী অভিমুখে যাত্ৰা কৰিলে। আৰু অৱশেষত গুৱাহাটী আহি পালে। মৌচমে নীলাক্ষিৰ পৰা বিদায় লৈ ঘৰলৈ উভতিল। মৌচমক কাষত পাই মাক-দেউতাক বহুত আনন্দিত হ'ল।

মৌচমৰ দুই মাহ পিছত বি.এ. ফাইনেল পৰীক্ষা আৰু পৰীক্ষাৰ বাবে সি দিন-ৰাতি সমান কৰি পঢ়িব ধৰিলে। অৱশেষত তাৰ পৰীক্ষাও শেষ হ'ল আৰু তিনিমাহ পিছত তাৰ ৰিজাল্টো ওলাল। সি প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে।

ৰিজাল্ট দিয়াৰ কেইদিনমান পিছতে মৌচমে এটা ভাল চৰকাৰী চাকৰি পালে। চাকৰি পোৱাৰ পিছত সি তাৰ মাক-দেউতাকক নীলাক্ষি আৰু তাৰ ভালপোৱাৰ বিষয়ে জনালে। মাক-দেউতাকেও কোনো আপত্তি নকৰি মৌচম আৰু নীলাক্ষিৰ বিয়াখন পাতি দিলে।

বিয়াৰ এবছৰমান পিছতে মৌচমৰ অসুখ হ'ল। সি ডাক্তৰক দেখাই গম পালে যে তাৰ 'কেন্সাৰ' হৈছে। সি এই কথাটো তাৰ ঘৰৰ মানুহৰ পৰা লুকাই ৰাখিলে। কাৰণ তেতিয়া তাৰ পত্নী নীলাক্ষি গৰ্ভৱতী আছিল।

কেইদিনমান পিছতে মৌচম আৰু নীলাক্ষিৰ জীৱনলৈ আহিছিল এটি মৰম লগা কন্যাশিশু— মৃণালী।

মৌচমে হয়তো এই আনন্দ আৰু বেছি দিন নাপাব। কাৰণ তাৰ বেমাৰ বেছি হ'ব ধৰিলে। তেতিয়া সি অনুভৱ কৰিছিল যে, এই বেমাৰ তাৰ নিচাযুক্ত দ্ৰব্য সেৱন কৰাৰ ফলত হৈছে। মৌচমে ঘৰৰ মানুহে নজনাকৈ এই নিচাযুক্ত বস্তু সেৱন কৰিছিল। মৌচমৰ কেন্সাৰৰ কথা আৰু বেছিদিন লুকাই ৰাখিব নোৱাৰিলে। তাৰ বেমাৰৰ কথা ঘৰৰ মানুহে গম পালে। বহুত চিকিৎসা কৰিলে, ডাঙৰ ডাঙৰ ডাক্তৰক দেখুৱালে; তথাপিও কোনো সুফল নাপালে। মৌচমৰ অৱস্থা দিনকদিনে বেছিহে বেয়া হ'বলৈ ধৰিলে। মৌচমৰ ঘৰৰম মানুহে গম পালে যে সি নিচাযুক্ত বস্তু সেৱন কৰিছিল। সি চিগাৰেট খাইছিল। যিটো নেকি তাৰ মাক-দেউতাক আৰু তাৰ পত্নীয়ে কোনোদিনে জনা নাছিল। যেতিয়া গম পাইছিল তেতিয়া বহু দেৰি হৈছিল আৰু এই নিচাযুক্ত বস্তুৱেই এদিন মৌচমৰ মৃত্যুৰ কাৰণ হ'ল।

এদিন নিশা সকলোকে দুখ সাগৰত পেলাই মৌচমে এই পৃথিৱীৰ পৰা চিৰদিনৰ বাবে বিদায় ল'লে। নীলাক্ষিক বিধৱা কৰি তাইৰ ভালপোৱাক মোহাৰি আৰু সিহঁতৰ শিশুটিক পিতৃহীন কৰি গুচি গ'ল এক অজান দেশলৈ। ❒

# বাৰিষাৰ এৰাতি



দীপজ্যোতি শৰ্মা
স্নাতক দ্বিতীয় বৰ্ষ

তিনি আলিটোৰ পৰা পূবফালে নামি পথাৰৰ একা-বেঁকা বাটটোৰে নদীটোৰ পাৰত উঠিব পাৰি। এই পাৰতেই মাধৱীহঁতৰ জুপুৰিটো। পৰিয়াল বুলিলে সিহঁত প্ৰাণী তিনিটা- মাধৱী, গিৰিয়েক আৰু দুমহীয়া সন্তানটো। আজি দুদিন ধৰি মাধৱীৰ জ্বৰ। খোৱা-লোৱা ভালকৈ কৰিবই পৰা নাই। ৰাতিপুৱাই দৰৱ আনিম বুলি ওলাই যোৱা মানুহটো এই নিশা এঘাৰ বজালৈ আহিয়েই পোৱা নাই। "হে করুণাময়, তেওঁৰ যেন একো বিপদ-বিঘিনি নঘটে। তেওঁ য'তে নাথাকক ভালে-কুশলে থাকক।" এই জনশূন্য ঠাইখনত অকলশৰে এই ৰাতিলৈ, মনটোত এক অজান বিৰহেৰে ভৰাই তুলিছিল অনাগত সম্ভাব্য বিপদৰ আশংকাই। মাধৱীয়ে কপালত হাত দি দেখে জ্বৰো বেছি হৈ আহিছে। কথাবোৰ চিন্তা কৰি থাকোতে হঠাৎ বিজুলী ঢেৰেকনীৰ শব্দত কেঁচুৱাটোৱে কান্দিবলৈ ধৰিলে। কেঁচুৱাটোৰ কান্দোনত সম্বিত ঘূৰাই পাই মাধৱীয়ে আলফুলকৈ কোলাত তুলি নিচুকাব ধৰিলে—

ঃ অ' অ' ...। নাকান্দিবা, নাকান্দিবা ...।

আনহাতে বাহিৰত প্ৰচণ্ড বেগেৰে ধুমুহা বৃষ্টিপাত নামি আহিছিল। নদীখনত অবিৰামভাৱে বৰষুণৰ টোপালবোৰ পৰাত নদীখনো ক্ৰমাৎ ফেনে-ফোটোকাৰে বাঢ়ি আহিছিল। মাধৱীৰ বুকুখন চিৰিংকৈ উঠিল। বুকুখনত এক তীব্ৰ বিষ অনুভৱ কৰিবলৈ ধৰিলে। কথাবোৰ ভাবি থাকোঁতে তাইৰ ভৰিখন বৰফ যেন চেঁচা হৈ গৈছিল। তললৈ চাই দেখে পানী। "হে, দয়াময়, মইনো তোমাৰ ওচৰত কি পাপ কৰিছিলো, মোক যে ইমান নিষ্ঠুৰ শাস্তি বিহিছা।" তথাপি বুকুত সাহস গোটাই লৈ অৱশ্যম্ভাৱী সময়ৰ আহ্বান গ্ৰহণ কৰি কেঁচুৱাটো কোলাত চাদৰখনেৰে মেৰিয়াই লৈ ইষ্টদেৱতাক স্মৰণ কৰি যুগ্ম জীৱনৰ পাতনি মেলা উকুখা পঁজাটোক প্ৰণাম জনাই ঘৰৰ পৰা বাহিৰলৈ ওলাল, নিৰাপদ আশ্ৰয়ৰ সন্ধানত। এখোজ-দুখোজ কৰি মাধৱী গৈ আছে আৰু লগে লগে অলপ অলপকৈ পানী বৃদ্ধি হৈ আছে। চাওঁতে চাওঁতে পানী বাঢ়ি আহি আহি মাধৱীৰ ডিঙি পালে। কেঁচুৱাটো মূৰত তুলি লোৱাৰ বাহিৰে তাইৰ আৰু গত্যন্তৰ নাছিল। হিম শীতল যেন পানীয়ে মাধৱীৰ শৰীৰটো থৰক-বৰককৈ কঁপাই তুলিছিল আৰু লগতে জ্বৰৰ প্ৰকোপ দুগুণে চৰিছিল। তথাপি প্ৰাণৰ মায়াত, কেঁচুৱাটোৰ মমতাত, জীয়াই থকাৰ বাসনাত গৈ আছে। ইফালে ঠাণ্ডা পাই কেঁচুৱাটোৱে কান্দিবলৈ ধৰিলে। মাধৱীয়ে যিমানে আগুৱাই যায়, সিমানে কেঁচুৱাটোৱে কান্দিবলৈ ধৰে। সেই মুহূৰ্তত তাই এক প্ৰচণ্ড বিস্ফোৰণৰ শব্দ শুনিবলৈ পালে। মাধৱীয়ে আৰ্তনাদ কৰি উঠিল। তাই বুজিলে যে মথাউৰিটো আৰু নাই। নিমিষতে মনটো ভাঙি চুৰমাৰ হৈ গ'ল। তাইৰ বুকুখন বিষাদেৰে ভৰি পৰিল। এক বুজাব নোৱাৰা আতংকই মনটো ভাৰাক্ৰান্ত কৰি তুলিলে। অষ্ঠ-কণ্ঠ শুকাই গৈ ডিঙিত যেন কিহবাই চেপি ধৰিছিল। জীয়াই থকাৰ শেষ আশাখিনিও নিৰ্বাপিত হ'ল। ইমান পৰে যে কেঁচুৱাটোৱে কান্দি আছিল গমকে পোৱা নাছিল। "মোক ক্ষমা কৰা সোণটো, মই নিৰুপায়। তোমাৰ তৃষ্ণা দূৰ কৰিবলৈ মই অসমৰ্থ। তোমাৰ এই হতভাগিনী 'মা'ক অভিশাপ দিয়া। বিচ্ছেদৰ যন্ত্ৰণাই মনটো বিষন্ন কৰি তুলিছিল। জীৱনৰ এই অন্তিম ক্ষণত ন্যূনতম মৰমখিনি দিব নোৱাৰাত অন্তৰখনে হাহাকাৰ কৰিছিল। ধাৰাষাৰে চকুলো নিগৰিছিল। "মই যে নিৰুপায় তোমাৰ পেটৰ ক্ষুধা মোচন কৰিবলৈ।" কেঁচুৱাটোক সান্ত্বনা দিয়াৰ কোনো ভাষা বিচাৰি পোৱা নাছিল। "নাই নাই, এয়া হ'ব নোৱাৰে— মোৰ মৰম, ভালপোৱা, উত্তাপেৰে তোমাক জীয়াই ৰাখিব লাগিব। এই জনমত আৰু তোমাৰ মনোবাঞ্ছা পূৰ্ণ কৰিব নোৱাৰো।" ইফালে পানীৰ টৌবোৰে আহি মাধৱীৰ নাকৰ পাহিত কোবাইছিল। মূৰটো যেন আচন্দ্ৰাই কৰিছে। "মই আৰু স্থিৰে থাকিব নোৱাৰো। উশাহ-নিশাহবোৰ আগতকৈ ঘন হৈ আহিছে। মই আৰু এখোজো দিব নোৱাৰো। আৰু কেইমুহূৰ্তমান পাছত মোৰ জীৱনৰ বন্তিগছিও নুমাব। মোৰ অবৰ্তমানত কেঁচুৱাটোৰ জীয়াই থকাৰ শেষ আশা স্তিমিত হ'ব।" ক'ৰবাত কিবা সহায়ৰ আশাত মাধৱীয়ে চাৰিওফালে এবাৰ চকু ফুৰালে। হঠাৎ তক্তা এখনত চকু পৰিল। এন্ধাৰৰ মাজত যেন পোহৰৰ ৰশ্মি দেখিবলৈ পালে, মনটোত এক আশাৰ সঞ্জীৱনী বিয়পি পৰিল। চকুত অযুত সপোনৰ লুকাভাকু খেলিলে। তাই দেহৰ সমস্ত শক্তি আহৰণ কৰি তক্তাখন ওচৰলৈ আনি কেঁচুৱাটো শুৱাই দিলে। কেঁচুৱাটোৱে তেতিয়াও কান্দি আছিল। তাই হয়তো বুজিছিল "এয়াই হয়তো মোৰ মাৰ লগত শেষ দেখা। জীৱনত আৰু হয়তো কাহানিও দেখা নাপাম।"

"মোৰ সোণ, মোৰ আশীৰ্বাদ আজীৱন তোমাৰ লগত থাকিব।" শেষবাৰৰ বাবে মাধৱীয়ে হেঁপাহ পলুৱাই কেঁচুৱাটোৰ নয়নাভিৰাম উপভোগ কৰিলে। আৰু অশ্ৰুসিক্ত নয়নেৰে হাতখনত দীঘলীয়াকৈ মৰম আঁকি দিলে। "বিদায় মোৰ সোণ, বিদায়।" লগে লগে মাধৱীৰ হাতখন তক্তাখনৰ পৰা এৰা খাই পানীৰ মাজত বিলীন হৈ গৈছিল। বাৰিষাৰ কোবাল সোঁতে কেঁচুৱাটোক উটুৱাই নিছিল। দূৰণিৰ পৰা ৰিণিকি ৰিণিকি ভাহি আহিছিল কেঁচুৱাটিৰ ক্ৰন্দন। ❒

# আনন্দৰ বৰষুণ



মিছ হাফিজা বেগম
স্নাতক দ্বিতীয় বৰ্ষ

আজি জিন্নাতাৰাৰ মনটো বহু ভাল লাগি আছে, কাৰণ তাই ৰাতিপুৱা সোনকালে শুই উঠি ফজৰৰ নমাজ পঢ়িলে আৰু কোৰানখনো পাঠ কৰিলে। এইফালে তাইৰ আব্বাকে কলেজত যোৱা খৰচ বুলি তাইক দুখন পঞ্চাশ টকীয়া নোট দিলে। তাই সৃষ্টিকৰ্তাক কিমানবাৰ যে প্ৰাৰ্থনা জনালে। গা ধুই ভাতমুঠি খাই তাই কলেজৰ ইউনিফৰ্মযোৰ পিন্ধি ল'লে। নিজকে আয়নাৰ সন্মুখত বাৰে বাৰে চালে। নিজক যেন পৃথিৱীৰ ভিতৰত সবাতোকৈ ধুনীয়া ছোৱালী বুলি ভাবিলে। আব্বাকক চালাম জনাই বাছষ্টেণ্ডলৈ ওলাই আহিল।

চিটিবাছ নৰখিলে। ৰিক্সাত যাম বুলি ভাবি ৰিক্সাৱালাক ক'লে— "অ'ই ৰিক্সা, ব'ল কলেজলৈ।"

"কোনখন কলেজ বাইদেউ?" —ৰিক্সাৱালাই সুধিলে।

"অ'ই প্ৰথম ৰিক্সা চলাইছা নেকি? নাজান কোন কলেজৰ ইউনিফৰ্ম! মঙলদৈ মহাবিদ্যালয়।" —তাই ধমকিৰ সুৰত ক'লে।

ৰিক্সাখনত উঠি তাইৰ বৰ ভাল লাগিল। আনদিনা চিটিবাছত উঠাতকৈ আজিৰ ৰিক্সাখন তাইৰ বাবে ৰাজ সিংহাসন এখনৰ দৰে লাগিল। চিটিবাছ বুলি ক'লেই তাইৰ মনলৈ আহে এদল ঘৰ্মাক্ত মানুহৰ গাৰ পৰা ওলোৱা দুৰ্গন্ধ। গাতে গা লগাই অহা ঠেলা-হেঁচাৰ মুহূৰ্ত। তাতে ছোৱালী দেখিলে ল'ৰা বিলাকৰতো কথাই নাই। "অ'ই বেয়া লগা নাই। ক'ত বা ঘৰ। চিনাকি হ'ব পাৰিলে ভাল আছিল। ফোন নাম্বাৰটো বা কিমান" — ইত্যাদি ইত্যাদি কথা। তাইৰ ভাবিলে অসহ্য লাগে। তাইৰ মোবাইলটো বাজি উঠিল। ৰিচিভ কৰিব ওলাওতে কাট খাই গ'ল। মিচড্ কল, তাইৰ বান্ধৱী ইন্দিৰাই দিছে। তাই ভাবিলে আব্বাকে দিয়া এশ টকাৰ পৰা পঞ্চাশ টকাৰ ৰিচাৰ্জ কৰিব। তাইৰ ভাল বান্ধৱী পাঁচজনীমান আছে। সিহঁতলৈ ফোন কৰিব। পোন্ধৰ টকা ৰিক্সাক দিব। বাকী ৰোৱা পইচাখিনি জমা কৰি এটা বেগ কিনিব, তাইৰ বেগটো পুৰণা হৈছে। নতুন বেগ এটা পোৱাৰ আশাত তাইৰ মনটো ভাল লাগিল।

"অ'ই, তোৰ নামটো কি?" —তাই হঠাতে ৰিক্সাৱালাটোক সুধি পেলালে।

"কাক সুধিছে বাইদেউ? মোক!" —সি আব্দাৰৰ সুৰত ক'লে।

"অ' তোকে সুধিছো।" —তাই ক'লে।

"নাই বাইদেউ, আপুনি মোবাইলত কথা পতা বুলিহে ভাবিছিলো। মোৰ নাম মহিবুল।" —সি ক'লে।

কম বয়সীয়া ল'ৰাজনৰ মাতত যেন আছে বহুতো ৰুদ্ধ হৈ থকা হেজাৰ যুগৰ হুমুনিয়াহ। কাৰোবাক প্ৰাণ ঢালি ক'ব খোজা বহুতো দুখৰ বতৰা। কৃষ্ণ বৰণৰ যদিও তাইৰ ল'ৰাটোক ভাল লাগি গ'ল। তাইৰ তাক আপোন মানুহৰ দৰে লাগিল।

"তুমি ৰিক্সা কিয় চলোৱা? ইমান কষ্ট হয়, আন কাম কৰিলে কি হয়?" —তাই মৰমৰ সুৰত সুধিলে।

"কি কৰিম বাইদেউ? ভনী এজনী আছে। তাই স্কুলত পঢ়ে। মা বেমাৰী, বাবাৰ মৃত্যু হৈছে। ভনীজনীৰ পঢ়া খৰচ, মাৰ ঔষধৰ খৰচকে সামৰি ঘৰৰ সকলোখিনি মোৰ ওপৰতে। খেতিৰ মাটিও নাই। ৰিক্সাখন চলাই কোনোমতে ঘৰখনক পোহপাল দিও।" —সি ক'লে।

তাইৰ অন্তৰখনৰ কোনোবা এঠাইত সেই অজানা ল'ৰাটোলৈ স্নেহভাৱ জাগি উঠিল। ক'ব নোৱাৰাকৈ অচিনাকি ল'ৰাটোৰ কথাত তাইৰ মুখখন শেতা পৰি গ'ল।

"বাইদেউ, আপোনাৰ কলেজ পালো।"

তাই তেতিয়াহে সম্বিৎ ঘূৰাই পালে। অজানা এটি আবেগে যেন তাইক বেগৰ পৰা পঞ্চাশটকীয়া নোটখন উলিয়াই তাক দিবলৈ অনুমতি জনালে।

"বাইদেউ, খুচুৰা নহ'ব। বহনি কৰিছোহে মাত্ৰ।"— সি ক'লে।

"মোক খুচুৰা নালাগে যোৱা।" —তাই ক'লে।

"কিন্তু ... ...।" — সি ক'লে

"মোবাইলৰ ৰিচাৰ্জতকৈ আজি এই পইচাখিনিৰ তোমাৰ বেছি প্ৰয়োজন" —এইবুলি তাই কলেজৰ ভিতৰলৈ খোজ ল'লে।

তাইৰ মনটোত এক অনাবিল আনন্দই বিৰাজ কৰিলে। পইচাখিনি পোৱাৰ সময়ত তাইৰ যিমান আনন্দ লাগিছিল, ল'ৰাটোক পইচাখিনি দিয়াৰ সময়ত তাতকৈ বেছি ভাল লাগিল। দেহ-মন পুলকিত কৰা সুখ এটিয়ে তাইক চৌদিশে ঘেৰি ধৰিলে। তেতিয়া তাইৰ মনটো ফৰকাল লাগিছিল, কিন্তু এতিয়া তাইৰ মনৰ লগতে আকাশখনো ফৰকাল লাগিল। ফৰকাল আকাশৰ তলত গাজনি-ঢেৰেকনি নোহোৱাকৈয়ে যেন তাইৰ অশ্ৰুদ্বয়ৰ তলত দুটোপাল আনন্দৰ বৰষুণ সৰি পৰিল। ❐

# অচিনাকি বন্ধু

হিমাদ্ৰী ডেকা
স্নাতক প্ৰথম বৰ্ষ



ধূলিৰ কণিকাবোৰে মুক্ত আকাশখনক আৱৰি ৰাখিছিল। কিছু সময়ৰ পিছত হয়তো ধূলিবোৰ আঁতৰিব। কিন্তু তেতিয়ালৈ সেই ফৰকাল আকাশখন চাবলৈ কিজানি কোনোৱেই সাৰে নাথাকিব।

ৰাতিপুৱাৰ মিচিকিয়া হাঁহিটো মাৰি সূৰুযৰ কিৰণবোৰ চৌদিশে বিয়পি পৰিছিল। তেতিয়া ঘড়ীটোৱে ন-বজাৰ সংকেত দিছিল। এটি শান্ত কোঠাৰ পৰা এজন বৃদ্ধ ওলাই আহিছিল আৰু কিছু বাট খোজ কাঢ়ি ৰাজপথৰ যান-বাহনবোৰৰ মাজত তেওঁ নেদেখা হৈ পৰিছিল। তেওঁ ক'ত হেৰাই পৰিছিল, মোৰ দৃষ্টিয়ে বিচাৰি পোৱা নাছিল। এনেদৰে সদায় বৃদ্ধজন নোহোৱা হোৱা দেখা গৈছিল। মানুহজনক দেখিলে ধাৰণা হয় তেওঁৰ বাহ্যিক জীৱনটিৰ আঁৰত নিশ্চয় কিবা এটা লুকাই আছে। কিবাটো বাৰু কি হ'ব পাৰে? তেওঁৰ জীৱনৰ বিষয়ে জানিবলৈ খুব মন গ'ল। দুই-এজনৰ পৰা বৃদ্ধজনৰ জীৱনত ঘটা কাহিনী কিছু শুনিছো। বৰ্তমান যুগত তেওঁ সৎ হ'বলৈ গৈ হে পৰিছিল এজন অসৎ ব্যক্তি। মোৰ মনৰ মাজত খেলিমেলি লগাই থকা নানা প্ৰশ্নৰ উত্তৰ বিচাৰি মই এদিন তেওঁক লগ ধৰাৰ সিদ্ধান্ত ল'লো।

আবেলিৰ সময়ত বৃদ্ধজনৰ ঘৰ বুলি খোজ ল'লো। বেছি দূৰ নহয়, খোজ কাঢ়িয়ে যাব পাৰি। আমাৰ ইয়ালৈ অহা বেছি বছৰ হোৱা নাই। তেখেতে মোক বা চিনি পায়নে নাপায়। কিছু ভয় আৰু শংকা কৰি গৈ থাকোতেই তেওঁৰ ঘৰ পালো। দিওঁ-নিদিওঁকৈ দৰ্জাখনত টুকুৰিয়ালো। ঘৰ বুলিবলৈ কোঠা এটাই। তাত কোনো আভিজাত্যৰ চিন নাই। ওচৰত থকা সুন্দৰ সুন্দৰ ঘৰবোৰৰ তুলনাত তেওঁৰ ঘৰটো আছিল অতি নগণ্য। দৰ্জাখন খোলোতে কিছু পলম কৰিছিল। হয়তো কিবা কামত ব্যস্ত আছিল। কোনো সংকোচ নাৰাখি মোক পুৰণা চিনাকিৰ দৰে ব্যৱহাৰ কৰিছিল। তেওঁৰ সন্মুখত মোৰ মনৰ প্ৰশ্নবোৰ প্ৰকাশ কৰিব নোৱাৰিলো।

লাহে লাহে তেওঁৰ লগত সম্পৰ্ক এটি গঢ়ি উঠিল। সেই সম্পৰ্ক হ'ল বন্ধুত্বৰ সম্পৰ্ক। যেতিয়া মই বৃদ্ধজনৰ আগত বন্ধুত্বৰ প্ৰস্তাৱ দিছিলো তেতিয়া মোক আচৰিতভাবে তেওঁ অতি সহজেই আদৰি লৈছিল, যিটো মই কল্পনাই কৰিব পৰা নাছিলো। তেওঁ মোক কৈছিল যে আজিলৈ হেনো কোনোৱে তেওঁৰ বন্ধু হ'ব বিচৰা নাই। আনকি তেওঁ বিচাৰিলেও সকলোৱে তেওঁৰ পৰা আঁতৰি যায়। হয়তো তেওঁ এজন বেয়া মানুহ বুলি স্বীকৃতি পোৱাৰ কাৰণে।

আমাৰ বন্ধুত্ব ক্ৰমান্বয়ে গভীৰ হৈ পৰিছিল। সদায় ক'ৰবালৈ যোৱাৰ আগতে তেওঁ মোক মাত দি যায়। ক'লৈ যায় কিন্তু এদিনো মোক কোৱা নাছিল। যিমানে তেওঁৰ ওচৰ চাপিলো সিমানেই তেওঁৰ জীৱনৰ কথাবোৰ জানিবলৈ দুগুণে আগ্ৰহ উপজিল। হয়তো তেওঁ মোক সকলো ক'ব বিচৰা নাছিল তথাপি আপোন বুলি কিছু ক'লে। যিখিনি কথা তেওঁৰ জীৱনত ঘটি গ'ল তাক শুনি এনে লাগিল যেন ময়ো তেনে এটা চৰিত্ৰৰ ভাওঁ লৈ আছো।

তেওঁ আৰু কৈছিল যে, তেওঁৰ এক নিঃসংগ জীৱন কটোৱাতো হয়তো ভগৱানেও কামনা কৰিছিল। তেওঁৰ পৰিয়াল বুলিবলৈ কোনো নাই। পৰিয়াল বুলিবলৈ আছিল যদিও কোনো কাৰণত তেওঁ পৰিয়ালৰ পৰা অৱহেলিত হৈ সেই পৰিয়াল আৰু সমাজখনৰ পৰা দূৰলৈ আহিব লগা হ'ল। সকলোৰে পৰা এজন বেয়া ব্যক্তি বুলি স্বীকৃতি পাই তেওঁ সেইদিনা যি ওলাল আৰু কাহানিও উভতি নগ'ল।

তেওঁক বেয়া বুলি স্বীকৃতি দিয়াৰ কাৰণ কি জানিব বিচৰাত তেওঁ গহীন হৈ পৰিছিল আৰু তেওঁ মোক পিছত এদিন ক'ব বুলি প্ৰতিশ্ৰুতি দিছিল। ময়ো মান্তি হৈছিলো।

এনে ধৰণে দিনবোৰ পাৰ হৈ যাব ধৰিলে। সিদিনাও ঠিক সাত বজাৰ লগে লগে মোৰ বন্ধুজন সেই শান্ত কোঠাৰ পৰা ওলাই আহি মোক মাত দিলে। মই খৰধৰকৈ বাহিৰলৈ ওলালো।

ঃ তুমি যাব ওলালা? যোৱা।

আচৰিতভাৱে মোৰ ফালে তেওঁ চাই ৰৈছিল।

ঃ কি চাইছা?

ঃ আজি মোক নোসোধা মই ক'লৈ যাম?

ঃ কি লাভ? সুধিলেও জানো তাৰ উত্তৰ মই পাম?

আৱেগ ভৰা মন এটি লৈ তেওঁ মোক কৈছিল— মাজনী চাওঁ আহা। তুমি মোৰ ওচৰলৈ আহা আৰু শুনা এটি গোপন কথা।

মই তেওঁৰ ফালে চাই হাঁহিছিলো খুব জোৰেৰে।

ঃ তুমি হাঁহিছা?

ঃ অ' মই হাঁহিছো। হাঁহি উঠাই কথা কৈছা তুমি। তুমি অ'ত দিনৰ বন্ধুত্ব আজি সলালা দেখোন। কেনেকৈ friend ৰ পৰা মাজনী হ'ল? তুমি পৰিৱৰ্তন হ'ব বিচাৰিছা নেকি?

ঃ নাই, মই জানো পৰিৱৰ্তন হ'বলৈ সময় আছে? ভাবিছো তুমি আচলতে কোন? কোনো ধৰণৰ তেজৰ সম্পৰ্ক নোহোৱা এজনী ছোৱালী মোৰ কেনেকৈ আপোন হ'ল? তাকো মোৰ নিচিনা আনে বেয়া পোৱা এজন বৃদ্ধৰ লগত। সঁচাই মই তোমাৰ পৰা বহুখিনি পালো। যিবোৰ নেকি মই অ'তদিনে বিচাৰি হাহাকাৰ কৰি ফুৰিছিলো। বাৰু বাদ দিয়া সেইবোৰ। অ', তুমি যে কৈছা মোৰ জীৱনৰ কথাবোৰ তোমাক ক'ব লাগে বুলি।

ঃ সঁচা, আজি তুমি মোক তোমাৰ জীৱনৰ কথা ক'বা। আহা, আহা। ভিতৰত বহি ক'বাহি। ইমান দিনে মোৰ মনৰ মাজত থকা প্ৰশ্নৰ উত্তৰ মই আজি পাম। কোৱা, সোনকালে কোৱা।

ঃ ধৈৰ্য ধৰা। ইমান আনন্দিত হ'ব নালাগে। মই সকলো ক'ম মাজনী। চাওঁ তোমাৰ হাতখন দিয়া।

ঃ লোৱা, এইখন। অ'ত দিনে বিচাৰি ফুৰা প্ৰশ্নৰ উত্তৰ তুমি ইয়াত পাবা। ইয়াত মোৰ সাঁচতীয়া বহু ধন আছে। তুমি তাক অৱহেলা নকৰিবা। মই তোমাৰ ওচৰত অনুৰোধ কৰিছো তুমি ইয়াক অৱহেলা নকৰিবা।

এখন ডাঠ মটীয়া ৰঙৰ যথেষ্ট ডাঙৰ বহী। সেইখনৰ ওপৰত চকু দি থাকোঁতেই মোৰ বন্ধুজন ক'ত হেৰাল মই ধৰিবই নোৱাৰিলো। তেওঁ এতিয়া বহু দূৰ পালে চাগে।

তেওঁৰ সেই মটীয়া বহীখন কি? মই বুজিবলৈ যত্ন কৰিলো। সেইখন নিশ্চয় তেওঁৰ ডায়েৰী। —এয়া কি, মোক দেখোন চাৰিওপিনৰ পৰা দপ-দপকৈ জ্বলি উঠা জুয়ে আগুৰি ধৰিছে। মই একো উপায় পোৱা নাছিলো। মাথোঁ মোৰ মৰমৰ বন্ধুৰ ডায়েৰীখন বুকুত সাৱটি লৈছিলো আৰু খুব চিঞৰি কান্দিব ধৰিছিলো। মই জুই আৰু ডায়েৰীখনৰ বাহিৰে একোৱেই দেখা পোৱা নাছিলো। মই খুব কষ্ট কৰি কান্দিব লগা হৈছিল আৰু মই ভাগৰি পৰিছিলো। যিমানেই মই কান্দিব বিচাৰিছিলো সিমানেই মই কষ্ট পাইছিলো।

ঃ মাজনী ... মাজনী। কি হৈছে তোমাৰ? চাওঁ কি হৈছে?

মাৰ মাতত মই উচপ খাই উঠিলো।

ঃ বেয়া সপোন দেখিছিলা নেকি মাজনী?

মই নিস্তব্ধভাবে কৈছিলো আৰু দুয়োখন গালতেই হাত ফুৰাই চাইছিলো, ক'ৰবাত চকুপানী নাইতো। মাৰ আগত কিছু লাজো পালো। ৰক্ষা, মোৰ গালত চকুপানী নাছিল। □

*মই কিতাপ পঢ়ি ইমান ভাল পাওঁ যে মোৰ সমস্ত ঐশ্বৰ্য ভাণ্ডাৰৰ বিনিময়তো মই কিতাপ পঢ়াৰ অধিকাৰ ত্যাগ কৰিব নোখোজো।*

*— এডৱাৰ্ড গিবন*

*যিবোৰ কিতাপে সকলো প্ৰাণীৰ প্ৰতি আমাৰ মনত গভীৰতম সহানুভূতি জগাই তোলে, আমি বাস কৰা পৃথিৱীখনৰ প্ৰতি, আমাৰ মনত প্ৰেম ভাৱ জগাই তোলে, আৰু জীৱনৰ অসীম ৰহস্য সম্পৰ্কে আমাৰ মনত জগাই তোলে অপাৰ বিস্ময়-বোধ, তেনেবোৰ কিতাপকেই আমি আটাইতকৈ বেছি ভাল পাওঁ আৰু চিৰদিন মনত ৰাখোঁ।*

*— ৰবাৰ্ট লীও*

*কিছুমান কিতাপে আমাৰ মনক আনন্দ দিয়ে, অন্য কিছুমানে উপদেশ দিয়ে, অন্য কিছুমানে আকৌ আমাৰ স্বভাৱৰ উৎকৰ্ষ সাধন কৰে — এই শ্ৰেণীৰ কিতাপহে আমি অধ্যয়ন কৰা উচিত।*

*— ডক্টৰ এছ. ৰাধাকৃষ্ণণ*

*যিখন কিতাপেই আপোনাক আটাইতকৈ বেছি চিন্তা কৰিবলৈ শিকায়, সেইখন কিতাপেই আপোনাক আটাইতকৈ বেছি সহায় কৰে।*

*— থিয়'ড'ৰ পাৰকাৰ*

*মূৰ্খইহে কিতাপ ধাৰলৈ নিয়ে, কিন্তু যিজনে কিতাপ ধাৰলৈ নি ওভতাই নিদিয়ে তাৰ সমান বুৰ্বক নাই।*

*— জৰ্জ বাৰ্ণাড শ্ব*

# I-COLLEGE (আই কলেজ)

নৱনীতা শৰ্মা
স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান)



মাৰ্চিডিজখনৰ পৰা নামিয়েই প্ৰেচিডেণ্ট ডক্টৰ ব্ৰমিন চৌধুৰীদেৱে I-COLLEGE ৰ 'নৱ-নিৰ্মিত প্ৰধান গেট্খনত চকু ফুৰালে। গেট্খন নিৰ্মাণত ডেৰ কোটি টকা ব্যয় হৈছিল।

চৌধুৰী মানুহজন সুদৰ্শন চেহেৰাৰ, সৎ চৰিত্ৰ আৰু শিক্ষা-দীক্ষা আদি সকলো ফালৰপৰা প্ৰেচিডেণ্ট হিচাপে সুযোগ্য ব্যক্তি। গেট্খনৰ পৰা চকু আঁতৰাই তেওঁ চিধা প্ৰিন্সিপালৰ কোঠাত সোমালগৈ। প্ৰিন্সিপাল ডক্টৰ হিলিয়াম চক্ৰৱৰ্তী মানুহজন পৰ্যাবৃত্ত তালিকা (Periodic Table) ৰ হিলিয়াম নামৰ মৌলটোৰ দৰেই Noble। Punctual হিচাপে তেৱেঁই কলেজৰ একমাত্ৰ ব্যক্তি।

চৌধুৰী আৰু চক্ৰৱৰ্তী, দুয়োজনে কলেজৰ আৰ্থিক সমস্যা সন্দৰ্ভত কিছু বাৰ্তালাপ কৰিলে। আধাঘণ্টামান পিছত কোঠাটোত মেনেজিং ডাইৰেক্টৰ (MD) ৰ প্ৰৱেশ ঘটিল। এম.ডি.ৰ পৰিচয়টো এনে ধৰণৰ, নাম ঃ শ্ৰীচডিয়াম হাজৰিকা, শিক্ষা ঃ স্নাতক, মানুহজন চুটি-চাপৰ। দেখিবলৈ Handsome নহ'লেও কলেজৰ প্ৰায়বোৰ বিভাগ পৰিচালনাৰ দায়িত্ব হাজৰিকাৰ হাততে অৰ্পণ কৰা হৈছে। কৰ্মতনো আকৌ কিহৰ ৰূপৰ দৰকাৰ? কিছুমান কৰ্মত অৱশ্যে Handsome হোৱাৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি।

আজি চৌধুৰী আৰু চক্ৰৱৰ্তীৰ হাজৰিকাৰ ওপৰত খুব খং। নহ'বনো কিয়? যিমানহে দেৰিকৈ কলেজলৈ আহিছে। চৌধুৰীয়েতো হাজৰিকাক এক ধমকিয়ে দিলে। হাজৰিকাৰো পিছে উপায় নাই; দিনটো কলেজ পৰিচালনাত ব্যস্ত থাকিব লাগে; তদুপৰি সন্ধিয়া ঘৰলৈ গৈ সংসাৰৰ ভেজালবোৰ মাৰি দহ বজা মানত ভাতকেইটা খাই উঠি নিশা এক-দুই বজালৈ কম্পিউটাৰত কলেজৰ বিভিন্ন বিষয়ৰ ফাইল বনাব লাগে। ৰাতিপুৱা শুই উঠাত দেৰি মানে সকলো দেৰি।

টেলিভিছনত মেগাষ্টাৰ অমিতাভ বচ্চনে অংশ গ্ৰহণ কৰা Hajmola ৰ বিজ্ঞাপন চাই চাই হাজৰিকাই আজিকালি যিকোনো দাবী-ধমকিকে সহজতে হজম কৰিব পৰা হৈছে।

চৌধুৰী, চক্ৰৱৰ্তী আৰু হাজৰিকা তিনিওজনে খন্তেক বাৰ্তালাপ কৰি নিজ নিজ কামত মনোনিবেশ কৰে।

কলেজ চৌহদৰ পশ্চিমফালৰ পুৰণি ভৱনকেইটিতে বৰ্তমান পাঠদান চলি আছে। পুব আৰু উত্তৰ এলেকাত নতুন বিল্ডিংসমূহৰ নিৰ্মাণকাৰ্য পূৰ্ণ গতিত চলি আছে। প্ৰত্যেকটো বিল্ডিঙতে আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অপূৰ্ব সমাহাৰ দৃষ্টিনন্দন। নতুন বিল্ডিংসমূহৰ আধাৰশিলা অনুষ্ঠানটি মহা ধুম-ধামেৰে সম্পন্ন হৈ যায়। অনুষ্ঠানটিত দেশ-বিদেশৰ বহুতো গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি কলেজ কেণ্টিনখন কলেজ চৌহদৰ ঠিক সোঁমাজতে 'Star' হোটেলৰ দৰে নিৰ্মাণ কৰি থকা হৈছে। কলেজৰ উত্তৰ-পশ্চিম প্ৰান্তত এখন ষ্টেডিয়াম নিৰ্মাণৰ কাম চলি আছে। পূৰ্বৰ জিৰণি চ'ৰা দুটি ভাঙি সেই একে স্থানতে ডাঙৰকৈ নিৰ্মাণ কৰা হৈছে।

Expiry Date পাৰ হৈ যোৱা চিকিৎসা কেন্দ্ৰটো ভাঙি তাৰ ঠাইত বহু সুবিধাযুক্ত নতুন চিকিৎসা কেন্দ্ৰ এটা স্থাপন কৰা হৈছে। আগৰ পাৰ চৰাইৰ বাহৰ দৰে এম্বুলেন্সবোৰ আঁতৰাই তাৰ সলনি এয়াৰ কণ্ডিচন সংলগ্ন বৃহদাকাৰৰ "জন্মেজয়-207" নামৰ এম্বুলেন্স সেৱা প্ৰৱৰ্তন কৰা হৈছে।

ডিচেম্বৰ মাহ পৰিল। ছাত্ৰ-ছাত্ৰীসকলৰ পিকনিক খোৱাৰ বতৰ। স্নাতক দ্বিতীয় বৰ্ষৰ দুজনমান ল'ৰা গৈ চক্ৰৱৰ্তী আৰু হাজৰিকাদেৱক পিকনিকলৈ যোৱাৰ বাবে অনুৰোধ কৰিলে। সিহঁতে চক্ৰৱৰ্তী আৰু হাজৰিকাদেৱক জনালে যে, পিকনিক ১৩ ডিচেম্বৰত, স্থান ... ... ...। হাজৰিকাই ল'ৰাকেইজনক উদ্দেশ্যি ক'লে "Unlucky-13, তাতে আকৌ শনিবাৰ, দে হ'বদে, তহঁতে ঠিক কৰিলিয়েই যেতিয়া যাম বাৰু।"

পিকনিকলৈ যোৱাৰ বাবে এখন Video-Coach ৰিজাৰ্ভ কৰা হৈছে। ১৩ ডিচেম্বৰৰ ৰাতিপুৱা ৬ বজাৰ লগে লগে যাত্ৰা আৰম্ভ হ'ল।

বহুকেইজন ল'ৰা-ছোৱালীৰ দায়িত্ব লোৱাৰ টেনছনত আগদিনাখন ৰাতি চক্ৰৱৰ্তী আৰু হাজৰিকাৰ টোপানিয়েই অহা নাছিল। সেয়ে অলপ দূৰ যোৱাৰ পিছতে তেওঁলোক দুয়ো টোপনিত লালকাল হৈ পৰিল। এঘণ্টামান পিছত দুয়োৱে সাৰ পালে। ল'ৰা-ছোৱালীহঁত ঠিকে-ঠাকে আছেনে নাই চাবলৈ দুয়ো ছিটৰ পৰা উঠি দেখে যে একেবাৰে পিছৰ ছিটটো খালী আৰু যাত্ৰাৰ আৰম্ভণিতে ল'ৰা-ছোৱালীহঁত যেনেকৈ বহিছিল, তেনেকৈ নাই; তাৰ পৰিবৰ্তে প্ৰত্যেকটো ছিটতে এজন ল'ৰা আৰু এজনী ছোৱালী। সিহঁতক বেছ স্ফুৰ্তিত থকা দেখা গ'ল। দুয়োৱে বুজিবলৈ বাকী নাথকিল যে বাছখন প্ৰেমিক-প্ৰেমিকাৰে ভৰ্ত্তি এখন প্ৰেম ৰাজ্যলৈ পৰিণত হৈছে।

প্ৰেচিডেণ্ট ডক্টৰ চৌধুৰীদেৱে কলেজৰে এগৰাকী অধ্যাপিকা মিচ্ এণ্টিমণি শইকীয়াৰ লগত একেটা ছিটতে বহি কলেজ শীৰ্ষক

কথোপকথনত ব্যস্ত হৈ আছে।

মনৰ বেজাৰত হাজৰিকা আৰু চক্ৰৱৰ্তীদেৱে নিজৰ নিজৰ ঠাই দুটিকে পৰস্পৰে সালসলনি কৰি ল'লে। পিকনিকলৈ ৰান্ধনি হিচাপে নিয়া মানুহজন আৰু বাছখনৰ কণ্ডাক্টৰজনৰো একেই অৱস্থা। তেওঁলোক দুয়োৰেও চক্ৰৱৰ্তী আৰু হাজৰিকাৰ পন্থাকে অৱলম্বন কৰিলে। যাত্ৰাকালত এই চাৰিজন ব্যক্তিয়ে উক্ত ঠাই সালসলনি প্ৰক্ৰিয়াটো তেৰ-চৈধ্যবাৰমান সম্পন্ন কৰিলে।

সৌভাগ্যক্ৰমে বাছখনৰ ড্ৰাইভাৰজনে উক্ত ঘটনাৱলী দেখা নাছিল। নহ'লে ... ...

বাছখন যথাসময়ত পিকনিক প্লেচ পালেগৈ। বাছৰ পৰা নামিয়েই সকলোৱে নিজ নিজ কামত ব্যস্ত হৈ পৰিল। ল'ৰা কেইজনমানে ঠাইডোখৰ চাফা কৰাত লাগিছে; কিছুমানে আকৌ স্ক্ৰীণ তৰা কামত ব্যস্ত। ছোৱালীকেইজনীমানে চাহৰ যা-যোগাৰ কৰিছে; কেইজনীমানে আকৌ ব্ৰেডত জেলী লগোৱাত মগ্ন। চাহ খোৱা হোৱাৰ পিছত চৌধুৰী, চক্ৰৱৰ্তী আৰু হাজৰিকা তিনিওৱে পাহাৰৰ ওপৰলৈ বন বিহাৰৰ উদ্দেশ্যে যাত্ৰা কৰিলে।

সময় পাৰ হৈ গৈ আছে। ৰান্ধনি ভীষণ ব্যস্ত। ছোৱালীবোৰৰ কেইজনীমানে ৰান্ধনিক সহায় কৰিছে। কেইজনীমানে আকৌ পিকনিক প্লেচৰ কাষৰ নিজৰাটোত কেইজনমান ল'ৰাৰ সৈতে পানী ছটিওৱা খেলত মগ্ন। পানী ছটিওৱা খেল খেলি সকলোৱে ফটো উঠাৰ আমেজ ল'ব ধৰিলে।

দুজনমান ল'ৰাই প্ৰায় দুই-তিনি মিনিটৰ মূৰে মূৰে গৰু খেদিব ধৰিলে। এই ল'ৰাকেইজনৰ কাৰণেহে হয়তো পিকনিক খোৱাটো সম্ভৱ হৈ পৰিল। যিমানহে গৰু! শ্ৰীকৃষ্ণৰ ব্ৰজধামৰ সংখ্যায়ো কিজানি ফেৰ মাৰিব নোৱাৰিব।

সময়ৰ সোঁত nonstop বৈ আছে। যথাসময়ত ভোজ খাই সকলো ঘৰ অভিমুখে ৰাওণা হ'ল।

আহোঁতেও চক্ৰৱৰ্তী আৰু হাজৰিকাদেৱে ঠাই সালসলনি কৰিবলৈ নাপাহৰিলে। সন্ধিয়া সাত বজামানত কলেজৰ ওচৰৰ বাছ ষ্টেণ্ডটোত সকলো ল'ৰা-ছোৱালী নামি নিজ নিজ গৃহাভিমুখী হ'ল। চৌধুৰী আৰু মিছ শইকীয়াৰ ঘৰ অলপ দূৰত হোৱা হেতুকে তেওঁলোকক বাছখনেৰেই ঘৰৰ কাষত থৈ অহা হ'লগৈ।

একেবাৰে শেষত চক্ৰৱৰ্তী, হাজৰিকা আৰু ৰান্ধনিজন বাছৰ পৰা নামিল। তিনিওৰে ঘৰ ওচৰা-ওচৰি বাবে একেলগে ঘৰলৈ বুলি খোজ দিলে। বাটত চক্ৰৱৰ্তীয়ে হাজৰিকা আৰু ৰান্ধনিজনক উদ্দেশ্যি ক'লে— "Unlucky-13 হ'লেও কিন্তু আমাৰ আজি কোনো হানি-বিঘিনি নহ'লদেই।" ইমান সময়ে মনে মনে গৈ থকা হাজৰিকাই ক'বলৈ ধৰিলে— "ছাৰ, আমাৰ ক্ষেত্ৰত পিছে Unlucky-13 কথাষাৰ আখৰে আখৰে সঁচা হ'ল; বাছত যিহে ঠাই সালসলনি কৰিলো, মোৰতো এতিয়া কঁকালটো বিষাবলৈয়ে ধৰিছে। চক্ৰৱৰ্তী আৰু ৰান্ধনিজনে হাজৰিকাৰ কথা শুনি নাহাঁহি নোৱাৰিলে।

ইয়াৰ পিছতো বহুতো ছাত্ৰ-ছাত্ৰীয়ে কেইবাবাৰো চক্ৰৱৰ্তী আৰু হাজৰিকাদেৱক পিকনিকলৈ যাবলৈ অনুৰোধ কৰিছিল যদিও দুয়োজনে সেৱা পোনছাটেই নাকচ কৰিলে। তেওঁলোকৰ পৰিৱৰ্তে চৌধুৰী আৰু মিছ শইকীয়াহে ছাত্ৰ-ছাত্ৰীসকলৰ লগত যাবলগীয়াত পৰে।

চাওঁতে চাওঁতে জুন মাহ পৰিল। কলেজৰ নৱনিৰ্মিত ভৱনসমূহ সুন্দৰকৈ সজাই-পৰাই তোলা হৈছে। কলেজ চৌহদৰ গছ-গছনি তথা আটকধুনীয়া ভৱনসমূহৰ বাবে I-College ত এতিয়া এক অপূৰ্ব সৌন্দৰ্যই বিৰাজ কৰিছে।

নামভৰ্ত্তিৰ সময় সমাগত। নামভৰ্ত্তি প্ৰক্ৰিয়াত বিশৃংখল পৰিবেশ সৃষ্টি নহ'বলৈ আৰু কলেজ পৰিচালনাত যাতে অসুবিধাৰ সৃষ্টি নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি চৌধুৰী, চক্ৰৱৰ্তী আৰু হাজৰিকাদেৱে এখন Conference ৰ আয়োজন কৰিলে। Conference ৰ সিদ্ধান্তমৰ্মে কলেজ পৰিচালনাত এম.ডি.ক সহায় কৰিবলৈ Internet যোগে চাৰিগৰাকী বিদেশী লোকক মোটা দৰমহাৰ বিনিময়ত চুক্তিবদ্ধ কৰা হ'ল। এইখিনিতে I-College ৰ Website টোৰ বিষয়ে জনা ভাল হ'ব। Website টো হ'ল "www.i-col.hebrona.com" (হিলিয়াম → He, ব্ৰমিন→ Br, চডিয়াম→Na)

নামভৰ্ত্তিৰ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ তিনিদিন পূৰ্বে বিদেশী লোক কেইগৰাকী ক্ৰমে ৰেডন টেইলৰ, মাইকেল ফৰফৰাছ, জেমছ্ মলিবডেনাম আৰু উইলিয়ামছ্-আৰ্গন-হেৰিটেজ কলেজত উপস্থিত হ'লহি। এওঁলোকৰ উপস্থিতিয়ে এম.ডি.ক এক বিশেষ সুস্থিৰতা প্ৰদান কৰিছে।

কলেজ পাঠ্যক্ৰমত নতুনকৈ বহুতো বিষয় অন্তৰ্ভুক্ত কৰা হোৱা বাবে বিভিন্ন বিষয়ৰ অধ্যাপক পদৰ বাবে এক ইণ্টাৰভিউৰ আয়োজন কৰা হৈছে। I-College ৰ দৰে এখন বিশ্বমানৰ কলেজৰ অধ্যাপক হৈ গৌৰৱান্বিত হোৱাৰ কামনাৰে দেশ-বিদেশৰ বহুতো উচ্চশিক্ষিত লোকে ইণ্টাৰভিউ দিবলৈ হেতা-ওপৰা লগোৱা পৰিলক্ষিত হৈছে।

দেশ-বিদেশৰ বহুতো ল'ৰা-ছোৱালীয়ে উচ্চ শিক্ষা লাভৰ হাবিয়াসেৰে I-College ত নামভৰ্ত্তি কৰিলে।

আগষ্ট মাহ। কলেজৰ পাঠদান পূৰ্ণগতিত চলি আছে। দেশ-বিদেশৰ বহুতো 'সুন্দৰী যুৱতী'ৰ আগমনে কলেজখন আগতকৈ বহুগুণে আকৰ্ষণীয় কৰি তুলিছে।

"... ... নিয়ন, অ' নিয়ন।" —বায়েকৰ মাতত নিয়ন টোপনিৰ পৰা চক্‌মক্‌কৈ সাৰ পাই উঠিল। সি বায়েকক উদ্দেশ্যি ক'লে— "ধেই, ইমান ধুনীয়া সপোনটো তই নিমিষতে আইনা ভঙাদি ভাঙি পেলালি।

বায়েক ঃ কি আই কলেজ, আই কলেজ কৰি ভোৰভোৰাই আছ? আজি ৰবিবাৰেও তোৰ কলেজ আছে নেকি অ'?

নিয়ন ঃ আজি কলেজ নাই অ' বাইদেউ। I-College মানে Imaginary College, অৰ্থাৎ কাল্পনিক কলেজ। মোৰ কল্পনাৰ কলেজ। তই কি বুজিবি, I-College কি সুন্দৰ!

বায়েক ঃ দে হ'বদে, এতিয়া আৰু ভঙা আইনা যোৰা দি থাকিব নালাগে, উঠ, সোনকালে উঠ।

বিছনাখন এৰিয়েই নিয়নে সোঁহাতখন দাঙি একপ্ৰকাৰ চিঞৰাৰ দৰেই ক'লে, "জয়তু আই কলেজ।" ❐

নীলা খামৰ চিঠি

# বিষয় ঃ প্ৰেমৰ প্ৰস্তাৱ

দিগন্ত শৰ্মা
উচ্চতৰ মাধ্যমিক, দ্বিতীয় বৰ্ষ

*"Love is a suitable language of heart."*

**মৰমৰ ... ...**

হৃদয়ৰ গুপুত সঁজাত বন্দী কৰি ৰখা মৰমবোৰ তোমাকেই দিব বিচাৰো। মই বৰ অকলশৰীয়া অ'। অকলশৰীয়াকৈ মই এই ভয়লগা বাস্তৱ চলাই নিব নোৱাৰা হৈ পৰিছো। তোমাক দেখাৰ দিনাই মোৰ সেউজীয়া পৃথিৱীত প্ৰেৰণাৰ সুৰুষ ভুমুকি মাৰি উঠিছিল আৰু ময়ো সেই সেউজীয়া পৃথিৱীতে জীয়াই থাকিবলৈ লৈছিলো। শুনাছোন, তুমি কেতিয়াবা নীলিম আকাশৰ তলত তৰা গণি পাইছানে? গণিবাচোন, বহুত ভাল লাগিব। জোনাক নিশা অকলশৰে বহি তোমাৰ কথাই ভাবো, জানা! আৰু হৃদয়ত অনুভৱ কৰো তোমাৰ অস্তিত্ব। সঁচাকৈয়ে আজি মই মাতাল হৈ পৰিছো তোমাক পোৱাৰ আকাংক্ষাত।

অ' বহুত কথাই ক'লো, তোমাক দেখোন মই আচল কথা কোৱাই নাই। আজিৰ এই জটিল বাস্তৱত জীয়াই থাকিবলৈ হ'লে কাৰোবাৰ প্ৰেৰণা, উৎসাহ, মৰম, ভালপোৱা আদিৰ প্ৰয়োজন। সঁচাই, মোকো আজি তোমাৰ মৰমৰ প্ৰয়োজন। অৰ্থাৎ মই তোমাক ভাল পাওঁ। তুমি কিন্তু নাভাবিবা মই তোমাৰ ওচৰত অভিনয় কৰিছো বুলি। অভিনয় মই কৰা নাই। তথাপি কৈছো তোমাক মই ভাল পাওঁ। তোমাৰ বৃত্তৰ পৰিধিৰ মাজত মোক আৱদ্ধ কৰিবানে? তুমি মোৰ অস্তিত্ব বুকুত উপলব্ধি কৰিবানে?

তোমাৰ সঁহাৰিৰ অপেক্ষাত ... ...।

তোমাৰ দুৰন্ত প্ৰেমিক—

নীলা খামৰ চিঠি

# এখন অনুভৱী হৃদয়ৰ পৰা

ডেইজী চহৰীয়া
স্নাতক দ্বিতীয় বৰ্ষ

**মৰমৰ জোনাক**

আৰম্ভণিতে মোৰ অতদিনৰ সাঁচতীয়া মৰমবোৰ হিয়া উজাৰি পঠালোঁ। আজি হয়তো 'মোৰ মৰমৰ' বুলি লিখাৰ অধিকাৰকণ নাই, তথাপিও সযতনে ৰাখি থোৱা হৃদয়ৰ অনুভৱবোৰ আজি প্ৰকাশ কৰিব বিচাৰিছোঁ, জোনাক।

মনত পৰেনে তোমাৰ তাহানিৰ সেই দিনবোৰলৈ, তুমি মোৰ হৈ থকা দিনৰ কথাবোৰ। বহুত ভাল পাইছিলো তোমাক। ভাবিছিলো মৰমৰ উমেৰে আৱৰি ৰাখিম তোমাক, কোনেও চুব নোৱাৰাকৈ। হাৰি হাৰি জিনিব বিচৰা মোৰ হৃদয়খনে বোৱাব বিচাৰিছিল তোমাৰ হৃদয়ৰ পৰা মোৰ হৃদয়লৈ এখন প্ৰেমৰ নৈ। বুকুত এমুঠি সপোন লহপহকৈ বাঢ়ি অহাৰ সময়তেই তুমি বিচ্ছিন্ন হৈ পৰিলা ...। মই তোমাক ধৰি ৰাখিব নোৱাৰিলো, জোনাক। তুমি আঁতৰি যোৱাৰ পিছতো হৃদয়ত এসাগৰ বাসনা লৈ মই জীয়াই থাকিলো একমাত্ৰ তোমাক পোৱাৰ হেঁপাহতেই। তুমি চাগে মোৰ নিসংগতাবোৰ, জ্বলি জ্বলি শেষ হৈ যোৱা আশাবোৰ আৰু ভাব বৰ নোৱাৰাকৈ থকা বেদনাবোৰ উপলব্ধি কৰিছিলা, সেয়েই চাগে অন্য এজনীৰ হৈ যোৱাৰ পিছতো মোৰ ওচৰলৈ আহিছিলা এমুঠি শোকৰ ফুল উপহাৰ দিবলৈ। আজি আবেগৰ বুকুত জ্বলি থাকে কেৱল হৃদয় ক্ষত-বিক্ষত কৰা স্মৃতিবোৰ। ভাগৰুৱা অৱসাদে নিঃশেষ কৰি নিয়ে হৃদয়ত থাকিব খোজা অনুভূতিৰ আবেগবোৰ। দুখবোৰে হিচাপ কৰে ৰিক্ত বাসনাৰ। দুখক কিহেৰে নিচুকাম জোনাক, দুখেহেচোন মোক নিচুকাব লাগিছে। উচুপনিয়ে আজিও ভৰাই ৰাখে মোৰ প্ৰতিটো উজাগৰী নিশা।

কেতিয়াবা যদি লগ পাওঁ তোমাক জীৱন পথত জনাম মোৰ ভগ্ন সপোনবোৰ এটা এটাকৈ হৃদয়ৰ বান্ধোন খুলি। আধৰুৱা কথাৰে অসম্পূৰ্ণ মোৰ দৈনন্দিন হুমুনিয়াহে গধুৰ কৰে এতিয়া। বহুত মন যায় জোনাক, তোমাৰ চকুত চকু ৰাখি সুধিবলৈ, "তুমি তোমাৰ নতুন প্ৰেয়সীৰ সৈতে কিমান সুখী?"

তোমাৰ ব্যস্ততাৰ মাজতো মাত্ৰ অকণমান সময় উলিয়াই আহিবাচোন এদিন, মোৰ ওচৰলৈ, দেখুৱাই দিম তোমাক প্ৰতাৰিত হৃদয় এখনেও যে কিমান আশাৰে সেই একেজন প্ৰেমিকৰ প্ৰতীক্ষাত আশাৰ শলিতা জ্বলাই থাকিব পাৰে ...। ইতিত—

তোমাৰেই এসময়ৰ
'মেঘালী'

# কবিতা কানন

*ব্যক্তিগত মনৰ ভাবৰ প্ৰতিফলন হ'লেও পৃথিৱীৰ বিখ্যাত গীতি-কবিতাবিলাকত ব্যক্তিগত অনুভূতিতকৈ মানৱীয় অনুভূতি বেছি।*

# মহাবিদ্যালয় সংগীত

ৰচনা ঃ শ্ৰীপ্ৰভাত চৌধুৰী
সুৰ আৰু স্বৰলিপি ঃ কুমাৰ আনন্দ নাৰায়ণ দেৱ
তাল ঃ দাদ্ৰা (ভাটখাণ্ডে পদ্ধতিত স্বৰলিপি কৰা হৈছে)

মহাজীৱনৰ মহা সাধনাৰ
আশাৰ গজালি তুমি,
জ্ঞান গৰিমাৰ ধ্যান ধাৰণাৰ
মহান পুণ্যভূমি।। ১।।

অজ্ঞানতাৰ তমসা ৰাতিত
জনতা আছিল ডুবি,
জ্ঞানৰ প্ৰদীপ শিখাৰে বিলালা
সুধা সঞ্জীৱনী।
বিকশিত আজি শত শতদল
তোমাৰ চৰণ চুমি।। ২।।

বিয়পি পৰিছে চৌদিশে আজি
তোমাৰ জ্যোতিৰ বান,
শত প্ৰদীপৰ জ্ঞানৰ জ্যোতিৰে
তুমি যে দীপ্তিমান।
তোমাৰ আভাত হওক প্ৰতিভাত
নৱ প্ৰতিভাৰ খনি।। ৩।।

▼▼▼

**সুৰ আৰু স্বৰলিপিকাৰ কুমাৰ আনন্দ নাৰায়ণ দেৱ ২৭ আগষ্ট/০৯ তাৰিখে স্বৰ্গগামী হয়। তেখেতৰ বিদেহী আত্মাৰ সদ্গতি কামনা কৰিলোঁ।**
*— সম্পাদনা সমিতি*

# তোমাৰ সুৰৰ চুমাত

বিজয়া বড়া
অধ্যাপিকা, অসমীয়া বিভাগ

দৰঙী ৰজাবৈই ৰক্ত প্ৰবাহত
ফুলিছিলা ফুল হৈ তুমি
সুৰৰ সাধনাৰে আনিলা জোৱাৰ
বোৱালা সুৰৰ নদী।

দলিতজনৰ হুতাশ প্ৰেমিকৰ উছাহ
তোমাৰ সুৰতেই উঠে প্ৰৱাহি।

তোমাৰ সুৰত উমাল হয়
শীতৰে সেমেকা ৰাতি
কণমাণিৰ দুচকুতো জ্বলে সপোনৰ বাতি।

তোমাৰ সুৰৰ মধুৰ মুৰ্চ্ছনাত
'মহাজীৱনৰ সাধনাৰ ... ...' সংগীতটিত
নাচি থাকে আশাৰ গজালি।

আশীৰ দশকতেই নন্দৰ সৈতে আনন্দ হৈ
ভ্ৰাম্যমানতো বৈ গ'ল সুৰ জিবি জিৰি
সুশোভিত হ'ও সুৰৰ ভূমি।

'সোণৰ হৰিণ', 'পুতলা ঘৰ' আৰু 'ৰাংঢালী'
পান কৰালা হেজাৰজনক
সুৰৰ অমিয়া ৰাগি।

দুচকুত সপোন যুগজয়ী শিল্পী হোৱাৰ
হঠাতেই অচিন বা লাগি মৰম গ'ল মৰহি
সপোনো গ'ল মলঙি।

ৰাত্ৰি নীৰৱ হ'ল
সুৰ থমকি ৰ'ল
এতিয়া অনন্ত শয্যাত তুমি।।

*(মহাবিদ্যালয় সংগীতৰ সুৰকাৰ আনন্দ নাৰায়ণ দেৱৰ সোঁৱৰণত)*

# বেদনা বিধুৰ

ডক্টৰ কুমুদ চন্দ্ৰ শৰ্মা
মুৰব্বী অধ্যাপক (উদ্ভিদ বিজ্ঞান)

পাললিক শিলাস্তৰৰ
ভাঁজে ভাঁজে
এদেও দুদেওকৈ
আগুৱাই আহি থকা
বিৱৰ্ত্তনৰ সূত্ৰধাৰ
আজি বেদনা বিধুৰ।
দিশহাৰা ... ...
ক্ষিতি, অপ, তেজ,
মৰুৎ, ব্যোম
নিশ্চুপ সময়ৰ সাক্ষী
চিন-মোকাম নাই সৰলতাৰ
জটিল, কেৱল জটিল।
সাৱলীল নীতিৰ
সলিল সমাধিত
ম্ৰিয়মান ধৰণী
চৌদিশে ধূসৰতা
মাথোঁ ধূসৰতা ... ...
সূৰুযৰ খঙাল চাৱনিত
দেই-পোৰে দেহ
বিদীৰ্ণ মলয়া
অন্তহীন ক্লেশ।
ৰিঙিয়াই আহিছে সেয়ে
বিৱৰ্ত্তনৰ বাণী
হিৰন্ময় শান্তিৰ বাবে
তুমি ... ...
এৰি দিয়া ভূমি
তিমিৰৰ স'তে তোমাৰ
কিয় মিতিৰালি? ❐





# এটি তৰাৰ মৃত্যুত

বিপ্লৱ গোহাঁই
স্নাতক তৃতীয় বৰ্ষ (অৰ্থনীতি)

ৰাতি বহুত হ'ল
তথাপিতো মই জাগ্ৰত
জ্যোৎস্নাৰ মাদকতাপূৰ্ণ সেই জিলমিল আকাশত
সকলো নিস্তব্ধ-নিৰ্বাক
সকলোৱে মৌনসভা পাতিছে
কিয়নো,
যোৱাৰাতি এটা তৰাৰ মৃত্যু হৈছিল।
বেদনাৰ অশ্ৰুৰে যেন তিয়াই পেলাইছিল
মোৰ ফুলনিৰ
সূৰ্যমুখীৰ পাহবোৰ
মৃত্যুশোকত ঢলি পৰিছিল
শুকুলা শেৱালিৰ সুকোমল মণিবোৰ
আৰু
হৃদয়খন ভাঙি টুকুৰা-টুকুৰ হৈছিল।
মোক হাত বাউলি মাতিছিল
কেইটামান হতভগীয়া পপীয়া তৰাই
আত্মাৰ সদ্‌গতিৰ বাবে যেন
গোটেই পূৰ্ণিমাৰ ৰাতি
মংগলাচৰণ কৰিছিল
কেইটিমান নিৰীহ উঁইচিৰিঙাই,
যেন শূন্যতাৰ হাতত হেৰাই গৈছিল
বিশ্বৰ সকলো সৌন্দৰ্য,
কিন্তু মই ভাবি বিভোৰ হৈছিলো
সন্ধিয়াৰ আকাশত মৃত্যু হোৱা তৰাটিৰ কথা। ❐

# শৰৎ ঋতু

গীতালী শৰ্মা
অধ্যাপিকা, সংস্কৃত বিভাগ

(১)

সেউজীয়া দুবৰিৰ পদুলি গচকি
সংগোপনে শৰৎ আহে
শৰতৰ বাবেই দুবৰিয়ে
নিয়ৰৰ মুকুতা পিন্ধে।
শৰৎ মানেই শুভ্ৰ শেৱালি ফুলৰ বতৰ
তলসৰা শেৱালিয়ে
আলফুলে চুমা যাচে
দুবৰিৰ মুকুতা ধাৰিত।
সুবাসিত হয় চৌদিশ
হৃদয়ত উঠে মধুৰ ঝংকাৰ
শৰৎ আহিলে জোনাকে পোহাৰ মেলে
আকাশৰ সীমনাত।
জোনাকেৰে বিধৌত দূৰ দিগন্তত
জিলমিল তৰালিৰ সমাহাৰ।

(২)

শৰৎ অহাৰ আনন্দত
শস্য শ্যামলা প্ৰকৃতিয়ে নৱৰূপ লয়
শস্য সম্ভৰা পথাৰখনিত
চিৰিলি-চিৰিলি পাতৰ মাজত
কুসুম ফুলে
বতাহজাকে কঢ়িয়াই লৈ আহে
প্ৰাণৰ মাধুৰিসনা
পথাৰ পথাৰ গোন্ধ
হয়তো! শৰতে নেজানে
শৰৎ অহাৰ আনন্দত যে
উছাহত নধৰা হয় উতনুৱা চিত।



(৩)

উছাহৰ দ্বীপ বুকুত বান্ধি
দুৰ্গাদেৱী নামি আহে
সৰগৰ পৰা ...
ষোড়শ পচাৰেৰে পূজা অৰ্চনা
কৰা হয় দেৱীৰ বেদীত
শংখ-ঘণ্টাৰ ধ্বনিত
নিনাদিত হয় চৌদিশ
অনুৰণিত হৈ বাজি থাকে
আমাৰ হৃদয়ত
কিন্তু হায়—
অনন্ত কালৰ বাবে ই নহয়
অহা বাটে সংগোপনে
গুচি যায় শৰৎ
সিঁচি থৈ যায় মাথোঁ
মুঠি মুঠি সুবাস ভৰা
জীৱনৰ সঞ্জীৱনী সুধা। ❒



# নামবিহীন ছাঁ

বন্দনা শৰ্মা
স্নাতক তৃতীয় বৰ্ষ (কলা)

অৰ্ধ উলংগ তাইৰ দেহ
হাতত তাইৰ তুলসীৰ মালা
কুৰি শতিকাৰ মদিৰাত তাইৰ দেহ সন্নিৱিষ্ট
তাই উন্মনা পিয়াসিনী।
তাইৰ দেহ কামনাসিক্ত
চকুত দুৰ্ভিক্ষৰ ছাঁ,
বস্ত্ৰৰ নামত কলংকিতা তাইৰ বক্ষ
নিতম্বৰ অৰ্ধভাগত তাইৰ কামনাসিক্ত বস্ত্ৰ
তাইৰ দেহেই তাইৰ অস্ত্ৰ
তাই বাৰু দুৰ্ভিক্ষ
নে?
দুৰ্ভগীয়া??? ❒

# মোক জীপাল হ'বলৈ দিয়া তোমাৰ গীতৰ সভাত ...

জোনমণি ডেকা
স্নাতক দ্বিতীয় বৰ্ষ

তাম বৰণীয়া দিনবোৰত
তোমাক দেখিবৰে পৰা
এটা সপোনে কচৰৎ কৰিছিল ...
তোমাক স্পৰ্শ কৰিলেই যেন
নামি আহে
হেজাৰটা বসন্তৰ গান ... ...
তোমাৰ গীতৰ সুবাস
নিয়ৰত তিতা খৰিকাজাঁই পাহৰ দৰে
প্ৰতিটো গানৰ কলিত
ৰৌদ্ৰোজ্জ্বল পুৱাবোৰত জিলিকে
তোমাৰ সেই অতীতৰ
শতাব্দী প্ৰাচীন দুখবোৰ ... ...
তোমাৰ হৃদজীয়নী কণ্ঠত নামি আহে
মেঘমল্লাৰ বাঁহীৰ ৰাগ ...
কেৱল তোমালৈ অনুৰোধ আৰু অনুৰোধ
মইতো গান গাব নেজানো তোমাৰ দৰে
পূৰ্ণিমাৰ ৰাতি পকি থকা জোনটোৰ দৰে
ৰবাবটোক বাকলিয়াই বাকলিয়াই
তোমাৰ গীত শুনিবলৈ উচুপি থাকো
তন্দ্ৰালী নিশাৰ মায়াবী যাতনাত
তোমাৰ বুকুত উজলি থকা
ক'লা তিলটোৱে সোঁৱৰাই নেকি
তোমাৰ খহি পৰা অষ্টাদশ যৌৱনৰ
নিস্তৰংগ জলধাৰা ... ...।



মই ৰত্নাকৰৰ দৰে গীতৰ সভাত
তোমাৰ বোধত ধ্যানমগ্ন এটি
জোনাকী পৰুৱা
আহিনৰ গেৰধৰা ধাননিডৰা
ফালি আহে ...
তোমাৰ অন্তৰ্নীল কণ্ঠ
য'ত মই বৈ থাকো
শীতৰ শেতেলীত নিৰ্বাক নিষ্পন্দ হৈ ... ...
খন্তোছ পৃথিৱীত মাজে মাজে
উচুপি উঠো
কেৱল তোমাৰ গীতৰ বাবেহে যেন
জীয়াই আছো ... ...
নেজানো তোমাৰ গানে কিয় নিচুকায়
কাৰ্ফুময় গধূলিবোৰত এবাৰ
তুমি আহিবা আৰু চাই যাবা
সুখৰ সংজ্ঞা কি এই মৰতত ... ...।
মোক জীপাল হ'বলৈ দিয়া
তোমাৰ সেউজীয়া গীতত কঁপি থকা
আঁহত জোপাৰ পাতখিলাৰ দৰে
তোমাৰ গীতৰ সভাত
সৰি পৰক
মোৰ জোনাক ভালপোৱা বকুল ফুলবোৰ। ❐

# সমাধি

পম্পী শৰ্মা
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

জ্বলি জ্বলি শেষ হ'ল
জীৱন নামৰ ধূপগছিৰ
আশাৰ সপোনবোৰ।
স্মৃতিৰ ক'লা ছাইবোৰ
ফাগুনৰ নিলাজী বা লাগি
উৰি যায় সোণোৱালী অতীতলৈ।
বাস্তৱৰ ৰুক্ষ পৃথিৱীত
কল্পনাবোৰ হ'ল বেদনা
মৰমবো হ'ল সমাধি। ❐

# এখন বগা চাদৰ

জাহ্নৱী ভৰদ্বাজ
স্নাতক তৃতীয় বৰ্ষ (কলা)

সিদিনা তুমি মোক
এখন বগা চাদৰ দিছিলা
ৰঙা ক'লা পাৰি থকা
এখন ঢকঢকীয়া বগা চাদৰ
তোমাৰ বুকুৰ উমবোঁৰ পাবলৈ
মই গাত মেৰিয়াই লৈছিলো সেইখন।
তোমাৰ বুকুৰ উমবোৰে মোৰ
হৃদয়খনত কিছু সময়ৰ উন্মেষ
সানি দিছিল ক্ষন্তেকৰ বাবে·
মই তাপ অনুভৱ কৰিছিলো
সৰ্ব শৰীৰত!
লাহে লাহে চাদৰখন খহি পৰিল
মোৰ দেহৰ পৰা!
হয়তো তুমিয়েই আঁতৰাই নিলা
সেইখন!
আজি বহুদিনৰ মূৰত ৰঙিলীৰ
শৰীৰতো দেখিলো সেই
একেখনেই চাদৰ,
এতিয়া তাই মোৰ আগেৰেই
ঘূৰি ফুৰিছে চাদৰখন লৈ
তুমিয়েই দিছিলা নেকি
চাদৰখন তাইক?
বৰ ধুনীয়া লাগিছে তাইক
চাদৰখনেৰে
হয়তো ঠাণ্ডাও কমিছে বহুখিনি
আৰু বুকুত কিছু উম ল'বলৈও
পাৰিছে ... ...! ☐





# আশাৰ টোপোলা

নমিতা শইকীয়া
স্নাতক প্ৰথম বৰ্ষ

মোৰ হৃদয়ৰ দুটি টোপোলা
এটি আশাৰ আনটো নিৰাশাৰ
অথবা ...
এটি হাঁহিৰ আনটো কান্দোনৰ
তুমি আহিছিলা
বসন্তৰ স'তে
দিছিলা হাত
মোৰ আশাৰ টোপোলাত
শুনিছিলো মই ৰাগ কুলিৰ
দেখিছিলো ৰূপ প্ৰকৃতিৰ
কিয়নো
মোৰ হাঁহিৰ আশাৰ টোপোলাত
তোমাৰেই যে হাত
ভাবিছো মই যদিহে আকৌ
আহে ফাগুন
লৈ যায় মোৰ টোপোলা আশাৰ
পাৰিমনে থাকিব জীয়াই লগ হৈ নিৰাশাৰ?? ☐

# হৃদয়ৰ গামোচা

ৰশ্মি মহন্ত
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

দুবৰিৰ দলিচাত
টোপাটোপে সৰি থকা এবুকু মৰম
আলফুলে ৰাখিছো
তোমাৰ হৃদয়ৰ গামোচাত।
আলফুলে খুলিবা ডাকোৰালে দিয়া
হৃদয়ৰ গামোচাখন
দেখিবা তাত মাথোঁ ... ...
এজাক প্ৰেমৰ বতৰা।
প্লিজ, খৰধৰ নকৰিবা
ছিঙিব নিদিবা গামোচাখন
বৰ ভয় লাগে অ'
যদি গামোচাৰ ভাঁজবোৰ
হেৰাই যায়—
আৰু তাত থকা
বিশ্বাস, মৰম, স্মৃতিবোৰ।
আকৌ এবাৰ কৈছো তোমাক
হৃদয়ৰ গামোচাখন
আলফুলে খুলিবা
ৰঙীণ ফুলবোৰক
কেতিয়াও বিশ্বাসঘাতকতা
নকৰিবা।
প্লিজ, খৰধৰ নকৰিবা
গামোচাখন ছিঙিব নিদিবা। □



# জীৱন

ৰেখা দেৱী
স্নাতক তৃতীয় বৰ্ষ (কলা)

তোমাক নাপালে যে মই
মৰি থাকিম তেনেকুৱা
কোনো কথা নাই।
তোমাক হেৰুৱাই যে
শান্তিত থাকিম
তাৰ কোনো নিশ্চয়তা নাই;
সময়ৰ নিষ্ঠুৰ
আহ্বানলৈ
মোৰ কোনো আক্ষেপ নাই।
এই সংগ্ৰামৰ নামেই
জীৱন। □

# প্ৰতীক্ষা

মঃ মোচাহিদ ৰেজা
স্নাতক তৃতীয় বৰ্ষ (আৰবী)

তোমাক লগ পাম।
কি সুধিম? কি সুধিম?
মোৰ কথাৰ উত্তৰ দিবানে তুমি?
তুমিতো মোৰ চিনাকি!

নিশা নিদ্ৰামগ্ন নয়নৰ
ক'লা আন্ধাৰৰ মাজত
তোমাৰ প্ৰতিচ্ছবি কিয়?

ৰাতিপুৱাৰ ৰঙা বেলিৰ পোহৰ দেখি
মুখত হাঁহি,
মনত আশা বান্ধি,
তোমাক লগ পোৱাৰ হেঁপাহেৰে।।

প্ৰতীক্ষাৰ অন্তত;
মোহনীয়া ৰূপত
তুমি অচিনাকিজনী হ'লা। □

# জীপাল নোহোৱা হৃদয়

যুগল কুমাৰ

বাৰিষাৰ চঞ্চলা নদীটোৰ
গাভৰু মনটোৱে
সাজি-কাচি ধুনীয়াজনী হৈ
প্ৰেমিকক লগ পোৱাৰ বাসনাত
আশাৰ দুহাত মেলি
হেঁপাহৰ নাও টুলুং ভুটুং কৰি
যিদৰে মেলি দিয়ে
নীলাভ ফেনিল সাগৰৰ বুকুলে'
ঠিক তেনেদৰে
কেতিয়াবা সপোনত
গাভৰু এজনীৰ হেঁপাহৰ ৰে'লগাড়ী
ঝক্-ঝক্, ঝক-ঝক্ কৰি আহি
মোৰ ষ্টেচনত ৰয়
মুখ গুজি জিৰাব বিচাৰে
মোৰ বুকুত।
কিন্তু, মই তাইক কৈ দিছো
হে অচিনাকী নাৰী
ভালপাওঁ বুলি নক'বা মোক
ভাল পাব নোৱাৰো তোমাক
কাৰণ, কেঁচা তেজ, পোৰা মঙহৰ গোন্ধত
মৰহি গৈছে মোৰ
আশাৰ কুকি, হেঁপাহৰ গজালি।
পুহ মাহৰ জুহালত
অলসভাৱে পৰি থকা
কাঠ খৰিৰ পুৰি শেষ হোৱা
এলান্ধুৰ টুকুৰাৰ দৰে
শুকাই গৈছে
মোৰ হৃদয়ৰ সেউজ।

সেইদিনা আবেলি
দোপালপিটা বৰষুণ দিছিল
গোটেই আবেলিটো মোৰ হৃদয়খনক
বৰষুণত তিতালো
জানোচা জীপাল হয়েই
কিন্তু ক'তা ... ...
গা ধুই উঠি গামোচাখন অটাৰ দৰে
হৃদয়খন আটিছো আৰু আটিছো
পানী কিন্তু এটোপালো নোলাল।
মৰুভূমিৰ বালিয়ে
বহুদিনৰ মূৰত হোৱা সামান্যজাক বৰষুণ
যেনেদৰে নিমিষতে শুহি লয়
মোৰ হৃদয়খনেও
তৃষ্ণাতুৰ এজনৰ দৰে
নিমিষতে শুহি লৈছিল
ৰিমঝিম বৰষুণৰ
সকলোবোৰ টোপাল। ☐

# জোনাকী অনুভৱ

পিনাকী শাণ্ডিল্য

স্নাতক তৃতীয় বৰ্ষ (কলা)

জোনাকৰ বৰষুণত তিতিবৰ মন গৈছে
জোনাক যেন এটি অনুভৱ
হৃদয়ৰ ভাষা বুজা এটি মালিতা।
চাওঁ, মোক চুই চাবলৈ দিয়া
তোমাৰ সেউজীয়া আশা
জীপাল হৈ পৰক দূবৰিডৰা
নিগৰি আহক এটি উমাল সন্ধ্যা
মোৰ দুচকুৰে
উত্তাল যৌৱনৰ পাৰ ভাঙি
আজি ব'ব দিয়া জীৱন গংগা
মোৰ হেঁপাহৰ হালধীয়া পথাৰখনত। ☐



# তোমাকেই ভালপাওঁ বিদিশা

দিশান্ত ৰাজবংশী
স্নাতক প্ৰথম বৰ্ষ

মুখাফালি ক'ব নোৱাৰিলেও
তোমাকেই ভালপাওঁ বিদিশা
বিষাদৰ গধূলি তোমাকেই
বিচাৰি চাওঁ শাওণৰ ন-ভূঁইৰ গোজত
আহিনৰ শ্যামলিমা পথাৰত
আঘোণৰ ঠিকনা সলোৱা
সোণালী খামৰ মাজত
মোৰ নিঃস্তেজ দুটি ওঁঠ
নিশাৰ নিজান কলিজাত
কুৰুকি কুৰুকি উত্তাপ
নিঃপাল দিয়ে
তোমাৰ সেউজ অনুভৱতেই
মোৰ ছিন্নমূল মোহনাত
তুমি প্ৰৱেশিলেই হৈ পৰে
সকলো যাদুকৰী সুবাস
এখন পৰীৰ দেশ
হয় তোমাৰ স'তে
লিগিৰি নিছিগা আলাপ
বন্ধ কৰি হৃদয়ৰ সকলো দুৱাৰ।
মই ক'ব নোৱাৰো শীতৰ
কাঁচিজোনৰ মুনিচুনি পোহৰে
দিব পাৰো তোমাক কিমান কি
নিস্তব্ধ নিশাৰ নিয়ৰবোৰত এতিয়া
নৈ নিজানৰ বিৰিণাজোপা ঠেৰেঙা
সিহঁত বোবা,
মুখফালি ক'ব নোৱাৰে
পচোৱাজাকক ভালপোৱাৰ কথা
তোমাকেই ভালপাওঁ বিদিশা ... ...। ❒

# বৰষুণ তুমি আহিবানে?

প্লাৱন চেতিয়া
স্নাতক তৃতীয় বৰ্ষ (অৰ্থনীতি)

যোৱাৰাতি এজাক বৰষুণ আহিছিল
সকলো তিয়াই পেলাইছিল
মোৰ উৰুখা ঘৰৰ পুৰণি খেৰ ভেদি
সোমাই আহিছিল মোৰ হৃদয়ৰ
নিভৃততম সংকীৰ্ণ কোণলৈ
মোলৈ কঢ়িয়াই আনিছিল
নিভাঁজ হালধীয়া তিক্ত স্মৃতিৰ বোজা।
তথাপি
দোপালপিটা বৰষুণজাকে
মোলৈ কঢ়িয়াই আনিছিল অলেখ সপোন
আৰু
জিলিকাই দিছিল মোৰ তিমিৰাচ্ছন্ন সপোন।
প্ৰজাতিমুলুকৰ দিক্‌বিদিকশূন্য কোনো
এটি নষ্ট ৰাতিৰ স্মৃতিৰ শ্মশানলৈ
মোক উৰুৱাই নিছিল
তেতিয়া দূৰৈৰ কোনো অন্ধকাৰ কোঠাত
যেন বাজি উঠিছিল মানৱতাৰ মৃত্যুঘণ্টা।
বেচেৰা এই শাওণৰ বৰষুণজাক
নাহিলেও দেখোন মোৰেই বেয়া লাগে
আৰু আহিলেও যে
মোৰেই বিপদ!
তথাপি তাকেই ভালপাওঁ
বৰষুণ, তুমি আকৌ আহিবানে?
মোৰ ওচৰলৈ
মোৰ হৃদয়ৰ গোপন কুঠৰীলৈ? ❒



# ব'হাগৰ দুপৰীয়া

অৰ্পণা ডেকা
স্নাতক দ্বিতীয় বৰ্ষ

বাৰিষাৰ বৰষুণজাকে
চিৰিলা-চিৰিল কৰি থৈ যোৱা
হৃদয়ৰ পৃষ্ঠাবোৰত
নতুন পোখা মেলে
এটি নতুন বছৰৰ
ৰঙচুৱা দিনত।
ব'হাগৰ দুপৰীয়া,
ৰঙৰ উৎসৱৰ বেলিকা
কলিজাৰ কেঁচা তেজবোৰ
সেন্দূৰীয়া কৰি তোলে,
সোণাৰুৰ হালধীয়াই।
এজাৰৰ বেজাৰে বিষাদৰ
নৈ বোৱাই।
কৃষ্ণচূড়াৰ সুবাসে
মন নচুৱাই।
কুঁহিপাতৰ কোমল আৱাহনত
কেতেকীৰ মাতত,
নেঘেৰী খোপাৰ
লাহৰী গগণাৰ মাতত,
দূৰৰ ম'হৰ শিঙাৰ মাত
বি-ৰিকৈ ভাহি উঠে
আবেদনময়ী একোটা
ব'হাগৰ দুপৰীয়া। ❒

# দুখৰ পৃথিৱী

সংগীতা বৰুৱা
স্নাতক দ্বিতীয় বৰ্ষ

তেওঁক লগ পালে ক'বা
দুখৰ চুবুৰিত বাস কৰো আমি
যন্ত্ৰণাৰ বৰষুণত জুৰুলি-জুপুৰি
আমাৰ পৃথিৱী।
আমাৰ মৈ দিয়া হৃদয় পথাৰত
গজালি মেলিছে বেদনাৰ কঠীয়া,
প্ৰতিক্ষণে কঢ়িয়াই আনে
দুখৰ মেটমৰা ভাৰ
তেওঁক লগ পালে ক'বা
আবেলি আবেলি মাৰো
যন্ত্ৰণাৰ মৰণা।।
আমাৰ মেচৰ পদূলিত
সুহুৰিয়াই সুহুৰিয়াই পাৰ হয়
আমেজী বতাহ,
আবেগৰ নীলাভ সাগৰত
টুলুঙা নাৱেৰে
আমি জোনাক ভালপোৱা ছোৱালী,
তেওঁক লগ পালে ক'বা
যন্ত্ৰণাৰ বৰষুণত জুৰুলি জুপুৰি
আমাৰ পৃথিৱী।
ক'ত হেৰাল সেই সুখৰ দিন;
কলদিলিয়া খোপাত কপৌফুলৰ প্ৰেম,
লিহিৰি লিহিৰি খোজেৰে পাৰ হওঁ
জীৱনৰ ৰাজআলি।
তেওঁক লগ পালে নুসুধিবা
তেওঁ আৰু আমাৰ কিদৰে চিনাকি;
যন্ত্ৰণাৰ বৰষুণৰ জুৰুলি-জুপুৰি
আমাৰ পৃথিৱী ... ...। ❐



# সপোনৰ ভাৰতবৰ্ষ মোৰ

দিপালী কলিতা
স্নাতক তৃতীয় বৰ্ষ (অসমীয়া)

সিদিনা শুনিছিলো
আইতা-ককাইঁতৰ
সাধুকথাৰ মাজত।
পঢ়িছিলো ইতিহাসৰ
সোণালী পাতত।
ভাৰত হেনো
অনৈক্যৰ মাজত ঐক্যৰ,
চিৰসেউজীয়া অৰণ্যৰ
শংকৰ-মাধৱ, যীশু
হজৰত-নানক আদি
ধৰ্ম প্ৰচাৰকৰ
জ্ঞান সাধকৰ
মহান পুণ্যভূমি।।
দেখিছিলো সপোন
সুজলা-সুফলা,
শস্য-শ্যামলা
ভাৰতমাতাৰ বুকুত
মূৰ থৈ জন্মাৰ দৰে
পুনৰ মুদিম দুচকু।
ভাৰতমাতাৰ বুকুতেই
গাই যাম
"চিৰ সুন্দৰৰ গীত।"
কিন্তু ... ... হায়,
আজি কি হ'ল?
চৌদিশে বাৰুদৰ কোলাহল
কিশোৰী গাভৰুৰ নিৰ্যাতন।
ক'লৈ গ'ল? মহাত্মাৰ অহিংস নীতি,
যীশু, মহম্মদ, বুদ্ধৰ
অমৰ বাণী।
কেউফালে আজি মাথোঁ
বাৰুদৰ ধূলি।
দেখাতো নাছিলো মই
এনে তাণ্ডৱলীলাৰ সপোন।
আই অ' ভাৰতমাতা ...
কান্দিব নালাগে তুমি
বুকুত ভুকুৱাই, হুকহুকাই
আমিও কৰিছো পণ
তোমাৰ উদং বুকু
পূৰ্ণ কৰাৰ।
মই সঁচাকৈয়ে কৈছো
কাবৌ কৰিছো
তুমি কান্দিব নালাগে
বুকুত ভুকুৱাই
নালাগে বোৱাব
তপ্ত গংগাজল।
যিদিনা বুজিব
নিষ্ঠুৰ মানৱে
মানৱ প্ৰেম, মানৱতা
যিদিনা শিকিব
সংস্কৃতিৰ তথা
দেশমাতৃৰ পূজা
দূৰ হ'ব ভণ্ডামি।
সিদিনাই যেন আহিব
দেশলৈ শান্তি
আৰু আই সিদিনাই
পূৰ হ'ব মোৰো
আধৰুৱা সপোন
নতুন ৰূপত উজলিব
সপোনৰ ভাৰতবৰ্ষ মোৰ। ❐

# অনুভৱবোৰ কেতিয়াবা কান্দোন হৈ ওলাই আহে

ৰঞ্জনজ্যোতি শৰ্মা
স্নাতক তৃতীয় বৰ্ষ

অনুভৱবোৰ কেতিয়াবা কান্দোন হৈ ওলাই আহে
হৃদয়ৰ নিভৃত কোণৰ পৰা
আৰু দুহাতেৰে মচি দিওঁ
জানোছা কাৰোবাৰ চকুত ধৰা পৰি যাওঁ।
মাজনিশা বাৰ বজাৰ পাছত,
চহৰৰ সকলো প্ৰাণীয়েই শুই পৰে নিদ্ৰাৰ কোলাত
তথাপি সাৰে থাকে দুটি অশ্ৰুসিক্ত নয়ন
আৰু তেতিয়াই প্ৰয়োজন হয় এটি চিগাৰেটৰ।
"তোক তপত ভাতৰ ধোঁৱাই গাত ধৰিছে"
সকলোৱে মোক এই বুলিয়েই ক'ব
তথাপি নুবুজিব মোৰ মনৰ কথাবোৰ কোনেও
মাথোঁ ক'ব বলকি যোৱা পাগলৰ দৰে।
মদ খাই মাতাল হ'ব নোৱাৰাৰ বাবেই
মোৰ সমাদৰ নাই মদাহীসবৰ মাজত
তথাপি গাই যাওঁ গীত
আথে-বেথে চহৰৰ অলিয়ে-গলিয়ে।
তিনিটকীয়া চাউলৰ ভাত খাওঁ
তথাপি ত্ৰিশ টকাৰেই মই কথা কওঁ
ম'বাইলৰ বেলেঞ্চ শেষ হৈ যাব
আৰু তেতিয়াই মই বাকৰুদ্ধ হৈ যাম।
কোলাহলৰ শব্দই মোৰ মাথা ঘমাই
সেয়েহে নিৰ্জনতা বিচাৰো
শ্মশান মা কালী মন্দিৰৰ পিনে
অথবা মোৰ গাঁৱৰ নিৰ্জন গলিৰ দিশে।
লুইতৰ পাৰৰ কথা মনলৈ আহিছে
এয়া মোৰ যেন আপোন স্থান
য'ত বহি মই আপোন পাহৰা হওঁ
আৰু আগুৱাই যাওঁ
মৃত্যুৰ নিঃছিদ্ৰ গলিৰ মাজেদি
নদীৰ এটি পাৰে মই
আৰু আনটো পাৰে যম (মৃত্যুৰ দেৱতা)
সাঁতুৰিয়েই পাৰ হ'লো হয়
যদিহে নাথাকিলে হয় সেতুখন।
বৰাপানী হ্ৰদৰ পানীবোৰ সঁচাকৈয়ে চেঁচা
সিদিনাখন স্পীড ব'টত উঠি চুই চোৱাতহে বুজিলো
এবাৰ ভাব হৈছিল যদিহে মই জঁাপ দিওঁ
কথাবোৰ সিমানতে শেষ হৈছিল।
হ্ৰদৰ মাজৰ পৰাই দেখিছিলো
দূৰণিত জোকাৰি থকা এখন হাত
আৰু ইদিনাখন বৰষুণত বাৰুকৈয়ে তিতিলো
হয়তো বহুতেই নাজানে বৰষুণ মই ভালপাওঁ
বৰ্ণিল আকাশৰ চাৰিওদিশেই চাইছিলো
জানোছা ৰামধেনু একোখনি দেখা পাওঁ। ❒



# বিষণ্ণতা

ধনদা ডেকা
স্নাতক দ্বিতীয় বৰ্ষ

মোৰ এই উদাসী হৃদয়ত
বিচাৰিছো তোমাৰ বিচৰণৰ
এটি খোজ
মোৰ এই উদাসী পৃথিৱীত
জাঁনো এই বিষণ্ণতা চিৰন্তন
মৌনতাও এই বিষণ্ণতাৰে প্ৰাপ্তি,
তথাপিও চাব খোজো
বিষাদগ্ৰস্ততাৰ এটি-দুটি পৃষ্ঠাবোৰ
যদি লগৰী হ'ব খোজা
বিষণ্ণতা নামৰ সেই পৃথিৱীৰ
হ'ব পাৰা, যদি হ'ব খোজা
অনুভৱৰ এটি অনুভৱ।
বিষণ্ণতাৰো এটি ছবি
আঁকিব পাৰা,
মোৰ স'তে উদাসী পৃথিৱীৰ
চিৰন্তন সেই তুলিকাত।
জীৱন্ত কৰিব পাৰা সেই ছবি
মাথোঁ এখোজ তোমাৰ
এই উদাসী পৃথিৱীৰ বুকুত
চিৰশাশ্বত সেই বিষণ্ণতাত ... ...। ❒

# শোণিত কুঁৱৰী

সংগীতা শৰ্মা
স্নাতক তৃতীয় বৰ্ষ

ইমান অহংকাৰী নহ'বা অনামিকা
ৰূপৰ বাণেৰে তুমি জগত জানো জিনিবা?
ফুলি উঠিব পাৰে তোমাৰ হাঁহিত
নুফুলা ফুলৰ কলিটি,
অথবা তোমাৰ ৰূপত ধৰাশায়ী
বহুতেই হয়তো কঢ়িয়ায় তোমাৰেই স্বপ্নটি।
কিন্তু অনামিকা ... ভাবিবা এবাৰ
ৰূপাগ্নিৰ দাহ এতিয়া অসাৰ।
বহুতো প্ৰেমিক কবিৰ সপোনৰ ৰাজকুমাৰী তুমি অনামিকা
সিহঁতৰ বুকুত তোলপাৰ লগাই কিনো বিচাৰিছা?
তুমি জানো জানা অনামিকা?
তোমাৰ শীতল ছাঁত আশ্ৰয় বিচৰা
সবেই যে মচিলে এতিয়া সপোন মনৰ পৰা।
তোমাৰ বাবেই মন কাননত যাৰ
ফুলি উঠে সুগন্ধি ফুল
তোমাৰ পৰশে এতিয়া কিন্তু
সিহঁতক নকৰে আকুল।
লয়লাস ভংগিমাৰে
এবাৰ সিহঁতলৈ চোৱা অনামিকা
বুজাই দিব সিহঁতে তোমাক মৰমৰ দাম।
দেখুৱাই দিব হৃদয়ে কৰে কি কাম।
শুনা হৃদয়হীনা অনামিকা,
এতিয়া সবেই বুজিছে
দিব যে নোৱাৰা তুমি সুখৰ ঠিকনা,
ভালপোৱা যে তোমাৰ বাবে মাথোঁ এক গহণা।
সবেই বুজিছে,
তুমিও বুজা অনামিকা
বান ৰজাৰ জীয়ৰী নোহোৱা তুমি
জ্বলাবলৈ তোমাৰ ৰূপেৰে এই নগৰী
এতিয়া এখন নগৰী আৰু নাই
তোমাৰ ৰূপত পুৰি হ'বলৈ ছাই। ❐



# ভগ্ন হৃদয়ৰ ভাষা

পম্পীমণি ডেকা
স্নাতক প্ৰথম বৰ্ষ (কলা)

তুমি দিয়া প্ৰেমৰ সেই
মধুৰ প্ৰতিজ্ঞাবোৰে
আজি যেন মোৰ বুকুৰ
মাজত সৃষ্টি কৰিছে
কিছুমান দুৰাৰোগ্য ৰোগৰ
বীজাণু আৰু সেই
বীজাণুবোৰে মোৰ
হৃদয়খন ছানি ধৰিছে
যিবোৰে মোক মাৰিও
নিনিয়ে আৰু জীবলৈও নিদিয়ে
দিয়ে মাত্ৰ কষ্ট-দুখ
আৰু বহুত যন্ত্ৰণা
তোমাৰ যদি প্ৰতিজ্ঞাৰ
কোনো মূল্য নাছিল
তেনেহ'লে কিয় কৰিছিলা
তেনে প্ৰতিজ্ঞা?
কিয় মোক কৈছিলা
সকলোবোৰ বিপদ
অতিক্ৰম কৰি তুমি মোৰ
হ'বা মাত্ৰ মোৰ
যিদৰে, যিদৰে অনিৰুদ্ধ
হৈছিল উষাৰ
যদি তুমি অনিৰুদ্ধ
হ'লাহেঁতেন!
তেতিয়া ময়ো উষা হ'বলৈ
প্ৰস্তুত আছিলো
যদিওবা মোৰ চিত্ৰলেখাৰ দৰে
সখী নাছিল
তথাপিতো। কিন্তু কিয়?
কিয় তুমি আজি মোক
দ্ৰৌপদী হ'ব কৈছা?
পাৰিম জানো মই?
দ্ৰৌপদীৰ দৰে মোৰ মৰমবোৰৰ
ভাগ-বটোৱাৰা কৰিব?? ❐

# নাৰীৰ কপালৰ সূৰুয

বনশ্ৰী শৰ্মা
স্নাতক প্ৰথম বৰ্ষ

তুমি আহিবা বুলি জানিয়েই
মোৰ শিৰৰ সেওঁতা
সদায় নিকা কৰি ৰাখিছো
পৱিত্ৰ কৰি ৰাখিছিলো
মোৰ অন্তৰৰ আসন
য'ত কেৱল তোমাৰ অধিকাৰ
তোমাৰ অনামিকা আঙুলিৰ
পৰশত মোৰ সেওঁতা উজলিব
বুলি ভাবিয়েই
তোমাৰ আগমনৰ আগতে
মোৰ সেওঁতা স্পৰ্শ কৰিব
দিয়া নাছিলো আনক।
আন ভাৰতীয় নাৰীৰ দৰে
মোৰো সেওঁতা বোলাব
বিচাৰো তোমাৰ নামত।
সূৰুযৰ দৰে জিলিকি থকাকৈ
মোৰ কপালতো আঁকিব
বিচাৰো ৰঙীণ ফোঁট।
এজনী কুমাৰীৰ জীৱন
পৰিপূৰ্ণ কৰিবানে তুমি ...?
এয়াই হয়তো এগৰাকী
ভাৰতীয় নাৰীৰ শেষ প্ৰাৰ্থনা
সদায় কাম্য। ❐



# মোৰ হৃদয়ে নিবিড়ে তোমাক বিচাৰে

সীমান্ত ডেকা
উঃ মাঃ দ্বিতীয় বৰ্ষ (বিজ্ঞান)

মোৰ হৃদয়ে নিবিড়ে তোমাক বিচাৰে
বিদায় বেলাত তুমি যে হাঁহিছিলা
যোৱাৰ পৰত তুমি যে উভতি চাইছিলা
অদূৰত তোমাক নেদেখা হোৱালৈ চাইছিলো
নীৰৱে তোমাক বিচাৰো ...
কাকো খুলি নক'লেও তোমাক ভালপাওঁ
হৃদয়জুৰি মাথোঁ ভালপাওঁ।
যিদিনাই মোৰ জিনৰ ধূপগছি শেষ হ'ব
তেতিয়াই ... ...
তোমাৰ প্ৰতি ভালপোৱা শেষ হ'ব!
তুমি জানানে বাৰু তোমাৰ পৰা আঁতৰি থাকি
মই বাৰু সুখী অনুভৱ কৰোঁনে?
তোমাক ভালপোৱাৰ কথা কাকো কোৱা নাই
হৃদয়ত থাকি গৈছে এক গোপন সত্য হিচাপে।
আজিও তোমাক বিচাৰো নিবিড়ে অকলে
কিয় বিচাৰো মই নিজেই নাজানো
মাথোঁ তোমাক কাষতে বিচাৰোঁ।
জানানে তোমাৰ সান্নিধ্যই মোক জীৱনত
উন্নতি কৰিবলৈ প্ৰেৰণা যোগায়।
পিছে মোৰ অতীত
আৰু আগত মোৰ জীৱনৰ ভৱিষ্যত
এই দুয়োকে লৈ আছো যে বৈ
দুখৰ চকুলো মচি, তুমি ক'বাহি
আছানে কুশলে তুমি? ❐

# তুমি নুবুজাকৈ

দীপান্বিতা শৰ্মা
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

তুমিতো জানাই? মই তোমাৰ আপোন,
পাব বিচাৰো জনমে-জনমে
ল'ব বিচাৰো আপোন কৰি
সমগ্ৰ সত্তাতে বিয়পি ফুৰিছে তোমাৰ তেজ
আকুলতাৰে ভৰা অনুভৱ
তুমিতো জানাই? মই তোমাৰ আপোন,
সকলোতে তুমি,
কলেজত, হোষ্টেলত আৰু মোৰ হৃদয়ত
বুজা-নুবুজাৰ সন্ধিক্ষণত
কৰিব বিচাৰিলো এলজেব্ৰাৰ অংক
নাই মোৰ মনত নাই সেই সূত্ৰবোৰ
কিন্তু, তুমি মোক সহায় কৰিব পাৰিলা হয়
নাই নোৱাৰিলা,
মই জানো তুমি অংক কৰিব নাজানা
মই জনাৰ দৰে তুমি নাজানিলা,
স্পৰ্শ কৰি চাব বিচাৰো তোমাৰ অনুভৱক
কিন্তু, তুমি নুবুজিলা সেই স্পৰ্শক। ❐






# আমি কাৰ বাবে জীয়াই আছোঁ

বৰ্ণালী শৰ্মা
স্নাতক দ্বিতীয় বৰ্ষ

পৃথিৱীৰ বুকুৰ মাজত থাকিও পাহৰিছো
আমি কাৰ বাবে জীয়াই আছো!!
জীৱন্তে গলিব ধৰিছে, মনুষ্যত্ব
তথাপিও আমি সহজেই হৈ আছো।
হিংসা জৰ্জৰিত সমাজ
কত নিৰীহ জনতাৰ আৰ্তনাদ।
হেন জানিও আমি কৰা নাই একো
নিৰীহ জনতাৰ দুখৰ চকুলো মচিবলৈ।
সেয়ে সম্প্ৰতি আজিৰ মানুহে সকলো হেৰুৱাইছে
আৰু প্ৰলম্বিতা হৈছে পৃথিৱী।
পৃথিৱীৰ চেনেহৰ মাজত থাকিও পাহৰিছো
আমি কাৰ বাবে হৃদয় নিবেদিছো!!
কামনাবোৰ যেন আজি পুষ্পহাৰা
আৰু জীৱনৰ সত্তায়ো হয়তো কেতিয়াবা পাহৰিব
মানুহক প্ৰেমৰ আদি পাঠ পঢ়ুৱাবলৈ
তথাপি আমি আজিও জীৱশ্ৰেষ্ঠ হৈয়েই আছো। ❐

# অস্তগিৰিৰি সিপাৰলৈ

কুলদীপ কুমাৰ চহৰীয়া
স্নাতক দ্বিতীয় বৰ্ষ

ৰান্ধনি বেলি ডুবু ডুবু
মেঘৰ ওৰণি মেলি ধাৱমান সি
একুৰা জুইৰ দৰে, অস্তগিৰিৰ সিপাৰলৈ।

মোৰ সপোনবোৰৰ স'তে
সি সদায় আহে যায়।
তাৰ পিঠিত জ্বলি থাকে ডিম লাইটৰ দৰে
মোৰ সপোনবোৰ, ৰঙা নীলাৰ বেষ্টনিত।

চুই চাবলৈ মন যায়, ঢুকিহে নেপাওঁ।
কথা পাতো অৱশ্যে তাহাঁতৰ স'তে,
যেতিয়া নৈসিক নিদ্ৰাত যান্ত্ৰিক চহৰৰ জনতা।
চিগাৰেট হুপি হুপি সিহঁতৰ স'তে মোৰ গুপুত আলাপ।

কেতিয়াবা অৱশ হৈ পৰো
মন্ত্ৰী-আমোলাৰ খেল চাই চাই।
ৰাজনীতি, ইটো এটা মাৰাত্মক ভাইৰাচ।

কেতিয়াবা গেলা মদ খুৱাই
মাতাল কৰি দিবলৈ মন যায়, মোৰ সপোনবোৰক।
সুবিধা হ'ব ৰুমালেৰে মেৰিয়াই জেপত ভৰাবলৈ।

জুই ফুঁৱাওতে যদি আইৰ চকুপানীয়েই নোলায়,
কেনেকৈ সিজিব সুখৰ ভাত।

অৰ্গেনৰ দৰে সপোনবোৰৰ সুৰ শুনি
তেতিয়া আগবাঢ়ো সুমুৱাই ল'বলৈ হাতৰ মুঠিত,
বন্ধুবোৰে ঠাট্টা কৰে—
"যোৱা, পঢ়িম দিয়া তোমাৰ ক্ৰাইম ডায়েৰী।"
সিহঁতেতো পোৱা নাই!
ভোকত আতুৰ দেহত চেঁচা পানী সুমুৱাই
যি সময়ত আহে, ওচৰৰ ঘৰৰ পৰা ভজা মাংসৰ গোন্ধ।

যেতিয়া বহো,
নৈঃশব্দত জোনাকে উপচা বননিৰ ছাঁয়াত
যেতিয়া মাতাল হওঁ
মেটেকা ফুলৰ কোমল গোন্ধত।

মনত পৰে
পিতায়ে কৈছিল দুখৰ দিনত বাঁহী বজাবি
বেসুৰা হ'লেও বজাই যাবি।

মইতো আপ্ৰাণ চেষ্টাত।
ৰান্ধনি বেলি ডুবু ডুবু
উদাস উদাস মনেৰে ভেটবোৰ ঢলি পৰিছে
নিদ্ৰাদেৱীৰ শীতল কোলাত। ❐



# এটি জীৱনৰ সংজ্ঞা

হিমাংশু শৰ্মা
স্নাতক দ্বিতীয় বৰ্ষ



নাজানো কেতিয়া পূৰ্ণ হ'ব এই হৃদয়
যাৰ শূন্যতাত ডুলি আছে মাথোঁ স্মৃতি।
কোনোৱে কয়— "শূন্য হৃদয় বহু দীঘলীয়া,
ঠিক এখন নদীৰ দৰে।"

আৰু এই নদীবোৰ,
ইহঁতেইবা কাৰ স্মৃতিত বৈ থাকে অনৰ্গল।
এসোপা মৰীচিকা বুকুত বান্ধি
যাযাবৰৰ দৰে ঘূৰি ফুৰা,
এয়াই জানো জীৱন?
মই নুবুজো।
জীৱন কিজানি এনেকুৱাই
স্মৃতিৰ থুপ আৰু শূন্য হৃদয়,
য'ত মাথোঁ ভাহিঁ উঠে
এটি ভগ্ন তানপুৰাৰ কৰুণ সুৰ। ❐

# বালিঘৰ

ৰাহুল কুমাৰ ডেকা
স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান)

অসীম সমুদ্ৰৰ
বিস্তীৰ্ণ বালি তীৰত
নিৰ্মাণ কৰিছিলো এটি বালিঘৰ।
ঘৰটিৰ আছিল
এটা পদুলি
এখনি দুৱাৰ
এধানিমান দুখন খিৰিকী।
সেই ঘৰটিৰ ভিতৰত বহি
তুমি আৰু মই পাতিছিলোঁ
সুখ-দুখৰ কথা।
ৰচিছিলোঁ বহু সোণোৱালী সপোন।
তুমি কৈছিলা যে
তুমি মোৰ আজন্ম সহচৰী হ'বা।
মনত আছেনে বাৰু তোমাৰ
সেই বালিচন্দাৰ চিকমিকনি,
প্ৰভাতৰ নৱোদিত দিবাকৰৰ
ৰূপোৱালী ৰেঙণি।
মই পাহৰি পেলাইছিলো
মোৰ সমীপত তোমাৰ সৈতে
নিশাৰ অৱস্থিতি।
মই অনুভৱ কৰিব পৰা নাছিলোঁ
দিনৰ পিছত অহা নিশা
সুখৰ পিছত অহা দুখক।
সন্ধিয়া বিদায় মাগিছিলা তুমি মোৰ পৰা
পুৱা অহাৰ প্ৰতিশ্ৰুতিৰে
এক উজাগৰী নিশা কটাই
অপেক্ষা কৰিছিলোঁ অৰুণোদয়লৈ
তুমি অহালৈ।
ওৰে দিনটো বাট চোৱাৰ পিছতো তুমি নাহিলা!
তেতিয়া আছিল চৌদিশে অন্ধকাৰ
অন্ধকাৰৰ সীমাহীন বন্যাত আকণ্ঠ ডুবি
ৰৈ আছিলো মই তোমালৈ,
তুমিতো নাহিলা ...!



সাগৰৰ জোৱাৰে যেতিয়া
চূৰ্ণ কৰিছিল,
মোৰ বালিঘৰটো
তেতিয়া,
মোৰ চকুপানীৰ ঢৌৱে
অন্বেষণ কৰিছিল
তোমাৰ অস্তিত্বক,
মোৰ উন্মনা হৃদয়ে
উৰা মাৰিছিল
পাবলৈ তোমাৰ সান্নিধ্য,
মোৰ বিবেকে বিচাৰিছিল
তোমাৰ ছাঁয়াক
প্ৰশান্তিৰ ছাঁয়াক। ❐

# আহিবাচোন তুমি

অপূৰ্ব কলিতা
স্নাতক তৃতীয় বৰ্ষ

শীতৰ উৰুঙা উৰুঙা আবেলিবোৰত
আহিবাচোন তুমি
মোৰ জুপুৰিলৈ।
দুয়ো কথা পাতিম চকুত চকু থৈ
নতুবা
হাতত হাত থৈ।
শীতৰ উদং পথাৰবোৰ
অথবা শিমলুৰ বগা তুলাবোৰ
আমাৰ আলোচ্য বিষয় হ'ব।
যৌৱনৰ মতলীয়া দিনবোৰত
শিমলুৰ চঞ্চল তুলাবোৰৰ দৰেই
উৰিব মন যায়
কিন্তু মোৰ হৃদয়খন যে
শীতৰ পথাৰখনৰ দৰেই উদং
আহিবাচোন তুমি অলপ
সেউজীয়া লৈ
মোৰ বুকুৰ পথাৰখন জীপাল কৰিবলৈ। ❐

# ভালে আছোঁ মই

ভাৰ্গৱ কুমাৰ বৰুৱা
প্ৰাক্তন ছাত্ৰ



গুলপীয়া ৰং ভালপোৱা ছোৱালীজনী
তুমি নোহোৱাৰ বাবেই
সকলো হীনতাৰ যন্ত্ৰণাত চটফটাইছো মই।
কি আবেলি, কি গধূলি
নে কম নেকি তোমাক
দুপৰ নিশাৰ
মোৰ তুমিবিহীন বুকুৰ অনুভূতি।
ওঁহো! নকওঁ।
ভয় নাখাবা তুমি
বুকুৰ দুখবোৰক
হাঁহিৰ কটকটীয়া জপনাৰ
সিপাৰে ৰাখিছো মই।
মনত আছে মোৰ তোমাৰ অনুৰোধ
মই ভালে থাকিলে তুমি সুখী হ'ম বুলি কোৱা।
তুমিও চাগে ৰাখিছা মনত
কৈছিলো যে মই
চিপ্‌চিপিয়া বৰষুণৰ বিদায়ী আবেলিত
তুমি সুখত থাকিলে মইও হাঁহি থাকিম
(লাগিলে বুকুত ছাই হওক মোৰ এজাৰফুলীয়া কলিজা)
পথাৰ ভালপোৱা ছোৱালীজনী
ভালে আছানে তুমি?
ভালে আছো মই। ❐

# সেউজ প্ৰেম

ভবিতা শৰ্মা
প্ৰাক্তন ছাত্ৰী

হৃদয়ৰ গভীৰতাত
সেউজীয়াৰ সংজ্ঞা
বিচাৰি থাকোতেই
তুমি আহিছিলা সংগোপনে ।

জাক জাক
সেউজীয়া বৰষুণে
জীপাল কৰিছিল
মোৰ হৃদয়।

মোৰ আকুল হৃদয়ক
উজলাই তুলিলা
তুমি শব্দৰ পোহৰেৰে।

বিশ্বাসৰ সেউজীয়া
ৰুমালখনত তুমি সুবাস সানি দিলা
প্ৰেমৰ সাধুকথাৰে।

সেই সুবাসত সুবাহিত হৈ
নামহীন উত্তেজনাত
বুকুৰ ভাঁজে ভাঁজে
খোদিত হৈছিল
ভালপোৱাৰ চিৰ সেউজীয়া। ❐



# আলফুলে বুটলি লৈছিলো ফুলপাহ

শংকৰ ডেকা
স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান)

আলফুলে বুটলি লৈছিলো ফুলপাহ
অতি যতনে, সংগোপনে
সেই ফুলগাহ আজি মৰহি গ'ল
তোমাৰ মৰমত মই মতলীয়া
বান্ধিব পৰা নাই মোৰ
উৰণীয়া মনক।
সেই দিনবোৰলৈ আজি ঘনাই মনত পৰে
যিবোৰ দিনত উমান লৈছিলো
তোমাৰ হৃদয়ৰ উত্তাপ!
নাপামেই নেকি আৰু সেই দিনাবোৰ!
ভাবিছিলো জীৱনটো সুখৰ কৰিম
আনৰ দৰে অট্টালিকা সাজিম
পাৰ কৰিম আনন্দেৰে দিনবোৰ
কিয়, আজি সেই আবেগত ফুলা ফুলবোৰ
উত্তাপহীন হ'ল
গগণ কঁপোৱা চেঁচা বতাহজাকে
কৰিলে সকলো চাৰখাৰ
আনকি দেহ, মন-প্ৰাণ সকলো
চুৰমাৰ কৰিলে সকলো লোভ-মোহ
ভবা নাছিলো!
কাৰোবাৰ হৃদয়ত দুখ দিম।
কিন্তু কিয়? আজি ইমান নিষ্ঠুৰ
কিম্বা নিষ্প্ৰভ, নিৰ্লজ্জ হৈ গ'লো।
আনৰ হৃদয়ত দুখ দিবলৈ মই কি স্বাৰ্থান্বেষী?
নাই, নালাগে
সেই মৰম-ভালপোৱা
নিবিচাৰো আনৰ সুখ-দুখৰ সমভাগী হ'বলৈ
বিচাৰো জীৱন্ত আশাবোৰ দলিয়াই পেলাবলৈ।
ৰিব্‌ৰিব্‌কৈ বলি আহিছিল
হৃদয়ৰ গুপুত কান্দোন
উচুপি উঠিছিল নীৰবে চকুহাল
শীতত প্ৰাণ কুঁচি নিয়া
মলয়াজাকেও কোঁচ খুৱাব পৰা নাই
দুৰন্ত বেদনাবোৰক
আশাৰ সমাধিলৈ চাই চাই
উচুপি থকা চকুহাল প্ৰায় নুমাও নুমাও
কিন্তু, ক'ত সেই প্ৰত্যুত্তৰ?
আশাবোৰ শ্মশানৰ এঙাৰৰ দৰে হ'ল। ❐




# পাগলী কবিতা

মিছ হাফিজা বেগম
স্নাতক দ্বিতীয় বৰ্ষ

শিলৰ কবিতা নাই যে মই লিখা
লোৰে অঁকা ভগ্ন হিয়া সখা।
চোৱানে এবাৰ জুমি,
জ্বলি থকা অগনি শিখা।
ল'বানে আঁকোৱালি বেদনাৰে গঢ়ি ৰখা
ক্ষুদ্ৰ হিয়া মোৰ সকলোতে যে,
তোমাতে আশা,
মোহাৰি পেলাবানে সেই
তৰাৰে ভৰা জোনাক নিশা।
কিদৰে কটাও তোমাৰ অবিহনে
এই অমানিশা।
আহিবানে তুমি হৈ এটি
উজ্জ্বল বন্তি শিখা,
পাহৰিবাই তুমি মোক,
কাৰণ,
তুমি বিচৰা ৰূপৰ ৰাণী
নহওঁ ঐশ্বৰ্য, মনীষা
পাগলীৰ জীৱনত আহিবানে
তোমাৰ বুকুৰ স্পন্দন লৈ,
মোৰ জীৱনৰ শেষ নিশা।
কাণে কাণে ক'বা মৌ বৰষা
কথাৰে হেঁপাহ ভৰা,
দুবাহু মৰম পৰশা।
সেয়ে লিখিছো অকলে এই
নীৰৱ লিখনি মাজনিশা। ❐

# গায়ত্ৰী বৰুৱাই হোষ্টেল এৰি যোৱাৰ পৰত

জয়ন্ত কুমাৰ ডেকা
স্নাতক তৃতীয় বৰ্ষ

২১ ছেপ্টেম্বৰ, ৰক্তাক্ত হৃদয়, দিনলিপিৰ
এখিলা সোঁৱৰণীৰ পাত ...
আয়তী আকাশৰ বেলিৰ ৰামধেনুবুলীয়া
পোহৰ অহাৰ আগে আগে
দীঘলকৈ বেণী গুঠি গুচি গৈছিল
হোষ্টেল এৰি গায়ত্ৰী বৰুৱা ... ...
হিয়াধুনি কান্দি গছৰ পাত সৰোৱাৰ দৰে
গায়ত্ৰীৰ শূন্যতাৰ দুখভাৰত
হোষ্টেলৰ পদূলিত সেউজীৰ আঁৰত চক্ৰীয়কৈ
দুলি থকা গাভৰু বসন্তৰ শিলিখাজোপাৰ পৰা
এটা এটাকৈ শিলিখা সৰি পৰিছিল ...
হেজাৰজন আবাসীৰ হৃদয়ত
ফুলি উঠিছিল গায়ত্ৰীৰ অনুপস্থিতিৰ
নিঃসংগতাৰ কেতেকী ফুল ... ...
সেই উদাস সন্ধ্যাটোত হোষ্টেলৰ
চি.এফ.এল. বাল্বত নাছিল
জোনাকী পৰুৱাৰ ৰাসক্ৰীড়া
সিহঁতেও বুজি উঠিছিল আধাৰাতিলৈ
'ৰূপালীম'ৰ নোটছ্ লিখা গায়ত্ৰীৰ শূন্যতা
ৰুমমেট্ গৰাকীৰ বুকুতো ভাবনাৰ
পেইণ্টিং এখন বাৰে বাৰে ভাহি উঠিছিল
গায়ত্ৰীৰ ফাগুনময় ৰূপালী ওঁঠৰ কাঢ়া লিপষ্টিক
আৰু মেঘৰঞ্জনী হাঁহিৰ এপ্লাইড লেংগুৱেজৰ কথাত
ডাইনিং হলত নিশা দহ বাজি পোন্ধৰ মিনিটলৈ
জেতুকা সনা হাতৰ পৰশ পাবলৈ
সেমেকি উঠিছিল কাঁহীখন আৰু গিলাচটো
গায়ত্ৰীৰ এটি উষ্ণ স্পৰ্শৰ অবিহনে
হোষ্টেলৰ সেই বিশেষ কোঠাটোৰ খিৰিকীখনত
অসহায়ভাৱে ওলমি থকা পৰ্দাখনো
ৰিঙৰ পৰা হাউলি পৰিছিল ... ...
বৰষুণৰ ৰাতিও জোনাক বিচৰা হৃদয়ৱান
যুৱকজনৰো বুকুত মৰহি গৈছিল
গায়ত্ৰীহীন সন্ধিয়াত ভালপোৱাৰ খৰিকাজাঁই পাহ
সিও নিৰুপায়ৰ দুৰ্ভাৱনাত কাক বুজাব
ভোগবাদী সমাজ কিম্বা কাৰ্লমাৰ্ক্সৰ থিয়ৰী
নতুবা কাক শুনাব
দুৰ্দান্ত প্ৰেমৰ কবিতা ... ..
কেৱল গায়ত্ৰী অবিহনে সকলো স্বপ্ন
সমাধিত দোৰোণ গছ হৈ গজিব
গায়ত্ৰী বৰুৱাই হোষ্টেল এৰি গুচি গ'লেও
অনুৰোধ এখন হৃদয়ৰ
যিদিনা আকৌ ঘূৰি আহিবা হেঁপাহৰ
ৰাংচাং ঘৰটোলৈ তেতিয়া
নৈঃশব্দত মেঘমল্লাৰ ৰাগত বৰষুণ নামিব
ৰুণ ঝুণ ৰুণ ঝুণ ৰুণ ঝুণ
ভৰিৰ নুপূৰৰ শব্দত শুভ্ৰ বিষাদহীন
বকুল ফুল সৰিব নিদানত ... ..
সেয়ে মোৰ বিশটা বসন্তৰ ঠিকনা
গাঁঠি দিছো তোমাৰ
সেউজীয়া পাৰি দিয়া দোপাট্টা আৰু
চুৰিদাৰৰ ভাঁজত ...
পাৰ কৰা প্ৰেমহীনতাৰ বৈতৰণী। ☐

# জোনাকক সুধিছিলো ঠিকনা

নাজিয়া চুলতানা
স্নাতক দ্বিতীয় বৰ্ষ

জোনাকক সুধিছিলো সিদিনা,
বৰষুণৰ ৰং নীলা, সেউজীয়া নে হালধীয়া?
বৰষুণৰ ঠিকনা কি?
জোনাকে ক'লে, বৰষুণৰ ঠিকনা
প্ৰতিখন সেউজীয়া হৃদয়;
য'ত ওলমি থাকে সুৰৰ একোখন নীলা আকাশ।
তুমি চাব নোৱাৰিলেও
আকাশৰ বিশালতা,
অথবা সাগৰৰ গভীৰতা,
ভাল লাগে মোৰ বৰষুণৰ মূৰ্চ্ছনা ...
ভাল লাগে বৰষুণৰ আলাপ।
ভালপাওঁ বৰষুণ ... ভালপোৱাৰ সীমাহীন সত্তাৰে!
সাৱটিব নাজানিলে,
পাৰিম জানো তিতিব বৰষুণৰ ছন্দময়তাত?? ☐

# আলোচনী সম্পাদনা সমিতি


বিচিত্ৰ কুমাৰ [illegible]
মুখ্য উপদেষ্টা


নাৰায়ণ চন্দ্ৰ মুদৈ
উপদেষ্টা


ডক্টৰ কুমুদ চন্দ্ৰ শৰ্মা
উপদেষ্টা


জামালুদ্দিন আহমেদ
উপদেষ্টা


ড০ বুদ্ধিন চন্দ্ৰ হাজৰিকা
উপদেষ্টা


আছিৰ উদ্দিন
উপদেষ্টা


ডিম্বেশ্বৰ বৰুৱা
উপদেষ্টা


ৰূপজ্যোতি বৰুৱা
উপদেষ্টা


ড০ বিজয় কুমাৰ শৰ্মা
তত্বাৱধায়ক


ৰঞ্জনজ্যোতি শৰ্মা
সম্পাদক


যুগব্ৰত বৰুৱা
সদস্য


বিপুঞ্জয় কুমাৰ [illegible]
সদস্য


[illegible]দীব কলিতা
সদস্য


জয়ন্ত কলিতা
সদস্য


ৰাজীৱ শৰ্মা
সদস্য


মৌচুমী কলিতা
সদস্যা


জয়শ্ৰী বৰঠাকুৰ
সদস্যা

## ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ একাংশ



বাওঁফালৰ পৰা [illegible]
সমৰজিৎ বৰা, যুগব্ৰ[illegible]
ৰঞ্জনজ্যোতি শৰ্মা, হি[illegible]
বাওঁফালৰ পৰা থিয় হৈ—
দুগ্ধ ডেকা, ৰিপুঞ্জয় কুমাৰ বৰুৱা,
কল্প নাৰায়ণ কোঁৱৰ, ত্ৰিদীব কলিতা,
মলয় চমুৱা, জয়ন্ত কলিতা

# মহাবিদ্যালয়ৰ গৌৰৱ আৰু প্ৰতিভা

## ২০০৯ বৰ্ষত স্নাতক চূড়ান্ত (১+১+১) পৰীক্ষাত প্ৰথম শ্ৰেণীপ্ৰাপ্ত



প্ৰণামী ভৰদ্বাজ
প্ৰথম শ্ৰেণী (সংস্কৃত)



অপূৰ্ব শৰ্মা
প্ৰথম শ্ৰেণী (সংস্কৃত)



ভৈৰৱীময়ী ডেকা
প্ৰথম শ্ৰেণী (শিক্ষা)



পলাশ চমুৱা
প্ৰথম শ্ৰেণী (শিক্ষা)



[illegible] ডেকা
প্ৰথম শ্ৰেণী (শিক্ষা)



ৰাজু কুমাৰী
প্ৰথম শ্ৰেণী (বুৰঞ্জী)



নয়নমণি ভূঞা
প্ৰথম শ্ৰেণী (অসমীয়া)
(২০০৭-০৯ বৰ্ষৰ 'অসম সংঘ আমেৰিকা বঁটা' লাভ)



কুমুদ দাস
প্ৰথম শ্ৰেণী (পদাৰ্থ বিজ্ঞান)



আফতাব হুছেইন
প্ৰথম শ্ৰেণী (আৰবী)



জ্যোতিৰেখা ডেকা
প্ৰথম শ্ৰেণী (শিক্ষা)



**মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ নাট্যদল**
বাওঁফালৰ পৰা বহি- হিতেশ ডেকা, পূৰবী হাজৰিকা, নৱ ডেকা
বাওঁফালৰ পৰা থিয় হৈ- অনিৰ্বান কলিতা, কুমাৰ চন্দ্ৰ নাৰায়ণ দেৱ, মুন্না ডেকা, ভূপেন কলিতা।



ঋতুপৰ্ণ কলিতা
যুৱ মহোৎসৱৰ শ্ৰেষ্ঠ অভিনেতা




হিমেন কলিতা, বৰ্ষটোৰ শ্ৰেষ্ঠ দেহশ্ৰী প্ৰতিযোগী



হিমাক্ষী ডেকা
বৰ্ষটোৰ শ্ৰেষ্ঠা খেলুৱৈ



মুন্না ডেকা
বৰ্ষটোৰ শ্ৰেষ্ঠ সাহিত্যিক



তিৰূপতি ডেকা
বৰ্ষটোৰ শ্ৰেষ্ঠ খেলুৱৈ



দিব্যজ্যোতি কৌশিক
বৰ্ষটোৰ শ্ৰেষ্ঠ গায়ক



পংকজ চহৰীয়া
বৰ্ষটোৰ শ্ৰেষ্ঠ অভিনেতা



জয়ন্ত ডেকা
বৰ্ষটোৰ শ্ৰেষ্ঠ তাৰ্কিক

# The Conflict of Cultures in Jhumpa Lahiri's Namesake: An Appraisal

**Dr. Runjun Devi**
Senior Lecturer in English

In Indian Writing in English celebrated novelists like Salman Rushdie, Arundhati Roy, Jhumpa Lahiri, Anita Desai, Kiran Desai, Bikram Seth, Amitabh Ghosh have carved niches of their own by projecting critical themes associated with life and reality. Their novels so powerfully depict contemporary social realism that the reader is touched, moved, and are made to feel one with the characters who are very much one of us. On account of their treatment with the dominating / inherent subjects like 'partition', 'dislocation', 'migration', 'acculturation', 'trans-culturation' we as readers apprehend as well as understand the conflict between 'two cultures', particularly 'the East' and 'the West'. Thus readers and critics alike view these group of novelists as the narrators of crucial reality at the greater canvass of life/ existence. Besides it is important to note that the novelists are aware of not only the problems faced by the people who have settled abroad for different reasons but also they, at the same time, try to bring some resolutions to their themes. In many of the novels of these novelists the aforementioned issues have been taken sensuously and the narratives of diasporic experiences of different groups of settlers though at times enlighten us with informations about the multiple culture of a pluralistic society yet we feel helpless at their plight caused by the long process of settlement. This diaspora may arise for a number of reasons, amongst which we recognize certain traits: either by migrating on professional needs or for partition. The pain of separation from motherland and from one's very own form the themes of the contemporary novels that make interesting reading. We as reader feel the turbulence/ turmoil in our sail through the characters and their experiences focused by Salman Rushdie, Roy, Jhumpa and the other.

An attempt has been made to interpret that 'culture variations' seen in the novel 'the Namesake' (2003) by Jhumpa Lahiri, which helped her won the prestigious Pulitzer Prize in literature. The work takes us to a world where we meet NRIs (Non Resident Indians) in the U.S. who experience a wider cultural variation with the motherland. They carry their own tradition with them to the land which is not their own and they are forced to give up much of those good old values which are useless for the second generation living abroad. Thus a rise of diverse encounters they face in that distant land, mainly because of the 'conflict of culture', make the first generation longing for the motherland more while the second generation is the least affected by all these. Jhumpa has interwoven the themes of 'migration' and 'acculturation' in this well acclaimed novel, 'Namesake' illuminating the life of a person from West Bengal, Mr. Ashoke Ganguly who comes and settles in the States at first as a researcher, and later as the teacher in MIT with his newly wedded wife Ashima. Both of them are hailing from Kolkata and both prioritize their own Bengali/ Indian culture. Soon they start to realize that they are living in such a place where their very 'own culture' neither attract others nor can they accept 'other culture'. The subtle descriptions of the diasporic experiences of the Gangulies often speak of the states of all migrated people suggest that when one is outside the motherland, he/she is bound to recognize/feel the difference/identity. The 'politics of culture', 'the politics of language' and 'the politics of identity' are the primary areas wherein Jhumpa has thrown her net as a writer.

The background of the novel is America wherein Ashima gets the taste of loneliness especially throughout her pregnancy. The unfolding/beginning of the novel prepares us to know Mrs. Ashima Ganguli who is preparing a mixture of rice crispies, planter's peanuts, chopped red onions in a bowl and thinking of mustard oil to mix in it before consuming. In her hand the typical Bengali snacks reminds her/us about the roadside foodstuff in India. This beginning is unique in the sense that though Ashima is physically present in a distant land yet her mind is preoccupied by the pictures/cultures of motherland and she works on it all the time. From the unusual description at the beginning the reader is

introduced not only to Ashima but also to the loneliness in her existence. Jhumpa, as we notice, has skillfully created an environment wherein the reader may assume the future of the character who will in the process of settlement will feel as 'one who stands nowhere', or the 'one who is uprooted culturally'. Ashima's inclination for that particular concoction is surely a sign of a pregnant woman and at the same time her character reminds us of numerous Indian women/citizens who are fond of own 'food'. Since 'food' makes itself a distinct element of 'culture' we cannot ignore the 'politics of identity' associated with it. Thus with extraordinary and effective economy in words making way for precise language the novelist unfolds the lives of the 'Gangulies' at Central Square apartment in America.

Ashima gives birth to a baby boy in Mount Auburn Hospital and the real pressure falls on the young/ inexperienced parents, as they cannot choose the newborn's name. As it is customary in India that elderly kin provides with the name for a newborn, Ashima's grandmother was supposed to send two names: one petname and the other is good name in a letter, and the octogenarian does it accordingly but the letter never arrives at the destination and so do the names. For Ashoke and Ashima the problem arises as the hospital authority refuses to release the mother and the baby without a name. Again it shows how the parents face the unexpected situation because of the crisis of a name in the dire need. The realistic projection of the amusing condition makes us aware of the 'Change of cultures' teaching us to anticipate other-issues emanating from diasporic aspect. Understandably in India a couple can take time to choose a name for a newborn after birth, and it does not create a problem if the choosing of name takes more than years. But according to the set rules of the western culture, a couple chooses the name of their offspring much before its arrival and eventually they are in full preparation to greet it by its name. The couples in the western countries thus are not to face an unpleasant situation as our Gangulies have done. To get release from the hospital, Ashoke manages to choose the name of the Russian writer, Nikolai Gogol as he was the favourite author of the former. Still Ashoke and Ashima are eagerly waiting for that missing letter to give the good name to the child before he goes to school. Though the dilemma of choosing the baby's name is over for the time being yet their last hope shatters, as the letter never reaches them.

Now the parents are ready to send their child to a play school with a good name, 'Nikhil' but the child never responds to the new name. Despite many efforts made by Ashoke, Gogol simply refuses to respond to the name unheard/unknown by/to him and even the teacher Mrs. Lapidus calls the child by the name Gogol and when Ashoke tries to persuade both the teacher and his son to adopt/adapt to the new name, Nikhil, she reacts,

"I'm not sure I follow you, Mr Ganguly. Do you mean that Nikhil is a middle name? Or a nickname? Many of the children go by the nickname here. On this form there is a space"(p.58).

Mrs Lapidus, like other western people does not understand the idea of a 'good name' and a 'pet name'. Our sympathy goes to the parents as well as to the child while we notice the introduction of the children/nicknames - "Andrew is Andy, Alexandra Sandy, William Billy, Elizabeth Lizzy"(P.60). Only Gogol Ganguly is the exception who attends school with his pet name. The situation for Gogol becomes more intolerable while his newborn sister was christened as Sonu, Sona, Sonali, Sonia. He as a child realizes that she has an appropriate name to be identified as 'a world citizen' as her name suggests but he has a name that is never suggestive of any country thus making him to feel himself "neither Indian nor American but of all things Russian"(p. 76). Contrary to the newborn's established identity Gogol has nothing in the name, which may bring in a stable identity, and he, only for the name, carries a sense of dissatisfaction. Further, Gogol's crisis of identity is intensified as he received a book from his father on his fourteenth birthday. 'The Short stories of Nikolai Gogol' induces another thought in his mind that his good name is a title of a Russian writer and though the father wanted to tell his cause of likeness about the name 'Gogol' the son is not willing to listen to his father. Thus even after the death of Ashoke, Gogol can not discover that once his father was saved in a train accident as he could move out his hand amidst the debris and at that time he was reading a book by Nikolai Gogol. The father who dies premature death believes that Gogol was the indirect protector of his life in that situation but all these things were never recounted to the son by the father. The primitive issue of 'identity of culture' again plays here a pivotal role, which has been sensitized by Jhumpa through the character of Gogol who represents the second generation of the NRIs. However

in the process of resettlement Ashima and Ashoke learn well the variegated ways of American lifestyle and even after bearing all the goodness of traditional values they are to mix up with the multicultural America. The part of parenting in a distant land is troublesome while it is more difficult to grow there without knowing one's true worth. We sense the change in Gogol's personality who goes to stay away from his parents as other western grown ups do. The orientation of the nuclear family permanently disoriented while the father dies and Gogol marries an Indian girl Moushumi known as Moe, Mouse and the like. His wish to lose chastity at the hand of an unknown girl at his adolescents in a mysterious night, his revolt against his parents just for the name open/suggest many differences between the conflicting cultures of the East and the West.

The novelist has many other things to focus on besides the 'politics of identity and culture'. This insight into the problem caused by a name have been given many twists and turns in the course of the events in Gogol' s life that bring in a sea of troubles later to him and his family. The restlessness in Gogol emanating from sense of alienation from the people of his birth and also from the people of his motherland depicts a person who is culturally uprooted. At the face of reality he seems to us as a ' man of no land'.❐

*End Note: The Namesake is now a major motion picture.*

# Disasters and role of community in its risk reduction

**Dr. Leena Saikia**
Lecturer, Zoology Deptt.

'Disaster' is commonly used to denote any extreme event, be it natural or man-made, which brings about loss of life, property, infrastructure, essential services and means of livelihood to an extent that the affected communities (or district or state of country) need immediate and prolonged assistance and support to deal with the situation and its aftereffects.

India's unique geo-climatic position makes the country particularly vulnerable to natural disasters. India is a vast peninsular of sub-continental size and is surrounded by sea on the three sides and has the Himalayan range on the fourth side. The natural disasters expected in India can be classified as follows:

1. Wind and/or Water related natural disasters- Flood, Droughts, Cyclones, Tsunami.

2. Climate related disasters- Heat and cold waves, Global warning, Sea level rise, Ozone depletion.

3. Mountain area disasters- Landslides, Snow avalanches.

4. Geological disasters- Earthquakes, Volcanic eruptions.

The man-made disasters can be broadly categorized in the following types.

a) Accidents : Road, rail, river, air, sea transport of hazardous material, building collapse.

b) Fires : Buildings, coal mines, oil (exploration sites, refineries and storage depots), forest fires.

c) Industrial & Technological mishaps : Leaks, fires, explosion, sabotage technical system failure, plant safety failure,

d) Nuclear Hazards : Radioactive leaks, thefts, transportation.

e) Warfare : Chemical, Biological & Nuclear.

f) Poisoning : Food, Water supply.

g) Civil conflicts : Sabotage, terrorist & other criminal activities.

h) Ecological : Air pollution, water pollution, noise pollution, soil erosion & degradation, waste accumulation including toxic waste, disease & epidermis, loss of biodiversity, loss of habitat, deforestation, global warming, sea level rise, depletion of stratospheric ozone and increase in tropospheric ozone.

Of course, the man-made disasters in the high tech and fast speed societies of the present day is particularly endless.

Peoples' participation in the context of disasters

management implies risk and vulnerability assessment at the local level and subsequent involvement at the implementation and evaluation stages of assess real needs and concerns articulated by them.

Community participation could be in different ways, such as (a) early warning system (b) disasters risk reduction (c) public awareness programmes etc.

In developing countries, technical equipment and technical know-how for institution of warning facilities and dissemination of information may be lacking. Indigenous methods like beating of drums, running door to door, announcing the warning, or from vantage points can help to disseminate warning. People in some regions are now learning first aid techniques and forming response groups. They can also identify a 'safe house' where victims can be shattered in case of emergencies, before alternative arrangements are made.

Empowerment of people is important for disaster risk reduction, because once people learn to analyse the situation and identify the causes of their problems. They could also find solutions. Specific areas for capacity building are outlined as follows-

1) Training of local masons, in disaster resistant construction in flood and earthquake prone areas could go a long way in minimizing threat to human life and property in the event of disaster.

2) Imparting awareness and training to farmers in water harvesting techniques in drought prone areas and water purification techniques in flood prone areas, drought resistant crops etc. can bring about a sea change in disaster management.

3) Alternative livelihood options such as the crop diversification scheme in which the farmers are encouraged to plant drought resistant varieties along with the main crop sustain loss in case of drought.

4) It is also important to establish drought resistant seed banks and nurseries to strengthen people's capacities. Nurseries propagate different varieties of trees such as utility trees, bamboos, forest trees and other plants, which provide viable options during droughts. Awareness should be created about environmental protection measures such as reforestation, rehabilitation of watersheds. They should be made aware of destructive impact of burn agriculture.

Local rescue teams should be organized and trained in rescue activities and use of relief equipments like life jackets, megaphones, first-aid kits and rescue boats etc. Actually, community based organizations have a crucial role to play in rescue and rehabilitation efforts.

Decision making about the use of rescue funds and rice stocks in case of emergencies should be decentralized, probably to the community and in some cases possibly to the district level. Sanctions for Central Ministers and the PMO, take time, which cannot be afforded in emergencies.

The people awareness programmes have 3 main aspects. Firstly, information to be conveyed or communicated to the public includes community relevant details of the national disaster management plan, any information that gives more details about the foregoing basic community needs, post disaster response effort of the Govt. etc.

Secondly, the format for the dissemination of information refers to channels like notices, posters, cartoons, photographs, films, videos, talk or presentations, short radio or television features & others.

Thirdly, the medium to convey desired information refers to telephone directories, shopping bags, govt. programmes, community gathering etc.

Community authorities have three broad areas for participation in a policy for risk reduction.

i) by setting laws, regulations, penalties they provide guidelines for choices made by citizens.

ii) they make decisions concerning the use of resources and response to hazards, such as dams etc.

iii) they distribute to people hazards adjustment services.

During and after a disaster, proper understanding and co-operation between the communities and govt. agencies can help in preventing and mitigating the impacts of a disaster. The govt. and the community must act together to overcome the crisis, which arise from disaster, and to ensure a rapid return to normal conditions.❒

*Reference-*

MPA-001 Understanding Natural Disasters
MPA-002 Understanding Man-made Disasters
MPA-003 Risk Assessment and Vulnerability Analysis.

*Saikia is a student of PGDDM under IGNOU, Mangaldai College*

# MYSTERIOUS BERMUDA

Bankim Baruah

It was 2nd June of 2009, a news published in almost all the newspapers of the world that an airbus crashed in the Atlantic Ocean. The passengers Jet left Rio-De-Janeiro at 2200 GMT on Sunday and was due to land in Paris at 0910 GMT on Monday. But it suddenly lost signal from air traffic of Brazil at 10.33 p.m. This Air France 447 class, 330 airbus was carrying 12 air personnels and 216 passengers of which everyone died. Among them only two dead bodies were recovered on 7th of June. Others are yet to be recovered.

Though some people are taking it seriously but many have taken it lightly because the spot where the plane received crashed is located at the Bermuda Triangle and in Bermuda Triangle many planes disappeared from several hundred years back. Secret of Bermuda is yet to be disclosed by the scientists of the world. Now question arises- what actually is Bermuda Triangle?

The Bermuda Triangle, also known as the Devil's Triangle is a region of the northwestern Atlantic Ocean in which a number of aircrafts and surface vessels have disappeared. Some people have claimed that these disappearances fall beyond the boundaries of human error or acts of nature. Popular culture has attributed some of these disappearances to the paranormal, a suspension of the law of physics or activity by extraterrestrial beings. Though a substantial documentation exists showing numerous incidents to have been in accurately reported or embellished by later authors.

The boundaries of the Triangle vary with the author: some stating its shape is akin to a trapezoid covering the straits of **Florida,** the **Bahamas** and the entire **Coribbean** island area and the Atlantic east to the Azores; other add to it the Gulf of Mexico. The more familiar triangular boundary in most written works have its points somewhere on the Atlantic coast of Florida; San Juan, Puerto Rico and the mid Atlantic island of Bermuda. Most of the accidents concentrated along the southern boundary around the Bahamas and the Florida straits.

According to Gibson: The latitude and longitude of the Triangle are "Before 'creative license' take over".

| | |
|---|---|
| NW edge, Bermuda | : 32.20 N, 64.45 W |
| SW edge, San Juan | : 18.5 N, 66.9 W |
| NE edge, Miami | : 25.48 N, 80.18 W |

The lists of aircraft represent a wide range of bizarre and mysterious disappearances. Many have vanished within sight of land, while on radar and while just about to touch down at runways. Others have vanished over shallow water. Some have been in radio communication saying their equipment was acting erratic, or that a "Weird object" was seen in the aftermath of a disappearance. On a few occasions, a minor Piece of debris was found-in one case, containing an unexplained "magnetic particle". One thing is the same for them all-they vanished without reason.

The area is one of the most heavily-sailed shipping lanes in the world, with ships crossing through it daily for ports in the Americas, Europe and the Caribbean Islands. Cruise ships are also plentiful and pleasure craft regularly go back and forth between Florida and the islands. It is also a heavily flown route for commercial and private aircraft heading towards Florida, the Caribbean and South America from points north.

The mystery of Bermuda Triangle will remain riddle among the human civilization of the world. ❒

*Reference: Various Journals.*

***To forget someone's kindness is dishonourable, but nobility lies in forgetting someone's unkindness***

# Time Management – A way to success

Swapnil Kalita
T.D.C. 2nd year

**"Time and Tide wait for none".**

Each one of us is familiar with this proverb and each one of us also accept that once a second is lost no one can regain it. Thus no one can stop time. In the entire world nothing is equal for all except 'time'. It's the time which treats everyone equally irrespective of caste, colour, religion, sex etc. One may be rich of money but not of time.

Yesterday, we were school students but today we are in college. At school we were guided by our teachers. Everyday the teachers take our lessons, give us homework etc. So, at the period of our school life we need not think much of our studies. All our problems were solved by our teachers or parents. We need not to worry about anything at all. But as we entered college, the whole environment changes. Now we can realize the heavy burden that we are carrying with us. At school we were guarded but here at college we will have to guard us by ourselves. We will have to keep ourselves away from evil deeds. Yes, the college teachers will also help us in various manners. But the teachers can only enlighten our path. We, by ourselves will have to make the journey to success.

Today's world is full of competitions. There is competition in studies, business and so on and so forth. Even now-a-days in order to seek admission into various professional courses we are to appear in competitive exams. If one desires to appear in various competitive exams, he has to prepare for it right from the beginning of his college life. Not only incase of studies but for successful survival also we must learn to keep pace with time. As we cannot stop time we will have to manage our time properly. It is the proper management of time which can lead our life to success. Some useful tips for proper use of time is hereby mentioned below:

1. At first let us take a white paper and write out all our works that we perform in a day. Now let us classify our works viz. urgent works, impt. Works etc. Then let us prepare our daily routine properly.
2. Now let us decide on exactly what we want. What is the aim of our life? What do we yearn to be in life? What will success look, sound, smell, feel and taste like when we achieve it.
3. Let us now map out our plan for success in accordance with our daily time-table. What will we do? By when? With whom? Using what new resources?
4. Now it is the time to take action. Let us follow our routine properly. One important thing is that we must try to keep ourselves physically fit.
5. Every night we must analyse our day. We must have an eye on what we have gained today. If possible we must create a habit of writing diary.
6. One must always be forward looking. Instead of repenting on our past we must try to keep an eye at our future.
7. We must create a habit of spending at least five minutes every day in improving the quality of our communication with others.
8. We must respond to the feedback we get as we implement our plan.
9. Let us imitate people who have accomplished goals like ours.
10. We must learn to believe in ourselves and persist. We must not be afraid of failure and failure should not be a fullstop in anyone's life. ❐

*If everyone of us perform our duties toour neighbour, no one in the world who need assistance would be left unattended to.* *- M.K. Gandhi*

# GLOBAL ECONOMIC CRISIS: A BRIEF ANALYSIS

Sri Hemanta Baruah
T.D.C. IIIrd Yr. (Economics)

Economic crisis is a double standard term-over production on the one hand and shortage of production on the other. There has been a long history of economic crisis, which gives its verbal conception. The most significant and memorable crisis in the capitalist countries of the world occurred in 1927, which lasted for 7 years, and its economic consequences were prevailed till world war 11. The great depression was incided in 1936.

The second prime crisis started in the later half of 2007 and it spread over the whole economy in 2008, September. The current economic down turn is by for the worst crisis affecting the center of Global capitalism since the great depression of the 1930's. The fourth largest investment Bank on Wall Street, U.S.A (the root of current crisis) froze credit flows, stopped commodity markets from operating normally and also even stopped equity markets virtually in their tracks. This made the economic environment uncertain and risky and led to financial crisis into on economic downturn in advanced economics. The dimension of this crisis is so serious that it affected almost all the countries in the world.

In case of U.S.A. the exports of manufactured items have declined to a considerable extent and unemployment has increased due to large-scale job losses. Due to high consumption (propensity to consume) and low saving of the whites, the crisis compelled some of them to reside in the footpath of the main street.

Many of the American Banks moved out of the "lending" business and into the "moving" business. They focused on buying assets, repackaging and selling them while establishing a record of in competence in assessing risk and screening for credit worthiness. With private rewards so markedly different from social returns, it is no surprise that the pursuit of self-interest led to such socially destructive consequences. Not even the interests of their own shareholders have been served well. Meanwhile, too little is being done to help Banks lend money and assess credit worthiness.

The Federal Govt. has assumed trillions of dollars of liabilities and risks. In rescuing the financial systems, no less than in fiscal policy, we need to worry about the "bang for the buck". Otherwise, the deficit has doubled in eight years will soar even more. In September there was talk that the Govt. would get back its money, with interest. As the bailout has ballooned, it is clear that this was merely another example of financial markets mis-appraising risk.

The neo liberal push for deregulation served some interest well, financial markets did well through capital market liberalization. Now the whole world economy has abandoned for the break down of U.S.A. economy.

The negative multiplier affect and shortage of interdependency bet countries stimulated the collapse of the world economy i.e. increase the job-less (unemployment) and poverty. In a report of "Office For National Statistical" of U.K (Published in 14th August, 2009) it is seen that 2.43 million about 7.8% people are unemployed in U.S.A. Oh! What a strange phenomena!

The Global crisis, severely has affected Indian economy, which is clearly shown in the showing down of the growth rate. The growth rate of 7 or 8 percent in GDP in the first half of 2008-09, which declined to 5.8% in the second half of 2008-09 and now it has reached 6.1% (in September, 2009).

Indian economy is very much affected by Global crisis primarily due to two reasons-

(a) Firstly India's integration into the world economy over the last two decades has been remarkably rapid. Integration into the world economy implies more than just exports to foreign countries. India's two-way trade as a proportion of GDP, grew from 19% in 1990-91 to 52% in 2007-08.

(b) India's financial integration into the world economy has also been evidenced, the total external transactions has increased from 46.8% in 1997-1998 to 117.4% in 2007-08.

Moreover our corporate sector's external funding has remarkably increased (you will be surprised to know that) about 90% of recourse of the country are handled by only 10% of rich people (capitalist) and the remaining

10% are consumed by 90% people of our country. It is indeed a great sorrow that a huge percentage of the population is deprived from the minimum needs. The increase in fund of the capitalists increased saving but their propensity to consume does not increase. On the other hand, the poorer section and middlemen's propensity to consume is higher. So less income of these sections leads to less sales of market products. As consequence, unemployment arises and it had led to a collapse of the Indian economy as has acted as a stimulant to collapse the Indian economy.

The Global crisis has spread to India through three channels- the financial channel, the real channel and the confidence channel.

Financial markets include equity market, money market and forex market. Coming to real channel, Indian economy has been hit through the slump in demand for exports. The countries (mainly western countries), which import the India's manufactured goods has reduced their import from India for the economic instability; which resulted in the collapse of the Indian economy.

The export sector in now facing new challenger due to the present crisis period. As the recession deepens the volume of export is likely to fall further and remittances from migrant workers are likely to slow down.

Reserve Bank Governor says that the ongoing Global crisis has resulted in a massive breakdown of trust in the financial system and that the study of economics could lose its value base.

Now, only a remedy can help to stabilize the world economy i.e. government interference. In today's situation, Keynesian version is considered more relevant to tackle the Global crisis.

Keynes had argued that markets are not only self-correcting, but in a severe down turn monetary policy are likely to be inefficient. Economic theory had explained why unfettered markets were not self-correcting, why regulation was needed and why there was an important role for Government to play in the economy. But many, especially people working in the financial markets, pushed a type of "market fundamentalism. The misguided policies inflicted enormous costs on developing countries. So, Fiscal policies are required.

Keynes was worried about liquidity trap-the inability of monetary authorities to induce an increase in the supply of credit in order to raise the level of economic activity. Today, the risk is that the new Keynesian doctrines will be used and abused to serve the interests of a few. After all the pursuit of Keynesian policies looks even more profitable than the pursuit of market fundamentalism.

In India, in the budget speech, Finance minister Mr. P. Chidambaram had stated that for the current year, the revenue deficit would be 1.4% of the GDP, against the budgeted estimate of 1.5% and the fiscal deficit would be 3.1% of GDP, against the budgeted estimate of 3.3%. The fiscal deficit was 2.5% of GDP in 2008-09. Our Govt. tried to stabilize the economy by deficit financing. Ultimately, only the acts of Govt. can enthuse the people simultaneously to increase the growth rate. So, Govt. should keep rigid eyes on this phenomenon. (i.e. problem)

The current crisis calls for two main sets of policy measures. First, measures to repair the financial system. Second, measures to increase demand and restore confidence.❐


*Reference From–*

(1) The Assam Tribune (News Paper)

(2) The Sunday Indian (Magazine)


● ***All through your career what you learn is more important than what you earn.*** **- Rosepal**

● ***An innocent ploughman is more worthy than a vicious prince. - Benjamin Franklin***

● ***Contentment is natural wealth, luxury is artificial poverty.*** ***- Socrates.***

● ***The cultured one gives happiness wherever they go.*** ***- Vivekananda***

# A smile costs nothing

Mrinal Kalita
B.A. 2nd yr.



There is no life without pain
There is no life without smile!
And smile, is the actual way
To lead a life.
Then why is this world so grim?
Why are we always in a rush?
As if in competition with the light.
No time to smile,
No time to enjoy nature.
Isn't it a mystery?
As unsolved mystery, inevitable loss of happiness.
All the glory is within us
The world is within us
The eternity is within us.
So, what are we searching for?
Let us conceal our pains and tears
And smile!
After all, 'A smile costs nothing." ❐

# A dream of Love

Md. Sabbin Ali
H.S. 2nd yr. (Arts)



Love is not a thing
Which you can touch,
Love is not a right
Which you can demand.
Love is not a game
Which you can play,
Love is not a flower
Which you can smell.
Love is a beautiful dream
Which you can enjoy,
But not again and again.
You may have once only. ❐

# ২০০৭-০৮ বৰ্ষৰ বাৰ্ষিক প্ৰকাশ 'মঙলদৈ মহাবিদ্যালয় আলোচনী'ৰ এক সমালোচনাত্মক আলোচনা




তত্বাৱধায়ক ঃ ড° বিজয় কুমাৰ শৰ্মা
সম্পাদক ঃ জয়ন্ত ডেকা

চন্দ্ৰ চহৰীয়া

সকলো সমালোচনাৰ এক সুকীয়া ঠাচ আৰু সৌন্দৰ্য আছে। এক নিৰ্দিষ্ট বিষয় বস্তুসমৃদ্ধ ৰচনাৰ ক্ষেত্ৰত সমালোচনাৰ পথ উজু যদিও বিভিন্ন বিষয় সংপৃক্ত ৰচনাৰ ক্ষেত্ৰত ই সমালোচনাৰ সলনি আলোচনাধৰ্মী হোৱাহে যুগুত। উল্লেখ্য যে, মহাবিদ্যালয়ৰ আলোচনীসমূহ তেনে গুণধৰ্মী হোৱাৰ পৰিপ্ৰেক্ষিতত সমালোচনাৰে সিক্ত আলোচনা হয়গৈ। ঠিক তেনে এক মানসিকতাকে পোষণ কৰি আমিও মঙলদৈ মহাবিদ্যালয়ৰ ২০০৭-০৮ বৰ্ষৰ বাৰ্ষিক প্ৰকাশ আলোচনীখনৰ এক চমু আলোচনা আগবঢ়াবলৈ যত্নপৰ হৈছো। প্ৰসংগত উল্লেখ্য যে পাঁচকুৰি পৃষ্ঠাৰে সমৃদ্ধ 'ডিমাই' চাইজৰ এই আলোচনীখনত সন্নিবিষ্ট সকলোবোৰ ৰচনা থাউকতে কিম্বা পুংখানুপুংখভাৱে আলোচনা কৰাটো সম্ভৱ নহয়; সেয়েহে বিষয়বস্তুৰ গুৰুত্ব, বৰ্তমানৰ প্ৰাসংগিকতাৰ ওপৰত আলোকিত লেখাকেইটিৰ ওপৰত এই আলোচনা সীমাবদ্ধ থাকিব। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে, আলোচনাৰ বাহিৰত বৈ যোৱা ৰচনা সম্ভাৱসমূহ মানদণ্ডবিহীন। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ বৌদ্ধিক বিকাশৰ আহিলা বুলি ক'ব পৰা এই আলোচনীখনৰ কথাশিল্প শিতানত প্ৰকাশিত মুন্না ডেকাৰ 'পিঞ্জৰা' শীৰ্ষক গল্পটিৰ মাজেদি প্ৰকাশিত হৈছে— মাতৃ-পুত্ৰ-কন্যাৰ স্নেহ বন্ধনৰ চিত্ৰ। মৰম আকলুৱা ভগ্নীজনীক কোনো নৰ পিপাসুৰ দলে ককায়েকৰ মৰমৰ পৰা আঁতৰাই লোৱা দৃশ্যই যিদৰে ককায়েক অম্লানক দহি-পুৰি মাৰিছে, আনপিনে কামনাৰ জুইৰ লেলিহান শিখাই ভনীয়েকৰ সমস্ত সাত্বিক ৰূপতে চিৰদিনৰ বাবে আঘাত হনাৰ আশংকাত অম্লান প্ৰকৃতাৰ্থত দুখ আৰু শোকৰ বন্যাত অম্লান হৈ পৰিছে। লেখিকা লীনা শইকীয়াৰ গল্প 'প্ৰকৃত মাতৃস্নেহ'ত উন্মোচিত হৈছে সন্তানৰ প্ৰতি অপত্য চেনেহ আৰু সহমৰ্মিতাৰ প্ৰতিচ্ছবি। অভাৱ তাড়নাই জুৰুলা কৰিলেও মানুহৰ সঁচা মানৱীয় ৰূপৰ যে অৱক্ষয় নঘটে তাৰেই পৰিস্ফুৰণ ঘটিছে এই গল্পটিত। এক ন্যায় বিচাৰ আৰু আশাবাদে গল্পটিত উচ্চ স্তৰলৈ ধাৱমান কৰাইছে বুলি ক'ব পৰা যায়। হৰেন্দ্ৰ চন্দ্ৰ নাথৰ 'নিস্তব্ধতাৰ শিকলি' এক নিবন্ধমূলক গল্প বুলি অভিহিত কৰিব পাৰি। কিয়নো ইয়াৰ অন্তৰ্নিহিত বিষয় পৰামৰ্শমূলক ৰচনাধৰ্মীহে। তথাপি ইয়াৰ আবেদন নতুন প্ৰজন্মৰ বাবে দৰকাৰী।

প্ৰবন্ধ শিতানত মতিৰাম মেধিৰ 'দৰঙী কলা-কৃষ্টি আৰু সামাজিক সংহতি' শীৰ্ষক প্ৰবন্ধটিৰ জৰিয়তে লেখকে কলা-কৃষ্টিৰ চমু বৰ্ণনা ইয়াৰ ঐতিহ্য আৰু সমাজত ইয়াৰ অৰিহণাৰ বিষয়ে অৱলোকন কৰা হৈছে। প্ৰবন্ধটিৰ জৰিয়তে গৱেষক ছাত্ৰই সমল সংগ্ৰহৰ সুবিধা লাভ কৰিব পাৰিব। একেদৰে ডক্টৰ বুদ্ধিন চন্দ্ৰ হাজৰিকাৰ তথ্যভিত্তিক প্ৰবন্ধ 'আমাৰ ৰাষ্ট্ৰীয় উদ্যানসমূহ'ৰ জৰিয়তেও পাঠকে লাভ কৰিব সেউজ অৰণ্যৰ গতিবিধি, ইয়াৰ প্ৰকৰণ আৰু প্ৰকৃতি সংবাদ। আন এটি উপাদেয় প্ৰবন্ধ ডক্টৰ খগেন্দ্ৰ কুমাৰ নাথৰ 'কেইবিধমান ঘৰুৱা বনৌষধ'ৰ জৰিয়তে আয়ুৰ্বেদ চিকিৎসাৰ সমল সদৃশ বন দৰবৰ উপকাৰিতাৰ বিষয়ে চমুকৈ হ'লেও জনাৰ সুবিধা পাব। বৰ্তমান সময়ত অতি মূল্যৱান হিচাপে বিবেচিত এনেবোৰ ঘৰুৱা দৰবে আমাৰ উঠি অহা প্ৰজন্মক চিৰ পৰিচিত প্ৰকৃতি জগতখনৰ পৰা হ'ব পৰা কল্যাণময়ী দিশৰ কথা অনুধাৱন কৰাৰ কিছু হ'লেও সহায়ক হ'ব। দীপাৱাণী দেৱীৰ 'আহাৰ আৰু স্বাস্থ্য' শীৰ্ষক লেখাটিৰ পৰাও শাৰীৰিক শুভ ফলৰ ইতিবাচক চিন্তাৰ সংকেত পাঠকে লাভ কৰিব। বৰ্তমান সময়ৰ অন্য এক প্ৰাসঙ্গিক লেখনি পিনাকী প্ৰসাদ শাণ্ডিল্যৰ 'দুৰ্যোগ আৰু সাৱধানতা'ত সমগ্ৰ জীৱকুলৰ বাবেই প্ৰত্যাহ্বান স্বৰূপ হৈ পৰা প্ৰাকৃতিক পৰিঘটনাৰ বিষয়ে ল'ব লগা সাৱধানতা আৰু সচেতনতাৰ এক সমল বিচাৰি পাব। আমিনুল হকৰ প্ৰবন্ধ 'বিশ্বাস, পৰম্পৰাগত লোক বিশ্বাস ... ... আমিবোৰ'ত সমাজত কৰণীয় দিশবোৰৰ বিষয়ে আলোচনা কৰাৰ লগতে আজিৰ পৰিবৰ্তিত সমাজ ব্যৱস্থাত ইয়াৰ বিৰুদ্ধে জনমত গঠনৰ প্ৰাসঙ্গিকতাই গুৰুত্ব লাভ কৰিছে। ইংৰাজী শিতানটিত ডক্টৰ প্ৰণৱ কুমাৰ শৰ্মা আৰু শ্ৰীশচীন চহৰীয়াৰ ভিন্নধৰ্মী লেখা দুটি সমসাময়িক চিন্তা চৰ্চাৰ উৎকৃষ্ট ফচল বুলি ক'ব পাৰি। ডক্টৰ শৰ্মাই দুৰাৰোগ্য ব্যাধি, সতৰ্কীকৰণৰ লগতে সাধাৰণতে অসচেনতাৰ ফলশ্ৰুতিত হ'ব পৰা ৰোগৰ বিষয়ে সুন্দৰ বিশ্লেষণ আগবঢ়াইছে। আনটি প্ৰবন্ধত শচীন চহৰীয়াই বৰ্তমান সময়ত শিক্ষা গ্ৰহণৰ বিভিন্ন দিশ সম্বন্ধে ছাত্ৰ-ছাত্ৰীৰ কল্যাণত অহা অতিকে প্ৰয়োজনীয় লেখা আগবঢ়াই যথাৰ্থতে উপকাৰ সাধিছে।

শব্দ শিল্প শিতানত প্ৰায় একুৰি এঘাৰটা কবিতা প্ৰকাশ পাইছে যদিও সৰহ সংখ্যক কবিতাতে যৌৱনৰ আবেগ আৰু কল্পনাৰ চিত্ৰ বিদ্যমান। অৱশ্যে শিতানটিৰ বাটচ'ৰাতে প্ৰকাশিত ডক্টৰ কুমুদ চন্দ্ৰ শৰ্মাৰ কবিতা 'কাৰ্যজন'ত উদ্ভাসিত হৈছে লোক দেৱতা শিৱৰ এক বৰ্ণিল ৰূপ যি প্ৰকৃতাৰ্থত শাশ্বত সনাতন সদৃশ। আনহাতে লতিকা বড়াৰ 'সংগদোষ', বাবুল নাথৰ 'মা' আদি কবিতাত ভিন্নধৰ্মী চিত্ৰ পৰিলক্ষিত হয়। একেদৰে ভাৰ্গৱ কুমাৰ বৰুৱাৰ 'জোৰা খুৱাম নহয় মই'ত লিমাৰিকধৰ্মী সুৰ বিৰাজমান। বিপ্লৱ গোহাঁইৰ 'মাজুলীৰ বাইজনী'ত দেখা যায় সাম্যবাদী চিন্তা ধাৰাৰ অনুৰণন। ভোগবাদী সমাজ ব্যৱস্থাত খাটি খোৱাজনৰ জীৱনৰ সকৰুণ প্ৰতিচ্ছবি এই কবিতাত সুন্দৰকৈ প্ৰকাশ পাইছে। যিকোনো গ্ৰন্থৰ পাতনি যিদৰে গুৰুত্বপূৰ্ণ ঠিক সেইদৰে আলোচনী এখনৰ সম্পাদকীয় সমানেই গুৰুত্বপূৰ্ণ। 'আমাক এটা বৌদ্ধিক বিবৰ্তন লাগে' শীৰ্ষক শিৰোনামেৰে নিজৰ সম্পাদকীয়ত সম্পাদক জয়ন্ত ডেকাই বৰ্তমানৰ ক্ষয়িষ্ণু সমাজ ব্যৱস্থাত নতুন প্ৰজন্মৰ কৰণীয় দিশবোৰৰ কথা চমুকৈ হ'লেও আহ্বানৰ সুৰত বৰ্ণনা কৰিছে। এক অগতানুগতিক সম্পাদকীয় হিচাপে বিবেচনা কৰিব পৰা এই লেখা বৰ্তমানৰ পটভূমিত যথাৰ্থতে প্ৰয়োজনীয়। আলোচনা চমুৱাই ক'ব পাৰি যে- অৰ্থবহ বেটুপাত আৰু অন্তৰ্ভাগৰ ৰঙীণ আলোকচিত্ৰ সম্ভাৱেৰে পুষ্ট তথা সুন্দৰ অংগসজ্জাৰে সমৃদ্ধ ২০০৭-০৮ বৰ্ষৰ এই আলোচনীখন এখন উৎকৃষ্ট বুলি ক'লেও অত্যুক্তি কৰা নহয়। ❑

❑ শ্ৰীচহৰীয়া মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আৰু বৰ্তমান পকাদলি উঃ মাঃ বিদ্যালয়ৰ বিষয় শিক্ষক।

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ০০০



শিক্ষা সাহিত্য-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মঙলদৈ মহাবিদ্যালয়। যি গুণী-জ্ঞানী ব্যক্তি সকলৰ আশাশুধীয়া প্ৰচেষ্টাত মঙলদৈ মহাবিদ্যালয়ে স্ব-মহিমাৰে দৰং তথা অসমৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ অনুষ্ঠান হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে, সেই সকল মহানলৈ মই পোন প্ৰথমে শ্ৰদ্ধা জনাইছো। সোণালী জয়ন্তীৰ দেওনা অতিক্ৰম কৰা মহাবিদ্যালখনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ দৰে দায়িত্বপূৰ্ণ পদত যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক বিপুল ভোটত নিৰ্বাচিত কৰিলে সেই সকল ছাত্ৰ-ছাত্ৰীকো আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব গ্ৰহণ কৰি নিষ্ঠাৰে মহাবিদ্যালয়ৰ সকলো ক্ষেত্ৰতে সৰ্বতোপ্ৰকাৰৰ বিকাশত মনোনিৱেশ কৰিছিলো।

মোৰ শ্ৰদ্ধাৰ ছাত্ৰ-ছাত্ৰীসকল, আপোনালোকে মোক যি উদ্দেশ্যৰে নিৰ্বাচিত কৰিছিল তাক ফলপ্ৰসূ কৰাত কিমানদূৰ সফল হৈছো নাজানো। আপোনালোকৰ গঠনাত্মক সমালোচনা আৰু ইতিবাচক সঁহাৰিয়ে এই সময়ছোৱাত মোক বিশেষভাৱে অনুপ্ৰাণিত কৰিছে। সীমিত পৰিসৰ আৰু সা-সুবিধাৰ মাজত বিগত কাৰ্যকালত কেতবোৰ কাৰ্যসূচী ৰূপায়ণ কৰাৰ প্ৰয়াস কৰিছিলো। মহাবিদ্যালয় সপ্তাহ, সৰস্বতী পূজা, নৱাগত আদৰণী সভা, ফাতেহা-ই-দোৱাজ-দাহম, ছহিদ সোঁৱৰণী আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা। ইয়াৰ উপৰিও বিভিন্ন অনুষ্ঠানসমূহ সফল কৰাৰ যত্নত ব্ৰতী হৈছিলো।

**মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন ঃ** মহাবিদ্যালয় সপ্তাহে ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাৰ বিকাশ আৰু মানসিক, কায়িক, আধ্যাত্মিক দিশত যথেষ্ট বৰঙণি যোগায়। ২০০৮ চনৰ ১৬-২০ ডিচেম্বৰলৈ বিভিন্ন প্ৰতিযোগিতামূলক খেল, সাহিত্য, সাংস্কৃতিক প্ৰতিযোগিতাৰে প্ৰতিযোগীসকলে নিজৰ নিজৰ দক্ষতা আৰু প্ৰতিভাৰ চানেকি দেখুৱায়। ইং ২০/১২/২০০৮ তাৰিখে মহাবিদ্যালয় সপ্তাহৰ বঁটা বিতৰণী সভা আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়।

মঙলদৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডক্টৰ যাদৱ চন্দ্ৰ নাথ আৰু শিক্ষা বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ডক্টৰ হৰিশ চন্দ্ৰ ডেকাদেৱ উপস্থিত থাকি উক্ত সভাৰ সৌষ্ঠৱ বৰ্ধন কৰে।

সাংস্কৃতিক অনুষ্ঠানৰ বাবে আমন্ত্ৰণ কৰা অসমৰ চলচিত্ৰ জগতৰ অভিনেতা 'জোনদা ইমান গুণ্ডা'খ্যাত বিক্ৰম ৰাজখোৱা (বিকি) আৰু অভিনেত্ৰী জুপিতৰা ভূঞা উপস্থিত থাকে। লগতে সমৰ বিশিষ্ট কণ্ঠশিল্পী কুমাৰ ধীৰাজ আৰু মিছ কাকলিয়ে সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰি আকৰ্ষণীয় কৰি তোলে।

**সৰস্বতী পূজা উদ্‌যাপন ঃ** বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী দেৱীৰ পূজাভাগ মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত মহাবিদ্যালয় চৌহদত বিপুল উৎসাহ-উদ্দীপনাৰে ইং ৩১ জানুৱাৰী/০৯ তাৰিখে পালন কৰা।

**ফাতেহা-ই-দোৱাজ দাহম ঃ** বিগত বছৰতকৈ ব্যতিক্ৰমভাৱে এইবাৰো ফাতেহা উৎসৱটি মহাবিদ্যালয়ত শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত মহাবিদ্যালয়ত উৎসৱমুখৰ পৰিৱেশেৰে ইং ৪/৯/০৯ তাৰিখে পালন কৰা হয়।

**নৱাগত আদৰণী সভা ঃ** ইং ৩১/৮/০৯ তাৰিখে দিনজোৰা কাৰ্যসূচীৰে নৱাগত আদৰণী সভাখন ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ মিলনৰ আৰু সমন্বয়ৰ সেতু হিচাপে চিহ্নিত হয়। সভাত অতিথি হিচাপে অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি মাননীয় ইদ্ৰিছ আলিদেৱ আৰু মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ মাননীয় ডক্টৰ যাদৱ চন্দ্ৰ নাথদেৱৰ উপস্থিতিয়ে সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

সাংস্কৃতিক অনুষ্ঠানৰ বাবে আমন্ত্ৰণ কৰি অনা অসমৰ বিশিষ্ট কণ্ঠশিল্পী শ্ৰীঅনুপম শইকীয়া আৰু অসমীয়া চলচিত্ৰ জগতৰ 'লখিমী'খ্যাত অভিনেত্ৰী মেঘৰঞ্জনী দেৱীৰ উপস্থিতিয়ে সাংস্কৃতিক অনুষ্ঠানটি প্ৰাণৱন্ত কৰি তোলে। লগতে নৱাগতৰ চা-চিনাকি আৰু শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ মুকলি চ'ৰা অনুষ্ঠানটিয়ে নৱাগত আদৰণি সভাখন আনন্দ মুখৰ কৰি তোলে।

**তৰ্ক প্ৰতিযোগিতা ঃ** ইং ১৯/৯/০৯ তাৰিখে বিগত বছৰৰ দৰে এইবেলিও মঙলদৈ মহাবিদ্যালয়ত সদৌ অসম ভিত্তিত আন্তঃ মহাবিদ্যালয় ছহিদ সোঁৱৰণী তৰ্ক প্ৰতিযোগিতাখনি অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাখনিত অসমৰ কেইবাখনো আগশাৰীৰ মহাবিদ্যালয়ে যোগদান কৰে।

**অভাৱ-অভিযোগ ঃ** মঙলদৈ মহাবিদ্যালয় বৰ্তমান সৰ্বাংগীণ উন্নতিৰ পথত। সকলো ফালৰ পৰা মহাবিদ্যালয়খন বৰ্তমান অসমৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠান হিচাপে প্ৰতিষ্ঠিত হৈছে। যদিও বৰ্তমানেও কিছুমান অভাৱে জুৰুলা কৰি আহিছে। আমি মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাই এই অভাৱ-অভিযোগসমূহ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা প্ৰাক্তন বিধায়ক শ্ৰীবসন্ত দাসদেৱক অৱগত কৰিছো আৰু তেখেতেও অভাৱ-অভিযোগসমূহ সমাধান কৰাৰ আশ্বাস প্ৰদান কৰিছে।

**কৃতজ্ঞতা ঃ** মহাবিদ্যালয়ৰ প্ৰয়াত অধ্যক্ষ ছাজাদুৰ ৰহমান ছাৰ, বৰ্তমানৰ ভাৱপ্ৰাপ্ত অধ্যক্ষ শ্ৰীবিচিত্ৰ কুমাৰ মেধি ছাৰ, মোৰ বিভাগীয় তত্বাৱধায়ক মঃ জামালউদ্দিন আহমেদ ছাৰ; লগতে প্ৰতিটো ক্ষেত্ৰতে সহায় আগবঢ়োৱা মহাবিদ্যালয়ৰ শিক্ষাগুৰুবৃন্দ আৰু ছাত্ৰ-ছাত্ৰীসকল আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া তথা মঙলদৈ মহাবিদ্যালয় পৰিয়ালৰ প্ৰতিজন সদস্যলৈ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

**সামৰণি ঃ** 'হস্তীৰো পিচলে পাৱ, সজ্জনৰো বুৰে নাও'— মোৰ কাৰ্যকালৰ ভিতৰত জ্ঞাত-অজ্ঞাত ভুল হোৱাটো স্বাভাৱিক। আপোনালোক সকলোৰে ওচৰত ক্ষমা বিচাৰি অনাগত দিনত উত্তৰণৰ বাবে আশীৰ্বাদ আৰু মৰম বিচাৰি মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু মঙলদৈ মহাবিদ্যালয়।
জয়তু মহাবিদ্যালয় ছাত্ৰ একতা সভা।

**শ্ৰীযুগব্ৰত বৰুৱা**
সাধাৰণ সম্পাদক
মঙলদৈ মহাবিদ্যালয়
ছাত্ৰ একতা সভা।

# সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতে শ্ৰদ্ধা নিবেদিলোঁ পুণ্যতীৰ্থ মঙলদৈ মহাবিদ্যালয়ৰ জ্ঞাত-অজ্ঞাত সেই মহান ব্যক্তিসকললৈ, যিসকলৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলত দৰং জিলাৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ মঙলদৈ মহাবিদ্যালয় প্ৰতিষ্ঠা হ'ল।

'মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা'ৰ সাহিত্য বিভাগৰ প্ৰধান উদ্দেশ্য হৈছে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাহিত্য চৰ্চাৰ পৰিৱেশ গঢ়ি তোলা আৰু সাহিত্য সৃষ্টিৰ প্ৰতি আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ সাহিত্যিক প্ৰতিভা বিকাশত অৰিহণা যোগোৱা। সোণালী জয়ন্তী অতিক্ৰম কৰা দৰং জিলাৰ সবাতোকৈ পুৰণি উচ্চ শিক্ষাৰ অনুষ্ঠান মঙলদৈ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশৰ মাজত ছাত্ৰ-একতা সভাৰ সাহিত্য বিভাগে সাহিত্য সৃষ্টিৰ বাবে কৰি অহা প্ৰয়াস সঁচাকৈয়ে প্ৰশংসনীয়। এই সাহিত্য বিভাগৰ দ্বাৰা অনুপ্ৰাণিত হৈ বহুতো ছাত্ৰ-ছাত্ৰীয়ে সাহিত্য সৃজনৰ প্ৰতি আকৰ্ষিত হৈছিল আৰু পৰৱৰ্তী কালত তেওঁলোকে সাহিত্যৰ বহল পথাৰখনত বিচৰণ কৰিছে আৰু অসমীয়া সাহিত্যলৈ উল্লেখনীয় বৰঙণি আগবঢ়াইছে। তাৰ বহুতো উদাহৰণ আছে। সেইসকল প্ৰাক্তন কৃতী ছাত্ৰ-ছাত্ৰী তথা প্ৰচাৰ লাভ কৰা প্ৰতিষ্ঠিত সাহিত্যিক আৰু প্ৰচাৰ বিমুখী প্ৰতিভাশালী সাহিত্যিকৰ এই চমু লেখনিত নাম ল'ব নোৱাৰিলোঁ যদিও তেওঁলোক বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰেৰণাৰ উৎস। দুখৰ বিষয় পূৰ্বৰ তুলনাত বৰ্তমানৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাহিত্য চৰ্চাৰ প্ৰতি আগ্ৰহ কমি অহাটো পৰিলক্ষিত হৈছে। এই ক্ষেত্ৰত আমাৰ সাহিত্য বিভাগৰ আৰু কি কৰণীয় আছে সেইটো বিচাৰ কৰা প্ৰয়োজন হৈ পৰিছে। তথাপি আশা ৰাখিছোঁ, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাহিত্য সৃষ্টিৰ অনুকূল পৰিৱেশ সৃষ্টি কৰিবলৈ যত্নপৰ হ'ব আৰু আমাৰ মাজত প্ৰতিভাধৰ সাহিত্যিকে সৃজনীশীল সাহিত্যৰ জন্ম দিব।

বিগত ২০০৮-০৯ বৰ্ষৰ বাবে মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাহিত্য বিভাগৰ সম্পাদকৰ দায়িত্ব পালনৰ সুবিধা পাইছিলোঁ। সম্পাদক হিচাপে নিৰ্ধাৰিত কৰ্মসূচী মতেই সাহিত্য বিভাগৰ দায়িত্ব পালনৰ বাবে চেষ্টা অব্যাহত ৰাখিছিলোঁ।

১৬ ডিচেম্বৰ'০৮ ৰ পৰা ২০ ডিচেম্বৰ'০৮ তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হৈছিল। মহাবিদ্যালয় সপ্তাহ উপলক্ষে সাহিত্য বিভাগৰ দ্বাৰা অনুষ্ঠিত কৰা বিভিন্ন কাৰ্যসূচীৰ ভিতৰত পোনপ্ৰথমে মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰা হয়। প্ৰাচীৰ পত্ৰিকাখনি উন্মোচন কৰে মঙলদৈ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ডক্টৰ কুমুদ চন্দ্ৰ শৰ্মাদেৱে। ইয়াৰ পৰৱৰ্তী কাৰ্যসূচী অনুসৰি সাহিত্য বিভাগৰ দ্বাৰা অনুষ্ঠিত কৰা হৈছিল বিভিন্ন সাহিত্য বিষয়ক প্ৰতিযোগিতা। তাৰে ভিতৰত থিতাতে লিখা অসমীয়া গল্প, কবিতা, নীলা খামৰ চিঠি লিখা প্ৰতিযোগিতা; লগতে অসমীয়া, ইংৰাজী আৰু স্বৰচিত কবিতা আবৃত্তি প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়।

এই আটাইবোৰ প্ৰতিযোগিতাতেই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে যিদৰে অংশ গ্ৰহণ কৰিলে সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। সেইদৰে প্ৰতিযোগিতাত তেওঁলোকৰ পাৰদৰ্শিতাও অতি আকৰ্ষণীয়। পাঁচদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা মহাবিদ্যালয় সপ্তাহত অন্যান্য বিভাগবোৰৰ লগতে সাহিত্য বিভাগৰ দ্বাৰা অনুষ্ঠিত বিভিন্ন কাৰ্যসূচী আৰু প্ৰতিযোগিতাসমূহ সুশৃংখলভাৱে পৰিচালনা কৰাৰ যিসকল অগ্ৰজ আৰু সতীৰ্থই মোক বিভিন্ন দিশত দিহা-পৰামৰ্শৰ লগতে সহায় আগবঢ়ালে তেওঁলোকলৈ এই ছেগতে জনালোঁ অশেষ কৃতজ্ঞতা।

ছাত্ৰ-একতা সভাৰ সাহিত্য বিভাগৰ দ্বাৰা বাৰ্ষিকভাৱে প্ৰকাশিত কবিতা সংকলন 'প্ৰেৰণা' প্ৰকাশৰ সময়ত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিলোঁ। কিন্তু শ্ৰদ্ধাৰ সাহিত্য বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক তথা মঙলদৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীডিম্বেশ্বৰ বৰুৱাদেৱে কবিতা পুথিখনি ছপা কৰি উলিওৱাত যথেষ্ট সহায় আগবঢ়ালে। তাৰ বাবে এই সুযোগতে তেখেতক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

এইখিনিতে ২০০৮-০৯ বৰ্ষৰ 'মহাবিদ্যালয় সপ্তাহ' উপলক্ষে সাহিত্য বিভাগৰ দ্বাৰা আয়োজিত কৰা বিভিন্ন শিতানৰ প্ৰতিযোগিতাত বিজয়ী হোৱা ছাত্ৰ-ছাত্ৰীৰ নাম-তালিকা উল্লেখ কৰা হ'ল—

<u>থিতাতে লিখা অসমীয়া কবিতা প্ৰতিযোগিতা</u>

১ম- ভাৰ্গৱ কুমাৰ বৰুৱা (স্নাতক ৩য় বৰ্ষ)
২য়- মুন্না ডেকা (স্নাতক ৩য় বৰ্ষ)
৩য়- জয়ন্ত ডেকা (স্নাতক ২য় বৰ্ষ)

<u>থিতাতে লিখা গল্প প্ৰতিযোগিতা</u>

১ম- মুন্না ডেকা (স্নাতক ৩য় বৰ্ষ)
২য়- মৌচুমী কলিতা (স্নাতক ২য় বৰ্ষ)
৩য়- গীতিমা হাজৰিকা (স্নাতক ৩য় বৰ্ষ)

<u>নীলা খামৰ চিঠি লিখা প্ৰতিযোগিতা</u>

১ম- নিয়তি বৰুৱা (স্নাতক ৩য় বৰ্ষ)
২য়- অংকুমণি ডেকা (স্নাতক ১ম বৰ্ষ)
৩য়- মৌচুমী কলিতা (স্নাতক ২য় বৰ্ষ)

<u>অসমীয়া কবিতা আবৃত্তি প্ৰতিযোগিতা</u>

১ম- সংগীতা বৰুৱা (স্নাতক ২য় বৰ্ষ)
২য়- গীতিমা হাজৰিকা (স্নাতক ৩ম বৰ্ষ)
৩য়- হিমাংশু শৰ্মা (স্নাতক ১ম বৰ্ষ)
জয়ন্ত ডেকা (স্নাতক ২য় বৰ্ষ)

<u>ইংৰাজী কবিতা আবৃত্তি প্ৰতিযোগিতা</u>

১ম- হৃদয়াশ্ৰী ৰাভা (স্নাতক ২য় বৰ্ষ)
২য়- দেৱদাসী বৰ্মন (স্নাতক ২য় বৰ্ষ)
৩য়- গীতিমা হাজৰিকা (স্নাতক ৩য় বৰ্ষ)
পাপৰি কৌশিক (স্নাতক ১ম বৰ্ষ)

<u>স্বৰচিত কবিতা আবৃত্তি প্ৰতিযোগিতা</u>

১ম- জয়ন্ত ডেকা (স্নাতক ২য় বৰ্ষ)
২য়- খুৰচিনা বেগম (স্নাতক ২য় বৰ্ষ)
সংগীতা বৰুৱা (স্নাতক ২য় বৰ্ষ)

৩য়- মুন্না ডেকা (স্নাতক ৩য় বৰ্ষ)
পাপৰি কৌশিক (স্নাতক ১ম বৰ্ষ)
**২০০৮-০৯ বৰ্ষৰ শ্ৰেষ্ঠ সাহিত্যিক**
মুন্না ডেকা (স্নাতক ৩য় বৰ্ষ)

সাহিত্য বিভাগৰ সম্পাদক হিচাপে মোৰ দায়িত্ব কিমানদূৰ সফলতাৰে পালন কৰিব পাৰিলোঁ সেইটো বিচাৰ্যৰ বিষয়। মোৰ দায়িত্ব পালনত বৈ যোৱা ত্ৰুটি-বিচ্যুতি আৰু ভুল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি এই প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু মঙলদৈ মহাবিদ্যালয়।

**শ্ৰীৰিপুঞ্জয় কুমাৰ বৰুৱা**
সম্পাদক
সাহিত্য বিভাগ

※ ※ ※

## ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



এই প্ৰতিবেদনৰ আৰম্ভণিতে আই মাতৃ সেউজী ধৰণী অসমৰ অস্তিত্ব ৰক্ষাৰ্থে অজ্ঞাত যিসকল বীৰ ছহিদে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি প্ৰাণ বিসৰ্জন দি স্বৰ্গাভিমুখী হ'ল তেখেতসকলৰ আত্মাৰ চিৰশান্তিৰ বাবে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

অসমৰ এখনি আগশাৰীৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰ আৰু আঞ্চলিক ৰাইজৰ ভৰসা স্বৰূপ এই মহান মহাবিদ্যালয়খনিত ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ দৰে এটি গুৰুত্বপূৰ্ণ পদত যিসকলে মোক সেৱা কৰাৰ সুবিধাকণ দিলে তাৰ বাবে সকলো ছাত্ৰ-ছাত্ৰীকে এই ছেগতে কৃতজ্ঞতা জনাইছোঁ।

আমাৰ কাৰ্যকালৰ প্ৰথম পদক্ষেপ আছিল 'মহাবিদ্যালয় সপ্তাহ।' প্ৰতি বছৰৰ দৰে এই বছৰো 'মহাবিদ্যালয় সপ্তাহ' শিক্ষাৰ বিকাশ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক, কায়িক আৰু আধ্যাত্মিক দিশত প্ৰভূত বৰঙণি যোগায়। এই ক্ষেত্ৰত মঙলদৈ মহাবিদ্যালয়ে প্ৰতি বছৰে আপোচহীন পদক্ষেপ গ্ৰহণ কৰি আহিছে। মহাবিদ্যালয় সপ্তাহত ছাত্ৰী জিৰণী কোঠাৰ অন্তৰ্গত কেৰম, বেডমিণ্টন, ডবা আদি খেল অনুষ্ঠিত কৰিছিলো। ইয়াৰ উপৰিও মহিলা বিষয়ক মুকলি কুইজ আৰু প্ৰথমবাৰৰ বাবে কাল্পনিক যুগলবন্দী (Ancient Lovers) প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়।

মঙলদৈ মহাবিদ্যালয়ৰ দৰে এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ত এটি ছাত্ৰী জিৰণী কোঠাৰ দায়িত্বৰ প্ৰাসংগিকতা কিমান এয়া আজি সকলোৱে উপলব্ধি কৰিব পাৰে। ছাত্ৰী জিৰণি কোঠাৰ প্ৰয়োজনীয় সা-সৰঞ্জাম, খেলৰ সামগ্ৰীসমূহ সংৰক্ষণৰ অভাৱত প্ৰতি বছৰে ক্ৰয় কৰিবলগা হয়। এইবাৰো কিছু সামগ্ৰী ক্ৰয় কৰিব লগা হয়। মোৰ কাৰ্যকালত মহৎ ব্যক্তিৰ ফটো কেইখনমান আৰু প্ৰতি বছৰৰ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা আৰু তত্বাৱধায়কৰ নাম সম্বলিত এখন ডাঙৰ ফলক ক্ৰয় কৰা হয়। ইয়াৰ উপৰিও ছাত্ৰী জিৰণি কোঠাৰ সন্মুখত এখন ফুলনিও প্ৰতিষ্ঠা কৰা হয়।

মোৰ কাৰ্যকালত প্ৰতিটো দিশৰে পৰা সহায়-সহযোগ কৰা তত্বাৱধায়িকা মাননীয়া শ্ৰীলীনা শইকীয়া বাইদেউ সমন্বিতে জয়শ্ৰীবা, ৰমলা, মৌচুমীবা, চেমিম, নাজনিন, মনালিছা, বৰ্ণালী, বিচিত্ৰ দা, শশাংক দা, ঋতুপৰ্ণ দা, ভূপেন দা— এই সকলোলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত জ্ঞাতে-অজ্ঞাতে বৈ যোৱা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা ভিক্ষা মাগিছো আৰু মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি কামনা তথা ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই মোৰ প্ৰতিবেদন সামৰিছো।

**শ্ৰীহিমাক্ষী ডেকা**
সম্পাদিকা
ছাত্ৰী জিৰণী কোঠা

※ ※ ※

## ব্যায়ামশালা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ সহযোগত এই মহাবিদ্যালয়খন গঢ় লৈ উঠিছিল সেইসকল ব্যক্তিলৈ মই সহৃদয়ে শ্ৰদ্ধা নিবেদিছো, লগতে যিসকল ব্যক্তিয়ে দেশৰ নামত নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি ছহিদ হ'ল সেইসকল ব্যক্তিলৈও মোৰ অশ্ৰু-অঞ্জলি যাচিলোঁ।

মঙলদৈ মহাবিদ্যালয়ৰ ২০০৮-২০০৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ-ছাত্ৰীসকলে মোক ব্যায়ামশালা বিভাগৰ সম্পাদক পদত নিয়োজিত কৰা বাবে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

কাৰ্যভাৰ গ্ৰহণৰ পিছতে মোৰ প্ৰথম পদক্ষেপ আছিল মহাবিদ্যালয় সপ্তাহত ব্যায়ামশালা বিভাগৰ উদ্যোগত বিভিন্ন খেল অনুষ্ঠিত কৰা। অনুষ্ঠিত কৰা খেলসমূহৰ ভিতৰত আছিল দেহশ্ৰী প্ৰতিযোগিতা, ভাৰত্তোলন প্ৰতিযোগিতা, পাঞ্জা প্ৰতিযোগিতা, ল'ৰা-ছোৱালী উভয়ৰে 'স্কিপিং' প্ৰতিযোগিতা ইত্যাদি। এই খেলসমূহত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি আৰু অংশগ্ৰহণে প্ৰতিযোগিতাসমূহ সফল হোৱাত সহায় কৰিছিল।

দৰং জিলাৰ ঐতিহ্যমণ্ডিত মঙলদৈ মহাবিদ্যালয়ৰ ব্যায়ামশালা বিভাগৰ সম্পাদক পদ মই বহু আশাৰে গ্ৰহণ কৰিছিলো যাতে মই ব্যায়ামৰ সা-সঁজুলি বৃদ্ধি কৰাৰ লগতে বিভাগৰো মান উন্নত কৰিব পাৰো। কিন্তু ব্যায়ামশালা বিভাগৰ পুঁজিৰ পৰিমাণ যথেষ্ট কম, সেইবাবে বহু আশা আশা হৈয়ে ৰ'ল। গতিকে কৰ্তৃপক্ষক অনুৰোধ জনাওঁ যে, ব্যায়ামশালা বিভাগৰ পুঁজিৰ পৰিমাণ বৃদ্ধি কৰাৰ লগতে ব্যায়ামৰ সঁজুৰি পৰিমাণো যেন বৃদ্ধি কৰে।

এই প্ৰতিবেদনখনৰ জৰিয়তে মই এই বিভাগত যিসকল লোকে

মোক বিভিন্ন দিশত সহায়-সহযোগিতা কৰিছিল তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰিছো। লগতে তত্বাৱধায়ক মহোদয় মাননীয় শ্ৰীইচ্ছাৰাম নাথ আৰু ব্যায়ামশালাৰ প্ৰশিক্ষক মাননীয় শ্ৰীজয়ন্ত ৰাজবংশীলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপনৰ লগতে মোৰ প্ৰতিবেদনখন প্ৰকাশৰ সুযোগকণ দিয়াৰ বাবে আলোচনী বিভাগৰ সম্পাদক শ্ৰীৰঞ্জনজ্যোতি শৰ্মালৈ মোৰ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত হোৱা জ্ঞাত-অজ্ঞাত সকলো ভুল-ভ্ৰান্তিৰ বাবে মই মহাবিদ্যালয়ৰ সকলোৰে ওচৰত ক্ষমা বিচাৰি তথা মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। শ্ৰদ্ধাৰে—

শ্ৰীমানসজ্যোতি শৰ্মা
সম্পাদক
ব্যায়ামশালা বিভাগ

※ ※ ※

## সংগীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



জয়জয়তে মই সেইসকল নমস্য ব্যক্তিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছো যিসকলে দেশমাতৃৰ অস্তিত্বৰ বাবে প্ৰাণ আহুতি দিলে। মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতিৰ বাবে অহোপুৰুষাৰ্থ চেষ্টা, কষ্ট আৰু ত্যাগ কৰা ব্যক্তিসকলৈ মোৰ সহস্ৰ প্ৰণাম, লগতে কৰ্মৰত অৱস্থাত মৃত্যুবৰণ কৰা ভাৰপ্ৰাপ্ত অধ্যক্ষ ছাজাদুৰ ৰহমান ছাৰলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো।

ঐতিহ্যমণ্ডিত মঙলদৈ মহাবিদ্যালয়ৰ ২০০৮-০৯ বৰ্ষৰ সংগীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে চিনাকি দিয়াৰ বাবে যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক সহায়-সহযোগিতা আগবঢ়ালে তেখেতসকললৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ কেইদিনমানৰ পিচতে ১৬-১২-০৮ তাৰিখৰ পৰা ২০-১২-০৮ তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ আৰম্ভ হৈছিল। মহাবিদ্যালয় সপ্তাহত উক্ত বিভাগৰ দ্বাৰা বিভিন্ন সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। প্ৰধানকৈ গজল, ভজন, খেয়াল, লোকগীত, বৰগীত, বনগীত, বিহুগীত, আধুনিক গীত, ভূপেন্দ্ৰ সংগীত, ৰাভা সংগীত, জ্যোতি সংগীত, বিহু নৃত্য, আধুনিক নৃত্য, অন্তাক্ষৰী, একক অভিনয় আৰু বিশেষভাৱে আকৰ্ষণীয় একাংকিকা নাটক প্ৰতিযোগিতা আদি উল্লেখযোগ্য। মই অতিকৈ গৌৰৱ অনুভৱ কৰো যে এইবেলি প্ৰতিটো প্ৰতিযোগিতাৰ প্ৰতিযোগীৰ সংখ্যা আগতকৈ তুলনামূলকভাৱে বেছি। এইয়া শুভ লক্ষণ। সাংস্কৃতিক প্ৰতিযোগিতাসমূহ চলি থকা অৱস্থাত অনুষ্ঠানৰ অনুভৱৰ বিষয়ে বিভিন্ন ছাৰ-বাইদেউ, ছাত্ৰ-ছাত্ৰীয়ে দুআষাৰ লিখি যায়। মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰদ্ধাৰ বিচিত্ৰ কুমাৰ মেধি ছাৰে তেওঁৰ মনৰ ভাব ব্যক্ত কৰে— "চৌদিশে হিংসা, সন্ত্ৰাস, মৃত্যু বিভীষিকা, অস্থিৰতাৰ মাজতো আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সুন্দৰৰ আৰাধনাত ব্ৰতী হৈছে; এই কথাটোৱেই পৰম আনন্দৰ। ছাত্ৰ-ছাত্ৰীসকলৰ এই সাধনা জীৱনজোৱা হওক।" মই ভাবো ছাৰৰ এই উক্তি ছাত্ৰ-ছাত্ৰীসকলৰ সদায় প্ৰেৰণা হৈ ৰ'ব।

সংস্কৃতি অবিহনে এটা জাতিৰ অস্তিত্ব নিৰূপণ কৰা সম্ভৱ নহয়। সংগীতে মানুহক দিব পাৰে এক অনাবিল আনন্দ, জীয়াই থকাৰ প্ৰেৰণা। এটি শিশু জন্মৰ পিচৰ পৰাই মাতৃয়ে নিচুকুৱা গীত শুনি শুনি এটা সময়ত নিদ্ৰাত পৰে। অৰ্থাৎ শিশু মনেও সংগীতৰ এই মাধুৰ্যতাক উপলব্ধি কৰিব শিকে। এয়া সংগীতৰ এক মায়া। মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে সংগীত সাধনাত ব্ৰতী থকাটো মই সদায় কামনা কৰো।

মঙলদৈ মহাবিদ্যালয়ৰ বাবে আনন্দৰ কথা যে অকল মহাবিদ্যালয় সপ্তাহতে আবদ্ধ নাথাকি মনত বহুদিনে পুহি থকা আশা পূৰণ কৰিব পাৰিছো এটি দহদিনীয়া নাট কৰ্মশালা অনুষ্ঠিত কৰি। যোৱা ৯/১০/০৯ তাৰিখৰ পৰা ১৮/১০/০৯ তাৰিখলৈ এই কৰ্মশালা অনুষ্ঠিত কৰা হয়। ৯ তাৰিখে কৰ্মশালাটিৰ শুভ উদ্বোধন কৰে ডক্টৰ বিজয় কুমাৰ শৰ্মা ছাৰে। উক্ত দহ দিনত বিশিষ্ট নাট পৰিচালক অসীম কুমাৰ নাথ, নয়নজ্যোতি কাশ্যপ, দীপক ঠাকুৰীয়া, গৌৰী শৰ্মা আদি প্ৰশিক্ষকসকলে নাটকৰ বিভিন্ন দিশৰ ওপৰত প্ৰশিক্ষণ দিয়ে। কৰ্মশালাটিত মুঠ ৩৫ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। যোৱা ২২-১০-০৯ তাৰিখে কৰ্মশালাৰ সামৰণি অনুষ্ঠানত "আত্মকথা নাটকীয় চিন্তা" নামেৰে এটি অনুষ্ঠান শিল্পীসকলে পৰিৱেশন কৰে। শেষত এখনি সভা আহ্বান কৰা হয়। সেই সভাত কৰ্মশালাত অংশ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীক প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। শিক্ষকবৃন্দ আৰু ছাত্ৰ-ছাত্ৰীৰ সহযোগিতাত অনুষ্ঠানটো সাফল্যমণ্ডিত হোৱা বুলি মই নিঃসন্দেহে ক'ব পাৰো। আশা কৰো ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ বাবে আগলৈ এনে অনুষ্ঠান মহাবিদ্যালয়ত বৰ্তি থাকিব।

সদৌ শেষত কাৰ্যকালৰ প্ৰতিটো খোজতেই মোক অনুপ্ৰাণিত কৰা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, সংগীত আৰু সাংস্কৃতিক বিভাগৰ তত্বাৱধায়ক শ্ৰদ্ধাৰ ডক্টৰ প্ৰণৱ কুমাৰ শৰ্মা ছাৰ, মহাবিদ্যালয়ৰ সমূহ ছাৰ-বাইদেউ তথা মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। তদুপৰি কাৰ্যকালৰ প্ৰতিটো ক্ষেত্ৰতে সহায়ৰ হাত আগবঢ়োৱা সাংস্কৃতিক বিভাগৰ সহঃ সম্পাদক দুগ্ধ ডেকা, বন্ধু হৰেন্দ্ৰ, পল, বনজিৎ, নৃপেন, মৌচুমী, মামনি, গীতাশ্ৰী, ৰেশ্মা, ভূপেন দা মহাবিদ্যালয়ৰ সমূহ বন্ধু-বান্ধৱী আৰু ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকললৈ মোৰ শুভেচ্ছা আৰু কৃতজ্ঞতা জ্ঞাপন কৰি ছাত্ৰ-ছাত্ৰীসকল সংগীতৰ ক্ষেত্ৰত সদায় তিষ্ঠি থকাৰ কামনাৰে মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু মঙলদৈ মহাবিদ্যালয়।

শ্ৰীত্ৰিদীব কলিতা
সম্পাদক, সংগীত আৰু সাংস্কৃতিক বিভাগ।

※ ※ ※

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



যিসকল ব্যক্তিৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলত মঙলদৈ চহৰত বৌদ্ধিক উত্তৰণৰ প্ৰাণকেন্দ্ৰ স্বৰূপে জাতি, ধৰ্ম, ভাষা নিৰ্বিশেষে জ্ঞানৰ চকু মোকলোৱাৰ মাধ্যমৰ সৃষ্টি হ'ল তেওঁলোককৈ মোৰ সহস্ৰ প্ৰণাম।

মানুহ সামাজিক প্ৰাণী, সেয়ে সমাজক সেৱা কৰাতো অন্যতম কৰ্তব্য। বৰ্তমানৰ ছাত্ৰ ভৱিষ্যতৰ নাগৰিক। গতিকে ছাত্ৰ অৱস্থাৰ পৰাই সমাজসেৱাৰ মনোভাৱ গঢ়িব পাৰিলেহে ভৱিষ্যতে এজন সু-নাগৰিক হিচাপে দেশখনক উন্নতিৰ মুখলৈ আগুৱাই নিব পৰা যাব।

মোৰ কাৰ্যকালৰ সময়ছোৱাত ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয় চৌহদ চাফাই কৰি পৰিষ্কাৰ কৰি তোলে। কলেজ সপ্তাহত প্ৰতিযোগিতা পাতিব বিচৰা হৈছিল যদিও বিশেষ অসুবিধাবশতঃ এই প্ৰতিযোগিতা অনুষ্ঠিত কৰিব পৰা নহ'ল। ইয়াৰোপৰি মহাবিদ্যালয়ৰ চৌহদত ৰং দি মহাবিদ্যালয়খন চকুত লগা কৰি তোলা হৈছিল। এই ক্ষেত্ৰত মোক সহায় কৰিছিল মোৰ বন্ধু ৰিংকুমণি, ৰিপুঞ্জয়, পুলকেশ, মানবেন্দ্ৰ, দিব্যজ্যোতি আৰু বহুতে।

এইখিনিতে উল্লেখ কৰিব পাৰি যে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ কেৰাচিন তেলৰ সমস্যাটো দূৰ কৰিবলৈ চেষ্টা কৰিছিলো। এই ক্ষেত্ৰত মই সফলো হৈছিলো।

মোৰ কাৰ্যকালৰ সময়ত প্ৰতিটো কাৰ্যতে পৰামৰ্শ তথা সহায় আগবঢ়াইছিল তত্বাৱধায়ক ডক্টৰ বুদ্ধিন চন্দ্ৰ হাজৰিকা ছাৰদেৱে। হাজৰিকা ছাৰলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। ইয়াৰ উপৰিও মোক প্ৰতিটো পলতে সহায় কৰা বন্ধু যুগব্ৰত আৰু মহাবিদ্যালয়ৰ সমূহ বন্ধু-বান্ধৱীলৈ আন্তৰিক হিয়াভৰা মৰম যাচিলোঁ।

সদৌ শেষত মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি কামনা কৰি আৰু অজানিতে কৰা দোষ-ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু মঙলদৈ মহাবিদ্যালয়।

শ্ৰীকল্প নাৰায়ণ কোঁৱৰ
সম্পাদক
সমাজসেৱা বিভাগ

❋ ❋ ❋

# চাৰুকলা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



জয়জয়তে যিসকল মহান ব্যক্তিৰ অশেষ চেষ্টাৰ ফলত মঙলদৈ মহাবিদ্যালয়খন গঢ় লৈ উঠিছিল সেইসকল ব্যক্তিলৈ মই আন্তৰিক শ্ৰদ্ধা নিবেদিছো। যিসকল ছাত্ৰ-ছাত্ৰীৰ সহায়-সহযোগিতাৰ ফলস্বৰূপে মঙলদৈ মহাবিদ্যালয়ৰ ২০০৮-২০০৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ চাৰুকলা বিভাগৰ সম্পাদক হিচাপে সেৱা কৰিবলৈ সুবিধাকণ পালো, তেওঁলোককৈ সহস্ৰ প্ৰণাম জনালোঁ।

২০০৮-০৯ বৰ্ষত অনুষ্ঠিত হোৱা মঙলদৈ মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি অন্য বছৰৰ দৰে এইবাৰো বিভিন্ন ধৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ ভিতৰত আছিল ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাঙ্কন প্ৰতিযোগিতা, ছাত্ৰীসকলৰ মাজত চিলাই প্ৰতিযোগিতা। তাৰ উপৰিও এখনি প্ৰদৰ্শনীমূলক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। ইয়াৰ ভিতৰত আছিল গামোচা, মেখেলা-চাদৰ, বিচনী, পেইণ্টিং, ফেব্ৰিক, তলচ্‌া আৰু পুষ্পসজ্জা। ছাত্ৰ-ছাত্ৰীসকলে অংশ গ্ৰহণ কৰি এই প্ৰতিযোগিতা সুচাৰুৰূপে পৰিচালনা হোৱাত সহায় কৰিছিল। প্ৰদৰ্শনীমূলক প্ৰতিযোগিতাখনিত ছাত্ৰ প্ৰতিযোগীৰ সংখ্যা সন্তোষজনক আছিল। প্ৰতিযোগিতাখন মুকলি কৰিছিল মঙলদৈ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ছাজাদুৰ ৰহমানদেৱে।

কৃতজ্ঞতা ঃ মোৰ কাৰ্যকালত প্ৰতিটো ক্ষেত্ৰতে দিহা-পৰামৰ্শ দি সহায় কৰা তত্বাৱধায়ক বন্দনা গোস্বামী বাইদেউৰ লগতে পুলক, মলয়, বাপুকণ, পংকজ, হীৰক (লালা), প্ৰাঞ্জল (জন), সঞ্জীৱ (মোছন), জয়ন্ত (বাপু) অৰু তাৰ উপৰিও মোৰ আটাইতকৈ প্ৰিয় বাইদেউ স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী ববিতা হাজৰিকা আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈ মোৰ হিয়াৰ শত সহস্ৰ কৃতজ্ঞতা নিবেদিছো।

সদৌ শেষত ২০০৮-০৯ বৰ্ষত হোৱা বিভাগীয় কাম-কাজত অজানিতে হোৱা ভুলৰ বাবে সকলোৰে ওচৰত প্ৰাৰ্থনা বিচাৰি মহাবিদ্যালয়খনিৰ সৰ্বতো প্ৰকাৰৰ উন্নতিৰ কামনাৰে মোৰ এই ক্ষুদ্ৰ সম্পাদকীয় প্ৰতিবেদনৰ লিখনিৰ ইতিৰেখা টানিলোঁ।

জয়তু মঙলদৈ মহাবিদ্যালয়।

জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।

শ্ৰীনিপু ৰাজবংশী
সম্পাদক
চাৰুকলা বিভাগ

❋ ❋ ❋



# তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ অপূৰ্ব চেষ্টাৰ ফলত এই মহাবিদ্যালয় গঢ়ি উঠিছিল আৰু লগতে সেইসকল বীৰ ছহিদলৈ মোৰ সেৱা যাচিলোঁ যিসকলে দেশৰ হকে নিজৰ জীৱন দান দি থৈ গ'ল।

মোৰ কাৰ্যকালত মহাবিদ্যালয় সপ্তাহত তৰ্ক আৰু বক্তৃতা বিভাগৰ

উদ্যোগত তর্ক প্রতিযোগিতা, কুইজ, বক্তৃতা, মানসিক ক্ষমতা বৃদ্ধি আদিৰ প্ৰতিযোগিতা পতা হৈছিল। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিযোগিতাসমূহত অংশ গ্ৰহণ আৰু সহায়-সহযোগিতা কৰি মোক উৎসাহিত কৰিছিল। বিগত বছৰৰ দৰে এইবেলিও মঙলদৈ মহাবিদ্যালয়ত বিংশতিতম ছহিদ সোঁৱৰণী সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। প্ৰতিবছৰে ২০ ছেপ্টেম্বৰ তাৰিখে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি এই প্ৰতিযোগিতাখনি অনুষ্ঠিত কৰা হৈ আহিছে। এইবেলি মহাবিদ্যালয় উক্ত দিনটোত বন্ধবাৰ হোৱা বাবে ১৯ ছেপ্টেম্বৰ তাৰিখে অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাখনত অসমৰ বিভিন্ন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিছিল। ইয়াৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আইন মহাবিদ্যালয়ৰ দলটোৱে প্ৰথম স্থান লাভ কৰিছিল।

বছৰেকীয়া কাৰ্যকালত মই কিমান সফল হ'ব পাৰিলো নাজানো। কিন্তু প্ৰতিটো কাৰ্যসূচীতে সমূহ শিক্ষাগুৰু তথা মঙলদৈ মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰী আৰু বন্ধুবৰ্গৰ পৰা যি ধৰণৰ সহযোগিতা পালো তাৰ বাবে মই নিজকে ধন্য বুলি ক'ব খোজো।

**কৃতজ্ঞতা স্বীকাৰ ঃ** মোৰ কাৰ্যকালত সততে দিহা-পৰামৰ্শৰ লগতে মুক্ত মনে সকলো কাৰ্য কৰাৰ বাবে অনুপ্ৰেৰণা যোগোৱা মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীবিচিত্ৰ কুমাৰ মেধি, তৰ্ক আৰু বক্তৃতা বিভাগৰ তত্বাৱধায়ক মাননীয় শ্ৰীপৰেশ কুমাৰ শৰ্মা ছাৰ ওচৰত মই চিৰ কৃতজ্ঞ। লগতে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

মোক সকলো কামতে সহায় কৰা বন্ধু যুগব্ৰত বৰুৱা, সমৰজিৎ বৰা, ভাস্কৰ শৰ্মালৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

জয়তু মঙলদৈ মহাবিদ্যালয়।

**শ্ৰীমলয় চমুৱা**
সম্পাদক
তৰ্ক আৰু বক্তৃতা বিভাগ।

❋ ❋ ❋

# ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধিনায়কৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল মহান ব্যক্তিলৈ শ্ৰদ্ধা নিবেদিছো যিসকলে এই মহান অনুষ্ঠানটি গঢ়ি থৈ গ'ল লগতে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধিনায়ক তথা স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱিকাসকলৰ হৈ সেই সকল বীৰ ছহিদলৈ প্ৰণাম জনাইছো, যিসকলৰ জীৱন দান কৰি ধন্য হৈ ৰ'ল।

সকলোৱে কৰ্ম কৰে, সকলো মানুহে নিজৰ নিজৰ কৰ্মত ডাঙৰ কিন্তু যি কৰ্মৰ দ্বাৰা সমাজৰ উন্নতি সাধন হয়, সেই কৰ্মহে শ্ৰেষ্ঠ কৰ্ম। গতিকে সমাজৰ হকে কৰ্ম কৰি নিজৰ নিজৰ দেশৰ সমাজৰ উন্নতি সাধন কৰাই হৈছে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ মূল লক্ষ্য।

ইং ২০০৮ আৰু ২০০৯ বৰ্ষৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধিনায়কৰ যি দায়িত্ব আপোনাসবে মোক দিলে, সেই দায়িত্ব মই সুচাৰুৰূপে পালন কৰিব পাৰিছো নে নাই সেয়া আপোনাসবৰ বিচাৰ্য। ২০০৮ বৰ্ষৰ মাজভাগৰ পৰাহে মই ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধিনায়কৰ পদ গ্ৰহণ কৰিছো। ২০০৮ বৰ্ষৰ যিখিনি সময়ৰ বাবে মই অধিকায়নৰ দায়িত্ব পাইছিলো সেই সময়খিনিত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ যিবোৰ প্ৰয়োজনীয় সামগ্ৰী তাৰ কিছু পৰিমাণে আনিবলৈ সক্ষম হৈছো। এতিয়াও কিছু সামগ্ৰীৰ প্ৰয়োজন। সেয়েহে মই অধিকায়নৰ পদত থকা সময়ছোৱাৰ ভিতৰত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ যিটো মুখ্য উদ্দেশ্য সেই উদ্দেশ্য সুচাৰুৰূপে পালন কৰিবলৈ চেষ্টা কৰিছো।

২০০৮ বৰ্ষত অনুষ্ঠিত হৈ যোৱা ৰাস মহোৎসৱত আমাৰ মঙলদৈ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ পৰা ৫৫ জন স্বেচ্ছাসেৱকে সেৱা আগবঢ়াই সুনাম অৰ্জন কৰে।

ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ২০০৮ বৰ্ষত অৰ্ধদিনীয়া দুটাকৈ শ্ৰমদান শিবিৰ অনুষ্ঠিত কৰা হৈছিল আৰু আন এটা শ্ৰমদান শিবিৰ ২০০৯ বৰ্ষৰ ছেপ্টেম্বৰৰ ৬ তাৰিখ ৰবিবাৰে ২৫ গৰাকী সদস্য-সদস্যাৰে অনুষ্ঠিত কৰা হৈছিল।

মই কৃতজ্ঞতা জ্ঞাপ কৰিলো N.S.S. ৰ সমূহ শুভাকাংখী, মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ, অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, কাৰ্যসূচী বিষয়া মঃ জামালুদ্দিন আহমেদ ছাৰ, কৰ্মচাৰীবৃন্দ আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ লগতে মোক সকলো কামতে দিহা-পৰামৰ্শ দি অহা সৌৰভ দা, কৌশিক, শশাংক, তৃষ্ণা, কবিতা, গৌতম আৰু সংগীতালৈ।

আশা কৰিছো মঙলদৈ মহাবিদ্যালয়ৰ N.S.S. এ মহাবিদ্যালয়ৰ সন্মান অটুট ৰাখি ঐকান্তিকতাৰে সমাজৰ বাবে কাম কৰি যাব। শেষত মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰে উন্নতি কামনা কৰিলোঁ।

জয়তু মঙলদৈ মহাবিদ্যালয়।

জয়তু ৰাষ্ট্ৰীয় সেৱা আঁচনি।

**কুমাৰ মানসপ্ৰতিম নাৰায়ণ দেৱ**
অধিনায়ক, ৰাষ্ট্ৰীয় সেৱা আঁচনি
মঙলদৈ মহাবিদ্যালয়

❋ ❋ ❋



# মঙলদৈ মহাবিদ্যালয় আলোচনী
## প্ৰাক্তন সম্পাদক আৰু তত্বাৱধায়ক

| সংখ্যা | বৰ্ষ | সম্পাদক | তত্বাৱধায়ক |
|---|---|---|---|
| ১ম | ১৯৫৮-৫৯ | শ্ৰীবোধেশ্বৰ ডেকা | শ্ৰীপূৰ্ণচন্দ্ৰ বৰা |
| ২য় | ১৯৬০-৬১ | শ্ৰীসোণেশ্বৰ শৰ্মা | শ্ৰীদেৱীদাস নেওগ |
| ৩য় | ১৯৬১-৬২ | শ্ৰীহৰগৌৰী অধিকাৰী | শ্ৰীপূৰ্ণচন্দ্ৰ বৰা |
| ৪ৰ্থ | ১৯৬২-৬৩ | শ্ৰীমহেশ্বৰ কলিতা | শ্ৰীদেৱীদাস নেওগ |
| ৫ম | ১৯৬৩-৬৪ | শ্ৰীতুৰাৰাম ডেকা | ,, |
| ৬ষ্ঠ | ১৯৬৪-৬৫ | মঃ ফজলুল কৰিম | ,, |
| ৭ম | ১৯৬৫-৬৬ | শ্ৰীবাসৱ চন্দ্ৰ চহৰীয়া | ,, |
| ৮ম | ১৯৬৬-৬৭ | শ্ৰীহেমকান্ত ডেকা | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ৯ম | ১৯৬৭-৬৮ | শ্ৰীঅৰুণ চন্দ্ৰ দাস | ,, |
| ১০ম | ১৯৬৮-৬৯ | শ্ৰীনৰেন হাজৰিকা | ,, |
| ১১শ | ১৯৬৯-৭০ | শ্ৰীপ্ৰভাত নাৰায়ণ চৌধুৰী | ,, |
| ১২শ | ১৯৭০-৭১ | শ্ৰীদীনবন্ধু শৰ্মা | ,, |
| ১৩শ | ১৯৭১-৭২ | মঃ মহিউদ্দিন জিয়াউল হক | শ্ৰীভূপেন্দ্ৰ নাথ কাকতি |
| ১৪শ | ১৯৭২-৭৩ | শ্ৰীপ্ৰেমানন্দ নাথ | ,, |
| ১৫শ | ১৯৭৩-৭৪ | শ্ৰীভবেশ চন্দ্ৰ ডেকা | ,, |
| ১৬শ | ১৯৭৪-৭৫ | শ্ৰীজুৰণ চন্দ্ৰ কলিতা | ,, |
| ১৭শ | ১৯৭৫-৭৬ | শ্ৰীদেবেন্দ্ৰ কুমাৰ শৰ্মা | ,, |
| ১৮শ | ১৯৭৬-৭৭ | শ্ৰীভৱকান্ত হাজৰিকা | ,, |
| ১৯শ | ১৯৭৭-৭৮ | শ্ৰীপৰমানন্দ ৰাজবংশী | শ্ৰীমতী নাহাৰুণ নেচা |
| ২০তম | ১৯৭৮-৭৯ | শ্ৰীশৈলেন্দ্ৰ কুঃ শৰ্মা বৰুৱা | শ্ৰীমহেন্দ্ৰ প্ৰসাদ বৰুৱা |
| ২১তম | ১৯৭৯-৮১ | শ্ৰীপংকজ কুমাৰ গোস্বামী | শ্ৰীবিজয় চন্দ্ৰ গোস্বামী |
| ২২তম | ১৯৮১-৮২ | শ্ৰীগজেন্দ্ৰ বৰুৱা | শ্ৰীভাৰত চন্দ্ৰ শৰ্মা |
| ২৩তম | ১৯৮২-৮৩ | শ্ৰীবিশ্বজিৎ গোস্বামী | ,, |
| ২৪তম | ১৯৮৩-৮৪ | শ্ৰীদুলাল বৰুৱা | ,, |
| ২৫তম | ১৯৮৫-৮৬ | শ্ৰীশিৱ প্ৰসাদ বৰুৱা | শ্ৰীমতিৰাম মেধি |
| ২৬তম | ১৯৮৬-৮৭ | শ্ৰীমিনাৰাম হাজৰিকা | ,, |
| ২৭তম | ১৯৮৭-৮৮ | শ্ৰীভবেশ বৰুৱা | ,, |
| ২৮তম | ১৯৮৮-৮৯ | শ্ৰীমুক্তানন্দ শৰ্মা | ইদ্রিছ্ আলি |
| ২৯তম | ১৯৮৯-৯০ | মমতাজ খানম | শ্ৰীবুদ্ধিন চন্দ্ৰ হাজৰিকা |
| ৩০তম | ১৯৯১-৯২ | শ্ৰীৰবিতা কুমাৰী মাজু ডেকা | ইদ্রিছ্ আলি |
| ৩১তম | ১৯৯২-৯৩ | মঃ আমিনুল হক | ,, |
| ৩২তম | ১৯৯৩-৯৪ | শ্ৰীলক্ষ্যধৰ শৰ্মা | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৩৩তম | ১৯৯৪-৯৫ | শ্ৰীজয়ন্ত শৰ্মা | ,, |
| ৩৪তম | ১৯৯৫-৯৬ | শ্ৰীপ্ৰণৱ ভট্ট | ইদ্রিছ্ আলি |
| ৩৫তম | ১৯৯৬-৯৭ | শ্ৰীচন্দন শইকীয়া | শ্ৰীমতিৰাম মেধি |
| ৩৬তম | ১৯৯৭-৯৮ | শ্ৰীঅৰুণ শৰ্মা | ,, |
| ৩৭তম | ১৯৯৯-৯৯ | শ্ৰীদ্বীপকিশোৰ শইকীয়া | ড° বিজয় কুমাৰ শৰ্মা |
| ৩৮তম | ১৯৯৯-২০০০ | শ্ৰীঅসীম শৰ্মা | শ্ৰীবিচিত্ৰ কুমাৰ মেধি |
| ৩৯তম | ২০০০-০১ | শ্ৰীপ্ৰবীণ বৰুৱা | ,, |
| ৪০তম | ২০০১-০২ | সম্পাদনা সমিতি | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৪১তম | ২০০৩-০৫ | শ্ৰীচিন্ময় বৰুৱা } | ,, |
| | | শ্ৰীদেৱৰ্ষি ডেকা | ,, |
| ৪২তম | ২০০৬-০৭ | শ্ৰীপ্ৰণামিকা শৰ্মা | ড° বিজয় কুমাৰ শৰ্মা |
| ৪৩তম | ২০০৭-০৮ | শ্ৰীজয়ন্ত ডেকা | ,, |
| ৪৪তম | ২০০৮-০৯ | শ্ৰীৰঞ্জনজ্যোতি শৰ্মা | ,, |

* * *

# তত্বাৱধায়কৰ কলম ০০০

কোনো অনুষ্ঠানত শিক্ষা গ্ৰহণ কৰা শিক্ষাৰ্থীসকলৰ চিন্ত-চৰ্চা, ধ্যান-ধাৰণাৰ মাজেৰে সেই অনুষ্ঠানখনৰ স্বৰূপ প্ৰতিফলিত হয়। এনে চিন্তা-চৰ্চাৰ মূৰ্ত প্ৰকাশৰ এটি মাধ্যম লেখনি। মঙলদৈ মহাবিদ্যালয়তো অধ্যয়নৰত শিক্ষাৰ্থীসকলৰ চিন্তাৰ প্ৰতিফলন ঘটাবৰ বাবে আলোচনী এখন প্ৰতিবছৰে প্ৰকাশ হৈ আহিছে।

সমাজৰ ধ্যান-ধাৰণাৰ পৰিবৰ্তনৰ লগে লগে শিক্ষাৰ পাঠ্যক্ৰম সলনি হোৱাও দেখা যায়। বিজ্ঞান-প্ৰযুক্তিৰ বিকাশৰ ফলত বহুতো শিক্ষাৰ্থীয়ে তথ্য নিৰ্ভৰ জ্ঞান যথেষ্ট পৰিমাণে লাভ কৰিবলৈ সক্ষম হৈছে। পৰীক্ষাত সৰহকৈ নম্বৰ পোৱা শিক্ষাৰ্থীৰ পৰিমাণো বাঢ়িছে। সামগ্ৰিকভাৱে শিক্ষাৰ্থীসকলৰ পৰীক্ষাৰ ফলাফল আশানুৰূপ নুবুলি নোৱাৰি। এনে অনেক মেধাসম্পন্ন শিক্ষাৰ্থীৰ চিন্তা-চৰ্চাৰ প্ৰতিফলনৰ মাধ্যম আলোচনীখনৰ তত্বাৱধায়কৰ দায়িত্ব কেইবাবছৰেও গ্ৰহণ কৰি বিভিন্ন দিশত কিছু অভাৱ অনুভৱ নকৰা নহয়।

মহাবিদ্যালয়ৰ আলোচনী এখন উন্নত মানসম্পন্ন, কলেৱৰ সমৃদ্ধ হোৱাটো প্ৰয়োজন। মানসম্পন্ন আলোচনীখনৰ বাবে খৰচৰ পৰিমাণো হয় অধিক। ছাত্ৰ-ছাত্ৰীসকলৰ পৰা সংগৃহীত ধনেৰে এই পৰিমাণ পূৰাব নোৱাৰি। তাতে আকৌ মহাবিদ্যালয়ত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমি অহা বাবে আলোচনীৰ শিতানত প্ৰয়োজনীয় ধনৰাশি অকুলন।

ধনৰ অভাৱতকৈও মানসম্পন্ন লিখনিৰ অভাৱ আজি কেইবাবছৰো ধৰি অনুভৱ কৰি আহিছো। বহু সময়ত শিক্ষাৰ্থীসকলে বিষয় নিৰ্বাচন কৰিবলৈ গৈ হাহাকাৰ কৰা দেখা যায়। কোনো কোনোৱে বিষয় নিৰ্বাচন কৰিলেও ভাব প্ৰকাশত উজুটি খায়। প্ৰাথমিক স্তৰৰ লেখকসকলৰ বাবে এইটোও এটা সমস্যা। দৰঙৰ প্ৰসংগত উল্লেখ কৰিব পাৰি— দৰঙী সমাজ গ্ৰাম্য সমাজ। ইয়াৰ সংস্কৃতি গ্ৰাম্য সংস্কৃতি। পৰম্পৰাৰ ওপৰত আস্থাশীল এই সমাজত বিভিন্ন দিশত পৰিবৰ্তনৰ আঁচোৰ পৰিছে। পৰিবৰ্তনৰ মাজেৰে হ'লেও অসমৰ সংস্কৃতিৰ পথাৰত দৰঙী সংস্কৃতিৰ এক সুকীয়া আসন আছে। সংস্কৃতিত সমাজৰ প্ৰতিফলন ঘটে।

বিষয়বস্তু নিৰ্বাচনত দিক্-বিদিক হেৰুৱাই কি লিখিম বুলি বিষয় নিৰ্বাচনৰ বাবে হাবাথুৰি খোৱা শিক্ষাৰ্থীসকলে নিজৰ সমাজ-সংস্কৃতিৰ প্ৰতিচ্ছবি এটি দাঙি ধৰিব পাৰে। কৃষ্টি-সংস্কৃতিৰ নব্য চৰ্চাৰ এই সময়ছোৱাত এনে বিষয়ৰ প্ৰতি উদাসীন মনোভাৱ প্ৰকাশ কৰাটো আত্ম পৰিচয় প্ৰকাশত সচেতনতাৰ অভাৱ বুলিয়েই ক'ব পৰা যায়। তেনেদৰে দৰঙৰ ইতিহাসৰো বহুত তথ্য এতিয়ালৈ প্ৰকাশ হোৱা নাই। বিজ্ঞান চৰ্চাৰ দিশতো কেইবাগৰাকীও বিদ্বান লোকে অহোপুৰুষাৰ্থ প্ৰচেষ্টা হাতত লৈছে। তেখেতসকলৰ সান্নিধ্যই বহুতো শিক্ষাৰ্থীক উপকৃতও কৰিছে। কিন্তু তথাপিতো বিজ্ঞান বিষয়ক নিবন্ধ লিখাৰ ক্ষেত্ৰত আগ্ৰহ প্ৰকাশ কৰা দেখা নাযায়। ভ্ৰমণকে আদি কৰি খেল-ধেমালি, ব্যৱসায়-বাণিজ্য, চিনেমা আদি বিভিন্ন বিষয়ৰ অভিজ্ঞতা থকা শিক্ষাৰ্থীৰ সংখ্যাও তাকৰ নহয়। সেইবোৰ সজাই-পৰাই লিখিলেও সুখপাঠ্য ৰচনা হ'ব পাৰে। কিছুদিন আগতে শ্ৰেণীকোঠাত এটি প্ৰশ্ন সুধি হতবাক হোৱাৰ দৰে হ'বলগা হৈছিল। উচ্চ শিক্ষা ল'বলৈ অহা কিছুসংখ্যক শিক্ষাৰ্থীয়ে ভাৰতীয় মহাকাব্য *ৰামায়ণ, মহাভাৰত*-ৰ বিষয়ে সৰু-সুৰা কথা স্পষ্টকৈ ক'ব নোৱাৰিলে। প্ৰাগজ্যোতিষ, কামৰূপৰ ৰজা, নৰকাসুৰ, ভগদত্তৰ কথাটো দূৰতে থাকক, দৰঙত ৰাজত্ব কৰা দৰঙী কোচ ৰজাসকলৰ বিষয়েও ক'বলৈ অপাৰগ। ইতিহাস চেতনাৰ অভাৱ অথবা আমাৰ ঐতিহ্যপূৰ্ণ অতীতৰ বিষয়ে যদি জ্ঞান নাথাকে তেনেহ'লে ভৱিষ্যতৰ সুন্দৰ সমাজখনৰ কথাটো কল্পনা মাথোন হৈ থাকিব। সমাজ গঠনত প্ৰেৰণা যোগাব পৰা এনে বিষয়ৰ ওপৰত ভাল নিবন্ধ লিখিব পাৰি। বৰ্তমান সময়ত বিভিন্ন আলোচনী, বাতৰি কাকত আদিত সাহিত্যৰ বিভিন্ন শিতানৰ ৰচনা প্ৰকাশ পাই আহিছে। তেনে ৰচনাৰ পঠন-পাঠনৰ ফলতেই সাহিত্য বিষয়ক নিবন্ধ গঠিত হয়। দৰঙৰ লোকসাহিত্যৰ দিশটোও চহকী। ফকৰা যোজনা, খণ্ডবাক্য, জঁতুৱা ঠাঁচ, দৰঙীয়া ভাষা, বিভিন্ন জাতি-উপজাতিৰ আচাৰ, বিশ্বাস, অবিশ্বাস সু-সংস্কাৰ আদি ৰচনাৰ বিষয় হ'ব পাৰে।

অধ্যয়নৰ শেষ নাই। সকলো বিষয় খৰচি মাৰি অধ্যয়ন কৰাটো এজন লোকৰ বাবে সম্ভৱ নহ'বও পাৰে। কিন্তু সমাজৰ শিক্ষিত লোক হিচাপে শিক্ষাৰ্থীসকলৰ পৰা জীৱন বীক্ষা বিষয়ক ন্যূনতম কথাবোৰ সাধাৰণ লোকে পাবলৈ আশা কৰে। সেয়েহে জনাৰ প্ৰয়োজন। আজিৰ পৰা প্ৰায় দুকুৰি বছৰ আগৰ তুলনাত এতিয়া অনেক তথ্যপূৰ্ণ গ্ৰন্থ প্ৰকাশ পাইছে। সেইবোৰৰ পৰাও বহুতো সমল প্ৰকাশ কৰি প্ৰাথমিক পৰ্যায়ৰ পঢ়ুৱৈ সমাজক দিব পাৰি। অধ্যয়ন, পৰ্যবেক্ষণ আৰু অভিজ্ঞতা লিখনিৰ সঁচাৰ কাঠী।

শ্ৰুতিৰ দিনৰে পৰা আৰম্ভ কৰি বৰ্তমানলৈ যিবোৰ ৰচনা কৰা হৈছে, তেনে বহুতো গ্ৰন্থৰ জ্ঞানৰে বৰ্তমান সমাজ পৰিচালিত হৈ আছে। এই মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ মাজৰ পৰাও তেনে বিশ্ব বন্দিত গ্ৰন্থ ৰচনা কৰা নহ'ব বুলি ক'ব নোৱাৰি। সময়ত তেনে ৰচকৰ কঠীয়াতলী হিচাপে মহাবিদ্যালয়ৰ আলোচনীখন গৌৰৱৰ বিষয় নহ'বনে? আমি আশাবাদী তথাপিতো কিবা এটা অভাৱ যেন বৰ্তমান।

একালত কলিকতালৈ উচ্চ শিক্ষা ল'বৰ বাবে যোৱা অসমীয়া ছাত্ৰ-সকলৰ কেইগৰাকীমানৰ ৰচনাৰাজিৰে অসমীয়া সাহিত্যৰ ভঁৰাল ঋদ্ধ। তেনে অনেক ৰচনা বৰ্তমান কলেজীয়া পাঠ্যক্ৰমত সোমাই পৰিছে। কলেজীয়া শিক্ষাৰ্থীৰ পৰা সমাজে পোৱা এয়া মহৎ অৱদান নহয়নে?

মঙলদৈ মহাবিদ্যালয়ত অনেক প্ৰতিভাশালী শিক্ষাৰ্থী আছে। তেখেতসকলৰ চিন্তাৰ মূৰ্ত প্ৰকাশে সমাজক আগুৱাই লৈ যাব পাৰিব বুলি আশা ৰাখিছোঁ। শিক্ষাৰ্থীবৃন্দই আশা পূৰণ কৰিব বুলি আমি আশাৰত।

[signature]




Printed at PAHI LASER PRINTS, Chilarai Market, Mangaldai
Ph.- 9854201379, 9435185740